
কৰ্ম মোৰ সংস্কৃতি

# বাখৰ

সপ্তবিংশতিতম সংখ্যা, ২০২০-২১




অসম জাতীয় বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ

# বাখৰুৰা পৰিক্ৰমা (১৯৯৪-২০২১)



# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### সপ্তবিংশতিতম সংখ্যা ২০২০-২১

**সম্পাদনা সমিতি**

শাব্দী ভৰদ্বাজ
প্ৰাৰ্থনা শৰ্মা
অনুব্ৰত বৰঠাকুৰ
বসুধা সঞ্জয়
প্ৰজ্ঞাঞ্জু জগদীশ
স্তুতিকিংকিনী মজুমদাৰ
সমাদৃতা শৰ্মা
প্ৰিয়াংশ্ৰী বৰ্মন
জোনাকনন্দা শৰ্মা
অন্‌চিত শৰ্মা

**সম্পাদনা উপদেষ্টা সমিতি**

যুথিকা পাটোৱাৰী
প্ৰণীতা দেৱী
অলকা গোস্বামী
গোপেন বৰ্মন
ড° লিপিমণি দত্ত
উৎপল ডেকা
পূৰবী ৰাণী বড়া
ৰাণু বুজৰবৰুৱা

**জিৰি বৰ্মন (আহ্বায়িকা)**

বাখৰ

BAKHAR : The Annual Journal of Assam Jatiya Bidyalay.
Published by Assam Jatiya Bidyalay, Guwahati 781020.

**প্ৰকাশ**
**১ জানুৱাৰী, ২০২২**

**বেটুপাতৰ কথকতা**
যুগৰ অন্তত নতুন যুগ... প্ৰতিটো যুগতেই যুঁজ থাকে... প্ৰতিটো যুগতেই শিকিবলগীয়া থাকে...

**বেটুপাতৰ শিল্পী**
নিশিতা বৰগোহাঁই, নৱম 'ঘ'

**সামগ্ৰিক পৰিকল্পনা**
জিৰি বৰ্মন, যুথিকা পাটোৱাৰী, ড° লিপিমণি দত্ত, অলকা গোস্বামী
সম্পাদনা উপদেষ্টা সমিতি, বাখৰ

**অলংকৰণ**
পূৰবী ৰাণী বড়া, কন্দৰ্প শৰ্মা, হিমাদ্ৰী লস্কৰ, হেমাংগিনী মজুমদাৰ, প্ৰণৱ দাস, সংযুক্তা কাকতি, সৃজন বৰুৱা

**ৰঙীন পৃষ্ঠাৰ ডিজাইন**
কুঞ্জৰ দাস, দুলাল বনিয়া

**আৰ্হি পাঠ**
কুলধৰ কলিতা

**ডিটিপি**
প্ৰশান্ত বৰঠাকুৰ

**মুদ্ৰণ**
অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ ছপাশাল
নুনমাটি, গুৱাহাটী-৭৮১০২০

**কৃতজ্ঞতা**
■ অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা, অসম জাতীয় বিদ্যালয়ৰ মাননীয় ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা, শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামী, অধ্যক্ষ ঘনশ্যাম মেধি, উপাধ্যক্ষদ্বয় অপৰাজিতা বৰা আৰু ৰবীন্দ্ৰ বৰ্মন।
■ অসম জাতীয় বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী।

■ **বিশেষ কৃতজ্ঞতা**
উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মন, ৰঘুনাথ কুমাৰ, বিনয় বিকাশ গগৈ, নিশা দেৱী, সীমান্ত কলিতা, ৰুমী কলিতা, শ্যামন্তক ডেকা।

—স.স.বা.।

# বাখৰ

## বছৰেকীয়া প্ৰকাশ

### সপ্তবিংশতিতম সংখ্যা

### ২০২০-২১

কৰ্ম মোৰ সংস্কৃতি

## সূচীপত্ৰ


| | |
|---|---|
| বিদ্যালয় সংগীত | ৬ |
| বিদ্যালয় সংগীতৰ স্বৰলিপি | ৭ |
| অধ্যক্ষৰ কলম... | ৯ |


## *মুকলি মনৰ কথা*


**১৩-৩৬**


- ❖ অনলাইন ক্লাছ কি? অনলাইন ক্লাছ কৰি ভাল লাগে নে বিদ্যালয়লৈ গৈ ক্লাছ কৰি ভাল লাগে? কিয় ভাল লাগে?
- ❖ ক'ৰোনা ভাইৰাছ নোহোৱা হোৱাৰ পাছত তোমাৰ কেনেকুৱা লাগিব?
- ❖ তুমি ফুৰিবলৈ যাওঁতে ৰাস্তাতে তোমাৰ ছেণ্ডেলযোৰ ছিঙি গ'ল। তুমি তেতিয়া কি কৰিবা?
- ❖ ছবি চাই সাধু কোৱা

# সম্পাদকীয়

সমগ্ৰ মানৱ জাতিয়ে বৰ্তমান সময়ত এখন কঠিন যুঁজত অৱতীৰ্ণ হ'ব লগা হৈছে। যোৱা দুটা বছৰত ক'ভিড মহামাৰীয়ে এফালে যিদৰে আমাক মৃত্যুৰ ভয়াবহতাৰ স'তে পৰিচিত কৰিলে, একেদৰে অৰ্থনৈতিক-সামাজিক-শৈক্ষিক ক্ষেত্ৰখনকো প্ৰভাৱান্বিত কৰিলে। আমাৰ হেঁপাহৰ পঢ়াশালিবোৰো বন্ধ হৈ পৰিল—শ্ৰেণীকোঠাৰ সজীৱ পৰিবেশ এৰি আমি অনলাইন মাধ্যমেদি পাঠ গ্ৰহণ কৰিবলগীয়া হ'লোঁ। অৱশ্যে প্ৰতিটো ইতিবাচক-নেতিবাচক ঘটনাই আমাক জীৱন সম্পৰ্কে এটা নতুন পাঠ দি যায়। ক'ৰোনা মহামাৰীয়ে আমাক স্বাস্থ্য সম্পৰ্কে সজাগ হ'বলৈ, প্ৰতিকূলতাৰ সৈতে সহাৱস্থান কৰিবলৈ তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব দিবলৈ শিকালে। দুঃসময় হ'লেও এই মহামাৰীয়ে আমাৰ জীৱনটো যে দুৰ্মূল্য এই কথাও গভীৰভাৱে অনুভৱ কৰালে। বেলেগ বেলেগ পৰিস্থিতিৰ মাজেৰে নিজৰ জীৱনৰ লগতে আনৰ জীৱনৰ প্ৰতিও দায়বদ্ধ হ'বলৈ শিকালে। প্ৰতিকূল পৰিবেশতো বিকল্প শৈক্ষিক পদ্ধতিৰে পাঠ আয়ত্ত কৰাটো আমাৰ বাবে এক নতুন অভিজ্ঞতা, যিয়ে আমাক শিক্ষাৰ গুৰুত্ব ভালদৰে বুজি উঠাত সহায় কৰিলে।

ক'ভিড পৰিস্থিতিৰ মাজতো আমি পূৰ্বৰ দৰে একে উৎসাহেৰে 'বাখৰ' প্ৰকাশ কৰিবলৈ সাজু হৈছোঁ। শিক্ষাৰ্থীসকলৰ আবেগ-অনুভৱ, চিন্তা-চেতনা, ক'ৰোনাকালীন বিভিন্ন পৰিস্থিতিত শিক্ষাৰ্থীসকলৰ অভিজ্ঞতা আদি বিভিন্ন দিশৰ প্ৰাসংগিক লেখাৰে এই সংখ্যাৰ 'বাখৰ'খন সজাই তোলা হৈছে। ইয়াৰ উপৰি এই সংখ্যাত দুটামান নতুন শিতানো সন্নিৱিষ্ট কৰা হৈছে। 'বাখৰ' প্ৰস্তুতিৰ সময়ত অসমীয়া জাতিৰ এগৰাকী পুৰোধা ব্যক্তি নীলমণি ফুকনলৈ অহা 'জ্ঞানপীঠ' বঁটাপ্ৰাপ্তিৰ খবৰে আমাক অতিকে আনন্দিত-উৎসাহিত কৰিছে। অসমীয়া সাহিত্যৰ প্ৰতি আমাৰ নতুন প্ৰজন্মক এই বাতৰিয়ে দায়বদ্ধ কৰিব বুলি আমি আশাবাদী।

আমি আশা কৰিছোঁ 'বাখৰ'ৰ পাতত উজ্জীৱিত হৈ উঠা আমাৰ সৃষ্টিশীল মনবোৰৰ গতি অনিৰুদ্ধ হওক...

**সম্পাদনা সমিতি**
**সপ্তবিংশতিতম সংখ্যা, 'বাখৰ'**

## অনুভৱৰ পৃথিৱী

৩৭-৫১

❖ মোৰ ভাইটি ❖ মোৰ মন যায় ❖ ক'ৰোনা
❖ মন বেয়া ❖ মনৰ ভাবনা ❖ অকণি ❖ পখিলা
❖ দাদা ❖ ৰং ❖ পখিলা ❖ জীৱনৰ লক্ষ্য
❖ মনত পৰে ❖ মোৰ প্ৰিয় বৰ্ণ ❖ দুৰ্গা পূজা
❖ স্কুলীয়া ল'ৰা আমি ❖ আমাৰ ফুলনি ❖ ঈশ্বৰ
❖ ভণ্টি ❖ ঋণ-ঝুন ❖ দেউতা ❖ মেকুৰী
❖ মৰমৰ আইতা ❖ ক'ৰোনা ককা ❖ বৰষুণ
❖ গৰমৰ বন্ধ ❖ মাঁ ❖ ৰাতিপুৱা ❖ গংগাটোপ
❖ ক্ৰোৰোনা ❖ মৰমৰ মা ❖ তৰা
❖ বাৰিষাৰ প্ৰথম বৰষুণ
❖ ক'ৰোনা তুমি আৰু কিমান দিনলৈ ❖ শব্দৰ সন্ধানত
❖ উদক ❖ সু-মধুৰ অজাবি ❖ আমাৰ দেশ
❖ আকৌ আহিছে ঢেৰেকনি ❖ প্ৰাণৰ অজাবি
❖ She Is Not Beautiful
❖ নাই এজন সেনাপতি

## কাহিনীৰ সুৰভি

৫৩-৮৪

❖ ৰামধেনু ❖ মোৰ অনুভৱ ❖ দুখীয়া মানুহ
❖ মৌচাক ❖ এটা ল'ৰাৰ সাধু
❖ বুঢ়া আৰু বুঢ়ী ❖ সেউজীয়া দেশৰ কাহিনী
❖ গুডগুডৰ ৰাতি ❖ এজন টুপী বেপাৰী
❖ ঘৰচিৰিকাৰ দুখ ❖ হাঁহ চিকাৰত লটি-ঘটি
❖ ৰুমী আৰু তাইৰ শহাপহু ❖ পখীৰ আইতাক
❖ ৰূপমৰ অনুভৱ ❖ ম'বাইল ❖ সহায়
❖ মমতা ❖ সপোনৰ সমাধিত গজা এটা সংকল্প
❖ প্ৰতিশ্ৰুতি ❖ বদলি
❖ এটা নতুন জীৱনৰ আৰম্ভণি
❖ ভাগ্যৰ খেলা ❖ মাতৃ

## আন্তৰিক আলাপ

৮৫-৮৯

## চিন্তাৰ লিখন

৯০-১০৫

❖ বৰদৈচিলা ❖ মোৰ প্ৰিয় ঠাই
❖ কথক সম্ৰাট পণ্ডিত বিৰ্জু মহাৰাজৰ সান্নিধ্যত কেইটামান দিন ❖ বাদাম ক'ত হয়? বাদাম ফল নে? ❖ ঘড়ী ❖ কমিক্‌ছ : থূলমূল আভাস
❖ সুখৰ সন্ধান ❖ প্ৰকৃতিৰ ওপৰত মানৰৰূপী দানৱৰ উৎপীড়ন ❖ খাদ্যাভ্যাস আৰু সুস্বাস্থ্য
❖ পৌৰাণিক জীৱসমূহ তথা ইয়াৰ অস্তিত্ব
❖ বিজ্ঞাপন, সমাজ জীৱনত ইয়াৰ প্ৰভাৱ

## জীৱন-বৃত্ত

১০৬-১১৫

❖ ভগিনী নিবেদিতা ❖ মোৰ প্ৰিয় ব্যক্তি : মাদাৰ টেৰেছা ❖ নাট্যগুৰু উইলিয়াম ছেক্সপীয়েৰ
❖ মহাদেৱ গোবিন্দ ৰাণাডে ❖ প্ৰশাসনিক বিষয়া হিচাপে আনন্দৰাম বৰুৱা ❖ শ্ৰীকান্ত জিচকাৰ

## ফুৰাৰ আনন্দ

১১৬-১২১

❖ বনভোজ খোৱাৰ আনন্দ
❖ 'মানস' উদ্যানলৈ গৈছিলোঁ
❖ মোৰ দাৰ্জিলিং ভ্ৰমণ ❖ ভ্ৰমণৰ আনন্দ

## সময়ৰ দস্তাবেজ

১২২-১২৬

❖ ক'ৰোনা মহামাৰীৰ সময়ত মোৰ অনুভৱ
❖ ক'ৰোনা কালত মই কি শিকিলোঁ
❖ অনুভৱ : এক প্ৰত্যাহ্বানৰ

## অনুভৱ
১২৭-১৩১
- ভগৱানলৈ...
- অৰ্গল

## हिन्दी दर्पण
১৩২-১৩৯
- कृष्ण चंदर
- आधुनिक मीरा : महादेवी वर्मा
- उस्ताद आल्लारखा खाँ ❖ शायरी
- बुंदेलखण्डीय ग्रामजीवन पर आधारित उपन्यास
- समकालीन सन्दर्भ में भारतेन्दु जी की बहुचर्चित नाटक अंधेर नगरी की प्रासंगिकता
- भारतीय साहित्य में दलित विमर्श : एक नज़र

## English Corner
১৪০-১৫৪

❖ Oscar Awards ❖ Rising stars of India ❖ The afflicted soul and the Scratched Wall ❖ New Horizon ❖ The World of Norse Mythology ❖ Little Steps Towards the feeling of... ❖ Kyoto ❖ Better Version of Myself during COVID-19 ❖ A Brief Sociological Understanding of Jahnu Barua's National Award-winning Film 'Xagoroloi Bohu Door'

## গ্ৰন্থ সুবাস
১৫৫-১৬২
- কিতাপ পঢ়োঁ আহা ❖ মোৰ প্ৰিয় পাঁচখন গ্ৰন্থ
- শ্বিচ্‌কিন, মই আৰু বহুতো
- ড° ভবেন্দ্ৰনাথ শইকীয়াৰ শিশু-সাহিত্য
- ত'ত্ত'-চ্চান : খিৰিকীমুখত অকণিজনী

## শিক্ষকৰ ভাবনাত
১৬৩-২৫৫

❖ ক'ভিডত মৃত্যু হোৱা লোকৰ স্মৃতিত ❖ অ' পখী ❖ আঙুলি ❖ বনৰীয়া আমি বনৰ চৰাই ❖ ভাৰতীয় মহিলা আৰু খেল ❖ হাৱাই ছেণ্ডেলৰ ফিটা ❖ অংকুৰৰ পৰা ফচললৈ ❖ শেৱালি শেৱালি কথা ❖ শিশু শিক্ষাত পুতলাৰ ভূমিকা ❖ লুই ব্ৰেইল ❖ ভাৰতীয় সংবিধানৰ ৩৭১ নং অনুচ্ছেদ : এটা বিশ্লেষণ ❖ এটা কোট আৰু কিছু অনুভৱ... ❖ শিলৰ বুকুৰ সেউজীয়া ❖ শিশুৰ চিন্তাশক্তিৰ বিকাশ ❖ বেহেলাৰ ইতিহাস ❖ অকথিত যন্ত্ৰণাৰ জীৱন্ত দলিল ❖ ব্যংগচিত্ৰৰ মাইকেল এঞ্জেলো : অ'নাৰে দোমিয়ে ❖ জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত থলুৱা উপাদান ❖ দেউতা ❖ ভিণ্টেজ কেমেৰাৰ ৰিলেৰে যোগাসন ❖ সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য্য ❖ কৃষ্ণ গহ্বৰ

❖ প্ৰাতঃ সভাৰ চিন্তা ❖ পুথিভঁৰালৰ টোকাবহীৰ পৰা ❖ বিজ্ঞান প্ৰকল্প ❖ শিশু দিৱস উপলক্ষে ১৪ নৱেম্বৰ তাৰিখে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ আয়োজন কৰা ভেশচন, ছবি অঁকা আৰু ৰচনা প্ৰতিযোগিতাৰ ফলাফল ❖ বিদ্যালয়ৰ বাহিৰৰ বিভিন্ন প্ৰতিযোগিতাত শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ সফলতাৰ খতিয়ান ❖ ২০২১ বৰ্ষৰ 'সাহিত্য দিৱস' উপলক্ষে আয়োজিত আন্তঃবিদ্যালয় প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল ❖ বিদ্যালয়ৰ উল্লেখযোগ্য দিন : ২০২১ বৰ্ষ

# বিদ্যালয় সংগীত

**ৰচনা : ডাঃ নাৰায়ণ শৰ্মা** **সুৰ : ৰমেন বৰুৱা**

*আলোক সন্ধানীৰ আশাৰ আলয়*
*অসম জাতীয় বিদ্যালয়।*

*সুবাস লওঁ আমি কেঁচা মাটিৰ*
*পৰশ নেৰোঁ আমি ওপজা ভেটিৰ।*
*সুন্দৰ সমাজৰ সপোন ৰচি*
*পূজাৰী আমি কৰ্ম-সংস্কৃতিৰ।*

*আত্ম-বিশ্বাস আৰু সততাৰে*
*জ্ঞান বিজ্ঞানৰ সাধনাৰে*
*জগত সভাত আমি পোহৰ বিলাম*
*আই অসমীৰ আমি মুখ উজলাম।*

*স্বদেশ-স্বজাতিৰ মান ৰাখিম*
*নৱ নৱ চিন্তাৰ জোৱাৰ আনিম*
*অপাৰ দিগন্তত দৃষ্টি ৰাখি*
*আধুনিক পৃথিৱী আমিয়ে গঢ়িম।* ◈

# বিদ্যালয় সংগীতৰ স্বৰলিপি

**স্থায়ী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ধস | :স | :স | সৰ | গপ | -ধ | প | গৰ | ৰগ | :ৰ | সৰ | গপ |
| আলোক | স | ন্ধা | নীৰ | আশাৰ | আ | ল | য় | অসম | জা | তী | য় |
| বি | দ্যা | লয় | | | | | | | | | |

**অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | :প | ধ | - | মম | :ম | প | ধপ |
| সুবাস | লওঁ | আ | মি | কেঁচা | মা | টিৰ | | পৰশ | নে | ৰোঁ | আমি |
| মপ | ধম | প | - | | | | | | | | |
| ওপ | জাভে | টি | ৰ | | | | | | | | |
| গ | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | - |
| সুন্ | ন্দৰ | সমা | জৰ | সপোন | ৰ | চি | - | পূজা | ৰীআ | মি | - |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| ক | ৰ্ম | সং | স্কৃ | তি | - | - | - | ৰ | - | - | - |

**সঞ্চাৰী**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| স | সপ | :ধ | প | সস | ৰস | ন | - | নৰ | :ন | ৰ | ৰ |
| আ | ত্মাবি | শ্বাস | আৰু | সত | তা | ৰে | - | জ্ঞান | বি | জ্ঞা | নৰ |
| সাধ | না | ৰে | - | | | | | | | | |
| ম | ম | ম | পধ | মপ | :ম | ম | পণ | ণধ | ধপ | পম | মগৰ |
| জগত্ | স | ভাত | আমি | পোহৰ | বি | লা | ম | আই | অস | মীৰ | আমি |
| গৰ | গপ | গ | - | ৰগ | :ৰ | সৰ | গপ | সৰমৰ | :স | স | - |
| মুখ | উজ | লা | ম | আই | অ | স | মীৰ | মুখ | উজ | লা | ম |

**২য় অন্তৰা**

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| পপ | :প | প | পপ | পধ | প | ধ | - | মম | :ম | প | ধপ |
| স্বদেশ | স্ব | জা | তিৰ | মান | ৰা | খি | ম | নৱ | নৱ | চি | ন্তাৰ |
| মপ | ধম | প | - | | | | | | | | |
| জোৱাৰ | আ | নি | ম | | | | | | | | |
| স | গ | গ | মপ | মপ | মগ | ৰ | - | নন | নপ | ন | ন |
| অপাৰ | দি | গ | ন্তত | দৃ | ষ্টি | ৰা | খি | আধু | নিক | পৃথি | ৱী |
| স | স | ৰ | ৰ | গ | - | - | ৰ | স | - | - | - |
| আ | মি | য়ে | গ | ঢ়ি | - | - | - | ম | - | - | - |

# অধ্যক্ষৰ কলম

**ঘনশ্যাম মেধি**
অধ্যক্ষ

২০২১ বৰ্ষত অসম জাতীয় বিদ্যালয়ে অষ্টাবিংশতিতম বৰ্ষত প্ৰৱেশ কৰে। ২০২০ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ পৰাই সমগ্ৰ বিশ্বই ক'ভিড-১৯ৰ সংক্ৰমণৰ বাবে সৃষ্টি হোৱা ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। যাৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ প্ৰায় সকলো ৰাষ্ট্ৰৰ দৰেই ভাৰতবৰ্ষও শৈক্ষিক তথা আৰ্থ-সামাজিক ক্ষেত্ৰত বিভিন্ন সমস্যাৰ সন্মুখীন হয়। আমাৰ ৰাজ্যখনতো শৈক্ষিক, সামাজিক আৰু আৰ্থিক ক্ষেত্ৰত নানা সমস্যাৰ প্ৰভাৱ পৰিল। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত এক অপূৰণীয় ক্ষতিৰ সন্মুখীন হ'ব লগা হ'ল। ২০২০ বৰ্ষৰ শেষৰ ফালে ক'ভিডৰ প্ৰকোপ কিছু শাম কটাৰ বাবে ডিচেম্বৰ মাহৰ শেষৰ ফালৰ পৰাই বিদ্যালয়সমূহৰ চৌহদবোৰ খুলি দিয়া হয় আৰু পৰ্য্যায়ক্ৰমে বিভিন্ন শ্ৰেণীৰ অফলাইন শ্ৰেণীবোৰ আৰম্ভ কৰা হয়। কিন্তু ২০২১ বৰ্ষৰ এপ্ৰিল মাহৰ তৃতীয় সপ্তাহৰ পৰা পুনৰ ক'ভিড ১৯ৰ সংক্ৰমণ লাহে লাহে বাঢ়িবলৈ ধৰাত আকৌ বিদ্যালয়সমূহত অফলাইন শ্ৰেণীসমূহ বন্ধ কৰিব লগা হয় আৰু অনলাইন শ্ৰেণীৰ জৰিয়তে শ্ৰেণীসমূহৰ পাঠদান কাৰ্য্যসূচী চলাবলগীয়া হয়। কিন্তু, ক'ভিডসৃষ্ট প্ৰতিকূল পৰিবেশৰ মাজতো আমাৰ বিদ্যালয়ৰ শৈক্ষিক তথা অন্যান্য কেতবোৰ কাৰ্য্যসূচী সফলতাৰে সম্পাদন কৰা হয়।

## বিদ্যালয়ৰ শৈক্ষিক কাৰ্য্যসূচী

২০২০ বৰ্ষৰ পৰা অসম চৰকাৰৰ শিক্ষা বিভাগে শৈক্ষিক বৰ্ষৰ কিছু সালসলনি কৰে। পূৰ্বতে এটা শিক্ষাবৰ্ষৰ সময় বছৰটোৰ জানুৱাৰী মাহৰ ১ তাৰিখৰ পৰা ৩১ ডিচেম্বৰলৈ আছিল। নতুন নিৰ্দেশনা অনুসৰি এতিয়াৰ পৰা একোটা শিক্ষাবৰ্ষৰ সময় হ'ব এটা বৰ্ষৰ ১ এপ্ৰিলৰ পৰা পৰৱৰ্তী বৰ্ষৰ ৩১ মাৰ্চলৈ। সেয়েহে ২০২০ বৰ্ষৰ বিদ্যালয় পৰ্য্যায়ৰ চূড়ান্ত পৰীক্ষাসমূহ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হয়। ২০২০ বৰ্ষৰ মাৰ্চ মাহৰ পৰা আৰম্ভ হোৱা লকডাউনৰ সময়ছোৱাত সকলো শ্ৰেণীৰে অনলাইন শ্ৰেণীসমূহ নিয়মিতভাৱে অনুষ্ঠিত হৈ আছিল। কিন্তু পিছত নৱেম্বৰ মাহৰ ৯ তাৰিখৰ পৰা প্ৰথম পৰ্য্যায়ত ১০ম আৰু দ্বাদশ শ্ৰেণীৰ বাবে বিদ্যালয়ত অফলাইন শ্ৰেণী আৰম্ভ হয়। তাৰ পিছত ১৪ নৱেম্বৰৰ পৰা একাদশ শ্ৰেণীৰ আৰু ২৪ ডিচেম্বৰৰ পৰা ৫ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ বিদ্যালয়ত অফলাইন শ্ৰেণী আৰম্ভ কৰা হয়। পুনৰ ২০২১ বৰ্ষৰ ২ জানুৱাৰীৰ পৰা ১ম শ্ৰেণীৰ পৰাই বিদ্যালয়ত অফলাইন শ্ৰেণীসমূহ আৰম্ভ কৰা হয়।

অফলাইন শ্ৰেণীসমূহ প্ৰতিদিনে সকলো শ্ৰেণীৰে ৫০ শতাংশ শিক্ষাৰ্থীৰ উপস্থিতিৰে সম্পাদন কৰা হয়। ইয়াৰ বাবে প্ৰতিটো শ্ৰেণীৰ প্ৰতিটো শাখাৰে শিক্ষাৰ্থীসকলক দুটা গোটত ভাগ কৰি সপ্তাহটোৰ সোমবাৰৰ পৰা শনিবাৰলৈ শ্ৰেণীসমূহ অনুষ্ঠিত কৰা হয়। বিগত বৰ্ষবোৰত শনিবাৰে কৰি অহা সহ-পাঠ্যক্ৰম বিষয়ৰ শ্ৰেণীসমূহ দেওবাৰে অনলাইনযোগে অনুষ্ঠিত কৰা হয়।

২০২১ বৰ্ষৰ ৫ ফেব্ৰুৱাৰীৰ পৰা ১ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ ২০২০ বৰ্ষৰ বছৰেকীয়া পৰীক্ষা অনুষ্ঠিত হয়। ২২ ফেব্ৰুৱাৰী, ২০২১ তাৰিখৰ পৰা কামৰূপ জিলা অধিবিদ্যা পৰিষদৰ পৰা আয়োজন কৰা ৯ম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষা আৰু ১০ম শ্ৰেণীৰ প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হয়।

১৮ মাৰ্চ, ২০২১ তাৰিখে ১ম শ্ৰেণীৰ পৰা ৯ম শ্ৰেণীলৈ বছৰেকীয়া পৰীক্ষা আৰু ১০ম শ্ৰেণীৰ প্ৰাক্-চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। চৰকাৰী নিৰ্দেশনা অনুসৰি ক'ভিডসৃষ্ট পৰিবেশৰ বাবে এই বৰ্ষটোত সকলো শিক্ষাৰ্থীকে পৰবৰ্তী শ্ৰেণীলৈ উত্তীৰ্ণ কৰি দিয়া হয়।

২০২১ চনৰ ১ এপ্ৰিলৰ পৰা অংকুৰ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো শ্ৰেণীৰে ২০২১-২২ শিক্ষাবৰ্ষৰ পাঠদান কাৰ্য্যসূচী আৰম্ভ হয়। ৰঙালী বিহুৰ বন্ধৰ আগলৈ অৰ্থাৎ ১১ এপ্ৰিললৈ পৰিস্থিতি স্বাভাৱিক হৈ থকাৰ বাবে বিদ্যালয়তে শ্ৰেণীসমূহ সুন্দৰভাৱে চলি আছিল। কিন্তু পুনৰ ৰাজ্যখনত ক'ভিড ১৯ সংক্ৰমণ বৃদ্ধি পোৱাত ৰঙালী বিহুৰ বন্ধৰ পাছত বিদ্যালয় খুলিব পৰা নগ'ল। ইতিমধ্যে চৰকাৰীভাৱেও লকডাউন ঘোষণা কৰা হ'ল। ফলত পুনৰ ২০২০ বৰ্ষৰ দৰেই ২৭ এপ্ৰিল, ২০২১ তাৰিখৰ পৰা অংকুৰ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো শ্ৰেণীৰে নিয়মিতভাৱে অনলাইন শ্ৰেণীসমূহ আৰম্ভ কৰি দিয়া হয়। বিগত বৰ্ষৰ অভিজ্ঞতাই শিক্ষক-শিক্ষয়িত্ৰীসকলক আৰু অধিক ফলপ্ৰসূভাৱে অনলাইন শ্ৰেণীসমূহ সম্পাদন কৰাত সহায় কৰে।

২০২১ বৰ্ষৰ ২৭ এপ্ৰিলৰ পৰা ছেপ্টেম্বৰ মাহলৈ সকলো শ্ৰেণীৰে অনলাইন শ্ৰেণীসমূহ নিয়মিত ৰুটিন অনুসৰি অনুষ্ঠিত হৈ আহিছে।

২০ ছেপ্টেম্বৰ, ২০২১ তাৰিখৰ পৰা বিদ্যালয়ত ১০ম শ্ৰেণীৰ অফলাইন শ্ৰেণী অনুষ্ঠিত কৰা হয়। ক'ভিড ১৯ৰ বাবে সকলো নীতি-নিয়ম মানি সাৱধানতাৰে শ্ৰেণীসমূহ অনুষ্ঠিত কৰোৱা হয়।

০১ অক্ট'বৰ, ২০২১ তাৰিখৰ পৰা ৯ম শ্ৰেণীৰ অফলাইন শ্ৰেণী আৰম্ভ কৰা হয়।

১৯ অক্ট'বৰ, ২০২১ তাৰিখৰ পৰা ১ম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সকলো শ্ৰেণীৰ বিদ্যালয়তে অফলাইন শ্ৰেণী অনুষ্ঠিত কৰোৱা হয়। এই শ্ৰেণীসমূহ সম্পূৰ্ণ ক'ভিডৰ নীতি-নিৰ্দেশনা মানি আৰম্ভ কৰা হয়। ১০ম আৰু দ্বাদশ শ্ৰেণীৰ বাহিৰে বাকী আটাইবোৰ শ্ৰেণীৰ প্ৰতিটো শাখাৰে শিক্ষাৰ্থীসকলক দুটা গোটত ভাগ কৰি শ্ৰেণীসমূহ সম্পন্ন কৰা হয়। এই প্ৰতিবেদন লিখাৰ সময়লৈকে এনেদৰে বিদ্যালয়ত অফলাইন শ্ৰেণীসমূহ চলি আছে।

লকডাউনৰ সময়ছোৱাত শিক্ষাৰ্থীসকলৰ বাবে অনলাইনযোগে দুটা পৰীক্ষা অনুষ্ঠিত কৰোৱা হয়। ৩০ জুন, ২০২১ তাৰিখৰ পৰা ১ম শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈ প্ৰথম গোট পৰীক্ষা অনুষ্ঠিত হয়। ২৪ ছেপ্টেম্বৰ, ২০২১ তাৰিখৰ পৰা ১ম শ্ৰেণীৰ পৰা ৮ম শ্ৰেণীলৈ ছয়মাহিলি পৰীক্ষা অনুষ্ঠিত হয়। তদুপৰি, ৯ম আৰু ১০ম শ্ৰেণীৰ বাবে অসম মাধ্যমিক শিক্ষা পৰিষদৰ নিৰ্দেশনা অনুসৰি ১৬ আগষ্ট, ২০২১ তাৰিখৰ পৰা অনলাইনযোগে এটা গোট পৰীক্ষা আৰু জিলা অধিবিদ্যা পৰিষদৰ পৰিচালনাত ২৯ অক্ট'বৰ, ২০২১ তাৰিখৰ পৰা ১৮ নৱেম্বৰ ২০২১ তাৰিখলৈ বিদ্যালয়তে অফলাইনযোগে ছয়মাহিলি পৰীক্ষা অনুষ্ঠিত হয়। পুনৰ ২০ ডিচেম্বৰ, ২০২১ তাৰিখৰ পৰা দ্বিতীয় গোট পৰীক্ষা অনুষ্ঠিত হয়।

একাদশ শ্ৰেণীৰ বাবে বিদ্যালয়তে অফলাইনযোগে দুটা গোট পৰীক্ষা সম্পন্ন কৰা হয়। দ্বাদশ শ্ৰেণীৰ বাবে অনলাইনযোগে দুটা গোট পৰীক্ষা আৰু তৃতীয় গোট পৰীক্ষাটো বিদ্যালয়তে (অফলাইনত) সম্পন্ন কৰা হয়। তদুপৰি ১৫ ডিচেম্বৰৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰাক্-চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হয়।

বিগত সময়ছোৱাত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ অভিভাৱকসকলৰ বাবে অনলাইনযোগে দুটা পৰ্য্যায়ত একোখন অভিভাৱকৰ সভা অনুষ্ঠিত হয়। ৩০ মে', ২০২১ তাৰিখে অংকুৰ শ্ৰেণীৰ পৰা ৫ম শ্ৰেণীলৈ আৰু ৬ জুন, ২০২১ তাৰিখে ৬ষ্ঠ শ্ৰেণীৰ পৰা ১০ম শ্ৰেণীলৈ অভিভাৱকৰ সভা অনুষ্ঠিত হয়। দুয়োখন সভাতে অভিভাৱকসকলৰ উপস্থিতি আৰু অংশগ্ৰহণ অতি সন্তোষজনক।

লকডাউনৰ সময়ছোৱাত অনলাইনযোগে ১ম আৰু ২য় শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে শাৰীৰিক শিক্ষাৰ শ্ৰেণীও নিয়মিতভাৱে অনুষ্ঠিত কৰোৱা হয়।

১২ নৱেম্বৰ, ২০২১ তাৰিখে Department of School Education & Literacy Ministry of Education, Government of India-ৰ ফালৰ পৰা আমাৰ বিদ্যালয়ত NATIONAL ACHIEVEMENT SURVEY-2021 চমুকৈ NAS অনুষ্ঠিত কৰা হয়। এই কাৰ্য্যসূচীত ১০ম শ্ৰেণীৰ ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এটা বিশেষ পৰীক্ষাত অৱতীৰ্ণ হয়।

## বিদ্যালয়ৰ শৈক্ষিক ফলাফল

২০২১ শিক্ষাবৰ্ষত ক'ভিড সংক্ৰমণৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাটো অনুষ্ঠিত কৰিব পৰা নগ'ল । বহুদিন অপেক্ষাৰ অন্তত অৱশেষত অসম চৰকাৰৰ শিক্ষা বিভাগে দুয়োটা পৰীক্ষা বাতিল কৰে। ইয়াৰ পৰিবৰ্তে সংশ্লিষ্ট কৰ্তৃপক্ষই নিৰ্দ্ধাৰণ কৰি দিয়া এক বিশেষ নিয়মেৰে বিদ্যালয়সমূহৰ পৰা শিক্ষাৰ্থীসকলৰ আভ্যন্তৰীণ মূল্যায়ন সংগ্ৰহ কৰি দুয়োটা পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। ৩০ জুলাই, ২০২১ তাৰিখে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ৩১ জুলাই, ২০২১ তাৰিখে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়।

এই বৰ্ষত আমাৰ বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ মুঠ পৰীক্ষাৰ্থী আছিল ১৩৫ গৰাকী। ইয়াৰে ১০৯ গৰাকীয়ে প্ৰথম বিভাগত আৰু বাকী ২৬ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ভিতৰত ২৮ গৰাকীয়ে ডিষ্টিংছন আৰু ৩২ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। তদুপৰি অসমীয়া ৫২ গৰাকী, ইংৰাজীত ৫৪ গৰাকী, বিজ্ঞানত ৪১ গৰাকী, সমাজ বিজ্ঞানত ৪৮ গৰাকী, সাধাৰণ গণিতত ৪০ গৰাকী, উচ্চ গণিতত ১৪ গৰাকী, কম্পিউটাৰ বিজ্ঞানত ১৩ গৰাকী, নৃত্যত ১৪ গৰাকী, ভূগোলত ৪ গৰাকী, হিন্দীত ৪ গৰাকী, বুৰঞ্জীত ৪ গৰাকী আৰু সংগীতত ২ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত বিগত বৰ্ষবোৰত পৰীক্ষাৰ্থীসকলে পৰীক্ষাত অৱতীৰ্ণ হৈ লাভ কৰা ফলাফলৰ তুলনাত এই বৰ্ষত পৰীক্ষাত অৱতীৰ্ণ নোহোৱাকৈ লাভ কৰা ফলাফল কিছু দুৰ্বল।

৩১ জুলাই, ২০২১ তাৰিখে উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফল ঘোষণা কৰা হয়। এই বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ কলা শাখাৰ মুঠ পৰীক্ষাৰ্থী আছিল ৫৪ গৰাকী আৰু বিজ্ঞান শাখাৰ মুঠ পৰীক্ষাৰ্থী আছিল ৩৯ গৰাকী। কলা শাখাৰ ৫৪ গৰাকী পৰীক্ষাৰ্থীৰ আটাইকেইগৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ৫৩ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰাৰ বিপৰীতে ১৪ গৰাকী পৰীক্ষাৰ্থীয়ে ৯০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰে। এই বৰ্ষত ৪৭ গৰাকীয়ে অসমীয়াত, ৪৫ গৰাকীয়ে ইংৰাজীত, ৩ গৰাকীয়ে বৈকল্পিক ইংৰাজী, ৪২ গৰাকীয়ে অৰ্থনীতিত, ৫১ গৰাকীয়ে তৰ্ক আৰু দৰ্শন শাস্ত্ৰত, ৪৪ গৰাকীয়ে শিক্ষা বিষয়ত, ৪৭ গৰাকীয়ে ৰাজনীতি বিজ্ঞানত, ৬ গৰাকীয়ে বুৰঞ্জীত, ২ গৰাকীয়ে পৰিসংখ্যা বিজ্ঞানত, ২ গৰাকীয়ে গণিতত, ২ গৰাকীয়ে কম্পিউটাৰ বিজ্ঞানত লেটাৰ নম্বৰ লাভ কৰে।

বিজ্ঞান শাখাত মুঠ পৰীক্ষাৰ্থী ৩৯ গৰাকীৰ ভিতৰত ৩৯ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। ইয়াৰে ভিতৰত ২৩ গৰাকীয়ে ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰে। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত অসমীয়াত ৩২ গৰাকীয়ে, ইংৰাজীত ৩৮ গৰাকীয়ে, বৈকল্পিক ইংৰাজীত ৭ গৰাকীয়ে, পদাৰ্থ বিজ্ঞানত ৩৯ গৰাকীয়ে, ৰসায়ন বিজ্ঞানত ৩৯ গৰাকীয়ে, জীৱ বিজ্ঞানত ২৫ গৰাকীয়ে, গণিতত ৩৯ গৰাকীয়ে, পৰিসংখ্যা বিজ্ঞানত ২ গৰাকীয়ে আৰু কম্পিউটাৰ বিজ্ঞানত ১০ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলক লৈ যিসকল পৰীক্ষাৰ্থীয়ে সন্তুষ্ট হোৱা নাছিল সেইসকল পৰীক্ষাৰ্থীৰ বাবে অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা

সংসদে বিশেষ পৰীক্ষা অনুষ্ঠিত কৰে। উচ্চতৰ মাধ্যমিকৰ বিশেষ চূড়ান্ত পৰীক্ষাত আমাৰ বিদ্যালয়ৰ পৰা এগৰাকীও পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱা নাছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত আমাৰ বিদ্যালয়ৰ তিনিগৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

## বিদ্যালয়ৰ অন্যান্য কাৰ্য্যসূচী

প্ৰতি বছৰে বিদ্যালয়ত বিভিন্ন ধৰণৰ দিৱস উদ্‌যাপন আৰু অন্যান্য কেতবোৰ কাৰ্য্যসূচী ৰূপায়ণ কৰি অহা হৈছে। এই দিৱস আৰু কাৰ্য্যসূচীসমূহো শিক্ষাৰ এক অবিচ্ছেদ্য অংগ। কিন্তু ক'ভিডসৃষ্ট পৰিবেশৰ বাবে এই বৰ্ষটোত কেতবোৰ দিৱস উদ্‌যাপন কৰিব পৰা নগ'ল। এই বৰ্ষটোত ভোগালী চ'ৰা, শিল্পী দিৱস, সৰস্বতী পূজা, বিজ্ঞান দিৱস, বাৰ্ষিক গীত-মাতৰ গধূলি, মহাপুৰুষ দিৱস, বিদ্যালয়ৰ বাৰ্ষিক প্ৰতিযোগিতাসমূহ, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান শিবিৰ, উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে অভিজ্ঞান সভা আদি অনুষ্ঠান অনুষ্ঠিত কৰিব পৰা নগ'ল। মাত্ৰ কেইটামান কাৰ্য্যসূচীহে অনুষ্টুপীয়াকৈ ক'ভিডৰ সম্পূৰ্ণ নীতি-নিয়ম পালন কৰি ৰূপায়িত কৰা হয়।

১ জানুৱাৰী, ২০২১ তাৰিখে অসম জাতীয় বিদ্যালয়ৰ অষ্টাবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ মুকলি মঞ্চত অনুষ্ঠিত হোৱা এই দিৱসতে বিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'বাখৰ'ৰ ষষ্ঠবিংশতিতম সংখ্যাটো উন্মোচন কৰা হয়। আলোচনীখন উন্মোচন কৰে বিশিষ্ট গল্পকাৰ মণিকা দেৱীয়ে। প্ৰতিষ্ঠা দিৱসৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকে The Assam Tribune কাকতৰ কাৰ্য্যবাহী সম্পাদক প্ৰশান্তজ্যোতি বৰুৱা।

২৬ জানুৱাৰী, ২০২১ তাৰিখে অনুষ্টুপীয়াকৈ ৭২তম গণৰাজ্য দিৱস উদ্‌যাপন কৰা হয়। এই দিৱস উপলক্ষে পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়।

১২ এপ্ৰিল, ২০২১ তাৰিখে বিগত বৰ্ষবোৰৰ দৰেই সাহিত্য দিৱস উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে তেজপুৰ বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপিকা বিশিষ্ট গল্পকাৰ ড° মৌচুমী কন্দলী। এই অনুষ্ঠানতে সাহিত্য দিৱসৰ লগত সংগতি ৰাখি ৰাজ্যিক ভিত্তিত আয়োজন কৰা প্ৰবন্ধ প্ৰতিযোগিতাত স্থান লাভ কৰা শিক্ষাৰ্থীসকলক পুৰস্কৃত কৰা হয়।

২০ জুন, ২০২১ তাৰিখে অনলাইনযোগে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়। দিৱসৰ দিনা বিদ্যালয়ত কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ উপস্থিতিত বিষ্ণু ৰাভাদেৱৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি অৰ্পণ আৰু বন্তি প্ৰজ্জ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। ইয়াৰ পিছত গুগল মীট এপৰ জৰিয়তে সকলো শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত ৰাভা দিৱসৰ কাৰ্য্যসূচী ৰূপায়িত কৰা হয়। এই কাৰ্য্যসূচীত ৰাভাদেৱৰ গীত-মাত, কবিতা, নৃত্য, বক্তৃতা আদি পৰিৱেশন কৰা হয়।

১৫ আগষ্ট, ২০২১ তাৰিখে বিদ্যালয়ত অনুষ্টুপীয়াকৈ স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। দিৱসৰ কাৰ্য্যসূচী হিচাপে পুৱা ৭.৩০ বজাত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয় আৰু ৰাষ্ট্ৰীয় সংগীত গোৱা হয়।

৫ ছেপ্টেম্বৰ, ২০২১ তাৰিখে বিদ্যালয়ত অনুষ্টুপীয়াকৈ শিক্ষক দিৱস অনুষ্ঠিত কৰা হয়। কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ উপস্থিতিত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়।

৫ নৱেম্বৰ, ২০২১ তাৰিখে ভূপেন হাজৰিকা দিৱস উপলক্ষে বিদ্যালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ প্ৰতিকৃতিৰ সন্মুখত চাকি-বন্তি জ্বলাই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ

কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে পৰিবেশন কৰা ভূপেন্দ্ৰ সংগীত, নৃত্য, বক্তৃতা আদি বিভিন্ন অনুষ্ঠানৰ এটা ভিডিঅ' প্ৰস্তুত কৰি হোৱাট্ছএপৰ জৰিয়তে সকলো শ্ৰেণীলৈ প্ৰেৰণ কৰা হয়।

১৪ নৱেম্বৰ, ২০২১ তাৰিখে অনলাইনযোগে শিশু দিৱস উদ্‌যাপন কৰা হয়। এই দিৱস উপলক্ষে বিভিন্ন শ্ৰেণী অনুসৰি শিক্ষাৰ্থীসকলৰ মাজত ভেশছন্ন প্ৰতিযোগিতা, ছবি অঁকা আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

২৪ নৱেম্বৰ, ২০২১ তাৰিখে বিদ্যালয়ত লাচিত দিৱস উদ্‌যাপন কৰা হয়। পুৱা ৮.৩০ বজাত লাচিত বৰফুকনৰ প্ৰতিকৃতিৰ সন্মুখত বন্তি প্ৰজ্জ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি শ্ৰদ্ধা জনোৱা হয়। ইয়াৰ পিছত ২.৩৫ বজালৈ বিদ্যালয়ৰ নিয়মীয়া পাঠদান কাৰ্য্যসূচী সম্পন্ন হয়। ২.৪০ বজাৰ পৰা ৩.৪০ বজালৈ লাচিত দিৱসৰ কাৰ্য্যসূচী ৰূপায়িত কৰা হয়। প্ৰতিটো শ্ৰেণীকোঠাৰ ভিতৰতে ক'ভিড নীতি-নিয়ম পালন কৰি একাংশ শিক্ষাৰ্থীয়ে লাচিত বৰফুকনৰ বিষয়ে বক্তৃতা, দেশপ্ৰেমমূলক গীত, আৰু কবিতা আদি পৰিবেশন কৰে।

১০ ডিচেম্বৰ, ২০২১ তাৰিখে আমাৰ বিদ্যালয়ত শ্বহীদ দিৱস পালন কৰা হয়। পুৱা ৮ বজাত বিদ্যালয়ৰ প্ৰৱেশদ্বাৰত শ্বহীদ বেদীৰ সন্মুখত চাকি-বন্তি জ্বলাই, পুষ্পাঞ্জলি অৰ্পণ কৰি বীৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। লগতে ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ চলা অসম আন্দোলনত শ্বহীদ হোৱা বীৰ শ্বহীদসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

## বিদ্যালয়ত শিক্ষক-প্ৰশিক্ষণ কাৰ্য্যসূচী

প্ৰতি বছৰে আমাৰ বিদ্যালয়ত অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ তত্বাবধানত শিক্ষক-প্ৰশিক্ষণ কাৰ্য্যসূচী ৰূপায়ণ কৰি অহা হৈছে। ২০২০ শিক্ষাবৰ্ষত ক'ভিডসৃষ্ট পৰিবেশৰ বাবে বিদ্যালয়ত অফলাইনযোগে শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী ৰূপায়ণ কৰিব পৰা নগ'ল। ইয়াৰ পৰিবৰ্তে অনলাইনযোগে এই প্ৰশিক্ষণৰ কাৰ্য্যসূচী সম্পাদন কৰা হৈছিল।

২০২১ বৰ্ষতো অনলাইনযোগে ২৩ জুন তাৰিখৰ পৰা ২৯ জুন তাৰিখলৈ, অংকুৰ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী সম্পাদন কৰা হয়। এই কাৰ্য্যসূচীত প্ৰাক্-বিদ্যালয় শাখা, ইংৰাজী, অসমীয়া, গণিত, বিজ্ঞান, সমাজ বিজ্ঞান, সুকুমাৰ কলা আদি বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণ কাৰ্য্যসূচীত প্ৰায় ৫০০ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰে।

অসম জাতীয় বিদ্যালয়ে আঠাইছ বছৰ সম্পূৰ্ণ কৰিলে। বিগত সময়ছোৱাত বিদ্যালয়খনৰ লগত জড়িত সকলো ব্যক্তিয়েই অতি নিষ্ঠা আৰু আন্তৰিকতাৰে সেৱা আগ বঢ়াই আহিছে। ইয়াৰ বাবে সকলোকে কৃতজ্ঞতা জনালোঁ। আগন্তুক দিনবোৰতো আমি বিদ্যালয়খনক আগ বঢ়াই নিবলৈ আৰু ইয়াৰ শিক্ষাৰ্থীসকলৰ উন্নতিৰ বাবে আন্তৰিকতাৰে কাম কৰি যাবলৈ সংকল্পবদ্ধ। ❖

# অনলাইন ক্লাছ কি? অনলাইন ক্লাছ কৰি ভাল লাগে নে বিদ্যালয়লৈ গৈ ক্লাছ কৰি ভাল লাগে? কিয় ভাল লাগে?



ক'ভিড অতিমাৰীয়ে আমাক সকলোকে এক নতুন অভিজ্ঞতাৰ মুখামুখি হ'বলৈ শিকালে। পৰিস্থিতি যিয়েই নহওক, কেতিয়াও আতংকিত হোৱাৰ প্ৰয়োজন নাই। জীৱনটোক সুখী কৰি ৰাখিবলৈ সদায় ইতিবাচক দিশত চিন্তা কৰিবলৈ চেষ্টা কৰা উচিত। সেয়েহে শ্ৰেণীকোঠাৰ শিক্ষাৰ পৰা বঞ্চিত হ'লেও অনলাইন শিক্ষাৰ লগত লাহে লাহে অভ্যস্ত হৈ পৰা শিশুৰ মুখেৰে শুনো আহকচোন অনলাইন ক্লাছ কি? অনলাইন ক্লাছ কৰি ভাল লাগে নে বিদ্যালয়লৈ গৈ ক্লাছ কৰি ভাল লাগে? কিয় ভাল লাগে?

**অংকুৰ শ্ৰেণী, ক শাখা**

**আদিশ ভৰদ্বাজ :** অনলাইন ক্লাছ... এ। মই যেতিয়া মেমৰ লগত ম'বাইলত কথা পাতোঁ সেইটোৱে অনলাইন ক্লাছ। বিদ্যালয়ত ক্লাছ কৰি ভাল লাগে। ফ্ৰেইণ্ডবিলাকক লগ পাওঁ, বাইদেউবিলাকক লগ পাওঁ, খেলিব পাৰোঁ যে সেইকাৰণে।

**অধিৰাজ ফুকন :** অনলাইন ক্লাছ মাম্মাই ম'বাইলত লগাই দিয়ে আৰু ক্লাছ কৰি ভাল লাগে। স্কুল বেছি ভাল লাগে। ফ্ৰেইণ্ড লগ পাওঁ, ভাল লাগে।

**অশ্বথ আয়ুষ্মান শৰ্মা :** এইটো মোৰ ফ'ন, এইটোত কৰোঁ। বাইদেউৰ তাতো থাকে ফ'ন। বাইদেউৰ ঘৰত। অনলাইন ক্লাছ কৰি ভাল লাগে। ফ'ন যে আছে সেইকাৰণেই ভাল লাগে। বাইদেউ থাকে, ফ্ৰেইণ্ডবিলাক থাকে।

**বৰ্ণিল বৰ্মন :** ম'বাইলত কৰে, ভাল লাগে। বিদ্যালয়ত ভাল লাগে, বন্ধুবিলাকক পাম, খেলিব পাৰিম।

**ধীমান আৰ্য্য বৈশ্য :** অনলাইন ক্লাছ হ'ল ম'বাইলত কৰা ক্লাছ। মই ভাল পাওঁ অনলাইন ক্লাছ কৰি মা-দেউতা চব আছে যে সেইকাৰণে।

**প্ৰিয়াভি চৌধুৰী :** লেপটপত অনলাইন ক্লাছ কৰোঁ। ভাল লাগে। স্কুলত গৈ বি...ৰা...ট ভাল লাগে। স্কুলত মই টিফিন খাওঁ, ফিল্ডত খেলোঁ। এইবিলাক কৰোঁ। মই পানী দেখা পাওঁ, ফিচ্ছ দেখা পাওঁ অসম জাতীয় বিদ্যালয়ত।

**প্ৰাগনীল বৰঠাকুৰ :** বাইদেউ, ভাল লাগে। মই চিল চিল চিলা আৰু পঢ়া-শুনা শিকিছোঁ, দৌৰিছোঁ আৰু খেলিছোঁ।

**প্ৰীতম দাস :** মই ম'বাইলত পঢ়োঁ আৰু মেমে কথাটো ক'লে সেইটো শুনো আৰু পঢ়োঁ। বাইদেউহঁতৰ লগত পঢ়োঁ আৰু খেলোঁ আৰু মই ৰঙো কৰোঁ।

**শিৰাশিস হালৈ :** অনলাইন ক্লাছ মানে ম'বাইল ক্লাছ আৰু কম্পিউটাৰ ক্লাছ। তাতে জোলনা দিয়ে, তাতে লগৰবিলাকো থাকে, জোলনা দিয়ে, বিছনা দিয়ে, তাতে খেলি ভাল লাগে। তাতে হামু দিম মই।

**ত্ৰিণাভ বৰুৱা :** অনলাইন ক্লাছ... এ.... বাইদেৱে যে আঁক-বাঁকবিলাক শিকায় সেইটোৱে। ইস্কুল গৈ ভাল লাগে। গাড়ীত উঠি যাওঁ কাৰণে ভাল লাগে আৰু ল'ৰা-ছোৱালীবোৰৰ লগত খেলিব পাওঁ কাৰণে ভাল লাগে।

**দিক্ষিতা ডেকা :** ম'বাইলত ক্লাছ কৰোঁ। বিদ্যালয়তো ভাল লাগে। বাইদেউক দেখা পায় আৰু বন্ধুবিলাকক দেখা পাওঁ।

**গাৰ্গ্য ঋষি গোস্বামী :** অনলাইন... এইটো মই বেয়া পাওঁ। মই স্কুলত যোৱাটো ভাল পাওঁ। তাত মই খেলিলোঁহেঁতেন। অনলাইন ক্লাছত ৰং কৰাই, নমো কৰাই, বিচনী আঁকিবও দিয়ে।

**হৰ্ষিতা শৰ্মা :** অনলাইন ক্লাছ কৰি ভাল লাগে।

**হৰ্ষস্মীতা ডেকা :** মই ম'বাইলতে বাইদেউৰ লগত ক্লাছ কৰোঁ। স্কুলত যাই ভাল পাওঁ।

**জনশ্ৰুতি তামুলী :** অনলাইন ক্লাছ মানে লেপটপ। অনলাইন ক্লাছো ভাল লাগে, স্কুলত গৈয়ো ভাল লাগে। লেপটপ আছে কাৰণে অনলাইন ক্লাছ কৰি ভাল লাগে। স্কুলতো ভাল লাগে। স্কুলত বুক আছে, বুক মানে কিতাপ। মই বেগখন দাঙিবই নোৱাৰোঁ। গলত লৈ থাকিব লাগে।

**জাগৃতি শৰ্মা :** অনলাইন ক্লাছ ম'বাইলত কৰা ক্লাছ। বিদ্যালয়ত ভাল পাওঁ, তাতে মই খেলিব পাৰোঁ। তাতে মোক ফ্ৰেইণ্ডবিলাক আছে, তাতে মোক মেমবিলাক আছে, মেমবিলাকক দেখা পাওঁ।

**জিয়ান জ্যোতি বৈশ্য :** ইস্কুলত যাওঁতে, পঢ়ি ভাল লাগে।

**জিশান্ত বৰ্মন :** স্কুলত যায় ভাল পাওঁ। তাতে লগ পাম।

**কাৰ্তিক ডেকা :** স্কুলত ভাল লাগে।

**কস্তুৰী ডেকা :** অনলাইন ক্লাছ কৰি ভাল নালাগে। জাতীয় বিদ্যালয়ত যাই ভাল লাগে। তাতে মোৰ

লগৰবিলাকৰ লগত খেলি থাকোঁ, মাজে মাজে বাইদেউবিলাকক দেখা পাওঁ।

**কৌশিক ভূঞা :** বাইদেউ, বেয়া লাগে অনলাইন ক্লাছ, স্কুলত যাই ভাল লাগে।

**লহৰ দাস :** ঘৰত যে কৰি আছোঁ, সেইটোৱে অনলাইন ক্লাছ। মোৰ ঘৰত পঢ়ি ভাল লাগে। স্কুলত নাযাওঁ, ঘৰতে পঢ়িম।

**মৃদুৎপল ভট্টাচাৰ্য্য :** মোৰ ইস্কুল গৈহে ভাল লাগে। এ...ল'ৰা-ছোৱালীবোৰৰ লগত খেলিব পাৰোঁ।

**নিতাশ্ৰী শৰ্মা :** ইস্কুলত ভাল লাগে। কিয় ভাল লাগে...পে... পে...পে...পে।

**য়ি প্যাফে গগৈ :** ফ'নেৰে আমি কৰোঁ যে সেয়া অনলাইন ক্লাছ। ভাল লাগে, কিবাকিবি শিকাই বাইদেৱে। স্কুলত বেছি ভাল লাগে। স্কুলত যে ফ্ৰেইণ্ড থাকে সেই কাৰণে।

## অংকুৰ শ্ৰেণী, খ শাখা

**অভিশ্ৰী গোস্বামী :** অনলাইন ক্লাছ ৰাতিপুৱা উঠি চাহ-বিস্কুট খাই পেলে লেনলাইন ক্লাছ কৰিব লাগে। বিদ্যালয়ত ভাল লাগে। মোৰ ফ্ৰেণ্ডবিলাকৰ লগত কথা পাতিম। তাৰ পিছত পাৰ্কো আছে। মোৰ স্কুলখনত বহুত ফ্ৰেণ্ড আছে।

**একাঞ্জলী আৰ্শী বৰুৱা :** স্কুল গৈ ভাল পাওঁ। স্কুলত ফ্ৰেণ্ডবোৰ আহে। আৰু বাইদেউ ওলাই এটা এই। বাইদেউ, আৰ ইমান বাইদেউ ওলায়। এটা চিল চিল চিলা কৈ দিয়ে। বাইদেৱে এনেকে এনেকে ডান্স কৰি দিয়ে। আৰু মই দেখি আছিলোঁ। টিফিন খাওঁ।

**আৰাধ্যা কৃষ্ণা :** অনলাইন ক্লাছ মানে ঘৰত থাকি ম'বাইলত ক্লাছ কৰা। মই অনলাইন ক্লাছ কৰি ভাল পাওঁ। তাৰ পৰা আমি ক'ৰোনা ভাইৰাছৰ পৰা বাচি থাকিব পাৰোঁ।

**অহৰ্ণ দাস :** ঘৰত মানে পঢ়া যিটো সেইটোৱে অনলাইন ক্লাছ। অনলাইন ক্লাছ কৰি ভাল লাগে, মোৰ স্কুলত গ'লেও ভাল লাগে। আৰু যে ফ্ৰেণ্ডবিলাকক লগ পালোঁ হয়। বাইদেউবিলাক আছিল অভিনৱক লগ পালোঁ হয়। একেলগে টিফিন খালোঁ হয়। দৌৰিলোঁ হয়। খেলা-ধূলা কৰিলোঁ হয় সেইকাৰণে স্কুলত গৈ বেছি ভাল লাগে।

**ধ্ৰুবাৰ্ক শৰ্মা :** বাইদেউ মই স্কুলত পঢ়ি ভাল পাওঁ। কিয় মানে মই স্কুলখনত সদায় পঢ়োঁ সেইকাৰণে। আৰু মানে মই বাইদেউকো ভাল পাওঁ।

**গাৰ্গী চেত্ৰী :** মই স্কুলত ক্লাছ কৰি ভাল পাওঁ। ক্লাছৰ কাৰণে আৰু ফ্ৰেণ্ডক লগ পাওঁ।

**হৰ্ষিল কলিতা :** মই ম'বাইলত ক্লাছ কৰি ভাল নাপাওঁ। মই স্কুলত যাওঁতে অলপমান আমি পঢ়িব জানো, খেলিব জানো। টিফিন খাব জানো, আমি এই ৰাস্তাত আমি এই গাড়ী দেখা পাওঁ, ট্ৰেইন দেখা পাওঁ, ঘোঁৰা দেখা পাওঁ। এই পৃষ্ঠতেতে ৰং কৰি আমি বহুত বহুত বহুত আমি স্কুলত আহিছে।

**জ্যোতিলিন নাথ :** ম'বাইলৰ যোগেদি পঢ়োঁ। অনলাইন ক্লাছ কৰি ভাল লাগে। স্কুললৈ গৈ ভাল লাগে। ফ্ৰেণ্ডবিলাকক লগ পাওঁ। পঢ়িবলৈ যাওঁ।

**নিয়ৰ নিমিষা পাটোৱাৰী :** অনলাইন ক্লাছ মানে ম'বাইলটো চোৱা ক্লাছ। স্কুলত যাই ভাল লাগে। ঘৰত বল খেলোঁ।

**নৈঋতী ডেকা :** অনলাইন ক্লাছ কৰি ভাল লাগে। স্কুলত গৈও ভাল লাগে। এনে ভাল লাগে। অনলাইন ক্লাছত অসমীয়া কৰে। অসমীয়াই কৰে, তুমি কোৱা বাইদেউক বাইদেৱেও অসমীয়াই কয়।

**পৰিধী গন্ধিয়া :** অনলাইন ক্লাছ কৰি ভাল লাগে। ৰং কৰিবলৈ দিয়ে কাৰণে বাইদেউৱে সেইটো কাৰণে ভাল লাগে অনলাইন ক্লাছ কৰি।

**শিৰম কৌশিক ডেকা :** অনলাইন ক্লাছ মই ঘৰতে বহি কৰোঁ। অনলাইন ক্লাছ কৰি ভাল লাগে কিন্তু স্কুল গৈ মোৰ বেছি ভাল লাগে। লগবিলাকক লগ

পাওঁ। আৰু ভালকৈ কথা পাতোঁ। খেলিব পাৰোঁ। বাইদেউসকলক লগ পাওঁ।

**স্বাধীন ঋতুপৰ্ণ দাস :** অনলাইন ক্লাছ কৰি ভাল পাওঁ। ঘৰতে ভাল পাওঁ। ক্লাছ কৰি ভাল লাগে। স্কুলত ভয় খাওঁ মই। বেলেগ চেৰ খান আছে যে। স্কুলত চেৰ খান আছে। ফ্ৰেণ্ডৰ লগত ভাল নালাগে।

**তন্ময় ৰাজবংশী :** বিদ্যালয়ত ক্লাছ কৰি ভাল লাগে। তাতে খেলিব পাৰোঁ। বাইদেউহঁতকো ওচৰৰ পৰাই লগ পাওঁ। বন্ধুবিলাকক ওচৰৰ পৰাই লগ পাওঁ সেইকাৰণে ভাল লাগে।

**উদ্দালক আৰুণিক শৰ্মা :** মোৰ স্কুলত যাই ভাল লাগে। স্কুলত মোৰ দোস্ত থাকে সেইকাৰণে। অনলাইনত মোৰ ভাল নালাগে। তাতে বেছিকৈ চিল্লাই থাকিব নৰি নহয়। তাতে ইমান দোস্ত নাথাকে নহয় সেইকাৰণে। স্কুলত চব দোস্ত থাকে। অনলাইনত অলপমান দোস্ত থাকে। ক্লাছ সোনকালে শেষ হৈ যায়।

**জ্যোতিষ্মান শৰ্মা :** অনলাইন ক্লাছ কৰি ভাল লাগে, স্কুল যাই ভাল লাগে। ছবি আঁকি ভাল পাওঁ।

## অংকুৰ শ্ৰেণী, গ শাখা

**সৃহান দত্ত :** অনলাইন ক্লাছ... (ভাবি) ইয়াত বাইদেউ আহে ম'বাইলত...। স্কুললে...। স্কুলত যাওঁ আৰু নমো কৰিবলৈ দিয়ে, লিখিবলৈ দিয়ে, খেলা বস্তু খেলিবলৈ দিয়ে আৰু দৌৰিবলৈ দিয়ে আৰু ট্ৰেইন ট্ৰেইন খেলিবলৈ দিয়ে আৰু... খাই পেলাই গুচি যাবলৈ দিয়ে সময় নাইকিয়া হ'লে। আমাৰ ঘৰলৈ গুচি যাবলৈ দিয়ে। আৰু মোৰ ভোক লাগিলে মায়ে খাবলৈ দিয়ে আৰু বাইদেউহঁতে খানা খাবলৈ আৰু পানী খাবলৈ দিয়ে। বেয়া কাম কৰিব নিদিয়ে আৰু ক'বলৈ মন নাই।

**উৎকৰ্ষা দি কাশ্যপ :** কি হয় মই জানো। মা-দেউতাৰ লগত বহি পেলাই ক্লাছ কৰে সেইটোৰে অনলাইন ক্লাছ। স্কুলত গৈ ভাল লাগে। মা-দেউতাই যে আনে টিফিন খাব পাৰে। পঢ়িব পাৰে।

**প্ৰজ্ঞান জ্যোতি চহৰীয়া :** ম'বাইলৰ সহায়ত আমি অনলাইন ক্লাছ কৰোঁ। অনলাইন ক্লাছ কৰি ভাল লাগে তাতে কিবাকিবি আঁকিব দিয়ে, কিবা বনাব দিয়ে, কিবা কালাৰ, কিবা ৰং কৰিব দিয়ে।

**দিপ্ৰাণ কাশ্যপ :** মই ইস্কুলত যাই অকণমান ভাল পাওঁ। মই অনলাইন ক্লাছ কৰি অলপ ভাল পাওঁ। মই ইস্কুলত বেছি ভাল পাওঁ কাৰণ মই খেলিব পাৰোঁ, গান গাব পাৰোঁ, তাৰ পিছত... মই খেলিব পাৰোঁ বাইদেউবিলাকক লগ পাওঁ।

**প্ৰিয়াংশ্ৰী মেধি :** ম'বাইলত যে কৰোঁ সেইটো ক্লাছ। মা ওচৰত আছে যে এইটো ভাল লাগে।

**শান্তনু বেজবৰুৱা :** মোৰ ম'বাইলত পঢ়ি বেয়া লাগে। স্কুলত যাই ভাল লাগে। খেলিব পাওঁ, লগ পাওঁ।

**প্ৰিয়ম বৈশ্য :** ক'ৰোনা মহামাৰীৰ কাৰণে ম'বাইলত ক্লাছ কৰিবলৈ লাগে। অনলাইন ক্লাছ কৰি ভাল লাগে, বিদ্যালয় যাই পেলাই বহুত ভাল লাগে। বন্ধু-বান্ধৱীক লগ পায়, খেলা-ধূলা কৰিব কাৰণে...

**নিকিতা কলিতা :** অনলাইন ক্লাছ গুগলত যে কথা পতা বস্তু সেয়া। অনলাইন ক্লাছ। ইস্কুলত যে তয় যে আছে, ক্লাইমিং যে আছে। ক'ৰোনা গ'লে আকৌ স্কুল যাম।

**নিশিতা কলিতা :** অনলাইন ক্লাছ আমি যে ম'বাইলত গান গাওঁ সেইটো হয়। অনলাইন ক্লাছ আৰু ইস্কুলত গৈ ভাল লাগে। আমি যে ক্লাইমিং প্লে খেলিব পাৰোঁ যে। আৰু খেলা বস্তু দি খেলিব পাৰিম আৰু ক্লাইমিং প্লে খেলি মই ভাল পাওঁ।

**ক্ৰিয়াংশু ডেকা :** ইচকুল যাই ভাল লাগে। মেমৰ মাতটো শুনবা পাৰোঁ।

**দৃষ্টিশিখা শৰ্মা :** ভাল লাগে পঢ়ি। ইস্কুলত গৈ ভাল লাগে, এনেই ভাল লাগে খেলি থাকিব পাৰোঁ যে।

**দৰ্শিতা দাস :** অনলাইন ক্লাছ আমি ম'বাইলত কৰা। বিদ্যালয়ত গৈ ভাল লাগে। তাকে লগৰ ল'ৰা, লগৰ ছোৱালী, ফেণ্ডবিলাক লগ পাওঁ। বন্ধুবিলাকক লগ পাওঁ, খেলিব পাৰোঁ। ফিল্ড এখন আছে। লগৰ ল'ৰা-ছোৱালীবিলাকৰ লগত আৰু বাইদেউকো লগ পাওঁ সেইকাৰণে ভাল লাগে।

**অংশুমান দেউৰী :** পঢ়োঁ, প্ৰাৰ্থনা কৰোঁ, ড্ৰয়িং কৰোঁ, লিখোঁ আৰু ...। স্কুলত গৈ ভাল লাগে। বহুত কিবাকিবি আছে, খেলা বস্তু আছে আৰু গাড়ী, হেলিকেপ্টাৰ, এৰোপ্লেন, বাছ, টেক্সি।

**দৰ্শিল দত্ত :** আমি ম'বাইলত ক্লাছ কৰোঁ সেইটোকে অনলাইন ক্লাছ কয়। বিদ্যালয়ত ক্লাছ কৰি ভাল পাওঁ তাতে যে বন্ধু-বান্ধৱী থাকে আৰু বাছেদি যাব পাওঁ সেইকাৰণে।

**নিৰাঞ্জনা শৰ্মা :** অনলাইন ক্লাছ মানে—ঘৰত পঢ়ি, বাইদেউৰ লগত, লগৰ লগত ম'বাইলত তাকে অনলাইন ক্লাছ কয়। মোৰ অনলাইন ক্লাছ কৰি বেছি ভাল নালাগে অলপমান ভাল লাগে আৰু মই বেছি মোৰ স্কুলত ভাল লাগে। মই বেছি বেছি বাইদেউক দেখা পাওঁ, ফেনক দেখা পাওঁ। ফেন্দো আছে, ধুনীয়া ধুনীয়া ফুলো আছে আৰু বিল্ডিঙো আছে আমাৰ স্কুলখনত। সেইকাৰণে ভাল লাগে। অনলাইন ক্লাছ অলপ ভাল লাগে বাৰু আৰু বেছি ভাল লাগে ইস্কুল।

**হাৰ্দিক চৌধুৰী :** অনলাইন ক্লাছত মেডাম থাকে, ল'ৰা-ছোৱালী মানুহ থাকে আৰু তাতে মা-দেউতা থাকে। ইস্কুলত গৈ ক্লাছ কৰি ভাল লাগে। মেডামে মোক মৰম কৰে। মেডামে মোক খাব দিয়ে আৰু যাব দিয়ে।

**চানভি বৰা :** অনলাইন ক্লাছত আমি ম'বাইলত পঢ়োঁ, লেপটপত পঢ়োঁ আৰু ফ্ৰেণ্ডৰ লগত চাই মই আঁকোঁ আৰু ড্ৰয়িং কৰোঁ আৰু মই বাইদেউক মই ম'বাইলত ফটোবিলাক পঠাই দিওঁ। স্কুললৈ গৈ ভাল লাগে কিয়োকি মোক বাইদেউৱে মৰম কৰে। ফ্ৰেণ্ডে মোক সহায় কৰে আৰু মই বাছত যাওঁ, গাওঁ, চব এনেদৰে পঢ়োঁ আৰু খেলা ফ্ৰেণ্ডৰ লগত খেলোঁ আৰু খোজ কাঢ়োঁ আৰু বল খেলোঁ আৰু...আৰু... এনেদৰে খেলোঁ।

**আৰাধ্যা তালুকদাৰ :** বিদ্যালয় যায় মোৰ ভাল লাগে। মোৰ তাতে ফ্ৰেণ্ড আছে, ঝুলনা আছে মোৰ লগত পানী পৰি থাকে। স্কুলত খাওঁ কিবা দেখাই দিয়ে খেলা বস্তু দেখাই দিয়ে। বাইদেউৱে খেলা বস্তু দেখাই দিয়ে। অনলাইন ভাল নাপাওঁ। ইস্কুলত গৈ ভাল পাওঁ।

**অজিত লহৰ কলিতা :** বিদ্যালয়... অনলাইন ক্লাছ— ম'বাইলত ক্লাছ, ইস্কুলত ভাল লাগে। বাইদেউক লগ পাওঁ। সৃহান দত্তক লগ পাওঁ, খেলনাবিলাক আছে, খেলি থাকে। আমাক খেলিব দিয়ে। ফেইন্চ লগ পাওঁ।

**আয়ুস দত্ত :** ভাল নালাগে অনলাইন ক্লাছ কৰি। স্কুল গৈ ভাল লাগিছিলে। ফ্ৰেইনবিলাকক লগ পাইছিলোঁ আৰু বাইদেউহঁতক লগ পাইছিলোঁ। স্কুলত আমাক পঢ়িবলৈ আৰু খেলিবলৈ দিছিলে, আৰু টিফিন খাবলৈ দিছিলে। ঘৰত অনলাইন ক্লাছ কৰি ভাল নালাগে। কবিতা...কবিতা পঢ়োঁ—টি টি টিয়া...।

**বৰ্নিলজ্যোতি দাস :** অনলাইন ক্লাছ মানে ম'বাইল ক্লাছ। ইস্কুলত যাই ভাল লাগে। বন্ধুৰ লগত খেলিব পাৰোঁ। আপোনালোকক দেখা পাওঁ।

**কৃষ্টিকা ভট্টাচাৰ্য্য :** ঘৰত বহি থাকিয়ে বন্ধু-বান্ধৱীৰ লগত ম'বাইলত পঢ়া-শুনা কৰি অনলাইন ক্লাছ কৰে। বিদ্যালয় গৈ ভাল লাগে। টিফিন খাব পাওঁ যি, খেলিবও পাওঁ, দৌৰিবও পাওঁ, বাইদেউহঁতক লগ পাওঁ...

**ভাৰ্গৱ বৰ্মন :** অনলাইন ক্লাছ ম'বাইলত ক্লাছ ক-ৰা। ইস্কুল গৈ। মোৰ ফ্ৰেইন আছে, বাইদেউ আছে,

মই খেলিব পাওঁ, টিফিন খাব পাওঁ, নাচ-গান কৰিব পাৰোঁ আৰু বাইদেউতোক লগ পাওঁ আৰু মোৰ কোৰা হ'ল।

**কৃতিকা দাস** : অনলাইন ক্লা... । ইস্কুলত যাব নোৱাৰোঁ। এতেই পঢ়োঁ। স্কুলত যাব নোৱাৰোঁ এতেই পঢ়োঁ, এতেই ক্লাছ কৰে। বিদ্যালয়লৈ গৈ ভাল লাগে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, ক শাখা

**নিহাৰীকা ডি. কৌণ্ডিল্য** : অনলাইন ক্লাত (ক্লাছ) কি হয় জানা—অনলাইন ক্লাত ইতকুল। মোৰ ইতকুলত যায় ভাল লাগে। কিয় কাৰণে ইতকুলত পানী বটল নি যাব লাগে, আৰু ইতকুলত টিভিন খাব নি যায়, খেলি ভাল লাগে।

**ৰাগ তনয়** : মই স্কুলত যায় ভাল লাগে। মই খেলিব পাওঁ, মাটি দি কিবা বনাব পাওঁ, ফ্ৰেণ্ডক লগ পাওঁ, বাইদেউক লগ পাওঁ, তাৰ পিছত খেলিব পাওঁ, তাৰ পিছত ছাৰক লগ পাওঁ, তাৰ পিছত নাচিব দিয়ে, তাৰ পিছত কিবা এক্সাচাইজ কৰিব দিয়ে, চব কাম কৰিব দিয়ে।

**ভাগ্যশ্ৰী কলিতা** : স্কুলত গৈ ভাল লাগে। ৰং কৰিব দিয়ে, অ লিখিব দিয়ে, ই, ঈ লিখিব দিব। ৰং কৰি ভাল লাগে। ই, ঈ ভাল লাগে।

**ফাৰহান ৰহমান** : ম'বাইলত দেখা পাওঁ। বিদ্যালয়ত ভাল লাগে। আৰ্য্য, অতুল, ৰুমী বাইদেউ আৰু জুৰি বাইদেউ, জুলি বাইদেউ, ৰূপান্তৰ, মানৰি বৰা......

**বিতোপন কলিতা** : ক'ৰোনা মহামাৰীৰ কাৰণে স্কুললৈ যাব নোৱাৰোঁ কাৰণ আমি এতিয়া ঘৰতে অনলাইন কৰিবলৈ লাগা হৈছে। বাইদেউসকলেও ঘৰতে লগ পাব লগা হৈছে, বন্ধুসকলকো ঘৰলে লগ পাব লগা হৈছে। মই স্কুলত যায় বহুত ভাল লাগে। বাইদেউহঁতে আমাক নাচি নাচি পঢ়ায়।

**প্ৰাচিত কলিতা** : মই ইকুলত যায় ভাল পাওঁ। তাতে মোৰ লগবিলাক মেমে মোক খেল্‌বা দেই। তাতে মেমে মোক টিফিন খাবা দেই। আৰু মোক হেৰি মাই মোক গাড়ী উঠি ফেলে ইকুলত লৈ যায় বস্তু কিনি দেই। কিবা মেমে খিলনা দেই, খেলবা দেই, ইউনিফৰ্ম পিন্ধি ফেলে যাবা দেই।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, খ শাখা

**অন্বেষা বৰুৱা** : অনলাইন ক্লাছ মানে আমাৰ স্কুল। স্কুল গৈ, বল খেলি লগৰ ফেণ্ডবোৰক লগ পায় আৰু দৌৰিবলৈ আৰু ক্লাছত পঢ়া-শুনা কৰি ভাল লাগে।

**মিৰাজ আলী** : স্কুল। স্কুলত, ফেণ্ডবিলাক লগ পাওঁ।

**পৰশ প্ৰতীম চৌধুৰী** : অনলাইন ক্লাছ কি মানে ফ'ন ম'বাইলত কৰে যে। স্কুলত গৈ। তাতে অকণমান দেৰি পিছত টিফিন খাব দিয়ে, নমো কৰি শাৰী শাৰী বাহিৰ হওঁ সোনকালে হৈ যায় কাৰণে বহুত ভাল লাগে।

**দেৱজিৎ দাস** : অনলাইন ক্লাছ আমাৰ বাইদেৱে কৰিব দিয়ে। আমি ৰাতিপুৱা উঠি ম'বাইলটোৰ কাৰণে ক্লাছটো কৰোঁ। স্কুলত গৈ ভাল পাওঁ। আমাৰ মনটো ভাল লাগে, টিফিন খাব পাৰোঁ, খেলিব পাৰোঁ সেইকাৰণে।

**পৰাণ হালৈ** : অনলাইন ক্লাছটো ম'বাইলতে কৰে। স্কুলত যায় ভাল লাগে। পঢ়বা লাগে।

**পলভিত চৌধুৰী** : অনলাইন ক্লাছ মানে ফেনৰ লগত থাকি ভাল পায়। বিদ্যালয়। বান্ধনী ফেণ্ড আছে দিয়া হ'ব।

**কনিশৰাজ দাস** : অনলাইন ক্লাছ মানে ম'বাইলৰ আগত কৰা ক্লাছ। অনলাইন ক্লাছ কৰি ভাল লাগে। একচেচাইজ কৰিবা দিয়ে যে পেটটো কমি যায় সেইকাৰণে। কবিতা পঢ়িবা দেই। স্কুলতে বেয়া পাই।

**ভৃদিক বড়ো** : মানে ম'বাইলত ক্লাছ কৰা। অনলাইন ক্লাছ কৰি ভাল লাগে। ঘৰত থাকিবলৈ পাৰোঁ।

**শিৱম কাশ্যপ :** ঘৰত কৰা ক্লাছটোৰে অনলাইন ক্লাছ হয়। বিদ্যালয়ত বন্ধ আৰু খেলিবলৈ পাওঁ। সেইকাৰণে বিদ্যালয়ত যাব লাগে।

**সম্বুদ্ধ কাশ্যপ :** অনলাইন ক্লাছ মানে ৰূপজ্যোতিক লগ পাওঁ আৰু মিৰাজ আলীক লগ পাওঁ আৰু অন্বেষম বৰুৱাক লগ পাওঁ, ৰূপজ্যোতি মেধিক লগ পাওঁ। অনলাইন ক্লাছত বাইদেউ আহে, অনলাইন ক্লাছত জুলি বাইদেউ আহে, অনলাইন ক্লাছত মধুস্মিতা বাইদেউ আহে, নৱনিতা কলিতা বাইদেউ আহে, নিৰ্মালি বাইদেউ আহে, উৎপলা বৰা বাইদেউ আহে। অনলাইন ক্লাছত ব্যায়াম কৰায়, কচৰৎ কৰায়। প্ৰাৰ্থনা কৰা আৰু এখন ছবি আঁকিব দিয়ে, কাগজ আঁকিব দিয়ে, চব কৰিব দিয়ে। ঐ, স্কুল গৈ ভাল লাগে। স্কুলত গৈ বেছি লগ পাওঁ, আমাৰ লগৰ ল'ৰা-ছোৱালীক আৰু দৌৰিবলৈ পাওঁ, খেলিবলৈ পাওঁ আৰু টিফিন খাবলে পাওঁ, হাত ধুবলে পাওঁ, চি দিবলে পাওঁ আৰু টিফিন খাই শেষ কৰোঁ। চবে চবে লগ পাওঁ, কথা পাতোঁ, চবে কথা পাতি থাকোঁ। টিফিন খাই শেষ হ'লে উঠা-বহা, বহা-উঠা কৰোঁ। তাৰ পাছতে ৰুমলে যাওঁ, তাৰ পাছত এক, দুই, তিনি, চাৰি সেইবিলি কৰোঁ আৰু ক্লাছ যেতিয়া হয় প্ৰাৰ্থনা কৰোঁ আৰু যেতিয়া মাকৰ ওচৰলৈ গুচি যায় ধন্যবাদ।

**ধ্ৰুৱজ্যোতি দাস :** ম'বাইলত পঢ়া তাকে অনলাইন ক্লাছ বুলি ভাবোঁ। স্কুলত গৈ ক্লাছ কৰি বেছি ভাল লাগে। সেই লগৰবোৰক লগ পাওঁ, ইমান ধুনীয়াকৈ ওচৰৰ পৰা পঢ়ায়, ফিল্ডত খেলিবলৈ পাৰোঁ। সেই স্কুলত গৈ বেছি ভাল লাগে।

**ছায়ামণি ডেকা :** স্কুলত গৈ। এনে মই যে পঢ়োঁ ভাল পাওঁ। অনলাইন ক্লাছ কৰি ভাল পাওঁ যে সেই কাৰণে স্কুলত যাওঁ আৰু মেমহঁতে শিকায় ন ব্যায়াম, প্ৰাৰ্থনা তাৰ পাছত একচেচাইজ, তাৰ পাছত নমো নমো, তাৰ পাছত ধূপ জ্বলায়, তাৰ পাছত পঢ়ে। তাৰ পিছত হাত ধুই কেনে টিফিন খাব দিয়ে। তাৰ পিছত অনলাইনত গাবো দিয়ে ডাঙৰবিলাকক পঢ়াব দিয়ে, আমাকো গাব দিয়ে। মেমহঁতেও গায়, ছাৰবিলাকেও গায়, মাকবিলাক চবৰে মাকবিলাকে গায়। মাবিলাকে ভিডিঅ' কৰি থাকে। মেমবিলাকে বাজনা বজাই আমি অ' মোৰ আপোনাৰ দেশ গাওঁ। আমি চিল চিল চিলা গাওঁ, তাৰ পিছত নাচো, চব কৰোঁ। তাৰ পিছত গান গাবলৈ দিয়ে। তাৰ পিছত খেলিব দিয়ে, দৌৰিব দিয়ে। তাৰ পিছত চবে ঘৰত অনলাইন ক্লাছ কৰে। অনলাইন ক্লাছ কৰে, ঘৰতো কৰে, স্কুলতো কৰে চবে অনলাইন ক্লাছ কৰি থাকে, অনলাইন ক্লাছ কৰিলে আমিও কৰিব লাগিব। তাৰ পিছত মেমবিলাকে আমাক সোধে তোমালোকে কি কি জানা? সেনেকে ক'লে কবিতা কবিতা জানো ক'লে নাম কয়—হেৰি বাইদেউ নকৰে অনলাইন ক্লাছটো তাৰ পিছত আৰু আৰু যে ছাৰবিলাক আছে।

**দিক্ষা বৰুৱা :** অনলাইন ক্লাছ এটা ম'বাইলত কৰা ক্লাছ। অনলাইন ক্লাছ কৰি ভাল লাগে। দুইটায়ে ভাল লাগে। অনলাইন ক্লাছ কৰি বাইদেউবিলাকে কৰিব দিয়া কামবোৰ কৰোঁ আমি আৰু কবিতা মাতোঁ আমি বিভিন্ন ক্লাছ সেইটোৰে কয়। বিদ্যালয়ত বাইদেউসকলে আমাক খেলিব দিয়ে তাৰ পিছত টিফিন খাই হাত ধুবলৈ দিয়ে তাৰ পিছত পঢ়া-শুনা কৰিবলৈ দিয়ে, খেলিবলৈ দিয়ে, কিবা কাগজৰ পখিলা বনাবলৈ দিয়ে।

**অংকিতা বসুমতাৰী :** অনলাইন ক্লাছ আমি ঘৰতে কৰোঁ। বিদ্যালয়ত। তাত খেলা বস্তু থাকে কাৰণে। আৰু খেলোঁ আৰু একো নকৰোঁ।

**স্নেহা কাশ্যপ :** বাইদেউহঁতে লিংক দি ম'বাইলত চাই চাই পঢ়া। বিদ্যালয়লৈ। লগ বন্ধু আৰু বাইদেউক লগ পাওঁ আৰু খেলা-ধূলা কৰি ভাল পাওঁ।

**সৃষ্টিমা জে. বৰুৱা :** বিদ্যালয়তো ভাল লাগে, ঘৰতো ভাল লাগে। খেলিবলৈ পাওঁ, লিখিবলৈ পাওঁ আৰু পঢ়িবলৈ পাওঁ।

**ফাৰনাজ চুলতানা :** স্কুল। স্কুলত, ছবি আঁকি, খেলা কৰি এইবিলাক কৰি কেনে বহুত ভাল লাগে।

**মাভিয়া ৰহমান :** মই স্কুল গৈ ভাল পাওঁ। স্কুলত গৈ ভাল পাওঁ আৰু স্কুলত থাকি ভাল পাওঁ। ভাল লাগে। অ'... য়ে কয়টো। অ' দিছে... ওম... ওম... কৰোঁ। নাই... নাই...। মোৰ স্কুলত খেলি পেলাই ভাল লাগে আৰু মাহীহঁতক ভাল লাগে, বাইদেউহঁতক ভাল লাগে, চব স্কুলত ভাল লাগে। অ' অনলাইন ক্লাছ কৰি বেয়া পাওঁ।

**ৰাজদীপ কলিতা :** অনলাইন ক্লাছ... ওম... ক্লাছ... ওম...। অনলাইন ক্লাছ। স্কুলত বেয়া পাওঁ, পাপা যে গুচি যায়।

**অংকুশ ডেকা :** এ... এহ... ম'বাইল কৰা এটা ভিডিঅ' ক্লাছ বিদ্যালয়ত। এহ... আমি তাতে খেলিব পাওঁ ফিল্ডত বাইদেউহঁতক লগ পাওঁ। চিৰিটোত এহ খেলিব পাওঁ এহ... চিৰিটোত উঠিব পাওঁ।

**ইউজাৰচিফ হক :** অনলাইন ক্লাছ মানে... আমি মেমৰ পৰা হ'মৱৰ্ক শিকোঁ আৰু বাহিৰত জাৰ্মছ থাকে তাৰ কাৰণে আমি ক্লাছ কৰোঁ। ঘৰত যায় কৰি ভাল লাগে ক্লাছ। মই অলপ ব'ৰ হওঁ তেতিয়া কালি হয়না তেতিয়া মই কালি অলপ ব'ৰ হওঁ তাৰ পিছত ক্লাছ কৰোঁ, তাৰ পিছত মোমাইল চাওঁ।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, গ শাখা

**তনভি ভৰালী :** অনলাইন ক্লাছ ম'বাইলত কৰা ক্লাছ। বিদ্যালয়লৈ গৈ ভাল লাগে। কাৰণ তাতে বন্ধু-বান্ধৱী লগত লগ পাওঁ আৰু বাইদেউহঁতক লগ পাওঁ আৰু খেলিব পাওঁ আৰু ছবি আঁকিবলৈ পাওঁ সেইকাৰণে বিদ্যালয় বেছি ভাল লাগে।

**বিদিশা দাস :** ম'বাইলৰ যোগেদি পঢ়ায়। স্কুলত যায় ভাল লাগে। চবকে লগ পোৱা যায়। মেমক লগ পোৱা যায়।

**নিবিড়মল্ল বুজৰবৰুৱা :** অনলাইন ক্লাছ কি জানা ম'বাইলৰ ক্লাছ। আমি বাইদেউক দূৰৰ পৰা দেখা কৰা ক্লাছ কৰোৱা। বাইদেউ আমাক ছবি বনোৱা শিকায়, ছবি অঁকা শিকায়, ব্যায়াম কৰা শিকায় অনলাইন ক্লাছত। সি এটা মাইক থাকে মোক যি কয় নিবিৰ অনলাইন ক্লাছটো বন্ধ কৰি থোৱা আমাক যি মাতিব আমি যি দি দিওঁ। মই স্কুলত যায় ভাল পাওঁ। মই যি দোষ্টক লগ পাওঁ স্কুলত বাইদেউহঁতক লগ পাওঁ। লেলগাড়ী খেলোঁ, আলু যি খেলনা থাকে ইকাৰণে আমি খেলনাবিলাক খেলিব পালোঁ, ফিল্ডত দৌৰিব পালোঁ। বন্ধুবিলাকৰ লগত বহুত খেল খেলোঁ, স্কুলত আমি বল খেলোঁ, বাইদেউহঁতক ভাল পাওঁ। স্কুলত আমি টিফিন খাওঁ আগতে আমি হাত ধুওঁ, প্ৰাৰ্থনা কৰোঁ, প্ৰাৰ্থনা কৰি টিফিন খাওঁ। কলটো লৈ আমি ফুল বনাই লওঁ। কলৰ বাকলি ফুল বনোৱা শিকায়। এনেকে যি ক্লাছ, এনেকৈ যি স্কুল ছুটী হ'লে আমি প্ৰাৰ্থনা কৰোঁ, লাইন লাইনকে আহোঁ, স্কুলত গ'লে আমি বহুত লগ-বন্ধু পাওঁ ইকাৰণে স্কুল যায় ভাল লাগে। আমাৰ স্কুলখন বৰ ধুনীয়া দেই। মই স্কুলত যায় বহুত ভাল পাওঁ দেই।

**দেবাংগনা এন. তালুকদাৰ :** বাইদেউ... আমাৰ স্কুলত যাই কেনে ভাল লাগে। তাতে যে তুনাই নতুন নতুন বস্তু শিখ। আৰু অনলাইন ক্লাছ কৰি বহুতো ভাল নালাগে। তাতে বহু সময়ক লেকি বহি থাকিব লাগে। স্কুলক গেলি হলিও মোৰ বহুত ভাল লাগে।

**আয়ান মেধি :** ম'বাইলত কৰে অনলাইন ক্লাছটো। ল'ৰা-ছোৱালী আহি ইয়াতে আমি কথা পাতি থাকোঁ। ঘৰত কৰি ভাল লাগে অনলাইন ক্লাছটো

কৰি। কাৰণ যে ক'ভিড নাইটিন হ'লেতো ক'ৰোনা ভাইজা আহিলোতো অনলাইন ক্লাছ কৰিব লাগে। ক'ৰোনা ভাইৰাজ গুচি যালেতো হেৰি অসম জাতীয় বিদ্যালয়ত যাব লাগে।

**আনিচা বৈশ্য :** ইনটাৰনেটদি কৰা ক্লাছবোৰকতো অনলাইন ক্লাছ বোলে। স্কুলক গৈ ভাল লাগে, লগৰবিলাক লগ পাওঁ, খেলিবলৈ কয় সেইকাৰণে স্কুললৈ গৈ ভাল লাগে।

**ডিউক দত্ত :** অনলাইন ক্লাছ কৰি আমি ঘৰতে ম'বাইল চাই তাতে কৰোঁ। স্কুলত ভাল লাগে। আমি তাতে ফেণ্ডৰ লগত কথা পাতোঁ, আমি খেলোঁ, আমি পঢ়োঁ।

**পাৰ্থ প্ৰতীম ডেকা :** অনলাইন ক্লাছ গুগল মিটত পঢ়িবা পাৰোঁ আৰু স্কুলত যায় বেছি ভাল পাওঁ কাৰণ স্কুলত বন্ধু-বান্ধৱীসকলক লগ পাওঁ আৰু বাইদেউহঁতক লগ পাওঁ আৰু খেলিব পাৰোঁ।

**ৰীচি ডেকা :** স্কুলত ভাল লাগে। স্কুলত যাব লাগে।

**দেৱাংশ স্পন্দন বৰুৱা :** অনলাইন ক্লাছ মানে আমি স্কুললৈ নোযোৱাকে ম'বাইলত কম্পিউটাৰত ক্লাছ কৰোঁ। বিদ্যালয়লৈ গৈ ক্লাছ কৰা। সেইকাৰণে যে বাইদেউ মৰম কৰে বাইদেউ পঢ়ায় আৰু খেলোঁ আমি একদম খেলা সময়ত স্কুলত আৰু আমাৰ স্কুলত শ্লাইদ আছে আৰু বহু...ত আছে। সেইদৰে গাড়ী চলোৱা...আৰু ডাঙৰ ডাঙৰ বাকচ গাছে সেইবোৰৰ ওচৰৰ সৰু সৰু বাকচ আছে সেই চাৰিকোণীয়া বাকচৰ ভিতৰেদি সোমাওঁ ওলাওঁ আৰু বাইদেউহঁতে বহু...ত বেছি মৰম কৰে। পাওঁ বাইদেউহঁতক পাওঁ বাইদেউক লগ পাওঁ।

**নিখিল নিটিন কলিতা :** স্কুলত বন্ধু আছে আৰু তাত কিতাপ পঢ়োঁ আৰু খেলোঁ আৰু টিফিন খাওঁ। সেইকাৰণে মই স্কুল ভাল পাওঁ।

**গীতাৰ্থ কলিতা :** অনলাইন ক্লাছ হৈছে ইনটাৰনেটৰ সহায়ত কৰা ক্লাছ। স্কুলত যায় আমি ভাল লাগে। তাতে খেলিব পাৰোঁ। ভালকৈ সেইকাৰণে আমাৰ ভাল লাগে তাতে পঢ়িব পাৰোঁ। আমি সেইকাৰণে ভাল লাগে।

**চিৰঞ্জিতা কাকতি :** বাইদেউ মই অনলাইন ক্লাছ কৰিও ভাল পাওঁ, স্কুলত গৈও ভাল পাওঁ। স্কুলত গ'লে বেছি ভাল পাওঁ এহ... অ'... আপোনালোকক লগ পাওঁ।

**ৰিহান আহমেদ :** ম'বাইলত কৰা ক্লাছটো অনলাইন ক্লাছ বোলে। ক'ৰোনাৰ কাৰণে ক্লাছ স্কুলত কৰিলে বেছি ভাল লাগে।

**মৃন্ময় কাশ্যপ :** ম'বাইলত ক্লাছ কৰি ভাল লাগে। স্কুলত দায় ভাল লাগে। লগৰলগি খেলিব ভাল লাগে। অনলাইন ম'বাইলত কৰা ক্লাছ অনলাইন ক্লাছ।

**সন্দীপ দাস :** অনলাইনত পঢ়া হয় ইনটাৰনেটত। এহ... স্কুলত যায় ভাল পাওঁ অ...এহ... স্কুলক লগ পাওঁ লগৰবোৰক লগ পাওঁ তাতে এহ... খেলিবও পাৰোঁ।

**অনংগজ্যোতি কুমাৰ :** গুগলৰ ক্লাছ। স্কুলত গৈ ভাল লাগে। মই খেলিব পাৰোঁ।

**বৰ্ণিল বৰ্ষ :** অনলাইন ক্লাছ মই ম'বাইলত কৰোঁ। স্কুল বন্ধ আছে এতিয়া। অনলাইন ক্লাছ কৰি ভাল নাপাওঁ, স্কুলত যায় ভাল পাওঁ।

**মৈত্ৰেয়ী দাস :** বাইদেউ, এহ মানে মোৰ কি হৈছি জানে এহ...অনলাইন ক্লাছ কৰিবলে মোৰ ভাল নালাগে বেছি অকণমান ভাল লাগে বাৰু মোৰ স্কুলত যায় পেলে লগৰ পৰা মই এহ... খেলিব পাৰোঁ লগৰ লগত নহ'লি অনলাইন ক্লাছত আপোনাৰ মাতটো ফাঁচি ফাঁচি যায় থাকে সেইকাণে মই একো ধুনীয়াকৈ শুনা নাপাওঁ।

সেইকাণে মোৰ স্কুলত বেছি ভাল লাগে।

**বৰ্ণিল শৰ্মা :** ম উচুনত যায় উচুনত বহুত বহুত বাইদেউ থাকে উচুনত বহু...ত বাচ্চা থাকে, ম বহু...ত বহু...ত এনিব পাওঁ বন এটা দি দিয়ে, ম এনিব পাওঁ পাতনা ঐইব দিয়ে। মোবাইনত ওই ভান নালাগে ম'বাইনত কি বা দিয়ে এটা এটা বাইদেউ আহি থাকে।

**হিমাঞ্জল কলিতা :** আমি ম'বাইলত অনলাইন ক্লাছ কৰোঁ। অনলাইন ক্লাছত কৰি স্কুলত বহুত ভাল লাগে, তাত মোৰ লগক লগ পাওঁ যে আৰু খেলিও ভাল লাগে যে।

**প্ৰজ্ঞান কলিতা :** অনলাই ক্লাছ এটো ম'বাইলত কৰা। স্কুলত গৈ ভাল লাগে। অ' আমি ফ্ৰেইণ্ড দেখা পাওঁ আৰু বাৰিবোৰ (বালি) খেলিব পাৰোঁ আৰু বাইদেউ চাব পাৰোঁ।

**ময়ূৰ কলিতা :** স্কুলত গৈ ভাল পাওঁ। স্কুলত গৈ এনেই ভাল পাওঁ, চবকে লগ পাওঁ।


**অংকিতা শৰ্মা :** নমস্কাৰ বাইদেউ, মই স্কুললৈ গৈ ভাল পাওঁ। কিন্তু মই এই ক'ৰোনাৰ সময়ত অনলাইন ক্লাছ কৰি ভাল পাইছোঁ।

**কৃষ্টি দাস :** অনলাইন ক্লাছ ম'বাইলত কৰা ক্লাছ। স্কুলত যায় বহুত ভাল লাগে। স্কুলত খেলিব পাওঁ, লগত ঝুলনা খেলিব পাওঁ, জখলাত উঠিব পাওঁ, পঢ়িব পাওঁ, ছবি আঁকিব পাওঁ, টিফিন খাব পাওঁ।

**মানৱজ্যোতি ডেকা :** অনলাইন ক্লাছ মানে ঘৰতে বহি ক্লাছ কৰিব লাগে। অনলাইন ক্লাছ কৰি ভাল লাগে কিন্তু স্কুলত বহুত ভাল লাগে। ল'ৰা-ছোৱালী আছে না। বহুত খেলিবলৈ ভাল লাগে।

**প্ৰয়াগ বৰবৰা :** আমি ম'বাইলত ক্লাছ কৰোঁ। ... অনলাইন ক্লাছ। স্কুলত ক্লাছ কৰি ভাল লাগে। স্কুলত ফ্ৰেইণ্ড পাওঁ, স্কুলত বাইদেউ পাওঁ, স্কুলত দোস্ত পাওঁ।

**হিয়াশ্ৰী দাস :** অনলাইন ক্লাছ মানে আমাক বাইদেউৱে স্কুলৰ দৰে পঢ়ায়। আৰু আমি বিদ্যালয়তে ক্লাছ কৰিব লাগে আৰু তাতে বন্ধুবিলাক পাওঁ আৰু খেলিব পাওঁ সেইকাৰণে স্কুলতে ভাল লাগে। ❖




**প্ৰাচী ডেকা,** প্ৰথম শ্ৰেণী



**সম্বুদ্ধ কাশ্যপ,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ক'ৰোনা ভাইৰাছ নোহোৱা হোৱাৰ পাছত তোমাৰ কেনেকুৱা লাগিব?



ক'ৰোনা ভাইৰাছ নোহোৱা হ'ব। অকণিহঁতে মুক্তমনে উমলি-জামলি বিদ্যালয়ত থাকিব। কিমান যে হেঁপাহ। মুকলিমূৰীয়া পৰিবেশে শিশুৱে ভাল পায়। এনে এক পৰিবেশৰ আশাত অকণিহঁতৰ মনৰ কথাবোৰ...

**অংকুৰ শ্ৰেণী, ক শাখা**

**অভ্ৰনীল ডেকা :** ক'ৰোনা ভাইৰাছ কমিলে মোৰ যে কিমান ভাল লাগে! ফুৰিব যাব পাৰিম, অনলাইন ক্লাছ কৰিব পাৰিম আৰু ডাইনছৰ চাব পাৰিম। ফুৰিব গ'লে ঝুলনাত ঝুলিব পাৰিম আৰু গাড়ী চলাবও পাৰিম। ডাঙৰ হ'লে স্কুলত যাম, তেতিয়া বহুত ভাল লাগিব।

**বেদশ্ৰী কাশ্যপ :** ক'ৰোনা ভাইৰাছ গ'লে ফুফু যাম আৰু... আৰু স্কুল যাম। মজা লাগিব।

**জাষ্টিকা শৰ্মা :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে মই খেলিম।

**কামাক্ষী বৰুৱা :** ক'ৰোনা ভাইৰাছ অসুখ হয়। নোহোৱা হ'লে ভাল লাগিব। বন্ধুৰ ঘৰলৈ যাম, মাস্ক নিপিন্ধো, মামাৰ ঘৰলৈ যাম আৰু স্কুললৈয়ো যাম। ভাল লাগিব।

**মায়ংক কাশ্যপ :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে স্কুলও যাব পাৰিম। খেলিব পাৰিম, ভাল লাগিব।

**নিপেক্ষা মহন্ত :** ক'ৰোনা ভাইৰাছ নাথাকিলে মজ্জা লাগিব। পাৰ্ক যাম, হোটেলত যাম, হোটেলত যাই পকৰি খাম, চিকেন খাম, চিকেন পোলাও খাম।

**পাৰ্থিৱ প্ৰতিম বৰগোহাঁই :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে আমি খেলিম, আমি স্কুলত যাব পাৰিম, বাহিৰতো যাব পাৰিম। ভাল লাগিব।

**প্ৰিয়াংশী বৰগোহাঁই :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে ভাল লাগিব।

**ৰূপজ্যোতি বৰ্মন :** ক'ৰোনা ভাইৰাছ গ'লে ভাল লাগে। স্কুলত যাব পাৰিম, বাইদেউহঁতক লগ পাম, পঢ়িব পাৰিম, খেলিব পাৰিম।

**শ্ৰেয়াস শৰ্মা :** ক'ৰোনা ভাইৰাছ গ'লে আমি ইস্কুলত যাব পাৰিম, খেলিব পাৰিম, ফুৰিব যাব পাৰিম।

## অংকুৰ শ্ৰেণী, খ শাখা

**অভিনৱ শৰ্মা :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে ভাল লাগিব। মই মামা ঘৰত যাম। মই আইচক্ৰিম খাম। মই আপেল খাম। ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে ফুৰিব যাম।

**আবিৰ আলম :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে ভাল লাগিব। খেলিম জৰ্জ ফিল্ডত যাম, পাৰ্কত যাম, আইতাৰ ঘৰত যাম, মনজোৰ ঘৰত যাম, ইস্পাৰ ঘৰত যাম। স্কুলত যাম।

**আয়ুশ্ৰী পাঠক :** ভাল লাগিব। লগৰ লগত খেলিব পাৰিম। ফুৰিব পাৰিম। স্কুলত যাব পাৰিম।

**বৰ্ণিল কাশ্যপ :** ক'ভিড নোহোৱা হ'লে আমি আগৰ পৰিবেশ ঘূৰাই পাম। আমি বিদ্যালয়ত এনেকৈ যাব পাৰিম। বাইদেউসকলক লগ পাম আৰু বন্ধুহঁতকো লগ পাম। খেলিব পাৰিম। মাহঁতৰ লগত ঘূৰিবলৈও পাৰিম।

**চিন্ময়নীল দাস :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে আইতাৰ ঘৰত যাম। স্কুলত যাম। মামাৰ ঘৰত যাম, খুৰাৰ ঘৰত যাম। চিকেন পকোৰা খাম। ঘূৰিব যাম আৰু মাস্ক নিপিন্ধো। মাস্ক পিন্ধিলে গৰম লাগে। মন্দিৰত যাম।

**দিব্যাংশু কলিতা :** ক'ৰোনা ভাইৰাছ শেষ হ'লে ভাল লাগিব। স্কুল খুলিব, ফুৰিব যাব পাৰিম। শ্ব'পিং কৰিব যাব পাৰিম। ফ্ৰেণ্ডক লগ পাম। বাইদেউক লগ পাম। বাহিৰত খেলব পাৰিম।

**কৃত্তিকা পৰাশৰ :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে স্কুল যাব পাৰিম। বহুত ভাল লাগিব। নাচিব পাৰিম। কাম কৰিব পাৰিম। খেলিব পাৰিম। ফুৰিব পাৰিম আৰু বহুত ভাল লাগিব।

**নিবিৰ শালৈ :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে আমাৰ ভাল লাগে। আমি খেলিব পাম। মাস্ক পিন্ধিব নালাগে। ছেনিটাইজাৰ ঘঁহিব নালাগে।

**নৈঋত নিযাণ পৰাশৰ :** ভাল লাগিব। মোৰ ভাল লাগিব। স্কুলত যাব পাৰিম। খেলিব পাৰিম। ককা-আইতাৰ ঘৰত যাম, চিৰিয়াখানাত যাম।

**প্ৰাংগনা কলিতা :** ভাল লাগিব। ক'ৰোনা গুচি যাব। স্কুলত যাব পাৰিম। খেলবা যাবা পাৰিম, বিয়াক যাবা পাৰিম। আৰু কি জানা আৰ বাৰ্ডেত যাবা পাৰিম আৰু পূজাত আৰু বাৰ্থডে যাব পাৰিম।

**শিৰম তালুকদাৰ :** ক'ৰোনা ভাইৰাছ নোহোৱা হ'লে মোৰ বহুত ভাল লাগিব। খেলিব পাৰিম। বিদ্যালয়ত যাব পাৰিম। ফুৰিব পাৰিম। আমি সকলোৰে ভাল পাম।

**হেমাংগ ভৰদ্বাজ :** ক'ৰোনাটো নোহোৱা হৈ গ'লে ভাল লাগিব। আমি স্কুলত যাব পাৰিম। খেলিব পাৰিম। ফুৰিব পাৰিম।

## অংকুৰ শ্ৰেণী, গ শাখা

**তন্ময় দাস :** ক'ৰোনা ভাইৰাছ ভাল হ'লে ভাল লাগিব। তিতা মই ইস্কুল যাব পাৰিম বন্ধুৰ লগত খেলিব পাৰিম। চব কৰিব পাৰিম।

**অনুৰাগ দাস :** ভাল পাম। কাৰণ স্কুলত যে যাব পাৰোঁ যে আমি ফুৰিব যাব পাৰোঁ, মন্দিৰত যাব পাৰোঁ, পাৰ্কত যাব পাৰোঁ, বিয়াত যাব পাৰোঁ। আমি যে ক'ৰোনাৰ কাৰণে স্কুলত যাব পৰা নাই যে ক'ৰোনা আছে যে, নোহোৱা হ'লে আমি ভাল পাওঁ। আমি যাব পাৰিম তিতা মোৰ মনতো ভাল লাগিব।

**ঈশান বৰ্মন :** ভাল লাগিব। ইস্কুলত যাব পাৰিম। ফুৰিব পাৰিম। আলু খেলা বস্তু আনিব জানিব। চব বস্তু আনিব জানিম।

**হুমাইৰা আফৰিণ :** ভাল লাগিব। বহুত ভাল লাগিব। মই স্কুলত যাব পাৰিম। পাৰ্কত যাব পাৰিম। আ...আ... মাস্ক নিপিন্ধাকৈ যাব পাৰিম। চবতে যাব পাৰিম।

**নায়েশা গোস্বামী :** ভাল লাগিব। পাৰ্কত খেলিব যাব পাৰিম। ফুবল খেলিব পাৰিম স্কুলত যাব পাৰিম।

**ৰোহিত শৰ্মা :** ভাল লাগিব আৰু পঢ়বা পাৰিম। স্কুলত আৰু বাইদেউ গান গাব পাৰিম আৰু পঢ়াৰে ফুৰবা যাব পাৰিম, বন্ধুৰ লগত খেলবা পাৰিম, ফুৰবা যাবা পাৰিম।

**কাব্যনীল ভট্টাচাৰ্য্য :** ক'ৰোনা শেষ হোৱাৰ পিছত ভাল লাগিব। ই... স্কুলত যাব পাৰিম।

**কাব্যশ্ৰী দত্ত :** ভাইৰাছ শেষ হ'লে আমি স্কুলত যাব পাৰিম, খেলিবও পাৰিম।

**নিবিৰ প্ৰাণ অলেমান :** ভাল লাগিব। স্কুই...যাব ভাল লাগিব। লগগিতাকো লগ পাম আৰু বেট খেলিবও পাম, আৰু... চেকলেট কিনিবও পাম...

**প্ৰিয়াংশু তালুকদাৰ :** ক'ৰোনা শেষ হ'লে ফুৰিব যাব, লগ হ'ব পাৰিম, ইচ্‌তুলৰ বাইদেউক দেখা পাম, ফেন্দৰ লগ হ'ব পাৰিম।

**হেমৰাজ কলিতা :** ভালেই আছে, বেমাৰ ভাল হ'লে মোৰ ভাল লাগিব। আমি আগৰ নিচিনা স্কুলত যাব পাৰিম। সকলো বন্ধু বা...ন্ধবীহঁতক লগ পাম। মেমহঁতক লগ পাম। আমি অকলেই খেলিব-চেলিব পাৰিম। ❖



**সুভদ্ৰা কলিতা,** তৃতীয় শ্ৰেণী



**ৰণাংগন তালুকদাৰ,** তৃতীয় শ্ৰেণী

# তুমি ফুৰিবলৈ যাওঁতে ৰাস্তাতে তোমাৰ ছেণ্ডেলযোৰ ছিঙি গ'ল। তুমি তেতিয়া কি কৰিবা?




সমস্যা সমাধান কৰিব পাৰিলে শিশুৱে ভাল পায়। শিশুটিৰ মনত বুদ্ধিৰ বিকাশ হ'লেই জীৱনত সফল হ'ব পাৰিব। সেইখাবে শিশুক নিজে কিছুমান কামৰ সমাধান কৰিবলৈ দিব লাগে। সেয়েহে 'তুমি ফুৰিবলৈ যাওঁতে ৰাস্তাতে তোমাৰ ছেণ্ডেলযোৰ ছিঙি গ'ল। তুমি তেতিয়া কি কৰিবা?' প্ৰশ্নটি সোধা হৈছিল।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, ক শাখা

**আয়ুষ্মান ভৰদ্বাজ :** বাইদেউ মই ঘূৰি আহি বেলেগ এযোৰ পিন্ধি যাম।

**মুগ্ধা বৰঠাকুৰ :** মই অকণমান মুচি মামাক বিচাৰিম, তেতিয়া মুচি মামাক পাই যাম, তেতিয়া মই ক'ম মুচি মামা, মুচি মামা মোৰ ছেণ্ডেলযোৰ ছিগি গ'ল। আপুনি চিলাই দিব পাৰিব নেকি? তেতিয়া চিলাই দিব, মই তেতিয়া ধন্যবাদ এনেকৈ কৈ গুচি যাম।

**হেমাংগ কাশ্যপ :** মই তেতিয়া, মই তেতিয়া আঠা দি পেলাই লগাই ল'ম ছেণ্ডেলযোৰ নহ'লে মই বালি সৈতে যাব নোৱাৰিম, নহ'লে মোৰ ভৰিত বালি লাগি যাব।

**দৰ্ষিত নিখিল তালুকদাৰ :** যদি ছেণ্ডেল ছিঙি যায়, মই হাতত লৈ কেনে খালী ভৰি খোজ কাঢ়ি যাম।

**দিব্যাশ্ৰী চহৰীয়া :** সূতাই দি বান্ধি ল'ম বা এটা পলিথিন থাকিলে পলিথিনত ভৰাই ল'ম বা ওচৰতে এটা দোকান থাকিলে দোকানৰ পৰা কিনি ল'ম বা এটা যদি আমাৰ ঘৰটো ওচৰতে থাকে তেনেহ'লে ঘৰৰ পৰা আনি ল'ম।

**দেৱাশ্ৰী নাথ :** ছেণ্ডেলযোৰ ৰাস্তাত ছিঙি গ'লে মই ছেণ্ডেল চিলোৱা এজন মানুহ মাতিম।

**জেচিকা কলিতা :** মই ফুৰিব গৈ আছোঁ, জোতাযোৰ ছিঙি গ'ল, মই এতিয়া কান্দি দিলোঁ বা মুচিক মাতি দিছোঁ। মুচিয়ে নহ'লে চিলাই নিদিয়ে যদি মোক এযোৰ নতুন লাগিব।

**স্তুতিৰঞ্জন মেধি :** যেতিয়া মোৰ ছেণ্ডেলযোৰ ছিঙে তেতিয়া মই ডাঙৰ মানুহৰ পৰা সহায় ল'ম। আৰু ডাঙৰ মানুহে মোৰ ছেণ্ডেলযোৰ ঠিক কৰি দিব আৰু মই ঘৰত গুচি আহিম।

**সমিৰণ ডেকা :** মই ফুৰিবলৈ গ'লে মোৰ ছেণ্ডেলযোৰা ছিঙি গ'লে মুচিৰ তাতে ঠিক কৰি পেলে লৈ যাম।



**আৰ্য্য অতুল :** মোৰ যদি বাটত ছেণ্ডেলযোৰ ছিঙি থাকে মা-দেউতাই আমি ভাল কৰিম। নদীত পেলাই নিদিওদে মই। যদি মই খালী ভৰিৰে থাকিলে বহুত বেয়া পাওঁ। শিলগুটি গচকিলেতো মোক বহুত বিন্ধে। যদি মই নিজৰ ঘৰলৈ গুচি যাম। মা আৰু দেউতা আহিব নহয় লগত। মই অকলে নাযাওঁ নহয়, দেউতা আহিব, মাও আহিব।

**প্ৰিয়াংশী কাশ্যপ :** মই যদি ফুৰিব গ'লে ৰাস্তাত যদি ছেণ্ডেলযোৰ ছিঙে আৰু নতুন ছেণ্ডেলযোৰ আমি খোজ কাৰি যাম আৰু পুৰণা ছেণ্ডেলযোৰ মই ডাষ্টবিনত পেলাই দি ঘৰলৈ গুচি যাম।

**ৰৈধিশ নেওগ :** মাই কোঁচত লৈ আহিব। ছেণ্ডেলযোৰ ঠিক কৰিব। দাদাই। মুচি কৰে।

**দৰ্শালী দত্ত :** ৰাস্তাত ছেণ্ডেলযোৰ ছিঙি গ'লে মাক ক'ম। মাই লগে লগে পিন মাৰি দিব।

**প্ৰীস্মা দাস :** মুচিয়ে চিলাই দিব।

**বিজয় কাশ্যপ :** পাপা আনি দিব মই পিন্ধিম।



**আয়ুস শিৱম নাথ :** মুচিৰ দোকানলৈ গ'লে। তেতিয়া মুচিৰ দোকানত যাওঁতে তেতিয়া মুচিয়ে মোৰ ছেণ্ডেলযোৰ ভাল কৰি দিব আৰু মই ফুৰিব গ'লোঁ তেতিয়া।

**জিজ্ঞাস প্ৰীতম নাথ :** মই ৰাস্তাত ফুৰিব যাওঁতে, বাটতে ছেণ্ডেলযোৰ ছিঙি গ'ল মই আকৌ ঘৰলৈ উভতি আহি এযোৰ বেলেগ ছেণ্ডেল পিন্ধি আকৌ ফুৰিবলৈ যাম।

**মিশিতা গোস্বামী :** মই ৰাস্তাত সেই জোতা-ছেণ্ডেলৰ মানুহ থাকে নহয়, তাতে ঠিক কৰিম আৰু নাপাওঁ যদি ঘৰতে গুচি আহিম।

**অনন্যা ডেকা :** ছেণ্ডেলযোৰা মোৰ ছিঙি গেলি এটা কিনি আনিম।

**ৰিয়াশ্ৰী ডেকা :** মোৰ এযোৰা ছেণ্ডেল ছিঙি গ'লে মই মুচিক দিম, মুচিয়ে ভাল কৰি দিব আৰু পিন্ধিম।

**নিয়ন নাথ :** মোৰ ছেণ্ডেলযোৰ ছিঙি গ'লে মুচিৰ তাত চিলাই আনিম।

**অগ্নিভ বৰ্মন :** মই কান্দিম আৰু মোৰ দুখো লাগিব আৰু মই ফুৰিব নাপাৰিম আৰু মই ধুনীয়াকৈ খোজ কাঢ়িবও নোৱাৰিম।

**স্বৰাজ কলিতা :** মই ছেণ্ডেলটো লৈ পেলে ঘৰত আহিম।

**ৰূপান্তৰ তালুকদাৰ :** ছেণ্ডেলযোৰ ছিঙি গ'লে মই দোকানত যাম আৰু তেতিয়া লৈ আনিম ঘৰত।

**দীপ আকাশ গোস্বামী :** ছেণ্ডেলযোৰ ছিঙি গ'লে কি কৰিব নোৱাৰি, পিন্ধিব নোৱাৰি। মুচিটো ভাল কৰি দি উঠি মোক দিব পিন্ধিব। ছিঙিব দিব মানা কৰি দিয়ে। দি উঠি এটা চকলেট দোকানীয়ে দিয়ে, মোক খাব দিছে।

**কৃষ্ণাংশু কলিতা :** মোৰ ছেণ্ডেলযোৰ ছিঙিলে মই মুচিৰ তাতে ঠিক কৰি ল'ম আৰু মুচি নাপালে মই ঘৰত ঠিক কৰি ল'ম।

**নিৰ্ভিঘ্না কাকতি :** তাৰ পিছত মই তেতিয়া খালী ভৰি দি চবতে খেলিছোঁ। তাৰ পিছত মোৰ বহুত ভৰি বিষাইছে। তাৰ পিছত মই এনেকৈয়ে থাকিব লগা হৈছে। তেতিয়া মোক মাই বেলেগ এডাল ছেণ্ডেলে কিনা নাই। সেইকাৰণে মই খালী ভৰি দিয়ে থাকিব লগা হৈছে। তেতিয়া তাৰ পিছত মই খালী ভৰি দিয়ে থাকি থাকি দুখ পাব লগা হৈছে।

**কৃষ্টি ডেকা :** ফুৰিবলৈ যাওঁতে বাটত ছেণ্ডেলযোৰ ছিঙি গ'ল, কাষত কিবা যদি পাওঁ বান্ধিবৰ কাৰণে বস্তু বান্ধি পেলে খোজ কাঢ়ি আহিম। যদি একো নাপাওঁ, তে ছেণ্ডেলযোৰ হাতোত লৈ ফেলে লাহে লাহেকৈ খোজ কাঢ়ি আহিম।

**ভৃগুৰাজ জেৰ্মি কাশ্যপ :** যেতিয়া মোৰ যায় থাকোঁতে ৰাস্তাত পাই মোৰ ছেণ্ডেৰপাট ছিঙি গ'ল। ছিঙি যাওঁতে মই দোকানৰ পৰা কিনিম। দোকান যদি বন্ধ থাকে তে চিলাই কৰিম।

**জাহ্নৱ তালুকদাৰ :** মুচিৰ দোকান থাক্‌লে মুচিৰ দোকানত যায় মই জোতাযোৰ, ছেণ্ডেলযোৰ মানে ভাল কৰি আমি তাৰ মই পিছত ধুনীয়াকে পিন্ধি ফুৰিব যাম। যদি মুচি নাথাকে তেতিয়া একো




তেতিয়া আমি জোতা পিন্ধি যাব লাগিব।

**অৱন্তিকা চৌধুৰী :** মই কান্দিম। মই তেতিয়া মাক ক'ম অ' মা, মা মোক ছেণ্ডেলটো ঠিক কৰি দিবানা, মোৰ ভাঙি গেছি ছেণ্ডেলটো, ক'ব তেতিয়া মই যাবা লাগব। মা যদি নাখাতে তেতিয়া মই দেউতাক সুধিম। দেউতাও যদি নাখাতে (নাথাকে) ধ্যান দাদাক। ধ্যান দাদাও নাখাতে তেতিয়া মই বল্‌দি ডাঙাৰ হৈ যাম। তেতিয়া মই বিছনাৰ তলোত থৈ দিম, তাৰ পিছত আৰু এটা আছে। দুটা ছেণ্ডেল আছে।

নকৰোঁ ঘৰত যায় বেলেগ ছেণ্ডেল থাকিলে বেলেগ ছেণ্ডেল পিন্ধিম।

**হৰ্ষিতা কাশ্যপ :** লাস্তাত তেণ্ডেলযোৰ ছিঙি গৈছে, মই লাহে লাহে খোজ কাঢ়ি তেণ্ডেলৰ দোকানৰ ওচলত যাম আৰু তেণ্ডেলযোৰ কিনিও ল'ম।

**নৈবেধী শৰ্মা :** যেতিয়া আমি ৰাস্তাত ফুৰিবলৈ যাওঁ তেতিয়া মোৰ ছেণ্ডেলযোৰ ছিঙি গ'লে মাৰ কোলাত উঠি যাম। তেতিয়া খালী ভৰি যালে বালি ধূলিবিলাক লাগি যাব নহয়। তাৰ পিছত লেতেৰা বস্তুবিলাক মাটিত থাকে। ৰাস্তাত লাগি থাকে সেইকাৰণে মই মাৰ কোলাত উঠি যাওঁ।

**সানৱি বৰা :** মই তেতিয়া খোজ কাঢ়িব নোৱাৰিম, দৌৰিব নোৱাৰিম, ফুৰিবলৈ যাব নোৱাৰিম, মোৰ হাৰাই ছেণ্ডেলটো ছিঙি গ'লে ডাঙৰ নহ'ব, মোৰ ছেণ্ডেলটো সৰু হৈ থাকিব তাৰ পিছত আৰু দৌৰিব নোৱাৰিম, গজাল সোমাই যাব ভৰিত।

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, খ শাখা**

**হিমৰাজ তালুকদাৰ :** ছেণ্ডেলযোৰ ছিঙিলে নতুন এযোৰ কিনিম।

**হৃদিস্তুতি গোস্বামী :** দোকানৰ পৰা এটা আঠা লৈ উঠি আঠাটো লৈ উঠি বেঞ্চিখনত বহি আঠাটো লগাই আছোঁ লৈ উঠি ফিঠাডাল লগাই গ'লোঁ, এতিয়া মই খোজ কাঢ়িব পৰিলোঁ এট...টাও ছিঙা নাই। ইতিয়া মই পাৰিছোঁ খোজ কাঢ়িব টানকে লাগি আছে ইটা মই কাৰোবাৰ ঘৰত যাওঁত মই গৈ আছোঁ খোজ কাঢ়ি। ইতিয়া ফুৰিব যোৱা হৈ গ'ল মই ঘৰলৈকে গুচি গ'লোঁ।

**ৰণদীপ ওজা :** মাই যদি মোল লগত আহে তে মাৰ কোলাতে উঠি আহিম। যদি মাই নাহে, এহ... দোকান থাকে যদি ছেণ্ডেলৰ মই পইচাইদি এহ... ছেণ্ডেল একযোৰ লৈ কিনি ল'ম।

**কুঁহি ভট্টাচাৰ্য্য :** শিলে দিবা লাগিব।



**দেৱাস্মিতা বৰদলৈ :** মোৰ ৰাস্তাৰ মোৰ ৰাস্তাত ছেণ্ডেলযোৰ ছিঙি গ'লে মই ঠিক কৰি ল'ম। এহ... মুচিৰ তাত তাৰ পিছত আকৌ ফুৰিবলৈ যাম।

**কৃতিকা ভট্টাচাৰ্য্য :** যেতিয়া মোৰ ছেণ্ডেলযোৰ ছেণ্ডেলযোৰ ছিঙি যায় তেতিয়া মই গাঁঠি মাৰি ল'ম।

**ডাৰৱ প্ৰতীম কাশ্যপ :** বাইদঅ... মই ছেণ্ডেলযোৰা ঘৰলে হাতত তুলি লৈ আহিম।

**আকাংক্ষা শৰ্মা :** হেৰি জানা মোৰ যদি ছেণ্ডেল ছিঙে তেতিয়া মই ছেণ্ডেলযোৰ হাতত লৈ লিকিচি চি লিকিচিয়াই লৈ গৈ মুচিৰ ঘৰলৈ যাম। তাৰ পাছত জোতাযোৰ ঠিক কৰি লৈ আনিম।

**দৃশ্যান্ত কাকতি :** মোৰ যদি ৰাস্তাত এই ছেনডেযোৰ ছিঙি যায়, তেতিয়া মই হেৰি ওম... হেৰি মই চিলাই ল'ম, তাৰ পাছত মই হেৰি দোকান নাথাকিলে মই এনেকে হাতত লৈ পেলে তাৰ পাছত ঘৰত যাম গৈ। তাত দোকান থাকে যদি ৰাস্তাত দোকান নেপাওঁ তেতিয়া মই সেই...সেই... ছেনডেলটো সেই মই লৈ পেলে সেই গুচি যামগৈ ঘৰত।

**সমীৰণ কলিতা :** মুচিৰ তাৰ পৰা মই মুচিৰ তাৰ পৰা চিলাই কৰি আকৌ পিন্ধিম। পেলাব নালাগে।

**খুচি কে. হালৈ :** ঘৰত লৈ যাম পলিথিনত বান্ধি ফেলে তাৰ পিছত তাৰ পিছত ঘৰত চিলাই কৰি আনিম। আৰু... আৰু ক'বাত যাই থাকাতে ছেণ্ডেলযোৰা যে ছিঙি যায় তাৰ পিছত দোকানৰ ওচৰত যদি তাৰ পিছত কিনি ল'ম।

**সমৃদ্ধি চহৰীয়া :** ফুৰিবলৈ গ'লে যদি মোৰ ছেণ্ডেলযোৰ ছিঙে মাক ক'ম মা তুমি মোৰ ছেণ্ডেলযোৰ চিলাই কৰি দিয়ে তেনেহ'লে মাই মোক কৰি দিব চিলাই।

**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, গ শাখা**

**হায়ান বৈশ্য :** দুটা অপচন আছে, এটা হয় ছেণ্ডেল ছিঙি গ'লে যাওঁতে গাঁঠি মাৰি কিনে আমি যাব পাৰোঁ আৰু ছেকেণ্ডত (দ্বিতীয়তে) হয় আমি যেতিয়া আমাৰ ছেণ্ডেল ছিঙে তেতিয়া আমি দোকানত লৈ যাব পাৰোঁ। কিন্তু দোকানটো নাথাকিবই এইটো অপচনেই নহয়।

**জ্যোতিৰাজ শৰ্মা :** ফুৰিব যাওঁতে ছেণ্ডেলযোৰ যদি ছিঙি যায়, ফেলাই দিম। দোকানৰ পৰাই নতুন ছেণ্ডেল কিনি ফুৰিব যাওঁতে পিন্ধি যাম।

**প্ৰিন্সজ্যোতি কাশ্যপ :** ছেণ্ডেলযোৰ ছিঙি গ'লে মই কান্দিম। কান্দিলে মায়ে মোক মুচিৰ তাতে লৈ যাব তাৰ পিছত ছেণ্ডেলযোৰ ঠিক হৈ যাব আৰু মই দৌৰি দৌৰি ঘৰত আহিম। ❖

# ছবি চাই সাধু কোৱা



শিশুহঁতক এটা দৃশ্য আঁকি থোৱা ছবিৰ চাৰ্ট এখন দেখুৱাই এজন এজনকৈ দৃশ্যটোত কি কি দেখিছে, কোনে কি কৰিছে চাই ক'বলৈ দিয়া হয়। কোনো শিশুৱে দৃশ্যটোত দেখা পোৱা বস্তুখিনি হুবহু ৰূপত কৈছে। আন কোনো শিশুৱে ধুনীয়াকৈ সাধুৰ ৰূপ দিছে। শিশুৱে কোৱা বাক্যটো অকণো সালসলনি নকৰি হুবহু ৰূপত লিখি উলিওৱা হৈছে।

**অংকুৰ শ্ৰেণী, ক শাখা**

**লাকিমা শৰ্মা দলৈ :** মই বন্ধত গাঁৱত গৈছিলোঁ। তাত মই মোৰ খুৰাৰ লগত গাঁও ফুৰিবলৈ গৈছিলোঁ। তাত দেখিছিলোঁ এখন ধুনীয়া মুকলি পথাৰত কিছুমান বগলীয়ে মাছ ধৰি খাই আছিল। তেতিয়া বেলি আছিল। পথাৰখনৰ এফালে এজন মানুহে ট্ৰেক্টৰ চলাই আছে। দেখি মোৰ বহুত ভাল লাগিল।

**কৃয়াংশ জে বৰুৱা :** বগলীয়ে মাছ খাই আছে। ডাৱৰ আৰু বেলিয়ে লুকা-ভাকু খেলিছে। চৰায়ে-চৰায়ে উৰি আছে। বগলীয়ে মাছ খাই আছে। টেকটৰে মাটি খান্দি আছে।

**ৰিয়াঞ্চ হুচেইন :** বগলীয়ে পোৱালি মাছক মৰম কৰিছে। কাউৰী উৰি আছে। বগলীয়ে মাছ খাই আছে। চান আছে। মানুহ ট্ৰাক গাড়ী চলাই আছে। বৰষুণ আছে। পিংক কালাৰ ইয়াল্লো কালাৰ ফুল আছে।

## অংকুৰ শ্ৰেণী, খ শাখা

**ধৃতিমান নাথ :** এটা পাজলে ট্ৰেক্টৰ চলাই আছে। তাৰ পিছতটো বহুত মাছ আহিল। বগলীবিলাকে উৰি উৰি উৰি উৰি আহি গ'ল। তাৰ পিছত গোটেই মাছ খাই শেষ কৰি দিলাক। আৰু চৰাইও আহিছিল, চৰাইবিলাকে খাই খাই শেষ কৰি দিলাক আৰু বেলিবিলাকে চাই আছে। তাৰ পিছত বেলিটোই চাই চাই হাঁহি আছে।

**দৃষ্টিনন্দনা হালৈ :** বেলি ওলোৱাৰ পিছত ট্ৰেক্টৰ চালোকজনে ট্ৰেক্টৰ চলাই আছিল। বগলীকেইটাই মাছ খাই আছিল। আকাশত চৰাইবিলাক উৰি আছিল। চৰাইবিলাক আকাশত পাখি মেলি উৰি আছিল। ফুলখিনি ফুলি আছিল।

**নিৰ্ণাংক নিত্যম :** এটা ল'ৰাই ট্ৰেক্টৰ চলাই আছিল আৰু বগলীয়ে মাছ খাই আছিল। ওপৰত সূৰ্য্য আছিল আৰু মেঘ আছিল। ফুল আৰু খেতি আছিল আৰু লগতে চৰাই আছিল। ওপৰত উৰি থকা বগলীয়ে মাছ খাই আছিল।

**সাগৰজিৎ তালুকদাৰ :** মানুহ এজনে ট্ৰেক্টৰ চলাই আছে। বগলীয়ে মাছ খাই আছে। চৰাইবিলাক ওপৰত উৰি আছিল।

**বৰণ্যা কাশ্যপ :** দাদাজনে ট্ৰেক্টৰখন লৈ হাল বাই আছে। চৰাইবোৰে উৰি আছে আকাশত। বেলিটোৱে চাই হাঁহি আছে। বগলীবোৰে মাছ খাই আছে।

**অংকিত শৰ্মা :** এখন পথাৰত ল'ৰাজনে ট্ৰেক্টৰ চলাই আছে। বগলীবিলাকে মাছ খাই আছে। আৰু বাদালবিলাকৰ তলত চৰাই উৰি আছে।

**হৃদান বৰদলৈ :** ডাৱৰে বেলিক টিক্‌ল (কুটকুটাইছে) কৰি দিছে। বেলিটো হাঁহিছে। ট্ৰেক্টৰৰ পৰা ধোঁৱা ওলাইছে। বগলীবোৰে মাছ খাইছে। বৰটোকোলা আহিছে, শামুকভঙা আহিছে। ছিগাল চৰাই উৰি আছে। বগলীবোৰে ট্ৰেক্টৰৰ ৰেটিং কৰি আছে। আমি কেনেকৈ খাম? পানী কেনেকৈ খাম? মাছবোৰে টকিং কৰি আছে। হে, এইটো বৰটোকোলা, আমাক খাব। আমি দৌৰোঁ। বগলীবোৰে কৈছে হাঃ হাঃ তুমি কিয় দৌৰিবা? মই তোমাক পেটতে খাই দিম। মাছটো কৈছে মই তোমাকে পেটত খাম, টিক্‌ল কৰি দিম। ছিগালে কৈছে, এই মই দৌৰোঁ, এইবোৰ ধোঁৱা, ডাৱৰে পানী দিব, বৰষুণ আহিব। মাছবোৰে পানী চপ্লেশ্ব কৰিব। মানুহ ড্ৰাইভাৰটোৱে কৈছে হে এভ্ৰিব'ডি তুমি খেলা।

**তন্ময় শৰ্মা :** ৰাতিপুৱা বেলি ওলাইছে। আকাশত চৰাই উৰি আছে। এজন মানুহে ট্ৰেক্টৰ চলাই আছে। বগলীয়ে মাছ খাই আছে।

**মৃন্ময় তালুকদাৰ :** এজন মানুহে এখন পথাৰত ট্ৰেক্টৰ চলাই আছিল। তাতে তিনিটা বগলী আছিল আৰু এটা বলগীয়ে মাছ খাই আছিল আৰু আনকেইটা বগলীয়ে মাছ ধৰি আছিল আৰু ট্ৰেক্টৰখনে যোৱা দেখি ডাৱৰ আৰু বেলিয়ে হাঁহি আছিল। তাতে তিনিটা চৰাই ওলাই আছিল আকাশত। ট্ৰেক্টৰখনৰ সৰু চকা দুটা আছিল আৰু এটা ডাঙৰ চকা আছিল। বগলীকেইটাৰ ওচৰত দুটা ফুল আছিল।

**অংকিত কাশ্যপ :** এজন মানুহে ট্ৰেক্টৰ চলাই আছে আৰু বগলীবোৰে মাছ খাই আছে। চানে ৰ'দ আছে। ৰ'দত ফুল হৈছে। চৰাইবোৰ উৰি গৈছে।

**তৃষাণ গগৈ :** এদিন মানুহ এজনে ট্ৰেক্টৰ গাড়ী চলাই আছিলে। সেইদিনা ইমান ৰ'দ দিছিলে। গৰম লাগি মাছবিলাকে জাঁপ মাৰি ওলালে। যেতিয়া মাছবিলাক মাটিৰ পৰা ওলাই গ'ল তেতিয়া

চৰাইবিলাকে খাব আহিছে। তাৰ পিছত চব মাছবিলাকক খাই দিছে। চৰাইবিলাকে বহুত মাছ ভাল পায়।

**অৰ্ণৱ চহৰীয়া :** এখন পথাৰত ট্ৰেক্টৰখনে হাল বাই আছিল। বগলীয়ে মাছ খাই আছিল। চৰাইবিলাক উৰি আছিল। বেলিয়ে ৰ'দ দি আছিল।

**জিজ্ঞাস কাশ্যপ :** চৰাইবোৰে উৰি আছে। মানুহজনে ট্ৰেক্টৰ চলাইছে। বগলীয়ে মাছ খাইছে।

## অংকুৰ শ্ৰেণী, গ শাখা

**সাগৰ বৰ্মন :** মানুহজনে খেতিপথাৰত খেতি কৰি আছিল। ট্ৰেক্টৰেৰে মানুহজনে আৰু বগলীবিলাকে উৰি মাছে উৰি আছে। বগলীবিলাকটো বহুত... ভোক লাগিছে পিছত আৰু উৰি যায় আছে আৰু উৰি যায় আছে যায় আছে, পিছতো পিটলখনে খেতি কৰাতে মাছবোৰ ওলাইছে আৰু বগলীবিলাকে সেইদেখি মাছবোৰ দেখি তললে নামি আহিল। আহি ফেলে ভাবিলে মই যদি এই মাছ খাবা পাৰো ভোক পলাই যাব। সেংকে ভাবিলে পিছতো মাছবোৰ খাই পেলালে। আৰু চৰাইবিলাকে উৰি আছে, বেলিটোৰে এইবোৰ দেখি হাঁহি আছে। মনটো ভাল লাগিছে।

**ময়ূস কাশ্যপ :** এজন খুৰাই ট্ৰাকটৰ চলাই আছিল। সেয়ে তাত সূৰ্য্যটোই ৰ'দ দি আছিল। আৰু বগলী তিনিটাই পানীত মাছ খাই আছিল আৰু চৰাই আকাশত উৰি আছিল।


**ভাৰ্না দাস :** আকাশত তৰাবিলাকে নাচি আছে। বেলিটোৱে আমাক চাই হাঁহি আছে। চৰাইবিলাকে আকাশত উৰি আছে। পথাৰত মানুহজনে ট্ৰেক্টৰ চলাই আছে। বগলীয়ে মাছ খাই আছে। ফুলবিলাক ফুলি আছে।

**অৰ্ণব বৰ্মন :** মানুহজনে পথাৰত ট্ৰেক্টৰ চলাই আছে। বগলীয়ে মাছ ধৰি খাইছে। চৰাই... চৰাই কেইজনমান আকাশত উৰি উৰি আহিছে আৰু বেলি ওলাইছে। ৰ'দ দিছে।

**লনিবান শৰ্মা :** আকাশত ডাৱৰ আৰু বেলি দুয়োটায়ে আছে। চৰাইবোৰ আকাশত উৰি আছে। খুৰা এজনে পথাৰত ট্ৰেক্টৰে কাম কৰি আছে। পথাৰৰ কাষত ধুনীয়াকৈ ফুল ফুলি আছে। বগলীয়ে মাছ ধৰি খাই আছে আৰু কিছুমান মাছ ভয়তে জঁপিয়াই জঁপিয়াই পলাই গৈ আছে। ❖




**হৰজিৎ মহন্ত,** চতুৰ্থ শ্ৰেণী





**কৃষাণু ভৰদ্বাজ,** চতুৰ্থ শ্ৰেণী



**প্ৰাক্-প্ৰাথমিক শ্ৰেণী, খ শাখা**

**ৰূপজ্যোতি মেধি :** হা...তী, হাতী, দুটা হাতী, তাৰ পাছত ঘঁৰিয়াল, শহাপহু, কেৰ্কেটুৱা, বল, পখিলা, পানী, মেঘ, আকাশ, তাৰ পিছতে আহ... বেলি, তাৰ পিছত পাৰ্ক, তাৰ পিছত... তাৰ পিছত শিয়াল। সেইগিটাই আছিল।

**প্ৰয়াস বৰ্মন :** এইটো হয় এটা হাতী। এইটো কিন্তু এটা গেট বনা আছে আৰু এইটো হয় এটা ঘঁৰিয়াল আৰু এইটো কিতাপ পঢ়ি আছে। আৰু এইটো হয় এটা পখিলা হয়। পখিলাটো এনেকৈ উৰি আছে (ভংগিমা দেখুৱাই) এইটো হাতীয়ে এনেকে ঝুলনা ঝুই আছে শিয়ালটোৱে ঝুলনা ঝুই আছে। সৰু শহাপহুটোই এনেকে বল খেলি আছে আৰু মেকুৰীটোই ওম... কুকু লৈ আছে আৰু বেলিটোই চাই আছে হাঁহি হাঁহি। এইটো মেঘটো ওপৰত উঠি আছে।

**প্ৰজ্ঞাশ্ৰী শৰ্মা :** ডাঙৰ হাতীটোৱে বালি খেলি আছে আৰু ডাঙৰ...এহ...সৰু হাতীটো আৰু শিয়ালীয়ে চি-চ খেলি আছে। আৰু বেলিটোৱে হাঁহি হাঁহি সকলোকে দেখি আছে। আৰু...আৰু...এহ... শহাপহুটোৱে বল খেলি আছে, ফুটবল আৰু কেৰ্কেটুৱায়ে... কিতাপ পঢ়ি আছে। ঘঁৰিয়ালটোৱে কিতাপ পঢ়ি আছে।

**আইচান গগৈ :** এটা ডাইনাচৰ, এটা বেলি, এটা এলিফেণ্ট, এটা শিয়াল, এটা ৰেবিট, এটা... সিহঁতে খেলি আছে। খেলনা খেলি আছে। বেলি ওলাই আছে, কি ভাল বেলি। ইয়াপি...।

**শ্বেখ চাদুল্লা :** ঘঁৰিয়াল, পখিলা, গছ, সূৰ্য্য, হাতী, শিয়াল, কেৰ্কেটুৱা, ৰেলগাড়ী আৰু পখিলা আছে।

**মনদীপ ডেকা :** ইয়াত ককোডাইলে পঢ়ি আছে আৰু হাতী আৰু গাহৰি খেলি আছে আৰু ৰেবেটে ফুটবল দি খেলি আছে আৰু... কেৰ্কেটুৱাই

পুতলাই দি খেলি আছে আৰু সূৰ্য্যই পোহৰ দি আছে আৰু ট্ৰেইটো যাই আছে আৰু পখিলাটো উৰি আছে।

**বিবেক ঠাকুৰীয়া :** গছ, সূৰ্য্য, শিয়াল, হাতীয়ে খেলি আছে। শহাপহুই ফুটবল খেলি আছে। কেৰ্কেটুৰাই পুতলা লৈ আছে আৰু ঘঁৰিয়ালে কিতাপ পঢ়ি আছে, সৰু হাতীটোই এহ... মাটিৰ ঘৰ বনাই আছে আৰু বকাত বইছে আৰু ট্ৰেনদি খেলি আছে।

**প্ৰিয়ম হালৈ :** হাতীটো মাটিদি খেলি আছে। শিয়ালটো এহ... পঢ়ি আছে আৰু এটা হাতী শিয়াল দি খেলি আছে। পহুটো বল খেলি আছে। কেৰ্কেটুৰা পুতলা লৈ আছে। মেঘ আছে, এডাল গছ আছে, বেলিটোই হাঁহিয়ে অছে। এটা পখিলা আছে। এখান ৰেলগাড়ী চলি যাই আছে। চব জীৱ-জন্তুই খেলি আছে।

## প্ৰাক্-প্ৰাথমিক শ্ৰেণী, গ শাখা

**বিকাশকীৰ্তি হাজৰিকা :** এটা সময়ত হাতী আৰু বান্দৰ আৰু শহাপহু খেলি আছিল। খেলি থাকোঁতে, খেলি থাকোঁতে, খেলি থাকোঁতে মেঘ আহিল তাৰ পিছত মেঘ অহাৰ পিছত দৌৰাদৌৰি লাগিল। তাৰ পিছত ঝুলনা খেলি আছে হাতী, তাৰ পিছত গনচৰে কিতাপ পঢ়ি আছে, শহাপহুৰে বল খেলি আছে এহ... কেৰ্কেটুৰাই ঝুলনা খেলি আছে। খেলি থাকোঁতে খেলি থাকোঁতে আকাশত মেঘ আহিল, তাৰ পিছত ৰ'দ আৰু মেঘ আছে আকাশত। তাৰ পিছত ভাবিছে কি বৰষুণ দিব তাৰ পিছত দৌৰাদৌৰি লাগিছে আৰু... নাই।

**নৃত্তিক নিয়ৰ গোস্বামী :** এখন হাবিত বহুত জন্তু আছিল। সিহঁতে বাহ লৈছিল। তাৰ পিছত সিদিনা সিদিনাখন সিহঁতে এখন পাৰ্ক আছিল। তাতে খেলিবলৈ গ'ল। তাৰ পিছত শহাই বল খেলি আছে, হাতীয়ে ঢেঁকিত উঠি আছে আৰু শিয়ালে পুতলা লৈ আছে। আৰু গাড়ী চলি আছে আৰু বেলিয়ে চাইফেলি সিহঁতৰ ফালে হাঁহি আছে আৰু মেঘে ইফালৰ পেলে সিহঁতৰ ফালে চাই হাঁহি আছে। সিহঁতে আনন্দ মনেৰে খেলি বাহত গুচি আহিল।

**ৰাহি ডেকা :** বেলিয়ে ওপৰত হাঁহি আছে। হাতীয়ে শিয়ালৰ লগত চিছ'ত খেলি আছে। সৰু হাতীয়ে বালিৰে বালিৰ ঘৰ সাজিছে। শহাই অকলে অকলে খেলি আছে। সৰু শহাই পুতলাৰ লগত খেলি আছে। ঘঁৰিয়ালে ভাল সাধু পঢ়ি আছে। হাতীয়ে শিয়ালৰ ফ্ৰেণ্ড হয় আৰু সৰু শহাটো ডাঙৰ শহাৰ ফ্ৰেণ্ড হয়। ঘঁৰিয়াল সৰু হাতীৰ ফ্ৰেণ্ড। গোটেইকেইটা ফ্ৰেণ্ড হয় আৰু পাৰ্কত খেলি আছে একেলগে। ফ্ৰেণ্ডৰ লগত খেলি যে ভাল লাগে। সেইকাৰণে গোটেইবোৰে খেলি ভাল পাইছে। সবে বেলেগ বেলেগ খেলিছে কিন্তু ফ্ৰেণ্ডই হয়।

**মায়ঙ্ক ডেকা :** এখন পাৰ্কত জন্তুৰ পোৱালিবোৰে হাঁহি-স্ফূৰ্তি কৰি খেলি আছে। এটা সৰু হাতীয়ে মাটিৰে ঘৰ সাজিছে আৰু তাৰে ওচৰত এটা পখিলা উৰি আছে। ঘঁৰিয়াল এটাই বহি লৈ কিতাপ পঢ়ি চকু মুদি হাঁহি আছে। ডাঙৰ হাতীটোৱে শিয়াল এটাৰ লগত খেলি আছে আৰু শহাপহুটোৱে অকলে ফুটবল খেলিছে। কেৰ্কেটুৰাটোৱে পুতলাৰ লগত খেলিছে আৰু তেওঁলোকৰ আগত খেলা ৰেলগাড়ী এখন আছে। ওচৰতে এটা মগো আছে। ফিল্ডত ঘাঁহ-বন ফুলো আছে। ফিল্ডৰ বাহিৰত গছ-পাহাৰ আছে আৰু আকাশত মেঘ আৰু আৰু সূৰ্য্যটোৱে জন্তুৰ পোৱালিবোৰৰ খেল চাই চাই হাঁহি আছে।

**বনশিখা ৰাজবংশী :** হাতীটোৱে একদম বালিৰ লগত খেলি আছে। ঘঁৰিয়ালটোৱে কিতাপ পঢ়ি আছে। হাতীটোৱে আৰু শিয়ালটোৱে একদম খেলি

আছে। শিয়ালটো একদম চি-চ' লগত খেলি আছে। কলগছটো একদম মলৰ লগত খেলি আছে। ফুলগেটা মাটিত আছে টানভূমটো জ্বলি আছে। পখিলা আছে একদম চানটো হাঁহি আছে। বান্দলগেটা ওপৰত আছে গাছকেইটা আছে।

**মৃগাংক বৰা :** পাকত জন্তু খেলি আছে। জন্তুবোৰ হাতী, আক' বান্দৰ আৰু আক' হৰিণ আৰু আক' কেৰ্কেটুৰা, বেলি, ঘঁৰিয়াল।

**সন্দীপন দাস :** এখন পাৰ্ক হয়। এটা পড়ি আছে, এটা খেলি আছে, এটা বল খেলি, এটা পুতলা খেলি আছে, এটা পড়ি আছে।

**উৎকৰ্ষা ভাগৱতী :** বাইদেউ ছবিখন চাই মোৰ বৰ ভাল লাগিছে। তাতে এই পোৱালিবিলাকে খেলি আছে আৰু দিনটোও বহুত ধুনীয়া। সূৰ্য্য তাতে ধুনীয়াকে পৰি আছে। ইয়াতে লকডাউন। সেইকাৰণে আমি পাৰ্কত যাব নোৱাৰোঁ। ঘৰতে সোমাই থাকিব লাগে। সিহঁতে কিমান ধুনীয়াকে খেলিব, খেলিব... বালি খেলিব, ঢেঁকী খেলিব, ঝুলনা খেলিব, বহুত কিবাকিবি খেলিব, সিহঁতে আৰু আমি অকল ঘৰতে সোমাই থাকিব লাগে।

**স্বস্তিকা শিৰম নাথ :** বাইদেউ মই এখন পাৰ্কৰ ছবি দেখিছোঁ। আবেলি সময়ত জন্তুবোৰে পাৰ্কখনত খেলিব আহিছে। এটা হাতী আছে। হাতীটোৱে ওম... হাতীটোৱে বালিঘৰ বনাই আছে আৰু আনটো হাতীয়ে শিয়াল... ওম... শিয়াল বন্ধুৰ লগত ওম... চি-চ খেলি আছে আৰু ছোৱালী কেৰ্কেটুৰাটোৱে এটা পুতলাৰ লগত হাঁহি হাঁহি ওম... পুতলাটোৰ লগত হাঁহি হাঁহি কথাপাতি আছে আৰু এটা শহাপহুৱে দৌৰি দৌৰি বল খেলি আছে। আৰু মাজতে এটা ঘঁৰিয়ালে কিতাপ এখন লৈ পেলাই হাঁহি হাঁহি পড়ি আছে। আৰু ট্ৰেনগাড়ী এখন আছে আৰু এটা টাব আছে আৰু ফুলনি আছে বেলেগ বেলেগ ধৰণৰ। আৰু এটা পখিলা উৰি আছে। আকাশখন আছে ডাৱৰ আছে বেলি এটা আছে আৰু ওম... গছ-বন, গছ-গছনি আছে বননি আৰু বননি আছে এখন গেট আছে আৰু এটা পখিলা উৰি আছে আৰু... জন্তুবিলাকক দেখি দেখি মোৰো সিহঁতৰ লগত খেলিব মন গৈছে।❖

*(মুকলি মনৰ কথা। অকণিহঁতে কোৱা কথাবোৰ শিক্ষয়িত্ৰীয়ে হুবহু ৰূপত লিখি উলিয়ায়। বিদ্যালয়ৰ বছৰেকীয়া আলোচনী 'বাখৰ'ত প্ৰকাশ কৰা হয়। ২০২০ বৰ্ষ আৰু ২০২১ বৰ্ষত ভয়াবহ সংক্ৰমণৰ বাবে অকণিহঁতক শ্ৰেণীকোঠাত লগ পোৱা নাই। সকলোৰে এক নতুন অভিজ্ঞতাৰ মুখামুখি হ'বলগীয়া হ'ল। শ্ৰেণীকোঠাত শিক্ষা প্ৰদানৰ সলনি ঘৰতে শ্ৰেণীকোঠা সাজি ম'বাইল যোগে শিক্ষা প্ৰদান কৰিব লগা হ'ল। 'বাখৰ'ৰ মুকলি মনৰ কথা সজাবলৈ আমি অনলাইনত শিশুহঁতলৈ প্ৰশ্ন পঠিয়াইছিলোঁ। প্ৰশ্নৰ উত্তৰ হিচাপে শিশুটিয়ে কোৱা কথাখিনি অডিঅ'যোগে নিৰ্দিষ্ট সময়ৰ ভিতৰত পঠিয়াই দিবলৈ অভিভাৱকসকলক কোৱা হৈছিল। যথা সময়ত পঠিওৱা অডিঅ'বোৰ হুবহু ৰূপত লিখি উলিয়াই 'বাখৰ'ৰ অকণিৰ শিতানত সজোৱা হৈছে।)*

# মোৰ ভাইটি

■ ৰূপজ্যোতি বেজবৰুৱা
দ্বিতীয় শ্ৰেণী

মৰমৰ ভাইটি
বৰ অকণমানি
পঢ়াৰ সময়ত তুমি
কিয় কৰা আমনি।
যোৱাবেলি পৰীক্ষাত
নম্বৰ তেনেই কমিল,
এইবেলি ভাবিছোঁ
পৰীক্ষা ভাল কৰিম।
পঢ়িবলৈ ল'লে কিতাপ
তুমি নিয়া টানি
ফালি-ছিৰি সকলোবোৰ
পেলোৱা শেষ কৰি।
কিতাপ ফলা বেয়া কাম
সেইটোও নাজানা তুমি
মোৰ কিতাপখন ফালি
মুখলৈ নিয়া টানি।



# মোৰ মন যায়

■ ইস্মিতা ৰাজবংশী
দ্বিতীয় শ্ৰেণী

মোৰ মন যায়
চিকিৎসক হ'বলৈ
ৰোগীক চিকিৎসা কৰিবলৈ।

মোৰ মন যায়
বিজ্ঞানী হ'বলৈ
নতুন নতুন বস্তু আৱিষ্কাৰ কৰিবলৈ।

মোৰ মন যায়
চৰাই হ'বলৈ,
আকাশত উৰিবলৈ।

মোৰ মন যায়
শিক্ষয়িত্ৰী হ'বলৈ
ছাত্ৰ-ছাত্ৰীক পঢ়াবলৈ।

মোৰ মন যায়
দেশ-বিদেশ ঘূৰিবলৈ
নানান কথা জানিবলৈ।

# ক'ৰোনা

■ দৰ্শ কিংকৰ কলিতা
দ্বিতীয় শ্ৰেণী





অ' ক'ৰোনা, অ' ক'ৰোনা
কিয় বাৰে বাৰে আহি
দিয়াহি আমাক বেদনা।
ভয় আৰু আশংকাত
কটাবলগীয়া হৈছে দিন,
জীয়াই থকাৰ আশা হৈছে ক্ষীণ।
যোৱা তুমি সোনকালে
ৰাখা সকলোকে ভালে ভালে।
আমাৰ পৰা লোৱা বিদায়,
দিয়া আমাক পঢ়িব শুনিব
যাবলৈ দিয়া বিদ্যালয়লৈ সদায়।





# মন বেয়া

■ মেঘনা দাস
দ্বিতীয় শ্ৰেণী

মন মোৰ বৰ বেয়া
লকডাউনৰ বাবে
লকডাউনত স্কুল বন্ধ
জাননী আহি পালে।
স্কুললৈ গৈ মই
বৰ ভাল পাওঁ,
ঘৰতে বহি বহি আমনিহে পাওঁ
কিনো দিন আহি পালে ক'ৰোনাৰ বাবে
স্কুল-কলেজ বন্ধ
ঘৰতে থাকিব লাগে।



# মনৰ ভাবনা

■ অনুৰাগ পাটোৱাৰী
দ্বিতীয় শ্ৰেণী


(১)
মাছ-কাছ থাকে পানীত,
সোণগুটি হয় মাটিত।
(২)
আকাশত উৰি থাকে ঈগল,
ৰেলগাড়ী যে বহুত দীঘল।
(৩)
চহৰত বহুতো মটৰগাড়ী
বেমেজালি নহয় পাতিলে শাৰী।
(৪)
যদিও জঁপিয়াই থাকে বান্দৰ,
দেখিবলৈ কিন্তু বৰ সুন্দৰ।
(৫)
ঝক ঝক কৰি ৰেলগাড়ী যায়,
উকি মাৰি মাৰি ধোঁৱা উৰুৱায়।

# অকণি

■ ৰিধিশ্ৰী দাস
দ্বিতীয় শ্ৰেণী

আমি অকণি
ভাল পাওঁ আমি খেলি উমলি
ভাল পাওঁ আমি ৰং-ধেমালি
ভাল পাওঁ আকাশৰ ৰং নীলা
ভাল পাওঁ আমি লগৰীয়াৰ
লগত মিলিজুলি।
জনাওঁ স্বাগতম স্বাগতম
অলৌ গুটি তলৌ গুটি
কচুগুটি ঘাই
যি হাতে গুটি আছে
সেই হাতে পায়।





# পখিলা

■ প্ৰাযুক্ত সাই পৰাশৰ
দ্বিতীয় শ্ৰেণী

বৰ বৰ পখিলা
আকাশত উৰে
ফুলৰ মৌ বিচাৰি
ঘূৰি ঘূৰি ফুৰে
ধুনীয়া পাখি দুখনি।
পখিলা উৰে
মেঘবোৰত গুচি যায়
ৰং বিলাই ফুৰে।

## দাদা

■ **কৌশিক পাঠক**
**দ্বিতীয় শ্ৰেণী**

মোৰ এজন দাদা আছে
সি বৰ দুষ্ট,
পঢ়াৰ সময়ত ম'বাইল চাই
সময় কৰে নষ্ট।
মাৰ কামত আহৰি নাই
সেইটোৱে সি সুবিধা পায়,
কিন্তু কি হ'ব উপায় নাই
পঢ়াৰ কথাবোৰ ম'বাইলতে পায়।



## পখিলা

■ **এনিছা সৰকাৰ**
**তৃতীয় শ্ৰেণী**

পখিলা অ' পখিলা
ক'ৰ পৰানো আহিলা?
ইমান ধুনীয়া পাখি দুখন
কিনো ৰং সানিলা?
ফুলে ফুলে উৰি তুমি
ফুলৰ মৌ খোৱা,
ফুলবোৰ তোমাৰ সখি নেকি
কি কথানো কোৱা?

## ৰং

■ **পূবাঞ্চী দাস**
**তৃতীয় শ্ৰেণী**

ৰং বিচাৰি ফুৰোঁ
আমি অকণিয়ে
ৰংবোৰ পালে আমাক
একোকে নালাগে।
ৰঙা, নীলা, হালধীয়া আৰু বেঙুনীয়া
ৰংবোৰ কিয় বাৰু
বাৰে ৰহণীয়া?
ৰংবোৰে আমাক সদায়
হাতবাউলি দি মাতে
আহা আহা অকণিহঁত
খেলোঁ একেলগে।
ৰংবোৰক আমি যে
ইমান ভাল পাওঁ
ৰংবোৰৰ লগত উমলি
আমনি নাপাওঁ।



## জীৱনৰ লক্ষ্য

■ **দৃষ্টিনন্দনা শৰ্মা**
**তৃতীয় শ্ৰেণী**

কণমানি আমি, আমি কণমানি
ফুৰোঁ উমলি-জামলি
পৰিপাটি হৈ কিতাপ-বহী লৈ
যাওঁ পঢ়াশালি।
সমনীয়াৰ স'তে সময় পাৰ কৰি
কৰোঁ হাঁহি-ধেমালি
শিক্ষাগুৰুৰ শিক্ষাখিনি
লওঁ শিৰ পাতি।
খেলা-ধূলা, গান-বাজনা
সকলোতে আমি দক্ষ
পঢ়ি-শুনি ভাল মানুহ হ'ম
এয়ে জীৱনৰ লক্ষ্য।

## মনত পৰে

■ পৰিণীতা দাস
তৃতীয় শ্ৰেণী

মনত পৰে মোৰ অতিকৈ আপোন
বিদ্যালয়খনলৈ
মন যায় মোৰ সমনীয়াৰ লগত
খেল-ধেমালি কৰিবলৈ।
মনত পৰে মোৰ শ্ৰদ্ধাৰ ছাৰ
বাইদেউসকললৈ
ক'ৰোনা কালতো পাহৰা নাই
আমাক পঢ়াবলৈ।
বহু কষ্ট কৰিও অনলাইন যোগে
কৰিছে পাঠদান
শ্ৰদ্ধাৰ ছাৰ বাইদেউসকলক
কৰিছোঁ প্ৰণাম।



## স্কুলীয়া ল'ৰা আমি

■ ৰিজভান কাশ্যপ
চতুৰ্থ শ্ৰেণী

স্কুলীয়া ল'ৰা আমি
আমি দেশৰ ভৱিষ্যৎ
দুখে-কষ্টে পঢ়োঁ আমি
জ্ঞানী-গুণী হ'ম বুলি।
থাকোঁ ভগা ঘৰত আমি
পেটত নাই ভাত
পেটৰ ভোকত পঢ়া নহয়
মুখৰ নোলায় মাত।
আজিৰ প্ৰতিযোগিতাত
কেনেকৈ পঢ়োঁ?
আমাক ভাত দিয়া দুয়োবেলা
থাকিবলৈ ঠাই,
কাপোৰ দিয়া অভয় দিয়া
য'ত জীয়াই থকাৰ অধিকাৰ
মানুহ হৈ পায়,
শিশু, আমাক দিয়া বিকাশ
ভৱিষ্যৎ গঢ়োঁ।

## মোৰ প্ৰিয় বৰ্ণ

■ ৰাগিনী বৈদ্যঋষি
তৃতীয় শ্ৰেণী

মোৰ প্ৰিয় বৰ্ণ 'প'
মোৰ প্ৰিয় ফুল পদুম
মোৰ প্ৰিয় ফল পনিয়ল
মোৰ প্ৰিয় পাচলি পানীলাউ
মোৰ প্ৰিয় শাক পালেং
মোৰ প্ৰিয় চৰাই পাৰ
মোৰ প্ৰিয় মাছ পাভ
মোৰ প্ৰিয় পতংগ পখিলা
মোৰ প্ৰিয় খাদ্য পায়স
মোৰ প্ৰিয় শব্দ পিতা
মোৰ প্ৰিয় ঠাই পৈলানী
(পিতাৰ জন্মস্থান)।

## দুৰ্গা পূজা

■ জৈষ্ণৱ চৌখাম
তৃতীয় শ্ৰেণী

পূজা পূজা পূজা
পূজাত আমি কৰোঁ
বৰ মজা।
পূজাৰ বজাৰত হয় ঠেলা-হেঁচা
তাতে দেউতাই কিনি দিয়ে
বেলুন আৰু পেঁপা।
মা-দেউতাৰ লগত
পূজা চাবলৈ যাওঁ
লগতে গৰম গৰম
জেলেপি খাওঁ।



## আমাৰ ফুলনি

■ ৰাজদীপ শৰ্মা
চতুৰ্থ শ্ৰেণী

এইখন আমাৰ ধুনীয়া ফুলনি
মলয়াৰ কোমল বতাহত
ফুলবোৰ থাকে হালি-জালি,
আনন্দ মনেৰে ফুটুকীয়া পখিলাজাকে
মৌ চোহে উৰি উৰি।
ভোমোৰাৰ গুণ গুণত
পুৱতি নিশাৰ নিৰ্জনতা ভাঙে,
চৌদিশ সুগন্ধিৰ সুবাসে আমোল-মোলাই
তগৰ, শেৱালি, গোলাপে হাঁহে।



## ঈশ্বৰ

■ অয়ন হালৈ
চতুৰ্থ শ্ৰেণী

গধূলি পৰত কৰোঁ
আমি প্ৰাৰ্থনা
ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰি
লগাওঁ ধূপ-ধুনা,
সকলোৰে যেন থাকে কুশলে
কৰোঁ এই কামনা।
দূৰ কৰা আমাৰ
মনৰ পৰা এই ভয়
তোমাৰ ওচৰত আমি
কৰিছোঁ কাকূতি-মিনতি,
প্ৰাৰ্থনা কৰিছোঁ দিয়া যেন
আমাক সুমতি।

## ভণ্টি

■ বাণীস্নিগ্ধা হালৈ
চতুৰ্থ শ্ৰেণী

মোৰ এজনী ভণ্টি আছে
তাই বৰ দুষ্ট,
থুনুক-থানাক মাত তাইৰ
থুপুক-থাপাক খোজ।
তাইৰ লগত খেলিলে
থাকে তাই হাঁহি,
যদিও তাই দুষ্ট
তাই বৰ মৰমী।

## ৰুণ-ঝুন

■ যুগান্তৰ কাশ্যপ ঠাকুৰীয়া
চতুৰ্থ শ্ৰেণী

ৰুণ-ঝুন মোৰ দুটি
অকণমানি চৰাই
আঙুৰ খাই সিহঁতে
বৰ ভাল পায়।
চিঁ-চিঁয়াই সিহঁতে
কিমান যে কথা কয়,
মই কাষ চাপিলেই
মনে মনে ৰয়।
সৰু সৰু ঠেং দুটি মেলি
লাহে লাহে যায়,
অ'ত-ত'ত পোৱা বস্তুবোৰ কিন্তু
ঠোঁটত সাৰি নাযায়।
ধেনুভিৰীয়া ঠোঁট দুটিৰে খুঁটি
মূৰ জোকাৰি কত যে ধেমালি কৰে,
মৰমতে ওকণি চাই
ইটোৱে সিটোৰ পাখিও উঘালে।
সন্ধিয়া হ'লেই বাহত সোমাই
নকৰে কোনো আমনি,
ৰাতি হ'লে আকৌ দীঘল পাখিবোৰ
যতনাই থয় আঁচুৰি।
যিয়েই নহওক দুয়োটাই মোৰ
খেলাৰ লগৰী।
নিতৌ সিহঁতৰ লগতে মই
ৰং মনে থাকোঁ উমলি।

## দেউতা

■ দিক্ষীতা তালুকদাৰ
পঞ্চম শ্ৰেণী

দেউতা, তুমি ক'ত হেৰাই গ'লা
হাজাৰ হাজাৰ মানুহৰ মাজত,
সেইদিনা গুৱাহাটীলৈ গৈ
তুমিচোন উভতি নাহিলা।
জানানে দেউতা, তুমি নাথাকিলে
ঘৰখন হয় যে উকা উকা !
সপোনত, দিঠকত তোমাক যেন
দেখোঁ চকা-মকা।
বাৰুদ আৰু ধোঁৱাৰ মাজত
তুমি যে ছাই হৈ গ'লা
হৃদয়ত আমাক দি গ'লা
অবুজ বেদনা।
দেউতা, নেদেখাজনৰ কৃপাত
থাকিবা কুশলে,
আমাকো নিৰীক্ষণ
কৰিবা গোপনে।



## মেকুৰী

■ সমৃদ্ধি শৰ্মা
পঞ্চম শ্ৰেণী

মেকুৰী এটা আহি আছে
মিউ মিউ মিউ কৈ,
জুমি জুমি চাই আছোঁ মই
দুৱাৰৰ চুকত ৰৈ।
লাহে লাহে খোজ দিছে সি পাকঘৰলৈ
অলপ পাছতে কিজানি লৰ মাৰিব
মুখত মাছ এডোখৰ লৈ
আগতীয়াকৈ কথাটো মাক
কৈ থোৱাই ভাল,
দিলোঁ এটা চিঞৰ মাৰি
লগাই তাল-ফাল।
ভয়ত বিতত হৈ সাৰ-সুৰ নোহোৱাকৈ
মেকুৰীটো পলাল,
কিনো হৈছে মোৰ গম ল'বলৈ
ঘৰত আটাইৰে তৎ হেৰাল।



## মৰমৰ আইতা

■ দিক্ষীতা কাশ্যপ
পঞ্চম শ্ৰেণী

মুকলি আকাশৰ তলত
জোনৰ পোহৰত
মন যায় আইতাৰ মুখৰ
সাধুকথা শুনিবলৈ
কিমান যে ভাল লাগিব ন' মা
মূৰত হাত বুলাই আইতাই ক'ব
ৰজা-ৰাণীৰ সাধু।
মনত আছে এবাৰ যে আমি
গৈছিলোঁ আইতাৰ ঘৰলৈ
তেতিয়া শুনিছিলোঁ
তাহানিৰ সেই ৰজাৰ কাহিনী
চিলমিলীয়া টোপনি অহাত
কপালত চুমা এটা দি
আইতাই কয় এতিয়া শুই থাক
কাইলৈ আকৌ ক'ম।
অ' মা বহুত মন গৈছে
এবাৰ যাবলৈ আইতাৰ ওচৰলৈ
হেঁপাহ নপলোৱা সাধুকথা শুনিবলৈ।

## ক'ৰোনা ককা

■ নিবিড় বসুমতাৰী
পঞ্চম শ্ৰেণী

স্কুল বন্ধ, খেলা বন্ধ
তোমাৰ কাৰণেই হ'ল
তোমাৰ কাৰণেই স্কুলত এইবাৰ সৰস্বতী
পূজাও নহ'ল।
বজাৰ বন্ধ, অফিছ বন্ধ
আৰু বন্ধ গাড়ী
মা-দেউতা ঘৰতে থাকিলে খেলিবওতো নোৱাৰি।
অনলাইন ক্লাছ, হ'মৱৰ্ক কৰা
আৰু ছবি আঁকা
আমনি লাগিছে আমাৰ আৰু
শুনিছানে ক'ৰোনা ককা।
কিমাননো আৰু ঘৰতে থাকিম
স্কুল যাবলৈহে মন
ক'ৰোনা ককা তুমি যোৱাগৈ গুচি
আছে যদি লাজ অকণমান।
ইমানদিন হ'ল ইয়াতেই আছাহি
তুমি যেন বৰ নিলাজ,
এতিয়া দেখোন ভেকচিন ওলাল
হৈ যাব তোমাৰ ইলাজ।
আৰু কেতিয়াও নাহিবা ইয়ালৈ
নকৰোঁ তোমাক ভয়
আজিয়েই তুমি যোৱাগৈ গুচি
টালি-টোপোলা বান্ধি লৈ।



## বৰষুণ

■ কপিলৰঞ্জন বৰা
পঞ্চম শ্ৰেণী

জাক জাক বৰষুণে
বাৰিষাক মাতে
ডাৱৰে ডাৱৰে মিলি
কিনো কথা পাতে !
পানী পাই ভেকুলীয়ে
কৰে টোৰ টোৰ
আনন্দত নাচি উঠে
মন-প্ৰাণ মোৰ।
বৰষুণত তিতিবলৈ
বৰ মন যায়,
অকণমান তিতিলেই
জ্বৰ উঠি যায়।
মুষলধাৰ বৰষুণত
বানপানী হয়,
পানীবোৰ শুকাই গ'লে
জাবৰ-জোঁথৰ ৰয়।
খেতি-বাতি কৰিবলৈ
বৰষুণ লাগে,
খেতিয়কে বাৰিষালৈ
বাট চাই থাকে।

## গৰমৰ বন্ধ

■ চুমন দাস
ষষ্ঠ শ্ৰেণী

লাহে লাহে স্কুল খুলিবৰ হ'ল,
গৰম কিন্তু যাবৰ নহ'ল,
অ' গৰম আঁতৰি যোৱা,
বেগ, বটল, কিতাপ লৈ আমাৰ যাবৰ হ'ল।
বন্ধৰ দিনবোৰ বৰ আৰামৰ,
লিখা-পঢ়া অতি কম, ধেমালিয়ে বেছি
তথাপি যাবৰ হ'ল, ব'লা ভাই ব'লা
জীৱন গঢ়োঁগৈ এতিয়াৰ পৰা।




# माँ

■ **ज्योतिष्मान दास**

छठीं कक्षा

माँ तेरी ही ममता से
बनी है यह दुनिया,
तेरे बिना लगता है सूना
यह संसार॥
तूने ही मुझे इस पृथ्वी में
स्थापित किया है माँ
तूने ही मुझे हर मुसीबत में
डत के खड़े रहने को सिखाया हैं॥
तूझसे ही सीखा मैंने
चलना, पढ़ना हैं माँ,
तेरे कारण ही मैंने इस धरती के
रूप रंग देखा हैं माँ॥
तू प्यार है माँ
ममता तू ही
तू है माँ॥

# ৰাতিপুৱা

■ **গুঞ্জনগীত পৰাশৰ**

ষষ্ঠ শ্ৰেণী


অ' মা ৰাতিপুৱা মোক দিবাচোন জগাই,
বৰ ভাল লাগে ৰাতিপুৱাৰ ৰঙা বেলি চাই।
পূব আকাশৰ পৰা ধীৰে ধীৰে ওলাই আহি
আমাৰ মন পুলকিত কৰি যায়হি।
ফুলিব জবা ফুলিব বকুল
বলিব শেৱালিৰ সুবাস,
উলাহতে নাচিব গছ-গছনিয়ে
কি যে শীতল বতাহ।
গাবলৈ ধৰিব চৰাই-চিৰিকটিয়ে
মধুৰ সুৰীয়া গান,
বাহ এৰি গুচি যাব দূৰলৈ
কৰিব খাদ্যৰ সন্ধান।
মা, তুমি যাবা ৰান্ধনিঘৰলৈ সাজিবা জলপান
দেউতা যাব দোকানলৈ,
জলপান খাই ময়ো যাম পঢ়া টেবুলত,
কিতাপ পঢ়িবলৈ।

# গংগাটোপ

■ ঋতুমল্লিকা গোস্বামী
সপ্তম শ্ৰেণী

দুপৰীয়া মেল পাতিলে
মৰাবিলৰ গোটেই মাছবোৰে,
মাছ খোৱা জন্তুবোৰৰ বিৰুদ্ধে
ৰণ দিবহি বোলে।
টপামূৰীয়া বুঢ়া গৰৈক
পাতিলে বৰমূৰীয়া,
পাঁচনিৰ ভাৰ দিয়া চেঙেলী
মস্ত ছটফটীয়া।
পাঁচনিয়ে গঙাইক মেলৰ
উদ্দেশ্য বুজাবলৈ ক'লে,
ক্ষমা-ভিক্ষা মাগি লৈ
সি আৰম্ভ কৰিলে।
বহতীয়া, কুলধাম মানুহ বুলি কৈ
আমাৰ গংগাটোৱে উজাৰিলে খং,
সিহঁতক মহা তৃপ্তিৰে খাই মানুহে
কৰিব ধৰিছে ৰং।

গংগাই বোলে—
সিহঁত মাছবোৰৰ কথা
মানুহে অকণো চিন্তা নকৰে,
গৰু, ঘোঁৰা, ছাগলীৰ লাদ পৰ্য্যন্ত
সিহঁতে উকটি চাফ কৰে।
মই মূৰুখমতি ল'ৰা,
মানুহৰ বিষয়ে সকলো কথা



ভালকৈ ক'ব নাই পৰা।
মোৰ মাহী গেদগেদীয়ে
মানুহৰ বিষয়ে ভালকৈ ক'লেহেঁতেন সকলোবোৰ কথা,
আগৰ জনমত তেওঁ হেনো গিলিছিল
কুৰুক্ষেত্ৰৰ এক অক্ষৌহিণী সেনা।
ময়ো নাজানো তেওঁ আজি
এই মেললৈ কিয় অহা নাই,
গৰৈচিৰিকাক হুকুম দিলে
গেদগেদীক মাতি আন এতিয়াই।
গৰৈৰ মাতত গেদগেদীয়ে ভেকাহি মাৰি উঠিল
অপমানিত হৈ বেচেৰা মেলৰ কাষ চাপিল।
এইবাৰ গংগা বোপায়ে গেদগেদীক
নিমন্ত্ৰণৰ অনুমতি ল'লে,
কাঞ্চনমতী সম্বোধনেৰে
গেদগেদীৰ মন ভুলালে।
গেদগেদী গংগাৰ প্ৰশংসাত পঞ্চমুখ হ'ল,
সেই দেখি গপত গংগাৰো পেট
ওফন্দি এপাচিমান হ'ল।
সবাহৰ ওচৰ পাই গংগাৰ পেট
পানী হিলৈ হৈ থাকিল ফুটি,
ভয়তে পলাই পত্ৰং দিলে
সভাৰ সকলোটি।

*(লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ 'গংগাটোপ' নামৰ সাধুটিৰ আধাৰত এই কবিতাটি লিখা হৈছে।)*

# कोरोना

■ प्रज्वलिता बड़ा

सातवीं कक्षा

धरती काँप रही है।
सड़के सुनसान हो पड़ी है।
देखो दोस्तों, देखो भाई,
इसने इंसानों को किस तरह मार रहा है॥
इंसान पिंजरे में खड़े हैं।
जैसा करोगे, वैसा भरोगे
देखो–
वह फिरसे आयी है॥
पहन लो मास्क, एक दूसरे से
रखो दूरी, दो मीटर का,
धरती काँप रही है,
घर पर रहो
कोरोना आ रहा है–
धीरज रखो मेरे भाइयों
हाथ धो लो, मुँह ढक लो।
अब तो पुलिस, चिकित्सक ही
रक्षक है, मानो या न मानो॥
नया प्रभात आएगा जरूर,
इंतजार करो,
'सैनिटाइज' करो,
मत आओ कोरोना
फिर से, हमारे पास
करो मत जंग, तुम्हारे कारण
सारी धरती है तंग॥

# মৰমৰ মা

■ তৃষ্ণা শৰ্মা

ষষ্ঠ শ্ৰেণী

মৰমৰ মা তুমি মোৰ
তুমিয়েই মোৰ জীৱন,
তুমিয়েই মোৰ সকলো
সবাতোকৈ মৰমৰ।
বিপদে-আপদে সকলো সময়ত
থাকা মোৰ কাষত,
আগুৱাই যাবলৈ সাহস
দিয়া প্ৰতিটো মুহূৰ্তত।
পঢ়ি-শুনি ডাঙৰ হৈ তোমাৰ সপোন
বাস্তৱত পৰিণত কৰিম,
জীয়ৰী হিচাপে তোমাৰ নাম
সদায়ে উজলাই ৰাখিম।



# তৰা

■ অংশ্ৰুতা দাস


ষষ্ঠ শ্ৰেণী

অ' তৰা অ' তৰা
আকাশৰ তৰা,
জোনৰ লগত বহি তুমি
কিনো কথা পাতা?
দিনত দেখোঁ দেখা নাপাওঁ
ক'লৈ যোৱা তুমি?
ৰাতি হ'লে ওলাই আহা
চাওঁ জুমি জুমি।

# বাৰিষাৰ প্ৰথম বৰষুণ

■ শাব্দী ভৰদ্বাজ
নৱম শ্ৰেণী

এছাটি বতাহে চুই গ'ল
মোৰ চকুপাহি।
চকু মেলি চালোঁ,
কাণত পৰিল,
এটা ৰুদ্ৰ গৰ্জন।
আৰু তাৰ পিছতেই শুনিলোঁ,
সেই চিনাকি সখীৰ
শুৱলা আপোন সুৰ।
নজনাকৈয়েই,
ওঁঠে সজালে
এটা মিচিকিয়া হাঁহি।
মনৰ ভিতৰৰ সকলো কথা যেন
ধুই লৈ গ'ল এবাৰতে,
মনটো পূৰাই পেলালে
এই খন্তেকীয়া আনন্দেৰে।
ইমান দেৰিলৈ
হেঁচি থকা গাৰুটোৰ পৰা
মূৰটো লাহেকৈ উঠাই
বাহিৰলৈ চাই পঠিয়ালোঁ।
গছৰ পাতবোৰে
উলাহত নাচিছে,
যেন আজি ইহঁতৰ বাবে
এয়া এটি উৎসৱ।
আকাশৰ পৰা নামি অহা
মুকুতাৰ মণি যেন
পানীৰ টোপালবোৰৰ
ৰিমঝিম শব্দৰ মাজত
সোমাই পৰিলোঁ।
মনত পৰিল
সেই কালজয়ী গীতটোলৈ
"আজি তুমি চাগে' দেখিছা মোৰ সপোন,
আজি বাৰিষাৰ প্ৰথম বৰষুণ।"



# ক'ৰোনা তুমি আৰু কিমান দিনলৈ

■ ডেনিচ তহবিলদাৰ
নৱম শ্ৰেণী

ক'ৰোনা তুমি সোনকালেই যোৱা।
বুজি পাইছোঁ
তুমি খুবেই ভয়ংকৰ,
তুমি খুবেই নিষ্ঠুৰ আৰু মমতাহীন !
তোমাৰ নাম শুনিলেই
মানৱ সমাজৰ হৃদয় উঠে কঁপি।
ভালদৰে বুজি পাইছোঁ
তুমি কৰিব পাৰা মানৱ সভ্যতাৰ চূড়া তচনচ,
কৰিব পাৰা দৰ্পচূৰ্ণ সকলোৰে।
তোমাৰ বাবেই
আমাৰ লিখা-পঢ়া, পৰীক্ষা-পাতি
হৈছে স্থবিৰ।
তোমাৰ বাবেই আজি
আহিছে ভাবুকি মানৱ সভ্যতালৈ,
হ্ৰাস হৈছে উপাৰ্জন অধিক মানুহৰ,
গৰিষ্ঠসংখ্যক মানুহ
থাকিব লগা হৈছে অনাহাৰে,
খাবলৈ নাপাই ধ্বংসৰ মুখলৈ গৈছে
মানুহৰ পেলনীয়া খাদ্যৰে জীয়াই থকা
কাউৰী, বান্দৰ আদি জীৱকুল।
তুমি সোনকালেই যোৱা।
আমাক জীয়াই থাকিবলৈ দিয়া।
যদিহে নোৱাৰে আধুনিক বিজ্ঞানে
তোমাক খেদিব,
আমাৰ শেষ ভৰসা
হে ভগৱান ! ক'ৰোনাক খেদি পঠিওৱা।
দিয়া আমাক মানুহৰ দৰেই
জীয়াই থাকিবলৈ।
হে ভগৱান ! ক'ৰোনাক নিৰ্মূল কৰা।

# শব্দৰ সন্ধানত

■ নিমিষা কলিতা
নৱম শ্ৰেণী

নিৰ্জন ৰাতি সাজু হৈছোঁ মই
শব্দৰ সন্ধানত বহু দূৰ যাবলৈ
পিছে, ৰাতি জানো শুনা পাম কিবা শব্দ !
সকলোচোন নিদ্ৰামগ্ন।
নাই কোনো কোলাহল
নাই কোনো চিঞৰ-বাখৰ
পিছে মনৰ ভিতৰত থকা শব্দবোৰ
প্ৰকৃতিত সোমাই থকা শব্দবোৰচোন
এতিয়াহে মোৰ কাণত পৰিছে।
এয়া শুনিছোঁ মই মোৰ বুকুৰ ধপধপনি।
আৰু শুনিছোঁ বতাহৰ চো-চো
ধীৰ-গম্ভীৰ শব্দ।
গছ-গছনিয়ে নাচি নাচি কৰা শব্দ।
আৰু যে কত কি !
বাহিৰত শিয়ালে, কুকুৰে চিঞৰিছে
বোধহয় বহু ৰাতিয়েই হ'ল।
ঘড়ীটোৱেও টিক টিক কৰি সময়ৰ বাতৰি দিছে।
পিছে, সময় বেছি নাই, মোৰ যাত্ৰা সমাপ্ত
কৰিবলৈ সূৰুযে যে নমাই আনিব
শব্দ-কোলাহল ধৰালৈ।
সৌৱা গছডালত বহি চৰায়ে কিচিৰ-মিচিৰ
কৰি মাতিছে বোধহয়
পোহৰ হ'বলৈ বেছি পৰ নাই।
আকৌ, এটা সম্পূৰ্ণ দিনৰ
ব্যস্ততা কোলাহলৰ মাজত
নিৰ্জন ৰাতি মই ওলাম
শব্দৰ সন্ধানত।



# উদক

■ জোনাকনন্দা শৰ্মা
নৱম শ্ৰেণী

ময়েই হেনো সকলো জীৱৰে প্ৰাণ,
কিন্তু নোহোৱা হ'লেই মই নাপাবা পৰিত্ৰাণ।

মোৰ পাৰতেই গঢ়ি উঠে সভ্যতা,
মোক লৈয়ে ৰচা হৈছে যুগে যুগে কবিতা।

ময়েই জীয়াই তোলোঁ ধৰা হৈ বাৰিষা,
ময়েই যে পূৰাও তৃষিতৰ তৃষা।

গোটেই পৃথিৱী আছোঁ যে মই ছানি,
তথাপিতো সকলোতে মোৰেই নাটনি।

আছোঁ বুলিয়েই যে নকৰিবা ক্ষয়,
নোহোৱা হ'লেই মই হ'ব প্ৰলয়।

লুণীয়া সাগৰ-মহাসাগৰৰ ৰূপত
মোক যে নোৱাৰিবা খাব,

মেৰু অঞ্চলৰ বৰফ মই
নোৱাৰিবা যে মোক ল'ব।

বতাহত স্থিতি মোৰ অদৃশ্য ৰূপত,
ছুনামি, বানপানী হওঁ ক্ষোভত।

আছে যি অলপ অংশ মোৰ ভূ-গৰ্ভত,
সেয়াও যে নষ্ট কৰিছা অবাবত।

নহ'বাচোন ইমান নিৰ্দয়,
ভাবি চোৱাচোন এবাৰ মৰুভূমিৰ দিগবলয় !

আজি আছোঁ কালিলৈ নাই
পিছত যে হ'ব কিমান বিলাই !

সজাগ হ'বা মোৰ ব্যৱহাৰৰ সময়ত,
নহ'লে অদূৰ ভৱিষ্যতে পৰিবা আকালত।

সময় আজি আহি গ'ল হোৱা সচেতন,
নহ'লে কিন্তু অচিৰেই মিলিব মৰণ।

# সু-মধুৰ অজাবি

■ ৰীমা হালৈ
দশম শ্ৰেণী

এই বিদ্যালয়লৈ অহা
প্ৰতিটো দিনেই যে দি যায়
এক আশাৰ ৰেঙণি।
প্ৰতিদিনেই যেন লাভ কৰোঁ
জীৱনৰ এক নতুনত্ব
কত যে সন্তান আছে
এই মাতৃভূমিৰ।
যিয়ে এই বিদ্যালয়লৈ আহি
নিজৰ সোণালী ভৱিষ্যৎ ৰচি
ডেউকা মেলিছে সপোনৰ পৃথিৱীলৈ
ময়ো ভূমুকি মাৰিছিলোঁ
এই বিদ্যালয়লৈ।
নিজৰ সোণালী ভৱিষ্যতৰ
পাতনি মেলিবলৈ।
ময়ো বিচাৰিছিলোঁ
আন বহুজনৰ দৰে
এই বিদ্যালয়লৈ গৈ
নিজৰ সোণালী ভৱিষ্যৎ গঢ়িবলৈ।
কত যে সপোন
বুকুৰ মাজত সাবটি লৈ
খোজ দিছিলোঁহি
এই বিদ্যালয়ৰ দুৱাৰডলিত।
প্ৰায় বাৰ বছৰে কটোৱা
মধুৰ তিতা-মিঠা স্মৃতিবোৰ
বুকুৰ মাজত কঢ়িয়াই লৈ
এইবাৰ এই বিদ্যালয়ৰ পৰা
বিদায় মাগিবলৈ ওলাইছোঁ
অন্য এক যাত্ৰাৰ
আৰম্ভণি কৰিবলৈ।

# আমাৰ দেশ

■ পৰিস্মিতা শৰ্মা
সপ্তম শ্ৰেণী

এইখন আমাৰ দেশ
বৰ ভাল পাওঁ
আহাচোন আমি সবে
আগ বাঢ়ি যাওঁ।
ইমান ধুনীয়া দেশ
সেউজীয়া আভূষণেৰে ভৰা
ঘৰে ঘৰে দেখোঁ
একতাৰে ভৰা।
ওচৰ-চুবুৰীয়াৰ লগত
থাকোঁ একতাৰে খেলি
ভাল পাওঁ জানা আমি
মিলন সেতু গঢ়ি।
আধা বাট গৈ দেখোঁ
ৰ'লোঁ থমকি
ক'ৰোনাই আহি
ধৰিলেহি আগ ভেটি।
বৃক্ষৰোপণ কৰি
সেউজীয়া ধৰণীৰ
ক'ৰোনাক পৰাস্ত কৰি আমি
যাবই লাগিব আগ বাঢ়ি।

# আকৌ আহিছে ঢেৰেকনি

■ কৃষাণি কলিতা
দশম শ্ৰেণী

আকৌ আহিছে ঢেৰেকনি
নাজানো, কাৰ সুখৰ সপোনবোৰ
ধ্বংস কৰিবলৈ আহিছে নামি।
কিনকিনীয়া বৰষুণ পৰিছে বাহিৰত
হয়তো হ'ব পাৰে ধাৰাসাৰ বৰষুণ,
গছ-গছনিবোৰেও হালি-জালি নাচিছে কৌতূহলত
পিছে বহুতৰে যে আজি ৰাতি
টোপনি নাই চকুত,
নিদ্ৰা হৰণ কৰি আনন্দত আত্মহাৰা হৈ
কিনো ধেমালি কৰিছ ঐ
কোনে বাৰু ৰখাব পাৰিব ইহঁতক
দুষ্ট শিশুৰ দৰে সকলো ধ্বংস কৰি
ক'লৈ গৈছে বাৰু ইহঁত
থান-বান হৈছে এখন-দুখন গাঁও
আৰু বহু ঘৰ
পিছে কোনে সজাব পুনৰ সেই আগৰ
সুখৰ ঘৰখন।
বৰষুণ লাহে লাহে কমিছে
মেঘৰ গাজনিও শান্ত হৈছে
কিন্তু দুৰ্ভগীয়া পৰিয়ালকেইটাৰ মানুহবোৰৰ
শান্ত হৈছে জানো মন
আকৌ আহিছে ঢেৰেকনি
নাজানো, কাৰ সুখৰ সপোনবোৰ
ধ্বংস কৰিবলৈ আহিছে নামি।



# প্ৰাণৰ অজাবি

■ হিমাশ্ৰী কাশ্যপ
দ্বাদশ শ্ৰেণী (কলা)

খালী আছিল মোৰ জীৱনৰ
বন্ধুত্বৰ কেনভাছ,
অনুভৱ কৰিছিলোঁ
এই অসংখ্যৰে পৰিপূৰ্ণ বসুন্ধৰাত
ময়ো এটি ধূলিকণাহে মাথোন !

জীৱনৰ প্ৰথমটি বৃহৎ পদক্ষেপ
উচ্চতৰ মাধ্যমিক !
নতুন মানুহ, নতুন পৰিবেশ
আকুলতাৰে পৰিপূৰ্ণ মোৰ বাবে অজাবি
নতুনৰ লগতেই নতুনৰ আৰম্ভণি।

আকস্মিকতাৰে ভৰপূৰ ১৪ ডিচেম্বৰ
বলিয়া ক'ৰোনাৰ সংক্ৰমণ হ্ৰাসৰ
এটি নতুন প্ৰভাতী পুৱা,
অজাবিৰ দলিচাত শিৰ নত কৰি
প্ৰথমবাৰৰ বাবে চিনাকি
মোৰ অজাবিৰ লগত।

ঈশ্বৰৰ পৰা পোৱা
এটি অমূল্য উপহাৰ,
যিয়ে সম্পূৰ্ণ কৰিলে
মোৰ জীৱনৰ বন্ধুত্বৰ কেনভাছ।

এয়াই আমাৰ
প্ৰাণৰ অজাবি।

# She Is Not Beautiful

■ **Kasturi Bharali**
Class XI (Arts)

Yes, her skin is dark
Ugly cheeks,
Acnes on her face.
Dry hair.
Yes, she is not beautiful.
Everyone teases her,
Stays away from her.
Just because she is not beautiful !
No, they are afraid of her.
Yes, because her dreams are beautiful
Her mind is beautiful
Her heart is beautiful
Beautiful... in every way.

Yes, she is not beautiful
Dirty clothes,
Dry hands,
Dirty nails,
Ugly in every way.
People stay away from her.
Just because she is not beautiful !

No, they are afraid of her
Because she had passed the
most beautiful moments.
She is happy
Smile on her face
Yes, it has not made her beautiful !
But the Best.

# নাই এজন সেনাপতি

■ মানস প্ৰতিম ডেকা
দশম শ্ৰেণী




১৮৬৮ খৃষ্টাব্দৰ
লক্ষ্মী পূৰ্ণিমাৰ ৰাতি
উদয় হৈছিল সেইদিনা
দুই নিশাপতি !
এটাই দিছিল সৰগীয় পোহৰ,
আনটোৱে আনিছিল
অসমীয়া সাহিত্যলৈ যুগান্তৰ।
সেই নিশাপতিয়ে আছিল,
ত্ৰিকালৰ সাহিত্যৰথী
লক্ষ্মীনাথ বেজবৰুৱা।
মহাৰাণা বুলি ক'লেও হয়তো
নহ'ব কোনো জগৰীয়া।
মাতৃভাষাৰ উন্নতিয়েই দেশৰ সেৱা বুলি
আগুৱাই আহিছিল তেখেত,
ৰস দিছিল এই ভাষাত
লৈছিল ৰসৰাজ উপাধি !
ভাষা বচাবলৈ যুঁজিছিল
দিন-ৰাতি এক কৰি।
ক্ষিপ্ৰতাৰে চলাইছিল সাহিত্যৰ ৰথ,
সাহিত্যৰথী নামেৰে হৈছিল প্ৰখ্যাত।
আজিও আহি পৰিছে সময়,
যুদ্ধৰ বাবে কৰিবৰ প্ৰস্তুতি !
কিন্তু !
সাহিত্যৰ ৰথ চলাবলৈ আজি
নাই এজন সেনাপতি !

# নীলমণি ফুকনলৈ জ্ঞানপীঠ বঁটা

আধুনিক অসমীয়া কবিতাৰ অন্যতম কাণ্ডাৰী, অসমৰ জাতীয় কবিৰূপে পৰিচিত নীলমণি ফুকনে লাভ কৰিছে ২০২০ বৰ্ষৰ সন্মানীয় জ্ঞানপীঠ বঁটা। অসমীয়া সাহিত্যৰ বাবে ই এক আনন্দৰ খবৰ—গৌৰৱৰ বিষয়। দেশৰ সৰ্বোচ্চ সাহিত্য সন্মান জ্ঞানপীঠ বঁটা লাভ কৰা নীলমণি ফুকন অসমৰ তৃতীয়গৰাকী সাহিত্যিক। চিত্ৰশিল্প আৰু ভাস্কৰ্য্যৰো বৰেণ্য সমালোচক নীলমণি ফুকনে ১৯৫০ চনৰ পৰাই নিৰলসভাৱে কাব্যচৰ্চা কৰি আহিছে। ১৯৩৩ চনৰ ১০ ছেপ্টেম্বৰত উজনি অসমৰ দেৰগাঁৱত জন্মগ্ৰহণ কৰা নীলমণি ফুকনৰ উল্লেখযোগ্য সাহিত্য কৃতি এনেধৰণৰ—

সূৰ্য হেনো নামি আহে এই নদীয়েদি (১৯৬৩), নিৰ্জনতাৰ শব্দ (১৯৬৫), আৰু কি নৈঃশব্দ (১৯৬৮), জাপানী কবিতা (১৯৭১), ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে (১৯৭৩), কঁাইট গোলাপ আৰু কঁাইট (১৯৭৫), গোলাপী জামুৰ লগ্ন (১৯৭৭), কবিতা (১৯৮০), গাৰ্থিয়া লৰ্কাৰ কবিতা (১৯৮১), নৃত্যৰতা পৃথিৱী (১৯৮৫), সাগৰতলিৰ শংখ (হীৰেন গোহাঁইৰ দ্বাৰা সম্পাদিত নিৰ্বাচিত কবিতাৰ সংগ্ৰহ, ১৯৯৪), চীনা কবিতা (১৯৯৬), অলপ আগতে আমি কি কথা পাতি আছিলো (২০০৩)। কবিতাৰ সম্পাদনা গ্ৰন্থ : 'কুৰি শতিকাৰ অসমীয়া কবিতা  (১৯৭৭), অৰণ্যৰ গান (১৯৯৩); অন্যান্য গ্ৰন্থসমূহ—লোক কল্পদৃষ্টি (অসমীয়া কলা-স্থাপত্যৰ পৰিচয়, ১৯৮৭), ৰূপ বৰ্ণ বাক (কলা আৰু কলাকাৰৰ প্ৰবন্ধ, ১৯৮৮), শিল্পকলাৰ উপলব্ধি আৰু আনন্দ (১৯৯৭), শিল্পকলাৰ দৰ্শন (১৯৯৮); আত্মজীৱনী—পাতি সোণাৰুৰ ফুল আৰু পাহৰিব নোৱাৰিলো যি (২০১৮)।

জ্ঞানপীঠ প্ৰাপ্তিৰে অসমীয়া কবিতা, অসমীয়া সাহিত্য তথা সমগ্ৰ অসমবাসীকে গৌৰাৱান্বিত কৰা ঋষিতুল্য কবিগৰাকীলৈ যাচিছোঁ আন্তৰিক অভিনন্দন।



## আহিন

**—নীলমণি ফুকন**

শেৱালি ফুলৰ গোন্ধে গোন্ধে গৈ আছিলোঁ।
গোন্ধে গোন্ধে উটি আহিছিল
হৃদয়ৰ উত্তাপত বাষ্প হৈ উৰি যোৱা
গেঁৰ ধৰা শস্যৰ ৰস।

গছৰ ওপৰত তথাপি গছ আছিল,
বাটৰ ওপৰত মহাকাশৰ পথ,
চকুৰ ওপৰত চকুৰ গ্ৰীষ্ম চোঁৰৰ
হাতৰ ওপৰত হাতৰ নিসংগ খড়গ।

যদিও মোৰ আঙুলিৰ আঙঠিৰ ভুটীয়া বাখৰত
নৃশংস হ'ল নিজৰে মুখৰ ছবি,
পূজাৰ বেলুনত যদিও বন্ধ হ'ল আহিনৰ হাৱা
এলাবাষ্টাৰত সেয়া আমাৰ ৰাতি।

# ৰামধেনু

■ দেৱাংগন বৰঠাকুৰ
দ্বিতীয় শ্ৰেণী




এখন গাঁৱত এটা ডাঙৰ ঘৰ আছিল। ঘৰটোত এজনী ধুনীয়া ছোৱালী আছিল আৰু তাইৰ নামটো ৰামধেনু। তাই ঘৰটোত মাক আৰু দেউতাকৰ সৈতে বাস কৰিছিল। এদিন ৰাতি তাই সপোনত দেখিলে যে মেঘৰ দ'ম এটাত সোমাই তাই ধুনীয়া ধুনীয়া গান গাই আছে। ধাৰাসাৰ বৰষুণ দি আছে। তাইৰ ফুলনিত থকা সকলো ফুল ধুনীয়াকৈ ফুলি আছে। সেই সময়ত বৰষুণ বন্ধ হ'ল। তাইৰ নামটো যে ৰামধেনু। সেইবাবে তাইৰ ৰামধেনু চাবলৈ বৰ মন গ'ল। তাৰ পিছত বেলি ওলাল আৰু ৰামধেনুও ওলাল। তাই আনন্দত ৰ'ব নোৱৰা হ'ল। তাৰ পাছত আকাশৰ পৰা এজনী ধুনীয়া পৰী তাইৰ ওচৰলৈ গ'ল। "তুমি কোন?" তাই ক'লে। "আমাৰ জোনবাইৰ দেশৰ ৰাণী," পৰীজনীয়ে ক'লে। তাই ক'লে, "মোৰ ভুল হৈছিল। মোক ক্ষমা কৰি দিয়া।" পৰীজনীয়ে ক'লে, "হ'ব বাৰু। মই তোমাক ক্ষমা কৰি দিলোঁ। এতিয়া শুনা। তুমি মোৰ পৰা যিকোনো এটা বৰ খুজিব পাৰা।" তাই ক'লে, "মোৰ ফুলনিত থকা সকলো ফুলকে ৰামধেনুৰ দৰে ৰং কৰি দিয়া।" পৰীজনীয়ে ক'লে, "হ'ব, মই ৰং কৰি দিম। যদি তুমি মোৰ প্ৰশ্নৰ শুদ্ধ উত্তৰ দিয়া তেনেহ'লে ৰং কৰি দিম। এতিয়া কোৱা ৰামধেনুৰ ৰং কেইটা?" তাই ক'লে, "সাতটা।" "শুদ্ধ উত্তৰ, এতিয়া কোৱা, ৰামধেনুৰ ৰংকেইটা কি কি?" পৰীয়ে সুধিলে। "বেঙুনীয়া, নীলা, ডাঠ নীলা, সেউজীয়া, হালধীয়া, কমলা, ৰঙা।" পৰীয়ে ক'লে, "শুদ্ধ উত্তৰ। মই ৰং কৰি দিম। এয়া চোৱা মই ৰং কৰি দিলোঁ।" তাই আনন্দত ক'ব নোৱৰা হ'ল। তাই পৰীজনীক ধন্যবাদ জনালে। পৰীজনীও গুচি গ'ল। এনেতে মাকে তাইক টোপনিৰ পৰা উঠাই দিলে। তাই উঠি বাৰাণ্ডালৈ গৈ দেখে যে সকলো ফুলৰ ৰং ৰামধেনুৰ দৰে হৈ গৈছে। তাই পৰীজনীক ধন্যবাদ জনালে। ❖

# মোৰ অনুভৱ

■ নিষ্ঠাপ্ৰিয়া কুমাৰী
দ্বিতীয় শ্ৰেণী



আজি ৰাতিপুৱা শুই উঠি যেতিয়া ওলাওঁ-নোলাওঁকৈ ওলোৱা ৰঙা বেলিটো দেখিছিলোঁ তেতিয়া মোৰ বৰ ভাল লাগিছিল। দূৰৈৰ পাহাৰৰ কৃষ্ণচূড়াই বতাহত হালি-জালি খেলিছিল। আমাৰ ঘৰৰ মদাৰজোপাৰ ৰঙা ফুলবোৰ এজাক ভাটৌৱে সিহঁতৰ ৰঙা ঠোঁটটোৰে খাই থকা দৃশ্য কিমান যে ভাল লগা ! ইফালে এটা কেৰ্কেটুৱাই ক'ৰবাৰ পৰা মুখত একোছা জাবৰ লৈ জামুজোপাৰ ওপৰলৈ উঠি গৈছে। সি চাগে' তাৰ বাহটো সাজিব। মাজে-সময়ে আমাৰ ইয়াতে আহি থকা এহাল ধনেশ ক'ৰবাৰ পৰা আহি যেতিয়া আমাৰ একেবাৰে ওখ বাঁহগছডালত পৰিল তেতিয়া মোৰ মনটো আনন্দেৰে ভৰি গ'ল। ৰঙা জবা ফুলপাহেও ৰঙা বেলিটোৰ পিনে চাই আছে। ৰঙা জবাৰ ওপৰত এটা পখিলা উৰি আছে। কিমান যে ধুনীয়া আমাৰ এই পৰিবেশ ! ❖

# দুখীয়া মানুহ

■ জীয়া পাঠক
তৃতীয় শ্ৰেণী



দেওবাৰ ৰঙৰ দিন। কদমনিৰ শিশুবোৰৰ ভাগ্যই ভাল। খেলপথাৰখনৰ চাৰিওফালে শাৰী শাৰী গছ। তাত জিৰণি ল'লেই বতাহে গা-মন জুৰ পেলায়।

মিঠু, জুমন, জাকিৰহঁতৰ সৈতে কাষৰ চুবাৰ ছায়াহঁতেও তালৈ খেলিবলৈ আহে। সিদিনাও পুৱাৰে পৰা সিহঁতে দৌৰা-দৌৰি, চোৰ-পুলিছ খেলিলে।

ভাত খোৱাৰ সময় হোৱাৰ লগে লগেই সিহঁত ঘৰলৈ ভাত খাবলৈ আহে। এয়াই সিহঁতৰ নিয়ম। ভাত খায়েই জুমন দেউতাকৰ সৈতে পুনৰ খেলপথাৰলৈ গ'ল।

তাই দেখিলে, জাকিৰ ঘৰলৈ নগৈ গছৰ ছাঁত দেখোন বহি আছে। জুমনে জাকিৰক সুধিলে, "তুমি ঘৰলৈ যোৱা নাই কিয় ?"

জাকিৰে তলমূৰ কৰিলে। তাৰ চকুত চকুপানী। সি ক'লে, "আমাৰ ঘৰত খাবলৈয়ে নাথাকে... আমাৰ দেউতাও নাই নহয়, মাই আনৰ ঘৰতহে কাম কৰে..."

জুমনে জাকিৰক নিজৰ ঘৰলৈ লৈ আহিল। তাক পেট ভৰাকৈ খাবলৈ দিলে। আবেলিপৰত জুমনৰ সৈতে দেউতাকে জাকিৰক তাৰ ঘৰত থৈ আহিল।

দেউতাকে জাকিৰক তাৰ লাগতিয়াল কিছুমান বস্তুও দিলে। জাকিৰৰ মুখত হাঁহি এটা বিৰিঙি উঠিল। ❖

# মৌচাক

■ নিভৃতি নাথ
তৃতীয় শ্ৰেণী



এখন গাঁৱত এডাল গছত মৌমাখিয়ে বাহ লৈছিল। প্ৰকাণ্ড মৌচাকখনত অগণন মৌমাখি আছিল। তাৰে ভিতৰত ৰাণী মৌৰ অতিকৈ প্ৰিয় আৰু মৰমৰ কণমানি দুটা মৌমাখি আছিল। এটাৰ নাম গ্ৰেটেল আৰু এটাৰ নাম হ'ল নিক্সেল। দুয়ো অনবৰতে একেলগে থাকে। এদিন ৰাণী মৌৱে গ্ৰেটেল আৰু নিক্সেলক ফুলৰ পৰা মৌ আনিবলৈ ক'লে। গ্ৰেটেল আৰু নিক্সেল ফুল বিচাৰি গ'ল। তেনে সময়তে নয়নতৰা ফুলত এজনী পখিলা ফুলৰ মৌ খাবলৈ আহিল। পখিলাজনীৰ পাখি ৰঙেৰে ভৰা। পাখি দুখনৰ ৰং চাৰিটা—ৰঙা, নীলা, হালধীয়া আৰু বগা। পখিলাটোৰ ধুনীয়া পাখি দুখনি দেখি গ্ৰেটেল আৰু নিক্সেল আচৰিত হ'ল। কিন্তু পখিলাটোক নাচাই সিহঁত ফুল বিচৰাত লাগিল। লাহে লাহে আন্ধাৰ হ'বলৈ ধৰিলে। গ্ৰেটেল আৰু নিক্সেল অহা নাই বাবে ৰাণী মৌ চিন্তাত পৰিল। ৰাণী মৌৱে কিছুমান কৰ্মী মৌক আদেশ দিলে, গ্ৰেটেল আৰু নিক্সেলক বিচাৰিবলৈ। সিফালে ৰাণী মৌৱে ওচৰত থকা ফুলনিখনত বিচাৰিবলৈ ধৰিলে। আন্ধাৰৰ সুযোগ লৈ এজন মানুহে মৌচাকখন ভাঙি মৌচাকৰ পৰা মৌজোল লৈ গ'ল। ৰাণী মৌজনীয়ে আহি দেখি মনত বৰ দুখ পালে আৰু ওচৰতে থকা এডাল গছত বাকী মৌবোৰৰ লগত বাহ সাজিবলৈ আৰম্ভ কৰিলে। তেনে সময়তে গ্ৰেটেল আৰু নিক্সেল আহি উপস্থিত হ'ল। সিহঁতক দেখি ৰাণী মৌজনীৰ আনন্দ লাগিল। আকৌ আগৰ দৰে মৌমাখিবোৰে ফুলৰ পৰা মৌ সংগ্ৰহ কৰি মৌচাকখন সাজিলে। মৌমাখিবোৰ সুখেৰে থাকিল। ❖

# এটা ল'ৰাৰ সাধু

■ মৈত্ৰেয় আহোম
তৃতীয় শ্ৰেণী

এখন গাঁৱত ৰূপক নামৰ এটা ল'ৰা আছিল। ৰূপকৰ ঘৰত ভনীয়েকৰ বাহিৰে আন কোনো নাছিল। সিহঁতৰ মাক আৰু দেউতাক বহুত বছৰৰ আগতে ঢুকাই থাকিল। ৰূপকে গাঁৱৰ মানুহৰ ঘৰত ইটো-সিটো কাম কৰিবলৈ ধৰিলে। কাম কৰি পোৱা টকাৰে সি আৰু তাৰ ভনীয়েকে স্কুলত নাম লগালে। ৰূপকে পঢ়াত বহুত মনোযোগ দিছিল। ৰূপকৰ ব্যৱহাৰ আৰু স্বভাৱ-চৰিত্ৰ ভাল আছিল বাবে গাঁৱৰ মানুহে তাক মৰম আৰু সহায় কৰিছিল। ৰূপকে কলেজ পাছ কৰাৰ পাছত এটা ভাল চাকৰি পালে। ৰূপকে চাকৰিত বহুত মনোযোগ দিলে আৰু ৰূপকৰ ঘৰৰ অৱস্থা লাহে লাহে ভাল হ'বলৈ ধৰিলে। তাৰ উন্নতিত গাঁৱৰ সকলো মানুহ সুখী হ'ল। ❖

# বুঢ়া আৰু বুঢ়ী


■ মুন ডেকা
তৃতীয় শ্ৰেণী



এখন গাঁৱত এহাল বুঢ়া-বুঢ়ীয়ে বাস কৰিছিল। সিহঁতৰ ল'ৰা-ছোৱালী নাছিল। বুঢ়া-বুঢ়ী বৰ দুখীয়া আছিল। সিহঁতৰ চোতালত এটা শিৱ মন্দিৰ আছিল। বুঢ়াই প্ৰতিদিনে নিজৰ দুখৰ কথা শিৱ মন্দিৰত কৈ দুখ কৰি থাকে। এদিনাখন মহাদেৱ আৰু পাৰ্বতী কৈলাসলৈ গৈ আছিল। এনেতে পাৰ্বতীৰ চকুহাল সেই বুঢ়াজনৰ ওপৰত পৰিল। সেই সময়ত বুঢ়াজনে দুখৰ কথা শিৱক আৰাধনা কৰি কৈ আছিল। এনেতে পাৰ্বতীয়ে শিৱক ক'লে, "প্ৰভু, দেখিছেনে বৃদ্ধজনে আপোনাক আৰাধনা কৰি আছে। প্ৰভু, আপুনি সেই বৃদ্ধজনক কিয় চকু মেলি চোৱা নাই?" পাৰ্বতীৰ কথা শুনি মহাদেৱে বৃদ্ধজনৰ ওচৰলৈ গ'ল আৰু ক'লে, "হেৰা বৃদ্ধ। তুমি ভাবি থকাজন মই। কোৱা তোমাক কি বৰ লাগে। মই তোমাক এটা বৰহে দিম।" বুঢ়াজন বিপাঙত পৰিল আৰু মনতে ভাবিলে ল'ৰা-ছোৱালী বিচাৰিম, ডাঙৰ কৰিম কেনেকৈ? ধন-সম্পত্তি বিচাৰিম, খাব কোনে? এনেকৈ চিন্তা কৰি থাকোঁতে মহাদেৱে ক'লে, "তুমি আজি চিন্তা কৰা। কাইলৈ মই এই সময়ত আকৌ আহিম।" এইবুলি কৈ মহাদেৱ গুচি গ'ল। বুঢ়াই ঘৰলৈ গৈ বুঢ়ীক ক'লে, "হেৰ' বুঢ়ী, আজি মন্দিৰত মই মহাদেৱক লগ পাইছোঁ। মহাদেৱে মোক এটা বৰ দিম বুলি ক'লে।" বুঢ়ীয়ে বুঢ়াক গালি পাৰি ক'লে, "তোৰ মতিভ্ৰম হৈছে।" বুঢ়াই কথাটো ভাবি-চিন্তি ৰাস্তালৈ ওলাই গ'ল। সেই সময়ত দত্ত নামৰ আন এজন বুঢ়া আহিল। দত্ত বুঢ়াজনে ক'লে, "কি ভাবি আছা মোক কোৱা, মই তোমাক উপায় দিম।" বুঢ়াই সকলো কথা দত্ত বুঢ়াজনৰ আগত ক'লে। দত্ত বুঢ়াজনে এটা বুদ্ধি দিলে তুমি মহাদেৱক ক'বা— "দেখি-শুনি মাজু বোৱাৰীৰ হাতেৰে সোণৰ চামুচেৰে খাব বিচাৰোঁ।" দত্ত বুঢ়াই দিয়া বুদ্ধি মতে বুঢ়াই মহাদেৱক পিছদিনা তেনেকৈ ক'লে। কথাটো শুনি মহাদেৱ উচপ খাই উঠিল। মহাদেৱে বুঢ়াক 'তথাস্তু' বুলি কৈ গুচি গ'ল। তাৰ পাছত বুঢ়াই ঘৰলৈ গৈ মহাদেৱে দিয়া বৰ মতে সকলো পালে। বুঢ়া-বুঢ়ী মহা সুখেৰে থাকিল। ❖

# সেউজীয়া দেশৰ কাহিনী

■ প্ৰিয়ানশু কাশ্যপ বৰা
চতুৰ্থ শ্ৰেণী



এখন দেশত এজন ৰজা আছিল। তেওঁ প্ৰকৃতিৰ মনোমোহা ৰূপ বৰ ভাল পাইছিল। সেই দেশৰ ওচৰতে এখন সুন্দৰ দেশ আছিল। তাত কিন্তু মানুহ নাছিল। তাত কেৱল চৰাই-চিৰিকটি, জীৱ-জন্তু, গছ-গছনি, ফুল-পখিলা আদিহে আছিল।

এবাৰ ৰজাই মৃগয়া কৰিবলৈ গৈ সেই সেউজীয়া দেশখন পালেগৈ। তাৰে সুন্দৰ দৃশ্য দেখি ৰজাই বৰ আনন্দ পালে। তেওঁ দেখিলে সুন্দৰ সেউজীয়া গছেৰে ভৰা ঠাইখনত নানান চৰায়ে গীত গাই আছে, ৰং-বিৰঙী ফুলে ফুলে পখিলাবোৰে নাচি ফুৰিছে। ৰজাই ভাবিলে এনে সুন্দৰ পৰিবেশত সদায় থাকিব পৰা হ'লে বৰ ভাল হ'লহেঁতেন। ৰজাই কথাটো মন্ত্ৰীক ক'লে। মন্ত্ৰীয়ে ৰজাৰ কথাষাৰ শলাগিলে।

ৰজাই তেওঁৰ ৰাজকাৰেং সেই ঠাইত সাজিলে। লগতে তেওঁৰ চিপাহী-লগুৱাৰ দলো তাতে থাকিবলৈ ল'লে।

ৰজাই এতিয়া তালৈ সুন্দৰ দৃশ্য চাবলৈ যাব নালাগে। কিন্তু হ'লে কি হ'ব সেই ঠাইৰ চৰাইবোৰে দুখতে গান গাবলৈ এৰি দিলে, বিলৰ পাৰৰ ফুলনিখনত উৰি ফুৰা নানা ৰঙৰ পখিলাজাকো নাইকিয়া হ'ল।

ৰজাই মনত বৰ দুখ পালে। তেওঁ পুনৰ মন্ত্ৰীক কথাটো জনালে। মন্ত্ৰীয়ে ক'লে প্ৰকৃতিয়ে মানুহৰ সমাগমত দুখ পাইছে আৰু এই জীৱবোৰে দুখতে মন মাৰি আঁতৰলৈ গুচি গৈছে চাগে'। ৰজাই পুনৰ নিজ দেশলৈ ঘূৰি গ'ল। ঠাইখন পুনৰ আগৰ নিচিনা হ'ল।

বহুদিনৰ মূৰত ৰজা পুনৰ সেই ঠাইলৈ আহিল। ৰজাই সেই ৰূপ পুনৰ দেখা পালে। তেওঁ বৰ আনন্দিত হ'ল আৰু মন্ত্ৰীক ক'লে, "সেউজীয়া দেশ। ইয়াক এনেকৈয়ে থাকিবলৈ দিয়া।" ❖

# গুডগুডৰ ৰাতি

■ ৰিবৰিব মুনমী
চতুৰ্থ শ্ৰেণী



এখন ঘৰলৈ দুটা শহাপহু অনা হ'ল। এটাৰ নাম তুকতুক। তাই ছোৱালী শহা। আনটোৰ নাম গুডগুড। সি ল'ৰা শহা। সিহঁত দুটাৰ উপাধি মুনমী। নতুন ঘৰত কেইমাহমান থকাৰ পাছত সিহঁতৰ পোৱালি জন্ম হ'ল। প্ৰথম আৰু দ্বিতীয়বাৰৰ পোৱালিকেইটা মৰিল। তৃতীয়বাৰৰ পোৱালিকেইটা থাকিল। পাঁচটা পোৱালি হ'ল। তাৰে দুজনী ছোৱালী আৰু তিনিটা ল'ৰা হ'ল। আটাইতকৈ ডাঙৰজনীৰ নাম ইনি। তাৰ পাছৰটোৰ নাম ফিনি। তাৰ পাছৰটোৰ নাম তিনি। তিনিৰ তলৰটোৰ নাম বিনি। আটাইতকৈ সৰুজনীৰ নাম মিনি। মিনিৰ বাদে বাকী দাদাক-বায়েকৰ উপাধি মিনি আৰু তাইৰ উপাধি মুনমী। পাছৰ বছৰত সিহঁত আতাক-আইতাক হ'ল।

ইতিমধ্যে এঘাৰটা শহাপহু হৈছে। তুকতুকহঁতে প্ৰথমে আহোঁতে এটা নীলা বাহত আছিল। কিন্তু বেছি শহা এটা বাহত নধৰে বাবে সিহঁতৰ কাৰণে এটা নতুন ঘৰ বনোৱা হ'ল। কিন্তু সেই ঘৰটোতো নধৰা হোৱাত এটা দুমহলীয়া ঘৰ বনোৱা হ'ল। কিন্তু শেষত সেই ঘৰটোৰ লগতে এটা নীলা ঘৰো ব্যৱহাৰ কৰিবলগীয়া হ'ল। নীলা ঘৰটোত গুডগুড থাকে। ডাঙৰ ঘৰটোৰ চাৰিটা ৰুমত বাকী দহটা শহা থাকে।

এদিনৰ কথা।

গুডগুডহঁতে তিতি পেহী বুলি মতা তিতি পেহীয়ে গুডগুডৰ ঘৰটো চাফা কৰি গুডগুডক সুমুৱাই থ'ব খুজিলে। কিন্তু গুডগুড বৰ দুষ্ট। সি নোসোমায়। ৰাতিৰ ভাত খাই তিতি পেহীয়ে আকৌ চেষ্টা কৰিলে। শেষত তিতি পেহীয়ে তাক নুসুমোৱাকৈয়ে শুই থাকিল। গুডগুডে ৰাতিটো মানুহৰ কোঠা এটাতে কটালে। সি ভোকৰ কথাও পাহৰি গ'ল। সি ভাবিলে আজি কি মজা ! বাকী শহাবোৰ বন্দী হ'লেও মই কিন্তু ঘূৰি থাকিব পাৰিম। "হাই তিতি পেহী। মোৰ চিন্তা নকৰিবি। আমাৰ খাদ্য চাপৰ আৰু পানী নাথাকিলে কি হ'ল ! মই খাটৰ তলৰ লেতেৰা বস্তু হ'লেও খাম। এৰাতিৰ কাৰণেহে। পেট নষ্ট নহয়। মই এনেইও বহুত শক্তিশালী। তহঁতে যেনেকৈ পাপৰ আদি খাই ভাল লগা কিন্তু স্বাস্থ্যৰ কাৰণে বেয়া বস্তু খাৱ, ঠিক তেনেকৈ আমাৰো কিছুমান খাদ্য থাকে যিবোৰ খাই ভাল লাগে কিন্তু স্বাস্থ্যৰ কাৰণে বেয়া। তুকতুক বা হাজাৰ ভাল হ'লেও তায়ো এইবোৰ কেতিয়াবা খায় আৰু আমাৰ মৰম লগা পোৱালিবোৰকো সেইবোৰ খাবলৈ শিক্ষা দিয়াত সিহঁতেও এইবিলাক বস্তু খায়। মই নিজে এইবিলাক খালেও কিন্তু তিতি পেহী, বয়সত ডাঙৰেই হওক বা মোৰ সমানেই হওক নাইবা মোতকৈ সৰুৱেই

হওক, মই কিন্তু কাকো এইবিলাক খাবলৈ শিক্ষা নিদিওঁ।” গুডগুডে বৰ কষ্টেৰে তিতি পেহীক কথাবোৰ বুজাবলৈ চেষ্টা কৰিলে। কিন্তু তিতি পেহী যে ইতিমধ্যে টোপনিত লালকাল সেই কথাটো সি গমেই নাপায়। নহ'লেনো আৰু সি কথা কৈ থাকেনে !

তুকতুকহঁতৰ ফালে আকৌ এটা বেলেগ ঘটনা। তলৰ দুটা কোঠালিৰ এটাত তুকতুক আৰু তাইৰ পোৱালিকেইটা আৰু আনটোত ইনি আৰু তাইৰ পোৱালিকেইটাক থৈছিল। মাজত এখন নেট আছিল। সেই নেটখন সিহঁতে কামুৰি কামুৰি ছিঙি পেলালে। গতিকে সিহঁতৰ কোন ক'ত যায় একো ঠিক নোহোৱা হৈছে। তিতি পেহীয়ে এখন বেৰ দিলে যদিও সিহঁতে গুচাব পাৰে। ইনি এতিয়া মাক। তুকতুক আগৰ পৰাই মাক। এতিয়া এটা কোঠাত মাক দুজনী আনটো কোঠাত ইনিৰ পোৱালি আৰু তুকতুকৰ নতুন পোৱালি সোমাই থাকে।

তুকতুকৰ পোৱালি তুলতুলিয়ে ইনিৰ পোৱালি কৃষ্টেলক ক'লে, “কৃষ্টেল ভাগিনী, কৃষ্টেল ভাগিনী, মোৰ পাপৰ খাবলৈ মন যায়।” সিহঁতৰ পাপৰ মানে খাটৰ তলৰ লেতেৰা বস্তু। কৃষ্টেলে ক'লে, “তুলতুলি মাহী, মোৰো পাপৰ খাবলৈ মন যায়। আমি কোনোদিনে পাপৰ খায়ে পোৱা নাই। মা আৰু তুকতুক আইতাই ঠিকে খায় সেইবোৰ। কিন্তু আমাক খাবলৈ নিদিয়ে। গুডগুড আতায়ে ভাল। আমাক সেইবোৰ খাবলৈ দিয়ে। কিন্তু আইতাইহে আতাক বেয়া পায়।”

তুলতুলিয়ে ক'লে, “কৃষ্টেল ভাগিনী, ইনি বায়েও বাপাক বেয়া পায় যেন পাইছোঁ।” বাপাক মানে দেউতাক। আচলতে তুকতুকে পাপৰ খাবলৈ সিহঁতক মানায়ে কৰে। গুডগুডেহে খাবলৈ দিয়ে। গুডগুডে তেতিয়া তিতি পেহীক কথাটো উল্টা কৰি কৈছিল। সি ভাবিছিল যে তিতি পেহীৰ যিহেতু মোৰ ওপৰত খং উঠি আছে, গতিকে মই তিতি পেহীক মিছা কথা ক'লেহে তিতি পেহীয়ে মোক মৰম কৰিব। পোৱালিবোৰে গম নাপালে যে তুকতুকে সিহঁতৰ ভালৰ কাৰণেই সেইবোৰ খাবলৈ মানা কৰে। কিন্তু তুকতুকহঁতেও যেনেকৈ ডাঙৰ হওঁতেহে সেইবোৰ কথা বুজি পাইছিল ঠিক তেনেকৈয়ে তুলতুলিহঁতেও ডাঙৰ হ'লে সেইবোৰ কথা বুজি পাব আৰু নিজৰ পোৱালিবোৰকো সেইবোৰ কথা শিকাব পাৰিব।

ৰাতিপুৱা গুডগুডৰ ফালৰ ঘটনা। ন বাজিছে। গুডগুড সাৰ পাইছে। গুডগুডৰ ঠাইখিনি অচিনাকি যেন লাগিছে। তাৰ পাছত তাৰ আগদিনাৰ কথাবোৰ মনত পৰিল। সি ভাবিলে—“ওচৰৰ ৰুমতে তিতি পেহী থাকে। মোৰ ওপৰত কিজানি পেহীৰ বৰ খং উঠি আছে। মোক আগৰ পৰাই বৰ খং কৰি থাকে। কালি মোক সুমুৱাবলৈ তিতি পেহীৰ লগতে বইতা পেহী আৰু আইতাইও চেষ্টা কৰিছিল। লগতে মোক ৰিবৰিব বায়েও বৰ মৰমেৰে বুজাইছিল। কিন্তু মই নিজৰ ঘৰত নগৈ মানুহৰ ঘৰতেই থাকিলোঁ। বেলেগে বেয়া পালেও পাওক। কিন্তু ৰিবৰিব বায়ে যদি বেয়া পায় মোৰ বৰ দুখ লাগিব। গতিকে মই খাটৰ তলৰ পৰা ওলাই যাওঁ।”

এইবুলি সি খাটৰ তলৰ পৰা ওলাই আহিল। তিতি পেহীয়েও তাক নিবলৈ আহিছে। তিতি পেহীয়ে তাক কোলাত লৈ তাৰ ঘৰত সুমুৱাই থ'লে। গুডগুডে ভাবিলে, “ৰাতিটো মই পাপৰ খায়েই কটালোঁ। এতিয়া মই অলপমান মদাৰৰ পাতৰ দৰে স্বাস্থ্যৰ কাৰণে ভাল খাদ্য খাওঁ যাতে মোৰ বেমাৰ নহয়। পানীতো খোৱাই নাই।” ❖

# এজন টুপী বেপাৰী

■ তন্ময় ছেত্ৰী
পঞ্চম শ্ৰেণী



বহুদিনৰ আগৰ কথা। এজন টুপী বেপাৰী আছিল। তেওঁৰ নাম আছিল ৰতন। তেওঁ বৰ বুধিয়ক আছিল। তেওঁ বালিগাঁও নামৰ গাঁও এখনত বাস কৰিছিল। এদিন তেওঁ টুপী বিক্ৰী কৰিবলৈ আন এখন গাঁৱলৈ যাবলৈ ওলাল। সেই গাঁৱৰ নাম আছিল হলৌপাৰা। বালিগাঁৱৰ পৰা হলৌপাৰালৈ যাবলৈ তিনি ঘণ্টা সময় লাগে আৰু তাৰ মাজতে এখন বিশাল অৰণ্য। সেই অৰণ্য বহুতো গছ-গছনি আৰু জীৱ-জন্তুৰে ভৰা। যেনে বাঘ, ভালুক, শিয়াল, বান্দৰ আৰু চৰাই-চিৰিকটি। ৰতনে হলৌপাৰালৈ আজি প্ৰথমবাৰ যাব। তেওঁ অৰণ্যৰ মাজেৰে গৈ গৈ হলৌপাৰা পালে। তাতে তেওঁ টুপী বিক্ৰী কৰাত ইমান মগ্ন হ'ল যে তেওঁ গমকে নাপালে যে কেতিয়া তিনি বাজি গ'ল। তেওঁ নিজকে নিজে ক'লে, "হে প্ৰভু ! মই এতিয়া এই বিশাল অৰণ্যৰ মাজেৰে কেনেকৈ যাব পাৰিম?" তাৰ পাছত তেওঁ ঘৰলৈ যাবলৈ ওলাল। মাজ অৰণ্যত তেওঁৰ গভীৰ টোপনি আহিল। তেওঁ সাৰ পোৱালৈ আন্ধাৰ হওঁ হওঁ। তেওঁ যেতিয়া সাৰ পালে তেতিয়া দেখিলে যে তেওঁৰ চাৰিটামান টুপীৰে ভৰা পাচিটো নাই। তেওঁ অলপ আগত আহি দেখিলে যে তেওঁৰ পাচিৰ পৰা টুপীবোৰ লৈ তিনি-চাৰিটামান বান্দৰে পিন্ধি আছে। তাৰ পাছত তেওঁ বান্দৰবোৰক ক'লে, "অ' বান্দৰ ! মোৰ টুপীবোৰ দিয়ানা।" বান্দৰবোৰে ক'লে, "কিয় দিম? এইবোৰ আমাৰ টুপী।" ৰতনে এতিয়া কি কৰিব? তেওঁ প্ৰথমে বান্দৰবিলাকক মাটিৰ পৰা শিল বুটলি মাৰিলে। তেতিয়া বান্দৰবোৰে তেওঁক দেখি গছত লাগি থকা আমবোৰ ৰতনৰ গালৈ দলিয়ালে। এইবাৰ ৰতনে বহু সময় ভাবি এটা উপায় উলিয়ালে। তেওঁ নিজে পিন্ধি থকা টুপীটো মাটিলৈ দলিয়ালে। তাকে দেখি বান্দৰবোৰে পিন্ধি থকা টুপীবোৰো মাটিত পেলাই দিলে। ৰতনে তৎক্ষণাৎ টুপীবোৰ বুটলি পাচিত ভৰাই ঘৰলৈ দৌৰ মাৰিলে।

ইয়াৰ পৰা আমি বুজিলোঁ যে আমি অলপ সময় শান্ত মনেৰে ভাবিলে কঠিন কামৰো উপায় উলিয়াব পাৰোঁ। ❖

# ঘৰচিৰিকাৰ দুখ

■ অন্তৰীপ ডেকা
পঞ্চম শ্ৰেণী

অ’ ঘৰচিৰিকা, অ’ ঘৰচিৰিকা,
তোমাৰনো আজি কিয়
ইমান দুখ !
লাগেৰ পিছত দৌৰি দৌৰি,
তোমালোক মানুহবোৰৰনো
কেতিয়া হ’ব সুখ?...



মই এদিন ৰাতি ভাত খাই উঠি এনেয়ে পদূলিমুখলৈ ওলাই আহিছিলোঁ। সন্মুখতে থকা বিজুলী তাঁৰৰ খুঁটাটোত জ্বলি থকা লেম্পটোৰ পোহৰত দুটা নিশকতীয়া অতি দুৰ্বল দেহৰ ঘৰচিৰিকাই পথত পৰি থকা সিহঁতৰ খাদ্য বিচাৰি ইফাল-সিফালকৈ ঘূৰি থকা দেখিলোঁ। পলম নকৰি ঘৰলৈ উলটি আহি চাউল এমুঠি নি ছটিয়াই দিয়াত সিহঁত বৰ ব্যাকুল হৈ এটি এটিকৈ চাউল খোৱাত লাগিল। ইয়াৰ আগতে মই ৰাতিৰ পৃথিৱীত ঘৰচিৰিকা দেখা মোৰ মনত নপৰে। হায় ! চকুৰ আগতে দাৰিদ্ৰ্যৰ কেনে শোকবিহ্বল কৰুণ দৃশ্য... সিহঁতে পেট ভৰাই খোৱাত নিমগ্ন, মোলৈ কোনো ভ্ৰূক্ষেপ নাই। সিহঁতৰ পূৰ্বৰ বাসস্থানৰ অভাৱ। চাৰিওফালে খেৰীঘৰ উঠি গ’ল, টিনপাত আৰু পকীঘৰে ঘেৰি ধৰিছে, খেতিপথাৰৰ ঠাইত মানুহৰ সমুদ্ৰই আবৰি ধৰিলে, খাদ্য-বাসস্থানৰ অভাৱত এই নিমাখিত প্ৰাণীবোৰৰ যন্ত্ৰণাকাতৰ জীৱন, মোৰ এই সৰল মনৰ অভিব্যক্তিবোৰ সিহঁতক কিদৰে বুজাওঁ, সিহঁত কিন্তু খোৱাত নিমগ্ন। মই থিয় হৈয়ে থাকিলোঁ—পেট ভৰাত এসময়ত সিহঁত দুৰ্বল ডেউকা দুখনেৰে উৰা মাৰিলে, যাওঁতে যেন মোক চিঁ-চিঁয়াই কৈ গ’ল— “আমি ইয়াত নাথাকোঁ, আমাৰ ঘৰ ‘কামাখ্যা জংছন’ৰ সমীপত, তালৈ গ’লে গোটেই পৰিয়ালটোকে আবেলি দেখিবা। আজিৰ বাবে অশেষ ধন্যবাদ।” ❖

# হাঁহ চিকাৰত লটি-ঘটি

■ গহনা চক্রৱর্তী
ষষ্ঠ শ্রেণী

(১)

মেট্রিক পৰীক্ষা শেষ হৈছেহি। এতিয়া আজৰিয়েই আজৰি। হাতত বহু সময়। গাঁৱলৈ গৈ খুব ভাল পাওঁ। মুকলি পথাৰত দৌৰা, ৰবাব টেঙাৰে ফুটবল খেলা, সন্ধিয়া পথাৰত জোঁৰ চাবলৈ যোৱাৰ মজাই বেলেগ। সেয়েহে মা-দেউতাৰ অনুমতি লৈ গাঁৱলৈ ৰাওনা হ'লোঁ।



(২)

আমাৰ গাঁৱৰ ঘৰখন বৰ বিতোপন। আগচোতাল আৰু পিছচোতালৰ সৈতে দুখন চোতাল, এখন মস্ত বাৰী। তাত যে কি কি গছ নাই ! বাৰীত আছে এটা পুখুৰী, পুখুৰী পাৰ হৈ পায় এখন বিশাল পথাৰ। অইনদিনা পথাৰত দৌৰোঁ, পুখুৰীত বৰশীৰে মাছ টুপিয়াওঁ আৰু যে কত কি কৰোঁ ! পিছে আজি এইবোৰ একোৰেই নহ'ল। কিয়নো বাহিৰত এজাক বৰষুণ দি আছিল। আগপিনৰ বাৰাণ্ডাত খুৰাৰ ল'ৰা মিতুৰ সৈতে বহি বৰষুণজাকলৈ চাই আছিলোঁ। বৰষুণৰ পানীবোৰ টুপটুপকৈ চোতালত পৰিছিল। ভিজা মাটিৰ পৰা এটা ধুনীয়া গোন্ধো ওলাইছিল।

(৩)

হঠাতে দেখিলোঁ আমাৰ চোতালেৰে কেইটিমান হাঁহ বৰষুণৰ পানী ঘোদালি ঘোদালি শাৰী পাতি বাৰীৰ ফালে যাবলৈ ধৰিছে। কাৰ হাঁহ নাজানো। ওচৰ-চুবুৰীয়াৰে হ'ব চাগে'। তৎক্ষণাৎ মোৰ মনত এটা বুদ্ধি খেলালে। মিতুক ক'লোঁ, "ঐ মিতু ব'ল। আজি আমি হাঁহ চিকাৰ কৰিম।" সি মোক ক'লে, "দাদা, কামটো ভাল নহ'ব। দেউতাই গম পালে সাংঘাতিক ঘটনা হ'ব।"

"একো নহয় আহ। খুৰা ঘৰত নাই নহয়। গম নাপায়।" এইবুলি তাক টানি আনিলোঁ। ধৰিব যোৱা যেন গম পাই হাঁহকেইটাই ইফালে-সিফালে দৌৰিবলৈ ধৰিলে। মিতুক আগচিবলৈ ক'লোঁ। পিছে হাঁহকেইটা তাৰ ভৰিৰ তলেৰেই পলাই পত্ৰং দিলে। তাৰে এটা হাঁহ চকোৱাৰ বেৰখনৰ তলেৰেই সৰকিব ধৰোঁতে ডিঙিটোত থাপ মাৰি ধৰিলোঁগৈ। হাঁহবোৰে ভয় খালে বৰ চিঞৰে নহয়। হাঁহৰ ঠোঁটটো ৰছীৰে বান্ধি ভিতৰলৈ নি পাচি এটাৰে ঢাকি থৈ দিলোঁ।

(৪)

লাহে লাহে আবেলি হ'ল। বেলিৰ হেঙুলী কিৰণ

আমাৰ চোতালত পৰিছিল। ঘৰৰ পুৰণি লগুৱা ৰামু কাইক মাতি আনি হাঁহটো কুটা-বছা কৰি দিবলৈ খাটনি ধৰিলোঁ। বাৰীৰ পিনলৈ যোৱা ৰাস্তাটোতে ৰামু কাইয়ে হাঁহটো বাছিলে, কাটিলে। এতিয়া ৰান্ধিব কোনে? খুৰীকে ক'লোঁ ৰান্ধিবলৈ। খুৰী পিছে সন্মত হোৱা নাছিল। কিন্তু আমি খুৰীক কুতুৰি কুতুৰি মান্তি কৰালোঁ। আমাৰ নেৰানেপেৰা অনুৰোধ পেলাব নোৱাৰি খুৰীয়ে ৰান্ধিম বুলি ক'লে।


পাকঘৰত হাঁহৰ জোল উতলিব ধৰিছিল। আমিও গোন্ধতে মতলীয়া হৈছিলোঁ। হেন সময়তে আহি পালে খুৰা। বাৰীলৈ হাত-ভৰি ধুবলৈ গ'ল। বাৰীৰ পৰা উভতি আহি খুৰাচোন পাকঘৰলৈ গ'ল আৰু সুধিলে, "কি ৰান্ধি আছা এইবোৰ? মাংস ক'ত পালা? বাৰীৰফালে দুটামান হাঁহৰ পাখিও পৰি থকা দেখিলোঁচোন।" খুৰাৰ ভয়ত খুৰীয়ে সকলো কথা কৈ সৈ কাঢ়িলে। "তুমি ইহঁতৰ কথা শুনিব নালাগিছিল। তুমি বৰ ভুল কাম কৰিলা। এতিয়াই এই গোটেইবোৰ বাৰীত মই পেলাই থৈ আহিমগৈ। চোৰাং মাংস মোৰ ঘৰত কোনেও খাব নোৱাৰে।" এইবুলি কৈ খুৰাই মাংস বহোৱা চৰুটো দাঙি নি বাৰীত পেলাই থৈ আহিলগৈ।

(৫)

গহীন-গম্ভীৰ খোজেৰে খুৰা আমাৰ ওচৰ পালেহি আৰু আমাক সুধিলে, "গীতু আৰু মিতু, তোমালোকে হাঁহ চুৰ কৰিছা?" আমি ভয়তে একো নামাতি তলমূৰ কৰি থাকিলোঁ। খুৰাই আমাক ভীষণ গালি দিলে। য'তে বাঘৰ ভয় ত'তে ৰাতি হয়। হাঁহৰ মাংসৰে কলপাতত ভাত এসাঁজ খাম বুলি বাৰীৰ পিছপিনলৈ কলপাত কাটিবলৈ গৈছিলোঁ। ছুৰীখন হাততে আছিল। খুৰাৰ ভয়ত ছুৰীখন খপজপকৈ পেণ্টৰ পকেটত থৈ দিলোঁ। মোৰ পকেটখন আছিল ফুটা। সেই ফুটাৰে ছুৰীখন খুৰাৰ সমুখতে সৰি পৰিল। ছুৰীখন দেখি খুৰাই আৰু গালি দিলে। "ই ডকাইত ওলাইছে ডকাইত। পেণ্টৰ পকেটত ডেগাৰ লৈ ফুৰে।"

(৬)

সেইদিনা ৰাতি কাৰোৰে আৰু ভাত খোৱা নহ'ল। কেৱল ৰামুকাইকহে মাতি আনি খুৰীয়ে ভাতসাঁজ দিলে। বাকী সকলো লঘোনেই থাকিল। বেচেৰী হাঁহজনীক এনেই মাৰিলোঁ। আজিৰ পৰা এনে কাম নকৰোঁ বুলি ময়ো কাণত ধৰি শপত খালোঁ। ❖



**অনুৰাগ দাস,** অংকুৰ শ্ৰেণী



**আনিছা বৈশ্য,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ৰুমী আৰু তাইৰ শহাপহু

■ **প্ৰাঞ্জনা গোস্বামী**
ষষ্ঠ শ্ৰেণী



যোৱা কেইদিনমানৰ পৰা ৰুমীৰ মনত বৰ আনন্দ। তাইৰ হাঁহি থকা মুখখন আৰু তাইৰ ব্যস্ততা দেখি মাক-দেউতাক, ককাক-আইতাকো আনন্দিত। কিন্তু কেইদিনমান আগলৈ ৰুমীৰ মনটো বৰ বেয়া হৈ আছিল। ক'ৰোনা মহামাৰীৰ কাৰণে সিহঁতৰ বিদ্যালয় আকৌ বন্ধ কৰি দিয়া হৈছে। সকলোৰেই ঘৰতে থাকিবলগীয়া হৈছে। মাজতে কিছুদিন সকলো ঠিক হৈছিল। সিহঁতৰ বিদ্যালয়ো খুলিছিল। এদিন এৰি এদিন সিহঁত বিদ্যালয়লৈ যাব পাৰিছিল। কিন্তু আকৌ সকলো বন্ধ হৈ গ'ল। সিহঁতে বন্ধু-বান্ধৱীসকলক আকৌ লগ নোপোৱা হ'ল। ষষ্ঠ শ্ৰেণীৰ শ্ৰেণীকোঠাত ভালদৰে ক্লাছ কৰিবও নাপালে। আগৰবাৰৰ দৰে ঘৰতে অনলাইন ক্লাছ কৰিবলগীয়া হ'ল। ছাৰ-বাইদেউহঁতে প্ৰতিদিনে দুটাকৈ বিষয় পঢ়ুৱাবলৈ আৰম্ভ কৰিলে। তাই অনলাইন ক্লাছত কথাবোৰ বুজি পায়, কিন্তু ছাৰ-বাইদেউৰ সন্মুখত, সকলোৰে লগত পঢ়িহে ভাল পায়।

ৰুমীয়ে প্ৰত্যেকদিনেই ক্লাছ কৰে। কিন্তু তাৰ পাছতহে দিনটোৰ আজৰি সময়ত কি কৰিব ভাবি নাপায়। কেতিয়াবা টিভি চাই, কেতিয়াবা ম'বাইল চাই, কেতিয়াবা কিতাপ পঢ়ি বা ছবি আঁকি সময় পাৰ কৰে। কিন্তু খেলিবলৈ মন গ'লেও তাই কাকো যে লগ নাপায় ! সেয়েহে তাইৰ মাজে মাজে বৰ আমনি লাগে। মাকহঁতেও বেছি সময় টিভি, ম'বাইল চাবলৈ মানা কৰে। কি কৰিলে ভাল লাগিব তাই নিজেও বুজি নাপায়। তাইৰ মনৰ অৱস্থা দেখি মাকহঁতে কি কৰা ভাল হ'ব ভাবিবলৈ ধৰিলে।

দুদিনমান পাছতে তাইৰ জন্মদিন আছিল। ৰাতিপুৱাই বিছনাৰ পৰা নামিয়েই তাই ধুনীয়া গুলপীয়া ৰঙৰ বাকচ এটা দেখিলে। তাই বাকচটোৰ কাষ চাপি গ'ল। মাক-দেউতাক, ককাক-আইতাকো তাইৰ ওচৰলৈ আহিল। বাকচটো খুলিয়েই তাই আচৰিত হৈ গ'ল। তাত দুটা বগা ধুনীয়া শহাপহু আছিল। মনৰ আনন্দত তাই হাঁহিবলৈ ধৰিলে। মাকহঁতে মৰম কৰি শুভেচ্ছা জনাই ক'লে সেয়া তাইৰ জন্মদিনৰ উপহাৰ। ককাকে ক'লে যে তাই যাতে খেলিব পাৰে তাৰ বাবেই দেউতাকে শহাপহু দুটা উপহাৰ দিছে।

ৰুমীৰ সেইদিনাৰ পৰাই বৰ আনন্দ। তাই পঢ়াৰ পাছত আজৰি সময় পালেই শহাপহু দুটাৰ লগত খেলে, মৰম কৰে। তাইৰ মুখত হাঁহি দেখি মাকহঁতো আনন্দিত হয়। এতিয়া আজৰি সময়ত খেলিবলৈ লগ বিচাৰি তাই দুখ নকৰা হ'ল। ❖

# পখীৰ আইতাক

■ কমলিকা শৰ্মা
সপ্তম শ্ৰেণী



ৰাতিপুৰাৰ মিঠা ৰ'দজাক পখীৰ চকুত পৰাত তাই টোপনিৰ পৰা সাৰ পাই গ'ল। তাই ঘড়ীটোলৈ চাই দেখিলে প্ৰায় ৬-৩০ বাজিছে। তাই বিছনাৰ পৰা উঠি মুখখন ধুই পঢ়া টেবুলত বহিলে যদিও তাইৰ পঢ়াত মন নবহিল। প্ৰায় ৭-৩০ বজাত তাই গা ধুবলৈ গ'ল। তাৰ পাছত তাই ভাত-পানী খাই বিদ্যালয়লৈ যাবলৈ সাজু হ'ল। দেউতাকে তাইক বিদ্যালয়ত থৈ আহিল। ২-৪৫ বজাত সিহঁতৰ বিদ্যালয় ছুটী হ'ল। বিদ্যালয়ৰ পৰা তাই অকলে ঘৰলৈ আহে। ঘৰলৈ অহাৰ বাটত তাই ৰাস্তাত এগৰাকী বৃদ্ধা মহিলা দেখা পালে। তেওঁক বৰ দুৰ্বল যেন লাগিছিল। পখীয়ে তেওঁক নিজৰ ঘৰলৈ লৈ গ'ল। ঘৰলৈ গৈ তাই মাকক ক'লে যে আইতাগৰাকীয়ে ৰাস্তাত ভিক্ষা মাগি আছিল, তেওঁক দুৰ্বল যেন লগাত ঘৰলৈ লৈ আহিল। মাক-দেউতাকেও তাইৰ এই কামত সন্মতি জনালে। এতিয়া সেই বৃদ্ধা মহিলাগৰাকী পখীহঁতৰ লগত একেলগে থাকে। পখীৰ যিহেতু নিজৰ ককাক-আইতাক নাছিল গতিকে তেওঁ থকাৰ বাবে তাই বৰ ভাল পালে আৰু পখীয়ে তেওঁক আইতা বুলি মাতিবলৈ ল'লে।

এদিন পখীয়ে আইতাকৰ লগত কথা পাতি আছিল। পখীয়ে তেওঁক সুধিলে যে তেওঁৰ নিজৰ ঘৰ আছেনে? তেতিয়া মহিলাগৰাকীয়ে ক'বলৈ ধৰিলে যে তেওঁৰো নিজৰ এখন ঘৰ আছিল। কিন্তু এদিন বানপানীয়ে তেওঁৰ মৰমৰ ঘৰখন ধ্বংস কৰি পেলালে। পৰিয়ালৰ সকলোকে বানপানীয়ে উটুৱাই লৈ গ'ল। কেৱল তেওঁ বাচি থাকিল। কথাখিনি কৈ তেওঁ কান্দিলে। পখীয়ে তেওঁক সান্ত্বনা দি ক'লে, "আইতা, তুমি নাকান্দিবা। আমি আছোঁ নহয়।"

ইয়াৰ পাছত সকলো ঠিকে চলি আছিল। কিন্তু এদিন তেওঁ ঢুকাই থাকিল। তেওঁৰ মৃত্যুত আনে কি হেৰুৱালে নাজানো, কিন্তু পখীয়ে তাইৰ মৰমৰ আইতাকক হেৰুৱালে...। ❖

# ৰূপমৰ অনুভৱ

■ জ্যোতিষ্মান চৌধুৰী
পঞ্চম শ্ৰেণী



"মা, মোক টাৱেলখন দিয়া।" ৰূপমে মাকক বাথৰুমৰ পৰাই চিঞৰিলে। মাকে লৰালৰিকৈ টাৱেলখন দি তাক ক'লে, "মূৰটো ভালদৰে মচিবা, নহ'লে চৰ্দি লাগিব।" সি মূৰটো মচি টাৱেলখন কঁকালত মেৰিয়াই বাথৰুমৰ পৰা ওলাই আহিল। ৰুমলৈ গৈ আলনাৰ পৰা স্কুলৰ পেণ্টটো পিন্ধি ভাতকেইটা খালে। তাৰ পাছত ৰূপমে ক'লে, "মা, মোৰ পেটটো বৰ বেয়া লাগিছে।" মাকে ক'লে, "সোনকালে বাথৰুমলৈ যোৱা, নহ'লে স্কুললৈ দেৰি হ'ব।" ৰূপমে একেদৌৰে বাথৰুমত সোমাল। ৰূপমে বহু দেৰি কৰাত মাকে দুবাৰমান দুৱাৰত খটখটাই ক'লে, "লৰালৰি কৰা, নহ'লে স্কুললৈ দেৰি হ'ব, ৰূপম।" ৰূপমে আৰু ক'ত লৰালৰি কৰে, তাৰ এইবোৰ বাহানাহে। কিবাকৈ স্কুললৈ যোৱাৰ সময়টো পাৰ হ'লেই ৰক্ষা। কাৰণ তাৰ আজিও স্কুললৈ যাবৰ মন নাই। মাকে আকৌ এবাৰ দুৱাৰত ঢকিয়াই ক'লে, "খৰধৰ কৰা, ৰূপম।" ভিতৰৰ পৰা ৰূপমে একো নোকোৱাত মাকে বুজিলে যে সি আজিও স্কুললৈ নাযায়। যোৱা সপ্তাহটোত সি চাৰিদিন স্কুললৈ যোৱা নাই। ৰূপমক মাতি মাতি মাকৰ মনটো বৰ বেয়া লাগিল। অৱশেষত নিজেই ৰূপমক এৰি ভায়েকক লৈ স্কুললৈ ওলাল। ৰূপমৰ ভায়েকৰ ৫ বছৰ হৈছে। তাৰ নাম পিণ্টু, সিও সেই একেখন স্কুলতে পঢ়ে। সি সদায় ৰূপমতকৈ আগতেই শুই উঠি পঢ়ে আৰু সদায় স্কুললৈ যায়। আজিও যেতিয়া ৰূপমে স্কুললৈ নগ'ল, মাক-দেউতাকৰ মনটো বৰ বেয়া লাগিল। এইফালে ঘৰতে থাকি ৰূপমে দিনৰ দিনটো ককাক-আইতাকক আমনি দিলে আৰু বহুত সময় টিভি চালে। যেতিয়া তাৰ মাক আৰু ভায়েক স্কুলৰ পৰা ঘূৰি আহিল, তেতিয়া তাৰ নিজকে দোষী দোষী লাগিল। আজিৰ দিনটো সি অবাবতে নষ্ট কৰিলে। সি বুজিলে যে স্কুললৈ বিনাকাৰণত নগৈ কিমান বেয়া কাম কৰিছে। এনেয়ে সি দিনত নোশোৱে, কিন্তু আজি সি মাকৰ লগত শুলে আৰু সন্ধিয়া স্কুলৰ বাইদেৱে ফ'ন কৰি স্কুল খতি কৰা যে বেয়া সেই বিষয়ে বুজালে। স্কুল খতি কৰা বাবে আজি তাৰ বৰ দুখ লাগিল। সি মনে মনে ভাবিলে আজিৰ পৰা মই স্কুল খতি নকৰোঁ আৰু সদায় ভালদৰে পঢ়িম। সেইদিনা সি দেউতাকৰ লগত গণিত কৰিলে। তাৰ পাছত অলপ সময় ভায়েকৰ লগত খেলি ভাত খাই সি শুই থাকিল। পাছদিনা পুৱাতে উঠি সি মুখ-হাত ধুই পঢ়িলে আৰু স্কুললৈ গ'ল আৰু সেইদিনা হোৱা শ্ৰেণী পৰীক্ষাত সি ১০ৰ ভিতৰত ১০ নম্বৰ পালে। তাৰ পৰীক্ষাৰ ফলাফল দেখি শিক্ষক, মাক-দেউতাক, ককাক-আইতাকে তাক বৰ মৰম কৰিলে। ৰূপমে নিজৰ বদ্ অভ্যাসবোৰ এৰিবলৈ মন স্থিৰ কৰিলে। ❖

# ম’বাইল

■ মেধাজ্যোতি নাথ
ষষ্ঠ শ্ৰেণী

ধিচিও-ধিচিও ! ধি-চ-চ-চ ! ধি-চ !

মননে ম’বাইল লৈ গেম খেলি আছে। এই বোলে কিবা Pubg, Freefire ! এবাৰত আকৌ Temple run, Talking Tom ! কি-যে গেম নাই ম’বাইলত ! একেবাৰে মাকৰ ম’বাইলটো বেয়া কৰি দিছে। প্ৰথম ম’বাইলটোতো বেয়া কৰিলেই, দ্বিতীয়টোও বেয়া কৰিব এতিয়া। মাকে কত বুজালে, কিমান গালি পাৰিলে। নাই, একো লাভ নাই। বৰং তাৰহে খং উঠে। গেম খেলা, গালি খোৱাটো তাৰ নিত্যনৈমিত্তিক ঘটনাত পৰিণত হৈছে।



গণিতৰ পৰীক্ষাৰ আগদিনাও মননে ম’বাইলত গেম খেলাত ব্যস্ত। মাকে তাক বহুপৰ লক্ষ্য কৰি আছিল, অৱশেষত তেওঁৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গ’ল। তেওঁ খঙতে একো নাই হৈ মননৰ ওচৰলৈ আহি ম’বাইলটো তাৰ হাতৰ পৰা থাপ মাৰি ল’লে আৰু তাক গালি পাৰিবলৈ ধৰিলে—“অই জোন। দেউতাৰে ম’বাইলটো তোক কিনি দিছে নে মোক? মই দেখোন চুবই নাপাওঁ আৰু চুলেও দেখোন চাৰ্জ নাথাকে। বাৰু ৰ’চোন। তোৰ গণিতৰ পৰীক্ষা কেতিয়ালৈ? পঢ়িলি নে নাই?” কিন্তু অসমীয়াত যে এষাৰ কথা আছে—গৰুৰ আগত টোকাৰী বায়, শিং জোকাৰি ঘাঁহ খায়—তেনেকৈ মননক বুজাওঁতে সি মাকৰ কথালৈ কাণসাৰ নকৰিলে আৰু সিহে ওলোটাই মাকক গালি পাৰিলে—“ধেই ! তুমি কিনো অনবৰতে পেক্‌পেকাই থাকা, পঢ়িবৰ হ’লে পঢ়িম নহয়। আৰু মই কিমান সময়নো গেম খেলিলোঁ? ধেই কিবা ! তোমাৰ কাৰণে হাৰি থাকিলোঁ। যোৱা, এতিয়া পেক্‌পেকাই নাথাকিবা।”

মননৰ কটু বাক্য শুনি মাকৰ ইমান বেয়া লাগিল, যিমান বেয়া মননে চাৰি ঘণ্টা ধৰি পঢ়া-শুনা বাদ দি পৰীক্ষাৰ বাবে পঢ়িবলৈ দিয়া বন্ধত গেম খেলি থকাৰ বাবেও লগা নাছিল। মাকে আৰু তাক একো নক’লে। চাদৰৰ আঁচলেৰে চকুপানী মচি মচি পাকঘৰ পালেগৈ।

সন্ধিয়া ৭-৩০ বাজিল। মননে এতিয়াও ম’বাইলৰ পৰা মূৰ দঙা নাই। ইফালে পিছদিনা তাৰ গণিতৰ পৰীক্ষা। মাকেও তাক একো কোৱা নাই। মাকে তাৰ বাবে সন্ধিয়াৰ জলপান সাজু কৰি ডাইনিং টেবুলত থৈ তাক খাবৰ বাবে মাতি আছিল। পিছে তাৰ কোনো গুৰুত্বই নাই। সি একান্তমনে গেম খেলাত ব্যস্ত। মাকে তাক বাৰে বাৰে মাতি আছে, কিন্তু তাৰ কাণত যেন কথাষাৰ সোমোৱাই নাই। অলপ সময়ৰ পাছত তাৰ ৰুমৰ পৰা ঠাং-চ-চ-চ কৈ শব্দ শুনা গ’ল। মাক তাৰ ওচৰলৈ দৌৰি গ’ল আৰু দেখিলে যে ম’বাইলটো ড্ৰেচিঙৰ আইনাখনত লাগি ভাগি পৰি আছে আৰু

মননৰ খঙতে হিতাহিত জ্ঞান নাইকিয়া হৈ গৈছে। মাকে তাক খঙতে গালি পাৰিলে—"অ'ই জোন! কি কৰিলি? ম'বাইলটো ভাঙি দিলি? কিমান দাম জাননে? তই কিনি আনিছিলি? বাৰ হাজাৰ টকা পানীত পেলাই দিলিনে? নিজে ইন্‌কাম কৰা নাইতো! চব বস্তু ওপৰতে পাইছ নহয়!"

"মনে মনে থাকাচোন। এনেয়েও মূৰ গৰম হৈ আছে আৰু গৰম কৰিব বিচাৰিছা? ইমান বেয়া ম'বাইল নে এইডাল! অলপমান চালেই চাৰ্জ শেষ হৈ থাকে। গেমটো শেষ হ'বলৈ অলপহে আছিল। ইমান সোনকালে চাৰ্জ শেষ হয়নে? চাওঁ আঁতৰ হোৱা, মোৰ মাথা বিষাইছে। শুবলৈ যাওঁ।"—মননে খঙেৰে কৈ তাৰ পৰা দপ্‌দপাই গুচি গ'ল। মাকে আৰু তাক কি ক'ব? সি যে সাত ঘণ্টা ধৰি ম'বাইলত গেমেই খেলি আছে, সি গমেই নাপালে।

ৰাতি ১১-৩০ বজাত সি সাৰ পালে। তেতিয়াহে তাৰ মনত পৰিল যে পিছদিনা তাৰ গণিতৰ পৰীক্ষা আছে। সি হুৰমূৰকৈ পঢ়া টেবুলত বহিল যদিও সাত ঘণ্টা ম'বাইলত গেম খেলাৰ পাছত কাৰোবাৰ পঢ়াত মন বহে জানো? অলপ সময় তাৰ ইফাল-সিফাল কৰোঁতেই গ'ল। তাৰ পাছত আৰু তাৰ পঢ়িবলৈ মন নগ'ল। ইফালে সি বহুত অংক বুজাই নাই। দেউতাক আছিল যদিও তাৰ সুধিবলৈ বৰ ভয় লাগিল। পিছদিনা সি তেনেকৈয়ে পৰীক্ষা দিবলৈ গ'ল। কিন্তু পৰীক্ষা কি হ'ব আৰু?

ৰিজাল্ট দিলে। মননৰ মাকে যেতিয়া তাৰ ৰিজাল্ট আনিবলৈ গ'ল, তেতিয়া তাৰ ৰিজাল্ট এনে ধৰণৰ—অসমীয়া ৫৫, ইংৰাজী ৩০, সমাজ বিজ্ঞান ২০, বিজ্ঞান ২০ আৰু গণিত? গণিত কি হ'ব আৰু? ১০০ৰ ভিতৰত ১০। ইতিহাস ৫, ছবি ২০, শিল্পকলা ২০। তাৰ মুঠ শতাংশ ২২.৪৮।

তাৰ ৰিজাল্ট দেখি মাকে তাক একো নক'লে। সেই বছৰ সপ্তম শ্ৰেণীত সি অনুত্তীৰ্ণ হ'ল। সি বৰ লাজ পালে আৰু মনতে দৃঢ়সংকল্প ল'লে যে সি ভালদৰে পঢ়ি-শুনি এদিন ডাঙৰ মানুহ হ'বই।

কেইবা বছৰো পিছত...

টিং টিং।

"ছাৰ, সোমাব পাৰোঁনে?"

"আহা, আহা।"

"ছাৰ, আপোনাক যে এসপ্তাহমান আগতে এভেকছনৰ ফাইলটো চাবলৈ দিয়া হৈছিল, চালেনে?"

"হয় হয়, মই চাই আলমাৰিতে থৈ দিছোঁ। এক মিনিট"—এইবুলি মানুহজনে আলমাৰিটো খুলি বিভিন্ন কাগজ-পত্ৰৰ মাজৰ পৰা বিচাৰি এটা ফাইল উলিয়াই আনি সিজন মানুহৰ হাতত দিলে।

"ধন্যবাদ ছাৰ, আহিছোঁ।"

"হয়।"

ফাইলটো বিচাৰোঁতে মানুহজনে বহু পুৰণি কাগজ এখন পালে। প্ৰায় ১২ বছৰ পুৰণি। কাগজখনত লিখা আছিল—মনন জিৎ বৰুৱা, সপ্তম শ্ৰেণী, শাখা 'ক', ৰোল নম্বৰ ২৯, মুঠ শতাংশ ২২.৪৮, ফলাফল অনুত্তীৰ্ণ।

কাগজখন দেখি তেওঁ প্ৰথমতে একো ধৰিব পৰা নাছিল। কিন্তু পাছ মুহূৰ্ততে তেওঁৰ এটা কথালৈ মনত পৰি বৰ হাঁহি উঠিল।

সেই সপ্তম শ্ৰেণীত ফেইল কৰা, মাকৰ কথা নুশুনা জোনেই হৈছে আজিৰ কামৰূপ জিলাৰ জিলা উপায়ুক্ত মনন জিৎ বৰুৱা। ক্ষমা কৰিব। ড° মনন জিৎ বৰুৱা। কথাষাৰ ভাবি তেওঁৰ ভাল লাগিল যদিও অলপ দুখো লাগিল। কাৰণ জোনৰ এই সফলতা চাবলৈ তাৰ মাক আজি ওচৰত নাই। মাক তিনি বছৰ আগতেই গাড়ী এক্সিডেণ্টত ঢুকাল। কথাষাৰ মনত পৰি তেওঁৰ মনটো চিৰিংকৈ গ'ল। এটা অজান দুখে যেন তেওঁৰ মনটোত খুন্দা মাৰিলে। তেওঁৰ দুচকুৰে দুধাৰি অশ্ৰু বৈ গ'ল। মাকৰ প্ৰতি থকা শ্ৰদ্ধাত তেওঁৰ মূৰ দোঁ খাই গ'ল। "টিৰিং, টিৰিং"—তেওঁৰ ফ'নটো বাজিবলৈ ধৰিলে।

"হেল্ল', হয় ছাৰ। হয়, মই এতিয়াই গৈ আছোঁ।"

ৰাজহ মন্ত্ৰীয়ে তাৎক্ষণিক মিটিং এখন দিয়াত তেওঁ লৰালৰিকৈ ফাইল-পত্ৰবোৰ সামৰি তালৈ গ'ল। ❖

# সহায়

■ সপ্তাৰ্শ্ব বৰদলৈ
সপ্তম শ্ৰেণী



আকাশ গুৱাহাটী কলেজৰ ছাত্ৰ। আজি তাৰ বহুত কষ্ট হৈছে। পুৱাৰে পৰা সি আজি একো খোৱা নাই। সেয়েহে কলেজৰ পৰা ওলাই সি এখন হোটেলত কিবা এটা খাই থাকোঁতে সি এটা ঘটনা দেখিলে। এজন মানুহে এটা অনাথ ল'ৰাক ৰাস্তাত ফুচুলাই আছে যে তই আমাৰ লগত থাকিলে খাবলৈ পাবি। কথাষাৰ কোৱাৰ পাছত মানুহজনৰ লগত ল'ৰাটো গুচি গ'ল। সি বিশেষ গুৰুত্ব নিদিলে। তাৰ পাছত সি চিটিবাছত উঠি ঘৰলৈ গ'লগৈ। অলপ দিনৰ পাছত আকাশে যেতিয়া কলেজৰ পৰা ওলাই চিটিবাছত উঠিলে তেতিয়া তাক কোনোবাই পিছফালৰ পৰা মাতি ক'লে, "দাদা কিবা এটা দিয়কনা।" সি পাৰ্চৰ পৰা ৫ টকা এটা খুঁচৰি তাক উলিয়াই দিওঁতে সি আচৰিত হ'ল। কাৰণ যিজন ল'ৰাই তাক ভিক্ষা খুজিছিল সেই ল'ৰাটো আছিল আকাশে অলপ দিনৰ আগতে দেখা পোৱা সেই ল'ৰাটো। কিন্তু তাৰ হাত এখন কটা আছিল। তেতিয়া আকাশে সুধিলে যে তাৰ হাতখন কি হ'ল? সি ক'লে যে তাৰ এক্সিডেণ্ট হৈছে। আকাশৰ তাৰ ওপৰত সন্দেহ হ'ল আৰু সি সুধিলে, "সঁচা কথা কচোন। সঁচা কথা ক'লে তোৰ মংগল হ'ব।" তেনেকৈ কোৱাত সি কান্দি কান্দি ক'লে, "মানুহ এজনে ভিক্ষা খুজিবলৈ মোৰ হাতখন কাটি দিছে।" অৰ্থাৎ মানুহে বেছি ভিক্ষা দিব বুলি হাতখন কাটি দিছে। "কি?" আকাশে চিঞৰি উঠিল। "হয় দাদা, ভাইটিৰ কাৰণে মই এই কাম কৰিব লগা হ'ল। সি ভোকত থকা মই দেখিব নোৱাৰোঁ।" "শুন, তোৰ নামটো কি?" সি ক'লে, "মোৰ নাম ৰত্ন।" "অ'ই ৰত্ন তই মোক এটা সহায় কৰিব লাগিব। মই তোক এটা ম'বাইল দি পঠাম, তই খালী এই ছুইচটো টিপি ঘূৰি ফুৰিবি। পাছদিনা তই খুজিবলৈ ওলাই আহোঁতে মোক দি দিবি।" ঠিক আকাশৰ মতে ৰত্নই ভিডিঅ' কৰি পাছদিনা আহি আকাশৰ হাতত দিলেহি। আকাশে লগে লগে ডিএছপি খুৰাকক জনালে। লগে লগে পুলিছৰ এটা দল আহি অভিযান চলালে। অভিযানত সকলো ল'ৰা-ছোৱালী উদ্ধাৰ কৰি অপহৰণকাৰীজনকো ধৰিলে। আকাশে ৰত্নক ধন্যবাদ দিলে। ৰত্ন আৰু আকাশক পুৰস্কৃত কৰা হ'ল। শিশুসকলেই দেশৰ ভৱিষ্যৎ। তেওঁলোকৰ ভৱিষ্যৎ যদি অন্ধকাৰলৈ দিয়া যায় তেন্তে দোষীক কঠোৰতম শাস্তি দিব বুলি ডিএছপি খুৰাকে ক'লে। আকাশে অতি আনন্দ মনেৰে ঘৰমুৱা হ'ল। আনক সহায় কৰি কি আনন্দ পোৱা যায়, আকাশে তেতিয়াহে বুজি পালে।❖

# মমতা

**■ প্ৰাৰ্থনা শৰ্মা**
**অষ্টম শ্ৰেণী**



"অ'ই বুঢ়ী, তই আৰু আমাৰ ঘৰত কিমান দিন থাক অ'? অশান্তি লাগি গৈছে দে!" পুত্ৰ ৰাজীৱৰ মুখৰ পৰা এনে এষাৰ কথা শুনাৰ পাছত বিমলাৰ মনটো যেন গধুৰ হৈ পৰিল। তেওঁ নিজৰ মনত বৰ কষ্ট পালে। তেওঁ ভাবিলে, "এনেদৰে জীয়াই থকাতকৈ নথকাই ভাল। কিন্তু নাতিটোৰ মোহ এৰিনো যাওঁ কেনেকৈ?" এইবোৰ কথা ভাবি থাকোঁতে বিমলাক কোনোবাই আহি মনে মনে থাপ মাৰি ধৰিলে। হঠাৎ তেওঁ নিজৰ পিছফালে চাই দেখিলে যে সেয়াচোন তেওঁৰ নাতি ৰিয়ান। ৰিয়ানক তেওঁ ক'লে, "মোৰ সোণটো, কি কৰি আছিলা? তোমাক বহুত সময় দেখাই নাই যে?" তেতিয়া ৰিয়ানে ক'লে, "মই পঢ়ি আছিলোঁ, আইতা। A B C D মুখস্থ কৰি আছিলোঁ। হঠাৎ তোমালৈ মনত পৰাত মনে মনে দৌৰি গুচি আহিলোঁ।"

"ৰিয়ান, ক'ত গ'ল জানো ল'ৰাটো, সদায় মনে মনে গুচি আহে।" হঠাৎ মাকৰ মাত শুনি ৰিয়ানে আইতাকক ক'লে, "আইতা, মই ইয়ালৈ মনে মনে আহিছোঁ। মাহঁতক সুধি আহিলে কেতিয়াও আহিব নিদিয়ে। ৰ'বা। মই বিছনাৰ তলত লুকাওঁ। মায়ে সুধিলে ক'বা যে মই ইয়াত নাই। হ'বনে?"

আইতাকে ক'লে, "এইবাৰলৈহে কিন্তু। পিছত এনেকুৱা নকৰিবা।"

"হ'ব আইতা।" সি ক'লে।

"ইয়ালৈ ৰিয়ান আহিছে নেকি?" বোৱাৰীয়েকে সুধিলে।

আইতাকে ক'লে, "নাইতো। অহা নাই।" মাক গুচি যোৱাত ৰিয়ান ওলাই আহিল আৰু মনে মনে নিজৰ ৰুমলৈ গুচি গ'ল।


এদিন হঠাৎ মাক-পুতেকৰ মাজত কিবা কাজিয়া লাগিল। ৰাজীৱে বিমলাক ঘৰৰ পৰা উলিয়াই দিলে আৰু ক'লে, "আজিৰ পৰা মোৰ বোজা এটা কমিল। ঘৰখনলৈ এতিয়াহে সুখ-শান্তি আহিব।" এনেদৰে কৈ সি দুৱাৰখন জোৰকৈ বন্ধ কৰি দিলে। ৰিয়ানে দেউতাকক এনে আচৰণ কৰা দেখি সুধিলে, "দেউতা, তুমি কিয় আইতাক ঘৰৰ পৰা উলিয়াই দিলা?" দেউতাকে তেতিয়া তাক ক'লে, "তই মনে মনে থাক, ৰিয়ান। ডাঙৰৰ কথাত যে সৰুৱে মাত মাতিব নাপায় তই সেই কথা জাননে নাজান?" তেতিয়া মাকে আহি ক'লে, "হেৰি, আপুনি ক'ৰবাৰ খং ইয়াৰ ওপৰত কিয় জাৰিছে?" এনেদৰে ঘৰখনত অশান্তি হ'বলৈ ধৰিলে। ৰাজীৱ দিনকদিনে বেয়াৰ পথলৈ যাবলৈ ধৰিলে। সকলোকে বেয়াকৈ কোৱা, গালি-শপনি পৰা, মাৰপিট কৰা আদি অপৰাধত ৰাজীৱক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হ'ল। কোনেও চাকৰি নিদিয়া হ'ল। ঘৰখনত টকা-পইছাৰ অভাৱ হ'ল।

বহু বছৰ পাছৰ কথা। ৰিয়ান তেতিয়া সপ্তম নে অষ্টম শ্ৰেণীত পঢ়ে। দেউতাকে তেতিয়া দিন হাজিৰা

কৰে আৰু মাকে বেলেগৰ ঘৰত কাম কৰি টকা উপাৰ্জন কৰিবলৈ ধৰিলে। ক'ৰবাৰ পৰা পুতেক ৰাজীৱৰ এনে দুৰ্দশাৰ কথা গম পাই মাকে মনত বৰ কষ্ট পালে। যিমান যি নহওক ৰাজীৱ তেওঁৰ ল'ৰা।

এদিন হঠাৎ মাকে এখন বেগ লৈ ওলাল বাহিৰলৈ। মাক আচলতে এখন আশ্ৰমত আছিল। বিমলাই আশ্ৰমৰ মানুহৰ পৰা যিমান পাৰে পইছা তুলিবলৈ যত্ন কৰিলে। এনেদৰে প্ৰায় ছমাহমান পাছত তেওঁ দহ হাজাৰমান টকা লৈ এদিন হঠাৎ পুতেকৰ ঘৰলৈ বুলি ওলাল। কলিং বেলটো বজাই দিয়াত ৰাজীৱে দুৱাৰখন খুলিলে। খুলি যেতিয়া মাকক দেখিলে তেতিয়া লগে লগে দুৱাৰখন জপাব খোজোঁতেই মাকে ক'লে, "ৰচোন বাবা, মই ইয়ালৈ থাকিবলৈ অহা নাই দে। চিন্তা কৰিব নালাগে। মোৰ পুত্ৰ হিচাপে মই তোক অলপ সহায় কৰিবলৈহে আহিছোঁ।" তেতিয়া ৰাজীৱে ক'লে, "হ'ব। তোৰ সহায়ৰ মোৰ কোনো প্ৰয়োজন নাই।" এনেতে ৰাজীৱৰ বায়েক শিখা গৈ তাত উপস্থিত হ'ল। তেতিয়া শিখাই ৰাজীৱক ক'লে, "ৰচোন ভাইটি। তই যদি কথাবোৰ বেয়াৰ দিশেৰে নাচাই ভাল দিশেৰে চাৱ, এইটো এটা কি সুন্দৰ কথা। যিগৰাকী মানুহক তই ঘৰৰ পৰা গঁতিয়াই উলিয়াই দিছিলি, সেইগৰাকী মানুহৰ এতিয়াও তোৰ প্ৰতি সেই একে মৰমেই আছে, যিমান আগতে আছিল। তই মনত পেলাচোন, আগতে যিটো ল'ৰাই মায়ে ভাত খুৱাই নিদিলে ভাত খোৱা নাছিলি, আজি সেইগৰাকী মাক তই ঘৰৰ পৰা উলিয়াই দিব পৰা হ'লি?" এনেতে ঘৰৰ ভিতৰৰ পৰা ৰিয়ান দৌৰি আহি দেউতাকক ক'লে, "দেউতা, যিগৰাকী মানুহে তোমাক জন্ম দিছে, যিগৰাকী মানুহ নহ'লে আজি তুমি ইয়াত নাথাকিলা হয়, সেইগৰাকী মানুহক তুমি এনেকুৱা ব্যৱহাৰ কৰিলা?" তেতিয়া শিখাই ক'লে, "চা ভাইটি, কথাবোৰ অলপ বুজিবলৈ যত্ন কৰ। এই সৰু ল'ৰাটোৱে যদি এইখিনি কথা বুজিব পাৰে, তেন্তে তই কিয় নোৱাৰ?" ইমানপৰে মনে মনে থকা ৰাজীৱে ক'লে, "মা, মোক ক্ষমা কৰি দিবা। তুমি যে মোৰ কাৰণে ইমান কৰিছা মই জনাই নাছিলোঁ। তুমি যে এতিয়াও মোক আগৰ দৰেই ভাল পোৱা, মই অনুভৱ কৰিব পৰা নাছিলোঁ।" ভিতৰৰ পৰা বোৱাৰীয়েক ওলাই আহি ক'লে, "মা, ময়ো আপোনাক বহুত বেয়া ব্যৱহাৰ কৰিলোঁ। মোকো ক্ষমা কৰি দিব।"

"শিখা মোৰ বাবে যিমান মৰমৰ, তুমিও সিমানে মৰমৰ। কাৰণ, তুমিওতো মোৰেই ছোৱালী। নহয় জানো?" বিমলাই ক'লে। তেতিয়া শিখাই মনে মনে ভাবিলে—সঁচাকৈ ইয়াকে কয় 'মমতা'। ❖



**ময়ংক বৰা,** দ্বিতীয় শ্ৰেণী



**উপাসনা চৌধুৰী,** চতুৰ্থ শ্ৰেণী

# সপোনৰ সমাধিত গজা এটা সংকল্প

■ সাক্ষী প্ৰিয়ম্বদা
অষ্টম শ্ৰেণী

মই জ্বৰ ঘমাদি ঘামিবলৈ ধৰিলোঁ। একেবাৰে গা ধোৱাৰ দৰেই হ'লোঁ। এতিয়া ফেব্ৰুৱাৰী মাহ। তথাপি খুব ঘামিছোঁ মই। নাকটো হয়তো ৰঙা পৰি গৈছে। নাকৰ পাহিটোও বাৰে বাৰে উঠা-নমা কৰি আছে। মূৰটো টিংটিঙোৱা যেনো লাগিল। স্থিৰেৰে বহিও থাকিব পৰা নাই মই। এনে লাগিছে এইমাত্ৰ যেন সকলো নিয়ম-নীতি ওফৰাই দৌৰি কোঠাৰ বাহিৰলৈ ওলাই যাম। কিন্তু পৰা নাই। মোৰ দুভৰিত যে নিয়মৰ শিকলি ! প্ৰশ্নকাকতখন মোৰ সন্মুখত বেঞ্চৰ ওপৰত পৰি আছে। কাষতে খালী উত্তৰ বহীখন। ঘামত ভিজি থকা মোৰ হাতত এটা কলম। হাতখনেৰে কলমটোও ভালদৰে ধৰি থাকিব পৰা নাই। এই কলমটো নতুন। দুদিন আগতেই কিনিছিলোঁ। কমলা ৰঙৰ সাঁফৰ আৰু গাটোৰে কলমটো খুব ধুনীয়া। তাৰ গাটোত নক্সা কিছুমানো অঁকা আছে। কালি ৰাতিয়েই খুব ধুনীয়াকৈ চিয়াহী ভৰাই থৈছিলোঁ মই কলমটোত। মোৰ উত্তৰ বহীখনৰ সোঁকাষে নতুন পেন্সিল বাকচটো তাত দুডাল পেন্সিল, ৰবৰ এটুকুৰা আৰু পেন্সিল কটা মেচিন এটা। পেন্সিল বাকচটোৰ লগতে কম্পাছ, কোণমাপক আদি থকা এটা জ্যামিতি বাকচ আৰু এপাট ৩০ ছেমি.লৈ দাগ কটা থকা স্কেল। এই আটাইকেইবিধ বস্তু পৰিপাটিকৈ সজাই থোৱা আছিল। পৰীক্ষা আৰম্ভ হোৱাৰ আগতে সেইখিনি ময়েই তেনেদৰে সজাই থৈছিলোঁ। তেতিয়ালৈ মোৰ অকণমানো ধাৰণাই নাছিল যে এনেকুৱা কিবা এটা ঘটনাও হ'ব পাৰে।

গোটেই পৰীক্ষা হলটোত অসাধাৰণ নিৰৱতা বিৰাজমান। একো শব্দই শুনিবলৈ নোপোৱা। মাজে মাজে কেৱল পেন্সিল বাকচ খোলা বা বন্ধ কৰাৰ আৰু উত্তৰ বহীৰ পাত লুটিওৱাৰ শব্দ। সেই কামকেইটাও সকলোৱে বৰ সাৱধানে কৰিছে। শব্দ বেছিকৈ হ'লেই যেন নিৰৱতাৰ দেৱতা ক্ষুব্ধ হ'ব। তেওঁক সন্তুষ্ট কৰি ৰখাটোৱেই যেন সকলোৰে কৰ্তব্য। এনেই মই নিৰৱতা খুব ভাল পাওঁ। কিন্তু আজিৰ এই নিৰৱতা মোৰ একেবাৰেই ভাল লগা নাই। মাজে মাজে মোৰ সন্দেহ হয়, মই পৰীক্ষাহলতে আছোঁ নে কোনোবা মৰিশালিত? ইয়াত সঁচাকৈ মৰিশালিৰ নিৰৱতায়ে বিৰাজ কৰিছে। ইংৰাজীত যে কয় Pin drop silance, তাৰ প্ৰকৃত অৰ্থ মই আজিহে বুজি পালোঁ। হঠাতে এনেদৰে আমাৰ দৰে হুলস্থূলীয়া শ্ৰেণীটো মৌন হৈ যোৱাৰ কাৰণো অৱশ্যে নোহোৱা নহয়। পৰীক্ষাৰ দায়িত্বত থকা শিক্ষয়িত্ৰীগৰাকী অত্যন্ত কাঢ়া। মুখখনো বিৰাট চোকা। বেছ শক্তিশালীও। মাৰকেইটা পিঠিত পৰিলে তিনিদিনমানলৈ বিষাই থাকে। বিযো বিষ আৰু দেই ! শান্তিত শুবও নোৱাৰি। পৰীক্ষাৰ মাজত কথা পাতিলে, কাৰোবাক কিবা সুধিলে বা দেখুৱালেও উত্তৰবহীখন কাঢ়ি নিয়াত তেওঁ অত্যন্ত পাৰ্গত। হঠাৎ আহি চিলনীৰ দৰে থাপ মাৰি লৈ যাব। তুমি ততেই ধৰিব নোৱাৰিবা। ইফালে তোমাৰ বহীত লিখা হৈ যাব—"এইগৰাকী শিক্ষাৰ্থী পৰীক্ষাৰ নিয়ম ভংগ কৰা অভিযোগত অভিযুক্ত। এওঁৰ পৰীক্ষাৰ বহীৰ পৰা ১০ নম্বৰ কটা হয় যেন।" তাৰ পাছত তুমি বহী ঘূৰাই পাবা। লগতে কিন্তু Buy one, get one freeৰ দৰেই ঘোপা দৃষ্টি এটাও দি যাব। তেওঁৰ দৃষ্টিত ইমান ধাৰ ! হাড়লৈ কুৰুকি কুৰুকি সোমাই যায়। গা শিয়ৰি উঠে মোৰ। একেটা অপৰাধত কেতিয়াবা যদি দ্বিতীয়বাৰ ধৰা পৰা তেতিয়া তেওঁ উত্তৰবহী নিজৰ লগত ৰাখি থয় আৰু তুমি পৰীক্ষাহলৰ পৰা get out।

টং...

মোৰ ভাবত যতি পেলাই বে'লটো বাজি উঠিল। ভয়তেই নে দুখতেই মই আকৌ এবাৰ জিকাৰ খাই উঠিলোঁ। অলপ সময়ৰ বাবে পাহৰি যোৱা ভয়টোৱে আকৌ জুমুৰি দি ধৰিলে। এইটো দুই ঘণ্টাৰ বে'ল

আছিল। তিনিঘণ্টীয়া পৰীক্ষা। দুঘণ্টা ইমান সোনকালে পাৰ হ'ল নে?

আজি গণিতৰ পৰীক্ষা আছে। প্ৰশ্নকাকতখন খুব দীঘল আৰু টান। তথাপি এতিয়ালৈ মোৰ উত্তৰবহী খালী। এটা প্ৰশ্নৰো উত্তৰ কৰা নাই মই। কিয় কৰা নাই মই? কিয়? মই কিয় এটা প্ৰশ্নৰো উত্তৰ পৰা নাই? মই পঢ়া নাছিলোঁ নেকি? মই অংক কৰা নাছিলোঁ নেকি? কৰিছিলোঁ। নিশ্চয় কৰিছিলোঁ। তেনেহ'লে? তেনেহ'লে মই কিয় একো পৰা নাই? হুঁহ্। নোৱাৰিমেইতো। কেনেকৈ পাৰিম? মই যে পৰীক্ষাত অহা পাঠকেইটা পঢ়াই নাই! ইয়াৰ এটাও অংক মই কৰা নাই। পল্লৱীকাক সোধোঁতে তাই মোক এইকেইটা পাঠ লাগিব বুলি কোৱাই নাছিল। ছাৰে দিছে বুলি কৈ অইন কেইটামান পাঠৰ নামহে কৈছিল। আনকি পৰীক্ষা আৰম্ভ হোৱাৰ আগে আগে তাইক লগ পাওঁতেও তাই মোৰ আগত এই বিষয়ে একোৰেই কোৱা নাছিল। কিন্তু এতিয়াচোন তাই নালাগে বুলি কোৱা পাঠকেইটাহে আহিছে। মই আঁৰ চকুৰে প্ৰথম বেঞ্চত বহা পল্লৱীকালৈ চালোঁ। তাই একান্ত মনেৰে গণিতৰ সমস্যাসমূহ সমাধান কৰাত ব্যস্ত। তাই এতিয়ালৈ দুবাৰমান অতিৰিক্ত কাগজো খুজি লৈছে। আৰু মই?

মোৰ মুখখন বৰকৈ ঘামি উঠিছিল। ৰুমালখন উলিয়াবলৈ মই পকেটত হাত ভৰালোঁ। কিন্তু পকেটত এয়া কি? কিবা কাগজৰ নুৰাচোন। কি কাগজ? ক'ৰ পৰা আহিল? হঠাৎ মনত পৰি গ'ল মোৰ। পৰীক্ষাৰ আগে আগে পল্লৱীকা, আৰোহী, ধ্ৰুৱ, হৃদয়হঁতৰ লগত টনা-আঁজোৰা কৰি থাকোঁতে মোৰ গণিতৰ বহীখনৰ কেইখনমান পৃষ্ঠা ফালি গৈছিল। মই ভালদৰে ভাঁজ দি জাপি পৃষ্ঠাকেইখন পকেটত ভৰাই থৈছিলোঁ। সেই পৃষ্ঠাকেইখন এতিয়াও আছে। হঠাৎ মোৰ মনত ভাব হ'ল কেনেবাকৈ ইয়াত পৰীক্ষাত অহা ধৰণৰ অংকবোৰ আছে নেকি? মোৰ চকুযোৰ তিৰবিৰাই উঠিল। সন্তৰ্পণে কাগজৰ নুৰাটো মই উলিয়াই ল'লোঁ। বাইদেউৰ চকুৰ পৰা যিমান পাৰি আঁৰ কৰি মই কাগজকেইখন মেলি ধৰিলোঁ। মোৰ চকুযোৰে তীব্ৰগতিত উত্তৰ বিচাৰিবলৈ ধৰিলে। প্ৰথম পৃষ্ঠাখনত বিচাৰি শেষ কৰিছোঁ মাত্ৰ। এনেতে হঠাৎ মোৰ ওচৰত বাইদেউৰ আৱিৰ্ভাৱ। মোৰ বুকুখনে ঢক্কৈ মাৰিলে। নাকত ঘামৰ কণিকাবোৰ জমা হ'বলৈ ধৰিলে। হঠাৎ অত্যন্ত গৰম লাগিবলৈ ধৰিছে মোৰ। বাইদেউলৈ খুব কষ্টেৰে মূৰ তুলি চালোঁ মই। কিন্তু এয়া কি? বাইদেউচোন বাইদেউ হৈ থকা নাই। বাইদেউ লাহে লাহে পৰিবৰ্তিত হৈছে এটা বিৰাটকায় দানৱলৈ। দানৱটোৰ গোটেই গাটোত কিছুমান অংক কৰা আছে। আমি প্ৰথম শ্ৰেণীৰ পৰা শিকি অহা সকলো ধৰণৰ অংক আছে তাৰ গাত। সি মোলৈ চাই আছে। একেৰাহে। ই গণিতৰ দানৱ। কিন্তু দানৱটোৰ মুখখন যে পল্লৱীকাৰ দৰে! কিয়? দানৱটোৱে মোলৈ চাই অট্টহাস্য কৰিলে। সেই হাঁহিৰ শব্দত মই কঁপি উঠিলোঁ। কি ভয়ানক সেই হাঁহি! এইবাৰ দানৱটোৱে পল্লৱীকাৰ কণ্ঠেৰে কৈ উঠিল—"মই তোক বেয়াকৈ ঠগিলোঁ বুজিছ? তই একো ততেই ধৰিব নোৱাৰিলি। এতিয়া গণিতত মোতকৈ বেছি নম্বৰ পাই দেখাচোন।" পল্লৱীকাৰূপী দানৱটোৱে আকৌ হাঁহিলে, গণিতৰ দানৱটোৱে মোক লাহে লাহে গ্ৰাস কৰি পেলাব খুজিছে। মই ভয়তে চকু দুটা মুদি দিলোঁ। দানৱটোৱে তেতিয়াও হাঁহি আছিল। পিছে এইবাৰ হাঁহিটো একেবাৰে মোৰ এলাৰ্ম ক্লকটোৰ দৰে। এলাৰ্ম ক্লকটোৰ দৰে নে এলাম ক্লকটোৱেই? মই বুজি নাপালোঁ। মই জোৰেৰে চকুহাল মেলি দিলোঁ। কিন্তু এয়া কি? ক'ত আছোঁ মই? মই পৰীক্ষাহলত নাছিলোঁ জানো? পিছে এইটো মোৰ কোঠাটোহে। মইতো বেঞ্চতহে বহি আছিলোঁ। কিন্তু এইখনতো মোৰ বিছনাহে।

গোটেই কথাখিনি অনুধাবন কৰিবলৈ মোক কিছু সময়ৰ প্ৰয়োজন হ'ল। কিছু সময় বিছনাতে বহি থাকি মই মোৰ পঢ়া টেবুলৰ ফালে আগুৱাই গ'লোঁ। গণিতৰ কিতাপখন মেলি লৈ এবাৰ সুচীপত্ৰখনত চকু ফুৰালোঁ। তাৰ পিছত ফ'নটো হাতত লৈ নম্বৰ এটা ডায়েল কৰিলোঁ। আনটো মূৰৰ পৰা উত্তৰ আহিল। মই ধীৰ কণ্ঠেৰে ক'লোঁ—

"ছাৰ, মই সপ্তম শ্ৰেণীৰ গ শাখাৰ নম্ৰতাই কৈছিলোঁ। ছাৰ, আমাক পৰীক্ষাত গণিতৰ কোনকেইটা পাঠ লাগিব আকৌ এবাৰ কৈ দিব পাৰিব নেকি?" ❖

# প্ৰতিশ্ৰুতি

■ লিকুমা শৰ্মা
নৱম শ্ৰেণী

ৰাতিপুৱা শুই উঠাৰে পৰা অনুপমৰ মনটো ভাল নহয়। অতীতৰ কিছুমান কথাই তাৰ মনটোক বৰকৈ আমনি কৰি আছে। গোমা হৈ থকা আকাশখনলৈ একান্তমনে চাই আছে অনুপমে। আকাশখনৰ দৰে অনুপমৰ মনৰ অৱস্থা একে। মনটোৰ লগতে তাৰ শৰীৰটোও সমানে বেয়া লাগি আছে। মনৰ মাজত তাৰ এক বিশাল শূন্যতাই তাক হতাশ কৰি তুলিছে। এনেয়ে বাতৰিকাকতখনত মাজে মাজে চকু ফুৰাই আছিল। বাতৰিখনৰ প্ৰথম পৃষ্ঠাতে দিয়া খবৰটো দেখি অনুপমক হতাশাই আৰু বেছিকৈহে হেঁচা মাৰি ধৰা যেন অনুভৱ হ'ল। আকাশখন সম্পূৰ্ণকৈ ক'লা ডাৱৰে আবৰি আছে। গোটেই নিশাটো মুষলধাৰে বৰষুণ দিছে, তথাপি আকাশখন ফৰকাল হোৱা নাই। যেন এতিয়াই পৃথিৱীৰ বুকুলৈ নামি আহিব ধাৰাসাৰে বৃষ্টি। বুৰাই পেলাব যেন গোটেই পৃথিৱী।

এনেকুৱা বতৰৰ পৰিবেশে অনুপমৰ মনটোত অতীতৰ এৰি অহা অভিশপ্ত দিনবোৰৰ কথা বাৰে বাৰে সোঁৰৰাই দিয়ে। সেই কথাবোৰ মনলৈ আহিলে অনুপমৰ চকুযুৰি সেমেকি উঠে। সি অস্থিৰ হৈ পৰে। এক বুজাব নোৱৰা দুখে তাৰ ভিতৰৰ মনটোক চূৰমাৰ কৰি পেলায়।

অনুৰ (ঘৰত মতা নাম) মাক-দেউতাক আৰু ভনীয়েক আৰোষীৰ সৈতে অতি সুখী পৰিয়াল সিহঁতৰ। দেউতাক সৎৰাম এজন আদৰ্শ খেতিয়ক। অনুৰ দেউতাক সঁচাকৈ এজন অতি সৎ প্ৰকৃতিৰ ব্যক্তি আছিল। তেওঁৰ এনে সৎ চৰিত্ৰৰ বাবে গাঁৱৰ সকলোৰে অতি ভাল পাইছিল। গাঁওখনৰ প্ৰতিটো অনুষ্ঠানৰ লগত জড়িত আছিল সৎৰাম। গাঁওখনৰ প্ৰতিটো কামত আগভাগ লৈছিল অনুৰ দেউতাকে। প্ৰতিজন গাঁওবাসীৰ বিপদে-আপদে সহায়-সহযোগ কৰিছিল। কোনো লোকৰ বিপদ হ'লে সৎ উপদেশ আদিও দিছিল। মুঠৰ ওপৰত মানুহজনৰ নামটোৰ লগত মানুহজনৰ সম্পূৰ্ণ মিল আছিল। আনকি প্ৰায়ে অনুপমক কৈছিল, "অনু, সততা জীৱনৰ অতি শক্তিশালী অস্ত্ৰ।" দেউতাকৰ এই কথাষাৰে অনুৰ সৰুকালিৰ পৰা বৰ্তমানলৈ মনত এক বিশেষ সাঁচ বহুৱাইছে। এই কথাষাৰে অনুক আগ বাঢ়ি যোৱাত বিশেষ সহায় কৰি আহিছে।

দেউতাকে পৰিয়ালটোক কেতিয়াও কোনো ক্ষেত্ৰতে কষ্ট পাবলৈ দিয়া নাছিল। অধিক কষ্ট কৰি হ'লেও সিহঁতৰ অভাৱবোৰ পূৰণ কৰিছিল। অনুপমে জনা হোৱাৰে পৰাই এটাই লক্ষ্য আছিল যে ভালকৈ পঢ়ি-শুনি সি এদিন ডাঙৰ মানুহ হ'ব। দেউতাকৰ কষ্ট সাৰ্থক কৰিব। অনুৱে ভনীয়েককো সদায় এনে পথেই দেখুৱাই আহিছে।

অনুপমে সেই দিনটো সদায়ে মনত ৰাখিছিল। অনুপম তেতিয়া তৃতীয় শ্ৰেণীৰ পৰা পৰীক্ষা দিছিল। সেইদিনা পৰীক্ষাৰ ফলাফল ওলাইছিল, অনুৱে শ্ৰেণীৰ ভিতৰতে বেছি নম্বৰ পাই প্ৰথম স্থান পাইছিল। দেউতাকে খবৰটো পাই আনন্দত আত্মহাৰা হৈ পৰিছিল। মনৰ উৎসাহতে সেইদিনাই গধূলিলৈ গাঁৱৰ মানুহখিনিক মাতিছিল। অনুক এটা আশীৰ্বাদ দিবলৈ বুলি। অনুৰ আজিও ভালদৰে মনত আছে—তাক ৰাইজৰ ওচৰত আঁঠু লৈ আশীৰ্বাদ ল'বলৈ কৈছিল। গাঁৱৰ মানুহবোৰক পিঠা আৰু চাহ খুৱাইছিল। পিছদিনা বজাৰৰ পৰা সেই সময়ৰ দামী কলম এটা আনি অনুপমক উপহাৰ হিচাপে দিছিল। "অনু, তই এদিন ডাঙৰ মানুহ হৈ আমাৰ দৰে পিছপৰা অঞ্চলৰ মানুহবোৰৰ উন্নতিৰ হকে কাম কৰিব লাগিব।"

দেউতাকৰ এই কথাষাৰ শুনি তাৰ দুই চকু অশ্রুসিক্ত হৈ পৰিছিল। অনুৰ দেউতাকে মাকক কৈছিল, "শুনিছা, আমাৰ অনু এদিন ডাঙৰ মানুহ হ'বই।" অনুৰ মাকে পিছদিনা গাঁৱৰ নামঘৰলৈ অনুক লৈ গৈ এগছি বন্তি জ্বলাই দিছিল। ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছিল যে অনু এদিন ভাল শিক্ষা লৈ এই পিছপৰা গাঁওখনলৈ সন্মান কঢ়িয়াই আনে যেন।

ভনীয়েকে মাকক কোৱা কথাকেইষাৰে তাৰ মনটো কোমল কৰি পেলাইছিল। ভনীয়েকে মাকৰ আগত কৈছিল—"মা, দাদা ডাঙৰ হৈ চহৰত ভাল চাকৰি কৰিলে মোক ধুনীয়া ধুনীয়া চোলা-পেণ্ট দিব, ভাল ঘৰ সাজিব, মোক ভাল কলেজত পঢ়াব, ভাল ভাল খোৱাবস্তু আনিব নহয় মা।" মাকে তাইক ধমকি দি কৈছিল, "যা পঢ়িবলৈ যা। এইজনীয়ে বৰকৈ বকি থাকে।" মাকৰ ধমক পাই পোনছাটে তাই গৈ পঢ়া মেজ পালেগৈ।

অনুৱে বুজিছিল ঘৰখনৰ সমস্ত দায়িত্ব তাৰ ওপৰতে নিৰ্ভৰ কৰিছে। অনুৱে দুগুণ উৎসাহেৰে পঢ়াত লাগি গৈছিল। এনেদৰে দিনবোৰ গৈ আছিল। হঠাতে সিহঁতৰ লগতে অতি মৰমৰ গাঁওখনলৈ নামি আহিল কাল অমানিশা, সেই অমানিশাৰ আন্ধাৰে সিহঁতৰ পৰিয়ালটিৰ সুখ, সপোন সকলো গ্ৰাস কৰি পেলালে। অনু তেতিয়া নৱম শ্ৰেণীৰ ছাত্ৰ। বিদ্যালয়ত প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে অনুৰ ফলাফলক লৈ এটা ভাল আশা কৰিছে। বিদ্যালয়ৰ ভিতৰতে অতি চোকা ল'ৰা সি।

শাওণৰ মাহ। সিহঁতৰ খেতিপথাৰৰ কাম প্ৰায়ে শেষ হৈছে, দুই-এদিনমানৰ কাম বাকী আছে। যোৱা এসপ্তাহ ধৰি একেৰাহে বৰষুণ দিছে। আজিও ৰাতিৰ ভাগলৈ বৰষুণ দিবই বোধহয়। অনুপমে পঢ়া মেজৰ পৰাই দেউতাকে মাকৰ আগত কৈ থকা কথাকেইটা শুনিবলৈ পালে, "শুনিছা ! এইবাৰ খেতিডৰা ভালদৰে চপাব পাৰিলে অনুকো টিউছনৰ ব্যৱস্থা কৰি দিব লাগিব। পঢ়াবোৰো টান হৈ আহিছে। তাক পঢ়াই-শুনাই শেষ কৰাব পাৰিলেময়ো আজৰি হ'ব পাৰোঁ।" এই কথাকেইটা কৈ দেউতাকে এটা জয়ৰ হাঁহি মাৰিছিল।

পিছ মুহূৰ্ততে দেউতাকে হুমুনিয়াহ কাঢ়ি কৈছিল—"পিছে বৰষুণৰ কোপত খেতিডৰা ভগৱানে চপাবলৈ দিয়ে নে নিদিয়ে। ইফাল পাগলাদিয়া নৈখনো যিহে ওফন্দি উঠিছে; কেতিয়া পগলা মূৰ্তি ধাৰণ কৰে ক'ব নোৱাৰি। কি হয় একমাত্ৰ নেদেখাজনেহে জানে।" অনুহঁতৰ পৰা এক কিল'মিটাৰমান আঁতৰত মথাউৰিটোও ছিঙো ছিঙো হৈ আছে। কোন মুহূৰ্তত গাঁওখন বুৰাই পেলাব ঠিকনা নাই।

নিশা তেতিয়া ন বাজিছে। অনুৰ মাকে ভাত বাঢ়ি সিহঁতক ভাত খাবলৈ মাতিছে। ভাত খাবলৈ বহি অনুপমে লক্ষ্য কৰিলে যে দেউতাকে ভাতকেইটা লৰাই লৰাই কিবা চিন্তা কৰি আছে। অনুৰ ভাত আধামান খোৱা হৈছিলহে, এনেতে গাঁৱৰ সম্বন্ধীয় খুৰাক এজনে উধাতু খাই দৌৰি আহি ক'লে, "সৰ্বনাশ দাইটি, সৰ্বনাশ হ'ল। মথাউৰিটো ছিঙিলে।" কথাখিনি একে উশাহে কৈ গ'ল। গাঁৱলৈ হো-হোৱাই পানী সোমাব ধৰিছে। প্ৰায় দহ মিনিটমানৰ ভিতৰতে পানী আহি অনুহঁতৰ গাঁৱত সোমাবলৈ ধৰিলে। মানুহৰ মাজত হুৱাদুৱা লাগিল। কোন ক'লৈ যাব, কি কৰিব, ভবাৰ সময় নাপালে। পানী ইমানে বাঢ়ি আহিল যে পানীৰ কোবাল সোঁতত বহুতৰ গোহালিৰ গৰু, ভঁৰালৰ ধান, লাম-লাকটু সকলো উটি গ'ল। অনুৰ দেউতাকে হাতত লেম্পটো লৈ ৰাস্তালৈ বুলি ওলাই গৈছিল, পাছে পাছে অনুপমো আহিছিল। হঠাৎ পানীৰ কোবাল সোঁতে দেউতাকক তাৰ পৰা বহু দূৰলৈ লৈ গ'ল। অনুৱে চাই থকাৰ বাহিৰে একোৱে কৰিব নোৱাৰিলে। মাত্ৰ দে-উ-তা বুলি চিঞৰি দিলে। বহু দূৰৰ পৰা ৰিণিকি ৰিণিকি অহা শব্দ এটা কাণত পৰিল অ-নু... অনুৱে একো কৰিব নোৱাৰি শিলৰ মূৰ্তিৰ দৰে থিয় হৈ থাকিল কিছু সময়। যিজন দেউতাকে জীৱনৰ অন্তিম ক্ষণলৈ সিহঁতৰ প্ৰতি থকা দায়িত্ব নিষ্ঠাৰে পালন কৰি গ'ল, সেইজন দেউতাক তাৰ চকুৰ সন্মুখতে নাইকিয়া হৈ গ'ল, অথচ সি চাই থকাৰ বাহিৰে একোৱেই কৰিব নোৱাৰিলে। কথাবোৰ ভাবি ভাবি তাৰ দুগালেৰে দুধাৰি চকুলো বাগৰি আহিল।

এসপ্তাহমানৰ পিছত পানী কমি আহিল। শস্যবিহীন পথাৰ, সকলো হেৰোৱা গাঁওখন— মানুহখিনি আৰু লগতে দেউতাকবিহীন সিহঁতৰ ঘৰখন। এইবোৰ অনুপমে একেবাৰে সহ্য কৰিব পৰা নাই। দেউতাক অবিহনে ঘৰখন একেবাৰে নিঠৰুৱা হৈ পৰিল। এমাহৰ বিৰতিত মাককো নিয়তিয়ে কাঢ়ি নিলে। গাঁওখনলৈ অহা মহামাৰীয়ে সিহঁতৰ মাকক কাঢ়ি নিয়াৰ পিছত একেবাৰে নিঃসংগ হৈ পৰিল। অনুপমৰ জীয়াই থাকিবলৈ ইচ্ছা নাইকিয়া হৈ পৰিল। কিন্তু ভনীয়েকজনীৰ কথা ভাবি, দেউতাকৰ মনৰ অসম্পূৰ্ণ আশাবোৰৰ কথা চিন্তা কৰি সি জীয়াই থকাৰ সিদ্ধান্ত ল'লে। ভনীয়েকক ওচৰৰ খুৰাকৰ ঘৰত গতাই সি চহৰলৈ ওলাই গ'ল এটা কামৰ সন্ধানত। ৰাতিপুৱাৰ বাছত উঠি সি চহৰ পালে। চহৰ পাই অনুৰ চিন্তা হ'ল, অচিনা চহৰ, অচিন বাট-পথ। ক'লৈ যাব বা কি কৰিব ভাবি-চিন্তি সি ফুটপাথত বহি পৰিল। ভোক লাগিছে, খাবলৈও তাৰ হাতত পইছা নাই। এইবোৰকে ভাবি ভাবি বহি আছে। একো সিদ্ধান্ত কৰিব পৰা নাই। গধূলি হৈ আহিল। এতিয়া ক'ত যাব, ক'ত থাকিব ইত্যাদি কথাবোৰে তাক আৰু ভাগৰুৱা কৰি তুলিলে।

ইমানপৰে ওচৰৰ চাহ দোকানত বহি থকা মিং সত্যব্ৰত শইকীয়াই লক্ষ্য কৰিছিল অনুপমক। শইকীয়া চহৰৰ আগশাৰীৰ মহাবিদ্যালয় এখনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক। শইকীয়ানীও এগৰাকী সুচিকিৎসক। শইকীয়াই ইমান সময় লক্ষ্য কৰি থকা ল'ৰাজনৰ ওচৰলৈ গৈ সুধিবলৈ ল'লে, তোমাৰ নাম কি, ক'ত থাকা, কি কৰা ইত্যাদি।

অনুপমে শইকীয়াৰ পিনে চাই উত্তৰ দি ক'লে—

"মোৰ নাম অনুপম, ঘৰ গাঁৱত।"

শইকীয়াই পুনৰ সুধিলে, "কি কাম কৰা?"

"মই কাম নকৰোঁ। কাম বিচাৰি আহিছোঁ।"

"কি কাম কৰিবা?"

"যি পাওঁ সেয়াই কৰিম।"

"আমাৰ ঘৰত কাম কৰিবা?"

"নিশ্চয় কৰিম।" অনুপমে হাততে সৰগ ঢুকি পোৱা যেন হ'ল।

শইকীয়াই ঘৰলৈ গৈ সকলোবোৰ কথা অনুপমৰ পৰা শুনি অনুৰ প্ৰতি সহানুভূতিৰ চাৱনিৰে চালে। "আমাৰ ঘৰত কাম বিশেষ নাই। আমাৰ ল'ৰা 'পাপুক' স্কুলৰ পৰা অনা-নিয়া কৰা, কেতিয়াবা অকণমান বজাৰ কৰা আৰু বাইদেউৰ লগত ৰন্ধা-বঢ়াত অলপ সহায় কৰিবা। বচ ইমানে।" অনুৱে একেষাৰে হ'ব বুলি থাকি গ'ল।

এনেদৰে দিন গৈ ছমাহ পাৰ হ'ল। অনুৱে তাৰ কৰ্ম আৰু ব্যৱহাৰৰ দ্বাৰা শইকীয়াহঁতৰ মন জয় কৰি পেলাইছে। পাপুক স্কুলত থ'বলৈ গ'লে তাৰো পঢ়িবৰ মন যায়। মাক-দেউতাকৰ সপোন বাস্তৱ কৰিম বুলি দিয়া প্ৰতিশ্ৰুতিৰ কথা মনলৈ আহে। এতিয়া মাজে মাজে অনু পাপুৰ পঢ়া মেজৰ ওচৰত বহি পঢ়াবোৰ চাই থাকে। পাপু সপ্তম শ্ৰেণীৰ ছাত্ৰ। এদিন পাপুৱে অংক এটা ভুলকৈ কৰিছে। অনুৱে দেখি অংকটো শুধৰাই দিলে। মাজে মাজে ইংৰাজী, বিজ্ঞান আদিও পঢ়াই দিয়ে। পাপুৱে সুধিলে—"অনু দাদা, তুমি পঢ়িব জানা নেকি?" অনুৱে উত্তৰ দিলে—"ও, জানো। তোমাৰ দৰে ময়ো এদিন স্কুলত পঢ়িছিলোঁ।"

এই আটাইবোৰ কথা পাপুৱে মাক-দেউতাকৰ আগত ক'লে। তাক পঢ়াই দিয়া, অনুৱে স্কুলত পঢ়া সকলোবোৰ কথা। শইকীয়া আচৰিত হ'ল। অনুৰ মাজত থকা প্ৰতিভাক মৰহি যাবলৈ দিব নোৱাৰি। পিছদিনা ৰাতিপুৱা শইকীয়াই অনুক মাতি আনিলে।

"অনু, তুমিও স্কুলত পঢ়িছিলা?"

"হয়। পঢ়িছিলোঁ।"

"কোন শ্ৰেণীলৈ?"

"নৱম শ্ৰেণীলৈ।"

"এতিয়া যদি তোমাক স্কুলত নাম লগাই দিওঁ তুমি পঢ়িবানে?"

"আংকল, সেই সৌভাগ্য মোৰ জীৱনত নাই।"

"দুখ নকৰিবা, মই তোমাক পঢ়াম, আৰু শুনা, আজিৰ পৰা তুমি মোক আংকল বুলি নামাতিবা। মই তোমাৰ জন্মদাতা পিতৃ নহ'লেও অন্নদাতা পিতৃ।"

অনুৱে মুখেৰে একো ক'ব নোৱাৰিলে। মাথোঁ দুধাৰি চকুলো বাগৰি আহিল।

"চোৱা অনু, তুমি কিন্তু ভালদৰে পঢ়িব লাগিব।"

এইবাৰ অনুৱে দৃঢ়তাৰে ক'লে, "মই আপোনাক 'প্ৰতিশ্ৰুতি' দিলোঁ দেউতা, মই এদিন ডাঙৰ মানুহ হ'মেই।"

শইকীয়াই অনুক স্কুল এখনত নৈশ বিভাগত নাম লগাই দিলে। অনুৱে নতুন জীৱন এটা লাভ কৰিলে। এদিন সি প্ৰবেশিকা পৰীক্ষা দিলে। ফলাফল ঘোষণা কৰিলে। অনুৱে অসমৰ ভিতৰতে দ্বিতীয় স্থান পালে। শইকীয়াৰ সেইদিনা আনন্দৰ সীমা নাই। কিন্তু অনুৱে পাৰ্য্যমানে চকুলো টুকিলে। বাৰে বাৰে মাক-দেউতাকৰ ছবিখন মনলৈ আহি থাকিল। শইকীয়াই পত্নীক উদ্দেশ্য কৰি ক'লে—"আজি গধূলিলৈ ওচৰ-চুবুৰীয়া মানুহখিনিক মাতি এটা চাহৰ পাৰ্টি দিম দিয়া।" শইকীয়ানীও শইকীয়াৰ কথাত একমত। গধূলি পাৰ্টিলৈ মানুহবোৰ আহিল। বিভিন্নজনে বিভিন্ন ধৰণে উপদেশ আগ বঢ়ালে, অনু তুমি ভালদৰে আগলৈও পঢ়িবা। কোনোৱে ক'লে, শইকীয়া, অনু খাঁটি হীৰাৰ টুকুৰা। কোনোৱে ক'লে শইকীয়া, এতিয়া অনুৰ ভৱিষ্যৎ সম্পৰ্কে কি ভাবিছে?

অনুক শইকীয়াৰ কলেজতে নাম লগাই দিলে। সি এতিয়া দুই-চাৰিটা টিউছনো যোগাৰ কৰি ল'লে। নিজৰ পঢ়া খৰচ কিছু ওলায়। সমানে নিজৰ পঢ়াখিনিও আগ বঢ়াই নিলে। এদিন অনু ৰাজনীতি বিভাগত ফাৰ্ষ্টক্লাছ ফাৰ্ষ্ট হৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে। অনুৱে শইকীয়াক সুধিলে, "দেউতা, মই আই.এ.এছ. পৰীক্ষা দিব খোজোঁ।"

"চোৱা অনু, এই ক্ষেত্ৰত তুমি যিটো ভাল পোৱা কৰা। য'ত যি সহায়ৰ প্ৰয়োজন হয় মই আছোঁ।"

কেইমাহমান পাছত অনুৱে সৰ্বভাৰতীয় আই.এ.এছ. পৰীক্ষা দিলে। অনুৰ ফলাফল ওলাল। অনুৱে পঞ্চম স্থান অধিকাৰ কৰি সুখ্যাতিৰে পাছ কৰিলে। ৰিজাল্ট পায়েই কাকতখন শইকীয়াৰ হাতত দি ক'লে, "দেউতা, মোৰ ৰিজাল্ট ওলাল।" শইকীয়াই কাকতখন চাই চকু থৰ হৈ ৰ'ল। অনুক বুকুত সাবটি ধৰি ক'লে, "অনু, তুমি তোমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিলা।" শইকীয়ানী দৌৰি আহি অনুৰ দুগালত চুমা দুটা খাই কান্দি দিলে। এয়া কান্দোন আনন্দৰ। অনুৱেও দুয়োকে ভৰিত ধৰি প্ৰণাম কৰি ক'লে, "মা-দেউতা, আশীৰ্বাদ কৰক যাতে ভৱিষ্যতে আগ বাঢ়ি যাব পাৰোঁ।"

কিছুদিন পাছত অনুৱে জিলা উপায়ুক্ত হিচাপে কৰ্মত যোগদান কৰিলে। ভনীয়েককো তাৰ লগলৈ লৈ আহিল। ভনীয়েকেও গণিত বিভাগত অনাৰ্ছ লৈ বি.এছ.চি. পাছ কৰি ব্যক্তিগত বিদ্যালয় এখনত যোগদান কৰিছে। অতি সুখেৰে দিনবোৰ গৈ আছে। অনুৰ কৰ্মদক্ষতাত বিভাগীয় মুৰব্বীসকলে ভাল পাইছে। তাৰো ভাল লাগিছে। সকলোবোৰ কাম সময়মতে কৰে অনুৱে।

এবছৰমান যোৱাৰ পাছত অনুৰ বদলিৰ নিৰ্দেশ পালে। এখন অতি পিছপৰা বানপীড়িত অঞ্চললৈ বদলি হ'ল অনুপমৰ। ডাৱৰীয়া বতৰটোৱে বাৰে বাৰে অতীতত এৰি অহা আপদীয়া দিনবোৰৰ কথা মনলৈ আনি দিয়ে। এই কথাবোৰে তাক হতাশ কৰি তোলে। বাৰে বাৰে আকাশখনলৈ চাইছে অনুৱে। বাহিৰলৈ গৈছে বাৰে বাৰে, আকৌ ড্ৰয়িং ৰুমলৈ আহিছে। দুই-এবাৰ কাকতখনত চকু দিছে। একো কামতে মন বহা নাই তাৰ। তাক বৰ অস্থিৰ কৰি তুলিছে। মাজে মাজে চিঞৰি ক'বৰ মন যায় তাৰ—"দেউতা, তোমাৰ অনু এতিয়া ডাঙৰ মানুহ। তোমাক দিয়া প্ৰতিশ্ৰুতি মই ৰাখিছোঁ, দেউতা। চাই যোৱাহি তুমি।" আকৌ থমকি ৰয় অনু।

এনেতে ভনীয়েকে চিঞৰি চিঞৰি সোমাই আহিল, "দাদা, দাদা তোমাৰ ফ'ন।" ভনীয়েকৰ মাতত অনু ঘূৰি আহিল বাস্তৱলৈ। ফ'নটো ৰিচিভ কৰিলে অনুপমে—"হেল্ল', হেল্ল'—হয় ছাৰ, ছাৰ মথাউৰিটো ছিঙিল ছাৰ।"

"কি?" উচাপ খাই উঠিল অনুপম। অনুৱে অকণো দেৰি নকৰি সাজপাৰ পিন্ধি গেৰেজত থকা গাড়ীখন লৈ ওলাই গ'ল। কিছুমান দুৰ্ভগীয়া মানুহক সহায় কৰাৰ আশা বুকুত বান্ধি তীব্ৰ গতিত অনুৱে গাড়ী চলাই দিলে...। ❖

# বদলি

## ■ আনতাৰা মুবাছছিৰা হক খন্দকাৰ

**নৱম শ্ৰেণী**



সূৰুযৰ সোণালী পোহৰে লাহে লাহে কুঁৱলী আঁতৰাই নিছে। ৰ'দৰ মিঠা আমেজে লাহে লাহে পৃথিৱী চুইছে। পুহ মাহৰ এটি সুন্দৰ ৰাতিপুৱা। এই সুন্দৰ ৰাতিপুৱাৰ সময়ছোৱাত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ আছে এখন গাড়ী। গাড়ীখনেৰে যাত্ৰা কৰিছে তিনিজনীয়া সদস্যৰে এটি সৰু পৰিয়াল। গন্তব্যস্থল তেজপুৰ পাবলৈ এতিয়াও আৰু বহু দেৰি। সকলোৱে বাহিৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰাত মগ্ন। মাথোঁ উপভোগ কৰিব পৰা নাই যাত্ৰাটিত অংশ লোৱা আটাইতকৈ কনিষ্ঠ সদস্যাগৰাকীয়ে। কিবা যেন ভাৱসাগৰত বুৰ গৈ আছে কিশোৰীজনী। মনত অলেখ প্ৰশ্ন, অলেখ ভাবৰ বুৰবুৰণি।

কেনেকুৱা বা হ'ব তাৰ ল'ৰা-ছোৱালীবোৰ? শিক্ষক-শিক্ষয়িত্ৰীৰ লগত তাই মিলিব পাৰিবনে? এই বদলিটো নোহোৱা হ'লে ইমান কোনো সমস্যাই নাথাকিলহেঁতেন। খঙতে তাই ভোৰভোৰালে। খং আৰু অভিমান মিশ্ৰিত। আবেগে তাইৰ মনত ক্ৰিয়া কৰিছে। হয়, তাইৰ দেউতাকৰ চাকৰিসূত্ৰে বদলি হৈছে। গোৱালপাৰাৰ পৰা তেজপুৰলৈ। পিছে বদলি শব্দটো তাইৰ বাবে নতুন নহয়। মাথোঁ শব্দটিৰ আগত, আকৌ শব্দটিহে নতুনকৈ লগ লাগিছে। এই শব্দটিৰ সৈতে জড়িত হৈ আছে তাইৰ বহুতো তিতা-মিঠা স্মৃতি। অৱশ্যে এই স্মৃতি ডাৰ্ক চকলেটৰ দৰে। তিতাটো বেছি, মিঠাটো কম।

"এ আপী ক'ৰ পৰা আহিছা?" গোৱালপাৰাত প্ৰথমদিনা সোধা বাক্যশাৰী তাইৰ কাণত এতিয়াও বাজি থাকে।

"কি?" বেঙী ছোৱালী এজনীৰ দৰে তাই সুধিছিল। গোৱালপাৰাৰ স্থানীয় ভাষা তাইৰ বাবে অকণো পৰিচিত নাছিল। কিন্তু সেই সময়ত তাইৰ মন আজিৰ দৰে ভীতিগ্ৰস্ত নাছিল। মনত নাছিল কোনো সংশয়। সেই সময়ত তাইৰ মন ভৰি আছিল উত্তেজনাৰে। যিয়ে নাইকিয়া কৰি দিছিল পুৰণি বন্ধু-বান্ধৱী এৰি অহাৰ দুখ-যন্ত্ৰণা।

"বাঃ, নতুন স্কুললৈ যাম, কিযে মজা লাগিব, ইমানবোৰ নতুন বন্ধু-বান্ধৱী, বেছ জমিব দেই।" নতুন স্কুলৰ দিবাস্বপ্নত বিভোৰ আছিল তাই। কিন্তু বাস্তৱ জীৱন কেতিয়াও স্বপ্নৰ দৰে মধুৰ নহয় আৰু সেয়া সোনকালেই স্পষ্ট হৈ পৰিছিল। জিৰণিৰ সময়ত যেতিয়া সকলোৱে কথা-বতৰাত মগ্ন হৈ আছিল নাইবা হুলস্থূল কৰি আছিল তেতিয়া তায়ে কেৱল বেঞ্চত মূৰ গুঁজি নিশ্চুপ হৈ বহি থাকিবলগীয়া হৈছিল। এনেকুৱা নহয় যে তাই কথা ক'বলৈ কেতিয়াও চেষ্টা কৰা

নাছিল। কৰিছিল এবাৰ-দুবাৰ নহয়, বহুবাৰ। কিন্তু সিহঁতে তাইক আওকাণ কৰি চলিহে ভাল পাইছিল। সেই সময়ত তাইৰ ফেকুৰি ফেকুৰি কান্দিবলৈ মন গৈছিল। কিন্তু তাই সিমান দুৰ্বল নাছিল। বহু সময় তাইক বহা বেঞ্চখনৰ পৰা উঠি যাবলৈ কোৱা হৈছিল। ওলাওঁ ওলাওঁ হোৱা চকুলো এটি শুকান হাঁহিৰে ঢাকি নিৰৱে উঠি গৈছিল। ৰাতি এইবোৰ ভাবি তিতি গৈছিল তাইৰ গাৰু। চিঞৰি চিঞৰি কান্দিবলৈ মন গৈছিল আৰু ক'বলৈ মন গৈছিল তাইৰ—"মইনো তোমালোকৰ কি কৰিলোঁ, কিয়নো কৰি থাকা তোমালোকে মোৰ লগত এনেকুৱা?" কিন্তু কোৱা নাছিল তাই, কাকোৱেই কোৱা নাছিল। মাক-দেউতাক কাকোৱেই কোৱা নাছিল তাইৰ মনৰ যন্ত্ৰণাবোৰ। কাৰণ কোনেও বুজিব নোৱাৰিব সেয়া। সেই সময়ত তাই একমাত্ৰ সাৰথি কৰি লৈছিল কাগজক। কাৰণ এন ফ্ৰাংকৰ দৰে তায়ো ভাবে মানুহতকৈ কাগজৰ ধৈৰ্য্যশক্তি বেছি। সেয়ে তাই তাইৰ সকলো মনৰ কথা কাগজকেই কৈ গৈছিল।

"মাজনী, আহা কিবা এটা খাই লওঁ"—মাকৰ মাতত যেন তাই সাৰ পাই উঠিল। কিমান সময় যে তাই পুৰণি স্মৃতি ৰোমন্থন কৰি আছিল তাই গমেই পোৱা নাছিল। মাকৰ মাতত লাহে লাহে তাই গাড়ীৰ ভিতৰৰ পৰা ওলাই আহিল। তাইৰ মাক-দেউতাক দুয়োজনে খুব স্ফূৰ্তিত কথা পাতি আছে আৰু খাই আছে। তাইৰহে একোতে মন নাই। সিহঁতৰ বাবে স্ফূৰ্তিৰে কথা, কাৰণ তাইৰ দেউতাকৰ কেৱল বদলিয়ে নহয়, প্ৰমোছনো হৈছে। কিন্তু তেওঁলোকে তাইৰ মন জোকাৰি যোৱা ধুমুহাৰ অকণো উম-ঘাম পোৱা নাইনে!

কিছু লঘু আহাৰ গ্ৰহণ কৰাৰ পিছত সকলোৱে গাড়ীত উঠিল। হঠাৎ তাই খিৰিকীৰে চুমিৰ দৰে দেখাত এজনী ছোৱালী দেখা পালে। চুমিয়েনো এতিয়া বাৰু কি কৰি আছে? তাই এতিয়াও কান্দিয়ে আছে নেকি? তাইৰ ডাৰ্ক চকলেটৰ দৰে স্মৃতিৰ মিঠা অংশখিনিয়ে হ'ল চুমি। খীণ-মীন, অনবৰতে হাঁহি থকা ৰঙিয়াল এজনী ছোৱালী। চুমিৰ কথা ভাবিয়ে তাইৰ দুচকু সেমেকি উঠিল। চুমি তাইৰ আটাইতকৈ প্ৰিয় বান্ধৱী। কেৱল সেইখন স্কুলতে নহয়, তাইৰ যিমানবোৰ বান্ধৱী আছে, সকলোৱে মাজৰ আটাইতকৈ প্ৰিয় বান্ধৱী হ'ল চুমি। চুমি তাইৰ বাবে ঘোৰ অমাবস্যা ৰাতিৰ জোনাকী পৰুৱা। যেতিয়া তাইৰ প্ৰতি কোনেও সঁহাৰি জনোৱা নাছিল, তেতিয়া চুমিয়েই তাইক সংগ দিছিল। চুমিয়ে লাহে লাহে তাইৰ মনৰ শূন্যতাখিনি পূৰ কৰিছিল। অনবৰতে চুমিয়ে তাইক খুহুটীয়া কথা কৈ হঁহুৱাইছিল। মাজে মাজে কিছুমান ঘটনা এনে নাটকীয় ভংগীত কৈছিল যে হাঁহিত পেট ফাটি যায় যেন অৱস্থা হৈছিল তাইৰ আৰু কেতিয়াবা খং উঠিলে মুখখন বেলুনৰ দৰে ফুলাই ৰাখিছিল। "তই সঁচাকৈয়ে পাগলী হৰ"—মাজে মাজে হাঁহি ৰখাব নোৱাৰি কৈছিল তাই। সঁচাকৈয়ে বৰ সৰল চুমিজনী। বিদায়ৰ সময়ত দুয়োজনী উটি-ভাহি গৈছিল কান্দোনত। ক'ব পৰা নাছিল বিদায় কথাষাৰ। কিন্তু মনে মনে প্ৰতিশ্ৰুতি দিছিল, আকৌ লগ হোৱাৰ প্ৰতিশ্ৰুতি, একেলগে হঁহাৰ প্ৰতিশ্ৰুতি। তাই কেতিয়াও কোৱা নাছিল চুমিক—"চুমি, তুমি বহুত বহুত বহুত ভাল। তুমি নথকা হ'লে যে মই কি কৰিলোঁহেঁতেন!" কিয় বাৰু কোৱা নাছিল তাই? হয়তো উপলব্ধি কৰিব পৰা নাছিল তেতিয়া। তাইৰ চকুৰ আগত চুমিৰ বেলুনৰ দৰে ফুলি থকা মুখখন ভাহি উঠিল।

"মাজনী, কি ভাবি আছানো তেতিয়াৰে পৰা। নামা, আমি তেজপুৰ পালোঁহি নহয়।" দেউতাকৰ মাতত তাই উচপ খাই উঠিল। খিৰিকীৰে বাহিৰলৈ চকু ফুৰাই চালে—নতুন ঠাই, নতুন মানুহ। মনৰ ভিতৰত মাথোঁ এটা প্ৰশ্নৰে আৱিৰ্ভাৱ হ'ল। আৰুনো কিমানবাৰ, কিমানবাৰ তাই সন্মুখীন হ'ব লাগিব বদলি নামৰ এই প্ৰত্যাহ্বানৰ। ❖


# এটা নতুন জীৱনৰ আৰম্ভণি

■ প্ৰিয়ংকা দত্ত
দশম শ্ৰেণী

"মুকুল, কথা পাতি নাথাকিবি।"—বুলি কৈ নয়ন ছাৰে আকৌ পঢ়াই থকা পাঠটোৰ মাজলৈ সোমাই গ'ল। তেনেতে ছাৰৰ আকৌ এবাৰ মুকুলৰ ওপৰত চকু পৰিল। তেতিয়াও সি কথা পাতিয়েই আছিল। "ঐ ল'ৰা, এবাৰ ক'লে বুজি নাপাব নেকি হা! নিজেতো ক্লাছত মনোযোগ দিয়াই নাই লগতে লগৰটোকো দিগদাৰ দি আছ। এতিয়াই ক্লাছৰ পৰা ওলাই যা।" কথাষাৰ শুনি মুকুলে লগে লগে বহি থকাৰ পৰা উঠি অলপো সংকোচ নকৰাকৈ শ্ৰেণীৰ বাহিৰলৈ ওলাই আহিল। মুকুলৰ সৈতে প্ৰায়েই এনেকুৱা ঘটনা ঘটিয়েই থাকে, আজিকালিতো তাৰ বাবে এইবোৰ সাধাৰণ কথা হৈ পৰিছে।

সৰুৰে পৰাই মুকুল এটা অত্যন্ত উৎপতীয়া, চঞ্চল আৰু পঢ়া-শুনাত আগ্ৰহ নথকা ল'ৰা। কিন্তু অন্তৰৰ পৰা সি বহুত ভাল। তথাপি নিজ স্বভাৱৰ বাবে সি বিদ্যালয়ত এটা দুষ্ট ল'ৰা হিচাপেহে খ্যাত। তাৰ উৎপতীয়া স্বভাৱৰ বাবে সি সৰুৰে পৰাই শিক্ষক-শিক্ষয়িত্ৰী আৰু মাক-দেউতাকৰ পৰা বহুতো গালি-শপনি খাই আহিবলগীয়া হৈছে। কিন্তু এইটোও নহয় যে তাক সকলোৱে কেৱল গালিয়েই পাৰি আহিছে। তাক এবাৰ শ্ৰেণীত লতা বাইদেৱে কৈছিল, "জান, মুকুল, পৃথিৱীত এনে বহুতো বিখ্যাত নাম থকা ব্যক্তি আছে, যিসকলৰ স্বভাৱ-চৰিত্ৰ সৰুতে একদম তোৰ দৰেই আছিল। মানুহে তেওঁলোকক বিভিন্ন কথা শুনাই গালি-শপনিও পাৰিছিল। মানে তেওঁলোকো তোৰ দৰেই এটা সাধাৰণ ল'ৰা আছিল। কিন্তু আজি আকৌ তেওঁলোকৰ নাম ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ। কাৰণ এসময়ত তেওঁলোকে বুজি উঠিছিল যে সকলো মানুহৰে নিজ জীৱনৰ এটা উদ্দেশ্য থাকে। কঠোৰ পৰিশ্ৰম তথা সাধনাৰ বলত আমি অসম্ভৱ কামকো সম্ভৱ কৰি তুলিব পাৰোঁ।" তেতিয়া মুকুলে মনতে ভাবিছিল—"এঃ! বাইদেৱে যে কয় আৰু দেই। মোৰ দৰে ল'ৰা এটাই যিমানেই চেষ্টা, কষ্ট নকৰক কিয় কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে। কাৰণ মোৰ ভাগ্যই বেয়া।"

মুকুল যিমান ডাঙৰ হৈ আহিবলৈ ধৰিলে তাৰ স্বভাৱৰো অৱনতি ঘটি আহিবলৈ ধৰিলে। সময় বাগৰি অহাৰ লগে লগে সি গোটেই বিদ্যালয়খনতে এটা অধঃপতনে যোৱা ল'ৰা হিচাপে খ্যাত হৈ পৰিল। কিন্তু তাতকৈ তলৰ শ্ৰেণীত পঢ়া কিছুমান ল'ৰাৰ বাবে সি আকৌ সিহঁতৰ 'হিৰো' হৈ পৰিল আৰু সেই কিছুসংখ্যকে মুকুলৰ স্বভাৱবোৰ অনুসৰণ কৰিবলৈ আৰম্ভ কৰিলে। যেনেকৈ মুকুলেও এসময়ত তাতকৈ বহুত ডাঙৰ মণ্টু দাদাক অনুসৰণ কৰিবলৈ আৰম্ভ কৰিছিল...। আজিকালি মুকুলক ঘৰত মাক-দেউতাকে বা বিদ্যালয়ত ছাৰ-বাইদেউসকলে ইমানকৈ বৰ বিশেষ একো নকয়। কেতিয়াবা কিবা এটা-দুটা কথা শুনালেও বা উপদেশ দিলেও মুকুলে গুৰুত্বই নিদিয়ে। কিন্তু যেতিয়া ৰূপমে মুকুলক বিভিন্ন কথা কয়, ঠাট্টা কৰে তেতিয়া কিন্তু মুকুল খঙত একো নাই হৈ পৰে। ৰূপম মুকুলৰ লগত একেলগে পঢ়ে, পৰীক্ষাত সদায় ভাল নম্বৰ পায়। যিবোৰ ল'ৰা-ছোৱালীৰ পৰীক্ষাৰ ফলাফল বেয়া হয় সি সিহঁতক কিন্তু ঠাট্টা কৰিবলৈ নেৰে। মানুহক বিভিন্ন কথা কৈ, ইতিকিং কৰি ৰূপমে খুব ভাল পায়। নিজৰ এনে ব্যৱহাৰ আৰু চৰিত্ৰৰ দ্বাৰা পৰীক্ষাত ভাল নম্বৰ পালেও যে ভিতৰি ভিতৰি সি নিজেই যে এটা ডাঙৰ শূন্য সেই কথাই সি মানুহক জনাই দিয়ে। ৰূপমে যেতিয়াই সুযোগ পায় তেতিয়াই সি মুকুলক



বিভিন্ন ধৰণৰ কথা শুনাই ঠাট্টা কৰে। কেতিয়াবাতো কথা ডাঙৰ হৈ পৰিলে দুয়োৰে মাজত কাজিয়াও হয়। সেই কাজিয়া শ্ৰেণীটোৰ আন ল'ৰা-ছোৱালীবোৰে ৰং মনেৰে উপভোগ কৰে। সাধাৰণভাৱে ক'বলৈ গ'লে মুকুলৰ লগত প্ৰায়েই বিভিন্ন ধৰণৰ বহুতো ঘটনা ঘটিয়েই থাকে।

আজি মুকুল মামাকৰ ঘৰলৈ কেইদিনমান থাকিম বুলি আহিছে। মামাকৰ ঘৰলৈ সি প্ৰায়েই অহা-যোৱা কৰিয়েই থাকে। তাতে আকৌ মামাকৰ ঘৰৰ ওচৰতেই সি পঢ়া বিদ্যালয়খনো। তেতিয়া সন্ধিয়া ৮ বাজিছে। মুকুলে বেলকনিতে বৈ কেইদিনমান আগতেই শেষ হৈ যোৱা ছয়মাহিলি পৰীক্ষাটোৰ বিষয়ে ভাবি আছিল, "হে প্ৰভু ! এইবাৰ মোক বচাবা আৰু, মোক চকু মেলি চাবা...। পৰীক্ষাত কি লিখি থৈ আহিছোঁ মই নিজেই নাজানো।" কথাখিনি মুখৰ ভিতৰতে ভোৰভোৰাই থাকোঁতে হঠাৎ তাৰ চকু ৰাস্তাৰ ষ্ট্ৰীট লাইট এটাৰ তললৈ পৰিল। সি ষ্ট্ৰীট লাইটৰ তলত দুটা ল'ৰা বহি থকা দেখিলে। সি তললৈ নামি গ'ল, যেতিয়া সি ল'ৰা দুটাৰ ওচৰ পালে সি দেখিলে ল'ৰা দুটাই চিঞৰি চিঞৰি কিতাপ পঢ়ি আছে। সি এনে দৃশ্য চিনেমাতহে দেখিছিল। আজি বাস্তৱ জীৱনতে দেখিবলৈ পালে। ল'ৰা দুটাৰ অৱস্থা বৰ বেয়া আছিল, সিহঁতৰ মুখকেইখন ভোকত শুকাই আছিল। ল'ৰা দুটাক মহে চাৰিওফালৰ পৰা আগুৰি ধৰিছিল। তথাপি সিহঁতে সকলো কথা পাহৰি কেৱল পঢ়াত মগ্ন হৈ আছিল। মুকুলে সিহঁতৰ ওচৰতে বহু সময় বৈ সিহঁত দুটালৈ থৰ লাগি চাই থাকিল। সি অলপ সময়ৰ পাছত ল'ৰা দুটাৰ কাষলৈ গৈ সিহঁতৰ লগত কথা পাতিবলৈ চেষ্টা কৰিলে। অৱশেষত সি গম পালে যে সিহঁত দুটা ককায়েক-ভায়েক। সিহঁতৰ ঘৰত শান্তিৰে পঢ়া-শুনা কৰাৰ পৰিৱেশ নাই, সদায় মাক-দেউতাকৰ কাজিয়া লাগে আৰু সিহঁত থকা বস্তিটোতো কাৰেণ্ট নাথাকেই। মুকুলৰ মামাকহঁতে বাস কৰা ঠাইখিনিত গাড়ী-মটৰৰ হুলস্থূল বহুত কম। ঠাইখিনি শান্তিপূৰ্ণ হোৱা বাবে সময় পালেই সিহঁত দুটাই কিতাপ-বহী আদি লৈ ষ্ট্ৰীট লাইটকেইটাৰ তলতেই পঢ়িম বুলি ওলাই আহে।

ৰাতি ভাত-পানী খাই মুকুল বিছনাত উঠিল। তাৰ মনত বাৰে বাৰে সেই ল'ৰা দুটাৰ কথাকেই আহি থাকিল। সি বহু সময় সাৰেই থাকিল। সি চকুকেইটা মুদি শুবলৈ চেষ্টা কৰিলে, কিন্তু তাৰ টোপনিয়েই নাহিল। সি বিছনাৰ পৰা তৎক্ষণাৎ উঠি গ'ল, লাইটটো জ্বলালে আৰু আইনাখনৰ সন্মুখত থিয় হ'ল। তাৰ নিজৰ মুখখন চাবলৈ মন নগ'ল। সি ক'বলৈ ধৰিলে, "যিকেইটা ল'ৰাই এদিন খায়, এদিন লঘোন দিব লগা হয়, যিকেইটা ল'ৰাৰ পিন্ধিবলৈ কাপোৰ নাই, কোনো ধৰণৰ সা-সুবিধা নাই তথাপি সিহঁতৰ চকুত কোনো দুখ-কষ্টৰ চিন নাই, আছে মাথোন অলেখ সপোন। আৰু মোৰ... মোৰতো সকলো আছে। সৰুৰে পৰাই মা-দেউতাই মোক ইমান মৰমেৰে ডাঙৰ-দীঘল কৰিছে। তেওঁলোকে মোক আজিলৈ কোনো ধৰণৰ কষ্ট পাবলৈ দিয়া নাই। নিজে নাখায়ো মোক খুৱাইছে। কিন্তু মই?

মই যেতিয়া মাৰ লগত সৰু সৰু কথাতেই কাজিয়া কৰোঁ, যেতিয়া দেউতা গধূলি ভাগৰি-জুগৰি ঘৰত সোমায় মই তেওঁক মাত এষাৰ দিয়াৰ পৰিবৰ্তে মোৰ পঢ়াৰ বস্তু কিনিব আছে বুলি ফাকি মাৰি পইছা খোজোঁ আৰু...।" সি আৰু বৈ থাকিব নোৱাৰিলে, সি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। তাক ইমানদিনে স্কুলত শিক্ষক-শিক্ষয়িত্ৰীসকলে আৰু পিতৃ-মাতৃয়ে যিবোৰ ভাল কথা কৈছিল, সেই সকলোবোৰ কথাই তাৰ মনত পৰিবলৈ ধৰিলে। সকলোৰে মাতবোৰ তাৰ কাণত বাজি থাকিল। সি মজিয়াত শুই পৰিল। কথাবিলাক ভাবি থাকোঁতে তাৰ কেতিয়ানো টোপনি আহিল সি গমেই নাপালে। বহু সময় নিদ্ৰাৰত অৱস্থাত থকাৰ পিছত এটা সময়ত সি হঠাৎ সাৰ পাই উঠিল। তেতিয়া সূৰ্য্যৰ কিৰণে বন্ধ কোঠালিটোক অলপ অলপকৈ পোহৰাই তুলিবলৈ আৰম্ভ কৰিছিল। সি মজিয়াৰ পৰা উঠি গ'ল আৰু খিৰিকীখন খুলি দিলে। খিৰিকীখন খুলি সি দূৰৰ আকাশখনলৈ চাই থাকিল। সি এটা নতুন জীৱনক স্বাগতম জনালে। ❖

# ভাগ্যৰ খেলা

**■ প্ৰজ্ঞান শৰ্মা**
**দশম শ্ৰেণী**

বিপুল এক কৰুণ চৰিত্ৰ। তাৰ জীৱনত কেৱল দুখহে আছিল, যি দুখৰ কোনো সমাধান নাছিল তাৰ। অসমৰ সীমান্তত অৱস্থিত এখন অতি পিছপৰা গাঁৱৰ এটা অতি দুখীয়া পৰিয়ালত তাৰ জন্ম হৈছিল। তাৰ বাবে জীৱন বৰ সহজ নাছিল। প্ৰতিটো দিনতেই সি জীৱনৰ লগত সংগ্ৰাম কৰিব লগা হৈছিল। ভাগ্যই অতি নিষ্ঠুৰতাৰ পৰিচয় দিলে তাৰ ক্ষেত্ৰত। সঁচাই বাৰু ভাগ্য কাৰোবাৰ ক্ষেত্ৰত ইমান নিষ্ঠুৰ হ'ব পাৰেনে? আচৰিত !

মাত্ৰ ন বছৰ বয়সতে গুৱাহাটীৰ এটা ঘৰত কাম কৰা ল'ৰা হিচাপে আহিব লগা হৈছিল সি। সেয়া মাত্ৰ তিনিমাহ আগৰ কথা। বৰ ভাল আছিল সি। নম্ৰ, ভদ্ৰ তথা অমায়িক। পাছে সি কাম কৰিবলৈ অহা ঘৰখনৰ মানুহবোৰে তাক মানুহ বুলিয়েই গণ্য নকৰিলে। অত্যাচাৰ, উৎপীড়নেৰে বিষময় কৰি তুলিলে তাৰ জীৱন। তাৰো সেইবোৰ সহ্য কৰাৰ বাহিৰে অন্য কোনো গত্যন্তৰ নাছিল। এটা ন বছৰীয়া অসহায় শিশুৱে তাতকৈ বেছি কি কৰিব পাৰে? সি মাত্ৰ বিচাৰিছিল এষাৰি মৰমৰ মাত। সেই এষাৰি মৰমৰ মাতেই যথেষ্ট আছিল তাৰ কোমল মনটো স্পৰ্শ কৰিবলৈ। পাছে পালে জানো সি সেই মৰমৰ মাতটো? নাই, ক'ত পাব ! তাৰ আশা আশাই হৈ ৰ'ল।

তাৰ মালিকৰ ল'ৰাকেইজনে একেলগে সমনীয়াৰ লগত খেলিছিল, ফুৰিবলৈ গৈছিল, ৰং-বিৰঙৰ দামী কাপোৰ পিন্ধিছিল, নানা তৰহৰ সুস্বাদু খাদ্য খাইছিল। বিপুলৰ শিশু মনটোৱেও বিচাৰিছিল তেনেদৰে স্ফূৰ্তি কৰিবলৈ, খেলিবলৈ, ৰং-বিৰঙৰ কাপোৰ পিন্ধিবলৈ। তাৰো মন গৈছিল সিহঁতৰ দৰে সুস্বাদু আহাৰ খাবলৈ। পাছে সি পিন্ধিবলৈ পাইছিল এযোৰ ফটা-ছিটা উৰলি যোৱা কাপোৰ। ৰাতি ঠাণ্ডাত কঁপি থাকিছিল সি। দিনৰ দিনটো কাপোৰ ধোৱা, বাচন ধোৱা, ঘৰ মচা আদি কামবোৰ কৰাৰ পাছত সি কেক, বিস্কুট, চকলেট আদি খাবলৈ পোৱাটোতো দূৰৈৰ কথা, প্ৰতি সাঁজত সি খাবলৈ পাইছিল মাত্ৰ দুখন শুকান ৰুটী আৰু ফিকা চাহ একাপ। অৱশ্যে গালি-শপনি, নিন্দা-ককৰ্থনা, শাস্তি তথা মাৰ-ধৰৰ কোনো অভাৱ নাছিল তাৰ। দৈনিক প্ৰয়োজনতকৈ সি সেইবোৰ বেছিকৈহে পাইছিল। পেটৰ



ভোকৰ জ্বালাত সি মালিকহঁতৰ প্লেটত বৈ যোৱা জুঠা খাদ্য, মাংসৰ হাড়ত লাগি থকা অৱশিষ্ট অংশ আদিও খাব লগা হৈছিল।

ডাঙৰ ঘৰটোত এটুকুৰাও ঠাই নোলাল সি শুবলৈ। অকলে অকলে ষ্টʼৰৰুমত থাকিবলৈ দিয়া হʼল তাক। ৰাতি ভয়তে চিঞৰি চিঞৰি কান্দিছিল সি। হাজাৰ হওক সি এটা ন বছৰীয়া শিশুহে মাথোন। পাছে কোনো গুৰুত্ব নিদিলে তাৰ কান্দোনত। ৰাতি মূৰত হাত ফুৰাই মৰম কৰিবলৈ, নিচুকাই সান্ত্বনা দিবলৈ এই জগতত কোনো নাছিল তাৰ। লাহে লাহে সি বুজি পাইছিল, নিচুকাব পৰা হৈছিল নিজৰ মনটোক। জীৱন যুদ্ধত অকলেই সি এজন যোদ্ধাৰ দৰে যুঁজিছিল নিজৰ জীৱনৰ বিৰুদ্ধে, নিজৰ ভাগ্যৰ বিৰুদ্ধে। এনেদৰে জীৱনৰ এই কঠিন সত্যই এটা ফুলকুমলীয়া লʼৰাক পৰিণত কৰিছিল এজন যোদ্ধালৈ। নহয়, এজন সাহসী যোদ্ধালৈ।

নিয়তিৰ কি খেলা ! জীয়াই থকাৰ সুখকণো চাগেʼ তাৰ কপালত ভগৱানে লিখা নাছিল। এদিনৰ কথা, ব্ৰহ্মপুত্ৰৰ পাৰৰ এঠাইত বনভোজ খাবলৈ গৈছিল তাৰ মালিকহঁতৰ পৰিয়ালটো। তাৰ ভাগ্য নে দুৰ্ভাগ্য নাজানো, তাক বনভোজস্থলীলৈ লৈ যোৱা হৈছিল। অৱশ্যে খেলিবলৈ, খাবলৈ নহয়, বস্তু কঢ়িয়াবলৈহে। তেতিয়াই ঘটি গʼল সেই অপ্ৰত্যাশিত দুৰ্ঘটনাটো। মালিকৰ লʼৰাকেইজনে ব্ৰহ্মপুত্ৰৰ পাৰত মাছ মাৰি আছিল। বিপুলেও ওচৰতে ইটো-সিটো কাম কৰি আছিল। তেনেতে বিপুলৰ মালিকৰ সৰু লʼৰা দ্বীপৰ বৰশীত এটা ডাঙৰ মাছ লাগিল। মাছটোৰ লগত হোৱা টনা-টনিৰ ফলত তাৰ হাতখন বৰশীৰ লগত বান্ধ খাই পৰিল। মাছটোৱে দুৰ্ভাগ্যক্ৰমে দ্বীপক নদীৰ মাজলৈ টানি লৈ গʼল। দ্বীপৰ ককায়েকহঁতে সহায়ৰ বাবে চিঞৰিবলৈ ধৰিলে। কিন্তু দ্বীপক বচাবলৈ কাৰো সাহস নহʼল।

বিপুলে ঘটনাটো দেখি কিছু চিন্তা কৰাৰ পাছত পানীত জাঁপ দিলে। ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ লগত যুঁজি যুঁজি সি কোনোমতে দ্বীপৰ ওচৰ পালে। সি দ্বীপৰ চুলিত ধৰি তাক প্ৰাণপণে পাৰলৈ আনিবলৈ চেষ্টা কৰিলে। তাৰ ন বছৰীয়া শক্তিকণেৰেনো সি কʼত ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ লগত যুঁজি দ্বীপক পাৰলৈ আনিব পাৰিব ! অৱশেষত দুয়োকে ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতে উটুৱাই লৈ গʼল।

নিজৰ প্ৰাণৰ কথা চিন্তা নকৰি আনক উদ্ধাৰ কৰিবলৈ যোৱা সেই ন বছৰীয়া নিষ্পাপ শিশুটিৰ কিমান সাহস হʼব লাগিব? আচৰিত ! সকলোৱে দ্বীপৰ মৃত্যুত শোক প্ৰকাশ কৰিছিল। কিন্তু বিপুলৰ বাবেহে কান্দোতা কোনো নাছিল। কোনো নাছিল তাৰ সাহসিকতাৰ প্ৰশংসা কৰিবলৈ। এয়াই হয়তো বিপুলৰ ভাগ্য ! অʼ নহয়, ক্ষমা কৰিব, বিপুলৰ লগতে তাৰ দৰে অন্য সকলো দুখীয়া, পীড়িত মানুহৰে ভাগ্য ! ❖

# মাতৃ

■ ডেভিদ দাস

নৱম শ্ৰেণী



হঠাতে সূৰ্য্যৰ কিৰণ হীৰকৰ মুখত পৰিল। এতিয়াও সি সাৰ পোৱা নাই। "জান, উঠিবলৈ হোৱাই নাই নেকি? পুৱা ৭-৩০ বাজিল, স্কুললৈ নাযাৱ নেকি?" মাকৰ মাত শুনি হীৰক উঠিল। সি স্কুললৈ যাবলৈ সাজু হ'ল। সি খাই-বৈ উঠি বিদ্যালয়লৈ বুলি ওলাল। সি বিদ্যালয়লৈ যোৱাৰ পৰিবৰ্তে সি গ'ল তিনিআলিটোৰ বাঁওফালে চুকত থকা পাণদোকানখনলৈ। সি দোকানখনৰ পৰা এটা চিগাৰেট কিনি খাবলৈ ধৰিলে। তাৰ বয়সৰ দৰে সৰু ল'ৰাই চিগাৰেট খোৱা উচিত নহয়। সি চিগাৰেট খাই থাকোঁতে হঠাৎ সিহঁতৰ শ্ৰেণী শিক্ষক প্ৰণৱ বৈশ্যই সেই ৰাস্তাৰে খৰধৰকৈ গৈ থাকোঁতে হীৰকৰ সৈতে খুন্দা খালে। হীৰকে তাৰ পৰা পলাবলৈ লওঁতেই শিক্ষকে তাৰ হাতত ধৰিলে। তাক এনে অৱস্থাত দেখি দুটামান চৰ শোধালে আৰু তাক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ ওচৰলৈ লৈ গ'ল আৰু তাৰ সকলো কথা বিবৰি ক'লে। সেই কথা শুনি প্ৰধান শিক্ষক অগ্নিশৰ্মা হ'ল। তেওঁ খঙতে হীৰকক এছাৰিৰে কোবালে।

ইফালে হীৰকৰ মাতৃয়ে অফিছলৈ যাবলৈ ওলাইছে। তেওঁ আৰু তেওঁৰ পুত্ৰ এই পৃথিৱীখনত অকলশৰীয়া। হীৰকৰ দেউতাক দুৰ্ঘটনাত ঢুকাইছে। সিও লাহে লাহে ডাঙৰ হৈছে। মনৰ দুখ বৃদ্ধি পাইছে। সি সেইবাবে অপৰাধ জগতত খোজ দিছে। এদিন তাৰ সমনীয়া এজনে তাক ড্ৰাগছ খাবলৈ দিছিল। সি কিন্তু খাব খোজা নাছিল, হয়তো সি জানিছিল যে এতিয়াও পৃথিৱীত সি অকলশৰীয়া নহয়, তাৰ মাতৃও আছে তাৰ লগত। কিন্তু সি লাহে লাহে এইবোৰ খাবলৈ আৰম্ভ কৰিছিল, কাৰণ এদিন তাৰ মাকে সি কৰা দোষৰ বাবে তাক এটা চৰ শোধাইছিল আৰু সেই চৰটোৰেই আছিল মাতৃ আৰু পুত্ৰৰ মাজৰ শত্ৰু। তাৰ ফলত সেই ৰাতি সি বাহিৰলৈ গৈ ড্ৰাগছ, চিগাৰেট খাইছিল।

হীৰকৰ মাকে আজি হীৰকৰ বাবে তাৰ পছন্দৰ খাদ্য বনাই থৈছে আৰু অফিছলৈ যাবলৈ ওলাওঁতে হঠাতে বাজি উঠিল তেওঁৰ ম'বাইল ফ'নটো। "হেল্ল', আপুনি হীৰকৰ মাক নেকি?" "অ' হয়, কওকচোন।" "আপুনি সোনকালে তাৰ বিদ্যালয়লৈ আহক।" এক ভয় আৰু আতংকৰ মাজেৰে হীৰকৰ মাক স্কুললৈ গ'ল। তেওঁ প্ৰধান শিক্ষকৰ কোঠালৈ গৈ সমস্ত কথা জানিব পাৰি তেওঁ ক'লে, "তাক ক্ষমা কৰি দিয়ক। এয়া মোৰেই দোষ। মই ভালদৰে হীৰকক শাসন কৰিব পৰা নাই। তাৰ ঠাইত মোকে শাস্তি দিয়ক।" কথাখিনি কৈ হীৰকৰ মাক উচুপি উঠিল।

দুয়ো ঘৰলৈ উভতি আহিল। সি ভাবিছিল হয়তো মাকে তাক গালি পাৰিব, মাৰিব বা ঘৰৰ পৰা উলিয়াই দিব। কিন্তু মাকে তেনে একো কৰা নাছিল। তাৰ পাছত মাকে হীৰকৰ কাষত বহি লৈ ক'লে, "বোপাই, মই তোক কি দিয়া নাই যে তই এইবোৰ কৰ?" সি তেতিয়া মাকৰ মুখত তাৰ প্ৰতি আন্তৰিকতাৰ প্ৰকাশ দেখিলে। সি গম পালে মাকে তাক বেয়া নাপায়, আচলতে সি ভাল হোৱাৰ বাবেহে গালি পাৰে। কোনো মাকে নিজৰ সন্তানৰ অহিত চিন্তা নকৰে। সি কথাখিনি বুজি মাকক ক্ষমা খুজি ক'লে, "মা, মোৰ ভুল হৈছিল, মই হয়তো জনা নাছিলোঁ, বুজা নাছিলোঁ তোমাৰ বেদনা। মই এতিয়াহে উপলব্ধি কৰিছোঁ।" সেই কথা শুনি মাকে হীৰকক ক্ষমা কৰি দিলে আৰু ক'লে, "সকলো সমস্যাৰ সমাধান খঙেৰে নহয়, বিবেকেৰে কৰিবি।" তাৰ পাছত দুয়ো সুখেৰে দিন কটালে আৰু হীৰকে মাকক কোনোদিনে অমান্য নকৰিলে। ❖

# উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী কল্পবিজ্ঞান লেখিকা বন্দিতা ফুকন বাইদেউৰ সৈতে আন্তৰিক আলাপ

**(অসমীয়া শিশু তথা কিশোৰ-সাহিত্যৰ ক্ষেত্ৰখনলৈ প্ৰভূত বৰঙণি আগ বঢ়াই অহা আমাৰ আটাইৰে পৰিচিত এটি নাম বন্দিতা ফুকন। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী কল্পবিজ্ঞান লেখিকা বন্দিতা ফুকন এগৰাকী ঔপন্যাসিক, গল্পকাৰ আৰু অনুবাদকো। ১৯৪৮ চনৰ ১৬ ফেব্ৰুৱাৰীত শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত জন্মগ্ৰহণ কৰা বন্দিতা ফুকন বাইদেউৰ এতিয়ালৈকে প্ৰকাশিত গ্ৰন্থৰ সংখ্যা ১২৬ খন। ২০১১ চনত শিশু-সাহিত্যৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা বন্দিতা ফুকন বাইদেউ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী যান্ত্ৰিক অভিযান্ত্ৰিকী** (Mechanical Engineering) **শাখাত স্নাতক ডিগ্ৰী পোৱা মহিলা অভিযন্তা। জীৱনমুখী মানসিকতাৰ অধিকাৰী, নিয়মানুৱৰ্তী, আত্মবিশ্বাসী, নিৰহংকাৰী বাইদেউৰ স'তে 'বাখৰ'ৰ হৈ লোৱা সাক্ষাৎকাৰৰ সংক্ষিপ্ত আৰু সম্পাদিত অংশ পঢ়ুৱৈসকললৈ আগ বঢ়োৱা হ'ল।)**



**বাখৰ : বাইদেউ, আপুনি লিখাৰ প্ৰতি কেতিয়াৰ পৰা আগ্ৰহী হৈছিল? আপোনাৰ জীৱনত কিবা উল্লেখনীয় ঘটনা ঘটিছিল নেকি যাৰ দ্বাৰা অনুপ্ৰাণিত হৈ আপুনি লিখিবলৈ লৈছিল?**

**বন্দিতা ফুকন :** মই অইন প্ৰতিষ্ঠিত লেখকৰ দৰে শৈশৱৰ পৰা লিখা আৰম্ভ কৰা নাই। বিয়াৰ পিছতহে লিখিবলৈ লৈছোঁ। তাৰ আগতে পঢ়া-শুনাত খুবেই ব্যস্ত হৈ আছিলোঁ বাবে লিখিবলৈ সময়ে পোৱা নাছিলোঁ। গতিকে মই হঠাৎ লিখিবলৈ আৰম্ভ কৰিছিলোঁ। আনকি মোৰ প্ৰথম শিশু-সাহিত্য বিষয়ক গ্ৰন্থখনে পুৰস্কাৰ পাওঁতে সকলো আচৰিত হৈছিল।

নাই, তেনে কোনো উল্লেখনীয় ঘটনা নাই যাৰ বাবে মই লেখক হ'লোঁ।

**বাখৰ : বাইদেউ, লিখাৰ প্ৰতি আপোনাৰ কেনেদৰে আগ্ৰহ জন্মিল? আপুনি লেখাৰ বাবে কাৰ পৰা প্ৰেৰণা পাইছিল?**

**বন্দিতা ফুকন :** সৰুৰে পৰা খুব বাংলা কিতাপ পঢ়িছিলোঁ। ইংৰাজীও পঢ়িছিলোঁ। এদিন সদৌ অসম শিশু উপন্যাস প্ৰতিযোগিতাৰ বিজ্ঞাপন দেখি কিতাপ এখন লিখি পঠিয়াই দিলোঁ আৰু পুৰস্কাৰো পালোঁ। সেই তেতিয়াৰ পৰাই লিখিবলৈ আৰম্ভ কৰিলোঁ। বিশেষকৈ শিশু-সাহিত্য লিখিবলৈ আৰম্ভ কৰিলোঁ।

প্ৰেৰণা বুলি ক'লে মই নিজেই নিজৰ প্ৰেৰণা। অন্য কোনো প্ৰেৰণাদাতাৰ কথা মোৰ মনলৈ অহা নাই।

**বাখৰ : বাইদেউ, আপোনাৰ প্ৰথম লেখাটো কি আছিল?**

**বন্দিতা ফুকন :** প্ৰথম লেখাটো মই অনুবাদ কৰিছিলোঁ। ই বিজ্ঞানভিত্তিক আছিল। অ' হেনৰি, ছেখভৰ বিভিন্ন গল্প অনুবাদ কৰিছিলোঁ। অনুবাদৰ জৰিয়তেই সাহিত্যৰ জগতত প্ৰৱেশ কৰিছিলোঁ। বিভিন্ন লেখকৰ বিভিন্ন কিতাপ পঢ়িছিলোঁ। তেতিয়া সেয়াই আমাৰ কৰ্মশালাৰ দৰে আছিল। তোমালোকেও খুব পঢ়িবা, তেতিয়া লিখিব পাৰিবা।



মই প্ৰথম অনুবাদ কৰিছোঁ, তাৰ পিছতহে গল্প তথা আন লেখা লিখিছোঁ।

**বাখৰ : বাইদেউ, আপোনাৰ ল'ৰালি কালৰ বিষয়ে অলপ ক'ব নেকি?**

**বন্দিতা ফুকন** : তোমালোকে 'জুমি, ৰীমা আৰু সিহঁত'খন পঢ়িবা। তাতেই মোৰ ল'ৰালি কালটো সোমাই আছে।

মই জনজাতীয় ল'ৰা-ছোৱালীৰ লগত ডাঙৰ-দীঘল হৈছিলোঁ, অৰুণাচলৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত। আৰু সেইকাৰণে এতিয়াও মোৰ পাহাৰীয়া মানুহ খুব আপোন যেন লাগে। কোনোবাই যদি পাহাৰীয়া মানুহৰ বিষয়ে বেয়াকৈ কয়, মোৰ খুব খং উঠে। সৰুতে আমি যি পৰিৱেশত ডাঙৰ হওঁ সিয়ে আমাৰ চৰিত্ৰটো গঢ়ে। অৰুণাচলৰ প্ৰাকৃতিক পৰিৱেশে মোক প্ৰকৃতিক চাবলৈ শিকালে, সকলো মানুহৰ লগত কেনেকৈ বন্ধুত্ব কৰিব লাগে শিকালে আৰু বহুতো শিক্ষা দিলে।

**বাখৰ : বাইদেউ, আপুনি 'সন্ধান' নামৰ কিতাপখন যে লিখিছে, সেইখন আপুনি কি উদ্দেশ্য আগত ৰাখি লিখিছে?**

**বন্দিতা ফুকন** : মই আচলতে ভৱিষ্যতৰ কাৰণে লিখিছোঁ। এতিয়া আমি বহুত গ্ৰহ-নক্ষত্ৰলৈ চাই আছোঁ, ক'ত মানুহ থাকিব পাৰে। আমাৰ পৃথিৱীত এতিয়া প্ৰদূষণ বাঢ়িছে, সেইকাৰণে আমি আৰু এখন পৃথিৱী গঢ়িব খোজোঁ, সেয়া আমি চাই আছোঁ। 'সন্ধান'ৰ যে এডৱাৰ্ড, তেওঁ চুইট পি নামৰ গ্ৰহটো বিচাৰি উলিয়াইছিল। সেই গ্ৰহটোত পানী আছিল। কিন্তু কোনোবাই গৈতো তাত জীৱনটো আৰম্ভ কৰিব লাগিব।

মোক বহুতে ফ'ন কৰে যে 'সন্ধান'খন সঁচা নেকি? এবাৰ মোক এজনে আহি ক'লে যে আপুনি ছায়েন্স ফিকছন লিখক। গতিকে তেনেকৈ লিখোঁতে লিখোঁতে 'যদি'খন হ'ল, 'সন্ধান' হ'ল, 'চতুৰ্মাত্ৰিক' হ'ল। 'চতুৰ্মাত্ৰিক' হ'ল 4 Dimension. 4 Dimension কি ক'ম নেকি? আমি যে কওঁ ভূত-প্ৰেত, এই ছবিখন লৰিছে, এই চকীখন (বাইদেউৰ কাষৰ এখন চকী) খালী দেখিছা নহয়? Somebody may be sitting here। মোৰ ওচৰত হয়তো বহি শুনি আছে মই কি কৈ আছোঁ। কিন্তু সেয়া ভূত নহয়। তাৰ মানে আমি মানুহে 3 Dimansionলৈ দেখোঁ। আমাৰ চকুৰ ক্ষমতা হ'ল 3 Dimansion। আমি কি দেখোঁ—দৈৰ্ঘ্য, প্ৰস্থ, উচ্চতা। যেতিয়া অণুবীক্ষণ যন্ত্ৰবোৰ নাছিল, তেতিয়া মানুহে বেমাৰ-আজাৰ হ'লে কি কয়—যে অপদেৱতাই আক্ৰমণ কৰিছে। কাৰণ তেতিয়ালৈকে তেওঁলোকে জীৱাণুটো দেখাই নাই। এদিনতো আমি 4 Dimansionলৈ যাম। আমি 4 Dimansionও দেখিম। তেতিয়া হয়তো আমি দেখিম যে তাতে কিছুমান প্ৰাণীয়ে বাস কৰি আছে। বতাহ দেখা জানো? বতাহৰ এটা শক্তি আছে নে নাই? সেই গছ ভাঙিছে, চকী লৰাইছে। সেইবুলি বতাহটো ভূত নেকি? নহয়। It's a power। সেইকাৰণে মই 4 Dimansion লিখিছোঁ, চতুৰ্মাত্ৰিক। মই যে ক'লোঁ, চকীখনত কোনোবা বহি আছে, চকীখন যদি অলপ লৰি যায়, তেতিয়া আমি ভূতে লৰাইছে বুলি ক'ম নেকি? মই নকওঁ। Somebody is here—যাৰ কিবা এটা power আছে যে চকীখন লৰাব পাৰিছে। এতিয়া তেওঁক মই নেদেখোঁ কিয়? কাৰণ মই 4 Dimansion নেদেখোঁ।

**বাখৰ : বাইদেউ, বৰ্তমান আমাৰ অনলাইন মাধ্যমত পাঠদান চলি আছে। এই ব্যৱস্থাৰ বিষয়ে আপোনাৰ মন্তব্য কি?**

**বন্দিতা ফুকন :** এতিয়া দেশৰ পৰিস্থিতিটো এনেকুৱাই, গতিকে এই পৰিস্থিতিৰ মাজতে শিকিব লাগিব। এতিয়া অনলাইন ক্লাছৰ যোগেদি কিবা এটা নহয়, কিবা এটা শিকি আছা। আমাৰ মাহঁতে কৈছিল মহাযুদ্ধৰ সময়ত সকলোৱে ঘৰ-দুৱাৰ মাৰি সোমাই আছিল। এতিয়াও এনেকুৱা এটা পৰিস্থিতিত তোমালোকে ঘৰতেই sincerely ক্লাছবোৰ কৰিব লাগিব। এতিয়া ক'ৰোনা হৈছে, তাৰ বাবে অনলাইন ক্লাছ হৈছে, উপায় নাই। পৰিস্থিতিয়ে বাধ্য কৰাইছে। এই পৰিস্থিতিৰ ওপৰত মই এখন কিতাপ লিখিছোঁ, কিতাপখন ওলাব। 'Lockdownত সোণটিহঁত'। এইখন মই Lockdownত লিখা। তাত সোণটিৰ বন্ধু এটা আছে পোহৰ নামৰ। কিতাপখন পঢ়িলে গম পাবা। এতিয়া অনলাইন ক্লাছ দিছে বাবে একো দুখ নকৰিবা, হয়তো এতিয়া গোটেই জীৱন অনলাইন ক্লাছ কৰি থাকিব লাগিব পাৰে, তেতিয়া কি কৰিবা? Science Fictionৰ এটাই ভাল যে ই বহুত আগতে ভৱিষ্যতে হ'ব পৰা ঘটনাবোৰ ধাৰণা কৰে। আজিৰ পৰা ৫০ বছৰ আগতে Online class হ'ব পাৰে বুলি ধাৰণা ওলাইছিল।

**বাখৰ : বাইদেউ, এতিয়া যদি আমি ধৰি লওঁ আজিৰ পৰা ৫০-৬০ বছৰৰ পাছত মানুহে এনেকুৱা প্ৰাণী বিজ্ঞানৰ দ্বাৰা সৃষ্টি কৰিলে যি অদৃশ্য হ'ব পাৰে বা এনেকুৱা শক্তি প্ৰয়োগ কৰিব যি সমাজত বেয়া কাম কৰি ফুৰে। এতিয়া এই প্ৰাণীটোৰ আধাৰত এটা কাহিনী লিখিলে সেইটো ভৌতিক কাহিনী হ'বনে?**

**বন্দিতা ফুকন :** নহ'ব। এইটো ভৌতিক গল্প কেতিয়াও হ'ব নোৱাৰে। কাৰণ প্ৰাণীটোৰ সৃষ্টি হ'ব লেবৰেটৰিত। যিদৰে এটা কোষ লৈ গৱেষণাগাৰত গৰু, ছাগলী সৃষ্টি কৰিছে, তুমিও তেনেকুৱা প্ৰক্ৰিয়াৰে গৈ গৈ এটা প্ৰাণী সৃষ্টি কৰিব পাৰা। যেনেদৰে ক'ৰোনা এতিয়া সৃষ্টি হৈছে, ই হৈছে এটা মানৱসৃষ্ট ভাইৰাছ। এই যে আইসকল হয়, মানুহে কয় আইসকল আহিছে। ধূপ-ধূনা জ্বলাই, ৰোগীজন বেলেগকৈ ৰাখে। কাৰণ চৈধ্য দিনৰ পিছত ভাইৰাছটো মৰি যায়। বৈজ্ঞানিক কাৰণটো হ'ল ৰোগীজনক isolationত ৰাখে যাতে ভাইৰাছটো বিয়পি নাযায়। এইটো হ'ল প্ৰাকৃতিক ভাইৰাছ, কিন্তু ক'ৰোনা মানুহে সৃষ্টি কৰিছে। Frankenstein পঢ়িছা? মেৰি ছেলিৰ? তেওঁ প্ৰথম কল্পবিজ্ঞান লেখিকা। মেৰি ছেলিয়ে 'ফ্ৰেংকেনষ্টাইন' চৰিত্ৰটো সৃষ্টি কৰিছে। মেৰি ছেলিয়ে লিখিছিল যে ফ্ৰেংকেনষ্টাইনৰ নিচিনা ভয়াবহ প্ৰাণী এটা পৰীক্ষাগাৰত সৃষ্টি কৰা হ'ল আৰু যিজনে সৃষ্টি কৰিছিল তেৱেঁই সেই প্ৰাণীটোৰ ভয়ত পলাই ফুৰিব লগা হ'ল। সি এটা destructive প্ৰাণী হৈ পৰিল। পাহাৰে-পৰ্বতে, নদ-নদীয়ে সি ঘূৰি ফুৰিব পাৰে। এতিয়া তুমি কোৱাৰ দৰে ফ্ৰেংকেনষ্টাইনৰ নিচিনা প্ৰাণী যদি আমি সৃষ্টি কৰোঁ, সি আমাকেই মাৰিব। তুমি যদি লেবৰেটৰিত তাক সৃষ্টি কৰা, তেন্তে সেইটো কল্পবিজ্ঞান। কিন্তু তুমি যদি হঠাতে কিবা এটা দেখিছা, কিবা এটা হৈছে তেন্তে সেইটো ভৌতিক।

**বাখৰ : বাইদেউ, আপুনি কাহিনীটো আগতে ভাবি লয় নে লিখি যাওঁতে আপোনাৰ মনলৈ আহি যায়?**

**বন্দিতা ফুকন :** মোৰ দুয়োটাই হয়। কেতিয়াবা মোৰ হঠাৎ বহু দিনৰ বা বহু বছৰ আগৰ ঘটনা মনত পৰে, তেতিয়াও মই লিখোঁ আৰু কেতিয়াবা মই শূন্যৰ পৰা আৰম্ভ কৰোঁ। মই একো ভবা নাই, কলমটোৱে মোক গাইড কৰে বা আজিকালি কম্পিউটাৰটোৰ কি-ব'ৰ্ডখনে গাইডৰ কাম কৰে। মানে কেতিয়াবা কাগজ-কলম লৈ বহোঁ নহ'লে কম্পিউটাৰটোৰ কি-ব'ৰ্ডখনে গাইড কৰি লৈ যায়।

**বাখৰ : আপুনি প্ৰায় দুবছৰ কাল আমেৰিকাত আছিল। এই সময়ছোৱাত হোৱা অভিজ্ঞতাসমূহৰ বিষয়ে আমাক অলপ জনাব নেকি? তাৰ পৰা আপুনি কি শিকিলে?**

**বন্দিতা ফুকন :** মই দুবছৰ আমেৰিকাত আছিলোঁ। তাত দেখিছিলোঁ মানুহৰ কোনো ইগ' নাই মানে নিজৰ প্ৰতি



গৰ্ব নাই। তাত প্ৰত্যেকজন মানুহে কাম কৰে। মই য'ত কাম কৰিছিলোঁ মোৰ তাত কোনো পিয়ন নাছিল । মোৰ টেবুলত এটা কম্পিউটাৰ থাকে, এটা ফেক্স মেচিন আৰু এটা প্ৰিণ্টাৰ থাকে। গতিকে মই অকলে পাঁচজনমান মানুহৰ কাম কৰিছিলোঁ। তাত আৰু এটা দেখিলোঁ যে মানুহে খুব কাম কৰে। সোমবাৰৰ পৰা শুক্ৰবাৰলৈ কাম কৰে আৰু শনিবাৰে জিৰণি লয়। আগতে ভাবিছিলোঁ শনিবাৰে তেওঁলোকে খুব স্ফূৰ্তিত থাকে, সেইটো নহয়। বহুত মানুহে সাতমান বজাতে কামলৈ যায়। কিন্তু কিছুমান মানুহৰ চাকৰি বহু দূৰত, তেওঁলোকে তিনি বজাতে উঠি কামলৈ যায়। আৰু সেয়ে শনিবাৰে মানুহবোৰ শুই থাকে। আৰু তাৰ মানুহবোৰে ইমান পৰিশ্ৰম কৰে যে মোৰ দেখি ভাল লাগিল।

**বাখৰ : আপুনি বৰ্তমান সময়ৰ শিশু-সাহিত্যৰ বিষয়ে কি ভাবে?**

**বন্দিতা ফুকন :** প্ৰথম কথা, মই এগৰাকী সমালোচক হিচাপে কৈছোঁ—মই যেতিয়া কোনোবা লেখিকা সন্থা/লেখিকা সমাৰোহলৈ যাওঁ, মোক বহুত কিতাপ দিয়ে। সেই কিতাপবোৰৰ বেছিভাগেই মনত ৰাখিবলগীয়া নহয়। মই প্ৰেমেন্দ্ৰ মিত্ৰৰ গল্প পঢ়িছোঁ, সত্যজিৎ ৰায়ৰ কিশোৰ গল্প পঢ়িছোঁ। তেওঁলোকে গল্পবোৰ যেতিয়া লিখে সেইবোৰ বহুত যতন কৰি লিখে। মূল কথাটো হ'ল শিশু-সাহিত্য পঢ়ি শিশুৱে আমোদ পাব লাগিব, ভাল পাব লাগিব। তেনে ধৰণে তেওঁলোকে লিখে। আমাৰ মানুহে ভাবে যে শিশুৰ বাবে লিখিলোঁ আৰু শিশু-সাহিত্যিক হৈ গ'লোঁ। আমাৰ শিশু-সাহিত্যৰ উন্নতিৰ বাবে লেখকসকলে আৰু কষ্ট কৰিব লাগিব। শিশুৰ বাবে লিখাটো সাধনা হিচাপে ল'ব লাগিব।

মই 'জয়মতী'খন লিখিছোঁ। 'অমৰচিত্ৰ কথা'ই মই ইংৰাজী ভাষাত লিখা 'জয়মতী' নামৰ কমিকছখন প্ৰকাশ কৰিছিল। 'অমৰচিত্ৰ কথা'ৰ সম্পাদকজনে 'লাচিত বৰফুকন' কমিকছখনত লাচিত বৰফুকনৰ মোমায়েকক শেষত চাওদাংসকলে ধৰি লৈ যোৱা দেখুৱালে। মই তেওঁলৈ চিঠি লিখিলোঁ যে এইটো আমাৰ Historyৰ মতে ভুল। লাচিত বৰফুকনে মোমায়েকক শিৰচ্ছেদ কৰিছিল, Beheaded কৰিছিল। তেতিয়া তেওঁ মোক ক'লে, "মেম। ময়ো জানো। লাচিত বৰফুকনে মোমায়েকৰ ডিঙিটো কাটি পেলাইছিল। কিন্তু মই যদি সেইটো চিত্ৰত আঁকোঁ, সেইটো এটা ভয়াবহ 'scene' হ'ব, যিটো মই শিশুক দেখুৱাব নোৱাৰোঁ। মই তোমালোকৰ বহুত অসমীয়া পাঠ্যপুথিত দেখিছোঁ ডিঙিটো কাটি দিছে আৰু মূৰৰ পৰা সোঁ-সোঁকৈ তেজ বৈ গৈছে। সেই 'scene'টো শিশুসকলৰ বাবে গ্ৰহণযোগ্য নহয়। গতিকে মই অকণমান 'Twist' কৰিছোঁ। সেইকাৰণে মই শিৰচ্ছেদটো নকৰালোঁ।" এইটো অমৰচিত্ৰ কথাৰ 'Editor'এ মোক এটা ডাঙৰ শিক্ষা দিলে। তেতিয়ালৈ মই শিশু-সাহিত্যত প্ৰৱেশ কৰা নাই। তেতিয়াৰ পৰা মই ভাবিলোঁ যে মই যদি কেতিয়াবা শিশু-সাহিত্য লিখোঁ মই তাত ভয়ানক 'scene'বোৰ নিদিওঁ। শিশুৰ কোমল মনলৈ যাতে সেই ভয়ানক 'scene'টো নাহে।

**বাখৰ : যিদৰে সকলো পিতৃ-মাতৃৰ নিজৰ সন্তানবোৰৰ ভিতৰত কোনো এগৰাকীৰ প্ৰতি অলপ হ'লেও বেছি মৰম থাকে বা বহুত বিষয়ৰ ভিতৰত আমি এটা**

**বিষয়কে আমাৰ প্ৰিয় বিষয় বুলি স্বীকৃতি প্ৰদান কৰোঁ, ঠিক তেনেদৰে আপুনি নিজৰ অনুপম ৰচনাৰাজিৰ ভিতৰত কোনখন গ্ৰন্থক শ্ৰেষ্ঠ আসন দিব বিচাৰে?**

**বন্দিতা ফুকন :** ধৰি লোৱা মই মাক। মোৰ তিনিটা ল'ৰা-ছোৱালী আছে। তিনিওটাই মোৰ কাৰণে শ্ৰেষ্ঠ। মহাভাৰতত গান্ধাৰীক সুধিছিল—তোমাৰতো এশটা সন্তান আছে, তুমি কাক শ্ৰেষ্ঠ বুলি ভাবা? তেতিয়া তেওঁ কৈছিল মোৰ এশটা সন্তান আছে। গোটেইকেইটা মোৰ প্ৰিয়। শ্ৰীকৃষ্ণক তেওঁ বুকুখন ফালি দেখুৱাই দিছিল যে তেওঁৰ বুকুত এশটা ফুটা আছে। মোৰ কিতাপবোৰ হ'ল মোৰ বুকুত থকা একো একোটা ফুটা। গতিকে মই নাজানো। সেইটো পাঠকে বিচাৰ কৰিব। মোৰ কাৰণে গোটেইকেইখনেই প্ৰিয়। মই কষ্ট কৰি লিখিছোঁ। কোনখন ভাল হৈছে, কোনখন বেয়া হৈছে সেইটোতো মই নাজানো। এতিয়া 'সেউজীয়া ধৰণী'য়ে সাহিত্য অকাডেমী পাইছে। গতিকে মই কম নেকি যে 'সেউজীয়া ধৰণী' মোৰ শ্ৰেষ্ঠ কিতাপ! সাহিত্য অকাডেমী কিবা কাৰণে দিলে আৰু। আটাইবোৰ কিতাপেই মোৰ বাবে মৰমৰ।

**বাখৰ : ইমান ব্যস্ততাৰ মাজত আপুনি কোনখিনি সময় লিখাৰ বাবে বাছি উলিয়ায়?**

**বন্দিতা ফুকন :** ৰাতি। মই বিৰাট টোপনি খতি কৰোঁ। মই দিনত নিলিখোঁ। দিনত মই টিভি ছিৰিয়েল চাওঁ, বাতৰি শুনো। ৰাতি চাৰে দহ বজাৰ পিছত লিখোঁ। ৰাতি লিখিবলৈ খুব ভাল। কাৰণ ৰাতি কোনো কৰিবলগীয়া কাম নাথাকে। মোক কোনেও মাতি নাথাকে।

**বাখৰ : বাইদেউ, আপোনাৰ ভৱিষ্যৎ পৰিকল্পনা কি? আপুনি নতুনকৈ কিবা কিতাপ লিখাৰ কথা ভাবিছে নেকি?**

**বন্দিতা ফুকন :** আচলতে কি জানা? মই কেতিয়া কি লিখোঁ সেইটো মই নাজানো। মই লিখি ভাল পাওঁ, লিখিয়ে থাকিম।

শিশু গ্ৰন্থ এখন আৰম্ভ কৰিছোঁ লিখিবলৈ। আৰু অলপতে মই এখন ডাঙৰ কিতাপ অনুবাদ কৰিলোঁ লকডাউনত। এইচ.জি. ৱেলছ এজন বিখ্যাত সাহিত্যিক। তেওঁৰ বিখ্যাত সৃষ্টি 'দা ইনভিজিবল মেন'খন দুবাৰ অনুবাদ হৈছে। কিন্তু এখন কিতাপ তেওঁৰ অনুবাদ হোৱা নাই—'দা টাইম মেচিন'। সেইবাবে মই এইখন কিতাপ অনুবাদ কৰিলোঁ। এইটো মোৰ জীৱনৰ এটা আশাও আছিল। এনেকৈ মই লিখিয়ে আছোঁ কিবাকিবি।

**বাখৰ : বাইদেউ, আজি আপোনাৰ লগত ইমান সময়ে কথা পাতি বৰ ভাল লাগিল, বহুত কথা শিকিলোঁ। আজিৰ দিনটো আমাৰ বাবে স্মৰণীয় হৈ ৰ'ব। আপোনাক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ।**

**বন্দিতা ফুকন ঃ** তোমালোকলৈও অশেষ মৰম যাচিলোঁ। ধন্যবাদ।

সাক্ষাৎ গ্ৰহণৰ তাৰিখ : ১৮-০৯-২০২১

স্থান : অসম জাতীয় বিদ্যালয় ❖



**নিবিড় স্পন্দন নাথ,** তৃতীয় শ্ৰেণী



**অংশু মেধি,** চতুৰ্থ শ্ৰেণী

# বৰদৈচিলা

■ আৰ্জিয়াছ হান্নান
তৃতীয় শ্ৰেণী

যোৱা বছৰ ব'হাগ বিহুলৈ কেইদিনমান বাকী থাকোঁতে আমি গাঁৱৰ ঘৰলৈ আহিছিলোঁ। তেতিয়া চ'ত মাহ শেষ হওঁ হওঁ। এদিনাখন আবেলি পৰত চাৰিওফালে আন্ধাৰ হৈ আহিল আৰু তাৰ পাছতে জোৰেৰে অহা এজাক ধুমুহাই মোৰ চকুৰ সন্মুখতে বহুতো গছ-গছনি ভাঙি-ছিঙি থৈ গ'ল। লগে লগে বোকোচাত লৈ আহিল এজাক বৰষুণ। মই বহুত ভয় খালোঁ। আগতে কেতিয়াও এনেকুৱা দেখা নাই।

দেউতা কাষতে থকাত দৌৰি গৈ তেওঁক সাবটি ধৰিলোঁ আৰু এইবোৰ বতাহ কেনেকৈ আহিল প্ৰশ্ন কৰিলোঁ। দেউতাই ক'লে, এয়া হেনো বৰদৈচিলা। মই দেউতাক বৰদৈচিলা মানে কি সুধিলোঁ। দেউতাই ক'লে, বৰদৈচিলা হ'ল চ'ত মাহৰ শেষৰ পৰা ব'হাগ মাহলৈ অসম দেশত বোৱা এজাক ধুমুহা। এই ধুমুহাই হেনো অসমৰ কৃষকসকললৈ আশাৰ বতৰা লৈ আহে। গছে-বনে ন ন কুঁহিপাতেৰে সাজোনমতী হৈ উঠে আৰু কি জানা?

আমাৰ দেশৰ মানুহবোৰে কৰি অহা বিশ্বাস মতে বৰদৈচিলা হেনো এগৰাকী বিবাহিতা মহিলা। ব'হাগ মাহ আহিলেই হেনো তেওঁ বৰদৈচিলা হৈ মাকৰ ঘৰলৈ আহে আৰু ব'হাগ পাৰ হৈ যেতিয়া জেঠ মাহ উপস্থিত হয় বৰদৈচিলা অহা বাটেৰে গিৰীয়েকৰ ঘৰলৈ যোৱাৰ বাবে সাজু হয়। মাকৰ ঘৰ এৰি যোৱাৰ দুখত বৰদৈচিলাই কান্দিবলৈ ধৰে আৰু তেতিয়া বৰদৈচিলাৰ চকুলোবোৰ হেনো বৰষুণ হৈ পৃথিৱীত পৰে। ❖

# মোৰ প্ৰিয় ঠাই

■ ধ্ৰুতিস্মান ডেকা
তৃতীয় শ্ৰেণী

মোৰ প্ৰিয় ঠাইখন হ'ল বৰপেটা জিলাৰ সৰ্থেবাৰী। ইয়াত হিন্দু, মুছলমান আদি নানান ধৰ্মৰ লোকে বাস কৰি আছে।


সৰ্থেবাৰী কাঁহশিল্পৰ বাবে বিখ্যাত। ইয়াত কাঁহৰ বিভিন্ন বাচন-বৰ্তন তৈয়াৰ কৰে। যেনে, কাঁহী-বাটি, কলহ, শৰাই, বটা, জাপি আদি। এইবোৰ বাচন দেশৰ বিভিন্ন ঠাইলৈ বিক্ৰীৰ বাবে নিয়া হয় আৰু বহুতো সমাদৰ লাভ কৰিবলৈও সক্ষম হৈছে। এই শিল্পৰ লগত জড়িত হৈ বহুতো মানুহে নিজৰ জীৱন-ধাৰণ নিয়াৰিকৈ চলিব পাৰিছে।

সৰ্থেবাৰীত দুখন সত্ৰ আছে। মহাপুৰুষ শংকৰদেৰৰ প্ৰধান শিষ্য মাধৱদেৱে নিজে এখন প্ৰতিষ্ঠা কৰিছিল। আন এখন শংকৰদেৱৰ আন এজন শিষ্য চতুৰ্ভুজে প্ৰতিষ্ঠা কৰিছিল। দুয়োখন গোমূৰা সত্ৰ বুলি জনাজাত।

সৰ্থেবাৰীৰ মোৰ ভাল লগা এটা অনুষ্ঠান হ'ল সৰ্থেবাৰী সভা। এই সভাখন প্ৰতি বছৰে মাঘ মাহৰ পূৰ্ণিমা তিথিত হয়। ইয়াত হাজাৰ হাজাৰ মানুহৰ সমাগম হয় আৰু কেইবাদিনো ধৰি চলে। দেশ-বিদেশৰ পৰা মানুহ সভা চাবলৈ আহে। ময়ো প্ৰতি বছৰে এই সভাখন উপভোগ কৰিবলৈ যাওঁ। এই সভাৰ এটা বিশেষত্ব হ'ল যে হোমৰ দিনাখন যিটো প্ৰসাদ দিয়া হয়, সেই প্ৰসাদ অকল শুকান বুট আৰু চেনি মিহলাই বিতৰণ কৰে। ❖

# কথক সম্ৰাট পণ্ডিত বিৰ্জু মহাৰাজৰ সান্নিধ্যত কেইটামান দিন

■ প্ৰব্ৰজ্যা প্ৰশস্তি গোস্বামী
তৃতীয় শ্ৰেণী



আমাৰ নৃত্যৰ বিদ্যালয় 'সুৰ সংগম'ত পণ্ডিত বিৰ্জু মহাৰাজৰ ছবি এখনত সেৰা কৰি গুৰু প্ৰণাম কৰাৰ পাছতহে আমি কথক নাচিবলৈ লওঁ। সুৰ সংগমতেই প্ৰথমবাৰৰ বাবে মই পণ্ডিতজীৰ ছবি দেখিছিলোঁ। কিন্তু ২০১৭ চনৰ ১ জুলাই তাৰিখে গুৱাহাটীৰ মাছখোৱাৰ আই.টি.এ.ত এখন কথকৰ কৰ্মশালাত মই পণ্ডিতজীক সঁচাসঁচিকৈয়ে লগ পাইছিলোঁ। পণ্ডিত বিৰ্জু মহাৰাজৰ পৰিচালনাত সম্পূৰ্ণ চাৰিটা দিন তেওঁৰ সুযোগ্যা শিষ্যা গুৰু শাশ্বতী সেন আৰু পণ্ডিতজীৰ কন্যা গুৰু মমতা মহাৰাজৰ পৰা নৃত্যৰ পাঠ লাভ কৰিছিলোঁ।

পণ্ডিত বিৰ্জু মহাৰাজৰ আচল নামটো শ্ৰীব্ৰীজমোহন মিশ্ৰ। তেওঁৰ জন্ম হৈছিল উত্তৰ প্ৰদেশৰ হাণ্ডিয়া নামৰ ঠাইত, ১৯৩৮ চনৰ ৪ ফেব্ৰুৱাৰীত। কথকৰ লক্ষ্ণৌ ঘৰানাৰ বিখ্যাত মহাৰাজ পৰিয়ালৰ সন্তান বিৰ্জু মহাৰাজ এগৰাকী শাস্ত্ৰীয় সংগীতজ্ঞ হিচাপেও পৰিচিত। নতুন দিল্লীৰ কথক কেন্দ্ৰৰ মুৰব্বী হিচাপে ১৯৯৮ চনত অৱসৰ গ্ৰহণ কৰি তেওঁ দিল্লীতে 'কলাশ্ৰম' নামেৰে নিজা এখন কথক প্ৰশিক্ষণৰ বিদ্যালয় স্থাপন কৰে। নিচেই কম বয়সৰ পৰা কথক শিকিবলৈ লোৱা পণ্ডিতজীয়ে ৭ বছৰ বয়সত তেওঁৰ প্ৰথমটো নৃত্য প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিল। ১৩ বছৰ বয়সৰ পৰা তেওঁ আনক কথকৰ প্ৰশিক্ষণ দিবলৈ লৈছিল। পদ্মবিভূষণ উপাধিৰে সন্মানিত তথা বিভিন্ন ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে বিভূষিত বিৰ্জু মহাৰাজে কেইবাখনো চলচ্চিত্ৰত সংগীত আৰু নৃত্য প্ৰদৰ্শন কৰাৰ লগতে গীত পৰিবেশনো কৰিছে।

আমাৰ বিদ্যালয় 'সুৰ সংগম' আৰু আন এখন বিদ্যালয় 'মৃদংগ'ই যুটীয়াভাৱে এই চাৰিদিনীয়া কৰ্মশালাটোৰ আয়োজন কৰিছিল। এই কৰ্মশালাত আমাক উৎসাহ যোগাইছিল শ্ৰদ্ধাৰ গুৰুশ্ৰী মৰমী মেধি, গুৰুশ্ৰী বিপুল দাস আৰু গুৰুশ্ৰী মেঘৰঞ্জনী মেধিয়ে।

মোৰ বয়স তেতিয়া মাত্ৰ ৫ বছৰহে আছিল। সেইবাবে সকলো কথা ভালদৰে মনত নাই। পিছে মাৰ পৰা শুনিছোঁ যে সেই কৰ্মশালাত বিভিন্ন স্থানৰ কথক শিক্ষাৰ্থীয়ে ভাগ লৈছিল। কিন্তু, মোৰ মনত আছে অসুস্থ শৰীৰৰ বাবে বহি থকাৰ পৰাই কিদৰে গুৰুৱে আমাক ইমান ভালদৰে নৃত্যৰ বিভিন্ন গতবোৰ, হাতৰ মুদ্ৰা আৰু চকুৰ সঞ্চালন আদিৰ পাঠ দিছিল। কথক সম্ৰাট পদ্মবিভূষণ পণ্ডিত বিৰ্জু মহাৰাজৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। ❖

# বাদাম ক'ত হয়? বাদাম ফল নে?

■ অভিনীত বি পাঠক
তৃতীয় শ্ৰেণী

লকডাউনৰ সময়ছোৱাত আমি ঘৰত এটা বিশেষ কাম কৰিলোঁ। সেইটো হ'ল বাদামৰ খেতি। প্ৰথমতে পাঁচটা বাদাম পানীত দুঘণ্টা তিয়াই থ'লোঁ। তাৰ পাছত বাদামকেইটা বালিত ৰুই দিলোঁ। সেই দিনটো আছিল ২০২০ চনৰ ১২ জুলাই। বালিখিনি কাঠেৰে সজা আয়ত আকাৰৰ টাবত ৰাখিছিলোঁ। টাবটো দেউতাই সাজি দিছিল। বাদামবোৰ ৰোৱাৰ ৪ দিন পাছত পুলিকেইটা বাদাম ফালি ওলাই আহিছে। প্ৰথমে পুলিবোৰত দুটাকৈ পাত ওলাইছে। এটা পাতত মাখিপাত ৩টাকৈ আছিল। কিন্তু দুটা পাতত চাৰিটাকৈ মাখিপাত আছিল। গছবোৰ ডাঙৰ হোৱাৰ পাছত এটা পাতত চাৰিটাকৈ মাখিপাত দেখা পালোঁ, কিন্তু দুটা পাতত মাখিপাত আছিল ছটাকৈ। পাতৰ ঠাৰিত আৰু পাতবোৰৰ তলৰ অংশত শুং আছিল। এটা পাতত থকা সৰু সৰু পাতবোৰক মাখিপাত বোলে। মা আৰু মই নিতৌ স্কেলেৰে পুলিবোৰৰ জোখ-মাপ লৈ থাকিলোঁ। পাঁচজোপাৰ দুজোপা পুলি মৰিল। পুলিকেইজোপাৰ নাম দিলোঁ ১, ২, ৩, ৪ আৰু ৫। বাচি থকা পুলিকেইটাৰ ১৭ জুলাই তাৰিখে জোখ-মাপ আছিল এনে ধৰণৰ—প্ৰথম পুলিটো ৩ ছেমি., দ্বিতীয় পুলিটো ৩.৫ ছেমি. আৰু তৃতীয় পুলিটো ২ ছেমি. ওখ পালোঁ। গছবোৰ উভালি অনাৰ সময়ত দীঘল হৈছিল ৭২, ৬৬ আৰু ৪৯ ছেমি.। এজোপা বাদামৰ ৩-৪টাকৈ ডালো আছিল।



পুলি ওলোৱাৰ ২৭ দিন পাছত ফুল ওলোৱা দেখা পালোঁ। পাতৰ গুৰিৰ পৰা ওলাইছিল। সন্ধিয়া ফুল ফুলিবলৈ লয় আৰু ৰাতি ১১.০০-১১.৩০ বজামানত সম্পূৰ্ণ ফুলে। ফুলৰ ৰং হালধীয়া-কমলা। ফুলটোৰ মাজত অলপ ৰঙা আঁচ আছে। ফুলৰ ঠাৰিডালৰ ৰং বগা। পাছদিনা পুৱা ১১.৩০-১২.০০ বজাত ফুলপাহ মৰহি যায়। মৰহি গ'লে বগা ঠাৰিডাল সূতাৰ দৰে হয়। ইয়াৰ কেইদিনমান পাছত এটা ভাল লগা ঘটনা ঘটিল। য'ৰ পৰা ফুল ওলাইছিল, সেই অংশৰ পৰাই আন এডাল শকত আৰু জোঙা ঠাৰি ওলাই আহিল। জোঙা আগটোত ফুলৰ শুকান ঠাৰিডালৰ গুৰিটো লাগি আছিল। এই জোঙা ঠাৰিডাল মাটিৰ তললৈ সোমাই যায়। পাছত এই জোঙা আগটোত বাদাম হয়। মাটিৰ তলত কুমলীয়া বাদামৰ ৰং বগা। ১০০ দিন পাছত গছৰ পাতবোৰ লাহে লাহে শুকাই যায়। তেতিয়া আমি বাদাম গছ উভালি আনিলোঁ। মাটিৰ তলত থকা শিপাৰ লগতে বাদামবোৰো ওলাই আহিল। বাদামবোৰ দেখি মোৰ খুব ভাল লাগিল।

আমি বুজিলোঁ যে বাদাম ফল বাদাম ফুলৰ পৰা হয়। বাদাম মাটিৰ তলত হয়। ❖

# ঘড়ী

■ **প্ৰভাংশু শেখৰ কৌশিক**
**সপ্তম শ্ৰেণী**

ঘড়ী বা সময় জোখাৰ পদ্ধতি ঠিক কেতিয়াৰ পৰা আৰম্ভ হ'ল তাক সঠিককৈ ক'ব নোৱাৰি। মানৱ জাতিৰ পৃথিৱীত পদাৰ্পণৰ কেইবা হাজাৰ বছৰৰ পাছতহে মানুহবোৰে সময়ৰ গুৰুত্ব বুজি পোৱা হ'ল—আৰম্ভ হ'ল সময়ৰ গণনাৰ বাবে বিভিন্ন প্ৰকাৰৰ আহিলা নিৰ্মাণৰ বাবে নানান পৰীক্ষা-পাতি।

আমাৰ আকাশখনৰ ওপৰেদি প্ৰতিদিনে পাৰ হৈ যোৱা সূৰ্য্যটোৱেই হয়তো মানুহবোৰৰ প্ৰথম ঘড়ী আছিল। যাৰ বাবে মানুহে দিন-ৰাতিৰ ধাৰণা কৰিব পাৰিছিল। তাৰ পাছত মানুহে খুঁটি এটা থিয়কৈ পুতি তাৰ চাৰিওফালে এডাল ঘূৰণীয়া ৰেখা টানি লৈ কেইটামান ভাগত ভাগ কৰিছিল। আজিৰ পৰা ৩৫০০ বছৰৰ আগতে প্ৰাচীন মিছৰত (বৰ্তমানৰ ইজিপ্ত) এনে সূৰ্য্য ঘড়ী সজাৰ কথা জানিব পৰা যায়। ইয়াৰ পাছত মানুহে পানীঘড়ী উদ্ভাৱন কৰিলে। এটা পাত্ৰত পানী ভৰাই বিভিন্ন উপায়েৰে ইয়াত সময়ৰ জোখ লোৱা হৈছিল। খৃষ্টপূৰ্ব ১৩৬০ মানত এনে ঘড়ীৰ প্ৰচলন আছিল বুলি জনা যায়।

ইয়াৰ পাছত উদ্ভাৱন হয় বালি ঘড়ীৰ। ইয়াত এটা নলী ফুটোৱা পাত্ৰ এটাত বালি ভৰাই তলত এটা খালী পাত্ৰ ৰখা হৈছিল। ওপৰৰ পাত্ৰৰ পৰা বালি সৰি তলৰ পাত্ৰটো পূৰ হ'বলৈ লগা সময়খিনিক ভাগ কৰি এটা পদ্ধতিত সময় জোখা হৈছিল।

চীনাসকলে এডাল ৰছী পানীত তিয়াই লৈ সমান সমান দূৰত্বত ৰছীডালত কিছুমান গাঁঠি দি লৈছিল। ৰছীডালৰ এটা গাঁঠিৰ পৰা আনটো গাঁঠিলৈকে লগা সময়খিনিক ভাগ কৰি একোটা সময়ৰ একক বুলি কৈছিল। ইংলেণ্ডৰ সম্ৰাট আলফ্ৰেডে ৮৭০ খৃ.ত এডাল মমবাতিকে ঘড়ীৰূপে ব্যৱহাৰ কৰিছিল। এডাল দীঘল মমবাতিৰ দীঘ অনুক্ৰমে দাগ দি জ্বলাই দিয়া হৈছিল আৰু মমবাতিডাল পোৰাৰ হাৰটোকে সময় বুলি ধৰা হৈছিল।

একাদশ শতিকাত চীন দেশত ছুন ছুং নামৰ এজন পণ্ডিতে এটা বৃহৎ যান্ত্ৰিক ঘড়ী সাজি উলিয়াইছিল। এইটো অৱশ্যে পানীৰ সহায়েৰে চকা চলোৱা যন্ত্ৰহে। ১৪১০ খৃ.ত ইটালীৰ স্থপতিবিদ ফিলিপো ব্ৰুনেলেছিয়ে আজিকালিৰ ঘড়ীৰ দৰে এবিধ ঘড়ী সাজি উলিয়াইছিল।

১৭৫৭ খৃ.ত থমাছ মুডা নামৰ এজন ঘড়ী নিৰ্মাণ কৰোঁতাই 'লিভাৰ ইছকেপমেণ্ট' নামৰ এটা কৌশল খটুৱাই এবিধ ঘড়ী সাজি উলিয়াইছিল।

১৯২৯ খৃ.ত ৱাৰেণ এলভিন নামৰ এজন মাৰ্কিন লোকে কোৱাৰ্টডা ক্ৰিষ্টেলেৰে এবিধ ঘড়ী সাজি উলিয়ায়।

এইখিনিতে আমাৰ মনত এটি প্ৰশ্নৰ উদয় হ'ব পাৰে। প্ৰশ্নটি হ'ল—আজিকালিৰ দৰে প্ৰকৃত আধুনিক ঘড়ী কোনে সাজি উলিয়াইছিল? এই প্ৰশ্নটিৰ উত্তৰ হ'ল নেদাৰলেণ্ডছে।

এই মহান উদ্ভাৱকসকলে অশেষ পৰিশ্ৰম কৰি পৰ্য্যায়ক্ৰমে উদ্ভাৱন কৰি কৰি অৱশেষত আজিকালিৰ দৰে প্ৰকৃত আধুনিক ঘড়ী সাজি উলিয়াবলৈ সক্ষম হৈছিল।

ইংলেণ্ডৰ লণ্ডন চহৰস্থিত বিশ্ববিখ্যাত ঘড়ী 'বিগ বেন'ৰ বিষয়ে আমি সকলোৱে জ্ঞাত। ১৯৪৯ চনত ইংলেণ্ডৰ মহাকাশচাৰী ফ্ৰেড ইলীয়ে সাজি উলিয়াইছিল।

বৰ্তমান সময়ত ঘড়ী হৈ পৰিছে আমাৰ দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংশ। ঘড়ীৰ উদ্ভাৱনৰ ফলস্বৰূপে মানুহে সময়ৰ মূল্য বুজি পোৱা হ'ল। ❖

# কমিক্‌ছ ঃ থূলমূল আভাস

■ শ্যামন্তিকা মজুমদাৰ
সপ্তম শ্ৰেণী

কমিক্‌ছ প্ৰথম প্ৰকাশিত হয় ১৯৩৩ চনত। অৱশ্যে ১৯৩৪ চনৰ মে' মাহৰ পৰা ডেললে পাব্লিছিং কোম্পানীয়ে প্ৰকাশ কৰা 'ফেমাছ ফানিজ' কমিক্‌ছহে নিয়মিতভাৱে প্ৰকাশ হোৱা প্ৰথমখন কমিক্‌ছ আলোচনী। ১৮৯০ চনৰ ১৭ মে'ত হাউটন টাউনলে সম্পাদিত 'কমিক কাটছ'কেই বিশ্বৰ প্ৰথম কমিক্‌ছ আলোচনী বোলা হয়। প্ৰথম অৱস্থাৰ সংখ্যাবোৰত ছবিতকৈ কথাহে বেছি আছিল। ইয়াত 'কনফেছন অৱ এ টিকেট অৱ লিভমেন' নামে এটা কাহিনী ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। সেই কাহিনীভাগ ইমানেই জনপ্ৰিয় হৈছিল যে কেই সপ্তাহমানতেই তাৰ বিক্ৰীয়ে লাখৰ সংখ্যা অতিক্ৰম কৰে।

মেজৰ মেলকম হুইলাৰে প্ৰথম মৌলিক কাহিনী লৈ ১৯৩৫ চনত প্ৰকাশ কৰিছিল 'নিউ কমিক্‌ছ'। ১৮৯৭ চনৰ ২৪ অক্টোবৰত বাতৰিকাকতত বৰ্তমান প্ৰকাশ হৈ থকা ধৰণে কমিক ষ্ট্ৰিপ প্ৰকাশ পাইছিল। পোনপ্ৰথমে প্ৰকাশিত হৈছিল নিউ ইয়ৰ্কৰ জাৰ্নেলৰ দেওবৰীয়া বিশেষ ৰঙীন পৃষ্ঠাত। সেয়া আছিল ৰিচাৰ্ড আউটকাল্টৰ বিখ্যাত 'ইয়েলোকিড'।

১৯০৪ চনত প্ৰকাশ হৈছিল বাতৰিকাকতত দৈনিক প্ৰকাশিত হোৱা প্ৰথম কমিক্‌ছ ষ্ট্ৰিপ 'এপিকাৰ ক্লাৰ্ক'। চিকাগো আমেৰিকান নামৰ বাতৰিকাকতখনত সেই কমিক্‌ছ আঁকিছিল ক্লেয়াৰ বিগছে।

**ভাৰতবৰ্ষত কমিক্‌ছ**

বিংশ শতিকাৰ ষাঠিৰ দশকলৈকে কমিক্‌ছ আলোচনী ভাৰতবৰ্ষত প্ৰকাশ হোৱা নাছিল যদিও বিভিন্ন বাতৰিকাকত বা সাপ্তাহিক, পযেকীয়া বা মাহেকীয়া আলোচনীত কমিক ষ্ট্ৰিপ প্ৰকাশ হৈছিল। ইয়াৰ বেছিভাগেই আছিল বিদেশী। অৱশ্যে পিছলৈ প্ৰকাশ হৈছিল ইতিহাসৰ নানা কাহিনী বা বীৰ-বীৰাংগনাৰ কাহিনী, কিম্বদন্তি কাহিনী আদি। ভাৰতত অকল কমিক্‌ছ আলোচনী হিচাপে প্ৰথম প্ৰকাশ হোৱা কমিক্‌ছ আছিল টাইমছ অব ইণ্ডিয়া প্ৰকাশনে প্ৰকাশ কৰা 'ইন্দ্ৰজাল কমিক্‌ছ'। কুৰি শতিকাৰ সপ্তম দশকৰ শেষৰ ফালে প্ৰকাশ হৈছিল 'বাহাদুৰ' নামেৰে এটা ভাৰতীয় চৰিত্ৰৰ কাল্পনিক কাহিনী।

১৯৬৯ চনত 'ইণ্ডিয়া বুক হাউছ'ৰ দ্বাৰা প্ৰকাশিত 'অমৰ চিত্ৰকথা' ছিৰিজৰ 'কৃষ্ণ' নামৰ কমিক্‌ছখনেই হৈছে প্ৰকৃততে প্ৰথম ভাৰতীয় কমিক্‌ছ। অসমৰ জয়মতী, শ্ৰীমন্ত শংকৰদেৱ আদি কমিক্‌ছো এই ছিৰিজতে অন্তৰ্ভুক্ত হৈছে। অন্যান্য কাহিনীবোৰ আকৌ অসমীয়া ভাষালৈ অনুবাদ কৰিও এই ছিৰিজত তেওঁলোকে অন্তৰ্ভুক্ত কৰিছে।

**অসমত কমিক্‌ছ**

বিংশ শতিকাৰ ষাঠিৰ দশকৰ পিছৰ পৰাই অসমতো ছেগা-চোৰোকাকৈ বাতৰিকাকত বা আলোচনীত অসমীয়া নানা কাহিনী বা সাধুকথাৰ ভিত্তিত কমিক্‌ছ প্ৰকাশ হ'বলৈ লৈছিল।

কিন্তু কেৱল কমিক্‌ছ আলোচনী হিচাপে পোনপ্ৰথম প্ৰকাশিত হয় 'লুইত কমিক্‌ছ'। এইলানি কমিক্‌ছৰ প্ৰথমখন 'স্বৰ্ণ ফলিৰ ৰহস্য'ৰ প্ৰকাশ পাইছিল ১৯৮৩ চনৰ আগষ্ট মাহত। ইয়াৰ প্ৰকাশক আছিল ভবেন শইকীয়া, কাহিনী আৰু অংকন আছিল মানবেন্দ্ৰ কুমাৰ বৰুৱাৰ। লুইত কমিক্‌ছৰ সমসাময়িক আৰু তেনে এখন আলোচনী 'কাজিৰঙা' কমিক্‌ছ প্ৰকাশ হৈছিল যদিও দুটা সংখ্যাৰ পাছতে সেই প্ৰকাশন বন্ধ হৈ যায়। ❖

# সুখৰ সন্ধান

■ প্ৰজ্ঞা বিজয় লস্কৰ
নৱম শ্ৰেণী

পৃথিৱীৰ প্ৰতিগৰাকী ব্যক্তিয়ে জীৱনকালত প্ৰতিনিয়ত বিচাৰি ফুৰা বস্তুটোৱেই হ'ল সুখ। পাছে আচৰিত কথাটো হ'ল সকলোৱে গ্ৰহণ কৰিব পৰাকৈ সুখৰ কোনো এক নিৰ্দিষ্ট সংজ্ঞা নাই। এজন ব্যক্তিক সুখী কৰিব পৰা বস্তু বা অৱস্থাই আন এজন ব্যক্তিক সুখী নকৰিবও পাৰে; নকৰাত কোনো অস্বাভাৱিকতা নাই। সেয়ে বৃটিছ লেখক দাৰ্শনিক জি. কে. চেষ্টাৰচনে কৈছিল—"ধৰ্মৰ দৰে সুখ এটা ৰহস্যময় অনুভূতি; যুক্তিৰ দ্বাৰা ইয়াক ব্যাখ্যা কৰিব নোৱাৰি" (Happiness is a mystry like Religion, and it should never be rationalized)। কিন্তু সেই ৰহস্যময় অনুভূতি স্বৰূপ সুখৰ উৎস উদ্‌ঘাটন বা সুখ সৃষ্টিৰ কাৰকবোৰ অধ্যয়ন বা গৱেষণা কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ দৰে আন্তৰ্জাতিক সংস্থাও আগ বাঢ়ি আহিছে। বিগত এটা দশক ধৰি ৰাষ্ট্ৰসংঘই প্ৰতি বছৰে ধাৰাবাহিকভাৱে সুখৰ সন্ধানত ব্ৰতী আছে। ২০১১ চনৰ জুলাইত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে 'সুখ : উন্নয়নৰ এক সামগ্ৰিক সংজ্ঞাৰ অভিমুখে' (Happiness : Towards a Holistic Definition) শীৰ্ষক এটা প্ৰস্তাৱত অনুমোদন জনায়। এই প্ৰস্তাৱৰ জৰিয়তে ৰাষ্ট্ৰসংঘই ইয়াৰ সদস্য ৰাষ্ট্ৰবোৰক নিজৰ নিজৰ নাগৰিকৰ সুখৰ পৰিমাপ ল'বলৈ আহ্বান জনাইছিল। সেই মৰ্মে দেশবোৰ নিৰ্দ্ধাৰিত দিশত অগ্ৰসৰ হয় আৰু ২০১২ চনৰ ১ এপ্ৰিলত 'সমৃদ্ধি আৰু সুখ : এটি নব্য অৰ্থনৈতিক দৃষ্টান্তৰ সংজ্ঞা' (Wellbeing and Happiness : Defining a New Economic Paradigm) শীৰ্ষক এখন প্ৰতিবেদন প্ৰকাশ কৰা হয়। এই প্ৰতিবেদনত বিশ্ব সুখৰ অৱস্থা, সুখৰ কাৰণ আৰু দুৰ্দশা আৰু নীতি ৰূপায়ণৰ প্ৰতি গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ পাছত ২০১৩ চনত দ্বিতীয় আৰু ২০১৫ চনত তৃতীয় প্ৰতিবেদন প্ৰকাশ কৰা হয়। তাৰ পাছত ২০১৬ চনৰ পৰা প্ৰতি বছৰে ২০ মাৰ্চত ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় সুখ দিৱসৰ (International Day of Happiness) সৈতে সংগতি ৰাখি 'বিশ্ব সুখ প্ৰতিবেদন' (World Happiness Report) প্ৰকাশ কৰা হয়। এই প্ৰতিবেদনত ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰবোৰৰ ভিতৰত কোনখনত কিমান মানুহ সুখী বা অসুখী তাৰ পৰিমাপ পোৱা হয়। প্ৰতিখন ৰাষ্ট্ৰৰ নাগৰিকসকলৰ জীৱন ধাৰণ পদ্ধতিৰ মুঠ চৈধ্যটা ক্ষেত্ৰক সামৰি চলোৱা সমীক্ষা অনুসৰি সুখী-অসুখীৰ স্থিতি নিৰ্ণয় কৰা হয়। এই ক্ষেত্ৰবোৰ হ'ল—১। ব্যৱসায় আৰু অৰ্থনীতি, ২। নাগৰিকৰ ব্যস্ততা, ৩। যোগাযোগ আৰু প্ৰযুক্তি, ৪। বিচিত্ৰতা (সামাজিক বিষয়), ৫। শিক্ষা আৰু পৰিয়াল, ৬। আবেগ (স্বাচ্ছন্দ্য), ৭। পৰিবেশ আৰু শক্তি, ৮। অন্ন আৰু বাসস্থান, ৯। চৰকাৰ আৰু ৰাজনীতি, ১০। আইন আৰু শৃংখলা (সুৰক্ষা), ১১। স্বাস্থ্য, ১২। ধৰ্ম আৰু আদৰ্শ, ১৩। পৰিবহণ আৰু ১৪। কৰ্ম।

প্ৰতি বছৰৰ দৰে যোৱা ২০২১ চনৰ ২০ মাৰ্চত বিশ্ব সুখ প্ৰতিবেদন প্ৰকাশ কৰা হয়। এই প্ৰতিবেদন অনুসৰি ১৪৯ খন দেশৰ তালিকাত প্ৰথম স্থান লাভ কৰা সুখী দেশখন হ'ল উত্তৰ ইউৰোপীয় দেশ ফিনলেণ্ড। তাৰ পাছত ক্ৰমে আইচলেণ্ড, ডেনমাৰ্ক, ছুইজাৰলেণ্ড, নেডাৰলেণ্ড, ছুইডেন, জাৰ্মানী, নৰৱে, নিউজিলেণ্ড, অষ্ট্ৰিয়া, ইজৰাইল, অষ্ট্ৰেলিয়া,


আয়াৰলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, চেক ৰিপাব্লিক, বেলজিয়াম, ইংলেণ্ড, চীন আৰু ফ্ৰান্সে প্ৰথম কুৰিটা স্থান লাভ কৰিছে। উল্লেখযোগ্য যে ২০১৮ চনৰ পৰা ফিনলেণ্ডে তালিকাৰ শীৰ্ষস্থান অধিকাৰ কৰি আহিছে। আন দেশবোৰো সামান্য সালসলনিৰে সমস্থানতে আছে। এই দেশবোৰৰ লোক সুখী হোৱাৰ আৰ্থ-সামাজিক-ৰাজনৈতিক আৰু প্ৰাকৃতিক কাৰণ বহুতো থাকিলেও কেতবোৰ দিশ বিশেষভাৱে মন কৰিবলগীয়া। ইয়াৰ ভিতৰত বিনামূলীয়া চিকিৎসা সেৱা, বিনামূলীয়া শিক্ষা, অপৰাধৰ নিম্ন হাৰ, পাৰিবাৰিক সুখ আৰু বাৰ্ষিক কাৰ্য্য আহৰিৰ উচ্চ মাত্ৰাই জনসাধাৰণক সামাজিক জীৱনত সুখী কৰিছে। বিপৰীতক্ৰমে এই তালিকা অনুসৰি বিশ্বৰ আটাইতকৈ অসুখী দেশখন হ'ল আফগানিস্তান। দীৰ্ঘদিনৰ পৰা দেশখনত চলি অহা যুদ্ধ, সন্ত্ৰাসবাদ, ৰাজনৈতিক অস্থিৰতা আদিৰ লগতে নাগৰিকৰ গড় আয়ুসৰ লগতে মুঠ ঘৰুৱা উৎপাদনৰ হাৰ নিম্নমানৰ হোৱাৰ বাবে দেশখনৰ নাগৰিকসকল অসুখী। তালিকাখনত আফগানিস্তানৰ আগত স্থান লাভ কৰা নখন দেশ হ'ল—জিম্বাবৱে, ৰুৱাণ্ডা, বটছোৱানা, লেছুথ', মালাৱি, হাইটি, টাঞ্জানিয়া, য়েমেন আৰু বুৰুণ্ডি। দুৰ্ভাগ্যজনক কথাটো হ'ল বুৰুণ্ডিৰ আগতেই থকা ১৩৯ নম্বৰ দেশখন হ'ল ভাৰত। বিশ্বৰ ভিতৰত বৃহত্তম গণতান্ত্ৰিক দেশখনৰ জনসাধাৰণ সুখৰ ক্ষেত্ৰত এই অৱস্থা সঁচাকৈয়ে চিন্তনীয়। যিখন দেশ বিভিন্ন ক্ষেত্ৰত আন দেশৰ সৈতে ফেৰ মাৰিব পৰা অৱস্থালৈ আহিছে, সেই সময়ত সুখৰ দৰে এটা মনস্তাত্ত্বিক দিশত পিছপৰি আছে। এই ক্ষেত্ৰত দেশখনৰ স্থান চুবুৰীয়া পাকিস্তান, বাংলাদেশ, নেপাল বা ভূটানতকৈ তলৰ। ভাৰতৰ এই অৱস্থাৰ মূলতে হ'ল আৰ্থিক অনাটন। সামাজিক অস্থিৰতা, অপৰাধ বৃদ্ধিৰ হাৰ, নিবনুৱা সমস্যা, দুৰ্নীতি, ৰাজহুৱা সেৱাৰ নিম্নমান আদিৰ বাবে অধিকাংশ ভাৰতীয় লোক অসুখী। গতিকে ভাৰতে ইয়াৰ স্থান আগুৱাই নিয়াৰ বাবে সকলো দিশতে বাস্তৱসন্মত আৰু নাগৰিকৰ স্বাৰ্থৰ অনুকূলে কৰিব লাগিব।

২০২১ চনৰ বিশ্ব সুখ প্ৰতিবেদনে সুখী হোৱাৰ বাবে তিনিটা দিশত গুৰুত্ব আৰোপ কৰিছে—


১। জনসাধাৰণক সুখী কৰি তোলাৰ বাবে দেশ এখনে অধিক ধন ঘটাত নহয়, সামাজিকভাৱে যত্ন লোৱা পৰিবেশ সৃষ্টি কৰিব লাগিব।

২। সুখী হোৱাৰ মূলতে হ'ল কৰ্ম। সেয়ে সকলোৰে বাবে কৰ্ম সংস্থান সৃষ্টিৰ পৰিবেশ লাগিব।

৩। মানসিক স্বাচ্ছন্দ্যৰ বাবে উপযুক্তভাৱে নিজৰ কৰ্ম কৰাৰ পৰিবেশ পাব লাগিব। ❖



**হিমিকা দত্ত,** পঞ্চম শ্ৰেণী



**দোকমোকালি গোস্বামী,** দ্বিতীয় শ্ৰেণী

# প্ৰকৃতিৰ ওপৰত মানৱৰূপী দানৱৰ উৎপীড়ন

■ নিতুপন ডেকা
দশম শ্ৰেণী



এই বিষয়টিৰ ওপৰত বহুদিনৰ পৰাই কিবা এটা লিখাৰ আশা আছিল। তেনেতে শ্ৰেণী শিক্ষয়িত্ৰী বাইদেৱে ফ'ন কৰি ক'লে যে 'বাখৰ'ৰ বাবে লেখনী দিব লাগে। মই ভাবিলোঁ এই বিষয়টিয়ে উপযুক্ত হ'ব 'বাখৰ'ৰ বাবে। পৰিবেশ বা প্ৰকৃতিৰ কথা এটা লেখনী বা এখন কিতাপৰ মাজতে সীমাবদ্ধ নহয়। ইয়াৰ পৰিসৰ বহুত বহল।

চমুকৈ যদি ক'বলৈ যাওঁ প্ৰকৃতি বুলি ক'লে প্ৰাকৃতিক, ভৌতিক বা বস্তুতাত্ত্বিক পৃথিৱী বা বিশ্বব্ৰহ্মাণ্ডক বুজায়। প্ৰকৃতিৰ বিষয়ে কৰা অধ্যয়ন বিজ্ঞানৰ এটা বৃহৎ অধ্যায়। লেটিন শব্দ 'natura'ৰ পৰা ইংৰাজী শব্দ 'nature' অনা হৈছে। বৰ্তমান সময়ত প্ৰকৃতি শব্দটো বিশেষকৈ ভূগোল আৰু বন্য জীৱন বুজাবলৈ ব্যৱহৃত হয়।

এতিয়া আহোঁ মূল বিষয়টিলৈ। আমি হ'লোঁ প্ৰকৃতিৰ দাস। প্ৰকৃতিয়ে আমাৰ জনক, প্ৰকৃতিয়ে আমাৰ জননী। জন্মৰ পৰা মৃত্যুলৈ অতি সুন্দৰভাৱে চলি যাবলৈ প্ৰকৃতিয়ে আমাক সকলোখিনিয়ে দিছে। সূৰ্য্য তথা চন্দ্ৰই পোহৰ দিছে, নদীয়ে পানী দিছে, গছে ফল দিছে তথা ৰ'দৰ পৰা নিজকে সুৰক্ষা দিবলৈ ছাঁও দিছে। কিন্তু আমি মানৱ সমাজে কেতিয়াবা হ'লেও চিন্তা কৰিছোঁ নে যে প্ৰকৃতিয়ে আমাক ইমানখিনি দিয়াৰ পাছতো আমি প্ৰকৃতিক কি দিব পাৰিছোঁ? আমি আমাৰ প্ৰকৃতিক একমাত্ৰ দুখৰ বোজাৰ বাহিৰে আন কিবা জানো দিব পাৰিছোঁ। আমি প্ৰকৃতিক একো দিব পৰা নাই, কাৰণ আমি কোনোদিনেই অনুভৱ কৰা নাই যে প্ৰকৃতিনো কি? অনুভৱ কৰিব পাৰিছে যদি প্ৰতি হাজাৰজন মানুহৰ ভিতৰত ৫ জন বা ১০ জনে। আমি প্ৰকৃতিৰ পৰা মাথোঁ ল'বহে পাৰিছোঁ। কেতিয়াবা ভাবোঁ যে মানুহ জীৱশ্ৰেষ্ঠ কেনেকৈ? কিয় কয় মানুহক জীৱশ্ৰেষ্ঠ বুলি? কাৰণ মানুহৰ ভাবিব পৰা, চিন্তা কৰিব পৰা শক্তি আছে। কিন্তু এই শক্তিৰ দ্বাৰা আমি কি কৰিছোঁ? নিজে কেনেকৈ সুখত থাকোঁ, সেইটোহে আচল। বাকী কোন কেনেকৈ থাকে থাকক। বিশ্বৰ আজি চৌদিশে কেৱল গোলকীয় উষ্ণতাৰ হাঁহাকাৰ। উদ্যোগৰ পৰা ওলোৱা ধোঁৱাই বায়ু কলুষিত আৰু তাৰ পৰা ওলোৱা ৰাসায়নিক দ্ৰব্যই পানী প্ৰদূষিত কৰিছে। প্লাষ্টিক দৈনন্দিন জীৱনত সকলোৱে ব্যৱহাৰ কৰোঁ, কিন্তু প্লাষ্টিকৰ বিষয়ে আমি কোনেও একো নাজানো। জানিলে হয়তো আজি আমি য'তে-ত'তে প্লাষ্টিক

পেলাই পৰিবেশ দূষিত নকৰিলোঁহেঁতেন। কিছুমানে হয়তো প্লাষ্টিক য'তে-ত'তে নেপেলাই তাক জ্বলাইছে। কিন্তু কোনেও ভবা নাই যে তাৰ পৰা কিমান বিষাক্ত গেছ উৎপন্ন হয়। আমি সকলোৱে ঘৰত 'এচি' ব্যৱহাৰ কৰোঁ। কিন্তু আমি গমেই নাপাওঁ যে ই ভিতৰত আমাক যিমান সুখ দিয়ে, বাহিৰৰ পৰিবেশ সিমানেই দূষিত কৰে। বৰ্তমান এই ক'ভিডসৃষ্ট পৰিবেশত হাস্পতালত মানুহে অক্সিজেনৰ বাবে হাঁহাকাৰ কৰিবলগীয়া হৈছে। কিন্তু আমি জানো হাঁহাকাৰ কৰি কিবা লাভ আছে? কাৰণ গছ দিনে-নিশাই আমিয়েই কাটিছোঁ তথা বনাঞ্চল আমিয়েই ধ্বংস কৰিছোঁ। অবাক জীৱবোৰক আমি অত্যাচাৰ কৰি আহিছোঁ। প্ৰতি বছৰে অসমত কিমান গঁড় হত্যা হয় খড়্গৰ কাৰণে ! কিন্তু আমি কোনোদিনে চিন্তা কৰা নাই যে এই এটা খড়গযুক্ত গঁড় যদি বিলুপ্ত হৈ যায় তেন্তে থাকিব নে অসমৰ সেই যশ, সেই খ্যাতি ?

গতিকে আমি সজাগ হোৱাৰ সময় আহি পৰিছে। গছ কাটি থাকিলেই নহ'ব। এডাল গছ কাটি দুডাল গছ ৰুব জানিব লাগিব। ফটকা ফুটালেই দীপাৱলী পালন কৰা নুবুজায়। ফটকা নুফুটায়ো দীপাৱলী পালন কৰিব পাৰি। তাৰ বাবে মানুহৰ মন নিকা তথা পৰিষ্কাৰ হ'ব লাগিব। আমি যদি আমাৰ জন্মদিনত প্ৰত্যেকেই এডাল এডাল গছৰ ৰোপণ কৰিলেও বহুত। মানুহে সদায় ইয়াকে ভাবে যে আমি প্ৰকৃতিৰ অংগ নহয়। আমাৰ কাম-কাজ বেলেগ। আচলতে আমিও প্ৰকৃতিৰে এক সৰু অংগ। প্ৰকৃতিক বাদ দি মানুহ কেতিয়াও জীয়াই থাকিব নোৱাৰে। গতিকে আমিও সদায় প্ৰকৃতিৰ নিয়মৰ মাজেৰেই চলি থাকিব লাগিব। নিয়মৰ বিপৰীতে চলিবলৈ গ'লে হিতে বিপৰীতহে হ'ব। জ্যেষ্ঠজনে কৈ গৈছে যে 'ৰাইজে নখ জোকাৰিলে নৈ বয়।' গতিকে আমিনো আমাৰ অলপ অলপ প্ৰচেষ্টাৰে এখন সেউজ ধৰণী গঢ়ি তুলিব নোৱাৰিমনে? নিশ্চয় পাৰিম। গতিকে আহকচোন, আমি আজিৰ পৰাই পণ লওঁ এখন সেউজী ধৰিত্ৰী গঢ়িম বুলি, য'ত থাকিব মাথোঁ শান্তিৰ সংগীত; য'ত বিৰাজ কৰিব সুখৰ বাতাবৰণ। ❖

# খাদ্যাভ্যাস আৰু সুস্বাস্থ্য

**■ ৰক্তিম অভিনন্দন বৰ্মন**

**দশম শ্ৰেণী**



প্ৰতিজন মানুহৰ বাবে খাদ্য, বাসস্থান আৰু সাজ-পোছাকেই হৈছে প্ৰধান মৌলিক প্ৰয়োজন। এই মৌলিক প্ৰয়োজনৰ ভিতৰত খাদ্য অন্যতম। খাদ্য অবিহনে মানুহ এজন জীয়াই থাকিব নোৱাৰে। খাদ্যৰ লগতে পানী আৰু বায়ুৰ সৈতে মানুহৰ স্বাস্থ্যৰ কথা জড়িত হৈ থাকে। অৰ্থাৎ প্ৰতিজন মানুহ সুস্থ-সবলভাৱে জীয়াই থাকিবলৈ পৰিষ্কাৰ পানী, পুষ্টিকৰ খাদ্য আৰু নিৰ্মল বায়ু লাগিবই। লগতে ইয়াৰ ভিতৰত খাদ্য হ'ল অন্যতম উপাদান। কথাতে আছে স্বাস্থ্যই পৰম সম্পদ। এই স্বাস্থ্য নিৰ্ভৰ কৰে প্ৰধানতঃ মানুহৰ খাদ্যাভ্যাসৰ ওপৰত। কাৰণ খাদ্যাভ্যাসেই হ'ল মানুহৰ বিভিন্ন ৰোগৰ কাৰক আৰু বিভিন্ন ৰোগৰ প্ৰতিকাৰকো। সেয়েহে সদায় সুষম খাদ্যাভ্যাস গ্ৰহণ কৰাটো উচিত।

কিয়নো এই সুষম খাদ্যাভ্যাস গ্ৰহণৰ যোগেদি আমি বিভিন্ন ৰোগৰ পৰা হাত সাৰিব পাৰোঁ। কাৰণ কোৱা হয়—"প্ৰতিৰোধ কৰাটো আৰোগ্য লাভতকৈ শ্ৰেয়।" সুস্বাস্থ্যৰ অধিকাৰী লোকেহে উন্নতিৰ পথত আগুৱাব পাৰে। সেয়েহে সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো ধনী হোৱাতকৈ শ্ৰেয়।

সুস্থভাৱে জীয়াই থাকিবলৈ খাদ্য মানুহৰ অতীব প্ৰয়োজনীয়। পুষ্টিকৰ খাদ্যই মানুহৰ শৰীৰ বিকাশৰ লগতে মন-মগজুৰো সুস্থ বিকাশ ঘটায়। আমি খোৱা খাদ্যৰ অভ্যাসৰ ওপৰতে আমাৰ শৰীৰৰ পৰিপুষ্টি নিৰ্ভৰ কৰে। আমাৰ শৰীৰ তথা বৌদ্ধিক বিকাশৰ বাবে শৰ্কৰা, প্ৰ'টিন, ভিটামিন, স্নেহ পদাৰ্থ তথা বিভিন্ন প্ৰকাৰৰ খনিজ পদাৰ্থ আদিৰ প্ৰয়োজন হয়। ইয়াকে খাদ্যৰ উপাদান বোলে। আমাৰ শৰীৰৰ বাবে খাদ্যৰ উপাদানবোৰ যি পৰিমাণে প্ৰয়োজন হ'ব, সেই পৰিমাণে গ্ৰহণ কৰিলে তাক সুষম আহাৰ বোলা হয়। এই সুষম আহাৰ নিৰ্ভৰ মানুহৰ খাদ্যাভ্যাসৰ ওপৰত।

মানুহৰ খাদ্যাভ্যাস আকৌ সামাজিক পৰম্পৰা, ৰীতি-নীতি, ধৰ্মীয় বিশ্বাস, ভৌগোলিক পৰিবেশ, খাদ্যশস্যৰ সহজলভ্যতা আদিৰ ওপৰত নিৰ্ভৰ কৰে। অতীজৰে পৰা আমাৰ পৰিয়ালসমূহত খাদ্যাভ্যাসৰ কিছুমান নীতি-নিয়ম প্ৰচলিত হৈ অহা দেখা যায়। ভাৰতীয় আয়ুৰ্বেদত খাদ্য সম্পৰ্কত কিছুমান নীতি-নিৰ্দেশনা দিয়া দেখা যায়। আমাৰ সমাজত সোমবাৰ-বৃহস্পতিবাৰে নিৰামিষ আহাৰ গ্ৰহণ কৰা, সপ্তাহত এদিন বা একাদশী, আঁউসী তিথিত উপবাসে থকা আদি বাধ্যবাধকতা বা নিয়ম পালন কৰা দেখা যায়। আনকি কিছুমান খাদ্য, যেনে—টেঙা, তিতা আদি সোৱাদৰ খাদ্য, শাক বা আন গুৰুপাকী খাদ্য নৈশ ভোজনত খাব নাপায় আদি নিয়ম পালন কৰা দেখা যায়। এই নীতি-নিয়মসমূহৰ কিছুমান বৈজ্ঞানিক কাৰণো নোহোৱা নহয়। সেয়ে আমি খাদ্য গ্ৰহণৰ কিছুমান নিৰ্দিষ্ট নিয়ম মানি চলিলে স্বাভাৱিকতে আমাৰ শৰীৰৰ ওপৰত ইয়াৰ সুপ্ৰভাৱ পৰা দেখা যাব।

গুণ অনুসাৰে আমি শৰীৰৰ বাবে প্ৰয়োজনীয় খাদ্যক চাৰিটা ভাগত ভগাব পাৰোঁ। সেইবোৰ হ'ল শক্তিদায়ক খাদ্য, দেহবৰ্দ্ধক খাদ্য, চৰ্বিজাতীয় খাদ্য আৰু ভিটামিনজাতীয় খাদ্য। শক্তিদায়ক খাদ্যৰ মূল উপাদান হ'ল শ্বেতসাৰ বা শৰ্কৰা। এই ধৰণৰ খাদ্যই শৰীৰত শক্তি যোগান ধৰে। চাউল, আটা, ময়দা, গোমধান, আলু, ঘেঁহু, চেনি, গুৰ, শাক-পাচলি, ফল-মূল আদি হৈছে শক্তিদায়ক খাদ্য। দেহবৰ্দ্ধক খাদ্যই শৰীৰত কোষৰ গঠন আৰু বৃদ্ধিত সহায় কৰে। এইবিধ খাদ্যত থকা প্ৰধান উপাদান হ'ল প্ৰ'টিন। গাখীৰ, মাখন, দৈ, মাছ, মাংস, বিভিন্ন জাতৰ মাহ, ছয়াবিন, মটৰ, বীন আদিত প্ৰচুৰ পৰিমাণে প্ৰ'টিন পোৱা যায়। শিশুৰ বাবে এইবিধ খাদ্য অতি উপকাৰী। গাখীৰ, ক্ৰিম, দৈ, মাখন, ঘিউ, বাদাম, মাছ, মাংস আদি হ'ল চৰ্বীজাতীয় খাদ্য। চৰ্বীযুক্ত আহাৰে শৰীৰক উত্তাপ দিয়ে। ভিটামিনজাতীয় খাদ্যই শৰীৰ গঠন, স্নায়ু সঞ্চালন, ৰক্ত উৎপাদন আদিত সহায় কৰাৰ লগতে মানসিক শক্তি বৃদ্ধি কৰে। বিভিন্ন প্ৰকাৰৰ ভিটামিন হ'ল ভিটামিন এ, বি, চি, ডি, ই আৰু কে। ৰোগ প্ৰতিৰোধমূলক ভিটামিনযুক্ত খাদ্য শিশুৰ বাবে অতি দৰকাৰী। আনহাতে সুষম আহাৰৰ আন এক প্ৰধান উপাদান হ'ল খনিজ পদাৰ্থসমূহ। উল্লিখিত আহাৰসমূহৰ প্ৰত্যেকৰে এবিধকৈ হ'লেও উপাদান আমাৰ দৈনন্দিন আহাৰত থাকিব লাগে। তেতিয়াই ইয়াক সুষম আহাৰ বুলি কোৱা হয়।

সম্প্ৰতি বিজ্ঞান প্ৰযুক্তিৰ উন্নতিৰ ফলস্বৰূপে মানুহৰ জীৱন-ধাৰণৰ মান সলনি হৈছে। সেই অনুযায়ী মানুহৰ খাদ্যাভ্যাসৰো পৰিৱৰ্তন হৈছে। এতিয়া আমাৰ পৰম্পৰাগত খাদ্যৰ সলনি তথাকথিত খাদ্যসমূহৰ প্ৰতিহে মানুহে আগ্ৰহী হোৱা দেখা যায়। বিশেষকৈ চহৰ অঞ্চলত আজিৰ নৱপ্ৰজন্মই জটপট খাদ্য (Fast food), জাংক ফুড আদিৰ প্ৰতিহে আগ্ৰহী হোৱা দেখা গৈছে। এই প্ৰভাৱ ক্ৰমান্বয়ে চহৰাঞ্চলৰ পৰা বৰ্তমান গ্ৰামাঞ্চললৈ প্ৰসাৰিত হোৱা দেখা গৈছে। এনে

খাদ্যাভ্যাসৰ কুপ্ৰভাৱ মানুহৰ স্বাস্থ্যৰ ওপৰতো পৰিছে। বৰ্তমান এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে যে আমাৰ সমাজৰ পৰা যেন এতিয়া পৰম্পৰাগত খাদ্যতালিকা হেৰাই যাব ওলাইছে।

সকলো বস্তুৰে ভাল আৰু বেয়া এই দুয়োটা প্ৰভাৱ দেখিবলৈ পোৱা যায়। খাদ্যাভ্যাসৰ ক্ষেত্ৰতো এই দুয়োটা প্ৰভাৱেই মানুহৰ ওপৰত পৰে। কিন্তু সেয়া নিৰ্ভৰ কৰে মানুহে গ্ৰহণ কৰা খাদ্য আৰু তাৰ পৰিমাণৰ ওপৰত। পুষ্টিকৰ খাদ্য মানুহে সঠিকভাৱে নিজৰ নিয়মিত খাদ্যাভ্যাসৰ অন্তৰ্ভুক্ত কৰিব লাগে। কিয়নো এনে খাদ্যাভ্যাসে মানুহৰ স্বাস্থ্যত সুপ্ৰভাৱ পেলায়, লগতে বিভিন্ন ৰোগ প্ৰতিৰোধতো সহায়ক হয়। আনহাতে নিয়মিতভাৱে আঁহযুক্ত আহাৰ গ্ৰহণৰ যোগেদিও বিভিন্ন সুফল লাভ কৰিব পাৰি। কিন্তু আমি গ্ৰহণ কৰা আহাৰসমূহ সদায় শৰীৰৰ প্ৰয়োজন অনুযায়ীহে নিৰ্দিষ্ট মাত্ৰাত খাব লাগে। পালোঁ বুলিয়েই আমি কেতিয়াও অধিক ভোজন কৰিব নালাগে আৰু নাপালোঁ বুলিয়েই নোখোৱাকৈও থাকিব নালাগে। ইয়ে আমাৰ শৰীৰৰ ক্ষতিসাধন কৰে। 'অত্যধিক অমৃত খালেও বিষতুল্য হয়' বুলি এষাৰ কথা আছে। তেনেকৈ কমকৈ আহাৰ গ্ৰহণ কৰিলেও শৰীৰৰ পৰিপুষ্টিৰ ক্ষতি হয়।

বৰ্তমান সময়ত চহৰাঞ্চলৰ লগতে গ্ৰামাঞ্চলৰ নৱপ্ৰজন্মৰ মাজত ফাষ্ট ফুড, জাংক ফুড আদি বিশেষভাৱে জনপ্ৰিয় হৈছে। কিন্তু এই খাদ্যসমূহৰ কোনো সুপ্ৰভাৱ নথকাৰ বিপৰীতে বহুতো কুপ্ৰভাৱহে আছে। এনে খাদ্য অত্যধিকভাৱে নিয়মিতৰূপে গ্ৰহণ কৰিলে বিভিন্ন ৰোগৰ লগতে জীৱনশৈলীজনিত ৰোগ, যেনে—মধুমেহ, মেদবহুলতা আদিয়ে দেখা দিয়ে। ফলত আধুনিকতাৰ নামত আমি অকালতে বিভিন্ন ৰোগৰ বলি হ'ব লগা হৈছে।

খাদ্যাভ্যাসে সদায়েই মানুহৰ স্বাস্থ্য গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। খাদ্যাভ্যাসে বিভিন্ন ৰোগ প্ৰতিৰোধত সহায় কৰাৰ বিপৰীতে ই বিভিন্ন ৰোগৰ কাৰকো হৈ পৰে। সেয়েহে সদায়েই বস্তুৰ ভাল দিশটো গ্ৰহণ কৰিব লাগে। অৰ্থাৎ মানুহে সুষম আহাৰ গ্ৰহণ কৰি নিজৰ সুস্বাস্থ্য বৰ্তাই ৰখা উচিত। এনে সুষম আহাৰ কিছু নিয়মৰ মাজেৰে গ্ৰহণ কৰিলে ইয়াৰ পৰা অধিক সুফল লাভ কৰিব পাৰি। যাৰ জৰিয়তে মানুহে বিভিন্ন ৰোগৰ পৰা ৰক্ষা পাব পাৰে। শক্তিদায়ক কাৰ্বʼহাইড্ৰেটযুক্ত আহাৰ পুষ্টিকৰ খাদ্য যদিও অধিক মাত্ৰাত ষ্টাৰ্চযুক্ত কাৰ্বʼহাইড্ৰেট থকা খাদ্য গ্ৰহণ কৰা হানিকাৰক। কেতিয়াও সম্পৃক্ত চৰ্বীযুক্ত আৰু বেছি মিঠাজাতীয় খাদ্য অত্যধিক মাত্ৰাত খাব নালাগে। কাৰণ ই বিভিন্ন ৰোগৰ কাৰক হিচাপেও দেখা দিব পাৰে। নিয়মিতৰূপে বতৰৰ শাক-পাচলি, ফল-মূল খাব লাগে। কিয়নো ই শৰীৰত পুষ্টি যোগোৱাত সহায়ক হয়। সদায় খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সক্ৰিয় হ'ব লাগে যাতে শৰীৰৰ ওজন নিয়ন্ত্ৰণত থাকে। নিমখ আৰু অন্যান্য মচলা খাদ্যৰ লগত কমাই খাব লাগে। লগতে নিৰ্দিষ্ট পৰিমাণত নিয়মিত পানী খাব লাগে। আনহাতে সদায় হাত ধুই খাদ্য গ্ৰহণ কৰিব লাগে। লগতে পৰিষ্কাৰ-পৰিচ্ছন্নভাৱে খাদ্য ৰান্ধিব আৰু ৰাখিব লাগে। এনে ধৰণৰ কথা মানি চলি সুষম আহাৰ গ্ৰহণ কৰি মানুহে সুস্বাস্থ্যবান জীৱন-যাপন কৰিব পাৰে।

বৰ্তমান সময়ত নৱপ্ৰজন্ম বিভিন্ন অস্বাস্থ্যকৰ খাদ্য গ্ৰহণৰ যোগেদি বিভিন্ন ৰোগৰ কবলত পৰিছে। সেয়েহে এই ক্ষেত্ৰত পিতৃ-মাতৃ তেওঁলোকৰ পথ-প্ৰদৰ্শক হোৱা উচিত। নিজ সন্তানক এই ক্ষেত্ৰত সচেতন কৰি পিতৃ-মাতৃয়ে তেওঁলোকক এই বিপদৰ পৰা ৰক্ষা কৰিব পাৰে। নহ'লে পৰৱৰ্তী সময়ত দেশত গভীৰ সংকটৰ সৃষ্টি হ'ব। কাৰণ আমিয়েই দেশৰ ভৱিষ্যৎ। আনহাতে চৰকাৰৰ এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত। কেৱল সুষম খাদ্য গ্ৰহণৰ যোগেদিয়েই নহয়, নিয়মিত ব্যায়াম আৰু খেলা-ধূলাৰ যোগেদিহে সুস্বাস্থ্য লাভ কৰিব পাৰি। প্ৰতিজন নাগৰিক সুস্থ-সবল হ'লেহে দেশৰ মানৱ সম্পদ সবল হ'ব। তেতিয়াহে দেশৰ উন্নতি হ'ব। কাৰণ মানৱ সম্পদেই দেশৰ মূল সম্পদ। ❖

# পৌৰাণিক জীৱসমূহ তথা ইয়াৰ অস্তিত্ব

■ দৰ্শিতা চৌধুৰী
দশম শ্ৰেণী

পৌৰাণিক জীৱসমূহ হৈছে কিংবদন্তিমূলক জীৱ যাৰ বিষয়ে আমি পৌৰাণিক গ্ৰন্থসমূহত পঢ়িবলৈ পাওঁ। এই জীৱসমূহৰ অস্তিত্ব যদিও কাল্পনিক বুলি গণ্য কৰা হয়, কিছু কিছু ব্যক্তি তথা গৱেষণাই ইয়াৰ অস্তিত্ব প্ৰকৃততে আছিল বুলি বিশ্বাস কৰিব খোজে। কিছুমান পৌৰাণিক জীৱৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

**স্ফিংছ** (Sphinx) : লোককথা অনুসৰি এনে এবিধ জীৱ যিয়ে সাঁথৰৰ উত্তৰ দিব নোৱৰা আন জীৱক



ভক্ষণ কৰে। গ্ৰীক আৰু মিছৰৰ লোককথা অনুসৰি স্ফিংছবোৰ আছিল উপাসনা গৃহৰ মুখ্যদ্বাৰৰ ৰক্ষক। গিজাত নিৰ্মিত 'The Great sphinx at Giza' পৃথিৱীৰ বিখ্যাত স্থাপত্য কলাৰ অন্যতম নিদৰ্শন।

**পিক্সি** (Pixie) : পিক্সি হৈছে বৃটিছ লোককথাসমূহত পোৱা এবিধ কাল্পনিক তথা পৌৰাণিক জীৱ। পিক্সি এবিধ অতি পিশাচ তথা উৰিব পৰা সূক্ষ্ম জীৱ যি ঘোঁৰা তথা শিশু অপহৰণ কৰে।

**বেছিলিস্ক** (Basilisk) : ইউৰোপীয় লোককথাৰ এটি অতি ভয়ংকৰ জীৱ হৈছে বেছিলিস্ক। বিশ্বাস কৰা হয় যে বেছিলিস্ক এবিধ সৰীসৃপ আৰু ই হৈছে সৰ্প সম্রাট। ইয়াৰ এক নিমিষতেই আন জীৱৰ মৃত্যু নিশ্চিত।

**ইউনিকৰ্ণ** (Unicorn) : শিশুসকলৰ মাজত অতিকৈ জনপ্ৰিয় কাল্পনিক জীৱবিধ হৈছে ইউনিকৰ্ণ। ইউনিকৰ্ণক অতি পৱিত্ৰ বনৰীয়া জন্তু হিচাপে প্ৰাচীন গ্ৰীক লোককথাত পোৱা যায়। খৃষ্টান ধৰ্মগ্ৰন্থ 'বাইবেল'তো এবিধ জীৱৰ বিষয় সন্নিৱিষ্ট আছে যাৰ সাদৃশ্য ইউনিকৰ্ণৰ সৈতে পোৱা যায়।



এনে ধৰণৰ বিভিন্ন পৌৰাণিক জীৱসমূহৰ বিষয়ে সমগ্ৰ পৃথিৱীৰ বিভিন্ন দেশৰ লোককথাত পোৱা হয় যদিও বিশেষকৈ প্ৰাচীন গ্ৰীক, মিছৰ তথা ৰোমান লোককথাত এনে কাল্পনিক জীৱৰ সন্ধান বেছিকৈ পোৱা যায়। পূৰ্বে উল্লেখ কৰাৰ দৰেই এই জীৱসমূহ কাল্পনিক যদিও বহুতো গৱেষণাই বৰ্তমানো এই কল্পনাৰ উহসমূহৰ সন্ধান কৰি আহিছে। বহু সময়ত ইয়াৰ অস্তিত্বৰ কিছু শুংসূত্ৰ উদ্ধাৰ কৰা হৈছে যদিও ইয়াৰ অস্তিত্ব সত্য আছিল বুলি প্ৰমাণিত কৰিব পৰা পৰ্য্যায় পোৱাগৈ নাই। পৃথিৱীৰ বিভিন্ন ভাষাৰ ভিন্নধৰ্মী চিনেমাত কাল্পনিক জীৱসমূহৰ প্ৰয়োগে এক অনবদ্য ৰূপ দিছে যাৰ ৰহস্যময় চাৰিত্ৰিক বৈশিষ্ট্যই বিশ্বৰ দৰ্শকক অতিকৈ আকৰ্ষিত কৰিছে। ❖

# বিজ্ঞাপন : সমাজ জীৱনত ইয়াৰ প্ৰভাৱ

■ ভাৱনা তালুকদাৰ
প্ৰাক্তন শিক্ষাৰ্থী, অসম জাতীয় বিদ্যালয়

**আৰম্ভণি**

বিজ্ঞাপন হ'ল ইংগিত (sign) আৰু প্ৰতীকৰ (symbol) সংমিশ্ৰণ। ই এক ব্যৱসায় লক্ষ্য আগত ৰাখি কোনো সমাজ-সংস্কৃতিক প্ৰমূল্য উপস্থাপন কৰে। বিজ্ঞাপন হ'ল বিপণন সংযোগৰ এটা গুৰুত্বপূৰ্ণ উপাদান। ই গণমাধ্যমবোৰৰ এক সংযোগী ক্ষেত্ৰত ভূমিকা পালন কৰে। বিজ্ঞাপনে বজাৰৰ তথ্য প্ৰচাৰ কৰাৰ উপৰি সজাগতা সৃষ্টি কৰে। বিজ্ঞাপনে গ্ৰাহকৰ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াক গভীৰভাৱে প্ৰভাৱিত কৰে। গ্ৰাহকৰ মনত ব্ৰেণ্ড সজাগতাৰ সৃষ্টি কৰে আৰু গ্ৰাহকৰ ক্ৰয় অনুশীলন নিৰ্দ্ধাৰণ কৰে। বিজ্ঞাপনে দিয়া সামগ্ৰী অথবা সেৱাৰ প্ৰয়োজনীয়তা সৃষ্টি কৰিবলৈ আৰু ক্ৰয়ৰ ইচ্ছা জগাই তুলিবলৈ বিজ্ঞাপনত একোটা গোহাৰি থাকে। বিজ্ঞাপনৰ বাবেই সমাজত উপভোক্তাবাদৰ সৃষ্টি হয়। লক্ষ গ্ৰাহকৰ সমষ্টিক নিজৰ সামগ্ৰী আৰু সেৱা বিক্ৰী কৰিবলৈ বিজ্ঞাপনে সকলো ধৰণৰ পতিয়ন নিয়াব পৰা কৌশল অৱলম্বন কৰে।




বিজ্ঞাপন হ'ল সাংস্কৃতিক ৰূপকৰ এলানি শ্ৰেণী সৃষ্টি কৰিবলৈ ভাষা আৰু ইংগিত ব্যৱহাৰ কৰাৰ কলা। সাংস্কৃতিক উদ্যোগৰ এটা অংশৰূপে বিজ্ঞাপনে বিজ্ঞাপনদাতাৰ ভাষাৰ খেলৰ জৰিয়তে কোনো এবিধ সামগ্ৰীত অৰ্থ তথা মূল্য আৰোপ কৰে। বিজ্ঞাপনে আমাৰ দৃষ্টিভংগী আৰু ধাৰণা গঢ় দি নিজকে তথা পৃথিৱীখনক বুজাৰ পৃষ্ঠভূমি তৈয়াৰ কৰি দিয়ে। বিজ্ঞাপনদাতাই সামগ্ৰী সেৱাৰ চাহিদা সৃষ্টি কৰি আমাৰ ধাৰণা, আশা আৰু আগ্ৰহক উপস্থাপন কৰে। বিজ্ঞাপনে আমাৰ উপভোক্তাৰ পৰিচয় গঢ় দিয়াতো সহায় কৰে।

'ভাষাৰ খেল' (Language game) বোলা অভিধাটোৱে এক বিষয়বস্তুকেন্দ্ৰিক স্তৰৰ কথা বুজায়। এই স্তৰত কোনো এক নিৰ্দিষ্ট সাংস্কৃতিক সংৰচনাৰ সৈতে সামঞ্জস্য থকাকৈ যিকোনো লিখিত পাঠ সম্পৰ্কে আমাৰ দৃষ্টিভংগী গঢ় লৈ উঠে। অন্য অৰ্থত বিজ্ঞাপন মানে হ'ল কোনো সামগ্ৰী অথবা সেৱাত নিহিত থকা প্ৰচলিত সমাজ-সাংস্কৃতিক প্ৰমূল্য কিছুমানৰ সৃজনাত্মক উপস্থাপন। বিজ্ঞাপনে এই প্ৰমূল্যবোৰ গ্ৰহণ কৰিবলৈ শ্ৰোতা-দৰ্শক-পাঠকৰ মনোভাৱ পুনৰবাৰ সবল কৰি তোলে। শ্ৰোতা-দৰ্শক-পাঠকৰ সাংস্কৃতিক প্ৰমূল্য সলনি নকৰাকৈ আৰু তেওঁলোকক বিজ্ঞাপনদাতা যে উমৈহতীয়া আদৰ্শবোৰৰ সমৰ্থক তাৰ নিশ্চিতি প্ৰদান কৰি তেওঁলোকৰ বিশ্বজনীন দৃষ্টিভংগী গঠন কৰিব পৰাটোতেই বিজ্ঞাপনৰ শক্তি লুকাই থাকে। এটা উদাহৰণলৈ মন কৰিব পাৰি। ঘড়ী নিৰ্মাতা কোম্পানী 'টাইটান'ৰ 'ৰাগা' শ্ৰেণীৰ ঘড়ীৰ বিজ্ঞাপনত সোধা হয় বিয়াত বহা উপযুক্ত সময় কোনটো? (what is the right time to get married) বিজ্ঞাপনটোত ভাগ লৈছে হিন্দী বোলছবিৰ জনপ্ৰিয় অভিনেত্ৰী কেট্ৰিনা কেইফে। বিজ্ঞাপনটোত টাইটান ৰাগা

হাতঘড়ীকেইটা হ'ল এটা ৰূপক। ই যুৱতীসকলৰ নতুন প্ৰগতিশীল চিন্তাধাৰাৰ পোষকতা কৰে। বৰ্তমানৰ যুৱতীৰ কেতিয়া বিয়াত বহিব তাৰ সিদ্ধান্ত লোৱাৰ স্বাধীনতা আছে। বৰ্তমানৰ যুৱতী তেতিয়াহে বিয়াত বহিব যেতিয়া তেওঁ নিজৰ সময় খৰচ কৰিব পৰাকৈ উপযুক্ত কোনোবা এজনৰ সন্ধান পাব। এই বিজ্ঞাপনটোৰ জৰিয়তে বিজ্ঞাপনদাতাই উপস্থাপন কৰিব খোজা নতুন দৃষ্টিভংগীটো হ'ল 'খুদ চে নয়া ৰিস্তা' (নিজৰ সৈতে নতুন সম্পৰ্ক)। নিজৰ জীৱনৰ প্ৰত্যাশাবোৰক গুৰুত্ব নিদিয়াকৈ পৰিয়ালৰ হেঁচাত বিয়াত বহিবলৈ বাধ্য হোৱা ভাৰতীয় যুৱতীসকলক এই নতুন দৃষ্টিভংগী গ্ৰহণৰ বাবে উদ্বুদ্ধ কৰাৰ চেষ্টা চলায়।

বজাৰৰ প্ৰচলিত প্ৰয়োজনীয়তা পূৰণ কৰাটোৱেই বিজ্ঞাপনৰ একমাত্ৰ ভূমিকা নহয়। ই উপভোক্তাৰ মনত নতুন চাহিদা সৃষ্টিৰো কাম কৰে। গ্ৰাহকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ, মনোভাব সলনি কৰিবলৈ আৰু আমাৰ বস্তু কিনাৰ আচাৰ-আচৰণ নিয়ন্ত্ৰণ কৰিবলৈ বিজ্ঞাপনবোৰৰ আৰ্হি প্ৰস্তুত কৰা হয়। ই আমাৰ বস্তু কিনাৰ সিদ্ধান্ত সলনি কৰি আৰু কিছুমান সমাজ-সাংস্কৃতিক প্ৰমূল্য গঢ়ি তুলি জীৱনৰ এক অপৰিহাৰ্য্য অংগত পৰিণত হৈছে। বিজ্ঞাপন আৰু প্ৰচাৰ মাধ্যম উদ্যোগৰ মাজত ওতপ্ৰোত সম্পৰ্ক আছে। দুয়োটাই এক নতুন সাংস্কৃতিক মণ্ডল গঢ়ি তোলাত পৰস্পৰ নিৰ্ভৰশীলভাৱে অৰিহণা আগ বঢ়ায়। এই নতুন মণ্ডলটোৱে আমি বৰ্তমানে জীয়াই থকা পৃথিৱীখন প্ৰতিফলিত কৰে। এটা বিপণন কৌশলৰূপে বিজ্ঞাপনে এক সৰ্বময় ৰূপ ধাৰণ কৰিছে। ই আনকি উপভোক্তাৰ মনত প্ৰয়োজন নাথাকিব পৰা সেৱা/সামগ্ৰী আদিও ক্ৰয় কৰাৰ বাবেও মনোবৈজ্ঞানিক নিৰ্ভৰশীলতাৰ সৃষ্টি কৰিব পৰা হৈছে। বিজ্ঞাপন উদ্যোগৰ এই অনুশীলনে উপভোক্তাৰ আবেগৰ সৈতে আৰু গতানুগতিকতাৰ বিৰুদ্ধে মনোবৈজ্ঞানিক খেল খেলি সমাজক বস্তুবাদী কৰি তুলিছে। বিজ্ঞাপনে বাস্তৱ জীৱনৰ পৰিস্থিতি সম্পৰ্কে থকা আমাৰ ধাৰণাবোৰক কৌশলেৰে সলনি কৰিছে।

বিজ্ঞাপনত দেখুওৱা সামাজিক প্ৰথা-পৰম্পৰাবোৰৰ প্ৰচলিত উপস্থাপনে শ্ৰোতা-দৰ্শকৰ মনত এক প্ৰকাৰৰ অসন্তুষ্টি সৃষ্টি কৰে। এনে অসন্তুষ্টি তেতিয়া অধিক হয় যেতিয়া তেওঁলোকে অনুভৱ কৰে যে তেওঁলোকৰ স্ব-ভাৱমূৰ্তি বিজ্ঞাপনত দেখুওৱা ভাৱমূৰ্তিৰ সৈতে নিমিলে। এটা উদাহৰণ লোৱা যাওক। 'ফেয়াৰ এণ্ড লাভ্‌লি'ৰ দৰে প্ৰসাধন সামগ্ৰীৰ বিজ্ঞাপনত বগা ছালৰ, ক্ষীণাংগী যুৱতীক 'ধুনীয়া' যুৱতীৰ সংজ্ঞাৰূপে উপস্থাপন কৰা হয়। বিজ্ঞাপনটো দেখা কোনো যুৱতীৰ মনত যেতিয়া এই সংজ্ঞাটোৱে দৃঢ়ভাৱে খোপনি পোতে, তেতিয়া এই সংজ্ঞাটোৰ সৈতে খাপ খাবলৈ সামগ্ৰীবিধ কিনি ব্যৱহাৰ কৰাটোৱেই উত্তম উপায় বুলি বিবেচনা কৰে।

অৱশ্যে আমাৰ জীৱনৰ বিভিন্ন দিশলৈ বিজ্ঞাপনে নানা তাৎপৰ্য্যপূৰ্ণ সুফল কঢ়িয়াই আনিব পাৰে। যেনে, কোনো সামগ্ৰী অথবা সেৱাৰ বজাৰ চাহিদা সৃষ্টি কৰি অৰ্থনীতি ত্বৰান্বিত কৰাত বিজ্ঞাপনে এক ইতিবাচক উদ্দীপকৰ ভূমিকা পালন কৰিব পাৰে। অৰ্থনীতিৰ দিশেৰে বিজ্ঞাপনে প্ৰচাৰ মাধ্যম উদ্যোগৰ বাবে এক ৰাজহ উৎসৰূপে কাম কৰি সমাজৰ উন্নতিলৈ অৰিহণা আগ বঢ়ায়। ই সংবাদ মাধ্যম কলাক সাধাৰণ লোকৰ বাবে সুলভ কৰি তোলে। বিজ্ঞাপন অবিহনে বাতৰিকাকত, ৰেডিঅ', আলোচনী আৰু টেলিভিছনৰ দৰে গণমাধ্যমবোৰৰ অস্তিত্ব প্ৰচাৰ মাধ্যম উদ্যোগটোৰ পৰা নাইকিয়া হৈ যাব। অৰ্থনৈতিক দিশটোৰ উপৰি বিজ্ঞাপনে মানৱ কল্যাণ সাধন কৰিব পৰা উপায়ৰূপেও নিজ ভূমিকা পালন কৰে। ইয়াক কিছুমান সামাজিক সমস্যাৰ বিষয়ে সাধাৰণ লোকৰ মাজত সজাগতা সৃষ্টিকাৰী মাধ্যমৰূপেও ব্যৱহাৰ কৰিব পৰা যায়। স্বচ্ছ ভাৰত অভিযান বিজ্ঞাপনটোৰ কথাই ভাবক। বিজ্ঞাপনটোৱে পৰিষ্কাৰ ভাৰত এখনৰ বিষয়ে সাধাৰণ নাগৰিকক সজাগ কৰি তুলিছে আৰু এটা ভাল কাৰণত সমাজখনক উপকৃত কৰি তোলাত নিজৰ অৰিহণা আগ বঢ়াইছে।

সৰু ল'ৰা-ছোৱালীৰ ওপৰত বিজ্ঞাপনৰ প্ৰভাৱ এক চিন্তাৰ বিষয় হৈ পৰিছে। বিজ্ঞাপনৰ বাবে উপভোক্তাৰ বজাৰখনৰ এক প্ৰধান লক্ষ্যগোট হ'ল সৰু ল'ৰা-ছোৱালীবোৰ। প্ৰচাৰ মাধ্যমে আবৰি ৰখা সমাজ এখনত অজস্ৰ তথ্যই আমাক অনবৰতে ভাৰাক্ৰান্ত কৰি ৰাখে। ইয়াৰ পৰা সৰু ল'ৰা-ছোৱালীহঁতো সাৰি নাযায়। কিন্তু বিজ্ঞাপন জগতৰ ব্যৱসায় বুজি পাবলৈ সিহঁত এতিয়াও পৰিপক্ক হৈ উঠা নাই। প্ৰচাৰ মাধ্যম সম্পৰ্কে ল'ৰা-ছোৱালীয়ে লাভ কৰা জ্ঞানে সিহঁতৰ পৰ্য্যবেক্ষণভিত্তিক শিকন শক্তিশালী কৰি তোলে। এই শিকন প্ৰক্ৰিয়াই সিহঁতৰ মনোভাব গঢ়াত ভূমিকা লয়। বিজ্ঞাপনত নিহিত থকা গোহাৰিয়ে ল'ৰা-ছোৱালীক প্ৰভাৱিত কৰে। বেছিভাগ বিজ্ঞাপনতে আবেগিক গোহাৰিৰ দ্বাৰা সৰু ল'ৰা-ছোৱালীক লক্ষ্য কৰি বাৰ্তা প্ৰচাৰ কৰা হয়।

বিজ্ঞাপনৰ সৈতে জড়িত ন্যায়নিষ্ঠ বিষয়বোৰে সমাজত ই পেলোৱা নেতিবাচক প্ৰশ্নবোৰ বিবেচনা কৰি চায়। এনেদৰে উত্থাপিত হ'ব পৰা প্ৰশ্ন কেইটামান হ'ল—বিজ্ঞাপনদাতাসকলে অতিৰঞ্জিত কথাৰ জগত এখন সৃষ্টি কৰে নেকি? এনে অতিৰঞ্জিত গতানুগতিক বজাৰৰ প্ৰতিদ্বন্দ্বীসকলৰ সৈতে প্ৰতিযোগিতাত নামি লাভ অৰ্জনত সহায় কৰে নেকি? লাভ অৰ্জনৰ বাবে প্ৰতিযোগিতাত নমাৰ সময়ত বিজ্ঞাপনদাতাসকলে উপভোক্তাৰ প্ৰতি ন্যায় প্ৰদৰ্শন কৰিব লাগে আৰু সততা বৰ্তাই ৰাখিব লাগে। সেইবাবেই বিজ্ঞাপনত কিছু নীতিগত অনুশীলনৰ আৱশ্যক। কিন্তু সমালোচকসকলে বিশ্বাস কৰে যে বিজ্ঞাপনদাতাই উপভোক্তাৰ মনত অপ্ৰয়োজনীয় দ্ৰব্য এবিধৰ কৃত্ৰিম চাহিদাৰ সৃষ্টি কৰে। সমালোচকসকলে ইয়াকো কয় যে বিজ্ঞাপনদাতাই 'বগা ছাল' মানেই ধুনীয়া ব্যক্তি আদিৰ দৰে কিছুমান প্ৰচলিত পৰম্পৰাগত চিন্তাৰ দৰ্শনসাধ্য প্ৰতিচ্ছবি সৃষ্টি কৰি আওপুৰণি সামাজিক মানসিকতা পুনৰ উপস্থাপন কৰে। নিজৰ সামগ্ৰীবোৰৰ সামাজিক গ্ৰহণযোগ্যতা বঢ়াবলৈ বিজ্ঞাপনদাতাসকলে প্ৰচলিত সামাজিক বিশ্বাস, সংস্কৃতি আৰু গতানুগতিক চিন্তাৰ সুবিধা লয় আৰু সেইবোৰক এনেদৰে বিজ্ঞাপনৰ জৰিয়তে উপস্থাপন কৰে যিবোৰ চাই উপভোক্তাৰ গতানুগতিকতাৰ প্ৰতি বিশ্বাস পুনৰ দৃঢ় হৈ পৰে।

নাৰীক গতানুগতিকতাৰ সাঁচত বান্ধি ৰখাৰ প্ৰয়াসটো হ'ল বিজ্ঞাপনত প্ৰদৰ্শিত সবাতোকৈ বিতৰ্কিত ন্যায়নিষ্ঠতা জড়িত থকা সমস্যা। কোনো সামগ্ৰী বিক্ৰী কৰিবলৈ বিজ্ঞাপনবোৰত নাৰীক 'বস্তু' হিচাপে ব্যৱহাৰ কৰাৰ প্ৰৱণতাই সমাজত নৈতিক বিপদৰ আশংকা সৃষ্টি কৰিছে। বহুতো বিজ্ঞাপনত নাৰী দেহৰ যৌন আবেদনক বস্তুকৃত ৰূপ দিয়া হয়। ইয়াৰ দ্বাৰা গ্ৰাহকক সামগ্ৰীবিধ কিনিবলৈ প্ৰলোভিত কৰা হয়। সামগ্ৰীবিধ মহিলাই ব্যৱহাৰ কৰিব পৰা সামগ্ৰী হ'বও পাৰে, নহ'বও পাৰে। বিজ্ঞাপনত এনেদৰে নাৰীক গতানুগতিকতাৰ সাঁচত ঢলাৰ প্ৰৱণতাটোৱে সমাজত যে এতিয়াও নাৰীক পৰৰ অধীন দুৰ্বল শ্ৰেণীটোৰ সদস্য বুলি ভবা হয় সেই প্ৰচলিত আওপুৰণি বিশ্বাসটোকে পুনৰ উপস্থাপন কৰে।

কিছুমান অতিৰঞ্জিত দাবীৰে উপভোক্তাক বিপথে পৰিচালিত কৰিব পৰা কিছুমান বিজ্ঞাপন অনুশীলনক অৱশ্যে একে ভাষাৰে অনৈতিক বুলি গণ্য কৰা হয়। বিজ্ঞাপনৰ অতিৰঞ্জিত দাবীবোৰক 'প্ৰশস্তি গান' বোলা হয়। এনে প্ৰশস্তি গান ব্যৱহাৰ কৰি বিজ্ঞাপনদাতাই ব্যাৱসায়িক প্ৰতিদ্বন্দ্বিতাৰ সৈতে ফেৰ মৰাৰ চেষ্টা কৰে। কিন্তু এনে দাবীক বিশ্বাস কৰা উপভোক্তা বিপথে পৰিচালিত হোৱাৰ সম্ভাৱনা থাকে। কোনো নতুন সামগ্ৰীৰ প্ৰচাৰত এনে প্ৰশস্তি গানৰ অধিক প্ৰয়োগ কৰা হয়। সামগ্ৰীবিধক বজাৰত চলি থকা একে ধৰণৰ সামগ্ৰীতকৈ শ্ৰেষ্ঠ বুলি প্ৰশংসা কৰা হয়। প্ৰশস্তি গানবোৰ হ'ল ব্যক্তিনিষ্ঠ দাবী। এইবোৰ প্ৰতিপন্ন অথবা অপ্ৰতিপন্ন কৰিব নোৱাৰি। এনে দাবীবোৰ কেৱল উপভোক্তাৰ মনোযোগ আকৰ্ষণ কৰিবলৈ ব্যৱহাৰ কৰা হয়। প্ৰশস্তি গান প্ৰয়োগৰ এটা উদাহৰণ হ'ল 'গাৰ্নিয়াৰ ফেচ ৱাশ্ব'ৰ বিজ্ঞাপনটো। ইয়াত ফেচ ৱাশ্বটোৱে ৯৯.৯% শালমইনা সৃষ্টিকাৰী বীজাণু নষ্ট কৰে বুলি কোৱা হয়।

বিজ্ঞাপনৰ সৈতে জড়িত আন এক বিতৰ্কিত বিষয় হ'ল অন্তঃসাৰশূন্য প্ৰতিশ্ৰুতিৰে ভৰা শব্দ (wease) ব্যৱহাৰেৰে কৰা দাবী। এনে দাবীবোৰে সামগ্ৰী এবিধৰ অভিপ্ৰেত দাবীবোৰৰ পৰস্পৰ বিৰোধিতা কৰে। এনে দাবীবোৰক সাধাৰণ দৃষ্টিত উদাৰ উক্তি যেন লাগে। কিন্তু গভীৰভাৱে চিন্তা কৰিলে গম পোৱা যাব যে এনে দাবীবোৰে আচলতে কোনো এবিধ সামগ্ৰী ব্যৱহাৰ কৰাটো ভাল বুলি উপভোক্তাৰ মনত বিশ্বাস জন্মাব পৰা কোনো অৰ্থ প্ৰকাশ নকৰে। সচৰাচৰ ব্যৱহৃত কেইটামান অন্তঃসাৰশূন্য প্ৰতিশ্ৰুতিৰে ভৰা ব্যাকাংশ/শব্দ হ'ল—ই সহায় কৰে (helps), 'অমুক'ৰ দৰে (like), হয়তো, সম্ভৱতঃ (probably), 'অমুক'ৰ সমান (as much as), বহুতৰে মাজৰ (among others) ইত্যাদি। এনে শব্দ ব্যৱহাৰ কৰি বিজ্ঞাপনদাতাই উপভোক্তাক সামগ্ৰী ক্ৰয় কৰিবলৈ পতিয়ন নিওৱাৰ চেষ্টা কৰে। এনে শব্দ ব্যৱহাৰৰ আধাৰ হ'ল উপভোক্তাৰ সমস্যা সমাধান কৰাৰ কিছুমান বিকৃত প্ৰতিশ্ৰুতি। যেনে, কিছুমান শ্বেম্পুৰ বিজ্ঞাপনত কোৱা হয় যে শ্বেম্পুবিধে উফিৰ সমস্যা সমাধান কৰাত সহায় কৰিব। কিন্তু বিজ্ঞাপনত কেতিয়াও কোৱা নহয় যে 'অমুক' শ্বেম্পুটোৰে উফি হোৱাত সম্পূৰ্ণ ৰোধ কৰি সমস্যাটো একেবাৰে সমাধান কৰিব। এনে অন্তঃসাৰশূন্য প্ৰতিশ্ৰুতিৰে ভৰা দাবী চিনাক্ত কৰিবলৈ বিজ্ঞাপনবোৰ সমালোচনামূলক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব লাগিব।

**সামৰণি :**

বিজ্ঞাপনক দেশৰ আইন অনুসাৰে গঢ় দিয়া হয়। ইয়াক নৈতিকতা, গ্ৰহণযোগ্য, মান আৰু মানুহৰ ধৰ্মীয় অনুভূতিৰ ওপৰত আৰোপ কৰা অনুচিত। এনে কোনো বিজ্ঞাপনৰ অনুমোদন কৰা উচিত নহয় যি কোনো প্ৰতিযোগিতা, বৰ্ণ, ৰং, বিশ্বাস বা নীতি আৰু জাতীয়তাক লৈ উপহাস কৰে, যি কোনো নিৰ্দেশক নীতিৰ বা ভাৰতীয় সংবিধানৰ অন্য যিকোনো অনুচ্ছেদৰ বিৰুদ্ধাচৰণ কৰা, বিচৰা ধৰণে অপৰাধ ঘটোৱা, বিদেশী ৰাষ্ট্ৰৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্কত বিপৰীত প্ৰভাৱ পেলোৱা, চিগাৰেট আৰু ধঁপাতজাতীয় পণ্য, এলকহল মিশ্ৰিত পানী, সুৰা আৰু অন্য উত্তেজক দ্ৰব্যৰ লগত সম্পৰ্ক ৰখা বা উন্নীতকৰণ কৰা। ❖

*(২০২১ বৰ্ষৰ 'সাহিত্য দিৱস' উপলক্ষে সদৌ অসম ভিত্তিত আয়োজিত প্ৰবন্ধ প্ৰতিযোগিতাৰ 'গ' শাখাত শ্ৰেষ্ঠ বিবেচিত লেখনী।)*

## মায়ে মোক কৰ্মৰ জৰিয়তে দিয়া কেইটামান শিক্ষা

**আদিত্য গোস্বামী**
দশম শ্ৰেণী

- নিচেই সৰুতে ঘৰৰ মজিয়াখনত খেলা বস্তুবোৰ সিঁচৰতি কৰি পেলাইছিলোঁ। মায়ে মূঢ়া এটা ওলোটাই দি তাতেই ভৰাবলৈ দিছিল খেলনাবোৰ এটা এটাকৈ। পৰিপাটি গুণটো শিকিছিলোঁ এই কথাটোৰ পৰাই।
- চিপ্‌চ, চকলেট একেলগে বেছিকৈ কিনি দি কয়— এয়া এসপ্তাহৰ বাবে। তিনিও ভায়ে ভগাই খাবা। কেইদিনত খাবা তোমালোকৰ কথা। এই কথাটোৱে আমাক সাঁচি খাবলৈ শিকাইছিল।
- জোতাৰ ফিটা, চোলাৰ বুটাম মাৰা আদি কামবোৰ নিজেই কৰিছিলোঁ। সময় লাগিছিল, কিন্তু মগজু খটুৱাই কামটো কৰিবলৈ শিকিছিলোঁ।

# ভগিনী নিবেদিতা

■ সুমন খনিকৰ
চতুৰ্থ শ্ৰেণী



ভগিনী নিবেদিতা এগৰাকী আইৰিচ শিক্ষয়িত্ৰী, প্ৰসিদ্ধ লেখিকা, বিদ্যালয় প্ৰতিষ্ঠাতা আৰু স্বামী বিবেকানন্দৰ শিষ্য আছিল। তেখেতে তেখেতৰ ল'ৰালি আৰু প্ৰাৰম্ভিক যৌৱন কাল আয়াৰলেণ্ডত অতিবাহিত কৰিছিল। তেখেতৰ আচল নাম আছিল মাৰ্গাৰেট এলিজাবেথ ন'বল। এনী বেচান্ত, মীৰা বেন আদি মহিলাৰ দৰে ভগিনী নিবেদিতায়ো বিদেশৰ পৰা আহি ভাৰতবৰ্ষক আপোন কৰি দেশখনলৈ উল্লেখযোগ্য বৰঙণি আগ বঢ়াইছিল।

মাৰ্গাৰেটৰ (ভগিনী নিবেদিতা) জন্ম হৈছিল আয়াৰলেণ্ডত, ১৮৬৭ চনৰ ২৮ অক্টোবৰ তাৰিখে। তেওঁৰ পিতৃ এজন খৃষ্টান ধৰ্মযাজক আছিল। মাত্ৰ চৌত্ৰিছ বছৰ বয়সতে মৃত্যুবৰণ কৰা মাৰ্গাৰেটৰ পিতৃৰ জীয়েকৰ ভৱিষ্যৎ সম্পৰ্কে পৃথক পূৰ্বানুমান আছিল। সেয়েহে জীৱনৰ অন্তিম কালত তেওঁ মাৰ্গাৰেটৰ মাকক ফুচফুচাই কৈছিল, "যেতিয়া তাইক ঈশ্বৰে আহ্বান কৰে, তাইক যাবলৈ দিবা। তাই নিজৰ ডেউকা বহলকৈ মেলিব। তাই মহৎ কাৰ্য্য সমাধা কৰিব।" দেউতাকে কোৱা কথাষাৰ সঁচাই বাস্তৱত পৰিণত হৈছিল।

ভাৰতবৰ্ষলৈ অহাৰ আগতেই কলেজীয়া শিক্ষা সমাপ্ত কৰি মাৰ্গাৰেটে এখন বিদ্যালয়ত শিক্ষকতা কৰিছিল। পৰৱৰ্তী কালত তেখেতে এখন অনাথ আশ্ৰম, লণ্ডনৰ ৰাস্কিন স্কুল আদি শিক্ষানুষ্ঠানৰ লগত জড়িত হৈ পৰিছিল। লণ্ডনত থকা কালত তেওঁ 'The Psychology of the Child', 'The Rights of Women' আদি বক্তৃতা প্ৰদান কৰি জনাজাত হৈছিল।

লণ্ডনত থকা কালতে ১৮৯৫ চনত মাৰ্গাৰেট ভাৰতৰ দেশপ্ৰেমিক সাধু স্বামী বিবেকানন্দৰ সান্নিধ্যলৈ আহিছিল। স্বামী বিবেকানন্দৰ মহত্ত্ব তেখেতে খুব ভালকৈ উপলব্ধি কৰিছিল। অতি কম দিনৰ ভিতৰতে তেখেতে স্বামী বিবেকানন্দক গুৰু হিচাপে গ্ৰহণ কৰি জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ কৰিছিল। স্বামীজীয়ে দিয়া আহ্বানৰ প্ৰতি তেখেত আকৰ্ষিত হৈছিল। এদিন মাৰ্গাৰেটক স্বামীজীয়ে কৈছিল, "আমাৰ দেশৰ নাৰীসকলৰ কাৰণে মোৰ এখন আঁচনি আছে আৰু মই ভাবোঁ এই ক্ষেত্ৰত তুমি বহুখিনি সহায় কৰিব পাৰিবা।" এয়া আছিল তেখেতৰ বাবে অতি আকৰ্ষণীয় আহ্বান। তেতিয়াই তেখেতে ভাৰতলৈ আহি দেশবাসীক সেৱা কৰাৰ সিদ্ধান্ত লৈছিল।

১৮৯৮ চনৰ জানুৱাৰী মাহত মম্বাচা নামৰ এখন জাহাজেৰে আহি মাৰ্গাৰেট কলিকতাত উপস্থিত হৈছিল। সেই বছৰৰে ২৫ মাৰ্চ তাৰিখে স্বামীজীয়ে তেখেতক ব্ৰহ্মচৰ্য্যৰ দীক্ষাৰে দীক্ষিত কৰিছিল আৰু তেখেতক 'নিবেদিতা' বুলি নামাংকৃত কৰিছিল।

নিবেদিতা মানে হ'ল নিজকে ঈশ্বৰৰ প্ৰতি উছৰ্গা কৰা ব্যক্তি। সেইদিনাৰ পৰা মাৰ্গাৰেট এলিজাবেথ ন'বল ভগিনী নিবেদিতা বা ছিষ্টাৰ নিবেদিতা হিচাপে পৰিচিত হৈছিল।

ভগিনী নিবেদিতাই ভাৰতবৰ্ষৰ বিষয়ে জানিবলৈ প্ৰথমে ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল। হিন্দু ধৰ্মৰ শাস্ত্ৰবিলাক তেখেতে মনোযোগেৰে অধ্যয়ন কৰিছিল। তেখেতে বহুতো লেখা-মেলা কৰিছিল আৰু মানুহৰ মাজত ভাৰতীয় সভ্যতা-সংস্কৃতি সম্পৰ্কে মৰ্মস্পৰ্শী বক্তৃতা প্ৰদান কৰাৰ লগতে ভাৰতীয় লোকসকলক তেখেতে নানা ধৰণে সেৱা কৰিছিল।

১৮৯৮ চনৰ নৱেম্বৰ মাহত ভগিনী নিবেদিতাই কলিকতাৰ বাগবজাৰত এখন ছোৱালী বিদ্যালয় খুলিছিল। তেওঁ নিজেই বিদ্যালয়ৰ কাৰণে দান-বৰঙণি সংগ্ৰহ কৰিছিল। কিতাপ লিখিও তেওঁ বিদ্যালয়ৰ কাৰণে ধন আৰ্জিছিল। ভাৰতীয় নাৰীসকলক শিক্ষিত, সবল আৰু আত্মনিৰ্ভৰশীল হ'বলৈ তেখেতে আহ্বান জনাইছিল। নাৰীৰ উন্নতিৰ হকে তেখেতে পৰম নিষ্ঠাৰে কাম কৰিছিল। ভাৰতীয় নাৰীসকলক শিক্ষিত কৰি তেখেতে নাৰী সবলীকৰণত অৰিহণা যোগাইছিল।

১৮৯৯ চনত কলিকতাত প্লেগ মহামাৰীয়ে দেখা দিছিল। মহামাৰীত আক্ৰান্ত হোৱা লোকসকলক শুশ্ৰূষা কৰিবৰ কাৰণে স্বামী বিবেকানন্দই তেখেতৰ লগৰীয়া সন্ন্যাসীসকলৰ সৈতে এটা সেৱা দল গঠন কৰিছিল। সেই দলটোৰ পৰিচালনাৰ দায়িত্ব দিয়া হৈছিল ভগিনী নিবেদিতাক। ৰোগত আক্ৰান্ত আৰু নিৰ্য্যাতিতসকলৰ কাৰণে তেখেতে অবিশ্ৰান্তভাৱে কাম কৰিছিল। 'উপদেশতকৈ আৰ্হি ভাল' কথাষাৰ সাৰোগত কৰি এবাৰ তেওঁ হাতত বাঢ়নী লৈ এটা অপৰিষ্কাৰ আলিবাট সাৰিবলৈ লাগিল। কামৰ প্ৰতি থকা তেওঁৰ আগ্ৰহ আৰু উৎসাহত অনুপ্ৰাণিত হৈ আন লোকো তেখেতৰ লগ লাগিল আৰু আলিবাটটো ক্ষন্তেকতে পৰিষ্কাৰ হৈ পৰিল।

স্বামী বিবেকানন্দই স্থাপন কৰা ৰামকৃষ্ণ মিছনৰ সৈতেও ভগিনী নিবেদিতা জড়িত হৈছিল। পিছত ভাৰতৰ জাতীয়তাবাদী আন্দোলনত জড়িত হৈ পৰাৰ বাবে তেখেতে ৰামকৃষ্ণ মিছনৰ পৰা নিজকে আঁতৰাই ৰাখিব লগা হৈছিল।

বংগভংগ আৰু স্বদেশী আন্দোলনৰ সময়ত ভগিনী নিবেদিতাই আন্দোলনকাৰীসকলক বিভিন্ন ধৰণে সহায় কৰিছিল। বংগৰ 'অনুশীলন সমিতি'ৰ সৈতেও তেখেতে জড়িত হৈ পৰিছিল। বক্তৃতাৰ জৰিয়তে তেওঁ ভাৰতীয় যুৱকসকলক দেশৰ জাতীয়তাবাদী আন্দোলনত অংশগ্ৰহণৰ কাৰণে উৎসাহিত কৰিছিল।

ভগিনী নিবেদিতাই প্ৰখ্যাত ভাৰতীয় বিজ্ঞানী আৰু দাৰ্শনিক জগদীশ চন্দ্ৰ বসুক মৌলিক বৈজ্ঞানিক গৱেষণাৰ বাবে সক্ৰিয়ভাৱে উৎসাহ যোগাইছিল। জগদীশ চন্দ্ৰ বসুক আৰ্থিকভাৱে সহায় কৰাৰ লগতে তেখেতৰ কৰ্মৰাজিৰ স্বীকৃতি প্ৰাপ্তিৰ বাবেও যৎপৰোনাস্তি চেষ্টা চলাইছিল।

ভগিনী নিবেদিতাই কেইবাখনো গ্ৰন্থ লিখিছিল। তাৰে ভিতৰত উল্লেখযোগ্য গ্ৰন্থ হ'ল : Cradle Tales of Hinduism, Kali the Mother, The Web of Indian Life, The Master As I Saw Him, Myths of Hindus and Buddhists ইত্যাদি।

এইগৰাকী মহীয়সী নাৰীৰ ১৯১১ চনৰ ১৩ অক্টোবৰ তাৰিখে দাৰ্জিলিঙত মৃত্যু হয়। তেখেতৰ দাৰ্জিলিঙত থকা সমাধিৰ ফলকত লিখিত বাক্যশাৰী হ'ল, "Here lies sister Nibedita who gave her all to India." তেখেতৰ নামেৰে ১৯৬২ চনত পৰিচালক বিজয় বসুৰে 'ভগিনী নিবেদিতা' নামৰ এখন বাংলা চলচ্চিত্ৰ নিৰ্মাণ কৰিছে। ভাৰত চৰকাৰে ১৯৬৮ চনত তেখেতৰ স্মৃতিত এটি ডাকটিকটো মুকলি কৰিছিল। ভগিনী নিবেদিতাৰ কৰ্মৰাজিক আমি সকলোৱে সন্মান জনোৱা উচিত। ❖

# মোৰ প্ৰিয় ব্যক্তি : মাদাৰ টেৰেছা

■ দিশ্ৰু ৰুদ্ৰানী
পঞ্চম শ্ৰেণী



মাদাৰ টেৰেছা মোৰ প্ৰিয় ব্যক্তি। জনা-বুজা হোৱাৰ পৰা মাৰ মুখত এই মহীয়সী নাৰীগৰাকীৰ সুন্দৰ কাহিনী শুনি আহিছোঁ। ২০১৭ চনৰ ১২ নৱেম্বৰত অনুষ্ঠিত উত্তৰ-পূব গ্ৰন্থমেলাত মাদাৰ টেৰেছাৰ জীৱনীমূলক গ্ৰন্থ এখন প্ৰথমবাৰৰ বাবে মা-পিতাই কিনি দিলে। এই গ্ৰন্থখন পঢ়াৰ পিছৰে পৰাই এইগৰাকী মৰমিয়াল নাৰী মোৰ অন্যতম প্ৰিয় আৰু সন্মানীয় ব্যক্তি হৈ পৰিল।

১৯১০ চনৰ ২৬ আগষ্টত যুগোশ্লাভিয়াৰ স্কপজে নগৰত মাদাৰ টেৰেছাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল নিক'লি বজঝিও আৰু মাতৃৰ নাম আছিল ড্ৰানাফিল বজঝিও। মাদাৰ টেৰেছাৰ জন্মগত নাম আছিল এগ্নিচ্ গনঝা বজঝিও। তিনি বছৰ বয়সতে তেওঁৰ পিতৃৰ বিয়োগ ঘটাত তেওঁৰ মাতৃয়ে অশেষ কষ্ট কৰি মাদাৰ টেৰেছাৰ লগতে তেওঁৰ ককায়েক আৰু বায়েকক ডাঙৰ-দীঘল কৰিছিল। মাদাৰ টেৰেছাৰ বয়স তেতিয়া চাৰি বছৰ। আৰম্ভ হ'ল প্ৰথম বিশ্বযুদ্ধ (১৯১৪-১৯১৮ চন)। এই বিশ্বযুদ্ধৰ ভয়াবহ অভিজ্ঞতাই মাদাৰ টেৰেছাৰ শৈশৱকাল সম্পূৰ্ণৰূপে সলনি কৰি পেলালে। পঢ়াশলীয়া শিক্ষা শেষ কৰাৰ পাছতে ঠিক ১৮ বছৰ বয়সত তেওঁ সন্ন্যাসিনী (নান) হ'ব বুলি সিদ্ধান্ত ল'লে। সমাজৰ দুখীয়া-দৰিদ্ৰ, ৰুগীয়া আৰু শাৰীৰিক বাধাগ্ৰস্ত লোকৰ বাবে কাম কৰিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হ'ল। ফলত নিজৰ জন্মভূমি, পৰিয়াল ত্যাগ কৰি ভাৰতবৰ্ষ অৰ্থাৎ কলিকতালৈ ৰাওনা হ'ল।

ঈশ্বৰৰ ওপৰত অগাধ বিশ্বাস থকা মাদাৰ টেৰেছাই ১৯৪৮ চনত ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰিছিল। তেওঁৰ সমগ্ৰ জীৱন দুখীয়া মানুহক সকলো ধৰণৰ সহায় কৰাৰ নামতে সমৰ্পণ কৰিছিল। ইয়াৰ ফলতেই ১৯৫০ চনত 'অৰ্ডাৰ অৱ দা মিছনাৰিজ অৱ চেৰিটি' কলিকতাত স্থাপন কৰে। ইয়াৰ যোগেদি মাদাৰ টেৰেছাই অনাথ, পৰিত্যক্ত শিশুসকলৰ বাবে নিৰ্মাণ কৰে 'নিৰ্মল শিশু ভৱন' অথবা 'Mother House'। অন্ন, বস্ত্ৰ, চিকিৎসাৰ লগতে আশ্ৰয় আৰু শিক্ষা-দীক্ষা, মৰম-যতনেৰে শিশুসকলক ডাঙৰ-দীঘল কৰিছিল। মাদাৰ টেৰেছাই কুষ্ঠ ৰোগীসকলৰ বাবেও বহু কাম কৰিছিল।

ত্যাগৰ আৰু প্ৰেমৰ অপূৰ্ব নিদৰ্শন মাদাৰ টেৰেছাক সন্মান জনাই ভাৰত চৰকাৰে ১৯৬২ চনত পদ্মশ্ৰী সন্মান, ১৯৭২ চনত জৱাহৰলাল নেহৰু পুৰস্কাৰ আৰু ১৯৮০ চনত ভাৰত ৰত্ন প্ৰদান কৰে। ইয়াৰ উপৰি অন্যান্য বহু সন্মানৰ ভিতৰত আটাইতকৈ সন্মানীয় শান্তিৰ ন'বেল পুৰস্কাৰ লাভ কৰিছিল ১৯৭৯ চনত। গোটেই বিশ্বৰ বাবে আপোন হৈ পৰা মাদাৰ টেৰেছাৰ ১৯৯৭ চনৰ ৫ ছেপ্টেম্বৰত কলিকতাত ৮৭ বছৰ বয়সত মৃত্যু হয়। মোৰ এই প্ৰিয় ব্যক্তিগৰাকীয়ে কোৱা সকলোবোৰ সোণসেৰীয়া কথাৰ ভিতৰত আটাইতকৈ প্ৰভাৱিত কৰা কথাষাৰ হ'ল— "Peace begins with a smile"। ❖

# নাট্যগুৰু উইলিয়াম ছেক্সপীয়েৰ

■ কৌটিল্য কাব্যিক
ষষ্ঠ শ্ৰেণী



ইংৰাজী সাহিত্যৰ এলিজাবেথীয় যুগটো প্ৰকৃতপক্ষে নাটকৰ যুগ আছিল। এই বিশেষ যুগটোৰ নাট্যকাৰসকলে অসংখ্য নাটক ৰচনা কৰি জাতীয় জীৱনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। ঠিক এই সময়তে নাট্যগুৰু উইলিয়াম ছেক্সপীয়েৰৰ আৱিৰ্ভাৱ ঘটিছিল। এইজন নাট্যকাৰে এলিজাবেথীয় যুগৰ পৰা সাম্প্ৰতিক সময়লৈকে সমালোচকৰ দৃষ্টিত বিশ্বৰ শ্ৰেষ্ঠ নাট্যকাৰ হিচাপে বিৰল সন্মানৰ অধিকাৰী হৈ আছে।

ছেক্সপীয়েৰৰ নাট প্ৰতিভাৰ প্ৰধানকৈ তিনিটা লক্ষ্যণীয় দিশ দেখা যায়। সেয়া হ'ল ক্ৰমে অপূৰ্ব চৰিত্ৰ সৃষ্টিৰ ক্ষমতা, সাৰ্বজনীনতা আৰু পক্ষপাতহীন ৰচনা। ছেক্সপীয়েৰে সৰ্বমুঠ ছয়ত্ৰিছখন নাটক ৰচনা কৰিছিল। ইয়াৰ প্ৰত্যেকখন নাটক উত্তম যদিও, ট্ৰেজেদি নাটককেইখন বেছি উল্লেখযোগ্য। নাটককেইখন হ'ল ক্ৰমে—হেমলেট, কিংলিয়েৰ, অথেল', মেকবেথ, এনটনী এণ্ড ক্লিঅ'পেট্ৰা, ৰমিয় এণ্ড জুলিয়েট আৰু জুলিয়াছ চিজাৰ। তেনেদৰে কমেডিৰ ভিতৰত আছে—দ্য কমেডি অব এৰ'ৰছ, লাভছ লেবাৰ লষ্ট, দ্য মাৰছেণ্ট অব ভেনিছ, এজ ইউ লাইক ইট, মাচ এডিউট নথিং, দ্য উইনটাৰছ টেল। ছেক্সপীয়েৰৰ নাটকৰ চৰিত্ৰসমূহ প্ৰাণৱন্ত হোৱাৰ লগতে তেওঁৰ নাটকত ভাব আৰু ভাষাৰ সুন্দৰ মিশ্ৰণ ঘটিছে। দেখা যায় যে দৰ্শক, পাঠক, অভিনেতা সকলোৰে হৃদয় আৰু মগজুত ই বিশেষভাৱে দোলা দি যায়। ছেক্সপীয়েৰৰ নাটকৰ চৰিত্ৰসমূহ বাস্তৱ আৰু কল্পনাৰ সংমিশ্ৰণত জীৱন্ত হৈ উঠে। মানৱ জীৱনৰ গভীৰ দুখবোধক কাব্যিক প্ৰকাশেৰে নাট্যকাৰগৰাকীয়ে মূৰ্ত কৰি এক সুকীয়া প্ৰতিভাৰ পৰিচয় দিছে। নাট্যকাৰগৰাকীৰ বহু মূল্যবান নাটকীয় সংলাপ ইংৰাজী সাহিত্যত আপ্তবাক্যৰূপে স্বীকৃত হৈছে। অৱশ্যে অনুসন্ধিৎসু সমালোচকৰ দৃষ্টিত ছেক্সপীয়েৰৰ নাটকত ত্ৰুটি-বিচ্যুতি দেখা দিব পাৰে। উদাহৰণস্বৰূপে, টি. এছ. ইলিয়টে ছেক্সপীয়েৰৰ নাটকক কলাৰ দিশৰ পৰা অসফল বুলি কৈ সাহিত্যৰ মনালিছা বুলি স্বীকৃতি দিছে। দৰাচলতে ছেক্সপীয়েৰে অৱক্ষয় হোৱা সমসাময়িক সময়ক গুৰুত্ব দি সামন্তযুগীয়া সমাজখন তেওঁৰ নাটকৰ মাজেৰে উদঙাই দিছে। সামগ্ৰিকভাৱে ক'ব পৰা যায় যে কমেডিবিলাকৰ জৰিয়তে ছেক্সপীয়েৰে মানৱ সমাজৰ বাহ্যিক প্ৰকৃতিক উদঙাইছিল আৰু ট্ৰেজেডিৰ জৰিয়তে মানৱ হৃদয়ৰ অন্তৰ প্ৰদেশৰ অৱলোকন কৰাইছিল। যুগে যুগে এই মহান নাট্যকাৰজনৰ নাট্যপ্ৰতিভা মাইলৰ খুঁটি হৈ আছে আৰু থাকিব। ❖

# মহাদেৱ গোবিন্দ ৰাণাডে

## ■ ধৃ-বৰ্ণা বৰগোহাঞি

**অষ্টম শ্ৰেণী**



মহাদেৱ গোবিন্দ ৰাণাডে এগৰাকী বিখ্যাত ভাৰতীয়। ১৮৪২ চনৰ ১৬ জানুৱাৰীত সেই সময়ৰ মাৰাঠা ৰাজ্যত ৰাণাডেৰ জন্ম হৈছিল। সেই সময়ত ভাৰত শাসন কৰিছিল বৃটিছসকলে। ছয় বছৰ বয়সতে মহাদেৱ ৰাণাডেই মাতৃভাষাত শিক্ষা জীৱন আৰম্ভ কৰিছিল কোলহাপুৰৰ এখন মাৰাঠী স্কুলত। ৯ বছৰ বয়সৰ পৰা তেওঁ ইংৰাজী মাধ্যমত শিক্ষাগ্ৰহণ কৰিছিল বোম্বাইৰ বিখ্যাত এলফিনষ্ট'ন ইন্সটিটিউট আৰু এলফিনষ্ট'ন কলেজত। ৰাণাডে আছিল এজন বিদগ্ধ পণ্ডিত। ১৯ শতিকাতে তেওঁ প্ৰবেশিকা পৰীক্ষাত ডিষ্টিংছনসহ উত্তীৰ্ণ হৈছিল। তেওঁ নিজৰ একাগ্ৰতা আৰু বুদ্ধিমত্তাৰ ফলত স্নাতক, স্নাতকোত্তৰ, আইনৰ স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাত জলপানিসহ উত্তীৰ্ণ হৈছিল।

ৰাণাডে বৃটিছৰ আমোলত উচ্চ পদবীধাৰী বিষয়া আছিল। বৃটিছৰ তলত চাকৰি কৰিও তেওঁ ভাৰতীয় সমাজৰ উন্নতিৰ হকে প্ৰাৰ্থনা সমাজ নামৰ এটা সংগঠনৰ লগত জড়িত হৈ পৰিছিল। ব্ৰাহ্ম সমাজৰ দৰে এইটো সংগঠনৰো মূল লক্ষ্য আৰু উদ্দেশ্য আছিল ভাৰতীয় সমাজত চলি থকা অসবৰ্ণ বিবাহ, বিধবা বিবাহ, নাৰীৰ স্থান উন্নত কৰা আৰু নীহকুলীয়া ব্যৱস্থা বা জাতিভেদ প্ৰথা দূৰ কৰা। তেওঁ স্ত্ৰী শিক্ষাত বিশেষ গুৰুত্ব দিছিল। তেওঁ নিজৰ পত্নী ৰামাবাইক ঘৰতে ইংৰাজী পঢ়ুৱাইছিল। আনকি ৰামাবাইৰ হতুৱাই এখন জনসভাত স্ত্ৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দি ভাষণ দিয়াইছিল। সেই ভাষণত পুনাত স্ত্ৰী শিক্ষাৰ কাৰণে এখন স্কুল পতাৰ প্ৰস্তাৱো উত্থাপন কৰা হৈছিল। কিন্তু গোড়া হিন্দুসকলে ৰাণাডে আৰু ৰামাবাইৰ এই কাৰ্য্যক সমালোচনা কৰিছিল। তেওঁলোকে এই সমালোচনা-সমূহক আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিছিল। ইয়াৰ উপৰি তেওঁ ভাৰতৰ অৰ্থনৈতিক আৰু সামাজিক সমস্যাসমূহৰ বিষয়ে প্ৰবন্ধ লিখি বক্তৃতা প্ৰদান কৰিছিল। ৰাণাডেই কিন্তু নিজাববীয়াকৈ আইন প্ৰেক্টিছ কৰাতকৈ চৰকাৰী চাকৰিত যোগদান কৰাটো বেছি সমীচীন বুলি ভাবিছিল। তেওঁ প্ৰথমতে ১৮৬৬ চনত মাৰাঠীৰ দোভাষী হিচাপে যোগদান কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ কোলহাপুৰ ৰাজ্যৰ আইনৰ বিচাৰক পদত যোগদান কৰে। কিন্তু পিছত তেওঁ অধ্যয়ন কৰা এলফিনষ্ট'ন কলেজৰ ইংৰাজী সাহিত্য আৰু ইতিহাসৰ প্ৰাধ্যাপকৰূপে যোগদান কৰে। ১৮৭১ চনলৈকে কলেজত চাকৰি কৰাৰ পিছত তেওঁ অতিৰিক্ত বিচাৰক হিচাপে যোগদান কৰে। ১৮৭৮ চনত তেওঁ নাছিকলৈ বদলি হয়। এই পদত মকৰল হৈ থাকোঁতেই ১৮৭৫ চনত তেওঁ ভাৰতীয়ৰ হাতত চৰকাৰৰ দায়িত্ব অৰ্পণ কৰিবৰ বাবে এখন স্মাৰক পত্ৰ তৈয়াৰ কৰে। বৃটিছ সংসদত ভাৰতক প্ৰতিনিধিত্ব কৰিবৰ বাবে

ভাৰতীয় লোকক আন বৃটিছ বিষয়াৰ দৰে ৰাজনৈতিক আৰু সামাজিক মৰ্য্যাদা দি নিযুক্ত কৰাৰ বাবে তেওঁ মহাৰাণী ভিক্টোৰিয়াৰ লগত আলোচনা কৰে। ১৮৭৬ চনতেই ভাৰতক স্বায়ত্ত শাসন প্ৰদানৰ কথাও এই স্মাৰক পত্ৰত উল্লেখ কৰে। ১৮৮১ চনত বিশেষ বিচাৰক হৈ থাকোঁতে তেওঁ দুখীয়া কৃষকসকলৰ মাটিৰ পট্টাৰ সমস্যা সমাধান কৰিছিল। ১৮৮৫ চনত বোম্বাইৰ লেজিচলেটিভ এছেম্বলিৰ সদস্য নিযুক্ত হৈছিল আৰু এই পদত ১৮৯৩ চনলৈকে আছিল। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰো আনুষ্ঠানিক সদস্য হৈ ৰাজনৈতিক আৰু সামাজিক সংস্কাৰত মনোনিবেশ কৰিছিল। সমাজ সংস্কাৰৰ বাবে সচেতনতা বৃদ্ধিৰ বাবে ছত্ৰপতি শিৱাজীক মুখ্য হিচাপে লৈ 'Rise and fall of the Maratha Power,' 'Introduction to the Satara Rajas' আৰু 'The Peshwa diaries' আদি লিখি প্ৰকাশ কৰিছিল। ৰাণাডেই এটা কথা স্পষ্টকৈ বুজি পাইছিল যে কৃষিপ্ৰধান ভাৰতবৰ্ষত কৃষিয়েই মূল অৰ্থনৈতিক ভেটি। সেয়ে তেওঁ ভাৰতবৰ্ষৰ কৃষিৰ পৰিবৰ্তন সাধন কৰিব বিচাৰিছিল। তাৰ বাবে তেওঁ পৃথিৱীৰ আন আন কৃষিপ্ৰধান দেশসমূহৰ অৰ্থনীতিৰ লগত ভাৰতৰ অৰ্থনীতি তুলনা কৰি চাইছিল। ভাৰতৰ কৃষি ব্যৱস্থাত থকা আসোঁৱাহবোৰ দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। কৃষি কাৰ্য্যৰ সহায়ক হোৱাৰ বাবে কৃষি কাৰ্য্যৰ উন্নতিৰ বাবে ঋণ প্ৰদান কৰিবৰ বাবে কৃষি বেংক স্থাপন কৰিবলৈ চৰকাৰক পৰামৰ্শ দিছিল। লগতে তেওঁ কুটীৰ শিল্পৰ স্থাপন আৰু উন্নয়নৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰিছিল।

১৮৯৩ চনৰ পৰা ১৯০০ চনলৈকে তেওঁ বোম্বাই উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হৈ থাকোঁতে স্ত্ৰীৰ লগত জড়িত বহুতো হিন্দু ধৰ্মীয় নীতি-নিয়মক আইনৰ দ্বাৰা স্বীকৃতি প্ৰদান কৰিছিল।

উল্লেখ্য যে বৃটিছ চৰকাৰৰ অধীনত উচ্চপদস্থ পদত চাকৰি কৰিও স্বাধীনতা পিয়াসী ৰাণাডেই ভাৰতৰ জনগণৰ হকে মাত মাতি আহিছিল। ইতিহাসখ্যাত মাৰাঠা শক্তি গৌৰৱেৰে গৌৰৱান্বিত এইজন বিদ্বান ব্যক্তিয়ে জন্মৰ তাৰিখটোতেই অৰ্থাৎ ১৯০১ চনৰ ১৬ জানুৱাৰীত মৃত্যুমুখত পৰে। ইংৰাজী শিক্ষাৰে শিক্ষিত হৈয়ো ভাৰতক বৃটিছৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে ভাৰতীয় সমাজক আধুনিকীকৰণৰ বাবে সকলো ভাৰতীয় তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিব। ❖

## মায়ে মোক কৰ্মৰ জৰিয়তে দিয়া কেইটামান শিক্ষা

**আদিত্য গোস্বামী**
দশম শ্ৰেণী

- মায়ে ক'ৰবালৈ গ'লে আমাক কৈ যায়— 'ককা'ক চাবা, (ককা ৰুগীয়া আছিল) মহে যেন নাখায় আৰু বিচনাতে থাকে যেন। এই কথাটোৰে আমাক কৰ্তব্য তথা দায়িত্ববোধৰ কথা শিকাইছিল।
- নিমন্ত্ৰণ ৰক্ষা কৰি ক'ৰবালৈ গ'লে বাৰে বাৰে কৈছিল— খাওঁতে সাবধানে খাবা। কাপোৰ লেতেৰা কৰিলে আৰু নিয়া নহ'ব। এই কথাই আমাক পৰিষ্কাৰ হৈ থাকিবলৈ শিকাইছিল।
- বিদ্যালয়ত যোৱাৰ পৰাই বেগত কিতাপ, পেন্সিল ভৰোৱা, টিফিন পানী ভৰোৱা কাম, নিজেই কৰিবলৈ দিছিল। এই কথাই শিকাইছিল নিজৰ কাম নিজেই কৰিবলৈ।

# প্ৰশাসনিক বিষয়া হিচাপে আনন্দৰাম বৰুৱা

■ বিষ্ণুৰাত বৰা
দ্বাদশ শ্ৰেণী (কলা)



আনন্দৰাম বৰুৱা বিদ্বৎ সমাজৰ এটা ওজস্বী নাম। অসাধাৰণ পাণ্ডিত্যৰ এইগৰাকী লোক অসম তথা ভাৰতৰ পৰম গৌৰৱ। লুইতৰ পাৰত জন্মগ্ৰহণ কৰা এইগৰাকী পণ্ডিতৰ পাণ্ডিত্য বিশ্ববিয়পা। গভীৰ চিন্তন, মনন আৰু আত্মবিশ্বাসেৰে একুৰি উনৈছ বছৰীয়া চুটি জীৱন কালতে তেওঁ বিশেষকৈ সংস্কৃত ভাষা-সাহিত্য আৰু ভাৰতৰ প্ৰশাসনিক ক্ষেত্ৰখনত অবিস্মৰণীয় প্ৰতিভা, কাৰ্য্যদক্ষতাৰ বিৰল পৰিচয় দি গৈছে। হেমচন্দ্ৰ গোস্বামীৰ ভাষাত—"আনন্দৰাম বৰুৱাৰ জীৱনৰ প্ৰত্যেক ঘটনাৰ লগতে, তেওঁৰ সকলো সুবিধা-অসুবিধাতে, তেওঁৰ প্ৰত্যেক পাৰিপাৰ্শ্বিক অৱস্থাতে, তেওঁৰ প্ৰত্যেক আশা-ভৰসাতে অসমীয়া ডেকাই নিজ নিজ জীৱনৰ প্ৰতিবিম্ব দেখিবলৈ আশা কৰিব পাৰে আৰু তেওঁকে আৰ্হি লৈ জীৱনৰ বাটত সাহসেৰে আগ বাঢ়িব পাৰে। বাস্তৱিকতেও এইজনা মহাপুৰুষৰ চৰিত্ৰ অসমীয়া ডেকাৰ পক্ষে ধ্ৰুৱতৰাৰ নিচিনা লক্ষ্য-নিৰ্দেশক।" এইগৰাকী মহান মনীষীলৈ আমাৰ ৰচনাৰ আৰম্ভণিতে সহস্ৰ প্ৰণিপাত নিবেদন কৰিছোঁ।

## ছাত্ৰ জীৱনৰ কৃতিত্ব

১৮৫০ চনৰ ২১ মে' তাৰিখে উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত জন্মগ্ৰহণ কৰা আনন্দৰাম বৰুৱাই গুৱাহাটীত স্কুলীয়া শিক্ষা সাং কৰি কলিকতাত কলেজীয়া শিক্ষা আহৰণ কৰে। গণিত আৰু সংস্কৃতত বিশেষ পাৰদৰ্শী হিচাপে পৰিচয় দি ১৮৬৯ চনত তেওঁ সুখ্যাতিৰে বি.এ. পৰীক্ষাত উত্তীৰ্ণ হয়। উল্লেখ্য যে আনন্দৰাম বৰুৱা অসমৰ প্ৰথম গ্ৰেজুৱেট। ইয়াৰ পিছতে তেওঁ উচ্চ শিক্ষা লাভৰ বাবে বিলাতলৈ যায়। সেই সময়ৰ অসমৰ মেধাৱী ছাত্ৰ আনন্দৰাম বৰুৱা বিলাততো খ্যাতিমন্ত হৈ উঠে। বিলাতত তেওঁ আই.চি.এছ., আইন আৰু বি.এছ.চি.—এই তিনিওটা পৰীক্ষাতে বিৰল দৃষ্টান্তৰে উত্তীৰ্ণ হয়। তেওঁ অসমৰ প্ৰথম আইন আৰু আই.চি.এছ. পৰীক্ষাত উত্তীৰ্ণ হোৱা লোক। শিক্ষা গ্ৰহণৰ কালছোৱাত আনন্দৰাম বৰুৱাই অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ বিখ্যাত পণ্ডিত মেক্স মূলাৰৰ সান্নিধ্য লাভ কৰিছিল। এই সান্নিধ্যই বৰুৱাৰ জীৱনত সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিছিল।

## প্ৰশাসনিক বিষয়া আনন্দৰাম বৰুৱা

'লৌহিত্যতটজন্মনঃ' বুলি সততে নিজৰ পৰিচয় দিবলৈ ভাল পোৱা আনন্দৰাম বৰুৱা পঞ্চমজন ভাৰতীয় চিভিলিয়ান। তদুপৰি তেওঁ ভাৰতীয় চিভিলিয়ানসকলৰ ভিতৰত প্ৰথমজন পূৰ্ণ ক্ষমতাসম্পন্ন জিলা আয়ুক্ত। গভীৰ প্ৰজ্ঞাৰ অধিকাৰী এইগৰাকী চিভিলিয়ান পণ্ডিত মানুহৰ পৰম হিতাকাংক্ষী লোক আছিল। ভাৰতবৰ্ষৰ মান-যশস্যাৰ উৎকৰ্ষ সাধনেই আছিল তেওঁৰ জীৱন-ব্ৰত। ১৮৭২ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৮৮৯ চনৰ জানুৱাৰী মাহলৈকে চিভিলিয়ান হিচাপে দুখন ৰাজ্যৰ বেলেগ বেলেগ ঠাইত আগ বঢ়োৱা সুদক্ষ সেৱাই এই কথা প্ৰতিপন্ন কৰে।

বিলাতত বিৰল কৃতিত্ব অৰ্জনৰ পিছত আনন্দৰাম বৰুৱাই ১৮৭২ চনৰ ৯ ছেপ্টেম্বৰ তাৰিখে বোম্বেৰ (এতিয়া মুম্বাই) মাটিত ভৰি দিলেহি। স্বদেশলৈ আহিয়েই বৰুৱাই নিজৰ ৰাজ্য অসমকে সেৱাৰ কথা ভাবিলে আৰু শিৱসাগৰত নিযুক্তি পাবৰ বাবে ইচ্ছা ব্যক্ত কৰিলে। কৰ্তৃপক্ষয়ো তেওঁৰ ইচ্ছা পূৰ কৰিলে। শিৱসাগৰত তেওঁ 'এছিষ্টেণ্ট কমিছনাৰ'ৰূপে নিযুক্ত হ'ল। ১৮৭২ চনৰ ১১ ডিচেম্বৰত তেওঁ সৰ্বপ্ৰথম অফিছলৈ যায়। ইংৰাজ প্ৰশাসনৰ সময়ত এনে উচ্চ পদত নিযুক্তি লাভ কৰা বৰুৱাদেৱেই আছিল প্ৰথমজন অসমীয়া প্ৰশাসনিক বিষয়া। শিৱসাগৰত অৱশ্যে বৰুৱাদেৱ সৰহ দিন থকা নাছিল। কাৰণ প্ৰশাসনিক কাম-কাজৰ লগতে বিদ্যায়তনিক কাম-কাজৰ বাবে অত্যন্ত আগ্ৰহী বৰুৱাদেৱে উপযুক্ত পৰিৱেশ পোৱা নাছিল। যিটো কাৰণত তেওঁ বংগদেশৰ কোনো ঠাইলৈ বদলিৰ বাবে আবেদন কৰিছিল। আনহাতে তেওঁৰ সমসাময়িক উপেন্দ্ৰনাথ বৰুৱাই লিখা এক তথ্যৰ পৰা "শিৱসাগৰৰ ডেপুটি কমিছনাৰ কেম্বেল চাহাবৰ লগত মনোমালিন্য হোৱাত বৰুৱা ডাঙৰীয়াই বংগদেশলৈ বদলি হৈ গুচি যায়" (আনন্দৰাম বৰুৱা—সূৰ্য্যকুমাৰ ভূঞা, পৃ. ৩৮, সপ্তম তাঙৰণ, ১৯৭১ চন) বুলি জনা যায়।

১৮৭৪ চনৰ এপ্ৰিল মাহত বৰুৱাদেৱ বংগদেশলৈ বদলি হৈ যায়। শিৱসাগৰ এৰি যোৱাৰ পিছত তেওঁ পুনৰ অসমলৈ অহা নাছিল। বংগদেশলৈ গৈ তেওঁ প্ৰথমে মৈমনসিংহ জিলাত এছিষ্টেণ্ট মেজিষ্ট্ৰেট আৰু কালেক্টৰৰূপে নিযুক্ত হয়। মৈমনসিঙৰ পৰা তেওঁ দিনাজপুৰলৈ বদলি হয়। ইয়াৰ পিছত ১৮৭৭ চনত বৰ্ধমানৰ এছিষ্টেণ্ট হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। ১৮৭৯ চনৰ জুন মাহৰ পৰা তেওঁ জইণ্ট মেজিষ্ট্ৰেট আৰু ডেপুটি কালেক্টৰৰূপে দিনাজপুৰলৈ বদলি হয়। সূৰ্য্যকুমাৰ ভূঞাদেৱে 'আনন্দৰাম বৰুৱা' গ্ৰন্থত লিখামতে "আনন্দৰাম বৰুৱাই চিভিলিয়ানৰূপে গৱৰ্নমেণ্টৰ ওচৰত বিশেষ কাৰ্য্যকুশল কৰ্মচাৰী বুলি সুখ্যাতি লাভ কৰে। সেই সময়ত ভাৰতবাসীৰ ভিতৰত কেইবাজনেও আই.চি.এছ. পাছ কৰি গৱৰ্নমেণ্টৰ তলত চাকৰি কৰিছিল। কিন্তু সৰহভাগেই জজ্ বা এছিষ্টেণ্ট মেজিষ্ট্ৰেট স্বৰূপেহে কাম পাইছিল।" উল্লেখযোগ্য যে ইয়াৰ আগলৈকে ইংৰাজ চৰকাৰে কোনো ভাৰতীয় বিষয়াক এখন জিলাৰ সম্পূৰ্ণ দায়িত্ব দিয়া নাছিল। ইয়াকে লৈ ভাৰতীয় প্ৰশাসনিক বিষয়াসকলৰ মাজত অসন্তুষ্টিৰ জন্ম হৈছিল। পিছত যেনিবা ইংৰাজ প্ৰশাসকৰ বিচাৰত আনন্দৰাম বৰুৱাৰ কাৰ্য্যদক্ষতা আৰু বিশ্বস্ততা প্ৰমাণিত হয়। ইয়াৰ লগে লগে আন আন ভাৰতীয় বিষয়াসকলৰ বাবেও উৎকৰ্ষৰ দুৱাৰ মুকলি হয়। এয়া প্ৰশাসনিক বিষয়া হিচাপে বৰুৱাদেৱৰ অন্যতম বিশেষ সাফল্য।

এখন জিলাৰ সম্পূৰ্ণ দায়িত্বৰে কালেক্টৰৰ পদবী পাই আনন্দৰাম বৰুৱাদেৱে জনসাধাৰণৰ মংগলৰ বাবে একাণপতীয়াকৈ কাম কৰিবলৈ অধিক স্বাধীনতা লাভ কৰিলে। যিবোৰ কাম ইয়াৰ পূৰ্বে তেওঁ সীমিত স্বাধীনতা আৰু ক্ষমতাৰে কৰিব নোৱাৰিছিল। জিলাৰ কমিছনাৰ হিচাপে নোৱাখালিৰ সামগ্ৰিক উন্নতিৰ বাবে তেওঁ কৰা পৰিকল্পনা আৰু সিবোৰৰ ৰূপায়ণত ৰাইজে বিশেষ সন্তুষ্টি প্ৰকাশ কৰিছিল, বিপুলভাৱে অভিনন্দন যাচিছিল। নোৱাখালিত বৰুৱাদেৱে জনহিতাৰ্থে কৰা উল্লেখযোগ্য কামবোৰৰ ভিতৰত আছিল—নোৱাখালি আৰু বৰিশালৰ মাজত ভাপ নাৱৰ ব্যৱস্থা, ঘৰে ঘৰে উন্নত প্ৰণালীৰ শৌচাগাৰ নিৰ্মাণৰ আঁচনি গ্ৰহণ আৰু সম্পূৰ্ণকৰণ, বিহাৰৰ পৰা শৌচাগাৰ চাফাই কৰ্মী আনি নোৱাখালিত নিযুক্তি প্ৰদান, স্থানীয় লোকক স্বাস্থ্যসন্মতভাৱে শৌচাগাৰ ব্যৱহাৰৰ শিক্ষা দিয়া, হাটিয়া আৰু সন্দ্বীপ দ্বীপলৈ নোৱাখালিৰ পৰা ভাপ নাৱেৰে যাতায়াত ব্যৱস্থা, কুমিল্লাৰ দোলাই পৰগনাত সুপৰিকল্পিতভাৱে বজাৰ নিৰ্মাণ, পৰিষ্কাৰ খোৱাপানীৰ বাবে ৰাজহুৱা স্থানত ডাঙৰ ডাঙৰ পুখুৰী খন্দাৰ লগতে ইতিমধ্যে থকা ব্যক্তিগত আৰু ৰাজহুৱা পুখুৰী-কুঁৱা পৰিষ্কৰণ, সৰ্বসাধাৰণ কৰদাতাৰ ওপৰত হেঁচা নপৰাকৈ কৃষিভূমি আৰু নগৰীয়া ভূমি চিনাক্ত কৰি ৰাজহ ধাৰ্য্য কৰা, তাৎক্ষণিক যোগাযোগৰ বাবে টেলিগ্ৰাফ অফিছ

স্থাপন, নাৰী শিক্ষাৰ প্ৰসাৰৰ বাবে নোৱাখালিত ‘জুবিলি গাৰ্লছ স্কুল’ স্থাপন আদি। নোৱাখালিৰ জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নৰ বাবে আনন্দৰাম বৰুৱাই শিল্প-সমবায় অনুষ্ঠান প্ৰতিষ্ঠাৰ পৰিকল্পনা কৰিছিল যদিও সেই সময়তে তেওঁৰ কৰ্মস্থান সলনি হোৱাত এই আঁচনি আধৰুৱা হৈ ৰ'ল।

ডিষ্ট্ৰিক্ট কালেক্টৰ আনন্দৰাম বৰুৱাদেৱক নোৱাখালিৰ ৰাইজে প্ৰাণভৰি ভাল পাইছিল। নোৱাখালিবাসীৰ বাবে তেওঁ আছিল প্ৰকৃত অভিভাৱকস্বৰূপ। বৰুৱাদেৱ দ্বিতীয়বাৰ নোৱাখালিলৈ পূৰ্বৰ পদবীতে পুনৰ বদলি হৈ অহাৰ সময়ত স্থানীয় ৰাইজে ৰাজহুৱাভাৱে জনোৱা উষ্ম সম্ভাষণেই ইয়াৰ উপযুক্ত প্ৰমাণ। একৈছটা স্তৱকযুক্ত সুদীৰ্ঘ কাব্যিক আদৰণী ভাষণত বৰুৱাদেৱৰ গুণ-গৰিমা আৰু ৰাইজৰ আশাৰে ওপচাই তোলা হৈছিল। এই স্তৱকটি ‘আৱাহন’ নামেৰে সূৰ্য্যকুমাৰ ভূঞাৰ ‘আনন্দৰাম বৰুৱা’ শীৰ্ষক গ্ৰন্থত (পৃষ্ঠা. ১৫৩-১৫৭) সন্নিৱিষ্ট হৈ আছে।

নোৱাখালিত কাৰ্য্যনিৰ্বাহ কৰি থকা কালতেই বৰুৱাদেৱে প্ৰশাসনিক জীৱনৰ চৰম উৎকৰ্ষ সাধন কৰে। আনহাতে অতি দুৰ্ভাগ্যজনকভাৱে ১৮৮৮ চনৰ ডিচেম্বৰ মাহত তেওঁ নোৱাখালিতে পক্ষাঘাত ৰোগত আক্ৰান্ত হয়। ইয়াৰ পিছতে তেওঁ ছুটী লৈ উন্নতমানৰ চিকিৎসাৰ বাবে কলিকতালৈ (এতিয়াৰ কলকাতা) যায় যদিও ৰোগৰ উপশম নঘটিল। ক্ৰমে বেয়াৰ পৰা বেয়ালৈহে গতি কৰিলে। অৱশেষত ১৮৮৯ চনৰ ১৯ জানুৱাৰী তাৰিখ শুক্ৰবাৰে এইজনা মনীষীয়ে অনন্তলোকলৈ গমন কৰিলে।

আনন্দৰাম বৰুৱাদেৱৰ অকাল মৃত্যুৰ পিছত বিভিন্নজনে প্ৰকাশ কৰা শোকবাণী, শ্ৰদ্ধাঞ্জলিসূচক অথবা স্মৃতিচাৰণ কৰি লিখা ৰচনাত তেখেতৰ দায়িত্ব, একাগ্ৰতা, কৰ্তব্যনিষ্ঠাৰ কথা ফুটি ওলাইছে। ভাৰতীয় অসামৰিক সেৱাৰ অতি নিষ্ঠাবান, কৰ্মদক্ষ, সুতীক্ষ্ণ মগজুৰ গৰাকীৰূপে অসম মাতৃৰ আঁচলৰ মাণিক আনন্দৰাম বৰুৱা ইতিহাসৰ পাতত চিৰকাল জ্যোতিষ্মান হৈ থাকিব। জয়তু অমৃত-সন্তান পাণ্ডিত্যবাৰিধি আনন্দৰাম বৰুৱা। ❖

# শ্ৰীকান্ত জিচকাৰ

■ নিশিতা বৰগোহাঁই
নৱম শ্ৰেণী

ৰাজনীতি, অৰ্থনীতি, চিকিৎসাবিজ্ঞান, জীৱবিজ্ঞান, পদাৰ্থবিজ্ঞান আদি বিভিন্ন বিষয়ৰ ভিতৰত সাধাৰণতে অধিকাংশ মানুহেই ইয়াৰ অতি বেছি এটা বা দুটা বিষয়তহে স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। কিন্তু এইখন পৃথিৱীতে এনে কিছু ব্যক্তি আছে, যি নিজৰ জীৱনকালত এটা বা দুটা নহয়, বিছটা পৰ্য্যন্ত শৈক্ষিক ডিগ্ৰী লাভ কৰিছে। আমি সাধাৰণতে এম.বি.এ. (Master of Business Administration), এম.চি.এ. (Master of Computer Application), চি.এ. (Chartered Accountant), ইউ.পি.এছ.চি., নিট (NEET) আদি পৰীক্ষাত সফলতা অৰ্জন কৰাৰ পিছত সন্তুষ্টি প্ৰকাশ কৰোঁ। কিন্তু কিছুমান বিশেষ ব্যক্তিৰ জিজ্ঞাসু মনে অলপতে ক্ষান্ত নাথাকি নিত্য নতুন জ্ঞান অৰ্জন কৰি নিজকে এজন সৰ্বোচ্চ পদবীধাৰী নহয়, সবাতোকৈ শিক্ষিত ব্যক্তিৰূপেহে পৰিচয় দিবলৈ যত্ন কৰে। এনে এজন ব্যক্তিয়েই হ'ল শ্ৰীকান্ত জিচকাৰ।

শ্ৰীকান্ত জিচকাৰ হ'ল এজন অতিশয় মেধাসম্পন্ন ব্যক্তি যিজনক আনুষ্ঠানিকভাৱে ভাৰতবৰ্ষৰ সৰ্বাধিক অৰ্হতাসম্পন্ন ব্যক্তিৰূপে গণ্য কৰা হৈছে আৰু ইয়াৰ

বাবে তেওঁ লিম্কা বুক অৱ ৰেকৰ্ডছত (Limca Book of Records) স্থান লাভ কৰিছিল।

শ্ৰীকান্ত জিচকাৰৰ জন্ম হৈছিল ১৪ ছেপ্টেম্বৰ, ১৯৫৪ চনত মহাৰাষ্ট্ৰৰ নাগপুৰ জিলাৰ কাটল নামৰ ঠাইখনৰ ওচৰৰ এটা ধনী কৃষক পৰিয়ালত। জিচকাৰ পঢ়াত ইমানেই মগ্ন আছিল যে ১৯৭৩ চনৰ পৰা ১৯৯০ চন পৰ্য্যন্ত তেওঁ সমস্ত বাধা-বিঘিনি নেওচি ৪২ খন বিশ্ববিদ্যালয়ৰ বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হৈ ২০টাকৈ ডিগ্ৰী লাভ কৰিছিল। তেওঁ অধিকাংশ পৰীক্ষাতেই যোগ্যতাসহকাৰে উত্তীৰ্ণ হোৱাৰ লগতে অলেখ স্বৰ্ণপদকো লাভ কৰিছিল। তেওঁ এই যাত্ৰা আৰম্ভ কৰিছিল এজন চিকিৎসক হিচাপে। আন্তঃৰাষ্ট্ৰীয় আইনত (International law) স্নাতকোত্তৰ জিচকাৰে আইন শিক্ষাও সম্পূৰ্ণ কৰিছিল। ইয়াৰ উপৰি তেওঁ লাভ কৰা শৈক্ষিক সাফল্যবিলাক আছিল—ইংৰাজী সাহিত্যৰ স্নাতকোত্তৰ, অৰ্থনীতিত স্নাতকোত্তৰ, লোক প্ৰশাসনৰ স্নাতকোত্তৰ, সংস্কৃতৰ স্নাতকোত্তৰ, সংস্কৃতৰ ডিলিট (D.Litt. of Sanskrit), সমাজবিদ্যাত স্নাতকোত্তৰ, ইতিহাসৰ স্নাতকোত্তৰ, দৰ্শন শাস্ত্ৰৰ স্নাতকোত্তৰ, ৰাজনীতিবিজ্ঞানৰ স্নাতকোত্তৰ, মনোবিজ্ঞানত স্নাতকোত্তৰ ইত্যাদি।



জিচকাৰে ১৯৭৮ চনত কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা আয়োজিত ভাৰতীয় লোকসেৱা পৰীক্ষাত অৱতীৰ্ণ হৈ ভাৰতীয় আৰক্ষী সেৱাত (Indian Police Service) যোগদান কৰিবৰ বাবে যোগ্যতা অৰ্জন কৰিছিল যদিও ইয়াতে সন্তুষ্টি লাভ কৰা নাছিল। সেইবাবে তেওঁ এই পদৰ পৰা ইস্তফা দি ১৯৮০ চনত পুনৰ এই পৰীক্ষাত অৱতীৰ্ণ হৈ ভাৰতীয় প্ৰশাসনিক সেৱাৰ (Indian Administrative Service) বিষয়া হিচাপে নিযুক্তি লাভ কৰিছিল যদিও ইয়াৰ চাৰি মাহৰ পিছতেই এই বিষয় পদৰ পৰা পদত্যাগ কৰি মাত্ৰ ২৬ বছৰ বয়সত তেওঁ মহাৰাষ্ট্ৰ বিধানসভাৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল আৰু দেশখনৰ সৰ্বকনিষ্ঠ বিধায়ক হিচাপে স্বীকৃতি লাভ কৰিছিল। পৰৱৰ্তী সময়ত একেলগে চৈধ্যটা বিভাগ পৰিচালনা কৰি এজন অতিশয় শক্তিশালী মন্ত্ৰী হিচাপে পৰিচিত হৈছিল।

এজন উৎসাহী পাঠক, শিক্ষাবিদ, চিত্ৰকৰ, পেছাগত ফট'গ্ৰাফাৰ, মঞ্চ অভিনেতা হোৱাৰ উপৰি বাৰন হাজাৰতকৈও বেছি কিতাপ থকা জিচকাৰৰ ব্যক্তিগত পুথিভঁৰালটো ভাৰতৰ বৃহৎ ব্যক্তিগত পুথিভঁৰালবোৰৰ ভিতৰত এটা আছিল। তদুপৰি তেওঁ ইউনেস্ক'ত ভাৰতক প্ৰতিনিধিত্ব কৰাৰ লগতে ১৯৯২ চনত নাগপুৰত সন্দিপনি বিদ্যালয় প্ৰতিষ্ঠা কৰিছিল।

২০০০ চনত শ্ৰীকান্ত জিচকাৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আমেৰিকাত চিকিৎসাধীন হৈ আছিল। এনে এটা সময় আহিছিল যে চিকিৎসকে তেওঁৰ জীৱনৰ কেৱল পোন্ধৰ দিনহে বাকী থকা বুলি কৈছিল। কিন্তু তেওঁ এনে সময়ত হতাশ নহৈ ইয়াক এক প্ৰত্যাহ্বান হিচাপে লৈছিল আৰু জীৱনৰ এই যুঁজত জয়ী হৈছিল। কিন্তু নিয়তিয়ে জিচকাৰৰ মৃত্যুৰ পৰিকল্পনা অন্য ধৰণেৰে কৰি থৈছিল। ২০০৪ চনৰ ২ জুনৰ আবেলি নাগপুৰৰ পৰা ৪০ কিল'মিটাৰ নিলগত ৬ নং ৰাষ্ট্ৰীয় ঘাইপথত এটা পথ দুৰ্ঘটনাত শ্ৰীকান্ত জিচকাৰৰ মৃত্যু হৈছিল। কিন্তু মন কৰিবলগীয়া কথা এইটো যে ৪৯ বছৰীয়া অতি চমু জীৱন পৰিক্ৰমাত তেওঁ যিমানখিনি জ্ঞান অৰ্জন কৰিছিল, সিমানখিনি হয়তো কোনো সাধাৰণ লোকে এশ বছৰ জীয়াই থাকিও কৰাটো টান হ'ব। সঁচাকৈ, শ্ৰীকান্ত জিচকাৰ আমাৰ সকলোৰে বাবে এক আদৰ্শ। ❖

# বনভোজ খোৱাৰ আনন্দ

■ ইশিতা নাথ
তৃতীয় শ্ৰেণী



২০২০ চনটো আমাৰ সমগ্ৰ বিশ্ববাসীৰ বাবে অভিশপ্ত বছৰ বুলি ক'ব পাৰি। এই বছৰটোত ক'ৰোনা মহামাৰী আমাৰ সকলোৰে জীৱনযাত্ৰাত হেঙাৰ হৈ থিয় দিছিল। অৱশ্যে বছৰটোৰ শেষৰ ফালে অলপ ভাল পৰিবেশ আহিল। ঘৰৰ ভিতৰতে অনলাইন ক্লাছ, অনলাইন পৰীক্ষা আদি সকলো। তেনেতে এদিন মা-দেউতাৰ মুখত বনভোজ খাবলৈ যোৱাৰ আলোচনা শুনা পালোঁ। মোৰ মনটো আনন্দত নাচি উঠিল। ওচৰৰ প্ৰায় ১০-১২টা পৰিয়াল একেলগে চানডুবিলৈ বনভোজ খাবলৈ ৩০ ডিচেম্বৰ তাৰিখে যাবলৈ থিৰাং কৰিলে। ৩০ ডিচেম্বৰ, ২০২০ ৰাতিপুৱা মা-দেউতাৰ লগত ৫ বজাত কেইটামান গৰম ভাত খাই আমি গাড়ীৰ ওচৰলৈ গ'লোঁ। ৬ বজাত আমি বাছখনত উঠিলোঁ। ডাঙৰবোৰে বনভোজৰ সকলো সামগ্ৰী গাড়ীত তুলিছে। ইতিমধ্যে এজন মানুহে সকলো মানুহৰ গণনা কৰি ড্ৰাইভাৰজনক গাড়ী চলাবলৈ ক'লে। সকলোৰে আনন্দ কৰি গাড়ীখনত গৈ আছোঁ। মোৰ এবাৰ গাটো বহুত বেয়া লাগিল আৰু বমি হ'বলৈ ধৰিলে। গাড়ীখন ৰাখি মই মুখখন ধুই পৰিষ্কাৰ হ'লোঁ। অলপ পাছত চানডুবি পালোঁ। গাড়ীৰ পৰা নামি দেখিলোঁ প্ৰায়বোৰ ঠায়েই মানুহেৰে ভৰি পৰিছে। এঠাইত আমাৰো সকলো বস্তু নমালে। আমাৰ লগৰ সমনীয়াবোৰৰ লগত খেলিবলৈ ধৰিলোঁ। ডাঙৰবোৰে ভাত ৰান্ধিবলৈ সকলো বস্তু ধৰা-ধৰিকৈ লৈ গৈছে। অলপ পাছতে সকলোকে ব্ৰেড, কণী, কল, কমলা খাবলৈ দিলে। আমি ফুৰিবলৈ গ'লোঁ। এবাৰ নাৱত উঠিলোঁ ভয় ভয়কৈ। এনেকৈ বহুত স্ফূৰ্তি কৰিলোঁ। ২.৩০ বজাত ভাত খাই ফট' উঠিলোঁ আৰু লাহে লাহে আমি ঘৰমুৱা হ'বৰ বাবে গাড়ীত উঠিলোঁ। ঘূৰি আহোঁতে মোৰ বমি নহ'ল। গাড়ীখনত বহুত গান গাই, আনন্দ কৰি ঘৰ পালোঁ। সঁচাই সেইদিনাখন বহুতো নজনা কথা জানিলোঁ আৰু নেদেখা ঠাই দেখিলোঁ। ভ্ৰমণৰ ফলত আমাৰ জ্ঞান বৃদ্ধিৰ লগতে মন আনন্দেৰে ভৰি পৰিল। ❖

# ‘মানস’ উদ্যানলৈ গৈছিলোঁ

■ কৃতী দাস
চতুৰ্থ শ্ৰেণী

দেউতাই বহুদিন ধৰি কৈ আছিল আমাক মানসলৈ ফুৰাবলৈ নিব। এই সুযোগ আমাৰ বাবে আহিল ২৩ ফেব্ৰুৱাৰী, মঙলবাৰ ২০২১ত। মাৰ মোমায়েকৰ ল'ৰা জোনমামাৰ বিয়া উপলক্ষে আমি মানসৰ ওচৰৰ গাঁও এখনলৈ যোৱাৰ সুযোগ পালোঁ। এই সুযোগতে আমি মানসলৈও যোৱাৰ বাবে সাজু হ'লোঁ। আমি আগদিনাখনেই প্ৰয়োজনীয় সকলোবোৰ গোটাই লৈছিলোঁ। সেইমতে আমি পুৱাই উঠি ৪.৩০ বজাত আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ।


আমাৰ যাত্ৰা আৰম্ভ হ'ল। আমাৰ যাত্ৰাৰ প্ৰথম লক্ষ্যস্থান ভৱানীপুৰৰ নমাটি। তাত মাৰ বায়েক মোৰ জেঠীমা, জেঠা আৰু তেওঁলোকৰ ছোৱালী দুজনী আইতু আৰু ধুনু। সিহঁতকো আমাৰ লগত মানাহলৈ যোৱাৰ বাবে সাজু হৈ থাকিবলৈ কোৱা হৈছিল। সেইমতে সকলো সাজু হৈ আছিল। আমি সাতমান বজাত সিহঁতৰ ঘৰ পাওঁ। আমি তাত পুৱাৰ আহাৰ অলপ খাই লৈ মানসলৈ ওলালোঁ। আমি ৮.২০ বজাত গৈ মানস ৰাষ্ট্ৰীয় উদ্যান পাওঁ। আমাৰ গাড়ীখনেৰেই মানসৰ ভিতৰলৈ যোৱাৰ অনুমতি ল'লে। এইদৰেই আমি মানসৰ ভিতৰ ভাগলৈ সোমাই গ'লোঁ। কেতিয়াবা ঘন অৰণ্য আৰু কেতিয়াবা মুকলি পথাৰ। ইয়াৰ মাজতে কেইটামান ময়ূৰ চৰাই দেখা পালোঁ। মনটো বহুত ভাল লাগিল। আমি কিছুদূৰ আগ বাঢ়িলোঁ। কেইটামান বন গাহৰিয়ে কিবা খুঁচৰি খাই থকা দেখিবলৈ পালোঁ। আমি গৈ ওচৰ পোৱাত ভিৰাই লৰ মাৰিলে। পথছোৱা বালি আৰু সৰু-ডাঙৰ শিল পাৰি থোৱা। লাহে লাহে আগ বাঢ়িছোঁ। আমাৰ আগে আগে কেইজনমান বনকৰ্মী চাইকেলেৰে গৈ আছিল। অলপ দূৰ গৈ তেওঁলোক ৰৈ দিলে। আমিও তেওঁলোকৰ ওচৰত ৰৈ দিলোঁ। বনৰীয়া ম'হ এটালৈ দেখুৱাই তেওঁলোকে ক'লে যে আমাৰ ৰঙা গাড়ীখন দেখি



ম'হটোৰ খং উঠিছে। কিছু সময় ৰৈ আমি পুনৰ আগুৱাবলৈ ধৰিলোঁ। অলপ দূৰ আহি আমি এটা বন শিবিৰ পালোঁ। তাত অলপ ৰৈ পুনৰ আগুৱাবলৈ ধৰিলোঁ। এইদৰে প্ৰায় ২০ কিল'মিটাৰমান আহি আমি ১০.৩০ বজা মানত মথনগুৰি শিবিৰ পালোঁ। মানাহ নৈৰ পাৰত মথনগুৰি শিবিৰৰ বৰ মনোমোহা পৰিবেশত আমি কিছু সময় কটালোঁ। নৈৰ সিপাৰে পাহাৰীয়া ভূটান দেশ। ভূটান পাহাৰৰ পৰা নামি অহা কেইটামান হাতীয়ে নৈৰ পানীত খেলি থকা দেখি বহুত ভাল লাগিল। এইদৰে নৈৰ পাৰত কিছুসময় কটাই লগত লৈ যোৱা পাতল খাদ্য অলপ খাই লৈ উভতি আহিবলৈ সাজু হ'লোঁ। আমি উভতি আহি থাকোঁতেই এটা হাতীৰ জাক দেখিবলৈ পালোঁ। হাতীৰ জাকটো পাৰ হৈ কিছুদূৰ আগ বাঢ়িছোঁহে, হঠাতে এটা প্ৰকাণ্ড হাতী আমাৰ গাড়ীৰ সমুখত আহি মাজবাটতে ৰৈ দিলে। আমি আটায়েই ভয়তে পেঁপুৱা লাগিলোঁ। দেউতাই গাড়ীখন লাহে লাহে অলপ পিছুৱাই আনিলে। আমি পিছুৱাই আহি থাকোঁতেই হাতীটোও লাহে লাহে পথৰ পৰা নামি যাবলৈ ধৰিলে। আমিও মানসৰ ভিতৰৰ পৰা ওলাই আহিলোঁ। আমি আইতা আৰু জেঠীমাহঁতক সিহঁতৰ ঘৰত নমাই গুৱাহাটীলৈ ঘূৰি আহিলোঁ। ❖

# মোৰ দাৰ্জিলিং ভ্ৰমণ

■ **বাস্তৱ দাস**
**চতুৰ্থ শ্ৰেণী**



২০১৯ চনৰ কথা। প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি কামৰূপ জিলাৰ হাজোৰ কলিতাকুছিৰ ওচৰত থকা ৰাজীৱ ভৱনত স্কুলীয়া শিক্ষাৰ্থীসকলৰ বৌদ্ধিক তথা মানসিক বিকাশ সাধনৰ উদ্দেশ্যে এখন চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ যো-জা চলিছিল। এই প্ৰতিযোগিতাৰ বিষয়ে বাতৰিকাকতৰ জৰিয়তে আগতীয়াকৈ খবৰ পাই আগষ্ট মাহৰ ২০ তাৰিখে গুৱাহাটীৰ পৰা গৈ মই, দেউতা আৰু বাইদেউ প্ৰতিযোগিতাস্থলীত উপস্থিত হওঁ আৰু প্ৰতিযোগিতাত যোগদানৰ বাবে নামভৰ্তি কৰাওঁ। প্ৰায় ৪৫০ গৰাকী প্ৰতিযোগীৰ অংশগ্ৰহণেৰে প্ৰতিযোগিতাখন সফলভাৱে অনুষ্ঠিত হৈ যায়। প্ৰতিযোগিতা অনুষ্ঠিত হৈ যোৱাৰ প্ৰায় ২ ঘণ্টাৰ পিছত বিচাৰকৰ তুলাচনীত শ্ৰেষ্ঠ হিচাপে নিৰ্বাচিত হোৱা ১০ গৰাকী প্ৰতিযোগীৰ নাম ঘোষণা কৰা হয়। ফলাফল ঘোষণা আৰম্ভ হোৱা মুহূৰ্তৰ পৰাই মোৰ মনত এক উৎকণ্ঠাৰ সৃষ্টি হ'বলৈ ধৰিলে। ইমানবোৰৰ মাজত মোৰ ছবিখন জানো বিবেচিত হ'ব, মই জানো স্থান লাভ কৰিম—আদি অনেক প্ৰশ্নই মনত দোলা দিবলৈ ধৰিলে। সিমানতে উৎকণ্ঠাৰ অন্ত পৰিল আৰু মই জানিবলৈ পালোঁ যে আটাইখিনিৰ মাজৰ পৰা মই দশম স্থানত নিৰ্বাচিত হৈছোঁ। লগে লগেই প্ৰমাণপত্ৰ সহিতে উপহাৰৰ টোপোলা উদ্যোক্তাসকলৰ ফালৰ পৰা মোলৈ আগ বঢ়ায় আৰু পৰবৰ্তী সময়ত পুনৰবাৰ মোৰ লগত ফ'নযোগে যোগাযোগ কৰিম বুলি জনায়। অনুষ্ঠান সামৰণি পৰাৰ পাছত অতি আনন্দ মনেৰে আমি ঘৰলৈ উভতিলোঁ।

অক্ট'বৰ মাহৰ ১২ তাৰিখে দেউতাৰ ম'বাইললৈ সেই চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজকসকলৰ ফালৰ পৰা এটি ফ'ন কল আহে। ফ'ন কলটোৰ অন্তত দেউতাই মোক ক'লে যে, প্ৰতিযোগিতাখনত স্থান লাভ কৰা ১০ গৰাকী প্ৰতিযোগীকে এগৰাকী অভিভাৱকৰ সৈতে দাৰ্জিলিং ভ্ৰমণৰ সুবিধা দিব আৰু থকা-খোৱাৰ সমস্ত খৰচ তেওঁলোকেই বহন কৰিব। কথাটো শুনিয়েই মই আনন্দত মতলীয়া হৈ পৰিলোঁ। প্ৰথমবাৰৰ বাবে উৰাজাহাজত উঠিবলৈ পোৱাৰ হেঁপাহ, নতুন ঠাই পৰিদৰ্শন কৰিবলৈ পোৱাৰ হেঁপাহ সকলোবোৰে যেন এবাৰতে মোক সাৱটিহে ধৰিব।

তেতিয়া মই দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ আৰু ১০ জনীয়া প্ৰতিযোগীৰ দলটোত সকলোতকৈ কনিষ্ঠ। অক্ট'বৰ মাহৰ ১৭ তাৰিখেই আমাৰ দাৰ্জিলিংমুখী যাত্ৰা আৰম্ভ হ'ল। এখন ডাঙৰ বাছেৰেই জালুকবাৰীৰ পৰা আমাক সকলোকে লৈ যোৱা হয় বৰঝাৰস্থিত

গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰলৈ। গ' এয়াৰ বিমানৰ খিৰিকীৰ ওচৰৰ ছিটটো পাই মোৰ যে কিমান স্ফূৰ্তি! উৰাজাহাজ উৰণৰ আগমুহূৰ্তত এগৰাকী বিমানতে কৰ্মৰত মহিলাই আহি ইংৰাজীতে ল'বলগীয়া সাৱধানতা সন্দৰ্ভত বিতং তথ্য আগ বঢ়ায়। যিহেতু তেতিয়া মই স্কুলত ইংৰাজী ভাষাটো লাহে লাহে শিকিবলৈ আৰম্ভ কৰিছিলোঁহে, সেই হেতুকে দেউতাই অসমীয়াত ভাঙনি কৰি আটাইখিনি কথা মোক বুজাই দিছিল। তাৰ ঠিক কিছু সময়ৰ পিছতে বিমান উৰিবলৈ আৰম্ভ কৰিছিল আৰু মই আকাশৰ পৰা তলৰ ঠাইবোৰনো কেনেকুৱা দেখি প্ৰথমবাৰৰ বাবে অনুভৱ কৰিছিলোঁ। দিনৰ প্ৰায় ২.৫৫ বজাত আমি আহি বাগডোগ্ৰা বিমান বন্দৰত উপস্থিত হওঁ। ৩.৩০ বজাত আমি পুনৰ তাৰ পৰা ইন'ভাৰে যাত্ৰা আৰম্ভ কৰোঁ আৰু সন্ধ্যা প্ৰায় ৭:৩০ বজাত আমাৰ গন্তব্যস্থলী দাৰ্জিলিং পাওঁ। আগতীয়াকৈয়ে তাত আমাৰ বাবে সুকীয়া হোটেল বুক কৰা হৈছিল। হোটেলত গৈ পোৱাৰ পাছতে আমাক চাহ আৰু বিবিধ খোৱাবস্তুৰে আপ্যায়ন কৰা হয়। সেইদিনা ভাগৰ লগাৰ বাবেই বিশেষ একো নকৰি সকলোৱে ৰাতিৰ আহাৰ গ্ৰহণ কৰি নিজ নিজ কোঠাত শুবলৈ যাওঁ। আমি থকা হোটেলখন আছিল হোটেল পোতালা। ইয়াত থকা-খোৱাৰ সুন্দৰ সুবিধা আছে। পৰিপাটি আৰু যথেষ্ট চাফ-চিকুণ। পাহাৰীয়া চহৰখনৰ ৰাস্তা-পদূলি আমাৰ ইয়াৰ দৰে আহল-বহল নহয়। কেতিয়াবা ৰাস্তাত সৰু গাড়ী দুখনো একেলগে ৰখাই থোৱা টান। অক্ট'বৰ মাহৰ ১৮ তাৰিখে আমাক দাৰ্জিলিঙৰ আশে-পাশে থকা কিছু চাবলগীয়া ঠাইলৈ একগোট কৰি লৈ যোৱা হয়। প্ৰথমে আমি 'পদ্মজা নাইডু হিমালয়ান জিঅ'লজিকেল পাৰ্ক'ত প্ৰৱেশ কৰোঁ। তাতে মই ভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটিৰ লগতে হলৌ বান্দৰকে আদি কৰি অন্য জীৱ-জন্তুও দেখিবলৈ পাওঁ। এক সুন্দৰ বাতাবৰণ চৌদিশে। পাৰ্কৰ পৰা আহি আমি বাটাচিয়া লপ আৰু গোৰ্খা ৱাৰ মেম'ৰিয়েল চাবলৈ যাওঁ। ইয়াত এটা বিৰাট ডাঙৰ স্তম্ভ আৰু বিভিন্ন শ্বহীদ নেপালী সৈনিকৰ সৌধ প্ৰত্যক্ষ কৰোঁ। স্মৃতিবোৰ সাঁচি ৰাখিবলৈ তাৰে স্থানীয় নেপালী লোকসকলৰ লগতো মই ফট' উঠোঁ। দাৰ্জিলিঙত সৰু দুটা দবা থকা ভাপ ইঞ্জিনেৰে চলোৱা ট্ৰেইন গাড়ী চলে। ৱাৰ মেম'ৰিয়েলত ফুৰি থকাৰ সময়তে এখন ভাপ ইঞ্জিনৰ ট্ৰেইন বিকট শব্দৰে আহিবলৈ আৰম্ভ কৰে। এই দৃশ্য মই অতি ওচৰৰ পৰাই দেখিবলৈ পাওঁ। ইয়াৰ পাছতে আমি থকা হোটেলখনত সকলোৱে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিবলৈ যাওঁ। অলপ বিশ্ৰাম কৰিয়েই পুনৰ ৰাওনা হওঁ জাপানীজ বৌদ্ধিক মন্দিৰলৈ বুলি। তাত বহু সময় অতিবাহিত কৰি আমি দাৰ্জিলিং চহৰত উপস্থিত হৈ কিছু বজাৰ-সমাৰ কৰোঁ। ৰাস্তাৰ কাষতেই কেইবাগৰাকীও নেপালী মহিলাই দাৰ্জিলিং চাহপাত বিক্ৰী কৰি থকা দেখি দেউতাই ঘৰলৈ নিবলৈ কেইপেকেটমান চাহপাত তাৰ পৰাই ক্ৰয় কৰে। সন্ধ্যা ফিৰফিৰীয়া বতাহ বলিবলৈ আৰম্ভ কৰাৰ লগতে বতৰ অলপ ঠাণ্ডা হৈ অহাত দেউতা আৰু মই দুয়ো একোটিকৈ জেকেটো বজাৰৰ পৰা ক্ৰয় কৰোঁ। দাৰ্জিলিং এখন মনোৰম চহৰ। প্ৰকৃতিৰ অপৰূপ দৃশ্যই ইয়াৰ সৌন্দৰ্য্য দুগুণে বৃদ্ধি কৰে। অক্ট'বৰ মাহৰ ১৯ তাৰিখে আমি দাৰ্জিলিঙৰ পৰা বিদায় লৈ বাগডোগ্ৰা বিমান বন্দৰলৈ পুনৰ ইন'ভাৰে যাত্ৰা আৰম্ভ কৰোঁ। গৈ থকাৰ সময়তে খিৰিকীৰে দেখিবলৈ পাওঁ চাহপাতৰ কেইবালানি বাগিচা আৰু শ্বাহৰুখ খান আৰু মনীষা কৈৰালা অভিনীত বিখ্যাত হিন্দী চলচ্চিত্ৰ 'দিল চে'ৰ 'চল চাইয়া চাইয়া' শীৰ্ষক জনপ্ৰিয় গীতটিৰ শ্বুটিংস্থলী।

বাগডোগ্ৰা বিমান বন্দৰৰ পৰা এবুকু মিঠা স্মৃতি বুকুত বান্ধি, এক নতুন অভিজ্ঞতা মনত সাঁচি মই আৰম্ভ কৰোঁ গুৱাহাটীমুখী ওভতনি যাত্ৰা। দাৰ্জিলিঙে মোৰ মানসপটত আজিকোপতি এক বিশেষ স্থান দখল কৰি আছে। এই স্মৃতিবোৰ মই সদায় ৰোমন্থন কৰিব খোজোঁ। ❖

# ভ্ৰমণৰ আনন্দ

■ ধৃতিমান ঠাকুৰীয়া
ষষ্ঠ শ্ৰেণী


ক'ৰোনা মহামাৰীয়ে সমগ্ৰ পৃথিৱীতে সন্ত্ৰাস চলাই থকাৰ সময়ত প্ৰায় এবছৰ আমিও গৃহবন্দী হৈ আছিলোঁ। অৱশ্যে ক'ৰোনাৰ প্ৰথমটো ঢৌৱে অসমত বৰ বেছি প্ৰভাৱ পেলোৱা নাছিল। ২০২০ চনৰ শেষৰ ফালে পৰিস্থিতি প্ৰায় সুস্থ হৈ উঠিছিল। আমিও বিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰিলোঁ। পৰীক্ষাও অতি সুন্দৰকৈ হৈ গ'ল। পৰীক্ষা শেষ হোৱাৰ পাছত ক'ৰবালৈ ফুৰিবলৈ যাম বুলি আমি মনতে ভাবি আছিলোঁ। সেই সময়তে এটা সুযোগ ওলাল। মোৰ মাৰ সহকৰ্মী এগৰাকীৰ বিয়ালৈ নিমন্ত্ৰণ আহিল। চাকৰিসূত্ৰে তেওঁ গুৱাহাটীতে থাকে যদিও ঘৰ আমগুৰিত। বিয়াৰ নিমন্ত্ৰণ পাই আমি একপ্ৰকাৰ ঠিকেই কৰি পেলালোঁ যে আমি বিয়াখনলৈ যামেই আৰু শিৱসাগৰখনো চাই আহিম। বিয়া আছিল ২০২১ চনৰ ৮ মাৰ্চ তাৰিখে। আমি ৬ মাৰ্চতে যাত্ৰা কৰিলোঁ শিৱসাগৰলৈ বুলি। আমি গৈছিলোঁ তেজপুৰ হৈ। যিহেতু মোৰ দেউতাৰ জন্মস্থান চিৰাজুলিত, সেয়ে আমাৰ বিহুৰে-পূজাই তালৈ অহা-যোৱা হৈয়ে থাকে। তেজপুৰতো আমাৰ পৰিয়ালৰ লোক থাকে। গতিকে তেজপুৰৰ সকলোখিনি ঠাই মোৰ চিনাকি। কিন্তু তেজপুৰৰ আগলৈ যোৱা নাছিলোঁ। সেয়ে ইমানদিনে কিতাপৰ জৰিয়তে চিনাকি কলীয়াভোমোৰা দলং, কাজিৰঙা, যোৰহাট ইত্যাদি ঠাইবোৰ নিজ চকুৰে দেখি যেন এক বুজাব নোৱৰা আনন্দ লাভ কৰিছিলোঁ। মই মনত পেলাবলৈ চেষ্টা কৰিছিলোঁ যোৰহাট নামটোত কোন দুখন হাট সোমাই আছে আৰু কোনগৰাকী শিল্পীৰ জন্মস্থান যোৰহাটৰ নাওশলীয়া নামৰ ঠাইডোখৰ আছিল ইত্যাদি। মাজে মাজে অৱশ্যে ভাগৰ আৰু টোপনিৰ বাবে কিছুমান ঠাই চোৱা নহ'ল। এনেদৰে গৈ আমি কাজিৰঙা পালোঁ। আমাৰ গাড়ীখন যিহেতু বহু সময় ধৰি চলি আছে সেয়ে দেউতাই কাজিৰঙাৰ অৰ্কিড উদ্যানলৈ আমাক লৈ গ'ল, যাতে আমিও জিৰাব পাৰোঁ আৰু গাড়ীখনেও আৰাম পায়। অৰ্কিড উদ্যানত আমি প্ৰায় এহাজাৰবিধ ভিন্ন প্ৰজাতিৰ অৰ্কিড দেখা পাওঁ। ইমান যে ভাল লাগিছিল অৰ্কিডবোৰৰ মাজত। দেহৰ ভাগৰ যেন পলকতে নোহোৱা হ'ল। মই কাজিৰঙাৰ ভিতৰলৈও যোৱাৰ ইচ্ছা কৰিছিলোঁ। কিন্তু সেইদিনা যথেষ্ট দেৰি হৈ যোৱাত দেউতাই নোসোমাওঁ বুলি ক'লে আৰু উভতি অহাৰ দিনা জীপেৰে কাজিৰঙাখন দেখুৱাব বুলি কথা দিলে। প্ৰায় এঘণ্টামান অৰ্কিড উদ্যানত কটাই আমি পুনৰ যাত্ৰা আৰম্ভ কৰিলোঁ। সেইদিনা ৰাতি আমি ৭ বজা মানত গৈ জাঁজী হোটেল পালোঁগৈ, য'ত আমাৰ বাবে থকাৰ ব্যৱস্থা কৰি থোৱা আছিল। গৈ পাই আমি গা-পা ধুই ভাত-পানী খাই শুই থাকিলোঁ। পিছদিনা অৰ্থাৎ ৭ মাৰ্চ তাৰিখে বিয়াঘৰলৈ গ'লোঁ। সেইদিনা আছিল জোৰোণ। জোৰোণ শেষ হোৱাত আমি হোটেললৈ আহি কাপোৰ-কানি সলাই শিৱসাগৰৰ ঐতিহ্যপূৰ্ণ ঠাইবোৰ চাবলৈ ওলাই গ'লোঁ। দেখিলোঁ ৰংঘৰ, তলাতলঘৰ, শিৱদৌল, জয়দৌল, জয়মতীক শাস্তি দিয়া সেই জেৰেঙা পথাৰখন। কিতাপত পঢ়োঁতে কাষতে সৰুকৈ থকা ফট'বোৰৰ ৰংঘৰ, শিৱদৌল যেন সিদিনা মোৰ সন্মুখত জীৱন্তে থিয় হৈ আছিল। এনেদৰে ঘূৰি-পকি সন্ধিয়া হোটেললৈ আহিলোঁ। পিছদিনা অৰ্থাৎ ৮ মাৰ্চ তাৰিখে যিহেতু বিয়াঘৰত অভ্যৰ্থনাৰ সময় দুপৰীয়াৰ পৰা আছিল সেয়ে দেউতাই আমাক ৰাতিপুৱাতে যোৰহাটৰ বিখ্যাত ঢেঁকীয়াখোৱা নামঘৰ আৰু মইনাপৰীয়া নামঘৰ



দেখুৱাবলৈ লৈ গ'ল। দুয়োটা নামঘৰ ইমান সুন্দৰ, পৰিপাটি আছিল যে মনটো একেবাৰে পৱিত্ৰ হৈ যায়। আমি তাত চাকি-বন্তি জ্বলাই নেদেখাজনক প্ৰাৰ্থনা কৰি পুনৰ হোটেললৈ ঘূৰি আহিলোঁ। তাৰ পাছত বিয়াঘৰলৈ গ'লোঁ। বিয়াঘৰত খোৱা-লোৱা শেষ হোৱাত আমি যিহেতু বহি থাকিবলৈ আমনি পাইছিলোঁ সেয়ে দেউতাই বিয়াঘৰৰে দুই-এজনক ওচৰত কিবা চাবলগীয়া ঠাই আছে নেকি সুধি গম পালে যে বিয়াঘৰৰ পৰা প্ৰায় ৮ কিল'মিটাৰ আঁতৰত হেনো নাগালেণ্ড ব'ৰ্ডাৰ আছে। লগে লগে আমি বিয়ালৈ যোৱা সাজতেই নাগালেণ্ড ব'ৰ্ডাৰ চাবলৈ গ'লোঁ। বাটত দেখিলোঁ শাৰী শাৰী চাহবাগিচা। চাহবাগিচাৰ প্ৰাকৃতিক সৌন্দৰ্য্যই মোক বৰকৈ মোহিত কৰিছিল। নাগালেণ্ড ব'ৰ্ডাৰ চাই উভতি আহোঁতে সন্ধিয়াই হৈছিল। সেই নিশাটোৱে আছিল জাঁজী হোটেলত কটোৱা শেষ নিশা। পাছদিনা অৰ্থাৎ ৯ মাৰ্চ তাৰিখে আমি আমগুৰিৰ পৰা গুৱাহাটীলৈ বুলি যাত্ৰা আৰম্ভ কৰিলোঁ। যিহেতু দেউতাই আমাক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেখুৱাব বুলি কথা দিছিল, সেয়ে আমি পুৱা ৬ বজামানত হোটেলৰ পৰা ওলালোঁ। প্ৰায় ১০-১১ বজামানতে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰলৈ সোমাই গ'লোঁ। প্ৰথমে মোৰ বৰ ভয় লাগিছিল যদি বাঘ এটা সন্মুখতে পাই যাওঁ। কিন্তু আমাৰ বাঘ দেখাৰ সৌভাগ্য নহ'ল। পৃথিৱীবিখ্যাত এটা খড়্গ থকা গঁড়বোৰ, জাক জাক হাতী, হৰিণাবোৰ যেতিয়া একেবাৰে ওচৰতে চৰি থকা দেখিবলৈ পাইছিলোঁ, মোৰ যে কিমান আনন্দ লাগিছিল বুজাই ক'ব নোৱাৰিম। দিনৰ দুই বজামানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা আমি পৰম সন্তুষ্টিৰে গুৱাহাটীলৈ বুলি আগ বাঢ়িলোঁ। মোৰ মনটো লাহে লাহে বেয়াও লাগি আহিছিল যে ঘৰ পালেই আমি আকৌ নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিম। ৬ মাৰ্চৰ পৰা ৯ মাৰ্চলৈ আমি যিখিনি আনন্দ-স্ফূৰ্তি কৰিলোঁ সেইখিনিয়ে আজিও মোক উৎফুল্লিত কৰি তোলে। কিন্তু এতিয়া আমি আকৌ গৃহবন্দী। ক'ৰোনাৰ দ্বিতীয় ঢৌৰ কবলত পৰি সমগ্ৰ ভাৰতৰ লগতে অসমখনেও বৰ কষ্ট পাইছে। ক'ৰোনাৰ সন্ত্ৰাসৰ পৰা যেন অতি সোনকালে আমি পৰিত্ৰাণ পাব পাৰোঁ তাকেই কামনা কৰিলোঁ। হয়তো তেতিয়া আকৌ যাম কোনোবা এখন নতুন ঠাইলৈ, আকৌ আগৰ দৰে আনন্দ কৰিম, স্ফূৰ্তি কৰিম। ❖



**বাণীস্নিগ্ধা হালৈ,** চতুৰ্থ শ্ৰেণী



**নিশিত তামুলী,** দ্বিতীয় শ্ৰেণী

অতিমাৰীৰ সময়ত শিক্ষাৰ্থীসকলৰ অনুভৱ-অভিজ্ঞতাৰ কথাৰে সজোৱা হৈছে 'সময়ৰ দস্তাবেজ'...

# ক'ৰোনা মহামাৰীৰ সময়ত মোৰ অনুভৱ

■ দীপ্যমান কলিতা
অষ্টম শ্ৰেণী

ক'ৰোনা মহামাৰীৰ সময় সকলোৰে বাবে বৰ ভয়াবহ সময়। দুয়োটা ঢৌৰ সময়ত আমি প্ৰত্যেকেই ঘৰৰ ভিতৰত সোমাই বহুতো নতুন কথা, পৰিস্থিতিৰ সন্মুখীন হৈছিলোঁ। যোৱা বছৰৰ লকডাউনৰ সময়ত কি হৈছে, কিয় হৈছে, পৰিত্ৰাণৰ উপায় ইত্যাদিবোৰ বুজোঁতেই কিছু সময় পাৰ হৈ গ'ল। বুজি উঠাৰ পিছত সাৱধানতা অৱলম্বন কৰি প্ৰথমটো লকডাউন মোটামুটি সুকলমে পাৰ কৰিলোঁ। নতুন বছৰত নতুন উৎসাহেৰে দিনবোৰ অতিবাহিত কৰিছিলোঁ যদিও দ্বিতীয় ঢৌৱে আকৌ আমাক ঘৰৰ ভিতৰত আবদ্ধ হৈ থাকিবলৈ বাধ্য কৰালে।

এই মহামাৰীৰ সময়ত মই বহু ভাল-বেয়া অনুভৱ গোটালোঁ। পৰিয়াল কি, পৰিয়ালৰ গুৰুত্ব আমাৰ জীৱনত কিমান সুদূৰপ্ৰসাৰী সেইটো লকডাউনৰ সময়ছোৱাত থাকি বুজিব পাৰিলোঁ। একত্ৰিত হৈ থাকিলে আমি যিকোনো ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰিম। এইখিনি সময়তে মই পৰিয়ালৰ প্ৰতি আগতকৈ বেছি দায়বদ্ধ হৈ পৰিছোঁ। আমি প্ৰত্যেকেই প্ৰত্যেকৰ খোৱা-বোৱা, স্বাস্থ্যৰ যতন লোৱা, ঘৰুৱা কাৰ্য্যত সহযোগ কৰা ইত্যাদি কাম নিজৰ অলক্ষিতে কৰিব শিকিছোঁ। বেমাৰটোৰ পৰা সুৰক্ষিত থাকিবলৈ চাফ-চিকুণ হৈ থকা, সামাজিক দূৰত্ব বৰ্তাই ৰখা, মুখা পৰিধান কৰা কাৰ্য্যবোৰ বৰ্তমান অভ্যাসত পৰিণত হৈ পৰিছে। এই কথাবোৰ যদি কোনোবাই নুবুজে মই তেওঁক ভালদৰে বুজাবলৈ চেষ্টা কৰিছোঁ।

এই সময়ছোৱাত মই মাক ঘৰুৱা কামত আৰু পাকঘৰৰ কামত যথেষ্ট সহায় কৰি দিছোঁ। বৰ্তমান সময়ত মা মোক লৈ বহুত সুখী, কাৰণ ময়ো কিছু পৰিমাণে ঘৰুৱা কামত পাকৈত হৈ উঠিছোঁ। খাদ্য প্ৰস্তুত কৰা, বাচন-বৰ্তন চিকুণাই ৰখা, কাপোৰ-কানি ৰ'দত দিয়া কামবোৰ বৰ্তমান মই কাৰো সহায় নোলোৱাকৈ কৰিব পাৰোঁ। ভৱিষ্যতে মই যদি উচ্চ শিক্ষা বা চাকৰি ইত্যাদিৰ বাবে অকলশৰীয়া হৈ থাকিবলগীয়া হয়, তেতিয়া লকডাউনৰ সময়ত শিকা এই কামবোৰে মোক যথেষ্ট সহায় কৰিব।

এই সময়ছোৱাত মোৰ আন এটা সুন্দৰ অভ্যাস গঢ়ি উঠিছে, সেয়া হ'ল কিতাপ পঢ়া। সৰুৰে পৰা এই অভ্যাস আছিল যদিও সময়ৰ অভাৱত বহুতো কিতাপ পঢ়িব পৰা নাছিলোঁ। এই সময়ছোৱাত মই ভালেখিনি সাধু, জীৱনী, চুটি গল্পৰ পুথি অধ্যয়ন কৰোঁ। অধ্যয়নৰ এই ৰাপ মই গোটেই জীৱন বৰ্তাই ৰাখিম বুলি ভাবিছোঁ। ভৱিষ্যতে নিজেও কিবা লিখাৰ বাবে মনত উৎসাহ পাইছোঁ। 'যাকেৰি নাহিকে উপাম', 'শতাধিক মহান বিজ্ঞানী', 'The Mountain of Adventure', 'The Sensitive ear', 'A Treasure box', 'Story time', 'Encyclopedia of Space and Universe', 'Animal Kingdom' ইত্যাদি কিতাপবোৰে মোক আৰু ন ন কথা জানিবলৈ, বুজিবলৈ অনুপ্ৰাণিত কৰিছে।

এই সময়ছোৱাতে মোৰ এটি সুপ্ত প্ৰতিভা বিকশিত হ'ল, সেয়া হ'ল ছবি অঁকা। বৰ্তমান মই ছবি আঁকি বহুত ভাল পাওঁ। আমাৰ পাঠ্যপুথিত থকা ছবিবোৰ মই আঁকিবলৈ চেষ্টা কৰোঁ, পৰিয়ালৰ সদস্যসকলৰ কাৰ্টুন ছবি আঁকি আটাইকে আনন্দিত কৰোঁ। অইন ছবিবোৰ আঁকিবলৈ মোৰ বায়ে মোক বহুতো সহায় আৰু অনুপ্ৰেৰণা যোগায়।

আজৰি সময়খিনিত মই মোৰ বাৰ লগত ম'বাইল ফ'নত Adventurous Video চাওঁ। মই নিজেও এনে ধৰণৰ কাম কৰাৰ বাবে উৎসাহী হৈ উঠিছোঁ।

এই সময়ছোৱাত মই দূৰদৰ্শনযোগে প্ৰচাৰিত 'ৰামায়ণ' ধাৰাবাহিকখন উপভোগ কৰোঁ। স্বচক্ষে ৰামায়ণৰ কাহিনীবোৰ দেখি মই অভিভূত হৈ পৰিছিলোঁ। শ্ৰীৰামৰ ত্যাগ, লক্ষ্মণৰ ভাতৃ ভক্তি, সীতা মাতাৰ সহনশীলতাই মোক মানসিকভাৱে আপ্লুত কৰিছে। আধ্যাত্মিক শক্তি বৃদ্ধি কৰি এই জগতৰ দুখ, কঠোৰতা যে হেলাৰঙে পাৰ হ'ব পাৰি সেই কথা মই ৰামায়ণ চাই অনুভৱ কৰিছোঁ।

এই মহামাৰীৰ সময়ত ঘৰতে বন্দী হৈ থাকিবলগীয়া হোৱাৰ ফলত মোৰ শাৰীৰিক কাৰ্য্য-কলাপ কমি গৈছে। সেয়েহে মই নিয়মিতভাৱে মোৰ বাৰ লগত যোগাভ্যাস কৰোঁ আৰু দেউতাৰ লগত খোজ কাঢ়িবলৈ যাওঁ। ইয়াৰ ফলত মোৰ শৰীৰৰ যতন লোৱাৰ লগতে মানসিক উৎকৰ্ষ সাধনো হৈছে।

সকলোৰে ভাল-বেয়া দুয়োটা দিশ থাকে। ক'ৰোনা মহামাৰীৰ সময়ত মই এই দুয়োটা দিশৰে মুখামুখি হৈছোঁ, কিন্তু আমি আশাবাদী। সেয়েহে তাৰ পৰা মই ধনাত্মক দিশবোৰ গ্ৰহণ কৰি জীৱনত আগ বাঢ়ি যাবলৈ অনুপ্ৰেৰণা লাভ কৰিছোঁ। অতি শীঘ্ৰে ক'ৰোনামুক্ত এখন সুন্দৰ গতিময় পৃথিৱীৰ কামনা কৰিলোঁ। ❖

# ক'ৰোনা কালত মই কি শিকিলোঁ

■ শৌভাংগী হালৈ
সপ্তম শ্ৰেণী

ক'ৰোনা কালৰ বিভীষিকাময় পৰিবেশৰ কথা আমাৰ সকলোৰে জ্ঞাত। ক'ভিড-১৯ মহামাৰীয়ে সমগ্ৰ বিশ্বত যি ত্ৰাসৰ সৃষ্টি কৰিছে আৰু তাৰ ফলস্বৰূপে সমগ্ৰ বিশ্বত অৰ্থনৈতিক, সামাজিক, শৈক্ষিক ক্ষেত্ৰত যি যি কু-প্ৰভাৱ পৰিছে সেয়া হয়তো বহু বছৰলৈ আমি ভুগিব লাগিব। এই ভাইৰাছৰ সংক্ৰমণে তীব্ৰ ৰূপ লোৱাৰ পৰা বিশ্বৰ প্ৰায় চুকে-কোণে বাস কৰা মানুহৰ লগতে নগৰ-চহৰত বাস কৰা লোকৰ তথা গ্ৰাম্যাঞ্চলৰ জীৱনশৈলীও সলনি কৰিছে। প্ৰথম লহৰতকৈ দ্বিতীয় লহৰ আমাৰ দেশৰ বাবে বহুতো ভয়াবহ আৰু আমি সকলোৰে ভীতিগ্ৰস্ত হৈছোঁ। তাৰ প্ৰভাৱ আমাৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যত পৰিছে। তথাপি মানুহ আশাবাদী আৰু এই আশাৰে ধীৰে ধীৰে মানুহে মহামাৰী প্ৰতিৰোধৰ সংগ্ৰামখনত নিজৰ ভেটি শক্তিশালী কৰি তুলিছে আৰু এই যুঁজত মানৱৰেই জয় হোৱাটোও নিশ্চিত কৰি তুলিছে।

বিপদসংকুল এই সময়ছোৱাত এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰী হিচাপে মোৰ যথেষ্ট অভিজ্ঞতা হৈছে, যিবোৰ অভিজ্ঞতা হয়তো বহু বছৰ অধ্যয়নৰ ফলতহে সম্ভৱ হ'লহেঁতেন। 'মানুহ মৰণশীল'—এই বাক্যশাৰীৰ সাৰমৰ্ম এই বিপৰ্য্যয়পূৰ্ণ সময়ছোৱাত গভীৰভাৱে উপলব্ধি হৈছে। লগতে ইয়াকো উপলব্ধি কৰিছোঁ যে মানুহে বিবেকৰ দ্বাৰা পৰিচালিত হৈ ধীৰে ধীৰে জীৱনলৈ অহা সংকট ওৰ পেলাবলৈ অগ্ৰসৰ হয়।

ক'ৰোনা সংক্ৰমণে বিশ্বৰ মানৱৰ জীৱনশৈলী সলনি কৰাৰ দৰে মোৰ ব্যক্তিগত জীৱনশৈলীও সলনি কৰিছে। আমাৰ বিদ্যালয়খন হঠাৎ বন্ধ হৈ যোৱাত বহুতো মানসিক অশান্তিত ভুগিছিলোঁ প্ৰথম অৱস্থাত। ছাৰ-বাইদেউসকল আৰু বন্ধু-বান্ধৱীসকলক লগ নোপোৱাৰ বাবে নিজৰ ঘৰখনতে বন্দিত্বৰ জীৱন অনুভৱ কৰিছিলোঁ, আনকি মা-দেউতাৰ সৈতেও মোৰ যুক্তি-তৰ্ক হৈছিল। কিন্তু লাহে লাহে মা-দেউতাই বুজোৱা কথাবোৰৰ পৰা আৰু নিজৰ চিনাকি মানুহৰে বিপদাপন্ন অৱস্থা দেখি মই নিজকে চম্ভালি ল'লোঁ।

সেইবাবে শাৰীৰিক আৰু মানসিকভাৱে নিজকে শক্তিশালী কৰিবলৈ মই বিভিন্ন সৃষ্টিমূলক কামত নিজকে নিয়োগ কৰিছোঁ।

বতৰৰ ফল-মূল ঠিকমতে খোৱা, শাৰীৰিক ব্যায়াম আৰু ধ্যান কৰি নিজকে সুস্থ ৰাখিবলৈ চেষ্টা কৰিছোঁ। ফ'নৰ জৰিয়তে চিনাকি সম্বন্ধীয় মানুহখিনিৰ লগত কথা পাতিছোঁ, ঘৰতে থকা ফুলনিখনৰ যত্ন ৰখাৰ লগতে ৰাতিপুৱা আমাৰ ঘৰলৈ চাউল খাবলৈ অহা বিভিন্ন পক্ষীক মই পৰ্য্যবেক্ষণ কৰিছোঁ। কেতিয়াবা চৰাইবোৰৰ বিভিন্ন ফট' তুলি ৰাখিছোঁ। এই সময়ছোৱাত মই প্ৰকৃতি জগতৰ কিছুমান আকৰ্ষণীয় পৰিবৰ্তন লক্ষ্য কৰিছোঁ। যেনে, বিভিন্ন সময়ত আকাশৰ মেঘমালাৰ ৰূপ চাই বৰ ভাল লাগিছে। এই সময়ছোৱাত ফুলা বিভিন্ন ফুলবোৰো পৰ্য্যবেক্ষণ কৰিছোঁ। মই অনলাইনযোগে হোৱা শ্ৰেণীসমূহৰ পৰা এয়াই বুজিছোঁ দূৰত্বত থাকিলেও আমি আগ্ৰহ থাকিলে আমাৰ শিক্ষা ব্যাহত নোহোৱাকৈ ৰাখিব পাৰোঁ। অনলাইন শিক্ষাৰ আমেজ সুকীয়া। ঘৰতে বহি পাঠবোৰ আয়ত্ত কৰিব পাৰি।

মই অনলাইনযোগে বিভিন্ন দিৱসত হোৱা গীত আৰু ছবি অংকন কৰা প্ৰতিযোগিতাসমূহত যোগদান কৰিছোঁ। ছবি অংকনত বিচাৰকৰ দ্বাৰা 'উত্তৰণ সাহিত্য মঞ্চ' নামৰ এটা মোৰ মাৰ ফেচবুক গোটৰ দ্বাৰা নিৰ্বাচিত হৈছিলোঁ।

২ জুলাই, ২০২১ৰ পৰা অনলাইনযোগে হোৱা জিৰসং থিয়েটাৰৰ উদ্যোগত দহদিনীয়া অভিনয় কৰ্মশালা এটিত যোগ দি বহুতো পাহৰিব নোৱৰা অভিজ্ঞতা লাভ কৰিছোঁ। কৰ্মশালাত মই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত 'ৰূপালীম' নাটকৰ ইতিভেন নামৰ চৰিত্ৰটোত অভিনয় কৰিছিলোঁ। সেয়া মোৰ বাবে এটা বেলেগ অভিজ্ঞতা। মই তাত ইয়াকে শিকিলোঁ যে অভিনয় এটা কলা। অভিনয়ৰ বাবেও এটা সুস্থ শৰীৰ, মনৰ দৰকাৰ। প্ৰতিদিনে তাত আমাক অংগ-প্ৰত্যংগৰ সঞ্চালন, চকু-মুখৰ ভংগিমা আৰু বিভিন্ন ৰস, যেনে—হাস্য ৰস, খং, অভিমান, দুখ আদি কেনেকৈ প্ৰকাশ কৰিব লাগে শিকাইছিল। মই নিজকে মানসিকভাৱে যথেষ্ট শক্তিশালী অনুভৱ কৰিছোঁ।

ইয়াৰ উপৰি মাৰ প্ৰেৰণা লৈ মই অলপ লিখা-মেলা কামতো নিজকে নিয়োগ কৰিছোঁ।

আমাৰ শ্ৰেণীৰ কেইগৰাকীমান বান্ধৱী যেনে, মীমাংসা, শ্ৰেয়া, পৰিস্মিতা আৰু মই লগ হৈ এখন আলোচনীৰ কাম আৰম্ভ কৰিছোঁ। আশা কৰোঁ সোনকালে শেষ কৰিব পাৰিম।

মই বিপদসংকুল সময়ছোৱাত শিকা কথাবোৰ হ'ল—১) আমি স্বাস্থ্যৰক্ষাৰ বিধিসমূহ মানি চলা উচিত। ২) শাৰীৰিক দূৰত্ব ৰাখিও আমি মানসিকভাৱেও ইজনে সিজনৰ লগত যোগাযোগ ৰাখিব পাৰোঁ। ৩) ছেনিটাইজাৰ আৰু মাস্ক পৰিধান কৰিলেহে বৰ্তমান সময়ত সুৰক্ষিত হৈ থাকিব পাৰিম। ৪) উপযুক্ত পৰিমাণৰ পানী, ফল-মূল, সেউজীয়া শাক-পাচলি, বুট-মগু আদি আমি যথেষ্ট পৰিমাণে খাব লাগে। সময়মতে শোৱা, খোৱা, খেলা আৰু পঢ়া-শুনা কৰিব লাগে। ৫) প্ৰাণায়াম, যোগাসন, ব্যায়াম আদি নিয়মিত কৰিলে স্বাস্থ্যৰ পক্ষে ভাল।

বিশেষজ্ঞসকলে কোৱা এটা কথা মই ইয়াতে উল্লেখ কৰিলোঁ —"When you eat, engage all your senses by focusing on the taste, smell, colour and texture of your meal." টিভি চাই, ম'বাইল চাই খালে আমাৰ শৰীৰৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে। আমি সময়ৰ সৎ ব্যৱহাৰ কৰিব লাগে যাতে আমাৰ ভৱিষ্যৎ জীৱন সুখৰ হয়। আমাৰ মংগলৰ বাবে অহৰহ লাগি থকা দেশৰ সৈনিক চিকিৎসকসকলৰ কথা আমি শুনিব লাগে।

শেষত কওঁ যে আমি আমাৰ জীৱনশৈলী সুস্থভাৱে পৰিচালিত কৰি আগ বাঢ়ি গ'লেহে আকৌ আগৰ দিনবোৰ ঘূৰাই পাম। আশা ৰাখিছোঁ "আকৌ নতুন প্ৰভাত হ'ব, কাল ৰাত্ৰি আঁতৰিব..."

সকলোৰে মংগল কামনা কৰিলোঁ। সাৱধানে থাকক, সুৰক্ষিত থাকক। ❖

# অনুভৱ : এক প্ৰত্যাহ্বানৰ

■ জাগৃতি বৰুৱা
সপ্তম শ্ৰেণী



২০২০ চনৰ মাৰ্চৰ খুব সম্ভৱ দ্বিতীয়টো শনিবাৰ। ক'ৰোনা নামৰ ভাইৰাছ এবিধৰ আতংক চলিছে কিছুমান অঞ্চলত। সেইদিনা স্কুলৰ পৰা ঘৰলৈ ওভতাৰ পিছত গম পালোঁ যে সোমবাৰৰ পৰা এসপ্তাহৰ বাবে স্কুল-কলেজ সকলো বন্ধ। কিন্তু এই সপ্তাহটোৰ সমাপ্ত হয় প্ৰায় ৮ মাহ পিছত। ভাবিলে এটা কথা আচৰিত লাগে যে কিছুদিনৰ ভিতৰতেই সকলো চকুৰ আগত দ্ৰুতগতিত স্তব্ধ হৈ গৈছিল।

ভয়াবহ পৰিস্থিতি তথা মৃত্যুৱে যেন আকাশ-বতাহ ছানি ধৰিছে। টেলিভিছনৰ নিউজ, দৈনিক অহা বাতৰিকাকতৰ খবৰবোৰত যেন মৃত্যুৰ কিৰীলি বাজি উঠিছে। সমগ্ৰ পৃথিৱী ক'ৰোনাৰ কৰাল গ্ৰাসত সোমাই পৰিছে। পৃথিৱী কি ধ্বংসমুখী হৈছে নেকি বাৰু ! মানৱ সভ্যতা কি এক ইতিহাসত পৰিণত হ'ব নেকি ! এনে ধৰণৰ কিছুমান অলেখ অন্তহীন প্ৰশ্নই জুমুৰি দি ধৰিছিল।

পৰিয়ালৰ সদস্যসকলৰ লগত কথা-বতৰা পাতোঁতেও এইবোৰ কথাই অৰ্থাৎ ক'ভিড-১৯ য়েই অগ্ৰাধিকাৰ পাইছিল। এনেদৰেই এদিন আলোচনাৰ মাজতেই এক সংকল্প লোৱা হ'ল যে এনে ধৰণে আৰু নহ'ব। এই নেতিবাচক চিন্তাধাৰাবোৰ বাদ দি এক ইতিবাচক পৰিবেশ গঢ়িব লাগিব।

এইখিনি সময়ত সুস্থ হৈ থাকিবলৈ আটাইতকৈ দৰকাৰী কথাটো হ'ল শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰা। এনেদৰে আভ্যন্তৰীণভাৱে সুস্থ হৈ থাকিবলৈ দৰকাৰী বস্তু হৈছে সুষম খাদ্যাভ্যাস। দৈনিক ব্যায়ামো অবিচ্ছেদ্য অংগ। নিতৌ ৰাতিপুৱা মায়ে গৰু গাখীৰৰ লগত হালধি মিহলাই খাবলৈ দিছিল, দেউতাই দিছিল ত্ৰিফলা। ব্যায়াম কৰাটো মোৰ বহুত সৰুৰে অভ্যাস। লগতে যোগাসন, প্ৰাণায়ামো আৰম্ভ কৰিলোঁ। লাহে লাহে সকলো ইতিবাচক হৈ পৰিল।

তাৰ পিছতো আৰু গোটেই দিনটো কাম নোহোৱা হৈ পৰিল। প্ৰথম অৱস্থাত বেছিকৈ আমনি লাগিছিল, কাৰণ সেই সময়ত আমাৰ শ্ৰেণীসমূহো আৰম্ভ হোৱা নাছিল। একো একোটা ঘণ্টা একো একোটা প্ৰস্তৰ মূৰ্তি হৈ মোৰ চকুত ধৰা দিছিল। হঠাৎ এদিন বেৰত ওলমি থকা আতাৰ (মাৰ দেউতা) ছবিখনত মোৰ চকু পৰিল। মই যিহেতু চিত্ৰকলা শিকিছোঁ গতিকে মই আতাক মোৰ ৰঙেৰে কেনভাছত ধৰি ৰাখিবলৈ যত্ন কৰিলোঁ। এই ক্ষেত্ৰত গুৰুৰ যথেষ্ট সহায়-সহযোগিতা লাভ কৰিছিলোঁ। এদিন এখন চিত্ৰ প্ৰস্তুত হৈ পৰিল। এইখন আছিল মোৰ প্ৰথমখন মানুহৰ প্ৰতিকৃতি।

মই এজনী শাস্ত্ৰীয় সংগীতৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰীও আছিলোঁ। গতিকে মই মোৰ ৰেৱাজৰ সময়সীমাও বৃদ্ধি কৰিলোঁ। কাৰণ মই জানিছিলোঁ যে এই বছৰেই পৰীক্ষা

হ'ব। মোৰ এই পৰিশ্ৰমো কামত আহিছিল আৰু এতিয়া মই ইয়াৰ ফলাফলৰ বাবে অপেক্ষাৰত।

বিদ্যালয়ৰ বাহিৰেও বাহিৰা যিকোনো কিতাপ পঢ়াটো মোৰ সৰুৰে পৰা ৰুচি। এই বন্ধত মই সম্পূৰ্ণ সুযোগ উঠালোঁ। এই কিতাপবোৰৰ ভিতৰত অন্যতন—চন্দনা গোস্বামীৰ 'পাটকাইৰ ইপাৰে মোৰ দেশ', অনুৰাধা শৰ্মা পূজাৰীৰ 'মেৰেং', 'এন ফ্ৰাংকৰ ডায়েৰী', 'এণ্টন চেক'ভৰ পৃথিৱীত' (ৰাছিয়ান গল্প), 'শ্বাৰলক হ'ম্‌ছ', ৰংমনৰ (ছদ্মনাম) ৰহস্য আৰু থ্ৰিলাৰ ছিৰিজ 'দস্যু ভাস্কৰ', 'অস্কাৰ ৱাইল্ড', ৰঞ্জু হাজৰিকা ৰচিত বা তেওঁৰ দ্বাৰা অনূদিত ভৌতিক আৰু ৰহস্য উপন্যাসসমূহ আদি। ইয়াৰ উপৰি সাধাৰণ জ্ঞান তথা বিজ্ঞানৰ পুথি কিছুমানো পঢ়িলোঁ। এই কিতাপবোৰৰ জৰিয়তে মই ইমানেই প্ৰভাৱিত হৈছিলোঁ আৰু মোৰো এদিন কিবা লিখিবলৈ মন গৈছিল। মই মনৰ দৃঢ়তা লৈ লিখিবলৈ আৰম্ভ কৰিলোঁ। মই কিন্তু নাজানিছিলোঁ যে ইয়ে হ'ব এক ডাঙৰ সফলতা। এদিন মোৰ লিখাখিনি এখন ৰহস্য উপন্যাসত পৰিণত হৈছিল। ইয়াৰ বাবে মোক সকলোৱে যথেষ্ট প্ৰশংসা কৰাৰ উপৰি আগুৱাই যাবলৈ উৎসাহ যোগাইছিল। বৰ্তমান মোৰ এই উপন্যাসখন প্ৰকাশৰ পথত।

এই সকলোখিনিৰে পৰা এখন সঠিক ৰুটিন প্ৰস্তুত হ'ল তথা বৌদ্ধিক বিকাশ সাধন হ'ল। ইয়াৰ পৰা মই এটা কথাই গভীৰভাৱে উপলব্ধি কৰিলোঁ যে মনোবল ঘূৰাই পাবলৈ বা যিকোনো অসুবিধা বা প্ৰতিকূল পৰিবেশৰ সন্মুখত থিয় হৈ থাকিবলৈ আটাইতকৈ দৰকাৰী হ'ল ইতিবাচক চিন্তাধাৰা, সেইবাবেইতো কোৱা হয়—"Always be positive." ❖

## কৌতুক



এদিন নিশা দুজন মূৰ্খই আকাশলৈ চাই খোজ কাঢ়ি আছিল।

প্ৰথম মূৰ্খ (থৰ লাগি আকাশলৈ চাই) : সেইটো সূৰ্য্য নে চন্দ্ৰ?

দ্বিতীয় মূৰ্খ : মই নাজানো। এতিয়া ব'লা ৰাস্তাত কাৰোবাক লগ পালে সুধিম।

প্ৰথম মূৰ্খ (মানুহ এজনক লগ পোৱাত) : সেইটো সূৰ্য্য নে চন্দ্ৰ?

ব্যক্তি : মই নাজানো।

প্ৰথম মূৰ্খ : কি?

ব্যক্তি : কাৰণ মই এই ঠাইলৈ নতুনকৈহে আহিছোঁ।

**সংগ্ৰহ : নবোৎপল শৰ্মা**
সপ্তম শ্ৰেণী

# ভগৱানলৈ

■ সংযুক্তা কাকতি
দশম শ্ৰেণী



খবৰটো মোৰ এতিয়াও বিশ্বাস হোৱা নাই। মায়ে খবৰটো দি থৈ যোৱাৰ পাছতো কিমান সময় মই সন্মুখৰ খালী বেৰখনলৈ চাই থাকিলোঁ ক'ব নোৱাৰোঁ। মানুহো আমাৰ মাজৰ পৰা এনেকৈ নাইকিয়া হৈ যায়নে !

"আমাৰ কাষৰ ঘৰটোত থকা যে ককাজন, তেওঁ ঢুকাল। ক'ভিড পজিটিভ আছিল।" মায়ে কৈ যোৱা এই কথাকেইযাৰ মোৰ কাণত এতিয়াও বাজি আছে। সেই যে ককাজন ! সদায় যে তেওঁৰ বাবে পৰিয়ালৰ মানুহে বাৰাণ্ডাত এখন চকী পাৰি থয়, যিখন চকীত বহি তেওঁ সদায় খবৰ কাগজ পঢ়িছিল, জাৰকালি সুমথিৰাৰ বাকলি গুচাই খাইছিল, ৰাস্তাৰে কোনোবা চিনাকি মানুহ পাৰ হৈ গ'লেই চকীখনৰ পৰাই মাত দিছিল, "অই হৰেন, এইফালে আহ।" সেই চকীখন যে আজি খালী হৈ থাকিব মোৰ বিশ্বাস কৰিবলৈ টান লাগিল। পৰ্দাখন মেলি খালী চকীখন চাবলৈ মোৰ মন নগ'ল, সাহসো নহ'ল। আন হাজাৰজনৰ দৰে এই ককাজনো চিকাৰ হ'ল ক'ভিড নামৰ নিষ্ঠুৰ অসুৰটোৰ। কথাবোৰ ভাবি

থাকোঁতে এক অজান ভয়ে মোৰ মনটো আবৰি ধৰিলে।

হে ভগৱান...তুমি এইবোৰ কি ধৰণৰ লীলা-খেলা আৰম্ভ কৰিছা? কিয় হাজাৰ-বিজাৰ মানুহৰ মুখৰ হাঁহিটুকুৰা আঁজুৰি লৈ গৈছা? লৈ গৈছা কাৰোবাৰ বুকুৰ উত্তাপ, আপোনৰো আপোনজনক। কান্দি কান্দি মানুহ ভাগৰি পৰিছে। শূন্য হৈ পৰিছে ঘৰবোৰ, ভৰ্তি হৈ পৰিছে চিকিৎসালয়বোৰ। এইবোৰ তুমি গম পোৱানে? ভগৱান, নিষ্ঠুৰক দমন কৰিবলৈ, চয়তানক শাস্তি বিহিবলৈহে তোমাৰ আৱিৰ্ভাৱ হৈছিল। তেনেহ'লে আমাৰ ঘৰৰ কাষৰ ককাজনে, পিতৃ-মাতৃ দুয়োকে ক'ভিডত হেৰুৱাই কান্দি কান্দি চকু উখহোৱা শিশুগৰাকীয়ে তোমাৰ কি হানি কৰিছিল? ভগৱান, তোমাৰ গণনাত ক'ৰবাত ভুল হ'ল নেকি বাৰু?

হে ভগৱান... মাজে মাজে মোৰ কি ভাব হয় জানা? তুমি যেন আমাৰ পৰীক্ষা লৈছা! মানুহ নামৰ আমিবোৰ যেন অলপ বেছিয়েই অহংকাৰী হৈ উঠিছিলোঁ, এইখন পৃথিৱীত যেন আমাৰ অধিকাৰবোধৰ ভাব বেছি হৈছিল। ভগৱান, তাৰেই পৰিণাম নেকি বাৰু এই অগ্নিপৰীক্ষাস্বৰূপ শাস্তি ক'ভিড মহামাৰী?

হে ভগৱান... বৰ্তমান সময়ত আমাৰ চৌদিশে বতাহত ভাহি থকা অদৃশ্য ভাইৰাছবিধৰ পৰা হাত সাৰিবলৈ আমি যিদৰে ভয়ত বিতত হৈ আছোঁ, সুউচ্চ পাহাৰখনৰো বাৰু তেতিয়া একেই ভাব হৈছিল নেকি যেতিয়া অসংখ্য গছ-গছনি, সেউজীয়া ঘাঁহে আবৰি ৰখা শৰীৰটিক আঘাত হানিবলৈ চৌপাশৰ পৰা আধুনিক যন্ত্ৰপাতিৰে সজ্জিত হাজাৰ হাজাৰ মানুহ আগ বাঢ়ি আহিছিল! তেনেহ'লে আমি পাহাৰখনৰ দুখ কিয় নুবুজিলোঁ বাৰু? ক'ৰোনা যদি আমাৰ শৰীৰত অনুমতি অবিহনে প্ৰৱেশ কৰাত আজি সমগ্ৰ বিশ্ববাসী ভেকচিন প্ৰস্তুত কৰাত ব্যস্ত, তেতিয়াহ'লে প্ৰকৃতিৰ গাত হাত দিবলৈতো ই আমাক অনুমতি প্ৰদান কৰা নাছিল! নে প্ৰকৃতিৰ ভুল এয়ে যে মানুহ মৰা ভেকচিন তৈয়াৰ কৰিবলৈ প্ৰকৃতি অপাৰগ?

হে ভগৱান... এইখন পৃথিৱীত কিয় বাৰু আমি মাথোঁ আমাৰেই অন্তৰ আছে, আমিয়েই অনুভৱশীল, আমিয়েই কান্দো আদি সিদ্ধান্তত উপনীত হ'লোঁ? অইন প্ৰাণীবোৰক কিয় মূল্য নিদিয়া হ'লোঁ? অন্তৰ থকা আমিবোৰে কিয় এইখন জগতত নিজৰ একছত্ৰী সাম্ৰাজ্যৰ আধিপত্য বিস্তাৰ কৰাৰ প্ৰতিযোগিতাত ব্ৰতী হ'লোঁ? সেয়ে নেকি তুমি সমগ্ৰ জগতৰ বিক্ষোভৰ আকাৰত ক'ভিডৰ সৃষ্টি কৰিলা? এয়া বাৰু তোমাৰ খঙৰ পৰিণতি নেকি?

হে ভগৱান... আমি মানুহবোৰে ইজনে সিজনৰ মূল্য বুজাত অপাৰগ হ'লোঁ নেকি? এতিয়াও যে আমাৰ মাজত জাতি-ধৰ্ম-ভাষাক লৈ কাজিয়া হৈয়ে আছে। দেশে দেশে যুদ্ধ চলিয়েই আছে। মাৰণাস্ত্ৰ যে সৃষ্টি হৈয়ে আছে। সেয়েহে তুমি বাৰু অসন্তুষ্ট হ'লা নেকি? এয়ে সেই ক'ভিড সৃষ্টিৰ কাৰণ নেকি?

হে ভগৱান... আমি জীৱশ্ৰেষ্ঠ(?) মানুহে তোমাৰ পৰা চাগৈ বেছি বিচাৰিলোঁ। আমাৰ ভুল হৈছিল, ভগৱান। মানুহে এই কথা স্বীকাৰ কৰিছে। তোমাৰ এই অগ্নিপৰীক্ষা সেয়ে এতিয়া শেষ হওক। তোমাৰ ওচৰত মোৰ এয়ে প্ৰাৰ্থনা। বৰ্তমান সময়ত এই কথাখিনি লিখি থাকোঁতে কোনোৱে কোৱা এষাৰ উক্তিয়ে মোৰ মনলৈ আহিছে, "হে ভগৱান... যদি এইখন জগতত তোমাৰ অস্তিত্ব সঁচাকৈয়ে আছে, অনুগ্ৰহ কৰি আমাৰ পৰা আৰু একো কাঢ়ি নিনিবা, আমাক আৰু একো নিদিবা।" ❖

# অৰ্গল

■ সংস্থিতা শৰ্মা
**দশম শ্ৰেণী**

(১)

মেইলটো পঢ়ি অলপ সময় মৌন হৈ ৰ'লোঁ। চকুৰ আগেদি একেলগে কেইবাখনো মুখ পাৰ হৈ গ'ল। হঠাৎ স্মৃতিবোৰে যেন কোঙা কৰি পেলাইছে। কিমান বছৰ আগৰ কথা হ'ব বাৰু ! হ'ল চাগে' কেইবছৰমান ! এইকেইটা বছৰতে মই ইমান বেছি দূৰ আগুৱাই আহিলোঁ যে পিছলৈ ঘূৰি চোৱাৰ এবাৰো প্ৰয়োজনেই অনুভৱ নকৰিলোঁ। আজি পিছলৈ ঘূৰি চাই নিজকে পথভ্ৰষ্ট যেন লাগিল। মেইলটো আকৌ এবাৰ পঢ়ি লেপটপটো ধমকৈ বন্ধ কৰি বাহিৰলৈ ওলাই আহিলোঁ। কথাবোৰ মনত পৰিছে আজি। বহুত কথাই মনত পৰিছে। কথাবোৰে কোনোবা এদিন মনতে দোলা দি যায়গৈ। কেতিয়াবা মনত পৰে। আকৌ পাহৰি যাওঁ। পিছে সম্পূৰ্ণকৈ মচ নাখায়। কেইবছৰমান আগতে ক'ৰবাত পঢ়া মোৰ আজি মনত পৰিছে, "স্মৃতিবোৰ এনেকুৱাই, বিচ্ছেদৰ পিছতো লগ এৰা নিদিয়ে !" কাষৰ ৰুমটোত কোনোবাই ডাঙৰ ডাঙৰকৈ গান বজাইছে,

Let me go passing by
Let me go come back in time
Let me be who I am
All through this time...

(২)

"অ'ই, তোৰ উঠিবলৈ হোৱা নাই হ'বলা? স্কুললৈ নাযাৱ? তহঁতৰ বয়সত আমি ৰাতিপুৱা উঠি মাক সহায় কৰি দিছিলোঁ। তাৰ পিছতো অলপ সময় পঢ়ি, সময়মতে স্কুললৈ গৈ ওলাইছিলোঁ। তোৰ এতিয়াও উঠিবৰেই হোৱা নাই?"

কথাখিনি মুখস্থ হৈ গৈছিল। সদায় একেখিনিয়ে কথা। দাড়ি-কমাৰ পাৰ্থক্যও নাই। সদায় এখন নাটক। ৰাতিপুৱাবোৰ এনেকুৱাই আছিল। জগাবলৈ এলাৰ্মৰ প্ৰয়োজনো নাছিল, ব্যৱহাৰো নাছিল। বাথৰুমত সোমোৱাৰ পৰা বাছত উঠালৈ, ঘৰত কাৰো শান্তি নাই। বাছৰ সময়খিনিও জানো কম ভাল লগা আছিল? নিৰ্দিষ্ট ছিটটোত বহি আগদিনাৰ কথাবোৰ ডাঙৰ ডাঙৰকৈ চিঞৰি কোৱাটোও জানো কম আমেজৰ কথা আছিল? এটা ছিটত তিনিজনকৈ বহি, থিয় হৈ যোৱাজনৰ বেগটো হাতত লৈ এপেকেট চিপ্‌ছেই সকলোৰে ভগাই খোৱাৰ দৰে, ক'ত পাম ইমান সৰলতা?

বাছৰ শেষৰ ছিটটো জানো কেৱল এটা ছিট আছিল? অত বছৰে এই ছিটটোৰেই জানো কঢ়িয়াই লৈ ফুৰা নাই বন্ধুত্বৰ চিনবোৰ? বাছৰ হেণ্ডিমেন, ড্ৰাইভাৰ দাদায়েই জানো খতিয়ান দি অহা নাই প্ৰতিজন শিশুৰে বাছৰ প্ৰথম দিনটোৰ? সময়খিনি বৰ মধুৰ আছিল। অড-ইভেনৰ গেমবোৰ, গানৰ এটা কলি বা গিটাৰৰ কোনো এটা সুৰেই সময়বোৰ কৰিছিল মধুৰৰ পৰা মধুৰতম। বন্ধুত্ববোৰ গাঢ়তৰ।

সহজ নাছিল। জটিলো কোনো নাছিল। ক্লাছৰ মাজত কোনে কাৰ টিফিন খাব, বিৰতিত কোন কাৰ লগত কেণ্টিনলৈ যাব, এটা ক্লাছ শেষ হোৱাৰ পিছতেই কোন কাৰ লগত বাথৰুমলৈ যাব, শনিবৰীয়া ক্লাছটোৰ পিছত শেষৰ বেঞ্চখনত কোন বহিব, কোনে সন্মুখত বহি ক্ৰিকেট-ফুটবলৰ খেলা চাব, মুকলি মঞ্চত প্ৰিয়জনলৈ চাই কোনে কেনেদৰে বেয়া লগা ভাষণবোৰ পাৰ কৰিব তাৰ হিচাপ কোনো অংকৰ ফৰ্মূলাতকৈ সহজ নাছিল। যি ধূলিয়ে-বালিয়ে পৰি বন্ধুত্বৰ পাঠ শিকিলোঁ, সেই একেখিনি ধূলিয়েই জানো সামৰি লোৱা নাছিল ক্লাছ ছিক্সত ছেকচ্ন সলনি হওঁতে কন্দা চকুপানীখিনি?

(৩)

সেই সময়খিনি আছিল ভাল লগা। পোৱা-নোপোৱাৰ হিচাপ কোনেও কৰা নাছিল। সম্পৰ্কবোৰ সৰল আছিল। ফিল্ডৰ ধূলিত বাগৰি ক'লা জোতা বগা আৰু বগা মোজা ক'লা কৰি দিছিলোঁ। অহ! মোৰ জোতাযোৰ! জোতাযোৰচোন মোৰ বৰ মৰমৰ আছিল। আজিও চাগে ক'ৰবাত ধূলিত পোত গৈ আছে। আৰু মোৰ ইউনিফৰ্মযোৰ! নীলা ইউনিফৰ্মযোৰ পিন্ধিলে হেনো আমাক এজাক নীলা চৰাই যেন লাগিছিল। স্কুললৈ অহা ডাঙৰ ডাঙৰ মানুহবোৰে কৈছিল। এতিয়াও মনত আছে। সঁচাই চাগে এজাক চৰায়েই আছিলোঁ আমি। ভালদৰে পাখি গজাত ওপৰলৈ উৰি আহিলোঁ। ওপৰলৈ উৰাৰ হেঁপাহ ইমানেই বেছি হৈছিল যে এতিয়া আমি বাকৰুদ্ধ! অসহায়! অকলশৰীয়া! চৰাইজাকৰ ঠিকনা এতিয়া বেলেগ বেলেগ। ভিৰৰ মাজত সোমাই পৰিছে সকলো। চৰাইজাকৰ মাজত কোনোবাই যেন ৰিঙিয়াই গাব বিচাৰিছে,

"থাম যা জিন্দেগী, লাম্বি দৌৰ হেই
থাক জায়েগী তু, আব মঞ্জিল দূৰ হেই!"
ৰৈ যা সময়,
ৰৈ যা।
আৰু আগ নাবাঢ়িবি।
মোক ঘূৰি যাবলৈ দে
মাথোঁ এবাৰ মোক ঘূৰি যাবলৈ দে,
চিৰকাল হে ৰ'ম মই
দশম শ্ৰেণীৰ শিক্ষাৰ্থী হৈ।

(৪)

সূৰ্য্যাস্তবোৰ সঁচাই ধুনীয়া—সেয়া জন্মভূমি অসমৰ পৰাই হওক বা জন্মভূমিৰ পৰা হাজাৰ মাইল আঁতৰৰ টেক্সাছ চহৰৰ সুবৃহৎ অট্টালিকাৰ পৰায়ে নহওক কিয়! আজিৰ এই সূৰ্য্যাস্তটো যেন বৰ কৰুণ। হাতৰ কফিকাপ শেষ হৈছিল তেতিয়ালৈ। মই ভিতৰলৈ সোমাই আহিলোঁ। ৰুমৰ এটা চুকত পৰি ৰোৱা সেই বাকচটো উলিয়াই আনিলোঁ। সৰু বাকচ। কিন্তু বিশেষ। বাকচটো লৈ আহিছিলোঁ যদিও কেতিয়াবা খুলি যে চাম সেয়া ভবা নাছিলোঁ। কিন্তু আজি মনত পৰিছে। মূৰত হাজাৰ চিন্তাৰ বা-মাৰলি। লাইব্ৰেৰি, লেবৰেটৰিলৈ জুম বান্ধি যোৱা খোজকেইটালৈ আজি বৰকৈ মনত পৰিছে। মেদেলুৱাৰ তলৰ আড্ডাবোৰে আজি যেন মোক হাত বাউলি মাতিছে। ফেয়াৰৱেলত বজোৱা গিটাৰৰ সেই কৰুণ সুৰটোৱে মনত পেলাইছে আজি বিষাদ কিমান ভিতৰলৈ শিপাব পাৰে। গীত-মাতৰ গধূলিৰ দিনকেইটাই যেন মোৰ ফালে চাই হাঁহিছে। বাখৰ, অন্বেষণ, প্ৰভাতৰ পাতত ৰচা সপোনবোৰে মোক মনত পেলাই দিলে হাতে লিখা আলোচনীৰ দিনকেইটালৈ।

লাহেকৈ বাকচটোৰ পৰা উলিয়াই আনিলোঁ মোৰ সেই দুবিধ সম্পদ। স্কুলৰ শেষৰ দিনটোৰ কেইখনমান ফট'গ্ৰাফ। আৰু! আৰু মোৰ ১২ বছৰীয়া স্কুলীয়া জীৱনৰ খতিয়ান দিয়া সেই বিশেষ ডায়েৰীখন। ন'টবুকখন। মোৰ মেম'খন!

লগৰীয়াবোৰে ৰঙা-নীলা আখৰেৰে লিখা স্মৃতিবোৰ যেন প্ৰাণ পাই উঠিছে। চকুৰ সমুখত ভাহি আহিছে লগৰীয়াৰ সৈতে খোজত খোজ মিলাই স্কুললৈ সোমাই যোৱা এজাক নীলা চৰাই। এৰি অহা সময়খিনিলৈ ঘূৰি যাবলৈ এক তীব্ৰ তাড়না অনুভৱ কৰিলোঁ। এই অনুভৱ যেন কিছু সুকীয়া। অলপ বিষাদপূৰ্ণ। অথচ ভাল লগা।

পশ্চিমত তেতিয়ালৈ বেলি লহিয়াইছিল।

(৫)

"অজাবিয়ে আমাক কি দিলে বা কি নিদিলে সেয়া ক'বলৈ নাযাওঁ। এই স্কুলখনতেই জীৱনৰ আদিপাঠ শিকিছিলোঁ, সেয়া জীৱনৰ শেষৰ দিনটোলৈ মনত থাকিব। অসীম ছাৰ, কবিতা বাইদেউ, সোণালী বাইদেউ, সীমান্ত ছাৰেই হওক বা অলকা বাইদেউ, ৰীতা বাইদেৱেই হওক, অথবা আলি দা, ফুলা দা বা ডাঙৰ বাইদেৱেই নহওক কিয়, অজাবিয়ে কিবা বেলেগ দিয়ক-নিদিয়ক, ঘৰৰ পৰা আঁতৰততো এখন ঘৰ দিছে। আখৰ লিখিবলৈ শিকিছিলোঁ এইখন স্কুলতে, আজি নিজে নিজৰ বক্তৃতা ৰেডি কৰি আনিব পৰা হৈছোঁ। অনবৰতে আগুৰি থকা লগৰবোৰৰ লগত পাৰ কৰা

সময়বোৰো যে এটা মাদকতা, সেয়া আজি ভালদৰেই বুজি পাইছোঁ। বা-বা বুলি মাতি ভাইটি-ভণ্টিবোৰেও এক নতুন অনুভৱ দিছিল। জুম বান্ধি 'জেং' লাগিব যোৱা আৰু তাৰ পাছত সেই একেই আগৰ দৰে হাঁহি-মাতি কথা পতা, মুকলি মঞ্চত বহি কিৰীলি পৰা আৰু ভালকৈ এজাউৰি খোৱা, ইচ্ছা কৰিয়েই বাথৰুমৰ পৰা দেৰিকৈ আহি ক্লাছৰ বাহিৰত থিয় হৈ থকা, এই ধেমালিবোৰেইতো আমাক জীয়াই ৰাখিছে। জীৱনটো উপভোগ কৰাৰ এইকণেইতো সময়, কৃপণালিনো কিয় কৰোঁ। তহঁতক মিছ কৰিম বুলি ক'লেও হয়তো কম হ'ব, কণ্টেক্টত থাকিবি। লগ হ'ম সোনকালেই।"

কোনে কৈছিল মনত নাই। কন্দুৱাই দিছিল। মুকলি মঞ্চত বিৰাজ কৰিছিল এক অদ্ভুত নিৰৱতা। কাষত বহি থকা লগৰজনৰ চকুলৈও চাব নোৱৰা হৈছিলোঁ। খুব সম্ভৱ বিনয় ছাৰে কৈছিল তাৰ পিছত। ছাৰৰ মুখলৈ চাব পৰা নাছিলোঁ। হুকহুকাই, চিঞৰি চিঞৰি কান্দিবলৈ মন গৈছিল। মনটোৱে মানি ল'বলৈ টান পাইছিল যে আজিয়েই শেষ। কৰিড'ৰত দীঘল দীঘল চিঞৰ মাৰি দৌৰি, জঁপিয়াই থাকিবলৈ হয়তো আৰু নাপাম। মুকলি মঞ্চত তৰ্ক, কুইজে আমনি নিদিয়ে আৰু আমাক। দিৰসবোৰো পাতিবলৈ নাপাম। অসীম ছাৰৰ উদাত্ত কণ্ঠেৰে যুদ্ধৰ বৰ্ণনা, ভাস্কৰ ছাৰৰ গান, চন্দনা বাইদেউ, অপৰ্ণা বাইদেউৰ ৰসাল কথাৰ বৰ্ণনা আৰু হয়তো শুনিবলৈ নাপাওঁ। এতিয়া যোৱাৰ পৰা এটা টিফিনত আঠখন হাতৰ হেতা-ওপৰা আৰু খিলখিল হাঁহিৰ শব্দ! পুনৰ কেতিয়াবা শুনিবলৈ পামনে? হাঁহিবোৰ একেই থাকিব জানো? নে যান্ত্রিকভাৱে এক কঠিন বৰ্মই উশাহ ল'ব নোৱৰাকৈ হেঁচি ৰাখিব আমাক?

(৬)

ফেয়াৰৱেলৰ দিনা চকুপানীৰে তিয়াই দিয়া কান্ধখন আজি কাষত নাই। "Best friends forever"ৰ ৱাটছ্এপ গ্ৰুপটো? কাষতচোন আজি নাই কোনো। চক্ৰবেহু এটাৰ ভিতৰত যেন সোমাই পৰিছোঁ আমি। বকুলৰ মালা গাঁথি জুৰি বাইদেউৰ পিছে পিছে দৌৰি ফুৰা আমিবোৰ যেন সঁচাই বহুত সলনি হৈ গ'লোঁ। সেই সময়বোৰ! সেই সময়বোৰ সঁচাই বৰ ভাল লগা আছিল। বৰ মধুৰ। মেইলটোৱে আজি বহুত কথাই মনত পেলাই দিলে। এদিনতে পেলাই থৈ গ'ল মোক স্মৃতিৰ গভীৰ সাগৰ এখনত। সময়বোৰ আকৌ এবাৰ জীয়াই চাবলৈ মোৰ তাগিদা আজি ইমানেই বেছিকৈ অনুভৱ কৰিছোঁ যে বিশেষ একো নভবাকৈয়ে সিদ্ধান্ত লৈ পেলাইছোঁ যে মই যাম। অহা মাহত হ'বলগীয়া আমাৰ বেটছটোৰ ৰি ইউনিয়নলৈ মই যাম। লগ হ'ম সকলো। আকৌ এবাৰ উভতি যাম জীৱনৰ আটাইতকৈ ভাল লগা সময়খিনিলৈ। একেলগে। ব্লু টুথত উচ্চস্বৰত বাজি উঠিছে ৰিজ খালিফাৰ আটাইতকৈ পপুলাৰ গান—

"It's been a long day, without you my friend


And I'll tell you all about it when I see you again !"

(৭)

মই জানো, সময়বোৰ ঘূৰি নাহে, স্মৃতিবোৰ আহিব। সময়বোৰ ঘূৰায়ো নাপাওঁ, কিন্তু সিহঁতবোৰক পাম যিয়ে জীয়াই তুলিছিল সেই সময়বোৰ। সিহঁতবোৰক পাম যাৰ পৰা শিকিছিলোঁ জীৱনক ভাল পাবলৈ। জীৱন কি নজনাকৈয়ে জীৱনৰ কেইবাটাও পাঠ শিকাই দিয়া সিহঁতবোৰক লগ পাম। মই যাম। সকলো যাব। কঠিন বৰ্মৰ অৰ্গল খুলি ওলাই আহিম সকলো। স্কুলৰ ফিল্ডত মেদেলুৱাৰ তলত কিৰীলি পাৰিম। কোনোবাই নিশ্চয় চিঞৰিব, Once an AJBian forever an AJBian বুলি। অজাবিৰ বাকৰিত পুনৰ উৰিব এজাক চৰাই। যান্ত্রিকতাৰ পৰা বহুত দূৰৈত খোল খাব চক্ৰবেহুৰ অৰ্গল। কোনোবাই গান বজাব। কোনোবাই চিঞৰিব জিন্দেগী না মিলেগি দোবাৰা। কোনোবাই চিনাকি কৰিড'ৰত দৌৰি দৌৰি মনত পেলাব বৰা বাইদেউৰ এছাৰিৰ কোব। জাহ্নবী বাইদেউৰ ৰুমৰ সন্মুখত বৈ কোনোবাই হয়তো চকুপানীও টুকিব। আঁতৰৰ পৰা কোনোবাই চিঞৰিব কাবাদ্দী, কাবাদ্দী... ❖

# कृष्ण चंदर

**■ रागिणी संस्कृति बर्मन**
**सातवीं कक्षा**



कृष्ण चंदर हिन्दी और उर्दू साहित्य के जाने-माने साहित्यिक थे। आधुनिक भारतीय साहित्य के जिन लेखकों ने अंतर्राष्ट्रीय ख्याति और सम्मान लाभ किये हैं उन लोगों में से कृष्ण चंदर भी अन्तयम है। उनकी कृतियाँ विश्व के विभिन्न भाषाओं में लगभग 16 भारतीय भाषाओं में अनुदित हुई है।

प्रख्यात लेखक कृष्ण चंदर का जन्म सन् 1914 के 23 नवम्बर में राजस्थान के भरतपुर में हुआ था। उनकी प्राथमिक और माध्यमिक शिक्षा पुंच में हुई थी। बाद में अपने परिवार के साथ वे पंजाब के लाहोर में गये और लाहोर विश्वविद्यालय में उन्होंने अंग्रेजी में एम. ए. की वहाँ से ही एल. एल. वी भी पास की थी। उनके पिता गौरी शंकर पुंच के महाराजा के चिकित्सक थे। लाहोर के फॉरमन क्रिस्चियन कॉलेज में पढ़ते समय उनकी मुलाकात क्रांतिकारी भगत सिंह के साथियों से हुआ था। छात्रावस्था में ही उनकी कहानियों का संग्रह 'ख्याल', 'नज़्ज़ारे' और 'नगमे की मौत' प्रकाशित हुए थे। शुरू से ही वे प्रगतिशील साहित्यिक आन्दोलन से जुड़े हुए थे तथा सन् 1938 में कोलकाता में आयोजित अखिल भारतीय प्रगतिशील लेखक संघ के सम्मेलन में प्रतिनिधित्व भी किया था। उनको सन् 1939 में ऑल इंडिया रेडियों लाहोर में प्रोगॉम अस्सिटेंट की नौकरी मिली थी। बाद में वे इस नौकरी छोड़ कर पुणे चले गए और उधर शालिमार फिल्म कंपनी में काम किये।

कृष्ण चंदर की हिंदी और उर्दू भाषाओं में लगभग 46 उपन्यास और 30 से ज्यादा कहानी संग्रह, 15-20 नाटक प्रकाशित हुए हैं। 'एक गधे की आत्मकथा', 'अन्नदाता', 'गद्दर', 'जामुन का पेड़', 'मिट्टी के सनम', 'जब खेत जागी' आदि उल्लेखनीय कृतियाँ हैं। कृष्ण चंदर के साहित्य में रंगा-गंगी, नाजगी, रूमानियन, वास्तविकता, विद्रोह, हास्य और व्यंग सभी कुछ देखने को मिलता है। कृष्ण चंदर ने अपनी कहानियों और उपन्यासों के माध्यम से प्रगतिशील साहित्य का नेतृत्व किया और विश्व मंच तक पहुँचाया। सन् 1966 में कृष्ण चंदर को सोवियत लैड नेहरू पुरस्कार से नवाजा गया और इसके साथ 15 दिन के लिए सोवियत यूनियन के दौरे का आमंत्रण मिला। 1969 में उन्हें 'पद्मभूषण' सम्मान से सम्मानित किया गया।

सन् 1977, 8 मार्च को इन महान लेखक ने इस दुनिया को अलविदा कह दिया। ❖

# आधुनिक मीरा : महादेवी वर्मा

■ जिया भार्गव
आठवीं कक्षा




महादेवी वर्मा जी का जन्म 26 मार्च, 1907 ई. में उत्तर प्रदेश के फरूखाबाद नामक जनपद में हुआ था। हिन्दी साहित्य में उनके अपरिसीम योगदान के कारण उन्हें हमेशा याद किया जाता है।

उनके पिता थे गोविन्द प्रसाद और माता थी हेमरानी देवी जो एक विदूषी महिला थी। माता से रामायण-महाभारत की कथा सुनकर उन्हें साहित्य के प्रति आग्रह जन्मे और कविता लिखना शुरू किये।

महादेवी वर्मा हिन्दी भाषा को लेकर हमेशा सजग थी। वे हिन्दी भाषा एवं साहित्य के उन्नति के लिए हमेशा काम करती थी। निम्नलिखित कथन से यह बात अधिक स्पष्ट हो उठती है। उन्होंने कहा था-

''हिन्दी भाषा के साथ हमारी अस्मिता जुड़ी हुई है। हिन्दी भाषा हमारे देश की संस्कृति और हमारी राष्ट्रीय एकता की संवाहिका है।''

हिन्दी साहित्य रचना करने वाले प्रमुख लेखकों में एक है महादेवी वर्मा। महादेवी वर्मा हिन्दी साहित्य की छायावादी युमीन कवयित्री हैं। छायावादी हिन्दी साहित्य के रोमांचित उत्थान की वह काव्य-धारा है, जहाँ नारीप्रेम, प्रकृतिप्रेम, मानवीकरण, सांस्कृतिक जागरण आदि विशेषताएँ मिलती हैं। सूर्यकान्त त्रिपाठी निराला, जयंशकर प्रसाद, सुमित्रानंदन पंत और महादेवी वर्मा को छायावाद के चार स्तम्भ कहा जाता है।

महादेवी वर्माजी ने स्वतंत्रता के पूर्व का और स्वतंत्रता के बाद के भारतवर्ष को देखा है। उनकी काव्य-कृतियाँ में भी भारतीय समाज की एक झलक दिखायी देती है। उन्होंने पहले साहित्य ब्रजभाषा में लिखे थे और बाद में खड़ीबोली में लिखकर प्रसिद्धि हासिल की थी। वे एक उपन्यासकार, कवयित्री, लघुकथा लेखिका थी। उनकी छायावाद के पाँच किताबें है- 'नीहार' (1930), 'रश्मि' (1932), 'नीरजा' (1934), 'सांध्यगीत' (1936) और 'यामा' (1940)। उन्होंने 'यामा' नामक किताब के लिए 1982 ई. में ज्ञानपीठ पुरस्कार प्राप्त की थी। उनकी दीपशिखा (1942) नामक ग्रन्थ भी प्रसिद्ध है। जीवन के प्रथम भाग में उन्होंने 'चाँद पत्रिका' की सम्पादना की थी। उस समय यह मासिक पत्रिका लोकप्रिय थी। महदेवी जी 'श्रृंखला की कड़ियाँ' (1942), 'अतीत के चलचित्र' (1941), 'स्मृति की रेखांए' (1943)आदि कई रेखाचित्र लिखे थे।

महादेवी वर्मा बड़ी ही कुशल और विचित्र महिला थी। दिलचस्प बात यह है कि जब उनको उनके दुखों के बारे में पूछा गया था तब उन्होंने कहा था-

''दु:ख मेरे जीवन का ऐसा काव्य है जो सारे संसार को एक सूत्र में बाँधने की क्षमता रखता है।''

हिन्दी की इस महान लेखिका ने सबको रूलाकर 11 सितम्बर 1987 ई. में जिंदगी से अलविदा कह गयी। ❖

# उस्ताद आल्लारखा खाँ

■ अभिलेष मेधि

सातवीं कक्षा



पंजाब घराने के सर्वश्रेष्ठ तबलावादक पद्मश्री उस्ताद आल्लारखा खाँ का जन्म सन् 1919 ई. के 29 अप्रेल में जम्मु के फग्वाल गाँव के एक गरीब किशान परिवार में। हुआ था। बाकी किसानों की तरह उनके पिता हाशिम अली ने भी सोचा था कि उनके पुत्र आल्लारखा भी खेती में ही उनकी मदद करेगा, पर आल्लारखाँ को संगीत में रुचि थी। उन्होंने एक प्रसिद्ध संगीतकार होने का सपना देखा था। इसलिए पंद्रह साल की उम्र में पाठान कोट के एक नाटक कंपनी में नौकरी की हेतु दाखिला हुए। इसके बाद उन्होंने तबला शिक्षा लाभ करने के लिए पंजाब घराने के प्रसिद्ध तबलावादक उस्ताद कादिर बॉक्स के शिष्य उस्ताद लालमहम्मद खाँ के पास गये। लालमहम्मद ने भी उनकी असीम आकांक्षा देख उनको शिष्य के रूप में ग्रहण किया। शिक्षा प्राप्त करने के बाद आल्लारखाँ ने अपनी नौकरी को त्याग कर अपने जन्मभूमि गुरुदासपुर में आकर संगीत प्रचार करने के लिए एक संगीत विद्यालय की स्थापना की। परन्तु अर्थ का अभाव उनके लिए दीवार बनी। तब वे बड़े भाई के साथ लाहौर चले गए और वहाँ उस्ताद कादिर बॉक्स का शिष्यत्व ग्रहण की। कठिन परिश्रम और एकाग्र साधना से आल्लारखाँ ने भारत का एक प्रख्यात तबलावादक के रूप में प्रतिष्ठित करने के लिए सक्षम हुए। परवर्ती समय में संगीत परिचालक के रूप में बोम्बे सिनेमा जगत से जुड़ गए।

इन्होंने स्वदेश के अलावा विदेश में भी अपने तबलावादन से बहुत प्रशंसा प्राप्त की। संगीत के क्षेत्र में वे एक अतुलनीय कलाकार थे। पाखोवाज के बोल को अति सुंदरता से तबला में बजाने को इनकी विशेषता कहा जा सकता है। आल्लारखाँ एक दक्ष तबलावादक होने के साथ-साथ संगीतकार भी थे। उनका पुत्र उस्ताद जाकिर हुसैन एक प्रख्यात तबलावादक के रूप में विश्व प्रसिद्ध है। इन्हें सन् 1977 ई. में उन्हें भारत सरकार द्वारा 'पद्मश्री' उपाधि से नवाज़ा गया। सन् 2000 ई. के 3 फरवरी में इनका निधन हो गया। ❖

# शायरी

■ कोशिका भट्टाचार्य

बारहवीं कक्षा (कला)

(१)

हँसना है, रोना नहीं
पगले ! अब तो जान जा
ये मेरे प्यार है, बहाना नहीं।
कश्तियों में तैरना है
डूबना नहीं।
लाखों आये ! लाखों गये !
पर आप जैसा कोई नहीं॥

(२)

दिल में हूँ, दिमाग में नहीं
मुसाफ़िर हूँ, काफिर नहीं !
चाँदनी हूँ, अँधेरा नहीं
बस जो भी हूँ आपकी
मुलायम बाहों में
मुनासिब हूँ। ❖

# बुंदेलखण्डीय ग्रामजीवन पर आधारित उपन्यास 'इदन्नमम': एक झलक

■ उत्पल डेका
शिक्षक, हिन्दी विभाग




हिंदी उपन्यास साहित्य के जगत में मैत्रेयी पुष्पा (1944) हमेशा हर सामाजिक मुद्दें पर आवाज़ उठानेवाली एक सशक्त कथाकार है। मैत्रेयी पुष्पा ने अपनी प्रतिभा और आत्मविश्वास के बल पर हिंदी साहित्य के क्षेत्र में अपनी एक अलग पहचान बनायी। 'चिन्हार', 'गोमा हँसती है', 'ललमनियाँ तथा अन्य कहानियाँ', 'पियरी का सपना', 'प्रतिनिधि कहानियाँ', 'समग्र कहानियाँ' (कहानी संग्रह) 'बेतवा बहती रही', 'इदन्नमम', 'चाक', 'झूला नट', 'अल्मा कबूतरी', 'अगनपाखी', 'विजन', 'कही ईसुरी फाग', 'त्रिया हठ', 'गुनाह-बेगुनाह' (उपन्यास), 'कस्तुरी कुंडल बसै', 'गुड़िया भीतर गुड़िया' (आत्मकथा) 'सुनो मालिक सुनो', 'खुली खिड़कियाँ', 'चर्चा हमारा', 'आवाज़', 'तब्दील निगाहें' (स्त्री विमर्श), 'फाइटर की डायरी' (रिपोतार्ज़) आदि उनकी प्रमुख कृतियाँ हैं।

'इदन्नमम' मैत्रेयी पुष्पा का तीसरा उपन्यास है। सन् 1994 में प्रकाशित इस उपन्यास ने मैत्रेयी पुष्पा के लेखकीय व्यक्तित्व का परिचय भारतियों को करा दिया। बुंदेलखण्डीय ग्रामजीवन पर आधारित 'इदन्नमम' उपन्यास ख्यातिप्रधान रहा है। बुंदेलखण्ड प्रदेश के पर्वत-पहाड़ी इलाके के दूर-दराज में बैठे गाँवों का चित्रण 'इदन्नमम' की पृष्ठभूमि है। सोनपुरा गाँव के प्रधान महेंद्रसिंह अपने गाँव की महत्वपूर्ण प्राथमिक आवश्यकता 'अस्पताल' का निर्माण करना चाहते हैं, किंतु राजनीतिक तीकडमबाजी का शिकार होते हैं। अस्पाताल के उदघाटन समारोह के समय ही विरोधी पार्टी के लोगो द्वारा उन्हें मार दिया जाता है। उनकी हत्या के बाद उसकी पत्नी प्रेम जीजा रतन यादव के साथ भाग जाती है। टाऊन एरिया का चेयरमन रतन यादव उनके स्त्रियों को फँसाकर जमीन हड़प लेता है। रतन यादव के कहने पर प्रेम की जायदाद की इकलौती बारिस 'मंदाकिनी' को पाने के लिए 'प्रेम' अपनी सास 'बऊ' पर मुकदमा चलाती है। अपने खानदान की अंतिम निशानी 'मंदा' को बचाने के लिए बऊ अपना गाँव छोड़कर 'श्यामली गाँव' के प्रधान 'पंचमसिंह दादा' के द्वार पर पहुँच जाती है। दादा पंचमसिंह तीन भाईयों का संयुक्त परिवार गाँव के लिए आदर्श था। दादा पंचमसिंह के बेटे विक्रमसिंह का बेटा 'मकरंद' गाँव में ही शिक्षा ले रहा है। मझले भाई गोविंद सिंह खेती-बाड़ी देखते हैं। उनके बेटे यशपाल का कुसमा के साथ विवाह हुआ है। किंतु वह निसंतान होने के कारण यशपाल दूसरा विवाह करता है।

स्वतंत्रता के बाद देश के विकास के लिए अनेक पंचवार्षिक योजनाओं का निर्माण करते हुए कृषि उत्पादन


में वृद्धि आय का समुचित वितरण करते हुए, दरिद्रता निर्मुलन और नए कार्य क्षेत्र पैदा करते हुए, बेकारी दूर करना इन्हीं उद्देश्यों को पूरा करने के लिए सरकारने ग्रामीण क्षेत्र में अनेक कल-कारखाने, बाँध परियोजना, बिजली परियोजना बनायें। किंतु, कल-कारखानों के माध्यम से जमीदारी से कारखान मालिक बने। नये सामंत वर्गों ने भारतीय समाज के किसान, म जदूर, गरीब श्रमजीवी वर्ग का शोषण निरंतर जारी रखा। परिणामस्वरूप, अपनी मुक्ति के लिए हिंसा तक उतरने बाले श्रमजीवी लोगों ने अपने गणतांत्रिक देश में अपने अधिकार के लिए संघर्ष प्रारंभ किया। 'मंदा' अपने गाँव आने पर पिता का अधुरा सपना 'अस्पताल' शुरू करने के संकल्प से गाँव में प्रवेश तो करती है किंतु, गाँव की खेती केशर मालिकों और अभिलाखसिंह जैसे ठेकेदारों के हाथ में चली जाने के कारण गाँव का किसान, मजदूर बनकर अपने ही भूमि में खानाबदोश की ज़िंदगी जी रहा है। व्यथित हुई मंदा कोयले के महाराज से पारीछा गाँव की कहानी सुनती है। वहाँ के लोगों ने अपने हक के लिए जागृत होकर संघर्ष करते हुए, अपने अधिकार को प्राप्त किया था। पारीछा गाँव की कहानी सुनी अल्पशिक्षित 'मंदा' अपने गाँव में भी परिवर्तन लाने का संकल्प उठाती है और सदियों से प्राथमिक सुविधाएँ आरोग्य, शिक्षा, बिजली, जल जैसी सुविधाओं को प्राप्त करने के लिए संघर्ष खड़ा कर देती है- ''सो जागो रे जागो। चेतो रे चेतो। छोटे-बड़े, नन्हें-मत्रे, बूढ़े-पुराने, नये जवानों के अलावा ढोर-चोंपे, परेवा-पंक्षी, नदी-ताल, पेड़-रूख, हवा-पानी यहाँ तक कि दसों-दिशाओं को जगाना होगा। बचने-बचाने को जूझना होगा। अमीर-गरीब, शत्रु-मित्र को शामिल होना होगा इस यज्ञ में। समय पड़े तो समिधा-सामग्री भी बनना होगा। बात होम की है। बात आंदोलन की है।'' गाँववालों में शोषण के विरूद्ध खड़ा करते हुए




मंदा अनेक संघर्षों से गुजरते गाँव का प्रतिनिधित्व करती है। जिसमें उसे गंदी, स्वार्थी राजनीति, भ्रष्टाचार, पुलिस, सरकारी अफ़सरों कि कुनीतियों का सामना करना पड़ता है। किंतु, मंदा अपने संकल्प पर अटल रहते हुए अपने गाँव में आरोग्य, शिक्षा, बिजली जैसी सुविधाएँ लाने के लिए संघर्षशील रहती है। 'इदन्नमम' में शिक्षा समस्यापर विचार रखते हुए मैत्रेयी पुष्पा ने सोनपुरा, जैसे ग्रामों के माध्यम से शिक्षा की असुविधा और समस्याओं पर दृष्टि डाली है। साथ ही भृगुदेव के माध्यम से दलित शिक्षा समस्याएँ प्रस्तुत की है। 'मकरंद' के 'इलाहाबाद' में डाक्टरी पढ़ते समय आये अनुभवों के माध्यम से शहरी शिक्षा समस्याओं पर विचार रखते हुए शिक्षा क्षेत्र में फैली कुरीतियों पर प्रकाश डाला है। 'इदन्नमम' उपन्यास में मैत्रेयी पुष्पा ने स्वतंत्रता के बाद आधुनिकता के होड़ में लगे ग्रामीण जीवन का चित्रण करते समय गाँवों में स्थित रूढ़ी-प्रथा-परम्परा, अंधविश्वास, नारी शोषण, अवैध यौन संबंध, जातीय एवं सांप्रदायिक तनाव, किसान से मजदूर बने लोगों का जीवन, वनों से भगाये गये आदिवासी मजदूर, शोषक और गुंडाई प्रवृत्तियों, गंदी राजनीति, हत्याकांड, ज़मीन-जायदाद की हड़पनीती, चुनावी नीति, जातीय-धार्मिक, सांप्रदायिक भेदभाव, डाकूओं का आतंक, रिश्तों में उभरनेवाले तनाव, टुटते-बिखरते संयुक्त परिवार, सरकार विरूद्ध आंदोलन, प्रशासकीय भ्रष्टाचार, शिक्षा की समस्याएँ, वहाँ के लोगों की भाषा, संस्कृति का यथार्थ चित्रण करते हुए 'इदन्नमम' की कथावस्तु है। जिसमें एक अल्पशिक्षित नारी 'मंदा' परिवर्तन का मेरूदंड उठाती है और गाँव में क्रांति लाती है। इसतरह 'इदन्नमम' में बुंदेलखण्ड अंचल की स्वतन्त्रता के बाद बदलते हुए झलकियाँ प्रस्तुत करते हुए औद्योगिकरण के परिणामस्वरूप टूटते बिखरते ग्रामांचल के परिदृश्य का यथार्थ चित्रण किया है। ❖

# समकालीन सन्दर्भ में भारतेन्दु जी की बहुचर्चित नाटक अंधेर नगरी की प्रासंगिकता

■ हिमाश्री डेका
शिक्षिका, हिन्दी विभाग




'अंधेर नगरी' की रचना भारतेंदु हरिचंद्र जी ने सन् 1881 ई. में की जिसे 'प्रहसन' माना गया है। 'प्रहसन' नाटकों का एक प्रकार है जो हास्य-व्यंग्य से शुरु होता है। 'अंधेर नगरी' नाटक के अन्तर्गत छह छोटे-छोटे अंक है, जिन्हें नाटक के छह दृश्य कहा जा सकता है। यह एक व्यंग्य रचना है जिसमें विनोदपूर्ण शैली में कुशासन के दुष्परिणामों की ओर इंगित किया गया है। ऐसा राजा, जिसके शासन में कोई व्यवस्था न है, जहाँ न्याय-अन्याय में भेद न किया जाता हो, अच्छे-बुरे में कोई अन्तर न होता हो, निश्चय ही 'चौपट राजा' है और उसकी नगरी 'अंधेर नगरी' है।

इसके प्रथम अंक में एक महन्त अपने दो शिष्यों गोवर्धनदास एवं नारायणदास के साथ भजन गाते हुए प्रवेश करता है तथा लोगों को लोभ से बचने का उपदेश भी देता है। एक नगर के बाहर पड़ाव डालकर वह अपने दोनों शिष्यों को भिक्षा के लिए नगर में भेंज देता है। दूसरे अंक का प्रारंभ बाजार के दृश्य से होता है जहाँ प्रत्येक दूकानदार आवाज लगा-लगाकर अपना माल बेच रहा है। गोवर्धन को बाजार में प्रवेश करते ही पता चलता है कि यहाँ प्रत्येक वस्तु टके सेर बिक रही है। वह बड़ा प्रसन्न होता है। भरपेट मिठाई खाता है और खरीद भी लाता है और प्रसन्नता में नाचते-नाचते वह गुरु के पास पहुँच कर सारी परिस्थिति से उन्हें अवगत करता है। गुरुजी कहते हैं कि हमें ऐसी 'अंधेर-नगरी' में नहीं रहना चाहिए जहाँ 'टके सेर भाजी और टके से खाजा' बिकता हो किन्तु गोवर्धन लोभ के वशीभूत होकर रह जाता है।

नाटक के अगले दृश्य में राजा के दरबार को दिखाया गया है जहाँ राजा मदिरापान करता है, तथा अपनी मूर्खता का परिचय देता है। मंत्री उसकी चापलूसी, खुशामद एवं चमचागीरी करते हैं। राजा की मूर्खता को उजागर करना और यह निरूपित करना ही इस दृश्य का उद्देश्य है। मूर्ख राजा के पास देश का शासनभार हो तो देश का कभी भी कल्याण नहीं हो सकता।

पाँचवें दृश्य में गोवर्धनदास को उस अंधेर नगरी में मिठाई खाते और आनन्द मनाते दिखाया गया है। वह सोचता है कि मेरे गुरुजी व्यर्थ में ही मुझे यहाँ रहने से रोक रहे थे यह तो बहुत अच्छी नगरी है। तभी अचानक राजा के सैनिक आकर उसे पकड़ ले जाते हैं। तब वह विपदा में पड़ जाता है कि उसके कुछ गलती न होने के बावजूद उसे राजा के सैनिक ले गये।

एक फरियादी की बकरी दीवार के नीचे दबकर मर गई। राजा ने राजमिस्त्री को बुलवाकर फाँसी की सजा सुना दी क्योंकि उसने दीवार इतनी कमजोर क्यों बनाई। राजमिस्त्री के गले में फाँसी का फंदा डाला गया किन्तु गर्दन पतली थी, फंदा मोटा था। अत: राजा ने उसे मुक्त कर दिया और ऐसा मोटा आदमी खोजकर लाने को कहा

जिसकी गर्दन फंदे में फिट हो जाय। इसीलिए सिपाही गोवर्धनदास को पकड़ ले गए जो टके सेर की मिठाई खा–खाकर मोटा हो गया था। राजा के सैनिक द्वारा पकड़े जाने के बाद ही गोवर्धनदास को अपनी भूल का बोध होता है और गुरु की बात न मानने पर वह पश्चाताप करता है।

जब गोवर्धनदास फाँसी पर चढ़ाया जाने वाला था तभी अचानक वहाँ गुरुजी आ गए और उन्होंने चिन्तित गोवर्धनदास को इस विपत्ति से मुक्ति का उपाय बताया। तब गुरु और शिष्य दोनों दिखावा करके इस बात पर विवाद करने लगा कि फाँसी पर तुम नहीं चढ़ोगे मैं चढूँगा। इस होड़ की देखकर वहाँ राजा, मंत्री और अन्य दरबारी भी उपस्थित हो गए। होड़ को देखकर जब राजा पूछता है कि यह क्या मामला है, दोनों ही क्यों फाँसी पर चढ़ना चाहते हो, तब गुरुजी बताते हैं कि इस समय ऐसा सुयोग बन रहा है कि जो फाँसी पर चढ़ेगा वह सीधा स्वर्ग जायेगा, इसलिए हममें से प्रत्येक फाँसी पर चढ़ना चाहता हैं। मूर्ख राजा यह सुनकर स्वयं फाँसी पर चढ़ जाता है। नाटक की समाप्ति गुरुजी के इस वाक्य से होती है कि जहाँ धर्म–बुद्धि और नियम–कानून पर आधारित समाज न हो, वहाँ नहीं रहना चाहिए क्योंकि ऐसा अन्धेर नगरी में निवास करने वालों का उसी तरह विनाश होता है जैसा चौपट राजा का हुआ।

अँधेर नगरी एक उद्देश्यपूर्ण नाटक है जिसमें नाटककार ने अंग्रेजी के कुशासन का भण्डाफोड़ किया है। वे चौपट राजा की भाँति धर्मबुद्धि एवं न्याय से विहीन व्यवस्था भारत में चला रहे थे। जो राजा न्याय का रक्षक कहा जाता है वही निर्दोष को सजा दे रहा है। इस विवेकहीनता एवं अन्याय का दुष्परिणाम भी शीघ्र सामने आता है, फिर राजा अपने ही फैलाये हुए जाल में फंसकर स्वयं अपना विनाश कर लेता है। 'अंधेर नगरी' अंग्रेज सरकार के निकम्मेपन पर, उनकी अन्यायपूर्ण शासन नीति पर करारा तमाचा है। राजा मूर्ख है, बुद्धिविहीन है तथा खुशामद परन्द एवं विवेकहीन है। नाटक का एक पात्र घासीराम चूरन वाला तत्कालीन अवस्था पर किस प्रकार अपने नारे में व्यक्त करता है, इसका पता निम्न पंक्तियों से चलता है :

चूरन हाकिम सब जो खाते।<br>
सब पर दूना टिकस लगाते॥<br>
चूरन साहब लोग जो खाता।<br>
सारा हिन्द हजम कर जाता॥

इस चूरन में ऐसा हाजमा होता है कि अंग्रेज लोगों ने इसे खाकर ही सारे 'भारत देश' को हजम कर लिया। अंग्रेजों के समय किस प्रकार का शासन होता था उसका वर्णन हुआ है।

यही नहीं सरकारी कर्मचारियों में रिश्वत का बोलबाला था, जिसे वह निम्न पंक्तिया में व्यक्त करते है :

चूरन चला दाल की मण्डी।<br>
इसकी खावेंगी सब रण्डी॥<br>
चूरन अमले सब जो खावें।<br>
दूनी रिश्वत तुरत पचावें॥

अँधेर नगरी में अन्धेर इस सीमा तक बढ़ गया था कि अपराध कोई करता है और दण्ड किसी और की भुगतना पड़ता था। अंग्रेज राज में भी सही सब दिखाई देता था। अविवेकी एवं न्यायविहीन राजा की परिणति क्या होती है, यही दिखाना भारतेन्दुजी का लक्ष्य है। साथ ही यह भी सन्देश दिया है कि व्यक्ति को लोभ–लालच से दूर रहना चाहिए। अन्यथा उसे गोवद्धेनदास की भाँति मुसीबत में फंसना पड़ सकता है।

'अन्धेर नगरी' में सत्ता की विवेकहीनता, राजनीतिक व्यवस्था में पनपता भ्रष्टाचार के कारण जनता में आई जड़ता एवं शिथिलता का भी उल्लेख किया गया है। निरीह जनता को किस प्रकार ठगा जा रहा है, मूल्यों में कैसी विसंगति आई है, इसे चित्रित करना भी इस नाटक का उद्देश्य है। 'बकरी' की मृत्यु का दण्ड गोवर्द्धनदास जैसे निरीहों की कब तक मिलता रहेगा, कौन उस गोवर्द्धनदास को बचाएगा, कौन उसकी आखों पर पड़े लोभ, प्रमाद के परदे की हटाएगा–यह सोचने के लिए ये नाटक हमें बाध्य करता है। इसके लिए आवश्यकता है एक विवेकी गुरु की, तभी इस आसन्न विपत्ति से भारतीय जनता को मुक्ति मिल सकेगी। ❖

# भारतीय साहित्य में दलित विमर्श : एक नज़र

■ सुनिता बरूवा
शिक्षिका, हिन्दी विभाग

भारत एक ऐसा देश है जहाँ विविध धर्मों के लोग रहते है। यहाँ हिन्दु, मुसलमान, ईसाई, बौद्ध, जैन, पारसी, सिख जैसे कई धर्मों के लोग सदियों से निवास करते आ रहे है। पूरे देश में हिन्दुओं की संख्या सबसे अधिक है। शुरू से ही इनका वर्चस्व रहा है। बहुत प्राचीन काल से ही हिन्दूओं में जटिल वर्ण व्यवस्था प्रचलित है। यह वर्ण व्यवस्था वैदिक काल से शुरू हुई थी। उत्तर वैदिक काल आते आते इस व्यवस्था ने काफी जटिल रूप धारण कर लिया। प्राचीन वैदिक कालीन वर्ण व्यवस्था ने हिन्दु समाज को ब्राह्मण, क्षत्रिय, शुद्र और वैश्य इन चार वर्णों में विभाजित किया था। इस वर्ण व्यवस्था के अनुसार समाज में ब्राह्मण को श्रेष्ठत्व प्रदान करने के साथ साथ सामाजिक स्तर पर उन्हें प्रभावशाली बनाया गया है। फलत: समय की गति के अनुसार समाज में ब्राह्मणों का प्राधान्य बढ़ने लगा। शुद्रों को इन तीन जातियों की सेवा करने वाला सेवक माना गया। धीरे-धीरे शुद्रों में विविध जाति-उपजातियों की सृष्टि हुई। इन जाति-उपजातियों के लोगों को दलित (अछुत) माना गया। इन्हें वेदाध्ययन से भी वंचित किया गया।

वर्ण भेद की यह कुत्सित भावना ने इतना भयंकर रूप धारण किया कि निम्नवर्गों के लोगों की छाया का स्पर्श भी पाप समझा जाने लगा, ऐसे ही छुआ-छुत की भावना ने ऐसे जड़े गाड़ लिया कि निम्न जाति के लोगों को पशु से भी निम्न समझा जाने लगा। इसी तरह समाज में वर्ण-भेद की जड़े गड़ गया। और शोषण चलता गया।

आधुनिक काल में भारतीय नव जागरण के साथ निम्नवर्ग की दुरावस्था की और सुधारकों का ध्यान आकृष्ट हुआ। इस सन्दर्भ में एक ओर तो अस्पृश्यता एवं वर्णगत असमानता को दूर करने हेतु राजा राममोहन राय, दयानन्द सरस्वती, बाल गंगाधर तिलक और महात्मा गांधी जैसे विभूतियों ने समाज सुधार के प्रयत्न किये तो दूसरी ओर ज्योति वा फूले, पेरियार, नारायण गुरू तथा डॉ भीमराव अम्बेडकर जैसे दलित वर्ग की विभूतियों ने परिवर्तन का स्वर बुलन्द किया। बीसवीं शताब्दी के अन्तिम दो दशकों में विभन्न भारतीय भाषाओं के साहित्य में दलित-विमर्श तीव्रता से उभरा।

दलित विमर्श का प्रारम्भ मराठी साहित्य से हुआ, तदुपरान्त हिन्दी, गुजराती, कन्नड़, मलयालम, तेलगु व तमिल में भी दलितों द्वारा रचित साहित्य के स्वर सुनाई देने लगे। हिन्दी साहित्य में दलित विमर्श मध्यकाल में भक्ति आन्दोलन के साथ आरम्भ हुआ था। जब जातिगत संकीर्णता अपने चरम पर पहुँच गयी, निम्नवर्ग का आक्रोश उभरा।

दलित विमर्श सबसे प्रखर रूप में दलित आत्मकथाओं के रूप में सामने आया है। दलित साहित्यकारों ने अपनी ही कहानी और दलित संघर्ष को रेखांकित किया। ओमप्रकाश बाल्मीकि की 'जुठन' पहली आत्मकथा है। स्वतंत्रता प्राप्ति के बाद भी दलितों को शिक्षा प्राप्त करने के लिए जो एक लंबा संघर्ष करना पड़ा, 'जुठन' इसे गंभीरता से उठाती है।

दलित साहित्य भोगे हुए यथार्थ का धधकता हुआ प्रामाणिक दस्तावेज है। वह अनुभव की आँच पर तपकर निकला हुआ सत्य है। दलित साहित्य में दलितों के तमाम कष्ठों, यातनाओं, उपेक्षाओं, प्रताड़नाओं के भोगे हुए यथार्थ के आधार पर प्रामाणिक एवं मार्मिक अभिव्यक्ति मिलती है। दलितों का मानना है कि उनका उत्थान केवल संघर्ष के द्वारा होगा।

नि: संदेह इस देश में जातिवाद की समस्या भयावह है, जिसकी साक्षी हम सभीं है। आज दलित साहित्य में जड़ से इन जातिवाद की समस्याओं को खतम करने की शक्ति निहित है। सदियों से शोषण का शिकार दलित वर्ग संघर्षरत है कि वह भी स्वतत्रंता, समानता व सम्मान को प्राप्त कर सके। जबकि ईश्वर ने किसी के साथ भेद-भाव नहीं किया तो समाज में भेदभाव क्यों? आज दलित साहित्य सहजता की और बढ़ रहा है। समाज में शोषित वर्ग की समस्याओं को सामने लाने वाले दलित साहित्य का भविष्य उज्ज्वल है। ❖

# Oscar Awards

■ **Kripalinee Sangma**
Class VIII




The Academy Awards, popularly known as the Oscars, are awards for artistic and technical merit in the film industry. They are regarded as the most famous and prestigious awards in the entertainment industry around the world. Given annually by the Academy of Motion Picture Arts and Sciences (AMPAS), the awards are an international recognition of excellence in cinematic achievements, as assessed by the Academy's voting membership. The various category winners are awarded a copy of a golden statuette as a trophy, officially called the "Academy Award of merit", although more commonly referred to by its nickname, the "Oscar". The statuette depicts a knight rendered in the Art Deco style.

The award was originally sculpted by George Stanley from a design sketch by Cedric Gibbons. AMPAS first presented it in 1929 at a private dinner hosted by Douglas Fairbanks in the Hollywood Roosevelt Hotel in what would become known as the 1st academy Awards or Oscar Awards. The Academy Awards or Oscar Awards ceremony was first broadcasted by radio in 1930 and was televised for the first time in 1953. It is the oldest worldwide entertainment awards ceremony and is now televised live worldwide.

Traditionally, the previous year's winner for Best Actor and Best Supporting Actor present the awards for Best Actress and Best Supporting Actress, while the previous year's winners for Best Actress and Best Supporting Actress present the awards for Best Actor and Best Supporting Actor.

Parasite became the first foreign language film to win Best Picture at the February 9, 2020 award ceremony.

Because of COVID-19, Academy president David Rubin and CEO Dawn Hudson announced that for the 2021 Oscar ceremony, streaming movies not shown in theatres would be eligible, though at some point the requirement that movies be shown in theaters would return. ❖

# Rising stars of India

■ **Basudha Sanjay**
Class VIII

North-east India has always had a powerful association with sports. The place has produced a good number of players that have participated in various sports in Olympics. Olympics is an international sporting event where players participate representing their respective country. Both summer and winter Olympics are held in every four years. Winter Olympics is held after two years of summer Olympics. In 6th April, 1896 Pierre de Coubertin started the Modern Olympics. He is known as the Father of modern Olympics. The first modern Olympics were held in Athens from 6th to 15th April, 1896. There are many sports events in Olympics. Different countries around the world take part in Olympics. India first participated in the summer Olympics in Paris 1900, where the solo athlete Norman Gilbert Pritchard also known as Norman Trwor, won 2 silver medals. Since then India has been participating in summer Olympics. Rather than other sports India is known for the field of hockey. Indian men's hockey team is the most victorious



team ever in Olympics which has won eight god, one silver, three Bronze. We all know the Magician of Hockey– Major Dhyan Chand. He is known for his extraordinary control of the ball and goal-scoring feats. Dhyan Chand, Leslie Claudius, Balbhir Singh, Udham Singh etc. were the legends of Indian Hockey. Not only in the field hockey but also in boxing, wrestling, badminton, shooting and in many other sports India has produced some of the finest sportspersons. In the recent summer



Olympics, held in Tokyo, Japan 205 countries including India took part in various sports. India had sent 127 players, where 71 were men, while the remaining were women athletes. India has participated in 18 events.



Participating in various sports, many players have been able to bring glory to India. Saikhom Mirabai Chanu from Manipur has won a silver in the weighlifting women's category of 49 kg. This was the first time India won a medal on the opening day. She won the silver medal with a perfect lift of about 202 kg. After wining the medal she became the

first Indian weightlifter to win a silver medal in Olympics and second Indian weightlifter after Karnam Malleswari to win a Olympic medal. Karnam Malleswari was a woman weightlifter (caterogy 69 kg) and the first woman to win a medal at the Olympics. A prominent boxer MC Mary Kom from Manipur also competed in the Tokyo Olympics. But she wasn't able to win a medal. She competed against Ingrit Valencia from Morales, Colombia in women's flyweight (48-51 kg). Notwithstanding we are honored to have a pugilist such as her in our country. This was the second and final Olympics for MC Mary Kom




Boxer Lovlina Borgohain from our state was lionized everywhere in India especially in Assam after she secured the bronze medal at the Tokyo Olympics in the women's welterwight event (69 kg). She is the first Assamese to win a medal in Olympics. Also she became the third Indian boxer after Vijendar Singh (2008) and MC Mary Kom (2012) to win a Olympics medal.



Pusarla Venkata Sindhu or mostly known as PV Sindhu became the first Indian woman to win two individual Olympic medals in badminton after defeating He Bing Jiao from China in Tokyo Olympics 2020. In Javeline throw Neeraj Chopra from Haryana won a gold medal and became the first Indian to win a gold medal in track and field and the second Indian to win an individual gold.



In Tokyo Olympics Indian men's hockey team was able to secure a bronze medal after 41 years. Till now Indian men's hockey team has won a total of 12 Olympic



medals, where 8 are gold, 1 silver and 3 bronze. The last medal Indian hockey team won was in 1980 Moscow Olympics, where they won gold. In wrestling Ravi Kumar Dahiya won a silver medal and Bajrang Punia won a bronze medal.



We're all proud to have such talented persons in our country who inspires the young generation to achieve their goals in life. ❖

# The afflicted soul and the Scratched Wall

■ **Kaangkan Kashyap**
Class IX

Amidst the deeply chaotic state of mass hysteria, unjust affairs, and mild autocracy, Kabir stood firm behind the metallic bars of darkness. The bars of the isolated cell was so dark that, if one clasped the bars with a little hope to know about the world beyond, it would leave salty dust on your palm.

The hope hadn't died out yet. He had managed to outlive the fat, grumpy, proud rat. It died yesterday, with a swollen body and a red eye, poor thing !

A dozen books kept lying in the corner of the lonely cell with scratched walls. For a while, he hummed the tune of 'Bella Ciau'– the antifascist hymn to minimize his constant anxiety. His compulsion of jerking his right lean, hairy leg after his left one for the stinging mosquito bites stabbed his heart with a sudden pain of irritation and helplessness. Tears trickled down his flushy cheeks as the outcome of the irritation, anxiety, the lost hope.

Well, man can cry too ! A conscious mind trapped in the state of subconsciousness !

His mind flew back to the time or may be he tried hard to convert his sheer suicidical thoughts into something tender, something passionate– his unconditional love for his dear country, for its people– his source of all hope. He was perhaps seven when his mother took him by his hand to "that village" which had been deprived of its rights for ages. Unnoticed he had observed his mother addressing the people, rather a heart-to-heart talk with the people of the village in the middle of a remote forest, who had hardly seen a phase of election. Her eyes were sparkling with conviction. It wasn't a heated speech, neither a fierce one. It was the one of compassion, selfless love, hope and conviction. She hoped with them together, reminded the people in power these forgotten faces. She was a lady of utter simplicity, not much of an elegant look. In fact one might, rather, think of her as a rogue at first sight. But, she was least concerned about these. This surprisingly enigmatic woman could have lived a life of an elite, but unlike her husband, she chose to live her life differently.

Kabir ran the quivering fingers through his hair musing at the scattered bunch of books. One book read– Humiliated and Insulted by Fyodor Dostoyevsky. The other




one was Mother by Maxim Gorky. And a book of Maxim Hikmet's poetry. Another book of Arundhati Roy's Ministry of Utmost Happiness kept lying there. He was rereading this over whelming piece of work– "How to tell a shattered story ? But slowly becoming everybody. By slowly becoming everything."

He had no thirst left to lie in, this half dead world, until, if it wasn't about his love, his passion, his dear country whose democracy had been shattered and very soon undoubtedly there would be harsh and rigid laws. He didn't want another Anne Frank to live her dreaded stories caged behind. He didn't want another 'apartheid'.

Kabir picked up the old book of Dostoyevsky with crinkly, yellow pages and as he flipped through the pages he found a photo of him whose P.S. goes to his dear friend Mr. A. It was clicked in an instant of an incredible angle till his shoulder. He had his slender arm raised with a fist in the air. He might have chanted a slogan, his conviction was evident in his neck veins which stood out of his skin. In the zoomed photo if one looked very sincerely, in the background a banner read, "Any man who stands for progress... challenges every item of the old faith." An halfseen quote !

Two tender sunrays peeped into the dark room to warm up their cold son with a cosiness of motherly love. He felt it and opened his mouth gently at the end of the rays to let the warmth devour him. Alas ! The motherly warmth of the two rays didn't last longer ! He softly closed his eyes with a hopeless sigh, and the very moment some faces flashed in his heart, his comrades, who have been forced behind the bars, but unlike him they don't feel miserable, but like him, they all share a strange affinity for fighting back. The sudden alert of these faces faded into a strong ecstasy, a strong hope for winning back...

Isn't this love of him for 'her' a pure patriotic one. Yet he was jailed and tagged as a traitor, antinational for this enormous love for 'her'! OH HOPE ! brush off the ignorance and bring back the conscience of the ones who keep witnessing all this yet their mouth, eyes and ears are shut, sealed ! It reminds me of the three monkeys of Gandhis, but at the wrong issues we apply it. ❖



**ৰাগ তনয়,** প্ৰাক্-প্ৰাথমিক



**ত্রিনভ বৰুৱা,** অংকুৰ শ্ৰেণী

# New Horizon

## ■ Rudrakshee Dutta Choudhury

Class IX



Ananya was sitting on the rooftop, trying to capture every moment, every colour of the sunset on her canvas. The sky was filled with various colours from violet to yellow, from blue to black. It was adorned with the setting sun and the rising moon, like fire and ice dancing together in one frame. A flock of birds flew over Ananya's head and her thoughts drifted away to those days.

"Congratulations !"

"Wah ! See I told you they'd come." Bhargab exclaimed.

"Did you by any chance see the time before leaving ?" Ananya's mother Rubi asked her younger sister Jiya in an annoyed sarcastic tone.

"Of course, that's why we hurried here in no time. You know the bakery was almost closed, we were extremely lucky to get the cake..." Jiya responded dramatically. The room was filled with laughter and excited chatters. Many family members and friends hurried to their home after getting the news. After a lot of hard work, Bhargab finally got his dream job and it was obviously a very big reason to celebrate for an ever jolly family like theirs.

"Did you hear the thunder ? I think it's going to rain. We should get going, it's pretty late anyway..." Someone would say and everyone would agree. "C'mon, how many chances do we get to meet one another in these times ? Just sit a few more minutes." Bhargab's father would say and then everyone would get engaged in a conversation and forgot about the time.

Who knew a sudden, unexpected storm would hit them and everything would scatter into pieces...

That memory was crystal clear in Ananya's mind–

"All four of you have tested covid positive. You will have to isolate yourselves and take proper food and medicines. Please contact me if you feel like."

"Thank you for your help."

Their father hung up the phone and then looked at the hopeful faces of his children and wife. “We will have to isolate ourselves, also will have to take the medicines and check the oxygen level regularly.” Pin drop silence... “Don’t worry, you have a great doctor with you at your home after all !” He tried to smile and broke into fits of cough.

Everything after that seemed to be going so fast that it was almost a blur. The fever, the illness, their parents being hospitalized, the endless wait for the test reports, the doctor’s phone calls...

Ananya remembered teaching her elder brother how to cook rice and dal. Bhargab has become quite a good cook now, she thought fondly. The battle would have been much harder if their family and friends hadn’t stood up for them as they did. She always thought that her family was close knit, but never imagined that each and every member would just jump into the battlefield like it was their own. Every one of them tried to help in their own way. From phone calls to text messages, from sending them their favourite food to taking care of the hospital matters of their parents, nothing was left out.

The battle was unexpectedly hard, they even lost one dear person, but it also taught them many lessons. A quote from her favourite novel had been in her mind for quite a while now– ‘The wound is the place where the light enters you.’ Ananya noticed her close knit family being protectively around them all the time. All of them became stronger and more independent. Her PhD was completed, Bhargab was preparing to fly to New York to join his new job and their mother started designing new dresses again. The puppy they bought then, grew quite a lot and it seemed to take its duty of protecting the tiny family very seriously.

With the tunes of ‘Life Goes On’ playing on her headphone, Ananya stared into horizon. It was late, the sky was dark but the stars were shining brightly... ❖

# The World of Norse Mythology

**■ Anubrat Barthakur**
Class IX


When we talk about Norse mythology, the first names that come to our mind are Thor, Loki, Odin, Asgard etc. But are they all ? After all most of us have learnt about Norse mythology from the Marvel movies. Even I am one of them. But there is more to the world of Norse mythology. The world of Norse mythology is as big and vast as the world of Greek or any other mythologies in the world.

Norse mythology is the body of myths of the North Germanic people. These myths

were mostly believed by the people of Sweden, Denmark, Norway etc. In Norse mythology it is believed that the world was created by the gods Odin, Vili and Ve from the body of a huge giant called Ymir. Norse myths say that in the beginning there was Ginnungagap, a gaping void and that's where everything started. The cosmos in Norse mythology consists of one world, that flank a central sacred tree, Yggdrasil.

Now we come to the real part, the gods and giants, the light and darkness, the good and the evil. Like most of the mythologies in the world Norse mythology also tells the story of the never ending war between good and evil, the gods representing order and good and the giants representing chaos and evil. When we talk about Norse gods the first name that comes to our mind is Thor. He was the son of the one-eyed god of war and magic, Odin and the goddess of earth Gaea. He had a mighty hammer called Mjolnir. He was a god related to thunder, storms, protection of mankind and fertility. He was a part of Aesir.

Now before we start talking about Ragnarok, I must tell you about Valhalla, for Norse mythology isn't complete without it. It is believed that nobles and heroes who die in battle go to Odin's magnificent hall Valhalla, where they become part of the Einherjar, Odin's personal army. According to the myth, they dwelt in Valhalla gloriously, feasting and sporting, until the days of the end of the world, when they would be called




upon to take part in the last battle between gods and giants, the Ragnarok. However Ragnarok will not be the end of everything. Eventually the world will re-emerge. The children of the old gods will sit on the grass where Asgard had previously been, and discuss about the former times.

In the end I'd like to say that mythology is not to be ignored as the product of human imagination without any basis in reality and so we have nothing to learn from it. But that is not true. For, mythology represents the beliefs of people in the ancient times. It also tells us something about how people lived, how they interacted with reality. So what I mean to say is that we have many things to learn from our mythologies. If we think over it we shall be able to draw lessons for our guidance. ❖

# Little Steps Towards the feeling of...

■ **Srizon Boruah**
Class X

*"It's not what you look at that matters, it's what you see."*
–Henry Davil Thoreau

Once I was at an art exhibition. I was not too young at that time and I was looking at a painting very keenly. The painting looked rather simple compared to the ones nearby. But there was something that kept me looking at it. To be precise it was a painting of a sea with some quite bright but also some soothing colours, as you would expect in a natural landscape. After a few moments of looking, I started feeling as if the waves were actually moving and splashing at the shore. I started hearing birds and crickets chirping, wind blowing, splashing of water and my mother's voice. Well that was not because of the painting though. I realized my mother was calling me and I responded. She said that we had to go then and I agreed. But that imaginary world I had found myself in was not gone.

Now this experience may seem a bit exaggerated, but I am sure a lot of people have witnessed this scenario or similar ones. I have experienced such scenaries many times but not always in the same condition. On many occasions I would get completely lost while I am listening to a song or any instrument playing. May be I experience this a bit more often than others as I am a painter and a guitarist (a learner to be precise), but others have had this feeling too, and I am sure about it. But this rare feeling is only experienced when we see a piece of art. By art, I not just mean a painting. It can be anything that interests you or is going to interest you in the future.



### What is this feeling about ?

Now, I talk about the feeling I experienced while looking at the painting or while listening to music or while doing something else. But what really is this feeling ? Why do people feel this way ? These are very common questions which people encounter while thinking about

artistic feeling. This feeling of art depends or is based upon the art of feeling. Now what's art of feeling ? In dictionary the word 'art' has been defined as 'skill' acquired by experience, study, or 'observation'. So, the art of feeling could signify feeling from a person's observations, experiences or perspective. Now, how the feeling of art depends upon this art of feeling ? As mentioned earlier, art is a skill acquired by experience, study or observation. Everyone grows up differently and in different circumstances. So, they experience various things differently. Some people study or observe something very carefully and some just glance at it. That's why they see different elements of the same thing or object. That is how everyone's feeling of art differs according to their art of feeling or simply their observations.

To explain this thing there is a very simple example. People in different fields learn to observe things differently. For instance, there is a very beautiful, bright coloured flower. Now, a painter would try to observe the colours, the lights and shades, what colours can be mixed to get the colour or hue of the flower etc. But the same flower would inspire a musician or a poet to write a song or poem, to compose music, to add a new element to their work etc. Again, for a scientist (specially a botanist), the flower would be of some scientific meaning, may be a lease for his research, or he could be interested in learning about the anatomy of that flower. There are so many such examples of which I have given a rather simple one.

So, this is how I would like to describe how the feeling of art depends upon the art of feeling, or simply how a person sees or feels a particular art.

**Why does the intensity of this feeling vary from person to person ?**

Now that we somewhat have a vague idea of what this feeling is about, we have to find ways of acquring and cultivating it. But first we need to find out the reasons of why some people think they can't feel art. That's human nature to be honest. Human beings tend to think that they are not as capable as their fellow human beings. But that is not the case. Everyone has artistic and creative sense or feeling within themselves, but they are just unaware of it. The reasons behind this outlook of people on this subject could be as follows :

i) People don't take time to think or feel beyond what is usual. They rush to decision, and that robs everyone of quality ideation and assessment.

ii) People fear being wrong and making mistakes. They gravitate towards thinking "What if it is not the way I am interested in it ?" and similar things. This leads them to stop thinking and observing.

iii) The main reason behind this according to me is that people just think "I am just not a creative person. I can't feel art" and this thinking zaps the energy out of people's creative potential.

Now as I said earlier, everyone has that artistic feeling inside them, but is just hesitant to bring it forth or is not mindful of it. For example, when we watch a movie, we get so involved in the story that we think we are a part of it or when there comes a funny moment we break out laughing and when

there is an emotional scene we cry along with the characters. That's a form of artistic feeling too. But we do it unknowingly, so we never pay attention to it. Or even when we hear any music or song, we start moving or tapping our feet. rhythmacily and it comes naturally to everyone, because we all have the sense of that feeling hiding somewhere inside us.

**How we can develop this feeling :**

So, now we need ways to nurture this feeling, this sense. As mentioned earlier, this feeling comes from deep observation. So primarily, we need to observe and pay attention to our surroundings. Because everything that inspires an artist to create art is present in this world, in nature. So, we need to study and understand them first. For example, an actor needs to study humans of distinctive personalities, in order to portray their characters, because to a great extent, these fictional characters are based on real life people. Again painters need to observe nature, their surroundings, ambient and people to bring meaning to their paintings, irrespective of the subject or mediums. Same goes for musicians or instrumentalists. They have to listen to the music of nature so as to compose a song or any instrument melody. Then it will come from heart and soul and will naturally touch others' heart.

Now when it comes to touching people's hearts, the most important thing is being sensitive and sensible. Artistic sensitivity or sensibility can be defined as one's ability to respond to emotions or to appreciate artistic works and the personal predisposition towards artistic beauty. Though sometimes 'sensitivity' and 'sensibility' are used synonymously, they have a few differences, even if very subtle ones. If you are sensitive to something, you can react to it. But when you are sensible to something, you relate to it emotionally. One's sensibility might allow him or her to choose the perfect word, colour or note to describe their feeling while writing, painting or composing music and even the correct expression while admiring a piece of art. This artistic sensibility benefits people in a way that helps insensing things, rather than analyzing them logically. That is why we ought to practise artistic sensibility in order to feel things far more deeply than usual.

There are some other ways for having a more artistic mindset too. For examples, we should try to delay our judgement, which means we must not rush while making a decision about anything. Though some things require quick decision making skills, but art forms don't, I think. We should try taking everything in slowly and steadily. This process leads us to another step and that is being patient. Human beings, especially adults, tend to become impatient over quite trivial matters. So, we should not be impatient and try not to pass quick judgements. Now, when we practise these steps, we antomatically work towards having an open and free mindset, which is of great importance in order to develop artistic feeling and sensibility. This helps us to approach things with wonder and curiosity, rather than expectations and rules.

Although I am explaining, trying to demonstrate and illuminate all these rather theoritical kind of ways, steps, examples, I

hope I am not being judgemental to anyone which I think I am certainly not. Because, I am just trying to express myself and expound my thought upon this subject which is very close to my heart as an art lover and learner. One more important thing is that though I am talking about methods and steps to develop feeling of art, there are frankly no rules. This feeling is different for everyone; and so is everyone's approach to it. I am just sharing the ways that have worked for me, I don't expect anyone to learn from me. I am inarguably not an expert regarding any of these nor do I have any lifelong experience. But if these trigger someone to be more artistic and sensible, I will consider very happy and lucky. After all, everyone's feeling of art depends upon their art of feeling.

*"Art is unquestionably one of the purest and highest elements in human happiness. It trains the mind through the eye, and the eye through the mind. As the sun colours flowers, so does art colours life."*–John Lubbock. ❖

# Kyoto

## ■ Nimisha Kalita

Class IX



It is the capital city of Prefecture in Japan. Located in the Kansi region on the island of Honshu, Kyoto forms a part of the Keihanshin metropolitan area along with Osaka and Kobe. As of 2021, the city has a population of 1.45 million, making up 57% of the prefecture's total population.

Kyoto sits atop a large natural water table that provides the city with ample freshwater wells. Due to large scale urbanization, the amount of rain draining into the area is drying at an increasing rate. Kyoto has a humid subtropical climate, featuring a marked seasonal variation in temperature and precipitation. Summers are hot and humid, but winters are relatively cold with occasional snowfall. Kyoto's rainy season begins around the middle of June and lasts until the end of July, yielding to a hot and sunny latter half of the summer. Kyoto, along with most of the specific coastal and central areas of Japan, is prone to typhoons during September and October. Kyoto, having been the capital city of Japan, a seat of learning and culture has long established ties with other great cities around the world. Many foreign scholars, artists and writers have stayed in Kyto over the centuries. ❖

# Better Version of Myself during COVID-19

■ **Ankita Deka**
Class XII (Arts)

We all know that our present day world is facing the problem of the pandemic due to COVID-19. It is a problem of destruction and it breaks the backbone of a state or economy. Our society is badly affected by the outcome. But at the same time if we search for the good then we can find good even in the garbage. Converting the negative energy to a positive vibe is the best way to live a better life. This situation has taught me many lessons about awareness and about nature, health, environment and most importantly about our biodiversity. Lockdown and curfew are the two most difficult issues for anyone at this moment. The good thing is that our unstable environment and biodiversity are getting refreshed. People have become alert about their health and fitness. This pandemic has changed every aspect of our lives.

Being a student, at first it was unthinkable for me to observe all the SOPs. I felt like being in a cage. The literal shock made me go haywire and made me full of frustrations. As I am an avid dancer I contacted my friend and started uploading our dance videos. This made me interact online with others, which was really helpful. As time has not come for me to be vaccinated, I have taken the liberty to like other things and learn from them.

**a) Hygiene :** I have learnt not only to keep myself immune but at the same time to keep the house clean and tidy by brooming, sweeping etc.

**b) Cooking :** This age old art of sustenance has made me do things like cooking for the family (giving any mom the much desired assistance), planning the much needed diet and learning the traditional dishes, which I didn't have time to notice and cook. As for Western dishes, baking was the most fruitful. I baked cakes and cookies.

**c) Walking :** This activity in the early morning hours made me realise the importance of nature and taught me to be grateful to my surroundings. No doubt it gave me a fresh longing for the day to be practical and physically robust.

**d) Meditation :** I found this to be the simplest and spiritual to mental health as it gave me a new understanding in the precious life I am bestowed.


**e) Indoor activity :** Ludo, carrom, making crafts made me realise my intrinsic values, that we all have. Clicking photos, painting and scrolling the net made me know about things and cultures all around the world. Reading Assamese novels by the great writers and statesmen of Assam made me aware of our rich heritage.

To sum it all, we all really needed the big break to realise, comprehend our human worth and contribute to the welfare not only of our society but the world as a whole. This pendamic taught me to be compassionate, generous and helpful for the well being of one and all. I think, spiritually we ought to introspect ourselves and create the much needed meaning to be human. ❖

# A Brief Sociological Understanding of Jahnu Barua's National Award-winning Film 'Xagoroloi Bohu Door'

■ **Manash Pratim Choudhury**
Class XII (Arts)

*"The director is the only person who knows what the film is about."* **–Satyajit Ray**




In the above mentioned quotation, Satyajit Ray, one of world's greatest directors wanted to say that the director of a particular film should be always concerned about the topic of the film. The director presents a whole society through this medium called cinema to its audience. Even Satyajit Ray made himself as one of the most influential film makers of Indian cinema and specially his 'The Apu Trilogy' (It comprises three films– 'Pather Panchali' released in the year 1955, 'Aparajita' released in the year 1956 and 'Apur Sansar' released in the year 1959) got international recognition. Satyajit Ray has always been regarded as an incomparable film-maker of Indian cinema.

In case of Assamese cinema, most of the times the film industry is somehow dominated by the commercial films. But at the same time we cannot ignore the importance of non-commercial cinema (termed as 'art film'). Some people have taken the initiative to revive the art film industry in the region. Jahnu Barua is one of those film-makers of Assam who started the new wave of art film in the Assamese film industry. After graduating from the prestigious 'Film and Television Institute of India' Jahnu Barua involved himself in making scientific documentary films in his early career. In the year 1982, Jahnu Barua made his feature film making debut through his first directorial venture 'Aparoopa' starring veteran actors like Suhasini Mulay, Biju Phukan and Girish Karnad. After 'Aparoopa' Jahnu Barua made memorable and everygreen films like 'Papori' (1986), 'Halodhiya Choraye Baodhan Khai' (1987), 'Bonani' (1990), 'Firingoti' (1992) etc. All of these films were highly appreciated and the films won many awards and honours in many film festivals. Jahnu Barua emerged as

a strong practitioner of alternative cinema and became the first Assamese to receive an International award, the 'Silver Leopard award' for 'Halodhiya Choraye Baodhan Khai' at the Locarno International Film Festival in 1988. In the year 1995 Jahnu Barua made his next venture 'Xagoroloi Bohu Door' (It's a Long Way To The Sea).

'Xagoroloi Bohu Door' mainly highlights the ordeals that the rural man faces in the name of development and modernization. The bad character of the film, Powal (played by renowned actor Bishnu Kharghoria) is the only caregiver of his grandson Hkhuman. In Nemuguri village, his forefathers have been ferrying people to and fro on the river Dihing. The primary focus is on the genuine dilemma faced by Powal for survival as talks of a new bridge being built across the river become quite prominent.

The story also highlights how Powal's continuous attempts to remain connected with his only living son in the city eventually ends up in an unsettling consequence about the fragility of relationships in the modern age. The film captures the tumultuous life of every rural man who ultimately ends up paying a price at the cost of development. The film poetically discloses the inner turmoil of the old boatman who feels a sense of being lost amidst a lot of problems that appear to him as vast as the never-ending sea. 'Xagoroloi Bohu Door' is covered with several metaphorical signals that reflect upon the rising issues and difficulties in rural areas. It also subtly questions the lack of morality and growth of insensitivity in every sector of one's life. It also touches on issues like the failure of government in providing any alternative options to the poor.

However, not all is hopeless. There is always that glint of hope caught in Powal's exhausted eyes or a way of dream in realization through the eyes of lovable Hkhuman.

We, the audience should have to believe that it is all attainable with an indomitable will, no matter how far away from one's grasp it may seem. Almost like the river on its way to meet the sea.

Jahnu Barua's use of natural sound and surroundings for a greater impact along with the modest treatment of his characters is raw in a refreshing sense making everything and everyone seem more real. As a result his film 'Xagoroloi Bohu Door' takes one back to films such as 'Pather Panchali' by Satyajit Ray.

'Xagoroloi Bohu Door' is regarded as a classic film; it was hugely acclaimed by the critics and the film bagged many awards at many film festivals in the various parts of the world. Jahnu Barua won the Golden lotus for 'National Film Award for Best Director' in the year 1995 and Bishnu Kharghoria won the 'Best Actor' award in Singapore International Film Festival in the same year and many prizes in National/International level.

Jahnu Barua's way of capturing crucial moments in a simplistic manner contributes to the flow of the film. There are several instances where he practically underplays some of the most significant scenes urging the viewers to make an effort to unveil its deeper message for a better understanding. ❖

# কিতাপ পঢ়োঁ আহা

■ অভিলাষা বৰ্মন
অষ্টম শ্ৰেণী

কিতাপে মানুহৰ জ্ঞানৰ চকু মুকলি কৰে। মানুহৰ মনত যেতিয়া নতুন চিন্তা বা ধাৰণাৰ সৃষ্টি হয় তেতিয়াই জ্ঞানৰ সংযোগ ঘটে আৰু জ্ঞানৰ পৰিধি বাঢ়ি গৈ থাকে। মানৱ সমাজৰ চিন্তা-ভাবনা, জ্ঞান-সাধনা, অভিজ্ঞতা আদিৰ লিখিত ৰূপটোৱেই হ'ল কিতাপ বা পুথি বা গ্ৰন্থ। মানৱ সভ্যতাৰ বিকাশত কিতাপে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে আৰু সেয়ে কিতাপক মানৱ সভ্যতাৰ আত্মা বুলি কোৱা হয়।

পৃথিৱীৰ উৎকৃষ্ট কিতাপসমূহ, যেনে—বেদ, গীতা, বাইবেল, কোৰান, ৰামায়ণ, মহাভাৰত, ইলিয়াদ, ওডিছী আদি ছপাশাল উদ্ভাৱন হোৱাৰ আগতে ৰচিত হৈছিল। ১৪৫৫ খৃষ্টাব্দত জাৰ্মানীৰ জোহান্স গুটেনবাৰ্গ নামৰ বিজ্ঞানীজনে ছপাযন্ত্ৰ আৱিষ্কাৰ কৰাৰ পিছৰে পৰা কিতাপসমূহ ছপা হৈ প্ৰকাশ পাবলৈ ধৰিলে আৰু ক্ৰমান্বয়ে বিভিন্ন উন্নত কাৰিকৰী কৌশল সংযোগ কৰি আজিৰ আধুনিক প্ৰযুক্তিসমৃদ্ধ ছপাযন্ত্ৰৰ প্ৰচলন হ'ল।

আমাৰ শিক্ষা ব্যৱস্থাত প্ৰয়োজনীয় পাঠ্যপুথিৰ উপৰি বিভিন্ন বিষয়বস্তুৰ কিতাপ পোৱা যায়। যেনে—গল্প, কবিতা, প্ৰবন্ধ, উপন্যাস, জীৱনীমূলক গ্ৰন্থ, ধৰ্মপুথি, শিশু গ্ৰন্থ, সাধুকথা, ভ্ৰমণ কাহিনী ইত্যাদি। লেখকসকলে লিখি উলিওৱা কিতাপসমূহ বিভিন্ন প্ৰকাশক বা প্ৰকাশন গোষ্ঠীয়ে প্ৰকাশ কৰি উলিয়ায় আৰু গ্ৰন্থ বিপণিৰ জৰিয়তে বিক্ৰীৰ ব্যৱস্থা কৰে। পাঠকসকলে মনে বিচৰা কিতাপসমূহ গ্ৰন্থ বিপণিৰ পৰা নিৰ্দিষ্ট দাম দি কিনিব পাৰে। সকলো কিতাপ কোনো এজন পাঠকে কিনি পঢ়া সম্ভৱ নহয়। সেয়েহে ৰাইজৰ সহায় হোৱাকৈ সমাজত বিভিন্ন ধৰণৰ গ্ৰন্থাগাৰৰ ব্যৱস্থা আছে। গ্ৰন্থাগাৰসমূহৰ পৰা কিতাপ সংগ্ৰহ কৰি অধ্যয়ন কৰাৰ সুবিধা গ্ৰহণ কৰিব পাৰি। আজিকালি ইণ্টাৰনেট যোগেও বিভিন্ন ধৰণৰ কিতাপ ক্ৰয় কৰিব পাৰি। আনহাতে বহুতে কিতাপ ছপা নকৰি কম্পিউটাৰ বা ম'বাইল ফ'নযোগে ডিজিটেল ৰূপতো প্ৰকাশ কৰে। এইবোৰক ডিজিটেল গ্ৰন্থ বোলে।

কিতাপে আমাক কি নিদিয়ে? ভূগোল পঢ়িলে যেনেদৰে বিশ্বৰ দেশ-মহাদেশ, নদ-নদী, সাগৰ-মহাসাগৰ, পাহাৰ-পৰ্বত আদিৰ অৱস্থিতি সম্বন্ধে জানিব পাৰি, তেনেদৰে বুৰঞ্জী পঢ়িলে অতীতৰ সভ্যতা-সংস্কৃতি, শাসন পদ্ধতি, জীৱন-ধাৰণৰ পদ্ধতি সম্বন্ধে জানিব পাৰি। সাধুকথাৰ পুথিকে ধৰি শিশু সাহিত্যই শিশুৰ মনত নৈতিকতাৰ ভেটি গঢ়ে। ধৰ্মপুথিয়ে আধ্যাত্মিক ভাবৰ সঞ্চাৰ কৰে।

কিতাপ হৈছে মানুহৰ ভাল বন্ধু। পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল, “মানুহে যিমান কিতাপ পঢ়ে সিমান ভাবিবলৈ শিকে।” কিতাপ পঢ়িলে জ্ঞানৰ পৰিধি বাঢ়ে। সু-অভ্যাস, সু-শিক্ষা, সু-চিন্তা, সৎ চৰিত্ৰ আৰু সৎ পথত থাকি আদৰ্শ জীৱন যাপন কৰাত কিতাপ অধ্যয়নে সহায় কৰে। অধ্যয়নে মানুহক সহানুভূতিশীল আৰু জ্ঞানী কৰে। অধ্যয়নে জীৱনৰ তুচ্ছতা, স্বাৰ্থপৰতা, নিঃসংগতা, অজ্ঞতা তথা অন্ধবিশ্বাসৰ পৰা মুক্তি দিয়ে। অধ্যয়নে সমাজ পৰিবৰ্তনৰ সঠিক পথৰ সন্ধান দিয়ে।

কিতাপে মানুহৰ জীৱন ধন্য কৰে। কিতাপে দৈনন্দিন জীৱন ধাৰণৰ মান চহকী কৰে। এই সকলোবোৰ কিতাপৰ পৰাই পাব পাৰি। প্ৰাক্তন ৰাষ্ট্ৰপতি এ.পি.জে. আব্দুল কালামে কৈছিল, “নিজৰ টিভি চোৱা সময়ৰ পৰা আধা ঘণ্টা উলিয়াই সকলোৱে কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলা উচিত।” কোৱা হয় পুথিৰ বিদ্যা থুপাই থোৱা ধনৰ নিচিনা। কিতাপ মানৱ সমাজৰ সঞ্জীৱনী শক্তি। সেয়েহে অসম পুথিভঁৰাল সংঘ আৰু পৰৱৰ্তী সময়ত (জুলাই, ২০১৯) অসমৰ বিশিষ্ট শিক্ষাবিদ শ্ৰদ্ধেয় অমৰজ্যোতি চৌধুৰী ছাৰে জনোৱা আহ্বান ‘কিতাপ পঢ়োঁ আহক’ সকলোৱে পাথেয় হোৱা উচিত। ❖

# মোৰ প্ৰিয় পাঁচখন গ্ৰন্থ

■ শিপা ভৰদ্বাজ
তৃতীয় শ্ৰেণী

গোটেই পৃথিৱীকে ক'ভিড-১৯ মহামাৰীয়ে ছানি ধৰিছে। এই পৰিস্থিতিত মানুহৰ মাজত কেনে ধৰণৰ অসুবিধা হৈছে, সেই কথা আমি সকলোৰে জানো। আমাৰ বিদ্যালয়ো প্ৰায় দুবছৰ বন্ধ হৈ আছে। এই সময়ছোৱাত মই নিয়মিত কাম-কাজবোৰ কৰাৰ বাহিৰেও বহুকেইখন কিতাপ পঢ়াৰ সুযোগ পালোঁ। তাৰে ভিতৰত বিশেষ পাঁচখন কিতাপৰ বিষয়ে আজি মই ক'বলৈ লৈছোঁ। সেই কিতাপকেইখন হৈছে— 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট', 'ডাঙৰ মানুহৰ সাধু', 'ফচং', 'ত'ত্তো'-চ্চান' আৰু 'ডাইন'ছৰ'।

মোৰ প্ৰিয় কিতাপৰ ভিতৰত প্ৰথমেই নাম ল'ব পাৰি ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট'ৰ কথা। এই কিতাপখনত তিনিটি ভাই-ভনী আৰু সিহঁতৰ এজন বন্ধুৰ নানা ধেমালি, নানা কামৰ পৰিকল্পনা বৰ্ণনা কৰা হৈছে। ৰুণি, মনু আৰু বাপুৰ বন্ধু ভুলুৰ কাম-কাজ, কথা-বতৰা কিতাপখনৰ বিশেষ আকৰ্ষণ। ধেমেলীয়া কথাৰ মাজেৰে লেখকে ইয়াত বহু সুশিক্ষা দিয়াৰ চেষ্টা কৰিছে। ৰুণি, বাপু, মনুহঁতৰ কথা-বতৰাবোৰ ইমানেই ৰসাল যে পঢ়োঁতে পঢ়োঁতে মোৰ প্ৰায় গোটেই কিতাপখনেই মুখস্থ হৈ গৈছে। বাপু আৰু ভুলুৰ চৰিত্ৰ দুটা মোৰ বিশেষভাৱে ভাল লাগে।

এতিয়া আহোঁ মোৰ দ্বিতীয়খন প্ৰিয় কিতাপ দিগন্ত ওজাৰ 'ডাঙৰ মানুহৰ সাধু'ৰ কথালৈ। কিতাপখনত জগতবিখ্যাত ছগৰাকী বিজ্ঞানী-গণিতজ্ঞৰ সৰুকালৰ অনেক আমোদজনক ঘটনা বৰ্ণনা কৰা হৈছে। লগতে তেওঁলোকে জীৱনত নানা ঘাত-প্ৰতিঘাতৰ মাজেৰেও কেনেকৈ সফলতা লাভ কৰিছিল, সেই কথাও বৰ্ণনা কৰিছে। বিজ্ঞানীকেইজনৰ ৰসলগা কাহিনীবোৰ পঢ়ি বৰ ভাল লাগিল আৰু বুজিলোঁ যে যিমান ডাঙৰ মানুহেই নহওক সৰু কালৰ কাহিনীবোৰ সকলোৰে প্ৰায়ে একেই। বহু আপুৰুগীয়া চিত্ৰ থকা কিতাপখনত বৰ্ণিত সেই মহান ব্যক্তিকেইগৰাকী হ'ল—থালিছ, আডা লভলেচ, জেমছ ক্লক মেক্সৱেল, মেৰি কুৰি, কুৰ্ট গডেল আৰু ফ্ৰান্সিছ আৰ্নল্ড।

তৃতীয়খন গ্ৰন্থ ২০২০ চনৰ শিশু-সাহিত্য অকাডেমী বঁটাপ্ৰাপ্ত মাধুৰীমা ঘৰফলীয়াৰ 'ফচং'। এখন ঘৰত একেলগে বাস কৰা কেইটিমান জীৱ-জন্তুৰ কাহিনী কিতাপখনত ৰস লগাকৈ বৰ্ণনা কৰা হৈছে। ফচং নামৰ মেকুৰীটো কাহিনীৰ মূল চৰিত্ৰ।

মই পঢ়ি ভালপোৱা আন দুয়োখন গ্ৰন্থই অনুবাদ। 'ত'ত্তো'-চ্চান'ৰ মূল লেখক তেৎছুকো কুৰ'য়ানাগি। গ্ৰন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰিছে তোষপ্ৰভা কলিতাই। ত'ত্তো'-চ্চান নামৰ এজনী সৰু জাপানী ছোৱালীৰ আচৰণ, ভাল লগা, বেয়া লগা, উৎসাহ, অভিমান আদিৰে ভৰা শৈশৱ আৰু তাইৰ স্কুলখনৰ ৰসাল বৰ্ণনাৰে কিতাপখন ভৰা।

আনখন অনুবাদ গ্ৰন্থ হ'ল 'ডাইন'ছৰ'। মূল ইংৰাজী গ্ৰন্থখনৰ লেখিকা পূৰ্ণিমা ৰূপাল। অসমীয়া ভাষালৈ অনুবাদ কৰিছে ৰাজিদুৰ ৰহমানে। এতিয়াৰ পৰা ৬৫ নিযুত বছৰৰ আগতেই পৃথিৱীৰ পৰা নোহোৱা হৈ যোৱা বিশালাকাৰ ডাইনছ'ৰৰ জীৱাশ্ম, বিভিন্ন প্ৰজাতি, সেইবিলাকৰ আকাৰ-প্ৰকাৰ, কণীৰ পৰা পোৱালি জগোৱাৰ পদ্ধতি আদি সকলো বিষয় গ্ৰন্থখনত লিখা আছে। এগৰাকী মাক আৰু তেওঁৰ দুটি ল'ৰা মণি আৰু কৰণৰ মাজত হোৱা কথা-বতৰাৰ মাজেৰে ওলাই পৰিছে ডাইন'ছৰ বিষয়ক বহু আচৰিত ধৰণৰ কথা।

ইয়াত মোৰ ভাল লগা কিতাপকেইখনৰ বিষয়ে তেনেই চমুকৈ লিখিলোঁ। মোৰ বন্ধু-বান্ধৱীসকলেও এইকেইখন কিতাপ পঢ়ি ভাল পাব বুলি আশা কৰিব পাৰি। ❖

# শ্বিচ্‌কিন, মই আৰু বহুতো

■ নিযাদ চয়ন ওজা
তৃতীয় শ্ৰেণী

শ্বিচ্‌কিন নামৰ এজন ল'ৰাই ভিত্যাহঁতৰ স্কুলত নতুনকৈ নামভৰ্তি কৰিছে। শ্বিচ্‌কিন চতুৰ্থ শ্ৰেণীলৈ পাওঁতে তেওঁলোক এই ঠাইখনলৈ বদলি হৈ আহিছে। ভিত্যাৰ লগতে শ্বিচ্‌কিন বহে। শ্বিচ্‌কিনে ৰুছ সাহিত্যত অতি বেয়া নম্বৰ পায় আৰু ভিত্যাই অংকত অতি বেয়া নম্বৰ পায়। সিহঁতে পাঁচৰ ভিতৰত দুই নম্বৰ পায়। শ্বিচ্‌কিনে পঢ়া-শুনা কৰাতকৈ জীৱ-জন্তু পুহি ভাল পায়। তাৰ তিনিটা কাছ, তিনিটা কেঁটেলা পহু, লব্‌জিক নামৰ এটা কুকুৰ, বগা এন্দুৰ আৰু বিলাতী এন্দুৰ আছে। সি এই জন্তুবিলাকৰ বৰ যত্ন লয়। শ্বিচ্‌কিনক মাকে মাতিলে "এক মিনিট ৰ'বা" বুলি কয়। এনেদৰে আধা ঘণ্টামান সময় যোৱাৰ পাছতো শ্বিচ্‌কিনৰ এক মিনিট সময়খিনি শেষেই নহয়। কেতিয়াবা শ্বিচ্‌কিনে ভাগৰি-জুগৰি শুবৰ সময়তহে পঢ়িবলৈ সময় পায়। শ্বিচ্‌কিনে বন্ধু ভিত্যাকো এযোৰ বগা এন্দুৰ উপহাৰ দিছিল।

এবাৰ ভিত্যাই ব'ৰ্ডত অংক কৰিবলৈ দিওঁতে লগৰবোৰে সহায় কৰিছিল। সেই দৃশ্যটোকে তেওঁলোকে তেওঁলোকৰ স্কুলৰ বাতৰিকাকতখনত ব্যংগচিত্ৰ হিচাপে প্ৰকাশ কৰিলে। ভিত্যাই বহুত লাজ পালে। ভিত্যাই ভালদৰে পঢ়িব বুলি প্ৰতিজ্ঞা কৰিলে।

শ্বিচ্‌কিনে ৰুছ সাহিত্যত শ্ৰেণীটোৰ ভিতৰত আটাইতকৈ কম নম্বৰ পোৱাৰ কাৰণে তাৰো এখন ব্যংগচিত্ৰ ওলাইছিল। শ্বিচ্‌কিনে কম নম্বৰ পোৱাৰ কাৰণে সি ৰুছ সাহিত্য থকাৰ দিনা স্কুললৈ যোৱা নাছিল। স্কুললৈ নগৈ শ্বিচ্‌কিনে ৰাস্তাই-ঘাটে ঘূৰি ফুৰিছিল, কেতিয়াবা আকৌ সি লব্‌জিকৰ লগত খেলিছিল। সি এনেদৰে স্কুললৈ নগৈ নগৈ স্কুললৈ যাবলৈকে মন নকৰা হৈছিল।

এবাৰ শ্বিচ্‌কিনৰ চাৰ্কাছ চাই ভাল লগাত সি লব্‌জিক আৰু ভিত্যাৰ লগত মিলি চাৰ্কাছৰ খেলবোৰ অনুশীলন কৰিছিল। সিহঁতে লব্‌জিকক এক, দুই গণিবলৈ শিকাইছিল। এদিন শ্বিচ্‌কিনে ভিত্যাৰ আগত কৈ পঠিয়াইছিল যে তাৰ খুব জ্বৰ। তাৰ বন্ধুসকল আহোঁতে সি বিছনাত শুই বেমাৰৰ ভাও ধৰি আছিল। কিন্তু সি ধৰা পৰিল। ওল্গা বাইদেৱেও তাৰ খবৰ ল'বলৈ আহি সি বেমাৰৰ ভাও ধৰিছে বুলি গম পোৱাত তেওঁৰ মনত বৰ বেজাৰ লাগিল।

শ্বিচ্‌কিনক ওল্গা বাইদেৱে বুজালে যে সি পুনৰ স্কুললৈ যাবলৈ আৰম্ভ কৰিব লাগে আৰু ৰুছ সাহিত্য বিষয়টো মনোযোগেৰে আৰু কষ্ট কৰি পঢ়িবলৈ ক'লে। শ্বিচ্‌কিনৰ মাকৰ লগতো এই বিষয়ে আলোচনা কৰিলে। শ্বিচ্‌কিনে প্ৰতিজ্ঞা কৰিলে যে এইবাৰৰ পৰা সি ভালদৰে পঢ়া-শুনা কৰিব আৰু পাঁচৰ ভিতৰত অতি কমেও চাৰি পাব।


ভিত্যাই লাহে লাহে অংকত উন্নতি কৰিবলৈ ধৰিলে। সি সকলো অংক নিজে নিজে কৰিব পৰা হ'ল। শ্বিচ্‌কিনেও ৰুছ সাহিত্য বিষয়টো মনোযোগেৰে পঢ়াৰ কাৰণে লাহে লাহে উন্নতি কৰিবলৈ ধৰিলে আৰু সি সাহিত্যত ভাল নম্বৰ পালে। তাক ওল্গা বাইদেৱে পুথিভঁৰালৰ পুথিভঁৰালী হোৱাৰ সুযোগ দিলে।

এই কাহিনীটো 'শ্বিচ্‌কিন, মই আৰু বহুতো' কিতাপখনত থকা মূল কথা। কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে নিশি বৰকটকীয়ে। প্ৰকাশ কৰিছে অসম প্ৰকাশন পৰিষদে। মূল কিতাপখনৰ নাম 'স্কুল বয়জ'। লিখিছে ছোভিয়েট লেখক এন নছ'ফে।

এই কিতাপখন সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকে পঢ়িবলগীয়া। সঁচা বন্ধুৱে তেওঁৰ লগৰ বন্ধুজনে কোনো এটা বেয়া কাম কৰিলে লগে লগে বেয়া কামটোৰ শুধৰণি কৰিব লাগে। কিতাপখনত আছে যে শিক্ষক-শিক্ষয়িত্ৰীয়ে ল'ৰা-ছোৱালীক মৰম কৰিলেহে ল'ৰা-ছোৱালী পঢ়া-শুনাৰ ক্ষেত্ৰত আগুৱাই যাব পাৰে। এই কিতাপখনত কিছুমান হাঁহি উঠা ঘটনাও আছে। কিতাপখন কেইটামান বানান ভুলৰ বাহিৰে বাকী মোৰ সকলোখিনি ভাল লাগিল। ❖

# ড° ভবেন্দ্ৰনাথ শইকীয়াৰ শিশু-সাহিত্য

■ নিষ্ঠা বৰগোহাঁই
পঞ্চম শ্ৰেণী




শৈশৱৰ পৰা কৈশোৰ অৱস্থালৈ মানৱ মগজুৰ বুদ্ধি-বৃত্তি, চিন্তা-চৰ্চা আৰু চাৰিত্ৰিক বৈশিষ্ট্যৰ প্ৰভূত বিকাশ হয়। এই সময়ত বিকাশ হোৱা কিছুমান গুণ আৰু অভ্যাসে এগৰাকী ল'ৰা বা ছোৱালীক খুব ভাল আৰু সফল হিচাপে প্ৰতিষ্ঠিত কৰে, আকৌ কিছুমান বেয়া গুণ আৰু বদ অভ্যাসে তেওঁলোকক ধ্বংস কৰে।

এনে বয়সৰ ল'ৰা-ছোৱালীৰ মন আৰু মগজুৰ খুব সুন্দৰকৈ প্ৰতিফলন কৰি ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱে লিখা তিনিখন কিতাপ মোৰ এতিয়ালৈ পঢ়া কিতাবোৰৰ ভিতৰত অন্যতম। সেইকেইখন ক্ৰমে 'মহাদুষ্টৰ দুষ্টবুদ্ধি', 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট', 'মৰমৰ দেউতা'।

**মহাদুষ্টৰ দুষ্টবুদ্ধি :** হাস্যৰসৰ কৌতুকেৰে ভৰা আঠসত্তৰটা সৰু সৰু ঘটনাৰ সংকলন 'মহাদুষ্টৰ দুষ্টবুদ্ধি'। কিতাপখনৰ নামটোৱেই কয় কিমান দুষ্টালিভৰা ঘটনাবোৰ। PRANK কৰিনো কাৰ ভাল নালাগে? কিশোৰ অৱস্থাত PRANK কৰাটোও হেনো মানসিক বিকাশৰ চিন। কুহুমীয়াৰ ধাৰণা দিবলৈ গৈ ৰঞ্জিত ল'ৰাটোৱে ভায়েকক কণী এটা ভাঙি কুহুমটো চুবলৈ দি কয় যে কণীৰ কুহুমৰ সমান গৰমক কুহুমীয়া বোলে। তাৰ পাছত কণীটো সি অকলেই ভাজি খাই হজম কৰিলে। এনেকুৱা কত যে ঘটনা, যিবোৰ পঢ়ি মই হাঁহিত ফাটি পৰোঁ। অৱশ্যে লেখকে এইটোও লিখিবলৈ পাহৰা নাই যে যি ধেমালি নুবুজে, তেওঁৰ লগত ধেমালি নকৰিবা।

**শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট :** আমাৰ ওচৰে-পাঁজৰে সচৰাচৰ ঘটি থকা কিছুমান সৰু সৰু ঘটনা নাটকীয় ৰূপত সংকলন কৰি উলিওৱা মোৰ আনখন প্ৰিয় কিতাপ 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট'। ৰুণি, বাপু, মনু এই তিনি বায়েক-ভায়েক আৰু সিহঁতক লগ দিয়া ভুলু, ইহঁতেই হ'ল কিতাপখনৰ নাম অনুসৰি চৰিত্ৰকেইটা। সিহঁতৰ মাজৰ সৰু সৰু কাজিয়া-পেঁচাল, খং-ধেমালি আৰু দুঃসাহসিক হ'বলৈ চেষ্টা কৰা কুমলীয়া মনবোৰক লেখকে ধুনীয়াকৈ আৰু জীৱন্তকৈ কাহিনীৰ ৰূপ দিছে। সিহঁতৰ বদমাচিবোৰতো সৰলতা আৰু সততা লুকাই থাকে। যেনে—এবাৰ ইহঁতে আনৰ জুতি-বুদ্ধি লগাই তৈয়াৰ কৰা ৰন্ধন প্ৰণালীৰে অনুপ্ৰাণিত হৈ উপলব্ধি কৰিলে যে ইমান উপকৰণৰে ৰান্ধিলে কাঠৰ চলিও সোৱাদযুক্ত হ'ব। সেয়েহে নিজেই কাঠৰ চলিৰ 'কোৰাব্বা' নাম দি ৰন্ধন প্ৰণালী লিখি মাকৰ নামত ছপা কৰিবলৈ আলোচনীলৈ প্ৰেৰণ কৰিলে। তাৰ পাছৰ পৰিণতিও সিহঁতৰ কামৰ

দৰেই আমোদজনক হয়গৈ। আন এবাৰ আকৌ এটা নতুন খেল উদ্ভাৱন কৰিবলৈ গৈ এটা দুৰ্ঘটনাৰ সাক্ষী হ'বলগীয়া হোৱাত সিহঁতৰ বহুতো লটি-ঘটি হৈছিল।


এবাৰ আকৌ মাক-দেউতাক এঠাইলৈ যাবলগীয়া হোৱাত অকলে সকলো কৰি খাই লৈ শুম বুলি দম্ভালি মাৰি, পাছত ভূতৰ ভয়ত সিহঁতৰ কি অৱস্থা হৈছিল, এবাৰ ঘৰত নোকোৱাকৈ বৰশীত মাছ ধৰি আনি মাছটো লুকুৱাবলৈও কমখন মিছা মাতিছিলনে সিহঁতে !

কিতাপখনৰ আটাইতকৈ ভাল লগা দিশটো হ'ল—ৰুণিহঁতৰ মাজৰ কথা-বতৰা। কিতাপখন পঢ়ি থাকিলে এনে লাগে যেন সিহঁতৰ প্ৰতিটো ঘটনা মই নিজ চকুৰে দেখি আছোঁ, কথা-বতৰাত ময়ো ভাগ লৈ আছোঁ। শইকীয়াদেৱৰ লিখনিৰ যাদু এইখিনিতে।

**মৰমৰ দেউতা** : খুব সহজ-সৰল ভাষাত কিশোৰ-কিশোৰীৰ বাবে লিখা এটি মনোৰম কাহিনী 'মৰমৰ দেউতা'। শিশু অৱস্থাতে অলপ অলপকৈ আহৰণ কৰা বেয়া গুণবোৰে বিপুল নামৰ ল'ৰাটোক কৈশোৰ অৱস্থাত বৰকৈ প্ৰভাৱিত কৰিছিল। কৈশোৰ অৱস্থাত সি মাক, বায়েক-ভনীয়েকৰ ওপৰত অত্যাচাৰ চলাইছিল, চুলি চুটিকৈ কটাৰ বাবে নাপিতৰ ভৰিত কেঁচীৰে খোঁচ মাৰি দিছিল আৰু কত কি যে নকৰিছিল ! এনেবোৰ দুষ্টামিৰ বাবেই অসুৰ নামেৰে জনাজাত বিপুল সদায় অসুৰ হৈ থাকিবনে? নাথাকে। কাৰণ বেয়া কামবোৰে খন্তেকীয়া আনন্দ দিলেও কোনো ল'ৰা-ছোৱালীয়ে সদায় বেয়া হৈ থাকিবলৈ নিবিচাৰে। অসুৰ বিপুলে নিজৰ ভুলৰ শুধৰণি কি পৰিস্থিতিত, কেনেদৰে কৰিলে সেই কাহিনীয়েই হ'ল 'মৰমৰ দেউতা'।

ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱে কিশোৰ-কিশোৰীৰ মনোজগতখনক কিমান ভালদৰে বুজিছিল এই কিতাপ তিনিখন পঢ়িলেই গম পোৱা যায়। মোৰ মা-দেউতাই পঢ়ি ভাল পোৱা সেই কিতাপকেইখন এতিয়া ময়ো পঢ়ি ভাল পাওঁ। ইয়াৰ অৰ্থ এয়ে যে তেখেতৰ লেখাৰ প্ৰভাৱ স্থায়ী, খন্তেকীয়া নহয়। আৰু সকলো কিশোৰ-কিশোৰীৰ মনোজগতখনো একে।

ড° ভবেন্দ্ৰনাথ শইকীয়াই সহজ-সৰল, শুদ্ধ ভাষাত লিখা এই মনোৰম কিতাপকেইখন সকলোৱে পঢ়াৰ উপযোগী বুলি মই ভাবোঁ। ❖



**নন্দিতা কলিতা,** প্ৰথম শ্ৰেণী



**ৰাগ প্ৰীতম পৰাশৰ,** প্ৰথম শ্ৰেণী

# ত'ত্ত'-চ্চান : খিৰিকীমুখত অকণিজনী

■ ৰাছেল মালিক
দশম শ্ৰেণী

জাপানৰ অভিনেত্ৰী তেৎছুকো কুৰ'য়ানাগিৰ 'ত'ত্ত'-চ্চান' জাপানৰ এখন জনপ্ৰিয় পুথি। কেৱল জাপানতে নহয়, পৃথিৱীৰ বিভিন্ন দেশত বিভিন্ন ভাষালৈ এই গ্ৰন্থখন অনুবাদ কৰা হৈছে। জাপানত কিতাপখন প্ৰকাশ হৈছিল ১৯৮১ চনত আৰু ১৯৯৬ চনত তোষপ্ৰভা কলিতাই কিতাপখন অসমীয়ালৈ অনুবাদ কৰি উলিয়ায়। গোটেই বিশ্বতে সমাদৰ লাভ কৰা 'ত'ত্ত'-চ্চান' হ'ল লেখিকা আৰু তেওঁৰ শৈশৱৰ বিদ্যালয় ত'মৈৰ কথা।




শ্ৰেণীকোঠাত মনোযোগ নিদি কেৱল খিৰিকীৰে বাহিৰত মানুহ আৰু বাজনাৰ দলবোৰ চাই থকা 'ত'ত্ত'-চ্চান'ক প্ৰথম শ্ৰেণীতে বিদ্যালয়ৰ পৰা বহিষ্কাৰ কৰি দিয়া হৈছিল। সেই সময়ত ত'ত্ত'-চ্চানক মাকে এই কথা জানিবলৈ দিয়া নাছিল। ত'ত্তচ্চানে যাতে মনোবল হেৰুৱাই নেপেলায় তাৰ বাবেই মাকে এই কথা জনোৱা নাছিল। পিছলৈ ত'ত্ত'-চ্চানক এখন নতুন স্কুললৈ নামভৰ্তিৰ বাবে লৈ যোৱা হ'ল। স্কুলখনলৈ যোৱাৰ আগত ত'ত্ত'-চ্চানৰ কেৱল এটাই প্ৰশ্ন, "নতুন স্কুলখনৰ আগেৰে বাজনাৰ দলবোৰ যাবনে নাই?" নতুন প্ৰাথমিক বিদ্যালয়খনলৈ গৈয়েই ত'ত্ত'-চ্চান আচৰিত হ'ল। আগৰ স্কুলখনৰ গেটখনৰ দুকাষে দুটা ধুনীয়া কংক্ৰিটৰ খুঁটাত ডাঙৰ ডাঙৰ আখৰেৰে স্কুলখনৰ নামটো লিখা হৈছিল। এইবাৰ আকৌ গেট এখনৰ নামত মাত্ৰ দুটা চাপৰ খুঁটাহে আছিল। স্কুলখনৰ নামটো তাই পঢ়ি চালে—"ত'-মে-গা-কু-এন।" স্কুলখনৰ নামটো পঢ়ি তাৰ অৰ্থ মাকক সুধিব খোজোঁতেই ত'ত্ত'-চ্চানে এনে কিবা এটা দেখিলে যে তাইৰ সপোন দেখা যেন লাগিল। ৰেলৰ দবাত শ্ৰেণীকোঠা! ত'মে স্কুলখনৰ ক্লাছৰুম হিচাপে ছটা ৰেলৰ দবা ব্যৱহাৰ কৰা হৈছিল। নামভৰ্তিৰ বাবে যেতিয়া ত'ত্ত'-চ্চানক প্ৰধান শিক্ষকৰ ওচৰলৈ লৈ যোৱা হ'ল তেতিয়া ছ'ছাকু ক'বায়াশ্বিয়ে প্ৰধান শিক্ষকক ক'লে যে তেওঁ ত'ত্ত'-চ্চানৰ লগত কিছু সময় অকলে কথা পাতিব খোজে। মাকে সকলো কথা কোৱাৰ পাছত ওলাই গ'ল। তাৰ পিছত ক'বায়াশ্বিয়ে তাইক যি ভাল লাগে কৈ যাব দিলে। ত'ত্ত'-চ্চান আচৰিত হ'ল; কিন্তু তাই মনলৈ যি আহে তাকে শিক্ষকজনৰ আগত ক'বলৈ ধৰিলে। তাই এফালৰ পৰা কৈ গ'ল কেনেকৈ তাই চোৰাংচোৱা হ'ব বিচাৰে, কিন্তু লগতে টিকেট বিক্ৰেতাও হ'ব বিচাৰে। সিহঁতৰ পোহনীয়া কুকুৰ ৰ'কিয়ে কিমান কৌশল জানে, তাই কেনেকৈ সাঁতুৰিব পাৰে, তাইৰ নতুন পোছাকযোৰৰ কথা ইত্যাদি যিমানখিনি তাই পাৰে কৈ গ'ল। শিক্ষকজনে কেৱল মাজে মাজে হাঁহে আৰু মূৰ দুপিয়ায়। অৱশেষত ত'ত্ত'-চ্চানৰ কথা শেষ হৈ আহিল। প্ৰায় চাৰি ঘণ্টা সময় একেলেথাৰিয়ে মনোযোগ দি ত'ত্ত'-চ্চানৰ কথাবোৰ শুনাৰ পাছত শেষত তেওঁ তাইৰ মূৰত হাত এখন থ'লে আৰু কেৱল ক'লে, "ঠিক আছে, তুমি এতিয়া এই স্কুলৰ ছাত্ৰী হ'লা।"

ত'ত্ত'-চ্চানে লাহে লাহে দেখিলে যে এইখন

স্কুলৰ কথাবোৰ আনখনতকৈ বহুখিনি বেলেগ। ইয়াত দুপৰীয়াৰ আহাৰ শ্ৰেণীকোঠাত নহয়, সভা ভৱনতহে সকলোৱে মিলি-জুলি খায়। প্ৰাথমিক স্কুলখনত ছাত্ৰ-ছাত্ৰী আছিল পঞ্চাছটামানহে। আহাৰ খোৱাৰ সময়ত প্ৰধান শিক্ষকে সকলোকে সুধিব যে তেওঁলোকে মহাসাগৰৰ পৰা আৰু পাহাৰৰ পৰা কিবা অলপ খাবলৈ আনিছে নে নাই? ত'ত্ত'-চ্চানে পাছত বুজি পালে যে মহাসাগৰ আৰু পাহাৰৰ পৰা কিবা অনা মানে সাগৰীয় খাদ্য, যেনে—মাছ আৰু মাটিৰ খাদ্য শাক-পাচলি, মাংস আদি। বিদ্যালয়খনৰ আটাইতকৈ ব্যতিক্ৰমী কথাটো আছিল ইয়াৰ পাঠবোৰ। প্ৰথম পিৰিয়ডটো দিয়া হৈছিল শিক্ষাৰ্থীৰ পছন্দৰ মতে। অৰ্থাৎ যিয়ে যিটো বিষয় ভাল পায় সেই বিষয়ে পঢ়িব পাৰে। আচৰিত নহয়নে? কোনোবাই বিজ্ঞান ভাল পালে বিজ্ঞান পঢ়িব পাৰে, কোনোবাই জাপানী ভাষা ভাল পালে তাকেই পঢ়িব পাৰে।

দুপৰীয়াৰ আহাৰ খোৱাৰ পাছত আকৌ মজা। এইবাৰ শিক্ষকসকলে ল'ৰা-ছোৱালীবোৰক ফুৰাবলৈ লৈ যাব। ফুৰিবলৈ যোৱা মানে কেৱল চিঞৰ-বাখৰ নহয়, ফুৰিবলৈ যাওঁতে শিক্ষাৰ্থীসকলক ফুলবোৰৰ সৈতে চিনাকি কৰি দিয়া, শাক-পাচলিৰ খেতি দেখুওৱা, প্ৰকৃতিত বস্তুবোৰে কেনেদৰে কাম কৰে শিকোৱা আদিৰে ব্যাৱহাৰিক দিশত ভালেখিনি শিক্ষা প্ৰদান কৰা হয় যাৰ ফলত ব্যাৱহাৰিক দিশতো তেওঁলোকৰ উৎকৰ্ষ সাধন হয়। পিছলৈ ত'মৈত পুথিভঁৰালৰ বাবে আৰু এটা দবা সংযোগ কৰা হৈছিল। তেতিয়া মুঠ দবাৰ সংখ্যা হৈছিল সাতটা। গৰমৰ বন্ধত আকৌ ত'মৈত সকলোৱে এদিন একেলগে তম্বু তৰি থাকে। বন্ধত সকলোৱে তম্বু তৰি ৰাতি একেলগে আকাশত তৰা-জোন চোৱাৰ হয়তো মজাই বেলেগ আছিল। আকৌ গৰমৰ বন্ধ শেষ হোৱাৰ পাছত একেলগে গৰমপানীৰ উহলৈ ভ্ৰমণ! কিন্তু সেইবুলি এনেকুৱা নহয় যে তেওঁলোকে পঢ়া-শুনা কৰা নাছিল। বিভিন্ন বিষয়বস্তুৰ লগত সামঞ্জস্য ৰাখি তেওঁলোকে এনেবোৰ কাৰ্য্যকলাপৰ মাজেৰেই বহু কথা বুজি উঠিছিল।

এনেবোৰ কথাৰ লগতে কিতাপখনত সৰু ল'ৰা-ছোৱালীৰ মানসিকতাও সুন্দৰ ৰূপত প্ৰকাশ পাইছে। শিশুৱে পাৰ্থিৱ জগতখন কেনেদৰে বিশ্লেষণ কৰে, ঘটনাবোৰে তেওঁলোকক কেনেদৰে প্ৰভাৱিত কৰে, তেওঁলোকে কেনেদৰে সকলো কথা সহজ-সৰল দৃষ্টিৰে চায়—আদিবোৰ কথা কিতাপখনত ফুটি উঠিছে। কেনেদৰে ত'ত্ত'-চ্চানে নিজৰ পোহনীয়া চৰাইটো হেৰুৱাই জীৱনত প্ৰথমবাৰৰ বাবে আপোন বস্তু এটা হেৰুওৱাৰ দুখ অনুভৱ কৰিছিল; তাই কান্দোনত ভাগি পৰিছিল। এয়া আছিল হুবহুৰীয়া ছোৱালীজনীৰ ক্ষতি আৰু বিচ্ছেদৰ প্ৰথম অভিজ্ঞতা। আন এটা ঘটনা আছিল এনে ধৰণৰ—ত'ত্ত'-চ্চান আৰু তাইৰ পোহনীয়া কুকুৰ ৰ'কিয়ে খেলি আছিল। সিহঁতে খেলত কাজিয়া কৰি থাকোঁতে ৰ'কিয়ে এক মুহূৰ্তৰ বাবে পাহৰি গ'ল যে এয়া খেল আছিল আৰু জাৰ্মান শ্বেফাৰ্ড ৰ'কিয়ে ত'ত্ত'-চ্চানক সঁচাকৈ কামুৰি দিলে। কাণখন তাইৰ প্ৰায় ছিঙি গ'ল। তাইৰ চিঞৰ-বাখৰ শুনি সকলো দৌৰি আহিল। ত'ত্ত'-চ্চানক হাস্পতাললৈ লৈ যোৱা হ'ল। কান্দি কান্দি হাস্পতাললৈ গৈ থকাৰ সময়ত তাইৰ কেৱল এটাই কথা যে ৰ'কিক খং কৰিব নালাগে, তাই দুখ পোৱা নাই। তাইৰ ভয় হৈছিল, কিজানি ৰ'কিক মাক-দেউতাকে ঘৰৰ পৰা উলিয়াই দিয়ে।

সেই সময়ত ত'ত্ত'-চ্চানৰ লগত একেটা শ্ৰেণীতে পঢ়া তাকাহাশ্বিৰ পলিঅ' হৈছিল। সকলোৱে সি যে আৰু নাবাঢ়ে এই বিষয়ে অৱগত আছিল। ইফালে ত'মৈত বাৰ্ষিক খেল-ধেমালি আৰম্ভ হৈ গৈছিল। এই বিষয়ে ছ'ছাকু ক'বায়াশ্বিয়ো সচেতন আছিল। সেয়েহে তেওঁ সেইবাৰলৈ এনে কিছুমান খেল নিজে উলিয়ালে যে তাকাহাশ্বিয়ে যাতে এনেবোৰ কথাক লৈ হতাশাত নোভোগে। যেনে, ৰীলে ৰেছৰ বাবে তেওঁলোকে সমতল ঠাইত নহয়, চিৰিহে বগাব লাগিছিল। এই চিৰিবোৰ আছিল যথেষ্ট চাপৰ আৰু ঠেক। এবাৰত এটাতকৈ বেছি চিৰি বগালে নিয়ম উলংঘা কৰা হ'ব। ইয়াৰ বাবে খেলুৱৈজন যদি যথেষ্ট ওখ হয় আৰু ভৰি যদি ডাঙৰ হয় কামটো যথেষ্ট টান হৈছিল। কিন্তু

তাকাহাশ্বিৰ বাবে এয়া সহজ হৈ পৰিছিল। সেইবাৰলৈ তাকাহাশ্বিয়ে নিজ শ্ৰেণীত সকলোতকৈ বেছি পুৰস্কাৰ পালে আৰু সকলোৱে কেৱল এটাই কথা হৈ পৰিল যে অহাবাৰলৈ তেওঁলোকে তাকাহাশ্বিক খেলত হৰুৱাব।


স্কুলখনত পাঠ্যপুথিৰ অধ্যায়বোৰৰ মাজতে আবদ্ধ নাৰাখি ছাত্ৰ-ছাত্ৰীসকলক দৈনন্দিন জীৱনত প্ৰয়োজনীয় কথা শিকোৱা হৈছিল। তেওঁলোকক খেতি কেনেদৰে কৰা হয়, বিভিন্ন খাদ্যবস্তু ৰন্ধাৰ নিয়মৰ পৰা কাপোৰ চিলোৱালৈ নানা বিষয়ৰ শিক্ষা প্ৰদান কৰা হৈছিল। সেই সময়ত ছ'ছাকু ক'বায়াশ্বিয়ে ত'ত্তʼ-চ্চানক কোৱা "তুমি সঁচাকৈয়ে এজনী ভাল ছোৱালী" কথাষাৰে ত'ত্ত'-চ্চানক পাছলৈ ভৱিষ্যৎ জীৱনত নিজৰ ওপৰত বিশ্বাস গঢ়ি তোলাত সহায় কৰিছিল। শিক্ষকজনে ত'মৈত থকা সময়ছোৱাত এই মূল্যবান কথাফাকি বাৰে বাৰে পুনৰাবৃত্তি কৰিছিল। কথাষাৰে ত'ত্ত'-চ্চানৰ মনত বাৰুকৈয়ে সাঁচ বহুৱাইছিল আৰু তাইৰ গোটেই জীৱনৰ পথ নিৰূপণ কৰি দিছিল।

ছ'ছাকু ক'বায়াশ্বি অৰ্থাৎ ত'ত্ত'-চ্চানহঁতৰ প্ৰধান শিক্ষকজনৰ জন্ম হৈছিল ১৮৯৩ চনৰ ১৮ জুনত টকিঅ'ৰ উত্তৰ-পশ্চিম অঞ্চলত। ছ'ছাকু ক'বায়াশ্বিয়ে কেইবাবছৰো ইউৰোপৰ স্কুলবোৰ পৰিদৰ্শন কৰিছিল। তেওঁ বিভিন্ন দেশবোৰৰ পৰা শিকি-বুজি নিজ পদ্ধতিৰে ত'মৈ স্কুলখন প্ৰতিষ্ঠা কৰিছিল। তেওঁ শিক্ষকসকলক প্ৰায়েই কৈছিল যে ল'ৰা-ছোৱালীবোৰক পূৰ্ব নিৰ্দ্ধাৰিত সাঁচত পেলাই গঢ়াৰ চেষ্টা কৰিব নালাগে। "সিহঁতক প্ৰকৃতিৰ হাতত এৰি দিয়ক।" তেওঁ কৈছিল, "সিহঁতৰ আকাংক্ষাবোৰ চেপা মাৰি নধৰিব। আপোনালোকৰ সপোনতকৈ সিহঁতৰ সপোন ডাঙৰ।" ১৯৩৭ চনত স্থাপিত হোৱা 'ত'মৈ গাকু-এন' ১৯৪৫ চনত তেৎছুকো কুৰ'য়ানগি অৰ্থাৎ ত'ত্ত'-চ্চানহঁতে পঢ়া স্কুলখন বিমান আক্ৰমণত জুই লাগি ধ্বংস হৈ গৈছিল। সেই সময়ত দ্বিতীয় বিশ্বযুদ্ধ চলি আছিল। সৌভাগ্যবশতঃ সেই সময়ত স্কুলখনত কোনো লোক উপস্থিত নাছিল।

ছ'ছাকু ক'বায়াশ্বিয়ে পুনৰ নিজৰ আদৰ্শৰ স্কুলখন প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল যদিও স্কুলখন পুনৰ প্ৰতিষ্ঠা কৰাৰ আগতেই ঊনসত্তৰ বছৰ বয়সত তেওঁৰ মৃত্যু হৈছিল। মানুহজনে ওৰেটো জীৱন নতুন প্ৰজন্মৰ সুচিন্তা কৰিয়ে কটাইছিল। স্কুলখন নিজৰ চকুৰ আগত জ্বলি থকা তেওঁ দেখিছিল। তেতিয়া তেওঁ সকলোকে কৈছিল, "আমি আকৌ লগ হ'ম দেই।" তেওঁ ভাগৰি পৰা নাছিল। তেওঁ চিন্তা কৰিছিল শিশুসকলৰ ভৱিষ্যতৰ বাবে। শিক্ষক এজনে একোজন ব্যক্তিৰ জীৱনত কেনেদৰে প্ৰভাৱ পেলায়, সেয়া কিতাপখনত স্পষ্টভাৱে প্ৰকাশ পাইছে। এতিয়াও এনেকুৱা ছ'ছাকু ক'বায়াশ্বি পৃথিৱীত বহুতো আছে। আচলতে এনে একোজন ব্যক্তিৰ বাবেই পৃথিৱীখন ধুনীয়া ! ❖



**ৰক্তিম তহবিলদাৰ,** চতুৰ্থ শ্ৰেণী



**ছালমা ৰায়হান ইছলাম,** সপ্তম শ্ৰেণী

# ক'ভিডত মৃত্যু হোৱা লোকৰ স্মৃতিত


■ অপৰাজিতা বৰা
উপাধ্যক্ষা

(১)

চকুৰ পচাৰতে
আলি-কেঁকুৰিটোত
তেওঁ
নোহোৱা হ'ল।
ৰৌদ্ৰোজ্জ্বল হাঁহিটো
তেওঁৰ
লগতে গ'ল।

(২)
বুকু আঁজুৰি বৈ যায়
শোকৰ নৈ
নিস্তব্ধতাৰ অৰণ্যত
জীৱনৰ
টনা-আঁজোৰা।

(৩)
মৌন সময়
নিথৰ ওঁঠ
আকাশো আজি
শৰবিদ্ধ।




(৪)
ঘৰতে থাকক
সুৰক্ষিত থাকক
অহৰহ বাজে শ্ল'গান
নাই কেৱল
জীৱনৰ গান।

(৫)
কোভিশ্বিল্ড কোভাক্সিনৰ পৃথিৱীত
জীৱন বচোৱাৰ
অবিৰাম যুঁজ
নিৰুপায় পৃথিৱী
নিৰুপায় মানুহ।। ❖

# অ' পখী

■ অসীম কৃষ্ণ বৰুৱা
শিক্ষক, সমাজ বিজ্ঞান বিভাগ




এক ব্ৰহ্মাণ্ড নক্ষত্ৰ-গ্ৰহ-উপগ্ৰহ
তাৰ পিছত সেই এটাই সূৰ্য্য এটাই চন্দ্ৰ
উদয় অস্ত অমাবস্যা পূৰ্ণিমাৰ চক্ৰবৎ
স্থিতিশীল অৰণ্যত গতিশীল গছ
সুবিধা এটাই যে কিছুমান গছৰ
বীজৰ পৰা আকৌ গজে গছ
কিছুমান শিপা তললৈ সোমাই যায়
ডালবোৰে আবৰে আকাশ
তাতে লয় পখীয়ে বাহ

কিছুমান পখী পৰিভ্ৰমী
নিগাজীকৈ থকা পখীৰ সুবিধা নথকা নহয়
সুখৰ-দুখৰ ঋতুত বাহ এটা থাকে
পৰিভ্ৰমী পখীৰ সুখৰ-দুখৰ ঋতু থাকেনে
থাকে থাকে আমি চাগে' গম নাপাওঁ
আকৌ বনজুইত বহু পখী যায় জাহ

কিছুমান পখী ঘূণীয়া হৈ ৰয় আজীৱন
তেনে ঘূণীয়া পখী এটা সিদিনা
মোৰ পদূলিৰ নাহৰজোপাতে আহি পৰিল
পৰিভ্ৰমী পখীয়েই হ'ব ই
মই বোলো থাকচোন থাক নেযাবি উৰি
খুদকণ দিম বাহো দিম সাজি


মই যাকে যেনেকৈ পাওঁ ক'লো বোলো
পখী এটা আছে মোৰ নিজৰ
এদিন সি নৈখন পাৰ হৈ উৰি যে গ'ল
নাহিল আৰু উভতি সিপাৰৰ পৰা

এতিয়া মানুহবোৰে সুধি থাকে
ভালে আছেনে পখী মোৰ সখী
মই বোলো পৰিভ্ৰমী সখী
আহিব আকৌ উৰি-ঘূৰি
বুকুতে সাজি থৈছোঁ বাহ
হাতৰ তলুৱাত খুদকণ লৈ
সিপাৰলৈ চাই আছোঁ ৰৈ। ❖



# আঙুলি

■ পংকজ দত্ত
শিক্ষক, বিজ্ঞান বিভাগ



আঙুলিৰ কাৰচাজি, আঙুলিৰ মূৰৰ ফাঁক
বৰ নিৰ্মম
আঙুলিৰ ফাঁকেৰে সৰি পৰে ভাগ্য
আঙুলিৰ কাৰচাজিত ভূ-লুণ্ঠিত হয়
ৰাজকাৰেঙৰ শতিকাজোৰা অভিমান

প্ৰবঞ্চনাৰ বৰ পোহাৰ, পানী-শেলুৰৈৰ দৰত সুলকি পৰে
বজ্ৰমুষ্টি, নিৰ্ঘাত নিচান

সিন্ধু অৱশ্যেই বিন্দু

অনাৱশ্যক পৰম্পৰাত আবদ্ধ কিছু স্বকীয় আঙুলি
টোঁৱাবৰ নাই প্ৰয়োজন
বান্ধিবৰে নাই প্ৰয়োজন
ব্যাখ্যা মাথোঁ আত্ম সমৰ্থন

এই যে অতিপুৰুষ,
জ্ঞানচক্ষু, ধৰ্মচক্ষুৰো অগোচৰ

নিজৰ কলংকৰ চোলা আনক পিন্ধাই
সকলো চিকুণ।

এয়া কেনে পৱিত্ৰতা
এয়া কেনে ঐশ্চৰ্য্য
যাৰ আঁৰত কোৱাভাতুৰীয়ো হয় বৰগছ

এটা ৰক্তাভ বগৰী ঘূৰি ফুৰে ডলা এখনৰ
ইকানে সিকানে
ডলাত চাব মাৰে প্ৰিয়-অপ্ৰিয় সকলোৰেই
কিছু চতুৰ আঙুলিৰ অবাঞ্ছিত ভংগিমাত
ঠুৰিগত হয় অসহায় বগৰী

বাঘ-সিংহৰ অমোঘ চকুত
ঘঁৰিয়ালৰ চকুপানী অনাকাংক্ষিত
এটোপ এটোপ জমা হৈ পূৰ্ণ হয়
সনাহী কলহ

সৰলতাৰো থাকে কিছু অশুভ দ্যুতি
হয়তো সূৰ্য্যগ্ৰহণো অবধাৰিত
সূৰ্য্যৰ গ্ৰহণত ৰাহু-কেতুৰ লগত
ভাস্বৰ নক্ষত্ৰৰ মিতিৰালি
কিম্ভূত কিমাশ্চৰ্য্যম !
ক্ষণিক মৌনতাৰ আঁচলৰ আঁৰত ৰচিত হয়
অভিশপ্ত সময়ৰ সুদীৰ্ঘ ইতিহাস

প্ৰতিকামী এক অজুহাত মাত্ৰ
ৰক্ত ৰঞ্জিত দলিচাত এটি ফিৰিঙতিয়েই যথেষ্ট
তেজৰ ৰঙো ৰঙা, জুইৰ ৰঙো
চুলিৰ ৰঙো ৰঙা হ'ব এদিন
আঙুলিৰ ফাঁকেৰে নামি আহিছে
হেঁপাহৰ বৃন্দাবন। ❖

# বনৰীয়া আমি বনৰ চৰাই

■ উদয়া ফুকন
**শিক্ষয়িত্ৰী, বিজ্ঞান বিভাগ**

আমাৰ সুন্দৰ ধৰণীৰ এক অনন্য সৃষ্টি হ'ল বিহগ। আমি পখী, পক্ষী, পতংগ, বিহংগম আদিৰে এই সুন্দৰ সৃষ্টিক বুজাওঁ। পাখিৰে আবৰা দেহটো দুখনি ডেউকা কোবাই উৰি যায় নীলিমালৈ। সেয়েহে সকলো মানুহে চৰাইৰ দৰে আকাশত উৰাৰ হেঁপাহ মনত পুহি ৰাখে। নানা ৰঙৰ পাখিৰে ঢকা দেহ, মধুৰ গুঞ্জনেৰে পখীয়ে মানুহৰ মন জয় কৰে। কণমানি ঠোঁটটোৰে সাজি লোৱা কিছুমান বাহে সঁচাকৈয়ে আকৰ্ষিত, বিস্মিত কৰে মানুহৰ মন। দোকমোকালিৰে পৰা মুনিচুনি বেলালৈ পখীৰ গুঞ্জনে চাৰিও দিশ মুখৰিত কৰি তোলে। পখীৰ কাকলিত পৃথিৱীয়ে সাৰ পায়। মানুহৰ মন পুলকিত হয়। গছ-বিৰিখেই বিহগৰ আবাস। সেয়েহে ঠোঁটেৰে ফলৰ বীজ কঢ়িয়াই সিঁচৰতি কৰি নতুন বীজ অংকুৰণত সহায় কৰি গছ-লতিকাৰ সংখ্যা বঢ়ায়। অনিষ্টকাৰী কীট-পতংগ খাই বৃক্ষক সযতনে ৰাখে। পক্ষী সেয়েহে প্ৰকৃতিৰ শোভা, বনানিৰ বন্ধু। সেইবাবে মানুহে পক্ষীকুলক ৰক্ষণাবেক্ষণ দিয়ে। মুক্ত বিহংগমক সজাত আবদ্ধ কৰা মানুহৰ সংখ্যা কমি আহিছে। কাৰণ পক্ষীকো এক স্বাধীন জীৱন লাগে। প্ৰকৃতি শুৱনি বিহগে গীতত ঠাই পাইছে—ই লাগিলে ৰঙত ক'লাই হওক বা বগা, দেহ ডাঙৰেই হওক বা সৰু। তাৰে কেইটামান গীতৰ কথা মনলৈ আহে। দেখাত সুন্দৰ নহ'লেও কাউৰীজনীৰো গুৰুত্ব মানুহে উপলব্ধি কৰে। সেয়েহে গীতত গায়—



"কলৰে পাততে কাউৰী পৰে
আগলতি চিত মোৰ লৰে-চৰে..."



একেদৰে ধকধকীয়া বগা বগলীজাক আকাশত উৰি গ'লে শিশুৱে গীত গাই মাতে—

"বগলী বগা ফোট দি যা
ক'লা ফোট নেলাগে এন্ধাৰৰ
গোসাঁইৰে কপালত..... বগা ফোট দি যা।"

ঘৰচিৰিকাই মানুহৰ ঘৰত বাহ সাজি থাকে, চোতালত জঁপিয়াই শইচ বিচাৰি খায়। গীতিকাৰে গীত ৰচে, গায়কে কণ্ঠত নিগৰায়—

"মুখত দুডাল দূবৰিবন দুডাল খৰিকা
মোৰ চোতালত ওমলহি অ' ঘনচিৰিকা।"



ঘৰচিৰিকাৰ নাম ল'লে মনলৈ আহে লগৰী শালিকাজনীৰ কথা। সেইবাবে শালিকীয়েও গীতত ঠাই পায়—

"শালিকী অ', অবুজন চৰাইজনী
তৰা তাঁতত পৰি
কেলেই ছিঙিলিহি সূতা"

গছৰ ডালে ডালে নানা ৰং-বিৰঙৰ পখীয়ে জঁপিয়াই ফুৰে। চিনাকি-অচিনাকি এই পখীবোৰৰ এজনী হ'ল বুলবুলি। বুলবুলিক লৈ গীতত গায়—

"ডালে ডালে গায় কুলি বুলবুলি
কণ কণ গাভৰুৰে খোপা
অ' খোপা যায় খুলি...
গায় বুলবুলি।"

এবিধ সুৰীয়া মাতৰ চৰাই হ'ল বনৰ মইনা। মানুহৰ মাত শুনি অবিকল কথা আওৰোৱা চৰাই মইনা।

মানুহে সজাত বন্দী কৰি মাত শিকাই আমোদ পায়। মুক্ত কণ্ঠে বনত সুহুৰিওৱা মইনাক লৈ গীতত গায়—

"মইনা চৰাইটি
মাত মাত মাত মিঠা মাতটি।"

পুৰা জুৰ মলয়া বয়। ফুলৰ মেলা জকমকীয়া হৈ পৰে। সেয়েহে গীতত পখীয়ে ঠাই পায়—

"ফুলৰে মেলাতে
পখীয়ে গীত গায়
মৌ মাখি গুণ গুণ..."

দুপৰ বেলাত নানা তৰহৰ চৰাইৰ গুঞ্জনে বেলা গহীন কৰি তোলে। কপৌ চৰায়ে তাতে কুৰুলি পাৰে। কপৌৰ কুৰুলি শুনি মানুহৰ মনত ভাবৰ জোৱাৰ উঠে, এই কথা গীতত প্ৰকাশ পায়—

"কপৌ কুৰুলিয়াই বনত
কপৌ কুৰুলিয়াই মনত
বুকুৰে ভিতৰত কিহে কুৰুলিয়াই..."

চিৰিছ গছৰ ঘন পাতত দুপৰৰ বেলিৰ ছাঁ-পোহৰৰ খেলা, তাতে ফুলৰ শোভাই আকাশ জিলিকাই তোলে। শিৰীষ গছৰ ডালত লুকা-ভাকু খেলি থকা অনামিকা বিহগৰ বাবে গায়কে কণ্ঠ নিগৰায়...

"সৌ শিৰীষ ডালত পৰি এজনী চৰাই
আছেহি লুকাই
আছেহি লুকাই
তাইৰ পাখিৰ পোহৰ পৰি কজলা পাতৰ..."

বেলি ডুবিবৰ হয়। আকাশৰ ৰঙচুৱা ৰঙে পখীক ঘৰমুৱা হোৱাৰ ইংগিত দিয়ে। সন্ধিয়াৰ আকাশত ঘৰমুৱা বগলীজাকে কাৰোবাৰ মন ব্যথাৰে ভৰায়। গীতত প্ৰকাশ হয় বিষাদৰ সুৰ—

"সন্ধিয়াৰ আকাশত বগলী উৰে
আইৰে ঘৰলৈ মনতে পৰে।"

ঘৰমুৱা পখীয়ে আটোম-টোকাৰিকৈ সজা বাহত জিৰায়। পখীৰ কাকলি নিজম পৰে। সেয়েহে এটা গীতৰ সৃষ্টি হয়—

"ঘৰমুৱা পখীটিৰ
কাকলি নিজম হ'ল
এতিয়া কিমান ৰাতি
কোনে জানে।"

অতি শান্ত প্ৰকৃতিৰ চৰাই কপৌ আৰু পাৰই শান্তিৰ বতৰা দিয়ে। গীতিকাৰে পাৰ চৰাইক শান্তি-সম্প্ৰীতিৰ দূত হিচাপে চিত্ৰিত কৰে—

"পাৰৰ পাখিত গাঁঠি দিলোঁ
ফুলাম চিঠিখনি
জনাওঁ বুলি জগতখনক
বিহুৰ ওলগনি।"

ঋতুৰে ঋতুৰে প্ৰকৃতিৰ বৰণ সলনি হয়। বসন্ত কালত গছে কুঁহিপাত মেলে, ফুল ফুলে, প্ৰকৃতিয়ে ন ৰূপ ধাৰণ কৰে। ঋতুৰ নতুন ৰূপত কুলি-কেতেকীয়ে অমাতৰ মাতে বিহুৰ বতৰা আনে। এনে এটা গীত হ'ল—

"কুলি কেতেকীয়ে ইনালে-বিনালে
মৰমী বিহুটিৰ
কথাকে ক'লে।"

আমাৰ কণমানি শিশুহঁতে চৰাই ভাল পায়, উমলিবলৈ বিচাৰে। গীতত তাৰে প্ৰকাশ—

"বনৰে পখীটি
তোমাৰ লগৰীয়া আমাৰে জোনটি
সোণটি অ' অ' জোনটি।"



পখীকুলে ধৰাৰ শোভা বঢ়োৱাই নহয়, ই জীৱকুলৰ মাজত এক পাৰস্পৰিক সম্পৰ্ক স্থাপনৰ যোগেদি প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰি আহিছে। সেই পক্ষী সকলোৰে মৰমৰ। বনৰ পখীক আমি বনতে শান্তিত থাকিবলৈ দিব লাগে। সেয়েহে সকলো বিহগৰ হৈ গাওঁ—

"বনৰীয়া আমি বনৰ চৰাই
বনে বনে ফুৰোঁ অনাই বনাই...।" ❖

# ভাৰতীয় মহিলা আৰু খেল

■ অপৰ্ণা দেৱী
শিক্ষয়িত্ৰী, সমাজ বিজ্ঞান বিভাগ



ভাৰতীয় মহিলাৰ খেল-ধেমালিত অংশগ্ৰহণৰ ক্ষেত্ৰত এক দীঘলীয়া ইতিহাস আছে। সেই ইতিহাসৰ পম খেদি আমি গম পাওঁ যে প্ৰাচীন কালত ভাৰতীয় মহিলাই খেল-ধেমালিত অংশগ্ৰহণ কৰা দূৰৰ কথা, খেল এখন উপভোগ কৰাৰ সুবিধাৰ পৰাও বঞ্চিত হ'বলগীয়া হৈছিল। অলিম্পিক গেমছৰ ক্ষেত্ৰতো দেখা যায় যে ১৮৯৬ চনত এথেন্সত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা অলিম্পিক গেমছত অকল ভাৰতীয় মহিলাই নহয়, কোনো মহিলায়েই অংশগ্ৰহণ কৰা নাছিল। ১৯০০ চনৰ পৰাহে আচলতে আধুনিক অলিম্পিক গেমছত মহিলাই অংশগ্ৰহণ কৰিবলৈ লয়। প্ৰথম অৱস্থাত অলিম্পিক গেমছত মহিলাসকলে মাত্ৰ দুটা খেলতহে অংশগ্ৰহণ কৰিছিল। সেইখন অলিম্পিকত বিশ্বৰ ভিতৰতে মাত্ৰ বাইছগৰাকী মহিলাই অংশগ্ৰহণ কৰিছিল। ১৯০৪ চনৰ অলিম্পিকত আকৌ মাত্ৰ চাৰিগৰাকী মহিলাই তিনিটা খেলত অংশগ্ৰহণ কৰিছিল। সময়ৰ অগ্ৰগতিৰ লগে লগে অলিম্পিক খেলত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি পাবলৈ ধৰিলে। প্ৰায় এশ বছৰৰ পাছত ২০০০ চনৰ চিডনী অলিম্পিকত মহিলাৰ অংশগ্ৰহণ ৪০৬৯ গৰাকীলৈ বৃদ্ধি পালে। সেই অলিম্পিকত ১৯৯ খন দেশৰ দহ হাজাৰ পাঁচশ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল আৰু তাৰ ভিতৰত ৩৮.২ শতাংশ মহিলা আছিল। সেই সময়ত মহিলাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত সেই হাৰে অভিলেখ সৃষ্টি কৰিছিল। ২০০৮ চনত বেইজিঙত অনুষ্ঠিত হোৱা অলিম্পিক খেলত ২০৫ খন দেশৰ দহ হাজাৰ সাতশ খেলুৱৈৰ ভিতৰত চাৰি হাজাৰ ছশ সাতত্ৰিছগৰাকী মহিলাই অংশগ্ৰহণ কৰিছিল। ২০০৮ চনৰ অলিম্পিকত ২৬ গৰাকী মহিলা খেলুৱৈয়ে ভাৰতৰ পৰা অংশগ্ৰহণ কৰিছিল। ১৯৫২ চনত অনুষ্ঠিত হোৱা অলিম্পিকত ভাৰতক প্ৰতিনিধিত্ব কৰি চাৰিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ২০০০ চনৰ চিডনী অলিম্পিকত ভাৰোত্তোলনত ব্ৰঞ্জৰ পদক লাভ কৰা প্ৰথমগৰাকী মহিলা আছিল কৰণাম মালেশ্বৰী। ২০১২ চনৰ লণ্ডন অলিম্পিকত, চাইনা নেহৱাল আৰু এম.চি. মেৰীকমে একোটিকৈ ব্ৰঞ্জ মেডেলেৰে ভাৰতলৈ সুনাম কঢ়িয়াই আনিছিল। ১৯৮৪ চনৰ অলিম্পিকত যদিও পি.টি. ঊষাই পদক লাভ কৰিব পৰা নাছিল, কিন্তু তেওঁ পাৰদৰ্শিতা বা দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। মুঠতে ভাৰতীয় মহিলা খেলুৱৈৰ এখন দীঘলীয়া তালিকা আছে, যিখন তালিকাত কমনৱেলথ গেমছ, এছিয়ান গেমছ, চাফ্ গেমছ আদিত বিভিন্ন পদক প্ৰাপ্তিৰে সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

অতীজৰে পৰা আমাৰ সমাজত কিছুমান সামাজিক সমস্যা চলি আহিছে। সেই সামাজিক সমস্যাসমূহৰ ভিতৰত এটা অন্যতম সামাজিক সমস্যা হ'ল লিংগ বৈষম্য। খেল-ধেমালিৰ মাজতো লিংগ বৈষম্য পৰিলক্ষিত হোৱা দেখা যায়। আজিও আমাৰ সমাজত নাৰীতকৈ কিছুমান ক্ষেত্ৰত পুৰুষক অধিক প্ৰাধান্য দিয়া হয়। বিভিন্ন খেলৰ লগতে খেল-

ধেমালিকেন্দ্রিক সা-সুবিধাৰ ক্ষেত্রতো পুৰুষ আৰু মহিলাক সুকীয়াকৈ বিবেচনাৰ আওতালৈ অনা হয়।

আমাৰ সমাজত চলি থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আদিয়েও খেলৰ জগতখনত সোমাই আহুকালৰ সৃষ্টি কৰা দেখা যায়। ভিন্ন লোকৰ ভিন্ন দৃষ্টিভংগীয়ে পুৰুষ আৰু মহিলাৰ মাজত থকা অসমতা প্রকট কৰাত সহায় কৰি আহিছে। আমাৰ সমাজৰ এচাম লোকে আজিও যুৱতীসকলৰ জীৱনৰ মূল উদ্দেশ্য বিবাহপাশত আবদ্ধ হোৱা বুলি গণ্য কৰে। আন এচাম লোকে আকৌ মহিলাসকলক সন্তান জন্ম দিয়া এটা যন্ত্র হিচাপে গণ্য কৰে। পৰিৱৰ্তিত সময়ৰ লগে লগে খেলৰ জগতত মহিলাৰ প্রৱেশ বা অংশগ্ৰহণ বাঢ়ি গৈ আছে। আমাৰ সকলোৰে বাবে ই এক শুভ সংবাদ।

আমাৰ চলিত সমাজ ব্যৱস্থা, আমাৰ পাৰিবাৰিক ব্যৱস্থাৰ ক্ষেত্রত আমি কিছুমান ৰীতি-নীতি, পৰম্পৰা পৰিহাৰ কৰি যুৱতী/মহিলাসকলক আগুৱাই লৈ যাবলৈ চেষ্টা কৰিব লাগিব। উদাহৰণস্বৰূপে, মহিলাসকলক পাৰিবাৰিক দায়িত্বৰ পৰা কিছু পৰিমাণে অব্যাহতি দিলে, আগ্রহী মহিলাসকলে খেল-ধেমালিৰ সৈতে জড়িত হোৱাৰ সুযোগ গ্ৰহণ কৰিব পাৰিব। আমাৰ পুৰুষপ্রধান সমাজ ব্যৱস্থাত মহিলাসকলৰ আত্মবিশ্বাসৰ স্তৰটো কিছু দুৰ্বল। মহিলাসকলক আত্মবিশ্বাসী কৰি তুলিব পাৰিলে ঘৰুৱা কাম-কাজৰ লগতে বাহিৰা জগতখনৰ সৈতে আৰু বাহিৰা জগতখনৰ মানুহৰ সৈতে মিলা-মিচা কৰাৰ সুবিধা পাব। খেলৰ পৃথিৱীত আত্মবিশ্বাস এটা অতি গুৰুত্বপূর্ণ অৱদান। খেলৰ সা-সুবিধাসমূহ মহিলাসকলৰ বাবে সহজে উপলব্ধ নহয়। যুৱতী বা মহিলাসকলৰ বাবে খেলা-ধূলা কৰাৰ সা-সুবিধাসমূহ নিজে থকা ঘৰৰ ওচৰে-পাঁজৰে থাকিলে খেলসমূহৰ অনুশীলন কৰা সহজ হয়। দেখাত বা শুনাত কথাবোৰ তেনেই সহজ যেন লাগিলেও, সেই কথাবোৰৰ এক সুদূৰপ্রসাৰী প্রভাৱ নিশ্চয় থাকে। খেলা-ধূলা কৰিবৰ বাবে যুৱতী বা মহিলাসকল এঠাইৰ পৰা আন ঠাইলৈ অহা-যোৱা কৰাৰ ক্ষেত্রত নিৰাপত্তা, সুৰক্ষাৰ প্ৰয়োজন হয়। বিশেষকৈ মহিলাসকলেই বিভিন্ন অপমান, অপবাদৰ মুখামুখি হ'বলগীয়া হয়। যুৱতী, মহিলাসকলৰ কিছুমান অভিভাৱকেও নিৰাপত্তা, সুৰক্ষাৰ কথা ভাবি তেওঁলোকৰ সন্তানসকলক খেল-ধেমালিত অংশ লোৱাৰ পৰা বিৰত ৰাখে।

প্রচলিত সমাজ ব্যৱস্থাই সমাজৰ বিভিন্ন দিশত প্রভাৱ বিস্তাৰ কৰে। আমাৰ দেশত, আমাৰ ৰাজ্যত প্রচলিত সমাজ ব্যৱস্থাই মহিলাসকলক খেল-ধেমালিত অংশগ্ৰহণ কৰাৰ ক্ষেত্রত সকলো লোকে বিশেষ উৎসাহিত কৰা পৰিলক্ষিত নহয়।

আমাৰ দেশত মহিলা প্ৰশিক্ষকৰ (women coach) সংখ্যা কম। যুৱতী, মহিলাসকলে মহিলা প্ৰশিক্ষকৰ পৰা প্ৰশিক্ষণ গ্ৰহণ কৰাৰ ক্ষেত্রত বেছি আগ্রহী হয়। কিন্তু পৰ্য্যাপ্ত মহিলা প্ৰশিক্ষকৰ অভাৱৰ বাবেও বহুতো মহিলাই খেলা-ধূলাত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থকা দেখা যায়।

কিছুমান সমস্যা সমাধানৰ ক্ষেত্রত সজাগতাৰ অভাৱ দেখা যায়। সজাগ আৰু সচেতন লোকসকলেহে খেল-ধেমালিৰ মূল্য অনুধাবন কৰিব পাৰে। খেল-ধেমালি যে শিক্ষাৰে এটা অংগ সেই কথা বহু লোকে অৱজ্ঞা কৰে। যাৰ ফলত যুৱতী, মহিলাসকল খেলা-ধূলাত জড়িত নোহোৱাকৈ থাকে।

পুৰুষপ্রধান খেল-সংস্কৃতিয়ে আমাৰ দেশৰ মহিলাসকলক খেল-ধেমালিত অংশগ্ৰহণ কৰাৰ প্রতি কম আকর্ষিত কৰা দেখা যায়।

আমাৰ দেশত খেলা-ধূলাত মহিলাসকলৰ অধিক অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে প্ৰত্যেকেই যত্নপৰ হ'ব লাগিব। টকিঅ' অলিম্পিকত (২০২০ চনৰ) বিজয়ীৰ মুকুট পিন্ধি অসম তথা ভাৰতলৈ সন্মান, গৌৰৱ কঢ়িয়াই অনা লাভলীনা বৰগোহাঁইৰ পদাংক অনুকৰণ কৰি গাঁও-ভূঁই, চহৰ-নগৰ সকলোৰে পৰা ওলাই আহক যুৱতী আৰু মহিলাসকল। আমাৰ ৰাজ্য, আমাৰ দেশৰ খেলা-ধূলাৰ যি মান, সেই মান দিনৰ পিছত দিন ঊৰ্দ্ধগামী হৈ গৈ থাকক। পুৰুষ-মহিলা উভয়ে খেলা-ধূলাত সমানে মনোযোগ দিয়াৰ সময় সমাগত। ❖

# হাৱাই ছেণ্ডেলৰ ফিটা

■ ধ্রুৱ শৰ্মা
শিক্ষক, সমাজ বিজ্ঞান বিভাগ



অভাৱত থাউনি নোপোৱা এখন ঘৰ। পৰিয়ালত পিতাক, মাক আৰু তেওঁলোকৰ চাৰি সন্তান। খোৱা-বোৱা অতি সন্তৰ্পণে চলাই নিবলগীয়া হয়। ঘৰত কিবা-কিবি উৎপাদন হয়। যিখিনি বস্তুৰ বজাৰত দামেই নাছিল, সেইখিনি সকলোৱে মিলি হেঁপাহেৰে খাইছিল। প্ৰতিটো পুৱাই আৰম্ভ হৈছিল বিভিন্ন অভাৱেৰে। অভাৱ সকলোৰেই থাকে। ভুক্তভোগীয়েহে বুজে কোনবোৰ অভাৱৰ তাড়না কিমান বেছি !

কণ ঘৰৰ সৰ্বকনিষ্ঠ। আনবোৰৰ তুলনাত কথাবোৰ বুজি নাপায়। নুবুজাটো স্বাভাৱিক। বাকীবোৰৰ ত্যাগো নুবুজে।

অভাৱ(!) সামৰিব নোৱৰা পিতাকৰ চিন্তা। সন্তানক শিক্ষিত কৰাৰ। ভাগি নপৰাৰ বাবে যেন দৃঢ় প্ৰতিজ্ঞ ! পুৱাই সেই চিন্তাকে মূৰত লৈ ওলাই যায়। পেচাত তেওঁ এগৰাকী সাধাৰণ দৰ্জী। সাধাৰণ মানে তেনেই সাধাৰণ। তেৱেঁই বিভিন্ন সময়ত বিভিন্নজনৰ আগত কৈছিল, “মই মেখেলা-চাদৰ, সাধাৰণ চোলা-পাইজামা চিলোৱা এজন সাধাৰণ দৰ্জী।” কিন্তু বুজাই ঠিকেই বুজিছিল তেওঁ সাধাৰণ হৈয়ো যে অলপ বেলেগ আছিল।

হাৱাই ছেণ্ডেল। প্ৰত্যেকৰে এযোৰকৈ আছিল। দিনত পিন্ধাই নাছিল। ৰাতি খেৰৰ শেতেলিত পৰাৰ আগেয়ে ভৰি ধুই অলপ সময়ৰ বাবে ব্যৱহাৰ কৰিছিল। অতি সযতনে ৰাখিছিল। বহুদিন গৈছিল। হ'লেও বাটা কোম্পানীৰ ছেণ্ডেল নাছিল নহয়। সস্তীয়া ছেণ্ডেলহে আছিল। যত্নৰ বাবেহে ইমান দিন গৈছিল !

ছেণ্ডেলৰ ফিটা ছিগে। বুধবৰীয়া হাটলৈ গৈ সলাই লয়। সমস্যাটো হ'ল দুয়োপাট ফিটা একেলগে নিছিগে। সেই কাৰণে কেতিয়াবা দুয়োপাট ছেণ্ডেলৰ ফিটা ভিন্ন ৰঙৰ হয়। কেতিয়াবা জোখৰ ফিটা নাপালে আৰু পয়মাল হয় ! ছেণ্ডেলৰ ফিটাতো যেন অভাৱৰ পূৰ্ণ আঁচোৰ।

কণৰ ছেণ্ডেলৰ ফিটা ছিগিল। তাতে আকৌ এপাটৰ। হাটলৈ মাজত কেইটামান দিন আছে। পিতাকক ইতিমধ্যে কণে কৈয়ে থৈছে। বুধবৰীয়া হাটলৈ গৈ সি হেনো ছেণ্ডেলৰ ফিটা লগাব। তাক পইছা লাগিব। পিতাকেও হ'ব বুলিয়ে কৈছিল। এইকেইদিনত কণৰ ছেণ্ডেলৰ ফিটাপাট মৰাপাটৰ ৰছী, মাকৰ কপাহী চাদৰৰ পাৰি আদিৰে চলিব পৰাকৈ পৰিয়ালৰ কোনোবাই ঠিক কৰি দিছিল।

মঙলবাৰ। পিছদিনাই হাট। অভাৱত থাকিলেও

কণে চাফ-চিকুণকৈ থাকি ভাল পাইছিল। ছেণ্ডেলযোৰ ভালকৈ ধুই ৰ'দত শুকুৱাই থৈছিল। ৰাতি শেতেলিলৈ যাওঁতে আন কাৰোবাৰ ছেণ্ডেল ব্যৱহাৰ কৰিছিল। বিছনাত পৰোঁতে পিতাকক সি হাটলৈ গৈ ছেণ্ডেলৰ ফিটা লগোৱাৰ কথা কৈ পইছা বিচাৰিছিল। পিতাকে কণক হাটলৈ যাব নালাগে বুলি কৈছিল আৰু তেৱেঁই তাৰ ছেণ্ডেলৰ ফিটাৰ ব্যৱস্থা কৰিব বুলি কৈছিল। কণ সৰুৰে পৰা অকণমান সৌন্দৰ্য্যপ্ৰিয়ও আছিল। সেইবাবে সি পিতাকক দুয়োপাট ছেণ্ডেলৰ দুয়োপাট ফিটা নতুনকৈ লগাবলৈ আবদাৰ ধৰিছিল। "হ'ব দে, শুই থাক এতিয়া" বুলি পিতাকে কণক এটা মৃদু ধমকো দিছিল। কণ ঘৰৰ সৰু আছিল বাবে সকলোৰে মৰমৰো আছিল। অভাৱত মৰমৰ গুৰুত্ব কিমান?

হাটৰ পৰা কিছু দূৰৈত কণৰ পিতাকৰ এখন গুমটি আছে। তাতে ছিংগাৰ কোম্পানীৰ চিলাই মেচিনটো লৈ পিতাক গ্ৰাহকৰ অপেক্ষাত থাকে। হাটৰ দিনা দুই-চাৰিগৰাকী গ্ৰাহক বেছি পোৱা যায়। অইন দিনাতকৈ হাটৰ দিনা কণৰ পিতাক সোনকালেই যায়। সেইদিনাও দৌৰাদৌৰিকৈ যাওঁতে কণে চাফ-চিকুণকৈ ৰখা ছেণ্ডেলযোৰ পিতাকে নিবলৈ পাহৰিলে। সঁচাকৈয়ে পাহৰিলে নে!

শেতেলিৰ পৰা কণ উঠিল। বাকী সকলো উঠিছেই। উঠিয়ে কণ ছেণ্ডেল থোৱা ঠাইলৈ গ'ল। ছেণ্ডেলযোৰ তাতেই আছে। সকলোৱে তালৈ লক্ষ্য কৰিলে। তাৰ অসহায় অৱস্থাটো দেখি সকলোৱে নিৰ্বাক হৈ থাকিল। কণে দৌৰ মাৰি আহি মাকক সাবটি ধৰি ফেকুৰিবলৈ ধৰিলে। মাকেও তাক মূৰত হাত বুলাই পিতাকে ছেণ্ডেলযোৰ পাহৰিয়ে এৰি গ'ল বুলি বুজনি দিলে। কণে বা কি বুজিলে!

দিনটোৰ ভাগৰুৱা দেহা লৈ কণৰ পিতাক সন্ধিয়া ঘৰলৈ আহিল। ইতিমধ্যে মাকে কণক সেই কথাবোৰ পিতাকক নুসুধিবলৈ বুজাই থৈছিল। কণেও ঠিকে বুজিছিল। পিতাকক সি একো মনত পেলাই দিয়া নাছিল। শেতেলিত পৰাৰ সময়ত পিতাকেই পিছৰ বুধবৰীয়া হাটত তাৰ ছেণ্ডেলৰ ফিটা নতুনকৈ লগাব বুলি কৈ কণক সাবটি শুই আছিল।

সপ্তাহটো কণৰ যেন নাযায় হে নাযায়। আকৌ মঙলবাৰে কণে ছেণ্ডেলযোৰ ধুই-পখালি থ'লে। পিছদিনা বুধবাৰে পুৱাই কণৰ ফিটা ছিগা ছেণ্ডেলপাট হাতত লৈ পিতাক নিজৰ কামলৈ গ'ল। কামৰ মাজতে সুৰুঙা উলিয়াই ফিটাপাট লগালে। পয়মালটো তাতেই হ'ল। জোখৰ ফিটা নাপালে। একে ৰঙৰ ফিটাও নাপালে। আগৰ ফিটাপাট নীলা ৰঙৰ আছিল। এইবাৰ হালধীয়া ৰঙৰ আৰু জোখতকৈ অলপ ডাঙৰ ফিটা লগাবলগীয়া হ'ল। অভাৱত ৰং আৰু জোখ-মাপৰ কিবা কথা থাকিব পাৰেনে? কণৰ মুখখন মনত পেলাই পিতাকেও ছেণ্ডেলত ফিটা লগালে।

সন্ধিয়া কণৰ পিতাকে কণক ছেণ্ডেলপাট দিলে। আগ্ৰহেৰে এক প্ৰকাৰ ছেণ্ডেলপাট কণে পিতাকৰ হাতৰ পৰা টানিয়ে নিছিল। ক্ষন্তেক পিছতে ফিটাপাটৰ ৰং আৰু জোখে কণৰ সকলো উৎসাহ নাইকিয়া কৰিছিল। টিপ চাকিৰ পোহৰত থকা ঘৰটো যেন আৰু আন্ধাৰ হৈ পৰিছিল। কণে মুখৰ ভিতৰতে বুজি নোপোৱাকৈ কিবাকিবি কৈ আছিল। কণৰ কথাত পিতাকৰ খং উঠিছিল। এক প্ৰকাৰ ধমক দিয়েই পিতাকে কণক কৈছিল, "ঠিক আছে। অহা বুধবাৰে নিজে হাটলৈ গৈ ফিটা লগাই আনিবি।" পিতাকে খঙত কোৱা কথাষাৰ কণে বুজি নাপালে আৰু অধীৰ আগ্ৰহেৰে বুধবৰীয়া হাটলৈ বাট চাই থাকিল।

এনেয়ে মানুহে পিন্ধা ছেণ্ডেলবোৰৰ ফিটাই ভৰি দুখন খামুচি ধৰি ৰাখে। কিন্তু কণৰ ছেণ্ডেলপাট কণে ভৰিৰ বুঢ়া আঙুলিৰে হেঁচুকি ৰাখিব লাগিছিল। কম সময়ৰ বাবে হ'লেও এসপ্তাহ তেনেদৰে এপাট ছেণ্ডেল পিন্ধি থকাটো কম কষ্টকৰ নে? ৰং আৰু জোখ-মাপৰ কোনো সামঞ্জস্য নথকা ফিটাপাটেও যেন কণৰ সৌন্দৰ্য্যপ্ৰিয় মনটোক ভেঙুচালি কৰিছে!


পুনৰ বুধবৰীয়া হাট। কণ হাটলৈ যাবই। ধুই-পখালি ছেণ্ডেলযোৰ কাগজেৰে মেৰিয়াই ল'লে। পইছা বিচাৰি কণে পোনতে পিতাকৰ গুমটিলৈ বুলি খোজ ল'লে। যিমানে ওচৰ চাপি গৈ আছে সিমানে কণৰ উৎসাহ, ভয়, শংকা সকলো বাঢ়ি গৈছে। কণ পিতাকৰ গুমটিৰ দুৱাৰমুখত। পিতাকে তলমূৰ কৰি কাপোৰ চিলাই কৰাত ব্যস্ত। কণ যোৱাৰ কথা পিতাকে গমেই নাপায়। পিতাকৰ গুমটিত দুই-চাৰিগৰাকী মানুহ বহি আছে। তাৰে কোনোবাই কোৱাতহে কণ যোৱা কথাটো পিতাকে গম পালে। পিতাকে কণক ভিতৰলৈ মাতি নি কাষতে চালপীৰাখনত বহিবলৈ ক'লে। ব্যস্ততাৰে সময় পাৰ হ'ল। কণ কিছু অস্বস্তিত পৰিল। এটা সময়ত কণে পিতাকক ছেণ্ডেলৰ ফিটা লগাবৰ বাবে পইছাৰ কথা ক'লে। পিতাক আচৰিত হ'ল। বোধহয় পিতাকে কণক জেদ ধৰা বুলি ভাবিলে! হঠাৎ পিতাকৰ খং উঠিল। একো নকৈ কাঠৰ আলমাৰিটো খুলি এটা সৰু কাঠৰ বাকচ উলিয়াই আনি মজিয়াতে কিছু ওপৰৰ পৰা বাকচটো জোকাৰি দিলে। মজিয়াখনত পাঁচ পইছা, দহ পইছা, বিছ পইছা, পঁচিছ পইছা আদি মুদ্ৰা পৰি শব্দ হ'ল। পিতাকে কণক ক'লে, "ল, ইয়াৰ পৰা কিমান পইছা লাগে। লৈ যা।" গুমটিত থকা মানুহবোৰে কথাটো ধৰিবই পৰা নাই। কণে মাটিৰ পৰা এটা এটাকৈ মুদ্ৰাবোৰ বুটলি ল'লে। বুটলি থাকোঁতে কণৰ দুচকুৰে টোপটোপকৈ চকুপানী পৰি মাটিৰ মজিয়াখন অ'ত-ত'ত বিন্দু বিন্দুকৈ তিতিছিল। মাজে মাজে কণে পিতাকৰ মুখলৈ চাই যেন ক্ষমা বিচাৰিছিল। দুয়োখন হাতৰ মুঠিত বুটলি লোৱা মুদ্ৰাবোৰ কণে পিতাকৰ সেই সৰু বাকচটোতে আকৌ থ'লে। গুমটিত থকা লোকসকলে নাকান্দিবলৈ বুলি কণক বুজনি দিছিল।

কণৰ পিতাক পুনৰ চিলাইৰ কামত ব্যস্ত হ'ল। কণে মৌন হৈয়ে পিতাকৰ ফালে চাই ৰং, জোখ-মাপ একো নিমিলা ছেণ্ডেলযোৰ লৈ হাটৰ বাহিৰেদি থকা বাটটোৰে ঘৰমুৱা হ'ল।


ঘৰমুৱা বাটটো কিমান যে দীঘলীয়া আছিল কণৰ বাবে!

ঘৰৰ আনবোৰৰ নিচিনাকৈ কণেও সেইদিনাৰ পৰা অভাৱৰ সৈতে হাতে হাত ধৰি আগুৱাই যোৱাৰ পণ লৈছিল। পিতাকৰ সকলো কথাত আনবোৰৰ নিচিনাকৈ কণেও সমানে সহযোগ কৰিছিল।

ৰাতি পুনৰ কণক সাবটি পিতাক খেৰৰ শেতেলিত নিদ্ৰাদেৱীৰ কোলাত ঢলি পৰিছিল। ❖



**ভাৰ্না দাস,** অংকুৰ শ্ৰেণী



**ময়ূখ কাশ্যপ,** অংকুৰ শ্ৰেণী

# অংকুৰৰ পৰা ফচললৈ

■ জুৰি গোস্বামী
**শিক্ষয়িত্ৰী, প্ৰাক্-প্ৰাথমিক**

**দৃশ্যপট-১ :** [বিদ্যালয়ত শিক্ষাৰ্থীৰ প্ৰথম দিন]

এটি ৩/৪ বছৰীয়া শিশুৱে মাকৰ আঁচলত ধৰি কান্দিছে। মাকৰ ওচৰৰ পৰা আমাৰ ওচৰলৈ আনিবলৈ আমি যৎপৰোনাস্তি চেষ্টা কৰিছোঁ। কিন্তু নাই, কোনোপধ্যে মান্তি নহয়। গতিকে শিশুটিৰ লগত অভিভাৱকক থাকিবলৈ দিয়া হৈছে। [প্ৰথম দুদিন সকলো অভিভাৱককে লগত থাকিবলৈ দিয়া হয়।] যাতে শিশুটিয়ে নিৰাপত্তাহীনতাত নোভোগে।

**দৃশ্যপট-২ :** [বিদ্যালয়ত শিক্ষাৰ্থীৰ দ্বিতীয় দিন]

অভিভাৱক লগত আছে যদিও শিশুটি মঞ্চৰ প্ৰথম চিৰিটোত থিয় হৈছে আৰু অভিভাৱকক সম্পূৰ্ণ নজৰত ৰাখিছে যাতে কোনো কাৰণত এৰি থৈ যাব নোৱাৰে। মুকলি খেলপথাৰত ৰেল ৰেল খেলিছে, বল খেলিছে যদিও অভিভাৱকক লক্ষ্য কৰি আছে। অলপ সময়ৰ পাছত শ্ৰেণীকোঠালৈ গৈছে, কিন্তু অভিভাৱকো লগত যাবলগীয়া হৈছে। চকীত বহিছে কিন্তু চকীৰ পাছফালে মাক/দেউতাক থিয় হৈ থাকিবলগীয়া হৈছে। টিফিন খাইছে আৰু ঘৰলৈ গৈছে।

**দৃশ্যপট-৩ :** [বিদ্যালয়ত শিক্ষাৰ্থীৰ তৃতীয় দিন]

চকুত দুটোপাল চকুলো। অভিভাৱকক মুখ্য প্ৰৱেশদ্বাৰৰ বাহিৰত থাকিবলৈ দিয়া হৈছে। গতিকে মাকৰ হাতৰ পৰা এৰি নিদিয়ে। জোৰকৈ লৈ অহা হৈছে। মাকৰ ওচৰলৈ যিকোনো উপায়েৰে যাবলৈ ইচ্ছা। আগৰ দুদিন লগ পোৱা বাইদেউৰ সংগ লৈছে যদিও ঘনাই ঘনাই এটাই প্ৰশ্ন—"মাৰ ওচৰলৈ কেতিয়া যাম, এবাৰ মাক চাই আহোঁ।" টিফিন আধা খাইয়ে বেগটো পিঠিত লৈছে। তেতিয়া তেওঁলোকৰ বাবে ছুটীৰ সময় ১০-৩০ বজা। গেটলৈ ওলাই গৈ সন্তুষ্টিৰ আৰু সকাহ পোৱাৰ হাঁহি মাৰি দৌৰি গৈ মাকৰ হাতত ধৰিছে আৰু বাইদেউক 'বাই বাই' দিছে পিছদিনা অহাৰ প্ৰতিশ্ৰুতিৰে।

**দৃশ্যপট-৪ :** [এমাহৰ পাছত]

নিয়মীয়া সময়ত স্কুল ছুটী অৰ্থাৎ ছুটীৰ সময় ১১-৫০ বজা। শিশুটিৰ মাক গেটৰ সন্মুখত ৰৈ আছে। বেছিসংখ্যক ঘৰলৈ গ'ল। কিন্তু তেওঁ মাকক অলপ সময় ৰ'বলৈ কৈছে, এতিয়া নাযায়, অলপ খেলিব।

এনেদৰে এজাক শিশুৱে প্ৰতি বছৰে বিদ্যালয়ৰ সুদৃশ্য বিশাল প্ৰৱেশদ্বাৰেৰে ভীষণ সংশয়ৰ মাজেৰে লক্ষ্যবিহীনভাৱে মাক-দেউতাকৰ আশা-সপোনক বাস্তৱায়িত কৰিবলৈ বিদ্যালয়ত প্ৰৱেশ কৰি আমাৰ যাত্ৰাৰ সহযাত্ৰী হয় আৰু কেইটামান দিনৰ ভিতৰতে বিদ্যালয়খনৰ প্ৰতি আকৰ্ষিত হৈ বিদ্যালয়খনৰ প্ৰতি ভালপোৱাৰ ভাবেৰে একাত্ম হৈ পৰে। লাহে লাহে হাতৰ আঙুলিত বল হোৱাৰ লগতে হাত-ভৰি বঢ়াৰ লেখীয়াকৈ মানসিক স্তৰৰো উত্তৰণ হৈ নিজস্ব প্ৰতিভাৰে স্বকীয় ৰূপত নিজক প্ৰতিষ্ঠাৰ বাবে সপোন ৰচে। তেনে এজাক কণমানিয়ে এতিয়া সমাজৰ বিভিন্ন ক্ষেত্ৰত আত্মবিশ্বাস, সততা আৰু নিষ্ঠাৰে নিজক প্ৰতিষ্ঠা কৰি সেৰা আগ বঢ়াই আহিছে আৰু এক স্বকীয় সত্তাৰ চিনাকি দিছে, যি সত্তাৰ নাম 'অসম জাতীয় বিদ্যালয়'। শদিয়াৰ পৰা ধুবুৰীলৈ শিক্ষাৰ ক্ষেত্ৰখনত বৈপ্লৱিক চেতনা জাগ্ৰত কৰি এক আন্দোলনৰ গুৰিব'ঠা ধৰি এই বিদ্যালয়খনে সাতাইছ বছৰ অতিক্ৰম কৰিলে। সমাজৰ মাত্ৰ কেইগৰাকীমান ব্যক্তিৰ উচ্চ ধ্যান-ধাৰণা, ত্যাগ, নিষ্ঠা আৰু আত্মবিশ্বাসৰ ফচল 'অসম জাতীয় বিদ্যালয়'। বিদ্যালয়খনে আমাকো এক পৰিচয় দিছে। এই বৌদ্ধিক যাত্ৰাপথত সম্পৃক্ত হৈ থাকিবলৈ পাই আমি আনন্দিত। এই দীঘলীয়া সময়ছোৱাত শ শ

নিভাঁজ সৰল মনৰ শিশুক ওচৰৰ পৰা পাবলৈ সৌভাগ্য হৈছে। শিশুসকলৰ লগত একাত্ম হোৱাৰ সুযোগ লাভ কৰিছোঁ। শিশুসকলৰ বহু কথাই স্মৃতিৰ মণিকোঠাত সযতনে ঠাই লৈ আছে। তাৰে কেইটামান টুকুৰা স্মৃতি 'বাখৰ'ৰ পাতলৈ আগ বঢ়াই সকলোকে ভাগ দিব খুজিছোঁ।

কল্পনাশক্তিৰ বিকাশৰ লক্ষ্যৰে বিহুৰ বন্ধ খোলাৰ দিনা বিহুৰ ছবি আঁকিবলৈ দিয়া হৈছে। সকলোৱে সাধ্যানুসাৰে চেষ্টা কৰিছে। হাত-ভৰি, মুখ-চুলি-চকুৰ নামত কিছুমান গোল আৰু আঁচৰ জৰিয়তে ঢোল বজোৱা, পেঁপা বজোৱা মানুহ, নাচনী [নক'লে চিনি নাপাবও পাৰে] আদি ছবিও আঁকিছে। এগৰাকীয়ে কিন্তু বন্ধ ঘৰ এটা আৰু গছ এডালৰ ছবি এখন আঁকি বহীখন দেখুৱাবলৈ লৈ আহিছে। ঘৰ-গছ দেখি বিহুৰ ছবিহে আঁকিবলৈ দিয়া হৈছিল বুলি সোধাত উপস্থিত বুদ্ধি খটুৱাই টপৰাই উত্তৰ দিলে, "এইখন বিহুৰ ছবিয়ে আঁকিছোঁ। বিহুৰ দিনা ঘৰৰ আটাইবোৰ মানুহে ঘৰৰ ভিতৰত বহি কথা পাতি আছে।"

এই শিশুসকলক প্ৰায়েই ছবি আঁকিবলৈ দিয়া হয়। পেশী আৰু হাতৰ সমন্বয় সাধন হোৱাৰ লগতে মনৰ ভাব প্ৰকাশ কৰি সৃজনীশীলতাৰ পৰিচয় দিব পৰা ই এক উত্তম মাধ্যম। কাৰণ এইসকল শিশুৱে আখৰ লিখিবলৈ শিকাই নাই। আন এদিনাখনৰ কথা— শিক্ষয়িত্ৰীগৰাকীয়ে ছবিৰ বহীখনত ছবি আঁকিবলৈ দি সকলোৰে ওচৰে ওচৰে ঘূৰি আছে, যাক যি ধৰণেৰে লাগে সহায় কৰিছে। এটি শিশুৱে এটা চাৰিকোণীয়াৰ ভিতৰত দুপাহমান ফুল আঁকিছে, কাষত এজন মানুহো আঁকিছে। কি আঁকিছে সোধাত জানিব পৰা গ'ল টিভিৰ সন্মুখত টিভি চাই থকা মানুহ আঁকিছে। বয়সৰ হিচাপত এখন সুন্দৰ ছবি। এপাকত ঘূৰি আহি দেখা গ'ল গোটেই পৃষ্ঠাটো ক'লা ! "কিয় ক'লা ৰং কৰি দিলা" বুলি সোধাত "লাইন (কাৰেণ্ট) গ'ল, গতিকে আন্ধাৰ হৈ গ'ল" বুলি ক'লে। অৰ্থাৎ আমাৰ উদ্দেশ্যত আমি সফল।

'শিক্ষক দিৱস'—শিক্ষক-শিক্ষাৰ্থীৰ উছাহৰ দিন। আমাৰ বিদ্যালয়ৰ দিনপঞ্জীতে শিক্ষকক উপহাৰ দিবলৈ ক্ৰয় কৰা সামগ্ৰী আনিব নালাগে, তাৰ পৰিবৰ্তে নিজ হাতে প্ৰস্তুত কৰা কম খৰচী সামগ্ৰীৰ ব্যৱহাৰ আদৰণীয় বুলি উল্লেখ কৰা আছে। গতিকে শিক্ষাৰ্থীসকলৰ বহুতে নিজ হাতে আঁকা ছবি, কাৰ্ড বা ফুল বা অন্যান্য দুই-এবিধ বস্তু উপহাৰ হিচাপে আগ বঢ়ায়। এই দিনটোৰ অনেক ৰসাল কথা মনলৈ আহিছে। যেনে, বেলেগলৈ অনা উপহাৰ বেলেগক দিয়া, দিয়া উপহাৰটো পুনৰ ঘূৰাই লোৱা আদি। মই কিন্তু ইয়াত অতি হৃদয়স্পৰ্শী ছবি এখনহে দাঙি ধৰিবলৈ বিচাৰিছোঁ। সকলো শিশুৰে কিবা এটা দিবলৈ দুৰ্বাৰ হাবিয়াস। তেনে ধৰণেই বহুতো শিশুৱে ছবি কাৰ্ড, কাগজৰ ফুল বা এপাহ সতেজ ফুল দিছে। হঠাতে এগৰাকীয়ে দৌৰি আহি ঝাড়ুৰ ভগা টুকুৰা এটাত খেলপথাৰত থকা মেদেলুৱা গছজোপাৰ পৰা সৰি থকা এখিলা পাত আৰু তাৰ ওপৰত ফুলৰ পাহি এটা গুঁজি শিক্ষয়িত্ৰীগৰাকীলৈ অতি হেঁপাহেৰে আগ বঢ়াই দিছে আৰু শিক্ষয়িত্ৰীগৰাকীয়েও আগ্ৰহেৰে গ্ৰহণ কৰিছে।

বেছিভাগ শিশুৱে শিক্ষয়িত্ৰীগৰাকীৰ মনোযোগ আকৰ্ষণ কৰাৰ ইচ্ছা থাকে বা শিক্ষয়িত্ৰীগৰাকীৰ কাষলৈ আহি কথা পাতিবলৈ বিচাৰে আৰু এনেদৰে গঢ়ি উঠে গভীৰ আত্মীয়তা। তেনে এগৰাকী শিশুৱে আহি কৈছে, "আজি তোমাক [বেছিভাগেই এই বয়সত শিক্ষক-শিক্ষয়িত্ৰীক তুমি বুলিয়েই সম্বোধন কৰে] মই দেখা পাইছিলোঁ।" ক'ত দেখিছিল বুলি সোধাত স্কুলৰ গেটৰ সন্মুখত দেখা বুলি ক'লে। আন এগৰাকীয়ে আকৌ ওচৰলৈ আহি কৈছে—"কালি পিন্ধা কাণফুলিযোৰকে আজিও পিন্ধি আহিছা।"

শিক্ষয়িত্ৰীৰ প্ৰতি গভীৰ আত্মীয়তা প্ৰকাশ পোৱা এনেকুৱা আৰু অনেক কথাই মনলৈ আহিছে যিবিলাকৰ যোগেদি শিশুৰ তীক্ষ্ণ পৰ্য্যবেক্ষণ ক্ষমতাৰো উমান পোৱা যায়।

এদিনাখন আকৌ দুজনৰ মাজত কাজিয়া। এজনে কান্দিছে। ওচৰলৈ গৈ সোধাত ক'লে যে, "ই ঘৰৰ পৰা স্কুললৈ খেলা বস্তু লৈ আহিছে। মই আপোনাক কৈ দিম বুলি কোৱা কাৰণে কান্দিছে।" (ঘৰৰ খেলা বস্তু স্কুললৈ অনাত বাধা দি থোৱা আছে।) "কি খেলা বস্তু লৈ আহিছা চাওঁ" বুলি সোধাত এডাল চুটি ছিল্কৰ সূতা উলিয়াই দিলে আৰু কাষৰজনে টপৰাই ক'লে, "ঘৰৰ পৰাই লৈ আহিছে।" এজনৰ চকুত চোৰ ধৰা পেলোৱা তথা নিয়ম মনাৰ আনন্দত গৰ্বিত চাৱনি, আনজনৰ আকৌ নিয়ম ভঙাৰ অপৰাধত সন্ত্ৰস্ত চাৱনি।

প্ৰথম শ্ৰেণীৰ শ্ৰেণীকোঠাত শিক্ষকে ছবি আঁকিবলৈ দিছে। কিন্তু এগৰাকী ছাত্ৰই ছবি অঁকা নাই, বহি আছে। কিয় অঁকা নাই সোধাত গম পোৱা গ'ল যে তেওঁৰ পেন্সিলডাল বন্ধু এজনক দিছে। কাৰণ সেই বন্ধুজনে আগৰ শ্ৰেণীটোতো একো কৰিব পৰা নাছিল। পেন্সিল ননা কাৰণে বাইদেৱে তাক খং কৰিছিল, আকৌ যদি খং কৰে! গতিকে বন্ধুত্বপূৰ্ণ আৰু সহযোগী মনোভাবাপন্ন শিশুটিয়ে আনজনক সহায় কৰিছে।

এদিনাখনৰ আন এটা ৰসাল কাহিনী মনলৈ আহিছে। শ্ৰেণী আৰম্ভ হোৱাৰ আগে আগে সকলো শিশুকে সহায়কাৰী বাইদেউগৰাকীয়ে প্ৰস্ৰাৱগাৰলৈ লৈ গৈ পেচাব কৰাই লৈ অহাটো নিয়ম। দুই-এগৰাকীয়ে লাইনত যায় যদিও নকৰাকৈয়ে উভতি আহে। সেইদিনাও তেনে ধৰণেই কৰা হৈছিল। বাইদেউ শ্ৰেণীকোঠাত সোমাই উপস্থিতিৰ খতিয়ান লৈ থাকোঁতেই এগৰাকীয়ে পেচাব কৰিবলৈ যাব খুজিলে। বাইদেউগৰাকীয়ে (বিদ্যালয়ত যোগদান কৰা বেছিদিন হোৱা নাছিল) অলপ পিছত গ'লে হ'বনে বুলি সোধাত শিশুটিয়ে 'হ'ব' বুলি ক'লে। বাইদেৱে উপস্থিতিৰ খতিয়ান লোৱা হোৱাৰ পিছতে ক'লে, "তুমি যোৱা।" "নাই বাইদেউ, মোৰ হৈ গ'ল" বুলি ক'লে। দেখা গ'ল চকীৰ তলত পানী। এনে ধৰণৰ কথাই আমাক শিশু মনস্তত্ত্ব বুজি পোৱাতো সহায় কৰিছে।

কিবা কাৰণত বিদ্যালয়লৈ নাহিলে ছুটীৰ আবেদন দিয়াটো আমাৰ বিদ্যালয়ৰ নিয়ম। আগদিনা বিদ্যালয়লৈ নহা শিশু এটিৰ অভিভাৱকে শাৰীৰিক অসুস্থতাৰ বাবে বিদ্যালয়লৈ নহা বুলি কাৰণ লিখা ঠাইত লিখি চহী কৰি পঠিয়াইছে। শ্ৰেণী-শিক্ষয়িত্ৰীয়ে চহী কৰি ঘূৰাই দিয়াৰ সময়ত শিশুটিক মৰমেৰে "এতিয়া গা ভাল পাইছানে?" বুলি সোধাত ক'লে, "মোৰতো গা বেয়া হোৱাই নাই।" "তেনেহ'লে কালি কিয় স্কুললৈ অহা নাই" বুলি সোধাত ক'লে, "আমি কালি ফুৰিবলৈ গৈছিলোঁ।"

এনে ধৰণৰ অনেক স্মৃতি মনলৈ আহিছে য'ত কিছুমানত উপস্থিত বুদ্ধিৰ পৰিচয় পোৱা যায়, আন কিছুমানত আকৌ কল্পনা কৰা শক্তিৰ পৰিচয় পোৱা যায়। কিছুমানত যেনেকৈ সততাৰ পৰিচয় পোৱা যায়, আন কিছুমানত শিক্ষয়িত্ৰীৰ প্ৰতি আত্মীয়তাৰ মনোভাব, আন কিছুমানত আকৌ আত্মবিশ্বাসৰ মনোভাব ফুটি উঠে। এনেদৰেই উপস্থিত বুদ্ধি, সূক্ষ্ম পৰ্য্যবেক্ষণ, শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি গভীৰ আত্মীয়তাৰে— আন্তৰিকতাৰ মনোভাব, সততা, আত্মবিশ্বাসৰ মনোভাবেৰে আগ বাঢ়ি গৈ সেইসকল শিশু প্ৰাপ্তবয়স্ক হৈ সমাজৰ বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাই আমাৰ বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিছে। বিদ্যালয় এৰি যোৱাৰ পিছতো বিদ্যালয়ৰ লগত যোগাযোগ ৰক্ষা কৰি আহিছে। সেইসকল শিক্ষাৰ্থীৰ আমাৰ আঙুলিত ধৰা অকণমানি হাতখনৰ ৰং বোলাই থকা অকণি অকণি আঙুলিৰ সেই শিশুটিয়ে আমাৰ স্মৃতিৰ মণিকোঠাত সোমাই ৰ'ল।

মৰমৰ শিক্ষাৰ্থীসকল, তোমালোকলৈ আমাৰ মৰম আৰু শুভ কামনা থাকিল। মনে-প্ৰাণে কামনা কৰিছোঁ তোমালোক সকলোৰে এই অভিজাত বৌদ্ধিক যাত্ৰা সফল হওক। তোমালোক কৃচ্ছ্ৰ সাধনাৰে নিজৰ লক্ষ্যত উপনীত হৈ মনেৰে বিচৰা ধৰণেৰে সুখী হৈ প্ৰকৃত মানুহ হৈ চিৰদিন জিলিকি থাকিবা। ❖

# শেৱালি শেৱালি কথা

■ নিশা দেৱী
**শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ**



ৰাতিপুৱাই উঠি জিকমিকে দেখিলে মৌকণে শেৱালি ফুল বুটলি আছে। সিহঁতৰ ঘৰত দুজোপা শেৱালি আছে। এজোপা পদূলিমুখত, আনজোপা পিছফালৰ শাকনি-বাৰীখনৰ ঠিক মাজতে। মৌকণে শেৱালি ফুল ফুলিবলৈ আৰম্ভ কৰিলেই ক'ব নোৱাৰাজনী হয়! দিন-ৰাতি কেৱল 'শেৱালি'। 'শেৱালিবোৰ ফুলিছে', 'শেৱালি ফুলৰ গোন্ধ আহিছে,' 'কাইলৈ মই শেৱালি ফুল বুটলিম'—মৌকণৰ বেলেগ কথা নাই আৰু। অকল মৌকণহে নে? ঘৰখনৰ বাকীবোৰৰো মুখত কেৱল শেৱালিৰহে কথা। "কি ধুনীয়া লাগিছে ন'?" মাকে জোনাকত ডুবি থকা নিশাৰ চোতালখনত খুৰীয়েকৰ লগত খোজ কাঢ়ি কাঢ়ি কৈ উঠে। "শেৱালিজোপা ইমান ধুনীয়াকৈ ফুলিছে।" এইবাৰ খুৰীয়েকে কৈ উঠে। জিকমিকৰ কিবা আমনি লাগে। ফুল ফুলিছে! কিনো ইমান হাঁহাকাৰ কৰিব লগা হৈছে। এইফালে দেউতাক আছেই! দিন-ৰাতি গুণগুণাই থাকিব "আহিন মহীয়া শেৱালি সৰিলে", মুঠতে শেৱালি দুজোপাই সদায় দেখি থকা ঘৰখনলৈ কিবা এটা পৰিৱৰ্তন লৈ আহে। পৰিৱৰ্তনটো জিকমিকৰ খুব বেয়া লাগে, তেনে নহয়। কিন্তু শেৱালি বোটলা কামটো তাই বেয়া পায় আৰু এইটো কাৰণতেই তাই মাক-দেউতাকৰ পৰা এই দিনকেইটাত কেটেৰা-জেঙেৰা খাই থাকে। "দেখা নাই মৌকণক? লক্ষ্মী ছোৱালী, পুৱাই উঠি শেৱালি ফুল বুটলিছে।" "এই জিকমিকজনী উঠাই নাই হ'বলা? মৌকণে শেৱালিৰ তল চাফা কৰিলে।" আজিও জিকমিকে গালি খাইহে উঠিলে। তাই আমন-জিমনকৈ বাৰাণ্ডাৰ চকীখনত বহি থাকিল। বতাহত শেৱালি ফুলৰ গোন্ধ ভাহি আহিছে। জিকমিকে দীঘলকৈ উশাহ ল'লে। গোন্ধটো সঁচাকৈ ভাল লগা!

: তুমি শেৱালি ফুল বেয়া পোৱা নেকি জিকমিক?

জিকমিকে মূৰটো ঘূৰাই চালে। ককাক। তাই সৰুকৈ কৈ উঠিল—

: নাপাওঁ। মই শেৱালি ফুল বুটলিবলৈ বেয়া পাওঁ।

: ঠিক আছে। সেইটো বহুত ডাঙৰ কথা নহয়।

কাষৰ চকীখনত ককাক বহি পৰিল। জিকমিকে সুধিলে, শেৱালি ফুলৰ নামত ঘৰত ইমান হাঁহাকাৰ কিয়?

: হাঁহাকাৰ? কেতিয়া?

: মানে সকলোৰে মুখত কেৱল শেৱালি ফুলৰে কথা।

ককাকে হাঁহিলে। পদূলিমুখলৈ চাই থকা ককাকে এইবাৰ তাইৰ ফালে চাই কৈ উঠিল, "প্ৰায় সকলো মানুহেই ফুল ভাল পায়। ঘৰত সকলোৱে এইকেইদিন শেৱালি ফুলৰ কথা কৈছে। এইটোক হাঁহাকাৰ কৰা বুলি নকয়। ফুলজোপাই সকলোকে অভিভূত কৰা বুলিহে কয়। ফুলে মানুহৰ অন্তৰৰ কোমল অনুভৱবোৰ জগাই

তোলে। এপাহ ফুলেও কেতিয়াবা দৈনন্দিন জীৱনলৈ সুন্দৰ পৰিবৰ্তন এটি আনিব পাৰে। যেনেকৈ এই শেৱালিজোপাই আনিছে।”

জিকমিকে মন দি শুনি থাকিল।

“ফুলবোৰৰ সতেজ গোন্ধটোৱে মানুহবোৰৰ মনলৈ আহিবলগীয়া দিনবোৰ সুন্দৰ হোৱাৰ এটা আশা কঢ়িয়াই আনিছে। আকৌ একেটা সময়তেই ই পাৰ হৈ যোৱা সুন্দৰ দিনবোৰৰ কথাও মনত পেলাই দিছে।”

জিকমিকৰ মনত পৰিল যোৱা বছৰ এনেকুৱা সময়তেই সুদূৰ গোৱালপাৰাৰ পৰা সিহঁতৰ ডিব্ৰুগড়ৰ ঘৰলৈ মা-আইতা আহিছিল। মা-আইতা ঘৰত থকা দিনকেইটাত সিহঁতে কিমান স্ফূৰ্তি কৰিছিল।

: ফুলবোৰৰ পৰা বতৰ আৰু ঋতুৰ কথাও জানিব পাৰি। তুমি জানানে?

: কেনেকৈ, ককা?

: শেৱালি ফুল শৰত কালত ফুলে। শৰত কালত আকাশ মেঘহীন; সুন্দৰ নীলা। গৰমো নাই, ঠাণ্ডাৰ প্ৰকোপো কম। ঠিক তেনেদৰে শীতকালত ডাঙৰ ডাঙৰ হালধীয়া, কমলা ৰঙৰ নাৰ্জী ফুলবোৰ ফুলে। বিভিন্ন শীতকালীন ফুল, যেনে—ইন্দ্ৰমালতী, দুপৰমালতী, নয়নতৰা, কচমচ আদিও ফুলে। আকৌ শীতৰ শেষৰ ফালে পলাশ, শিমলু, মদাৰ আদি ডাঙৰ ডাঙৰ গছবোৰত ৰঙা ৰঙা ফুল ফুলে। বসন্ত কালত কেৱল কপৌফুল, ভাটৌফুল বা কেতেকীয়ে নহয়, আন বহুতো ফুল ফুলিবলৈ আৰম্ভ কৰে। মন কৰিলেই দেখিবা, যেনেকৈ খৰিকাজাঁই, গুটিমালী আৰু হাচনাহানা নিশা ফুলে; তেনেকৈ গধূলি সময়ত গধূলিগোপালবোৰ ফুলিবলৈ ধৰে। বহুতেই ভাবে গ্ৰীষ্ম-বৰ্ষাত তেনেকৈ একো ফুল নুফুলে। কিন্তু জাক জাক বৰষুণেহে কামিনী কাঞ্চন, খৰিকাজাঁই আৰু ব্লিডিং হাৰ্টৰ দৰে ফুলবোৰ ফুলাত সহায় কৰে। গ্ৰীষ্মৰ মাজভাগত আকাশ ৰঙা কৰি ফুলে কৃষ্ণচূড়া!

জিকমিকে আপোনমনে শুনি থাকিল। ফুলবোৰে কেনেকৈ যে ঋতু আৰু বতৰৰ নিয়ম মানি চলে! ফুলবোৰ যে কি আচৰিত! কি ৰহস্যময়! কি সুন্দৰ! তাইৰ মনত পৰিল গৰম বন্ধৰ পিছত যেতিয়া তাই স্কুললৈ যায় সিহঁতৰ স্কুলত থকা কৃষ্ণচূড়া দুজোপা ৰঙা ৰঙা ফুলেৰে ঢাক খাই থাকে। কেতিয়াবা চব পাহৰি তাই ফুল দুজোপালৈ ৰ লাগি চাই থাকে। তেতিয়া দেখোন তাইৰো মন যায় কৃষ্ণচূড়াৰ তলসৰা ৰঙা ৰঙা পাপৰিবোৰ বুটলিবলৈ।

: তুমি ফুলবোৰক বেছিকৈ ভাল পাবলৈ শিকিব লাগিব জিকমিক।—ককাকে তাইক ক'লে। জিকমিক জাঁপ মাৰি থিয় হ'ল। ককাকৰ ডিঙিত সাবটি ধৰি কৈ উঠিল, “ভাল পাওঁ ককা। মই সকলো ফুলকেই বৰ ভাল পাওঁ।”

কথাখিনি কৈয়েই তাই একে দৌৰে শেৱালি বুটলি থকা মৌকণৰ কাষ পালেগৈ। ❖



**ৰাজশ্ৰী ভট্ট,** তৃতীয় শ্ৰেণী



**উৎকৰ্ষা ভাগৱতী,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# শিশু শিক্ষাত পুতলাৰ ভূমিকা

■ অলকা গোস্বামী
**শিক্ষয়িত্ৰী, প্ৰাক্-প্ৰাথমিক**



শিশুৱে মুক্তভাৱে উমলি-জামলি বাস্তৱ অভিজ্ঞতা আহৰণ কৰে। আমি ডাঙৰসকলে মন নকৰা বহুতো কথাই শিশুৱে মন কৰে। শিশুৱে সেইবোৰ বিভিন্ন ধৰণে প্ৰকাশ কৰে।

শিশুৰ আবেগ-অনুভূতিৰ বহিৰ্প্ৰকাশ ঘটে পুতলাৰ মাজেৰে। সেইবাবে শিশু শিক্ষাৰ বিভিন্ন সামগ্ৰীৰ ভিতৰত পুতলাৰ গুৰুত্ব অপৰিহাৰ্য্য। পুতলাৰ জৰিয়তে শিক্ষা দিয়াৰ ওপৰত শিশু মনোবিজ্ঞানী মণ্টেশ্বৰী, ফ্ৰেবেল আদিয়েও গুৰুত্ব দিছে।

সকলো শিশুৱে পুতলা ভাল পায়। পুতলাৰ মাজেৰে ঘৰখনৰ বিভিন্ন কথা-বতৰাৰ অভিনয় কৰে শিশুৱে। কাৰণ শিশুৱে জড়, নিৰ্জীৱ প্ৰাণহীন পদাৰ্থ বা বস্তুৰো প্ৰাণ থকা বুলি ভাবি লয়। সেয়েহে শিশুৱে প্ৰাণহীন পুতলাৰ সৈতে কথা পাতে। প্ৰাণহীন পুতলাৰ পৰা প্ৰাণৱন্ত শিশুৱে জীৱনৰ বহুত অভিজ্ঞতাই আহৰণ কৰিব পাৰে।

আগৰ দিনত পুৰণি কাপোৰেৰে নিজে পুতলা বনাই দৰা-কইনা খেলিছিল। নাৰিকলৰ কোৰোকাত ভাত বনাই গছৰ পাতৰ তৰকাৰি, সৰাগুটিৰ আঞ্জা বনাই আলহীক আদৰা খেলবোৰ খেলিছিল। সেই পৰম্পৰাৰ এতিয়াও ব্যতিক্ৰম হোৱা নাই। সকলো শিশুৱে মুকলিমূৰীয়াকৈ খেলিবলৈ ভাল পায়। কেৱল বৰ্তমান শিশুহঁতে খেলিবলৈ মুকলি ঠাই নাপায়। চাৰিবেৰৰ ভিতৰতে আবদ্ধ থাকি বিভিন্ন কামত ব্যস্ত থাকে। সেইবাবে বহু ক্ষেত্ৰত শিশুৰ আচৰণগত সমস্যাও দেখা দিয়ে। এই সমস্যা অৰ্থাৎ উগ্ৰ আচৰণক প্ৰশমিত কৰাৰ বাবে পুতলা খেলৰ অধিক প্ৰয়োজনীয়তা আহি পৰিছে।

পুতলা খেলৰ মাজেৰে সামাজিক-আবেগিক বিকাশ হয়। শিশুৱে ঢুকি পোৱাকৈ পুতলা সজাই ৰাখিব লাগে। এইখিনিতে এটা কথা উল্লেখ কৰি থওঁ—শিশুৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি পুতলাৰ যোগান ধৰা উচিত। পুতলাবোৰ কোমল হোৱাটো বাঞ্ছনীয়।

প্ৰায় পাঁচ মাহ বয়সৰ পৰা শিশুৱে হাতৰ মুঠিৰে পাতল ধৰণৰ পুতলা খামুচি ধৰিব পৰা হয়। এই সময়ৰ পৰা শিশুৰ দুবছৰ বয়সলৈকে পাতল লাটুম, পুতলা শিশু, পাতল বল আদিৰ লগত খেলিবলৈ দিব লাগে। শিশুক প্ৰায় তিনি বছৰ বয়সৰ পৰা ছবছৰ বয়সলৈকে কিছু উচ্চ পৰ্য্যায়ৰ পুতলাৰ যোগান ধৰা উচিত।

তিনি বছৰ বয়সৰ পৰা ছবছৰ বয়সৰ শিশু অধিক ভাবপ্ৰৱণ, চিন্তাপ্ৰৱণ আৰু কৌতূহল পৰায়ণ হোৱা দেখা যায়। এই সময়ছোৱাত জীৱনৰ বহুত কথা আৰু

কাম অনুকৰণ কৰি পুতলাৰ মাধ্যমত সহজতে আয়ত্ত কৰি লয়।

ওমলা ঘৰতো আছুতীয়াকৈ পুতলা সজাই থোৱাৰ ব্যৱস্থা কৰিলে ভাল হয়। শ্ৰেণীত আনমনা হৈ থকা, অভিমান কৰি থকা, চিন্তাক্লিষ্ট হৈ থকা বা খংমুৰা হৈ থকা দেখিলে শিশুক পুতলা ঘৰত আপোনমনে খেলিবলৈ দিব লাগে। আপোনমনে খেলিবলৈ পালে শিশুৰ আবেগৰ যিটো তীব্ৰতা সেইটো লাহে লাহে কমি আহিব। পুতলা ব্যৱহাৰ কৰি অভিনয় কৰি দেখুৱালে শিশুৱে বৰ আমোদ পাব। ফলত বিষয়বস্তুৱে শিশুৰ মনত দকৈ সাঁচ বহুৱাব।

শ্ৰেণীকোঠাতে পুতলাৰ জৰিয়তে অভিনয় কৰি শিশুৰ আবেগ-অনুভূতিবোৰ প্ৰশমিত কৰিব পৰা যায়। অভিনয়বিলাক মানুহৰ আবেগ-অনুভূতিবোৰৰ একো একোটা প্ৰকাশ ঘটা বিষয়ক হ'ব লাগিব। কোনোটোত বেজাৰ, কোনোটোত আনন্দ, কোনোটোত ভয়, কোনোটোত খং প্ৰকাশ কৰিব পাৰি।

কেনেদৰে আবেগ-অনুভূতিৰ তীব্ৰতাই মানুহৰ অপকাৰ কৰে তাক দাঙি ধৰি সেইবোৰৰ ওপৰত যে যথোচিত সংযম অনাৰ প্ৰয়োজন তাৰো ইংগিত থাকিব।

অভিনয়ত প্ৰয়োজন অনুসৰি মাতৰ উঠা-নমা, কঁপনি আদি প্ৰয়োগ কৰিবলৈ দিব। সংলাপো যথোপযোগী হোৱাটো বাঞ্ছনীয়।

ঘৰতো শিশুৱে ভাত ৰন্ধা, দৰা-কইনা খেলা, বাইদেউ হোৱা, স্কুল স্কুল খেল আদি বিভিন্ন পৰিবেশৰ অভিজ্ঞতা আৰু জ্ঞান পুতলাৰ মাধ্যমেৰে খেলি আনন্দ লাভ কৰাৰ উপৰি বহুত কথা শিকি ল'ব পাৰে।

স্কুলত আজি কি শিকালে বুলি যদি শিশুক মাক-দেউতাকে সোধে, বহুতো শিশুৱে মুখেৰে একো নামাতে। আজৰি পৰত যেতিয়া পুতলা খেলে স্কুলৰ কথাখিনি পুতলা খেলৰ মাজেৰে সুন্দৰকৈ প্ৰকাশ কৰে।

এইবাবে শিশুক ৰংচঙীয়া কোমল পুতলা খেলৰ সামগ্ৰী হিচাপে দিব পাৰিলে ভাল। শিশুৰ ক্ষেত্ৰত পুতলা খেল সাধাৰণ খেল বুলি ভবা হয় যদিও শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব অসীম।

শিশুক পৰাপক্ষত ভয় লগা, বীভৎস, প্লাষ্টিকৰ পুতলা যোগান নধৰাই ভাল। পুতলাবোৰ চাফ-চিকুণ আৰু ৰং-বিৰঙৰ হ'ব লাগে।

শিক্ষানুষ্ঠান আৰু ঘৰতো শিশুৰ বাবে পুতলাৰ সহায়েৰে শিক্ষা দিয়াটো প্ৰয়োজন। শিশুক উপযুক্তভাৱে পুতলাৰ যোগান ধৰিব পাৰিলেহে শিশুৰ মানসিক বিকাশ সহজতে হ'ব। ❖



**তনভি ভৰালী,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী



**স্বস্তিকা শিৰম নাথ,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# লুই ব্ৰেইল

■ ডলী চৌধুৰী
শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ



লুই ব্ৰেইলৰ নাম নজনা বা নুশুনা মানুহ বহুত কম। দৃষ্টিহীন লোকৰ বাবে তেৱেঁই লিখা-পঢ়া কৰিব পৰা এক পদ্ধতি উলিয়াই থৈ গৈছে। সেই পদ্ধতি পৃথিৱীজুৰি 'ব্ৰেইল' নামে পৰিচিত। ফ্ৰান্স দেশৰ ৰাজধানী চহৰ পেৰিছৰ পৰা মাথোঁ ২০ মাইল পূবে অৱস্থিত কুপ্‌ভ্ৰে নামৰ এখন সৰু টাউনত এইগৰাকী ফৰাচী শিক্ষা সংস্কাৰকৰ জন্ম হৈছিল ১৮০৯ চনৰ ৪ জানুৱাৰী তাৰিখে। তেওঁৰ পিতৃৰ নাম চাইমন ৰেনে আৰু মাতৃৰ নাম মণিক। প্ৰায় তিনি হেক্টৰ মাটি, আঙুৰ বাগান আদিৰে এক বিশাল ভূমিত তেওঁ তিনিগৰাকী ককাই-বাইৰ সৈতে উমলি-জামলি ডাঙৰ হৈছিল। পিতৃ চাইমন ৰেনেৰ চামৰাৰ ব্যৱসায় আছিল। তেওঁৰ ব্যক্তিগত কাৰখানাত ঘোঁৰাৰ পিঠিত লগোৱা চেডেলকে আদি কৰি চামৰাৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল। অকণমানি লুইৰ দেউতাকৰ এই কাৰখানাটো আছিল অতি প্ৰিয় ঠাই। এখোজ-দুখোজ দিব পৰা হোৱাৰে পৰা তেওঁ ইয়াতেই খেলা-ধূলা কৰি সময় কটাইছিল। এনেদৰে খেলা-ধূলা কৰি থাকোঁতেই ঘটিছিল সেই অঘটনটো। লুইৰ বয়স তেতিয়া মাথোঁ তিনিবছৰমানহে হ'ব। দেউতাকক অনুসৰণ কৰি অক'মানিটোৰেও এটা গজাল লৈ এডোখৰ চামৰাত ফুটা উলিয়াবলৈ চেষ্টা কৰি আছিল। এনেতে গজালটো ছিটিকি আহি লুইৰ এটা চকুত আঘাত কৰিলে। লগে লগে তেজে তুমৰলি হৈ পৰিল তেওঁৰ মুখমণ্ডল। ডাক্তৰ মতা হ'ল। স্থানীয় ডাক্তৰ এজনে আঘাতপ্ৰাপ্ত চকুটোত বেণ্ডেজ মাৰি দিলে আৰু পিছদিনাই পেৰিছলৈ গৈ অপাৰেছনৰ বাবে দিহা কৰাত লাগিল সকলোবোৰ। দুৰ্ভাগ্যবশতঃ চকুৰ আঘাত ইমান বেছি আছিল যে কোনো চিকিৎসাই ফল নিদিলে। শিশুটি মানসিকভাৱে অস্থিৰ হৈ পৰিল। লাহে লাহে তেওঁৰ আনটো চকুতো ইয়াৰ প্ৰভাৱ পৰিল। ইয়াৰ কাৰণটোক চিকিৎসাবিজ্ঞানৰ ভাষাত 'Sympathetic ophthalmia' বুলি কোৱা হয়। অৰ্থাৎ এটা চকুত হোৱা গভীৰ আঘাতে আনটো চকুতো প্ৰভাৱ পেলায়। পাঁচ বছৰমান বয়স হোৱালৈ লুই সম্পূৰ্ণৰূপে অন্ধ হৈ গ'ল। ঘটনাটোৰ সময়ত লুই বহুত কম বয়সীয়া আছিল বাবে তেওঁ অনুভৱ কৰা নাছিল যে এয়া অন্ধত্ব। তেওঁ প্ৰায়ে পিতৃ-মাতৃ আৰু ককায়েক-বায়েকক সুধিছিল যে "ইমান আন্ধাৰ কিয়?" সেই যুগতো কিন্তু লুইৰ পিতৃ-মাতৃয়ে তেওঁক সম্পূৰ্ণ স্বাভাৱিকভাৱে ডাঙৰ-দীঘল কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টা আৰু যত্নৰ ফলতেই লুইয়ে খুব সুন্দৰভাৱে লাহে লাহে ডাঙৰ-দীঘল হ'বলৈ ধৰিছিল। দেউতাকে চাঁচি-চুঁচি দিয়া লাঠী এডালৰ সহায়ত অতি সহজে লুইয়ে গাঁৱৰ বাট-পথবিলাকত ঘূৰি ফুৰিব পাৰিছিল। পিতৃ-মাতৃৰ ধৈৰ্য্য

আৰু শান্তিপূৰ্ণ ঘৰুৱা পৰিবেশে লুইৰ মনত এক গভীৰ প্ৰশান্তি আনি দিছিল। তেওঁ কেতিয়াও অশান্তি কৰা নাছিল। বৰঞ্চ নিজৰ বুদ্ধিদীপ্ত আৰু সৃষ্টিশীল মনটোৰে স্থানীয় শিক্ষকসকলৰ মাজত জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। এনেদৰে তেওঁ উচ্চ শিক্ষাৰ বাবেও অগ্ৰসৰ হৈছিল।

১০ বছৰ বয়সলৈ তেওঁ কুপ্‌ভ্ৰেতেই পঢ়িছিল। তাৰ পিছত তেওঁক পেৰিছৰ Royal Institute for Blind Youth (এতিয়া National Institute for Blind Youth)ত পঢ়িবলৈ নামভৰ্তি কৰোৱা হয়। ইয়াত ছাত্ৰসকলক অনুষ্ঠানটোৰ প্ৰতিষ্ঠাতা ভেলেণ্টিন আউৱে (Valentin Haüy) উদ্ভাৱন কৰা এটা পদ্ধতিৰ সহায়ত পঢ়িবলৈ শিকোৱা হৈছিল। ভেলেণ্টিন আউই নিজে অৱশ্যে অন্ধ নাছিল। তেওঁ এই অন্ধ ছাত্ৰসকলৰ বাবে সৰু পুথিভঁৰালৰো সৃষ্টি কৰিছিল। ইয়াৰ বাবে তেওঁ বিশেষ ধৰণৰ সেমেকা কাগজত embossing আৰু debossing পদ্ধতিৰে লেটিন লিপিৰে কিছু পুথি তৈয়াৰ কৰিছিল। ছাত্ৰসকলে ইয়াৰ ওপৰেৰে আঙুলি বুলাই বুলাই পঢ়িবলৈ শিকিছিল। কিন্তু লুইৰ বাবে এই পুথিসমূহৰ জ্ঞান পৰ্য্যাপ্ত নাছিল। এইবিলাকত থকা পুথিগত জ্ঞানৰ বহু ঊৰ্দ্ধত আছিল লুইৰ মন-মগজু। স্বাভাৱিকতেই তেওঁ হতাশ হৈছিল। জ্ঞানপিপাসু তেওঁৰ মনটোৱে অধিক কথা শিকিবলৈ, জানিবলৈ উদ্‌গ্ৰীৱ হৈ পৰিছিল। তদুপৰি আউইৰ এই পদ্ধতিটোৰ দ্বাৰা ছাত্ৰসকলে নিজাকৈ লিখিব পৰাকৈ কোনো ব্যৱস্থাও নাছিল। সেয়েহে লুইৰ পিতৃয়ে তেওঁক চামৰাৰ টুকুৰাৰে বনোৱা কিছু আখৰ যোগান ধৰিছিল আৰু ইয়াৰ সহায়ত তেওঁ জীৱনত প্ৰথমবাৰৰ বাবে বাক্য কিছুমান লিখি মনৰ কথা প্ৰকাশ কৰিছিল।

আউইয়ে প্ৰস্তুত কৰা কিতাপবিলাকৰ আকাৰ ছাত্ৰসকলৰ বাবে অসুবিধাজনক আছিল, জ্ঞানো আছিল সীমিত। সি যিয়েই নহওক, আউইৰ আশা আছিল যে দৃষ্টিহীন ছাত্ৰ-ছাত্ৰীয়ে স্পৰ্শানুভূতিৰ দ্বাৰা পঢ়া-শুনা কৰিব পৰা বিষয়টো এটা সময়ত হ'লেও বিদ্বৎ সমাজে স্বীকৃতি দিব আৰু ইয়াৰ বাবে উপযুক্ত ব্যৱস্থাও গ্ৰহণ কৰিব। আউইৰ এই পদ্ধতিৰ মূল আসোঁৱাহটো আছিল চকুৰেহে পঢ়িব পৰা ভাষা এটা আঙুলিৰে অৰ্থাৎ স্পৰ্শানুভূতিৰে পঢ়িবলৈ চেষ্টা কৰাটো।

লুইয়ে আউইৰ কিতাপবিলাকেই উৰাই-ঘূৰাই পঢ়িছিল আৰু বিদ্যালয়ত শিক্ষকে কোৱা কথাবোৰ খুব মনোযোগেৰে শুনিছিল। নিজকে এজন বুদ্ধিমান ছাত্ৰৰূপে তেওঁ চিনাকি দিব পাৰিছিল। ১৮১৯ চনত নামভৰ্তি কৰা লুইয়ে পাঠ্যক্ৰম শেষ কৰি উঠি শিক্ষক সহায়ক হিচাপে এই অনুষ্ঠানতে কৰ্মজীৱনো আৰম্ভ কৰে। শিক্ষা গ্ৰহণ কৰি থকা কালছোৱাত লুইয়ে ১৮২১ চনত চাৰ্লছ বাৰবিয়াৰ (Charles Barbier) নামৰ এজন ব্যক্তিয়ে দৃষ্টিহীন লোকে লিখিব-পঢ়িব পৰাকৈ এটা পদ্ধতি উদ্ভাৱন কৰা কথাটো জানিব পাৰে। বাৰবিয়াৰে তেওঁৰ পদ্ধতিটো Royal Institute for Blind Youthত ব্যৱহাৰ কৰিবলৈ অনুৰোধ কৰি প্ৰতিষ্ঠাতাজনলৈ এখন চিঠি লিখিছিল। এই পদ্ধতিটো আউইৰ পদ্ধতিতকৈ পৃথক আছিল। ইয়াত লেটিন লিপিৰ সলনি ডট্ ব্যৱহাৰ কৰা হৈছিল। এই ব্যৱস্থাটোৱে লুইক বৰ আকৰ্ষিত কৰিছিল। তেওঁ নিজাকৈ আৰু সহজকৈ কিবা কৰিব পাৰি নেকি এই কথা চিন্তা কৰিবলৈ ধৰিলে। দিনে-নিশাই তেওঁ নিজাকৈ এটা সৰল পদ্ধতিৰ সৃষ্টি কৰাত আত্মনিয়োগ কৰিলে। ১৮২৪ চনত তেওঁ বহুখিনি কাম সমাপ্ত কৰিলে। তেওঁৰ বয়স তেতিয়া মাথোঁ ১৫ বছৰ। বাৰবিয়াৰৰ পদ্ধতিটোত ব্যৱহাৰ হৈছিল বাৰটা ডট্। লুইয়ে ব্যৱহাৰ কৰিলে মাথোঁ ৬টা। এনেদৰে পদ্ধতিটো সৰলীকৃত হ'ল আৰু ইয়াৰ দক্ষতাও বৃদ্ধি পালে। বাৰবিয়াৰে প্ৰদান কৰা কে'বাযোৰো 'slate and styles' (ফলি আৰু পেন্সিল) সহায়ত ব্ৰেইলে তেওঁৰ নিজৰ লিপিৰ উত্তৰণ ঘটায়। এনেদৰে আঙুলিৰ মূৰেৰে সামান্য চুয়েই দৃষ্টিহীনসকলে চিনিব পৰাকৈ তেওঁ ফৰাচী লিপিৰ উদ্ভাৱন কৰিলে।


ইয়াৰ বাবে তেওঁ বহুদিন নিশা বহু পৰলৈ কাম কৰিব লগা হৈছিল। এই নতুন পদ্ধতিটো কাৰ্য্যকৰী হৈছেনে নাই পৰীক্ষা কৰিবলৈ তেওঁ শিক্ষকৰ পৰা বাতৰিকাকতৰ এটা প্ৰবন্ধৰ শ্ৰুতলিপি লৈছিল, তাৰ পিছত তেওঁ সেই প্ৰবন্ধটো হুবহু লিখি উলিয়াই শিক্ষকক মাতি শুনাইছিল। ইয়েই প্ৰমাণ কৰিছিল যে লুইয়ে আৱিষ্কাৰ কৰা এই নতুন পদ্ধতিটো সঁচাকৈয়ে ফলপ্ৰসূ হৈছিল। লুইয়ে বিচাৰিছিল যে এনে পদ্ধতিয়ে দৃষ্টিহীনসকলক স্বাভাৱিক সমাজখনৰ লগত মিলি থকাত সহায় কৰিব। তেওঁলোকেও পৃথিৱীখনৰ খবৰ লাভ কৰিব, জ্ঞানৰ অন্বেষণত ব্ৰতী হ'ব পাৰিব। লুই এগৰাকী দক্ষ শিক্ষক আৰু সংগীতজ্ঞ আছিল। তেওঁ বুৰঞ্জী, জ্যামিতি আৰু এলজেব্ৰা পঢ়াইছিল। তেওঁ খুব সুন্দৰ পিয়ানো, অৰ্গেন আৰু চেলো বজাইছিল। কিন্তু দুখৰ কথা, ব্ৰেইলৰ জীৱিত কালত তেওঁ উদ্ভাৱন কৰা পদ্ধতিয়ে স্বীকৃতি পোৱা নাছিল। ইয়াৰো বহুত কাৰণ আছিল। আচলতে ইতিমধ্যে চলি থকা এটা পদ্ধতি সম্পূৰ্ণৰূপে আঁতৰাই ব্ৰেইলৰ আৱিষ্কাৰক স্বীকৃতি নিদিয়াটো মানুহৰ নিকৃষ্ট স্বাৰ্থৰ বাহিৰে আন একো নাছিল।

সৰুৰে পৰা লুই অতি ভগ্ন স্বাস্থ্যৰ শিশু আছিল। তদুপৰি তেওঁ শিক্ষা গ্ৰহণ কৰা 'Royal Institute for Blind Youth' অনুষ্ঠানৰ পৰিবেশ অস্বাস্থ্যকৰ আছিল। এনেবোৰ কাৰণত তেওঁ উশাহজনিত অসুখত ভুগি শেষলৈ যক্ষ্মাত আক্ৰান্ত হৈছিল। এই যক্ষ্মা ৰোগৰ কোনো চিকিৎসা সেই সময়ত উপলব্ধ নাছিল। প্ৰায় ১৬ বছৰ তেওঁ ৰোগটোৰ সৈতে যুঁজি ১৮৫২ চনত মাথোঁ ৪৩ বছৰ বয়সত মৃত্যুবৰণ কৰে। তেওঁৰ মৃত্যুৰ ২ বছৰ পিছতেই 'Royal Institute for Blind Youth'এ ব্ৰেইল পদ্ধতিক আঁকোৱালি লয়। ইয়াৰ পিছত ব্ৰেইল প্ৰযুক্তিৰ বহুখিনি উন্নতি সাধন হ'ল। আজি পৃথিৱীজুৰি ই খ্যাতি লাভ কৰিছে।

শাৰীৰিক প্ৰতিবন্ধকতা কোনো কাৰণতে উন্নতিৰ হেঙাৰ হ'ব নোৱাৰে, এই কথা লুই ব্ৰেইলে প্ৰমাণ কৰি থৈ গৈছে। ❖



**আৰাধ্যা কৃষ্ণা,** অংকুৰ শ্ৰেণী



**আয়ান মেধি,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# ভাৰতীয় সংবিধানৰ ৩৭১ নং অনুচ্ছেদ : এটা বিশ্লেষণ
## (অসমৰ প্ৰেক্ষাপটত)

■ কুশল গোস্বামী
শিক্ষক, সমাজ বিজ্ঞান বিভাগ

ভাৰতবৰ্ষ এখন বিভিন্ন ভাষা, ধৰ্ম, জাতি-জনগোষ্ঠীৰ মিলনভূমি। দেশৰ বিভিন্ন অঞ্চলত ভৌগোলিক পৰিৱেশ তথা জলবায়ুৰ তাৰতম্য (ভিন্নতা) বিৰাজমান। বৈচিত্ৰ্যৰ মাজত ঐক্য হৈছে ভাৰতীয় সংস্কৃতিৰ মূল বৈশিষ্ট্য। পাঁচ হাজাৰ বছৰতকৈও অধিক পুৰণি ভাৰতৰ সভ্যতাৰ মূল আদৰ্শ হৈছে শান্তি, ত্যাগ আৰু ভ্ৰাতৃত্ববোধ। বিভিন্ন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ তথা সাহিত্য-সংস্কৃতিত আগ বঢ়া দেশখনত অতীত কালৰে পৰা অধিবাসীসকলে স্বনিৰ্ভৰশীলতাৰে বসবাস কৰি আহিছে। প্ৰাকৃতিক সম্পদত অতি চহকী অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ অধিবাসীসকলেও সহনশীলতাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰি শান্তিৰে বসবাস কৰি আহিছে।

১৭৫৭ চনৰ পলাশী যুদ্ধৰ পিছৰ পৰা ভাৰতবৰ্ষৰ বিভিন্ন অংশ ইংৰাজে বিভিন্ন ছল-চক্ৰান্তৰে হস্তগত কৰে। ইংৰাজৰ শোষণ, অত্যাচাৰ, বঞ্চনাৰ ফলস্বৰূপে স্বনিৰ্ভৰশীল কৃষিপ্ৰধান তথা কুটীৰ শিল্পপ্ৰধান ভাৰতীয় অৰ্থনীতি বিধ্বস্ত হৈ পৰে। সামাজিক, ৰাজনৈতিক, ভাষিক, ধৰ্মীয় বিভিন্ন সমস্যাই ভাৰতীয়সকলক বৰকৈ জুৰুলা কৰে। বিভিন্ন ৰাজ্যৰ প্ৰাকৃতিক পৰিৱেশত বসবাস কৰি ভাল পোৱা সহজ-সৰল জীৱনশৈলীৰ জনজাতীয় লোকসকল এই পৰিৱৰ্তিত পৰিস্থিতিত বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। আৰ্থিক দৈন্যতাৰ সন্মুখীন হয় আৰু বিকাশৰ গতি স্তব্ধ হৈ পৰে।

ইংৰাজৰ শোষণ, বঞ্চনা, অবৰ্ণনীয় অত্যাচাৰ আদিৰ বিৰুদ্ধে সমগ্ৰ দেশতে তীব্ৰ গণ আন্দোলন গঢ়ি উঠে আৰু ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতক স্বাধীনতা হস্তান্তৰ কৰিবলৈ ইংৰাজ চৰকাৰ বাধ্য হয়।

ভাৰত স্বাধীন হোৱাৰ আগৰে পৰা ভাৰতীয় সংবিধানখন ৰচনাৰ প্ৰক্ৰিয়া আৰম্ভ হয় আৰু ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধানখন গৃহীত হয়। ভাৰতৰ বিচিত্ৰ সমাজ ব্যৱস্থাৰ বিভিন্ন জাতি-জনগোষ্ঠীয়ে যাতে কোনো প্ৰকাৰে অবদমিত তথা অবহেলিত হৈ থাকিবলগীয়া নহয় তাৰ প্ৰতি বিশেষ গুৰুত্ব তথা নিৰাময়ৰ সুব্যৱস্থা ল'বলৈ যত্ন কৰা হয়। সকলো জাতি-জনগোষ্ঠী, ভাষা-ধৰ্মী লোকৰ সৰ্বাংগীণ বিকাশৰ প্ৰত্যাশাৰে ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা সমগ্ৰ দেশতে সংবিধানখন বলবৎ কৰা হয়। ভাৰতীয় সংবিধানখনত ২৪টা অধ্যায়, ১২টা অনুসূচী আৰু ৪৪৮টা অনুচ্ছেদ আছে।

ভাৰতীয় সংবিধানৰ ৩৭১ নং অনুচ্ছেদটো অসমকে ধৰি জনজাতিপ্ৰধান ৰাজ্যসমূহৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এই ৩৭১ নং অনুচ্ছেদটোৱে অসমৰ প্ৰেক্ষাপটত বিশেষ তাৎপৰ্য্য বহন কৰিছে। সংবিধানৰ ৩৭১(বি) নং অনুচ্ছেদত অসমক প্ৰদান কৰা (জনজাতিপ্ৰধান এলেকাত) বিশেষ সুবিধা, সুযোগ তথা ক্ষমতাৰ কথা উল্লেখ আছে। তদুপৰি ৩৭১ নং অনুচ্ছেদৰ এ.চি.জি.এইচ. আদি দফাত ক্ৰমে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ স্বায়ত্তশাসন ব্যৱস্থাৰ বিষয়ে উল্লেখ আছে। সংবিধানৰ ৩৭১(বি) নং অনুচ্ছেদৰ জৰিয়তে অসমৰ স্থায়ী ভূমিপুত্ৰসকলৰ শিক্ষা, নিয়োগ, স্বকীয় পৰিচয় আদিৰ ক্ষেত্ৰত বিশেষ সুৰক্ষা প্ৰদানৰ দিহা কৰা হৈছে। ১৯৬৯ চনত হোৱা সংবিধানৰ ২২ সংখ্যক সংশোধনীৰ জৰিয়তে ২৪৪(এ) অনুচ্ছেদত ভাৰতৰ সংসদক অসমৰ ভিতৰত এখন স্বায়ত্তশাসিত ৰাজ্য

গঠনৰ বাবে উপযোগী আইন প্ৰণয়নৰ বাবে কৰ্তৃত্ব প্ৰদান কৰা হয়।

তদুপৰি এই ৩৭১(বি) অনুচ্ছেদত ভাৰতৰ ৰাষ্ট্ৰপতিক অসম বিধানসভাৰ সদস্য তথা জনজাতীয় এলেকাৰ প্ৰতিনিধিৰ সহযোগত এখন কমিটি গঠন কৰি জনজাতীয় লোকসকলৰ উন্নয়নৰ বাবে কাম কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিছে।

সংবিধানৰ ষষ্ঠ অনুসূচীয়েও (অনুচ্ছেদ ২৪৪(২) আৰু ২৭৫(১)) অসম, মেঘালয়, ত্ৰিপুৰা আৰু মিজোৰাম ৰাজ্যত জনজাতীয় লোকৰ অধিকাৰ আৰু নিৰাপত্তা সুৰক্ষিত কৰিবৰ বাবে বিশেষ ব্যৱস্থা উল্লেখ কৰিছে। এই অনুসূচীটোৱে জনজাতিপ্ৰধান এলেকাত স্বায়ত্তশাসিত জিলা পৰিষদ গঠন কৰি জনজাতীয় লোকসকলক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ প্ৰদান কৰিছে।

উল্লেখযোগ্য যে পৰম্পৰাগতভাৱে অনগ্ৰসৰ তথা লাজকুৰীয়া প্ৰকৃতিৰ জনজাতীয় লোকসকলক স্বকীয় পৰিচয় তথা আত্মনিয়ন্ত্ৰণৰ বাবে বিশেষ সুৰক্ষা ব্যৱস্থাৰ হকে তেতিয়াৰ অবিভক্ত অসমৰ জনজাতীয় নেতা এম. নিক'লাছ ৰয়ে ১৯৪৯ চনৰ সাত ছেপ্টেম্বৰত সংবিধান সভাত এটা প্ৰস্তাৱ দাঙি ধৰিছিল। সংবিধান সভাৰ খচৰা সমিতিৰ অধ্যক্ষ বি. আৰ. আম্বেদকাৰে নিক'লাছ ৰয়ৰ এই প্ৰস্তাৱ সমৰ্থন কৰে আৰু সংবিধানত ষষ্ঠ অনুসূচীৰ সংযোজন কৰা হয়। লগতে জনজাতীয় লোকসকলৰ কল্যাণ সম্পৰ্কে লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ অধ্যক্ষতাত এখন উপদেষ্টা উপ-সমিতি গঠন কৰা হৈছিল। এই উপ-সমিতিৰ প্ৰস্তাৱৰ ভিত্তিত অসমৰ জনজাতিসকলৰ বাবে সুকীয়া শাসন ব্যৱস্থাৰ বাবে সংবিধানৰ ষষ্ঠ অনুসূচীত সংযোজন কৰা হয়।

এনেদৰে সংবিধানৰ ষষ্ঠ অনুসূচী তথা ৩৭১(বি) অনুচ্ছেদৰ আধাৰত অসমত ১৯৫২ চনৰ ২৩ জুনত 'কাৰ্বি আংলং স্বায়ত্তশাসিত জিলা পৰিষদ' গঠন কৰা হয়। লগতে ১৯৫২ চনৰ ২৯ এপ্ৰিলত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত জিলা পৰিষদ গঠন কৰা হয়। তদুপৰি পৰিষদৰ অন্তৰ্গত জিলা এখনত বেলেগ বেলেগ জনজাতিৰ লোক বসবাস কৰি থাকিলে তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ বাবে 'আঞ্চলিক পৰিষদ' গঠনৰো ব্যৱস্থা আছে।

শেহতীয়াভাৱে ২০২১ চনত কোচ-ৰাজবংশী লোকসকলৰ উন্নতিৰ বাবে কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ (Kamatapur Autonomous Council) গঠন কৰা হৈছে।

এই স্বায়ত্তশাসিত জিলা পৰিষদসমূহক নিজৰ এলেকাত কুটীৰ শিল্প, কৃষি, গ্ৰাম্য পথ, শিক্ষা আদিকে ধৰি মুঠ ৩৪টা বিষয়ত আইন প্ৰণয়নৰ আৰু শাসনৰ ক্ষমতা প্ৰদান কৰা হৈছে। পানী, ভূমি, স্থানীয় পৰম্পৰা আৰু সাংস্কৃতিক ক্ষেত্ৰত আইনগত আৰু প্ৰশাসনিক ক্ষমতা লাভ কৰা স্বায়ত্তশাসিত জিলা পৰিষদসমূহে কিছুমান দেৱানী আৰু ফৌজদাৰী গোচৰ মীমাংসাৰ বাবে ন্যায়িক ক্ষমতাও লাভ কৰিছে।

ভাৰতৰ সংবিধান সভাৰ সদস্যসকলৰ উপৰি আন্তৰ্জাতিক স্তৰতো জনজাতীয় লোকসকলৰ সৰ্বাংগীণ সমবিকাশৰ কথাটোৱে প্ৰাধান্য লাভ কৰে। সেয়েহে সকলো অঞ্চলৰ সকলো লোকৰ সমবিকাশৰ লক্ষ্য আগত ৰাখি ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ 'মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা পত্ৰ' গ্ৰহণ কৰা হয়। এই ঘোষণা পত্ৰত সন্নিৱিষ্ট কৰা অধিকাৰবিলাকৰ ভিতৰত তিনিটা উল্লেখযোগ্য অধিকাৰ হৈছে—

১। সকলো মানুহে মুক্ত অৱস্থাত জন্মগ্ৰহণ কৰে। গতিকে সকলোৰে সমান অধিকাৰ থাকিব লাগে।

২। সকলো মানুহে নিজৰ জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো ধৰণৰ প্ৰয়োজনীয় অধিকাৰ ভোগ কৰিবলৈ সুযোগ পাব লাগে।

৩। সকলো মানুহে নিজ নিজ দেশৰ প্ৰচলিত আইনৰ দ্বাৰা সুৰক্ষা আৰু নিৰাপত্তা পাব লাগে।

তথাপিতো কিন্তু পৰৱৰ্তী সময়ত স্বাধীন ভাৰতত এই সাংবিধানিক ব্যৱস্থাবিলাক ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন

ৰাজনৈতিক অনিয়ম তথা বেমেজালিৰ সৃষ্টি হয়। জনজাতীয় লোকসকল ক্ষোভিত হৈ পৰে আৰু পৰিস্থিতি অশান্ত হৈ পৰে। বঞ্চনা, শোষণ আৰু অপ-শাসনৰ কাৰণে অৰ্থনৈতিক অনগ্ৰসৰতা দূৰ নোহোৱাত একাংশ জনজাতীয় লোক সশস্ত্ৰ সংগ্ৰামত লিপ্ত হয়। ফলস্বৰূপে বিভিন্ন সময়ত চৰকাৰৰ লগত জনজাতীয় দল-সংগঠনৰ শান্তি চুক্তি স্বাক্ষৰিত হয়।

এনেদৰে ২০০১ চনৰ ৪ ছেপ্টেম্বৰত কাৰ্বি আংলঙৰ বিভিন্ন আন্দোলনকাৰী সংগঠনৰ লগত অসম তথা কেন্দ্ৰীয় চৰকাৰৰ এখন ত্ৰিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত হয়। বিদ্ৰোহী সংগঠনসমূহ এই চুক্তিৰ জৰিয়তে মূল সুঁতিলৈ উভতি আহে। এই শান্তি চুক্তিত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সদস্য সংখ্যা ৫০ জনলৈ বৃদ্ধি কৰা হ'ব। লগতে কাৰ্বি ভাষাক কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ চৰকাৰী ভাষা কৰাৰ সিদ্ধান্ত লোৱা হয়। স্বায়ত্তশাসিত পৰিষদৰ বাহিৰত বসবাস কৰা কাৰ্বি লোকৰ উন্নয়নৰ বাবে 'কাৰ্বি কল্যাণ পৰিষদ' গঠিত হ'ব। পৰিষদৰ এলেকাৰ উন্নয়নৰ বাবে অন্যান্য আঁচনিকে ধৰি চৰকাৰে ১০০০ কোটি টকাৰ বিশেষ পেকেজ ঘোষণা কৰে।


উল্লেখযোগ্য যে অসমৰ ভৈয়ামত বসবাস কৰা এটা বৃহৎ জনজাতীয় গোষ্ঠী হৈছে বড়োসকল। বড়োসকলৰ এচামে অৰ্থনৈতিক উন্নয়ন তথা পৃথক বড়োলেণ্ডৰ দাবীত শান্তিপূৰ্ণ আৰু সশস্ত্ৰ সংগ্ৰামত লিপ্ত হয়। সেয়েহে তেওঁলোকক আত্মনিয়ন্ত্ৰণৰ অধিকাৰ দিবৰ বাবে ২০০৩ চনত দ্বিপাক্ষিক শান্তি চুক্তি স্বাক্ষৰিত কৰা হয়। কোকৰাঝাৰ, চিৰাং, বাস্কা আৰু ওদালগুৰি জিলাক সামৰি বিটিএডি (বিটিচি) গঠন কৰা হয়। এই নৱগঠিত স্বায়ত্তশাসিত পৰিষদখনেও সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত কাৰ্য্যনিৰ্বাহ কৰি আছে। ২০২০ চনৰ ২৭ জানুৱাৰীত ভাৰত আৰু অসম চৰকাৰ তথা বড়ো সংগঠনসমূহৰ মাজত হোৱা এখন ত্ৰিপাক্ষিক শান্তি চুক্তি মৰ্মে বিটিএডিক 'বিটিআৰ' (Bodoland Territorial Region) বুলি নামকৰণ কৰা হয়। এই নৱগঠিত বিটিআৰক অধিক প্ৰশাসনিক স্বায়ত্তশাসনৰ ক্ষমতা অৰ্পণ কৰা হৈছে।

এখন ৰাজ্যৰ সাংবিধানিক মুৰব্বী হ'ল ৰাজ্যপাল। অসম সংবিধানৰ ষষ্ঠ অনুসূচী তথা ৩৭১(বি) অনুচ্ছেদৰ অন্তৰ্ভুক্ত হোৱাৰ বাবে অসমৰ ৰাজ্যপালগৰাকীয়ে কিছুমান অতিৰিক্ত বিশেষ ক্ষমতা উপভোগ কৰি আহিছে। প্ৰকৃততে অসমৰ স্বায়ত্তশাসিত জিলা পৰিষদসমূহৰ সাংবিধানিক মুৰব্বী হ'ল ৰাজ্যপাল।

শেষত ক'ব পাৰি যে ভাৰতীয় সংবিধানৰ খনিকৰসকলে পিছপৰা তথা লাজকুৰীয়া প্ৰকৃতিৰ জনজাতীয় লোকসকলৰ সৰ্বাংগীণ বিকাশ আৰু স্বাভিমান, স্বকীয়তা আদি ৰক্ষাৰ প্ৰচেষ্টাৰে ভাৰতৰ সংবিধানখনত (যিখনক দেশৰ মৌলিক আইন বুলি কোৱা হয়) ৩৭১(বি) নং অনুচ্ছেদটোৰ সংযোজন ঘটোৱাটো বাস্তৱসন্মত বুলি প্ৰমাণিত হৈছে। ❖



**বিকি কলিতা,** তৃতীয় শ্ৰেণী



**ৰিহান হাজৰিকা,** তৃতীয় শ্ৰেণী

# এটা কোট আৰু কিছু অনুভৱ...

■ জিৰি বৰ্মন
শিক্ষয়িত্ৰী, কম্পিউটাৰ বিভাগ

**এক কাহিনী :**

এসময়ত এজন দুখীয়া কিন্তু জ্ঞানী মানুহ আছিল। তেওঁ সমগ্ৰ জীৱন এক ফটা-ছিটা কোটেৰেই পাৰ কৰি দিছিল।

কিন্তু ৰাজ্যৰ সকলো ফালে তেওঁৰ গুণ-গৰিমা বিয়পি পৰিছিল। মানুহবোৰে নিজৰ নিজৰ সমস্যা লৈ তেওঁৰ ওচৰ চাপিছিল। চাৰিওফালে তেওঁৰ জ্ঞানৰ চৰ্চা এনেকৈ বিয়পি পৰিবলৈ ধৰিলে যে আনকি সেই ৰাজ্যৰ ৰজাও তেওঁৰ ওচৰলৈ আহিবলৈ ল'লে উপদেশৰ বাবে।

এদিন ৰজাই তেওঁক ক'লে—"আপোনাৰ নিচিনা জ্ঞানী পুৰুষ এজনে এনেকৈ দিন কটোৱা উচিত নহয়, আপুনি মোৰ ৰাজসভাৰ মন্ত্ৰী হওক।"

তেওঁ ক'লে—"হে মহাৰাজ, আপুনি মোক যি প্ৰস্তাৱ দিছে তাৰ বাবে মোৰ কোনো লোভ নাই। কিন্তু মোৰ দ্বাৰা যদি আপোনাৰ ৰাজ্যৰ মানুহৰ কিবা উপকাৰ হয়, তেন্তে মই আপোনাৰ প্ৰস্তাৱ মানিবলৈ সাজু আছোঁ। কিন্তু মোৰ এটা চৰ্ত আছে—সেয়া হ'ল মোৰ কোঠাৰ ভিতৰত কোনো সোমাব নোৱাৰিব। যিদিনাখনেই কোনোবা মোৰ কোঠাৰ ভিতৰত প্ৰৱেশ কৰিব, সিদিনাই মই আপোনাৰ ৰাজসভাৰ মন্ত্ৰিত্ব ত্যাগ কৰিম।"

ৰজা মান্তি হ'ল। দুখীয়া মানুহজন ৰাজসভাৰ মন্ত্ৰী হ'ল। ৰাজপ্ৰাসাদত তেওঁৰ বাবে এক কোঠাৰ ব্যৱস্থা কৰি দিয়া হ'ল। ৰাজ্যৰ নিয়ম অনুসৰি তেওঁ ৰাজসভাৰ লগত খাপ খোৱাকৈ সুন্দৰ বেশভূষা পৰিধান কৰি ৰাজসভাত বহিছিল।

সময়ৰ লগে লগে তেওঁৰ বিচাৰ-বুদ্ধিৰ



বিচক্ষণতাৰ বাবে ৰাজ্যৰ সকলোৰে প্ৰিয়পাত্ৰ হ'বলৈ ধৰিলে। সৰ্বত্ৰ তেওঁৰ জ্ঞানৰ প্ৰশংসা হ'ল।

তেওঁৰ জনপ্ৰিয়তা দেখি ৰাজসভাৰ আন মন্ত্ৰীসকলৰ ঈৰ্ষা হ'বলৈ ধৰিলে। কেইজনমান মন্ত্ৰীয়ে আনকি এনেকৈও ভাবিবলৈ ধৰিলে যে সেই জ্ঞানী মন্ত্ৰীজনৰ কোঠাত চাগে' কিবা ৰহস্য আছে। সেয়ে তেওঁ কোঠাৰ ভিতৰত কাকো প্ৰৱেশ কৰিবলৈ নিদিয়ে।

তেওঁলোকৰ সন্দেহৰ কথা কিছু দূৰলৈ বিয়পি গ'ল। আনকি ৰজাৰ কাণতো পৰিলগৈ সেই সন্দেহৰ বাতৰি।

ৰজাৰ মনত ভয় ভাব সোমাল—তেওঁৰ কোঠাত যদি সঁচাকৈয়ে সন্দেহজনক কিবা আছে !

সেয়ে ৰজাই মন্ত্ৰীজনক ক'লে যে তেওঁ কোঠাটো চাবলৈ বিচাৰে। মন্ত্ৰীজনে ৰজাক চৰ্তটোৰ কথা সোঁৱৰাই দিলে। তেওঁ ক'লে যে কোঠাটোত আন মানুহৰ প্ৰৱেশৰ পিছতেই তেওঁ ৰাজসভা এৰি গুচি যাব।

ৰজাই কিছু সময় চিন্তা কৰিলে। তেওঁৰ সেই জ্ঞানী মন্ত্ৰীজনক হেৰুৱাবৰ একেবাৰেই ইচ্ছা নাছিল। সেয়েহে ৰজাই তেওঁৰ কোঠাত সোমাই তাতনো কি আছে চোৱাৰ কথাটো মনৰ পৰা বাদ দিলে।

কিন্তু মাজে-সময়ে ৰাজসভাৰ আন মন্ত্ৰীসকলে ৰজাক ক'বলৈ ধৰিলে যে আপুনি এইখন ৰাজ্যৰ ৰজা। সেয়ে কোনো কথাই আপোনাৰ অজ্ঞাত হোৱাটো অনুচিত। আপোনাৰ জনাৰ অধিকাৰ আছে যে সেইজন মন্ত্ৰীৰ কোঠাতনো আচলতে আছে কি—যাৰ বাবে তেওঁ তাত কাকো প্ৰৱেশ কৰিব নিদিয়ে।

ৰজাৰ মনত সঁচাকৈয়ে চিন্তাই বাহ ল'লে। তেওঁ থিৰাং কৰিলে যে তেওঁ মন্ত্ৰীজনৰ কোঠাটো চাব। মন্ত্ৰীজনো মান্তি হ'ল। কোঠাটো খুলিবৰ বাবে ৰজাই আদেশ দিলে। আদেশ মতেই কাম। কোঠাটো খোলা হ'ল। আন মন্ত্ৰীসকলৰ লগত ৰজাই কোঠাটোত প্ৰৱেশ কৰিলে।

কোঠাটোৰ ভিতৰত বিশেষ একোৱেই নাছিল। আচবাব নথকা এক খালী কোঠা। মাত্ৰ কোঠাৰ বেৰত ওলমাই থোৱা আছিল মন্ত্ৰীজনৰ সেই পুৰণি জৰাজীৰ্ণ কোটটো।

ৰজা অবাক হ'ল। তেওঁ মন্ত্ৰীজনক সুধিলে—"আপুনি কোঠাটোত কাকো সোমাব দিয়া নাছিল কিয়? কোঠাটোত দেখোন লুকাবলগীয়া একোৱেই নাই।"

মন্ত্ৰীজনে উত্তৰ দিলে—"দিনৰ ভাগত মই আপোনাৰ ৰাজসভাৰ এজন মন্ত্ৰী। কিন্তু ৰাতি মই সদায় সেই কোটটো পিন্ধো আৰু মজিয়াত শুই যাওঁ। এনেদৰে মই মন্ত্ৰিত্বৰ অহংকাৰৰ পৰা নিজকে বচাই ৰাখোঁ। আৰু যেতিয়াই কিবা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ৰাজ্যখনৰ বাবে ল'ব লগা হয়, ৰাতি মই এই কোটটো পিন্ধি এবাৰ সেই সিদ্ধান্তটো পুনৰ বিচাৰ কৰি চাওঁ যাতে সেই সিদ্ধান্ত সকলো দুখীয়া মানুহৰ কল্যাণৰ বাবে হয়।"

কথাখিনি কৈ সেই মানুহজন ৰাজসভা এৰি গুচি গ'ল।

**অনুভৱ আৰু কিছু বিশ্লেষণ :**

মন চুই যোৱা এক কাহিনী।

কাহিনীটো যেতিয়া প্ৰথমবাৰ শুনিছিলোঁ এক গভীৰ অনুভৱে ভিতৰখন চুই গৈছিল। নিজকে সুধি চাইছিলোঁ কাহিনীটোৰ কি কি কথা বাৰে বাৰে মনলৈ আহি আছে। সেই জ্ঞানী মানুহজনৰ জ্ঞানৰ বিচক্ষণতাত জৰাজীৰ্ণ কোটটোৰ কিবা অৱদান আছে নেকি? যদি আছে কেনেকৈ? কিদৰে তেওঁ ৰাজসভাৰ মন্ত্ৰিত্ব পদৰ অহংকাৰৰ পৰা নিজকে বচাই ৰাখিবলৈ সক্ষম হৈছিল?

জ্ঞানৰ বিচক্ষণতা আচলতে ফুটি উঠে তাৰ প্ৰয়োগত। আমি যেতিয়া এক সিদ্ধান্ত ল'ব লগা হয় সেই সিদ্ধান্তই কিমান মানুহৰ উপকাৰ সাধন কৰিব তাৰ ওপৰতেই জ্ঞানৰ বিচক্ষণতাৰ পৰীক্ষা হয়।

বিশ্লেষণ কৰিলে উপৰিউক্ত কাহিনীটোৰ প্ৰাসংগিকতা আমাৰ জীৱনৰ কেইটামান মূল দিশৰ লগত বিচাৰি পাওঁ। সেয়া হৈছে—

**সফলতাৰ অংগীকাৰ** (Commitment to success) :

সফলতাৰ সংজ্ঞা সকলোৰে বাবে একে নহয়। প্ৰত্যেকৰেই নিজৰ নিজৰ ধাৰণা থাকে সফলতাৰ।

পাছে বহু সময়ত আমাৰ সফলতাৰ ধাৰণাটো হ'ল আনতকৈ আমি কি বেছিকৈ কৰিব পাৰিছোঁ তাৰ ওপৰত। আনে যদি আমাতকৈ কিবা ক্ষেত্ৰত কমকৈ কৰিছে তেন্তে আমি সেইজনতকৈ নিজকে বেছি সফল বুলি ভাবোঁ, অন্ততঃ সেই ক্ষেত্ৰত।

কিন্তু আনে কি কৰিব পাৰিছে বা নোৱাৰিছে তাৰ লগত আচলতে আমাৰ সফলতাৰ ধাৰণা নিৰ্ভৰ কৰাটো উচিত হয় জানো? আমি নিজৰ বাবে ঠিক কৰি লোৱা পথত কিমানদূৰ আগ বাঢ়ি যাব পাৰোঁ তাৰ ওপৰতেই চাগে' নিৰ্ভৰ কৰা উচিত আমাৰ সফলতাৰ ধাৰণা।

বহু সময়ত আমাৰ সফলতাৰ অংগীকাৰ দৃঢ়

নহয়। সেয়ে যিকোনো ঘটনাই আমাক প্ৰভাৱিত কৰি আমাক আমাৰ পথৰ পৰা সাময়িকভাৱে হ'লেও বিচলিত কৰিব পাৰে।

সেই জ্ঞানী দুখীয়া মানুহজনৰ বাবে হয়তো তেওঁৰ জীৱনৰ সফলতাৰ ধাৰণা আছিল জ্ঞান। তেওঁৰ সফলতাৰ অংগীকাৰ আছিল দৃঢ়। সেয়েহে একোৱেই তেওঁক তেওঁৰ পথৰ পৰা বিচ্যুত কৰিব নোৱাৰিছিল।

**স্বাধীনতাৰ ধাৰণা** (Idea of freedom) :

নিজৰ বাবে থিৰাং কৰি লোৱা পথত চলিবৰ বাবে দৃঢ় মনৰ লগতে স্বাধীনতাৰ ধাৰণাও সঠিক হ'ব লাগিব।

আমাৰ বহুতৰ মতে স্বাধীন (freedom) হোৱাৰ অৰ্থ হৈছে আমি যি ইচ্ছা তাকেই কৰিবলৈ পোৱাটো। তাত কোনোবাই বাধাৰ সৃষ্টি কৰিলেই আমি আমাৰ স্বাধীনতা ভংগ হোৱা বুলি অনুভৱ কৰোঁ।

কিন্তু বহু সময়তেই আমাৰ নিজৰ ইচ্ছাবোৰ সম্পূৰ্ণভাৱে আমাৰ নিজৰ নহয়। আমাৰ ইচ্ছাবোৰ নিয়ন্ত্ৰণ কৰে চৌপাশৰ বিভিন্ন কাৰকে। অৰ্থাৎ আমি যিমান সবল আৰু দৃঢ় হ'ম সিমানেই আমি স্বাধীন। যিমানেই আমি দুৰ্বল আৰু অস্থিৰ হ'ম সিমানেই আমাক বাহিৰৰ কাৰকবোৰে প্ৰভাৱিত কৰিব পাৰিব আৰু আমাৰ ইচ্ছা আৰু কাম-কাজবোৰো সেইবোৰ কাৰকৰ দ্বাৰা নিয়ন্ত্ৰিত হৈ পৰিব।

সেই জ্ঞানী মানুহজনক মন্ত্ৰীসভাৰ আন মন্ত্ৰী বা ৰজা বা ৰাজপ্ৰাসাদৰ বিলাসী জীৱন একোৱেই প্ৰভাৱিত কৰিব নোৱাৰিছিল আৰু তাৰ বাবে হয়তো তেওঁ পুৰণি জৰাজীৰ্ণ কোটটোক এক আশ্ৰয় হিচাপে ব্যৱহাৰ কৰিছিল। মোৰ দৃষ্টিত সেই জ্ঞানী মানুহজন এক মুক্ত মানুহ।

**দায়িত্ববোধৰ ধাৰণা** (Idea of responsibility) :

আমাৰ জীৱন আমাৰ নিজৰ দায়িত্ব। দায়িত্ব বুলি ক'লে বহু সময়ত এক বোজাৰ কথা আমাৰ মনলৈ আহে। কিন্তু ভালদৰে ভাবি চালে গম পাম যে দায়িত্ববোধ বা দায়বদ্ধতাৰ লগত এক স্বাধীনতাৰ ভাবো সাঙোৰ খাই আছে। পিছে কেনেকৈ?


ধৰি ল'লোঁ মোৰ জীৱনত কিবা এক বেয়া অভিজ্ঞতা হ'ল আৰু তাৰ বাবে মই আনক জগৰীয়া কৰিলোঁ। ইয়াৰ অৰ্থ হ'ল মই মোৰ জীৱনৰ অভিজ্ঞতাৰ চাবি-কাঠীডাল আনৰ হাতত অৰ্পণ কৰিলোঁ। লগে লগে মোৰ জীৱনৰ অভিজ্ঞতা সুন্দৰ কৰাৰ যি সম্ভাৱনা আছিল সেয়াও মই হেৰুৱাই পেলালোঁ। অৰ্থাৎ মোৰ জীৱনৰ ওপৰত মোৰ নিজৰেই কোনো নিয়ন্ত্ৰণ নাথাকিল।

এইটোও ঠিক যে জীৱনৰ অভিজ্ঞতা আন বহু বাহিৰৰ কাৰকৰ ওপৰতো নিৰ্ভৰ কৰে। কিন্তু যিবোৰ কাৰকৰ ওপৰত আমাৰ নিয়ন্ত্ৰণ নাই সেইবোৰক একাষৰীয়াকৈ থৈ আমি যদি আমাৰ নিজৰ চিন্তা-চৰ্চা বা কৰ্মৰ বাবে নিজক দায়বদ্ধ কৰোঁ; তেন্তে আমাৰ জীৱন বা জীৱনৰ অভিজ্ঞতা বহু পৰিমাণে আমাৰ নিজৰ হাতত থাকিব। আমি আমাৰ জীৱন নিজে বিচৰা ধৰণে সজাব পাৰিম।

সেই দুখীয়া জ্ঞানী মানুহজন—তেওঁ সকলো সময়তেই চাগে' নিজৰ জীৱনৰ দায়িত্ব নিজৰ ওপৰতেই লৈছিল। সেয়ে তেওঁ নিজক নিজে বিচৰা ধৰণে গঢ় দিব পাৰিছিল। বাহিৰৰ কোনো কাৰকেই চাগে' তেওঁৰ অন্তৰ্ভাগক সলনি কৰিব নোৱাৰিছিল।

জীৱনটো আচলতে আমাৰ নিজৰ হাতত। আমি ইয়াক সুন্দৰ অথবা অসুন্দৰ কৰি সজাব পাৰোঁ। পছন্দ বা choice সদায়েই আমাৰ হাতত।

কাহিনীটোৰ জ্ঞানী পুৰুষজন এক সঁচা নে কাল্পনিক চৰিত্ৰ সেয়া কোৱাটো হয়তো টান হ'ব। পাছে কাল্পনিক বা সঁচা চৰিত্ৰ যিয়েই নহওক কিয়, তেওঁৰ বিশাল ব্যক্তিত্বই সকলোৰে মন চুই যাব। লগতে জীৱনৰ কিছু গুৰুত্বপূৰ্ণ দিশ গভীৰভাৱে অনুভৱ কৰি আমাৰ এই জীৱনটো কিছু পৰিমাণে হ'লেও সুন্দৰ কৰি তোলাৰ বাবে অনুপ্ৰাণিত কৰিব আৰু তাতেই সেই কাহিনীৰ সাৰ্থকতা। ❖



# শিলৰ বুকুৰ সেউজীয়া

■ লিপিমণি দত্ত
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ

—মা, মা, শিলগুটিটো আজিও নগজিল।

খন্তেক আগলৈকে জুৰৰ মুখখন উৎসাহেৰে ভৰা আছিল। বেলকনিৰ দাঁতিৰ টাববোৰৰ কাষলৈ গৈ পোৱাৰ লগে লগে জুৰৰ মনটো শেঁতা পৰিল। মাত সেমেকা হ'ল। বিষাদ ভৰা মাতেৰে জুৰে মাকলৈ চাই সুধিলে—মা, কেতিয়া গজিব শিলগুটিটো?

মাকে সদায় কোৱাৰ দৰেই ক'লে—কাইলৈ গজিব।

—কাইলৈ ! আকৌ তিৰবিৰাই উঠিল জুৰৰ চকু দুটা।

হয়, মাকে কৈছে, কাইলৈ গজিব। মাকে কৈছে যেতিয়া গজিবই। শিলৰ পৰা পাত ফুটি ওলাব। সেই পাত সেউজীয়া হ'ব। সেউজীয়া এজোপা গছ হৈ উঠিব। হয়তো তাত ফুলো ফুলিব। কি ৰঙৰ ফুল ফুলিব ! ৰঙা-নীলা-ক'লা !

—ক'লা ফুল ফুলেনে?

জুৰৰ বাৰে-বাংকৰা প্ৰশ্নৰ মাকেও খুব স্বাভাৱিকভাৱে উত্তৰ দি যায়। জুৰে যেতিয়া শিলৰ পৰা গছ হোৱাৰ কথা কয়, তাৰ পৰা ফুল ফুলাৰ কথা কয়, মাকেও খুব সহজভাৱে সোধে— কি কি ৰঙৰ ফুল ফুলিব সোণ !

জুৰে কয়—ৰঙা-নীলা-ক'লা।

—ক'লা ৰঙৰ ফুল নুফুলে সোণ।

জুৰে দাবী কৰে—ফুলে মা, ফুলে।

হয়, ফুলে, জুৰে কৈছে যেতিয়া ফুলিবই। মাকেও মানি লয়।

জুৰ অতি কণমানি ল'ৰা। স্কুলত নাম লগাওঁ লগাওঁকৈ থকা ল'ৰা, কিন্তু এতিয়াও স্কুললৈ যাব পৰা হোৱা নাই। এই বয়স তাৰ কল্পনা কৰাৰ বয়স। তাৰ কল্পনাত অসম্ভৱো সম্ভৱ হয়। অথচ সম্ভৱ হোৱা কতবোৰ কথা বুজি-বাজি পাবলৈও তাৰ বাবে কিমান কঠিন হয় !

* * *

জুৰে শিলগুটিটোত প্ৰতিদিনে পানী ঢালে। কেতিয়াবা পানীৰে ওপচাই দিয়ে। পানী দিয়া কামটো অতি আন্তৰিকতাৰে আৰু নিষ্ঠাৰে কৰে। তাৰ সৰল বিশ্বাস, এই শিলৰ পৰা গছ গজিবই। সেউজীয়া হ'বই।

জুৰে কোনোবা এটা দিনত নৈপৰীয়া ঠাই এখনত ফুৰিবলৈ যাওঁতে অলপমান বগা বৰণৰ, দেখাত অলপমান আকৰ্ষণীয় শিল এটা হাতৰ পৰা পেলাই নিদিয়াকৈ ঘৰলৈকে বুটলি আনিছিল। ঘৰৰ চুকত বহুদিন পৰি থকা শিলটো হঠাতে এদিন খালী মগ এটাত ভৰাই বেলকনিৰ টাববোৰৰ কাষত শাৰী পাতি থৈ আহিছিল। ধুনীয়াকৈ ৰখা টাববোৰৰ মাজত মগৰ শিলটোৱে শোভা নষ্ট কৰিছিল। মুখত কিছু বিৰক্তি লৈয়েই মাকে জুৰক টানকৈ কৈছিল—মগটোত কিয় শিলটো ভৰাইছা, জুৰ?

অকণো নভবাকৈ জুৰে উত্তৰ দিছিল—গছ হ'ব, মা !

—গছ ! মাকে একো বুজা নাছিল।

—অঁ মা, শিলৰ পৰা গছ হ'ব। মই পানী দিম। তাৰ পিছত শিলটো গছ হৈ যাব।

মাকে তেতিয়াহে কথাবোৰ বুজি পাইছিল। সকলো কথা পৰিষ্কাৰ হৈ পৰিছিল। কেইদিনমানৰ আগতে মাকে আমৰ পচাই থোৱা ডিলাৰ পৰা কেনেকৈ বীজ অংকুৰিত হয়, সেয়া এনেয়ে জুৰক দেখুৱাইছিল। বজাৰৰ পৰা অনা ভাল সঁচৰ আমৰ ডিলা এটা ঘৰৰ টাবতে পচাইছিল মাকে। জুৰৰ চকুত পৰিছিল কথাটো। জুৰে সুধিছিল—কেনেকৈ আমৰ গুটিটো গছ হ'ল।

মাকে একো নভবাকৈয়ে উত্তৰ দিছিল—মই যে সদায় পানী দিওঁ, সেইবাবে।

শিলগুটিটোক কেন্দ্ৰ কৰি জুৰৰ সৰল বিশ্বাস এটা গঢ় লৈ উঠিছে—এই গুটিটোত পানী ঢালিলেও গছ হ'ব।

শিল মানেই কঠিন। পানী দিলেই শিল নগলে। কিন্তু এবাৰ বিশ্বাস ভাঙিলে শিলৰ দৰে কঠুৰা হৈ পৰে মানুহৰ বুকু। জুৰৰ সৰল বিশ্বাস হঠাতে ভাঙি দিবলৈ সত নগ'ল মাকৰ। হওক—তাৰ অগাধ বিশ্বাসেৰে শিলকো যদি সেউজীয়া কৰে কৰক।

প্ৰতিদিনে সি পুৱা শুই উঠিয়েই দৌৰি আহে শিলটো চাবলৈ—কিজানি শিলটো ফুটি গছ গজিছে! মাকে ফুলত পানী দিয়া দেখি দেখি ফুলগছবোৰলৈ তাৰো মৰম সোমাই পৰিছে। সেইবাবে সিও নিয়মীয়াকৈ ফুলগছত পানী দিয়ে। আগতে প্ৰতিজোপা ফুলগছত তাৰ কণমানি হাতৰ মৰমৰ বুলনি পৰিছিল। এতিয়া তাৰ বেছিভাগ মনোযোগ কাঢ়ি নিয়ে শিলটোৱে।

মাকক সেইবাবেই প্ৰতিদিনে সোধে—মা, কেতিয়া গজিব!

—কাইলৈ।

—কাইলৈ কেতিয়া আহিব! —এই কাইলৈটোৰ বাবে জুৰ অতিষ্ঠ হৈ পৰিছে।

এই কাইলৈটো নাহিলে জুৰৰ সৰল বিশ্বাস ভাঙি পৰিব নেকি! তাৰ কণমানি বুকুখন মোচৰ খাই পৰিব নেকি! মাকৰ সংশয় ওপজে।

মাকৰ মনত পৰে তেওঁৰ শৈশৱলৈ। মাকৰ মনত পৰে তেওঁৰ দেউতাকলৈ। এদিন তেৰোঁ সৰু আছিল। যেতিয়া কণমানি আছিল, তেতিয়া কণমানি কণমানি কিমান যে কল্পনা মনত ঠাহ খাই আছিল। কিতাপত পঢ়িবলৈ পায়, বৰদিনৰ দিনা চাণ্টাক্ল'জ আহে। জোনৰ দেশৰ পৰা আকাশৰ বুকুৰেদি নামি আহে চাণ্টাক্ল'জ ককা। ককাৰ পেৰাত কিমান যে খেলাৰ সামগ্ৰী। দেউতাকে বুজায়, যি ল'ৰা-ছোৱালীয়ে ভাল ভাল কাম কৰে, চাণ্টাক্ল'জে তেওঁলোকক বৰদিনৰ দিনা আহি উপহাৰৰ টোপোলা দি যায়।

এই বৰদিনৰ দিনটোলৈকে তেওঁ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি ৰৈছিল। চাণ্টাক্ল'জে কি বা উপহাৰ আনিব ভাবি ভাবি কেইবাদিনৰ পৰা উৎসুকতাৰে পাৰ কৰিছিল। বৰদিনটোৰ আগৰ ৰাতিটো সঁচাকৈয়ে বৰ দীঘল দীঘল যেন লাগি গৈছিল। আৰু সঁচাকৈয়ে পুৱা উঠিয়েই ঘৰৰ কোনোবা কোণত, হয়তো খিৰিকীৰ কাষত, হয়তো ফুলৰ টাবত তেওঁ দেখা পাইছিল ৰং-বিৰঙী কাগজেৰে মেৰিওৱা উপহাৰৰ টোপোলা। কেতিয়াবা খেলাৰ সামগ্ৰী, কেতিয়াবা পেঞ্চিল। মনৰ মাজত চাণ্টাক্ল'জ ককালৈ কৃতজ্ঞতা জনোৱাৰ ভাষা বিচাৰি পোৱা নাছিল। বহু পলমকৈ তেওঁ বুজিব পাৰিছিল আগনিশা সেই উপহাৰবোৰ তেওঁৰ দেউতাকেই সাজু কৰি লুকুৱাই ৰাখিছিল।

কোনোবা এবাৰ দেউতাকে পাহৰি গৈছিল উপহাৰ আনিবলৈ। তেতিয়া তেওঁ অলপ ডাঙৰো হৈছিল। উপহাৰ নোপোৱা বাবে মনটো কেনেকৈ যে বেয়া হৈ গৈছিল! চাণ্টাক্ল'জ ককাই তেওঁৰ ঘৰত নোসোমোৱাকৈ গুচি গৈছিল! কথাটো ভাবিলেই শোক উথলি আহিছিল।

জুৰৰ শিলটো গজিব লাগিব। এই কোমল বয়সত তাৰ বিশ্বাসৰ ভেটি ভাঙিব নোৱাৰি। তাৰ 'কাইলৈ'টো অহাবই লাগিব।

খুব সন্তৰ্পণে জুৰে নেদেখাকৈ মাকে এজোপা নতুন গছপুলি যোগাৰ কৰি মগটোত ৰুই দিলে। জুৰ নিশা টোপনি যোৱাৰ পিছত মগত নতুনকৈ ৰুই দিয়া পুলিটো বেলকনিৰ গছৰ শাৰীবোৰৰ সৈতে থৈ দিলে।

মাকে সঠিক জানে—পুৱাই জুৰ শুই উঠিয়েই দৌৰি আহিব। শিলৰ পৰা গছ ফুটি ওলাইছে নেকি চাবলৈকে সি পোনছাটে বেলকনি পাবহি। আৰু শিলৰ পৰা গছ পুলিটো গজা দেখি তাৰ দুচকু তিৰবিৰাই উঠিব। চিঞৰি চিঞৰি মাকক ক'ব— মা, চোৱাহি, শিলৰ পৰা গছ গজিল। চোৱাহি চোৱাহি !!!

সেই মধুৰ বিস্ময় আনন্দখিনি চাবলৈ, অভিভূত কণ্ঠৰ শব্দকেইটা শুনিবলৈ অধীৰ ব্যগ্ৰতাৰে মাকে অপেক্ষা কৰি ৰ'ল। ❖

# শিশুৰ চিন্তাশক্তিৰ বিকাশ

■ **জুলি শইকীয়া**
**শিক্ষয়িত্ৰী, প্ৰাক্-বিদ্যালয়**

শিশুৰ চিন্তাশক্তিৰ বিকাশ বুলি ক'লেই আমাৰ মনলৈ অহা ধাৰণাটোৱেই হ'ল যে এটা শিশুৱে কোনো এটা কথা কেনেদৰে ভাবে? শিশুৰ ভবা কথাটোৰ লগত জড়িত হৈ থকা শব্দটোৱেই হ'ল বোধ। অৰ্থাৎ বুজা শক্তি। শিশুসকলে যেতিয়া কোনো এটা কথাত মনোযোগ দিব পাৰে তেতিয়াই তেওঁলোকৰ চিন্তাশক্তিৰ বিকাশ হোৱা বুলি ক'ব পৰা যায়। মনোযোগ হ'ল বোধ অৰ্জনৰ গুৰুত্বপূৰ্ণ দক্ষতা আৰু ইয়াক শিশুৱে ভৱিষ্যতৰ শিক্ষণত ব্যৱহাৰ কৰিব পাৰে। অধ্যয়নৰ পৰা গম পোৱা গৈছে যে ৫ বছৰৰ তলৰ শিশুৱে অতি কমেও ১৫ মিনিট সময় মনোযোগ দিব পাৰে আৰু ৮ বছৰ বয়সলৈকে শিশুৱে দীঘলীয়া সময়ৰ বাবে মনোযোগ দিব পৰা হয়।

হেন্‌ৰি ফৰ্ডে 'চিন্তা'ৰ বিষয়ে এক সুন্দৰ কথা কৈছিল। তেওঁ কৈছিল—"চিন্তা কৰাটো হ'ল আটাইতকৈ কঠিন কাম, সেইবাবে সম্ভৱতঃ খুব কমসংখ্যক মানুহহে এই কাৰ্য্যত লিপ্ত থাকে।"

শিশুসকলৰ চিন্তাশক্তি বিকাশ হ'বলৈ হ'লে শিশুসকলক এক মুকলি পৰিবেশ দিব লাগিব য'ত তেওঁলোকে নিজে ভবা কথাবোৰ ব্যক্ত কৰিবলৈ সুবিধা লাভ কৰিব।

চিন্তাশক্তিৰ দক্ষতা হ'ল এক মানসিক প্ৰক্ৰিয়া, যাক অভিজ্ঞতা আহৰণ কৰাৰ সময়ত ব্যৱহাৰ কৰা হয়। ইয়াৰ দ্বাৰা কোনো অভিপ্ৰায় লাভ কৰাৰ ক্ষমতাক বুজা যায়। চিন্তাশক্তিৰ দক্ষতাৰ দ্বাৰা ব্যক্তিয়ে অভিজ্ঞতাৰ পৰা শিকে আৰু বৌদ্ধিক শক্তিৰ সদ্ব্যৱহাৰ কৰিব পাৰে।

আমি জানো যে বেছিভাগ মগজুৰ বিকাশ শৈশৱ কালতেই হয়। ৬ বছৰ বয়সলৈকে মগজুৰ ৯০ শতাংশ বিকাশ হৈ উঠে। শিশুক এই সৰু অৱস্থাবোৰত যদি কিবা এটা বস্তু তেওঁলোকক নিজা দৃষ্টিৰে চিন্তা কৰিবলৈ দিয়া যায়, তেতিয়া তেওঁলোকৰ পৰা নানা উত্তৰ লাভ কৰিব পৰা যায় আৰু তেওঁলোকৰ চিন্তাশক্তিৰ বিকাশ হোৱা বুলি ধৰিব পৰা যায়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে শিশুসকলক যদি কোনো চিন্তা উদ্ৰেককাৰী প্ৰশ্ন সোধা যায় তেনেহ'লে শতকৰা ৯০ ভাগ অভিভাৱকেই উত্তৰবোৰ শিশুক ক'বলৈ শিকাই দিয়ে। ইয়াৰ ফলত শিশুৰ নিজস্ব চিন্তাশক্তি স্থবিৰ হৈ পৰে আৰু তেওঁলোকৰ কথা কোৱাৰ অভ্যাস তথা ভাষাৰ বিকাশ সাধন নহয়। সেয়ে শিশুক নিজৰ মতে মুক্ত মনে ভুলে-শুদ্ধই ক'বলৈ দিব লাগে।

শিশুৰ জন্মগত যি চিন্তাৰ কৌশল সেই কৌশলক বৃদ্ধিও কৰিব পাৰি। এনে কৌশলবোৰ বৃদ্ধি কৰিবলৈ অভিভাৱক তথা শিক্ষকসকলেও চেষ্টা কৰিব লাগে। বিভিন্ন ধৰণৰ কৌশলসমূহ হ'ল—

- ❖ শিশুৰ চিন্তা-কৌশল বৃদ্ধি কৰিবলৈ হ'লে শিশুক প্ৰশ্ন সুধিবলৈ অনুপ্ৰেৰণা যোগাব লাগে। শিশু এটাক কোনো এটা বস্তু নিৰীক্ষণ কৰিবলৈ দি সেই বস্তুটোৰ ওপৰত বিভিন্ন ধৰণে প্ৰশ্ন সুধিলে শিশুৰ চিন্তাশক্তিৰ বিকাশ হয়।
- ❖ যিবিলাক শিশুৱে মুক্ত চিন্তা কৰিব পাৰে তেনে শিশুৱে কেৱল পাঠ্যপুথিৰ ওপৰতে নিৰ্ভৰ নকৰি নিজৰ দৃষ্টিৰে কথাবোৰ ভাবে আৰু তেতিয়াই মগজুৰ বিকাশ সাধন হয়।
- ❖ শিক্ষকেই হওক বা অভিভাৱকেই হওক শিশুক সদায় সমস্যা সমাধান কৰিবলৈ, সাঁথৰ ভাঙিবলৈ বা সৰল প্ৰশ্ন সোধাত গুৰুত্ব দিব লাগে।
- ❖ এটা অতি গুৰুত্বপূৰ্ণ কথা যে শিশুক উত্তৰ

শিকোৱাৰ পৰিবৰ্তে আমি তেওঁলোকক প্ৰশ্ন সুধিবলৈ শিকাব লাগে, তেতিয়া তেওঁলোকে উত্তৰসমূহ নিজে আৱিষ্কাৰ কৰিব পাৰিব।

❖ শিশুৰ চিন্তাৰ বিকাশ সাধন কৰিবলৈ হ'লে শিশুৰ আত্মবিশ্বাস বৃদ্ধিত গুৰুত্ব প্ৰদান কৰিব লাগে।

❖ শিশুৰ চিন্তাশক্তি বিকাশৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীৰ ভূমিকাও যথেষ্ট আছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে শিশুৰ মাজত বিভিন্ন বিষয় আগ বঢ়াই দিব লাগে আৰু বিষয়সমূহৰ ওপৰত তেওঁলোকৰ নিজা মতামত আগ বঢ়াবলৈ দিব লাগে আৰু আলোচনাবোৰ আগ বঢ়াই নিয়াত সহায় কৰিব লাগে।

শিশুক বিভিন্ন ধৰণৰ ছবি চাবলৈ দি সেই ছবিবোৰৰ বিষয়ে নিজা দৃষ্টিৰে বৰ্ণনা দিবলৈ ক'ব লাগে। এনে ধৰণৰ ক্ৰিয়াবোৰৰ পৰাও চিন্তাশক্তিৰ বিকাশ হয়। অভ্যাস আৰু সঠিক প্ৰশিক্ষণৰ দ্বাৰা চিন্তাশক্তি আৰু শিক্ষণৰ দক্ষতাৰ বিকাশ কৰিব। সাধাৰণতে ৫ বছৰৰ তলৰ শিশুসকলৰ দীৰ্ঘ আৰু হ্ৰস্ব স্মৃতিৰ সমস্যা দেখা পোৱা যায়, কিন্তু যেতিয়া শিশুসকলে বিদ্যালয়ত ভৰি দিয়ে, তেতিয়া তেওঁলোকৰ স্মৃতিশক্তি বৃদ্ধি হয় আৰু ই তেতিয়া তেওঁলোকৰ অতীতৰ জ্ঞান বৃদ্ধি কৰাত সহায় কৰে।

শেষত আমি ক'ব পাৰোঁ যে চিন্তা এক বহল বিষয় আৰু ইয়াৰ দ্বাৰাই কোনো সমস্যাৰ সমাধান বিচাৰি উলিয়াব পাৰি। চিন্তা কৰিলেহে আমাৰ মগজুৰ বিকাশ সাধন হয়। ❖

# বেহেলাৰ ইতিহাস

■ ৰীণা চৌধুৰী সেন ডেকা
শিক্ষয়িত্ৰী, সহ-পাঠ্যক্ৰম বিভাগ

বৰ্তমান কালত যথেষ্ট জনপ্ৰিয়তা লাভ কৰিবলৈ সমৰ্থ হোৱা বাদ্যযন্ত্ৰবিধ হ'ল বেহেলা। বেহেলাক আমি 'VIOLIN' বুলি কওঁ যদিও 'VIOLIN'টো ইংৰাজী শব্দ। কোনোৱে আমাৰ দেশত 'বেহেলা'ক 'বেলা' বুলিও কয়। বেংগলত আকৌ 'বেহেলা'ক 'বেহালা' বুলি কয়।

ভাৰতীয় সংগীতত শাস্ত্ৰ অনুসৰি গীত, বাদ্য আৰু নৃত্য—এই তিনিও কলাৰ সংমিশ্ৰণকে সংগীত বোলে। অৰ্থাৎ—

গীতং বাদ্যং তথা নৃত্যং এয়ং সংগীতমূচ্ছ্যতে।

ভাৰতীয় পৰম্পৰা অনুসৰি কণ্ঠ সংগীতৰ স্থান প্ৰথমতে। কণ্ঠ সংগীতক অনুকৰণ কৰে বাদ্যই আৰু সেইবাবে কণ্ঠ সংগীতৰ পিছতেই বাদ্যৰ স্থান। নৃত্যৰ স্থান সবাতোকৈ শেষত। গীত আৰু বাদ্য অবিহনে নৃত্য পৰিবেশন কৰিব নোৱাৰি।

কণ্ঠ সংগীতৰ দৰে বাদ্যযন্ত্ৰৰ ঐতিহ্যও পুৰণি। বেহেলাৰ জন্ম বৃত্তান্ত সম্পৰ্কে বিভিন্ন গ্ৰন্থত বিভিন্ন মতবাদ পোৱা যায়। ইংৰাজীত বেহেলাৰ জন্ম বৃত্তান্তৰ বিষয়ে বহুতো গ্ৰন্থ পোৱা যায় যদিও বেহেলাৰ উদ্ভাৱনত ভাৰতবৰ্ষৰ যথেষ্ট অবদান আছে। বেহেলাৰ উৎপত্তি, উৎপত্তিৰ স্থান, বজোৱাৰ কৌশল বা আৱিষ্কাৰৰ বিষয়ে সঠিক তথ্য পোৱা নাযায়।

বেহেলাৰ আঁত বিচাৰি চালে দেখা যায়—ত্ৰয়োদশ শতাব্দীৰ আগে-পাছে ইউৰোপত প্ৰচলিত ফিদল (Fiddle) নামৰ বাদ্যটিয়ে বেহেলাৰ উৎপত্তিৰ মূল উৎস। এই সম্পৰ্কে এগৰাকী গৱেষক ড° সুনেৰা কাৰলিৱালে (Dr. Suneera Karliwal) এনেদৰে মন্তব্য কৰিছে—"They were always held on the shoulder and browd palm downward, the bulging sound board with depression near the

outline, the projecting edgers, the lateral pegs and even the four strings, which were combined together in the end of the fifteenth century.” (Dr. Suneera Karliwal, Classical Musical Instruments, p. 274). ‘ৰিবেক’ নামৰ বাদ্যযন্ত্রটি বেহেলাৰ জন্মলগ্নৰ লগত ওতপ্রোতভাৱে জড়িত বুলি বহুতে মত পোষণ কৰিছে। দেখিবলৈ নাচপতিৰ নিচিনা ৰেপনীৰে বজোৱা এই যন্ত্রবিধৰ তাঁৰ আছিল তিনিডাল। ৰিবেক নামৰ বাদ্যটিয়ে পিছলৈ বিকশিত হৈ ‘ভায়ল’ বাদ্যলৈ ৰূপান্তৰ ঘটে আৰু আকাৰৰ কিছু সলনি হৈ বেহেলা বাদ্যলৈ ৰূপান্তৰিত হয়। ‘ৰিবেক’ আৰু ‘ফিদল’ নামৰ বাদ্য দুবিধে একাদশ শতিকাত ফ্রেন্স আৰু ইটালিত প্রচলন হৈ থকাৰ সম্পৰ্কে বিশ্বৰ এগৰাকী সংগীত বিশেষজ্ঞ কাৰ্ড চাৰ্চে এনেদৰে কৈছে—The Fiddle and the Rebec were both used by travelling poets and singers in France and Italy (eleventh to thirteenth century), called boards to accompany singing and dancing. (Cart Sachs, The History of Musical Instrument, pp. 355-56)

১৬শ শতাব্দীৰ মধ্যভাগত ইটালিৰ ক্রিমনা নামৰ চহৰখন বেহেলা নির্মাণৰ মূল কেন্দ্র হৈ পৰে আৰু সেই ঠাইৰ পৰাই বেহেলা চৌদিশে বিয়পি পৰে। আন্দ্রিয়া আমাতি নামৰ এগৰাকী পিয়ানোবাদকে বেহেলাৰ বহুখিনি ৰূপান্তৰ ঘটাই ইয়াক শাস্ত্রীয় বাদ্যৰ সমকক্ষ কৰি তোলে। এণ্টনিঅ’ ষ্ট্রেদিৱোৰী নামৰ আমাতিৰ শিষ্য এজনে বেহেলাৰ পূর্ণ ৰূপ দিয়াত যথেষ্ট বৰঙণি আগ বঢ়াইছিল (১৬৪০-১৭৩৭)।

১৮শ শতাব্দীৰ শেষৰ ভাগত বেহেলা নির্মাতাসকলে বিজ্ঞানসন্মতভাৱে চিন্তা-চর্চা কৰি বেহেলাৰ কিছু পৰিবৰ্তন কৰে। ফ্রান্সৰ এগৰাকী বেহেলা নির্মাতা শিল্পী ফ্রেগকচ টওৰটিয়ে (Fragcorns Toute) ‘গজ’ বা ‘ব’ ’ ডালৰ চূড়ান্ত বিজ্ঞানসন্মত প্রথা উলিয়ায়।

ভাৰতত বেহেলাৰ দৰে ৰেপনীৰ সহায়েৰে বজোৱা বাদ্যৰ প্রচলন বহু পুৰণি। কোনো কোনোৱে ক’ব বিচাৰে বেহেলা ভাৰতৰহে বাদ্য। প্রবাদ আছে লংকাৰ ৰজা ৰাৱণে হেনো এই বাদ্যযন্ত্রৰ আৱিষ্কাৰক। এক তাঁৰযুক্ত আৰু ‘ব’ ’ বা ‘গজে’ৰে ৰাৱণে বজোৱা এইবিধ বাদ্যযন্ত্র হৈছে ‘ৰাৱণাস্ত্রম’। অৱশ্যে কোনোৱে ক’বলৈ বিচাৰে যে ৰাৱণ নামৰ সংযোগ থকাৰ বাবেই ‘ৰাৱণাস্ত্রম’ বীণা বাদ্যটি ৰাৱণে সৃষ্টি কৰিছিল। ‘অমৃতি’ নামৰ বাদ্যই বেহেলাৰ আদি ৰূপ বুলি কোনো কোনোৱে মত পোষণ কৰে। এচামৰ মতে ৰেপনীৰে বজোৱা ‘পিনাকী’, ‘আলাপিনী’ আদি বাদ্যযন্ত্রই একাদশ শতিকাত কোনো পৰিব্ৰাজকৰ যোগেৰে পাৰস্য, স্পেইন, আৰব আদি ঠাইত প্রচলন হৈ পায়গৈ ইউৰোপ আৰু পিছত ইটালিত বিকাশ হয়। পাশ্চাত্যৰ দুই-এক পণ্ডিতেও বেহেলা ভাৰততে জন্ম হ’ব পাৰে বুলি মতপোষণ কৰে।


অসমৰ এজন লেখক স্বৰ্গীয় ক্ষেত্ৰমোহন গোস্বামীদেৱৰ ৰচিত ‘সংগীত সাৰ’ নামৰ গ্রন্থখনত প্রমাণ কৰা দেখা গৈছে যে বেহেলা যন্ত্রটি ভাৰতীয় ‘অমৃতি’ নামৰ যন্ত্রটোৰ অনুকৰণেৰে নির্মিত হৈছে। ভাৰতীয় বাদ্যৰ অনুকৰণেৰে নির্মিত হ’লেও বেহেলাৰ বৰ্তমান ৰূপ আৰু ধ্বনিৰ মধুৰতা আদিৰ বাবে ইউৰোপেই যন্ত্রটোৰ আৱিষ্কাৰকৰ গর্ববোধ কৰিব পাৰে।

বৰ্তমান সময়ত বেহেলা ভাৰতৰ লগতে পাশ্চাত্যতো অতি জনপ্রিয়। পাশ্চাত্যত বেহেলাক ‘Queen of Instrument’ বুলিও জনা যায়। স্বতন্ত্রবাদন আৰু সংগত উভয় ক্ষেত্ৰতে দেশে-বিদেশে এই বাদ্যৰ প্রচলন অপাৰ। আমাৰ দেশত সংগীতৰ উপৰি সুগম বা আধুনিক সংগীতৰ ক্ষেত্ৰত বেহেলাৰ প্রয়োগ উল্লেখযোগ্য। উত্তৰ ভাৰতৰ শাস্ত্রীয় কণ্ঠ সংগীতৰ লগতে কর্ণাটকী সংগীততো বেহেলাই উল্লেখনীয় স্থান পূৰণ কৰি আছে।

পণ্ডিত বিষ্ণুদিগম্বৰ পলুস্কৰ, পণ্ডিত গজানন ৰাও যোশী, পণ্ডিত বিষ্ণু গোবিন্দ যোগ, পণ্ডিত ড° ৰতনঝংকাৰ আদি বহুজন সংগীতজ্ঞৰ প্রচেষ্টাত বেহেলা এক সন্মানীয় ৰাগ সংগীতৰ বাদ্যৰূপে ভাৰতত প্রতিষ্ঠা লাভ কৰিছে। ❖

# অকথিত যন্ত্ৰণাৰ জীৱন্ত দলিল

■ হিমাদ্ৰী বৰা
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ



অসমীয়া সাহিত্যৰ এক বহুমূলীয়া সম্পদ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'তেজীমলা' সাধুটোৰ অন্যতম চৰিত্ৰ তেজীমলাৰ মাহীমাকক লেখিকা ৰত্না দত্তই 'দ্বিতীয়া' নামৰ উপন্যাসখনত নায়িকা ৰূপত প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। তেজীমলাৰ মাহীমাক, সাউদৰ দ্বিতীয়া পত্নী কিয় ইমান নিষ্ঠুৰ হ'ল, হৃদয়হীনা হ'ল তাৰ কোনো উত্তৰ বেজবৰুৱাৰ সাধুটোত পোৱা নাযায়। কিন্তু ৰত্না দত্তৰ উপন্যাসখনৰ নামকৰণৰ পৰাই এই কথা প্ৰতীয়মান হয় যে তেজীমলাৰ মাহীমাক এজনী সহজ-সৰল গাভৰু হৈও তাই কেৱল দ্বিতীয় স্থানতহে থাকিবলৈ সক্ষম হ'ল। পত্নীৰূপে পোৱা মৰ্য্যাদা, মৰম-চেনেহৰ পৰা আদি কৰি সকলো ক্ষেত্ৰতে দ্বিতীয় হৈ ৰ'ল। সেয়ে হয়তো তেওঁৰ বুকুত উক্মুকাই থকা দুখবোৰৰ বহিৰ্প্ৰকাশ ঘটিল তেজীমলাৰ শৰীৰৰ ওপৰত। যাৰ ফলত তেজীমলাই মাহীমাকৰ হাতত প্ৰাণ বিসৰ্জন দিব লগা হ'ল। লেখিকাই মাহীমাকৰ দুখ উপলব্ধি কৰিব পাৰিয়েই হয়তো উপন্যাসখনত প্ৰকাশ কৰিছে যে মানুহে অসৎ কামত প্ৰবৃত্ত হোৱাৰ কিছুমান শক্তিশালী আৰু যুক্তিসংগত কাৰণ থাকে। সেয়ে সাউদৰ দ্বিতীয়া পত্নীয়ে তেজীমলাক হত্যা কৰাৰ দৰে অসৎ কামত নিয়োজিত হৈছিল।

সাউদৰ দ্বিতীয়া পত্নী তথা উপন্যাসৰ নায়িকাই মাক-দেউতাকৰ এক কঠোৰ সিদ্ধান্তৰ বলি হ'ব লগা হ'ল। সেই সিদ্ধান্তৰ বশৱৰ্তী হৈ এগৰাকী পাট-গাভৰুৱে মনত অশেষ ক্ষোভ লৈ সাউদৰ দ্বিতীয়া পত্নীৰূপে সত্যক স্বীকাৰ কৰিব লগা হ'ল। জীয়ৰী অৱস্থাত অনবৰতে মুখত হাঁহি আৰু গীতৰ কলি গুণগুণাই থকা ছোৱালীজনী বিয়াৰ কথা শুনাৰ লগে লগে শান্ত, গম্ভীৰ হৈ পৰিল। তাইৰ যেন বুকুখন শুকান হৈ পৰিল। অনাকাংক্ষিত শুকান বিষাদে তাইক হেঁচা মাৰি ধৰিলে। তাইৰ চকুত চকুপানী নোহোৱা হৈ পৰিল। তাই যেন লাহে লাহে এটুকুৰা শিলত পৰিণত হৈ পৰিল। অন্তৰত উদ্ৰেক হ'ল মানুহৰ প্ৰতি কেৱল ঘৃণা। বিয়াৰ আগতেই তাইৰ মনত স্বামী আৰু মৃত সতিনীৰ সন্তানৰ প্ৰতি ক্ষোভ আৰু বিদ্বেষেৰে মন ভৰপূৰ হৈ পৰিছিল। যাৰ বাবে শান্ত-সমাহিত তেজীমলাক স্বীকাৰ কৰিব নোৱাৰিলে। সকলো কামত উচ্ছল, প্ৰাণৱন্ত তেজীমলাৰ মৰমে গলাব নোৱাৰিলে মাহীমাকৰ মন।

সাউদৰ মুখত বিয়াৰ নিশাই তেজীমলাৰ মাক

জেউতী আৰু তেজীমলা বিষয়ক কথাই তাইক ভবাই তুলিবলৈ বাধ্য কৰালে যে সাউদৰ অন্তৰত তাইৰ স্থান শূন্য; তাত ভৰপূৰ হৈ আছে জেউতী আৰু তেজীমলাৰ প্ৰতি মৰম, যি মৰমৰ যেন তেওঁ অংশীদাৰ হ'বলৈ নিদিয়ে তাইক। তদুপৰি তেজীমলাক নিজৰ ছোৱালী বুলি ভাবিবলৈ কোৱা, কোনো কথাতে যাতে তেজীমলাই দুখ নাপায় তাৰ প্ৰতি লক্ষ্য কৰা আদি কথাবিলাকে তাইক ভাবিবলৈ বাধ্য কৰালে যে তাই যেন তেজীমলাক যন্ত্ৰণা দিবলৈহে সাউদৰ লগত বিয়া হৈ তেওঁলোকৰ ঘৰলৈ আহিছে। সাউদৰ মুখত তেজীমলাৰ কথা শুনি শুনি তাই অতিষ্ঠ হৈ পৰিছিল। তাইৰ উদ্দাম যৌৱনক যেন সাউদে অকাল প্ৰৌঢ়ত্বৰ ফালে ঠেলি পঠিয়াইছে। তাই বিচাৰি নাপালে সাউদৰ মাজত কল্পনাৰ জীৱন সংগীজন। তাই নিজৰ বাট হেৰুৱাই পেলাইছে। অন্তৰত কেৱল একুৰা জুই, সেইকুৰা জুইত যেন সকলোবোৰ পুৰি ছাই হ'ব, নিজেও যেন আধাপোৰা, আধাজ্বলা হৈ পৰিব।

সাউদ আৰু তেজীমলাৰ প্ৰতি তাইৰ অন্তৰত প্ৰতিশোধৰ জুই যেন দপদপাই জ্বলি উঠিছিল। সেয়ে তেজীমলাৰ সৰলতাৰ সুযোগ লৈ পাট-কাপোৰ পোৱাৰ অপৰাধী সজাই হত্যাৰ দৰে চৰম সিদ্ধান্তত উপনীত হৈছিল। তেজীমলাক ইহসংসাৰৰ পৰা কায়িকভাৱে বিনাশ কৰিলে, কিন্তু তাইৰ মন-মগজুৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। তেজীমলাৰ অনুপস্থিতিত লাভ কৰিব বিচৰা সুখ-শান্তিৰ বিপৰীতে তাই লাভ কৰিলে অশান্তিকৰ এটা বৃথা জীৱন। লেখিকাই তেজীমলাৰ মাহীমাকৰ জীৱনটো অতি সূক্ষ্ম দৃষ্টিভংগীৰে প্ৰত্যক্ষ কৰিছে। বিচাৰি পাইছে এগৰাকী নাৰীয়ে আচলতে কি বিচাৰে বিয়াৰ পিছত। নিজৰ সন্তান এটাৰ আশা কৰাটো তাইৰ জানো পাপ আছিল? যদি সঁচাকৈয়ে সন্তান এটা জন্ম দিব পাৰিলেহেঁতেন বা সাউদে এই দিশটোৰ প্ৰতি গুৰুত্ব দিলেহেঁতেন তেজীমলাৰ মাহীমাকৰ এনে নিষ্ঠুৰ ৰূপটো প্ৰকাশিত নহ'লহেঁতেন। উপন্যাসখনত তেজীমলাৰ মাহীমাকৰ এই দিশটোৰ ওপৰত লেখিকাই গুৰুত্ব দিছে বুলি ভাবিব পাৰি।

"জীৱনটো যেন মোৰ বাবে এক বোজা। গধুৰ বোজাটো কান্ধত লৈ মই গৈ আছোঁ। যেনেকৈ পাৰিছোঁ তেনেকৈ গৈ আছোঁ। গৈ থকাৰ বাহিৰে মোৰ আৰু কোনো উপায় নাই। মই বহু অকথিত যন্ত্ৰণাৰ জীৱন্ত প্ৰতীক।"—এয়া সাউদৰ দ্বিতীয় পত্নীৰ অন্তৰত ঘনীভূত হৈ থকা যন্ত্ৰণাৰ এক মূৰ্ত ৰূপ। সাউদৰ চেনেহৰ জীয়াৰী তেজীমলাক অশেষ যন্ত্ৰণা দি হত্যা কৰাত মাহীমাকক ঘৰৰ পৰা তেওঁ খেদি পঠালে। যাৰ ফলশ্ৰুতিত তাই মানসিক বিকাৰগ্ৰস্ত হৈ অনাই-বনাই ঘূৰি ফুৰিছে।

লেখিকাই 'তেজীমলা' সাধুটোত নথকা বহুবোৰ দিশ উপন্যাসখনত সন্নিৱিষ্ট কৰিছে। সাধুটোত তেজীমলাক পদুম ফুলৰ পৰা শালিকা চৰাইৰ ৰূপলৈ অনা, পুনৰ মানৱী ৰূপ পোৱা আদি উদ্ভট আৰু অলৌকিক দিশ প্ৰকাশিত হৈছে। কিন্তু উপন্যাসখনত লেখিকাই তেজীমলা যে নদীত পদুম ফুল হৈ ফুলি আছে, সেই ফুল দেখি সাউদৰ মনৰ কোনোবা একোণত তেজীমলাৰ অনুপস্থিতিৰ কথাটো অনুভৱ কৰিছে, সেই কথাহে সুন্দৰকৈ প্ৰকাশ কৰিছে। সাধুকথাৰ অতি কাল্পনিক ভাবৰ পৰা আঁতৰি আহিছে লেখিকা।

তেজীমলাৰ কাহিনী আমাৰ জীৱনত এনেদৰে সোমাই পৰিছে যে এই কাহিনীক বহু লেখকে নিজৰ দৃষ্টিভংগীৰে ন কৈ লিখি উলিয়াইছে। লেখিকা ৰত্না দত্তয়ো সূক্ষ্ম দৃষ্টিভংগীৰে অতি নিটোল আৰু সাৱলীল ভাষাত কাহিনীটো উপস্থাপন কৰিছে। কাহিনীটো তেজীমলাকেন্দ্ৰিক হ'লেও লেখিকাই মাহীমাকৰ মনস্তত্ত্বৰ এক সুন্দৰ বিশ্লেষণ কৰিছে উপন্যাসখনত। নিভাঁজ ঘৰুৱা ভাষাৰ ব্যৱহাৰ, উপযুক্ত শব্দ প্ৰয়োগ, পৰিবেশ চিত্ৰণত লেখিকা সফল হৈছে। পাঠক সমাজৰ আগত লোককথাক নতুন ৰূপত দাঙি ধৰাত লেখিকা ৰত্না দত্তক সুনিপুণ কথনশৈলীৰ শিল্পীৰূপে অভিহিত কৰিব পাৰি। ❖

# ব্যংগচিত্ৰৰ মাইকেল এঞ্জেলো : অ'নাৰে দোমিয়ে

■ ৰণজিৎ মিশ্ৰ
**শিক্ষক, সহ-পাঠ্যক্ৰম বিভাগ**



ঊনবিংশ শতিকাত ফ্ৰান্সত সকলো দিশতে আমূল পৰিৱৰ্তনে দেখা দিছিল। ১৮৩০ চনৰ জুলাই বিপ্লৱৰ পৰা ১৮৭০ চনৰ দ্বিতীয় নেপোলিয়নৰ সাম্ৰাজ্য অৱসানলৈ ফ্ৰান্সে বিভিন্ন পৰিবৰ্তনৰ সন্মুখীন হৈছিল। ফ্ৰান্সৰ এই বৈপ্লৱিক সময়খিনিৰ সাক্ষী হিচাপে আজিও যাৰ নাম ফ্ৰান্স তথা সমগ্ৰ বিশ্বই স্মৰণ কৰে, তেনে এগৰাকী চিত্ৰ তথা ভাস্কৰ্য্য শিল্পী হ'ল অ'নাৰে দোমিয়ে।

২৬ ফেব্ৰুৱাৰী, ১৮০৮ চনত দক্ষিণ ফ্ৰান্সৰ মাছেইলিত জন্মগ্ৰহণ কৰা দোমিয়ে কোনো আঢ্যৱন্ত পৰিয়ালৰ সন্তান নাছিল। তেওঁৰ পিতৃ এগৰাকী খেতিয়ক তথা কবি আছিল যদিও আৰ্থিক দীনতা তেওঁলোকৰ জীৱনৰ এটা অংশ আছিল। পিতৃৰ শিল্পময় মনৰ বাবে তেওঁলোকে ১৮১৬ চনত পেৰিছলৈ বদলি হৈ আহে আৰু তাৰ পাছতে চিত্ৰকলাৰ প্ৰতি দোমিয়েৰ আগ্ৰহৰ জন্ম হয়। সৰুকালৰ পৰাই তেওঁ বিভিন্ন দোকানত কাম কৰা ল'ৰা হিচাপে কাম কৰি থাকোঁতে বিভিন্ন চিত্ৰশিল্পী, গণ্য-মান্য ব্যক্তিৰ সংস্পৰ্শলৈ আহি উদ্বুদ্ধ হৈছিল। ১৮২২ চনত তেওঁ আলেকজেণ্ডাৰ লেন'ইৰ নামে এগৰাকী বিশিষ্ট ব্যক্তিৰ সান্নিধ্যলৈ আহি চিত্ৰকলাৰ প্ৰাথমিক জ্ঞান আহৰণ কৰে আৰু একেটা বছৰতে তেওঁ ছুইছি অকাডেমীত (Academic Suisse) নামভৰ্তি কৰি চিত্ৰকলাৰ শিক্ষা গ্ৰহণ কৰিছিল।

দোমিয়ে সেই সময়ৰ ৰাজনৈতিক তথা সামাজিক পৰিস্থিতিসমূহৰ ওপৰত গভীৰভাৱে আলোকপাত কৰি অসংখ্য ব্যংগচিত্ৰ, ভাস্কৰ্য্য, ছবিৰ সৃষ্টি কৰে। তেওঁ সেই সময়ৰ তথাকথিত ৰক্ষণশীল অধিবক্তা, ৰাজনৈতিক নেতাসকলৰ ওপৰত ক্ষুৰধাৰ সমালোচনাৰে অগণন ব্যংগচিত্ৰ অংকন কৰি বাতৰিকাকত, আলোচনীত প্ৰকাশ কৰিছিল। ১৮৩২ চনত ৰজা লুইছ ফিলিপৰ ওপৰত 'গাৰগাণ্ডোৱা' নামৰ ব্যংগচিত্ৰ এখনি অংকন কৰি প্ৰকাশ কৰাৰ বাবে বহু মাহ তেওঁ কাৰাবন্দীও হৈছিল। দোমিয়ে আছিল ১৯ শতিকাৰ এগৰাকী মুখ্য ব্যংগ চিত্ৰশিল্পী, কিন্তু লগতে আধুনিকতাবাদৰো অন্যতম গুৰি ধৰোঁতা। তেওঁৰ এটি বিখ্যাত উক্তি আছিল, "এগৰাকী ব্যক্তি তেওঁৰ নিজৰ সময়ৰ হ'ব লাগে" আৰু তেওঁৰ জীৱনজোৰা শিল্পকৰ্মই সেই উক্তিৰ জীৱন্ত উদাহৰণস্বৰূপে আজিও জিলিকি আছে। তেওঁৰ শিল্পকৰ্মত সেই সময়ৰ ফৰাচী জীৱনশৈলী, আধুনিকতাবাদ আৰু মানুহৰ মানসিক ভাব-ভংগীৰ উৎকৃষ্ট নিদৰ্শন পোৱা যায়।

তেওঁক ব্যংগচিত্ৰ জগতৰ মাইকেল এঞ্জেলো হিচাপে সম্বোধন কৰা হয়। তেওঁৰ ব্যংগচিত্ৰসমূহত ৰাজনৈতিক নেতাসমূহৰ দুৰ্নীতিপৰায়ণ অনৈতিক মনোভাব তেওঁলোকৰ বাহ্যিক তথা মুখমণ্ডলৰ বিকৃত ভংগীৰ দ্বাৰা ত্ৰুটিহীনভাৱে প্ৰকাশ পাইছে। তেওঁৰ অন্যতম এখন বিখ্যাত ব্যংগচিত্ৰৰ লিথোগ্ৰাফ হৈছে 'দ্যা লেজিস্লেটিভ বেলী' (১৯৩৪)। তেওঁ ব্যংগচিত্ৰৰ লগতে ব্যংগাত্মক ভাস্কৰ্য্যও নিৰ্মাণ কৰিছিল। মাটিৰ

পুতলাসদৃশ সেই ভাস্কৰ্য্যসমূহ তেতিয়াৰ সমসাময়িক ৰাজনৈতিক নেতাৰ মূৰ্তি আছিল। দোমিয়েৰ শিল্পকৰ্মই নিশ্চিতভাৱে ১৯ শতিকাৰ দুৰ্নীতিগ্ৰস্ত ৰাজনৈতিক ব্যৱস্থাত নৈতিকতাৰ খলকনি তুলিবলৈ সক্ষম হৈছিল।

ব্যংগাত্মকতাৰ লগতে তেওঁ বিভিন্ন শ্ৰেণীৰ সাধাৰণ মানুহৰ জীৱনশৈলী, মানসিক ভাব-ভংগী, সংগ্ৰামৰ ওপৰত বাস্তৱিকতাবাদৰ জৰিয়তে চিত্ৰ অংকন কৰিছিল। পানী ৰং, চিয়াহী, এঙাৰ ইত্যাদিৰে অংকন কৰা তেওঁৰ কেইখনমান বিখ্যাত চিত্ৰ হৈছে— 'কাউন্সিল ফৰ ডিফেঞ্চ', 'দ্যা ফাৰ্ষ্ট ক্লাছ কেৰেজ', 'দ্যা ছেকেণ্ড ক্লাছ কেৰেজ', 'দ্যা থাৰ্ড ক্লাছ কেৰেজ' (১৮৬৪)। উল্লেখ্য যে ১৮৫৪ চনত অংকন কৰা 'কেৰেজ' বিষয়ক তিনিখন পানী ৰঙৰ চিত্ৰত এখন ৰেলৰ তিনিটা শ্ৰেণীৰ যাত্ৰীৰ মাজৰ সামাজিক, মানসিক ভাবান্তৰতা, মানৱীয় অনুভূতিৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। তেওঁৰ শিল্পকৰ্মৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে মানুহৰ অন্তৰ্জগতৰ ভাবৰ সৈতে বাহ্যিক অৱয়ব, মুখমণ্ডলৰ সাদৃশ্য। যাৰ বাবে আজিও দৰ্শক, চিত্ৰ সমালোচক, জিজ্ঞাসুসকলে তেওঁৰ চিত্ৰৰ মাজত মানৱীয় আবেগৰ প্ৰকাশ অনুভৱ কৰে।


৭১ বছৰীয়া তেওঁৰ জীৱন পৰিক্ৰমাত তেওঁ বিস্তৃত জ্ঞানৰ পৰিধিৰে অক্লান্তভাৱে অজস্ৰ শিল্পকৰ্মৰ সৃষ্টি কৰিছিল। দোমিয়ে প্ৰায় ১০০ৰ অধিক ভাস্কৰ্য্য, ৫০০ খন চিত্ৰ, ১০০০ খন ছবি, সহস্ৰাধিক কাঠত খোদিত স্থাপত্য আৰু কমেও ৪০০০ খন লিথোগ্ৰাফ নিৰ্মাণ কৰিছিল।




বিশ্ববিখ্যাত ইটালিয়ান ভাস্কৰ মাইকেল এঞ্জেলোৱে কৈছিল, "মই মাৰ্বলৰ মাজত দেৱদূত এজনক দেখিছিলোঁ আৰু তেতিয়ালৈ খোদাই কৰিছিলোঁ যেতিয়ালৈ মই তেওঁক মুক্ত কৰি দিব নোৱাৰিলোঁ।"

ব্যংগচিত্ৰৰ মাইকেল এঞ্জেলোৰূপে খ্যাত দোমিয়েৰ জীৱনত তেওঁ তেতিয়ালৈ আঁকি গৈছিল যেতিয়ালৈ তেওঁ মানুহৰ অন্তৰ্জগতৰ আবেগ চিত্ৰসমূহৰ জৰিয়তে মুক্ত কৰিব পৰা নাছিল।

১৯ শতিকাৰ এইজনা মহান ফৰাচী চিত্ৰশিল্পী আজিৰ প্ৰজন্ম আৰু চিত্ৰ সচেতন প্ৰত্যেকগৰাকী ব্যক্তিৰ বাবে চিৰস্মৰণীয়। যোৱা দুই শতিকাত তেওঁৰ অৱদান কেৱল ফৰাচী সমাজ আৰু চিত্ৰজগতেই নহয়, সমগ্ৰ বিশ্বই কদাপি পাহৰিব নোৱাৰে। শিল্প, দেশপ্ৰেম আৰু শিল্পী সত্তাৰ বাস্তৱ নিদৰ্শন অ'নাৰে দোমিয়ে হ'ল ব্যংগচিত্ৰৰ মাইকেল এঞ্জেলো। ❖



**মনীষ ভূঞা,** পঞ্চম শ্ৰেণী



**তন্ময় দাস,** অংকুৰ শ্ৰেণী

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত থলুৱা উপাদান

■ সুদীপ্তা চৌধুৰী
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ



নাটক হ'ল জীৱনৰ অনুকৰণ। মঞ্চত নাট্যকাৰে জীৱনৰ এনে সৰু-বৰ ঘটনাক নাটকৰ মাজেদি উপস্থাপন কৰে যি জীৱনৰ পৰা আহৰণ কৰা। কিন্তু জীৱনৰ হুবহু অনুকৰণো আকৌ এখন ভাল নাটক হ'ব নোৱাৰে। কাহিনী, চৰিত্ৰ, পৰিবেশ, সৃষ্টি, সংলাপ তথা নাট্যকৌশলৰ সুসমন্বয়তহে একোখন ভাল নাটকৰ সৃষ্টি হয়। সাধাৰণ দৈনন্দিন জীৱনৰ ঘটনাৰ পৰিবৰ্তে ইয়াত থাকে আকস্মিক বা যুগপৎ ঘটনাৰ সমাবেশ। আচহুৱা, চমৎকৃত ধৰণৰ ঘটনাইহে নাটকীয় পৰিবেশ গঢ়ি তোলাত সহায় কৰা দেখা যায়।

অসমৰ নাটকৰ ইতিহাসলৈ মন কৰিলে দেখা যায় যে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ হাতত অসমীয়া আধুনিক নাটকে এক নতুন ৰূপ পৰিগ্ৰহ কৰে। তেওঁ ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা নাট্য সাধনাত ব্ৰতী আছিল। আগৰৱালাদেৱৰ নাট্যচিন্তা আধুনিক দৃষ্টিভংগীৰে পৰিপূৰ্ণ আৰু গণচেতনাৰে সমৃদ্ধ আছিল। ল'ৰালি কালৰ পৰাই তেওঁৰ বাণ ষ্টেজৰ লগত সম্বন্ধ আছিল। হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা তথা অসমৰ সুযোগ্য সন্তান লক্ষ্মীনাথ বেজবৰুৱা আদিসকলৰ দ্বাৰা অনুপ্ৰাণিত হৈ জ্যোতিপ্ৰসাদ আগৰৱালাই নাট ৰচনা কৰিবলৈ লয়। তেওঁ নিজে স্বীকাৰ কৰি কৈছে যে বেজবৰুৱাৰ নাটকৰ পৰা প্ৰেৰণা লৈ তেওঁ শোণিতকুঁৱৰী নাট ৰচনা কৰিছে। কেৱল নাটকৰ আৰ্হিয়েই নহয়, অসমীয়া নাটকৰ স্বকীয় বৈশিষ্ট্যখিনিও বেজবৰুৱাৰ পৰাই তেওঁ শিকিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকসমূহত পূৰ্বসূৰীসকলৰ প্ৰভাৱ তথা স্বকীয় চিন্তাৰ প্ৰতিফলন দেখা যায়। গুণাভিৰাম বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা আদি নাট্যকাৰসকলৰ নাট্যৰীতিত পাশ্চাত্য প্ৰভাৱ যথেষ্ট পৰিমাণে দেখা যায়। আগৰৱালাদেৱে এইবোৰ অনুকৰণ কৰাৰ লগতে অসমীয়া থলুৱা উপাদান কিছুমানো নাটকত প্ৰয়োগ কৰিছে। সেইফালৰ পৰা চাবলৈ গ'লে তেওঁৰ নাটসমূহত পাশ্চাত্য আৰু থলুৱা উপাদানৰ প্ৰয়োগ কম-বেছি পৰিমাণে হোৱা বুলি ক'ব পাৰি। তলত এই বিষয়ে আলোচনা কৰা হ'ল—

**১. জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকত থলুৱা উপাদান :**

**১.ক. সংগীত :** জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সংগীতৰ প্ৰয়োগ। এই গীতসমূহৰ সুৰ অসমীয়া লোকসংগীতৰ সুৰৰ ওপৰত আধাৰিত। অসমীয়া কাহিনী-গীত, লোকগীত, শংকৰী সংগীত আদিৰ সুৰ তেওঁৰ গীতত পোৱা যায়। উদাহৰণস্বৰূপে, তলৰ দৃষ্টান্তকেইটালৈ আঙুলিয়াব পাৰি—

**ক) বিয়ানাম :** জ্যোতিপ্ৰসাদ আগৰৱালাৰ পোনপ্ৰথম ৰচনা 'শোণিতকুঁৱৰী' নাটকত ঊষা-অনিৰুদ্ধৰ গন্ধৰ্ব বিবাহৰ সময়ত চিত্ৰলেখা আৰু তেওঁৰ সখীসকলে গোৱা 'ৰূপহ কোঁৱৰৰ চুমা পৰশতে !

লাজুকী কুঁৱৰী মৰহি যায়...' এই গীতটোও বিয়ানামৰ সুৰৰ আধুনিক ৰূপ। 'শোণিতকুঁৱৰী' নাটৰ আৰম্ভণিতে ঊষাই চিত্ৰলেখা আৰু অন্যান্য লগৰীয়াসকলৰ সৈতে ৰাজকাৰেঙৰ ফুলনিৰ ভিতৰতে নাচি-বাগি নৃত্য কৰে আৰু গায়—

(কোনে) গছে গছে পাতি দিলে ফুলৰে শৰাই (ৰাম ৰাম)

কোনে গোলাপী সখীক এনে হাঁহি
ৰূপতে ৰঙে চৰাই
ওৰণি তলতে পৰিমল ৰেণু
উৰুৱাই পৱনে দিলে বিলাই।

সেইদৰে 'কাৰেঙৰ লিগিৰী' নাটকতো বিয়ানামৰ সুৰ মাধুৰ্য্যক আধুনিক ৰূপত গ্ৰহণ কৰা দেখা যায়। নাটকখনৰ প্ৰথম গীত 'সোণৰ পালেঙত অ' মনে তৰা...' গীতটিত অসমীয়া বিয়ানামৰ সুৰ সংযোজিত হৈছে। গীতটিৰ তাল আৰু লয় সামান্য ইফাল-সিফাল কৰি দিলেই বিয়ানামৰ সুৰলৈ উভতি যাব আৰু তাল ৰাখিলেই আধুনিক সুৰৰ ওচৰ চাপি আহিব।

**খ) লোকগীত :** 'কাৰেঙৰ লিগিৰী' (১৯৩৭) নাটৰ আন এটা গীত 'বনৰীয়া আমি বনৰ চৰাই...' শীৰ্ষক গীতটিত লোকগীতৰ সুৰৰ প্ৰয়োগ মন কৰিবলগীয়া।

**গ) জনজাতীয় সুৰ :** উল্লিখিত সুৰ-বৈশিষ্ট্যসমূহৰ উপৰি জ্যোতিপ্ৰসাদৰ এনে কিছুমান গীত আছে যিবোৰত অসমৰ জনজাতীয় সুৰধ্বনি অনুৰণিত হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে, 'জিলিকা পাখিৰে অ' সোণ ম'ৰা চৰাই...' (ৰূপালীম)। গীতটিৰ সুৰত যেন আমাৰ মিচিং ঐনিতমৰ সুৰ এটি ৰিণিকি ৰিণিকি বাজি উঠিছে। নাটকখনত প্ৰতিফলিত হোৱা জনজাতীয় সমাজখন অসমীয়া সমাজৰ সৈতে অধিক পৰিচিত বাবেই ৰুক্মী গাভৰুৰ মুখতো আমি শুনিবলৈ পাওঁ ভুৱনভুলোৱা সুৰ।

**ঘ) কীৰ্তনীয়া আৰু বৰগীতৰ সুৰ :** জ্যোতিপ্ৰসাদ আগৰৱালাৰ অমৰ সৃষ্টি ৰূপালীম (১৯৬০) নাটৰ অন্তৰ্গত 'জয় আলোকময়, অনাদি অনন্ত প্ৰসাৰী বিশ্বজীৱন জ্যোতি...' গীতটোৰ সুৰৰ সৈতে বৰগীতৰ ৰাগ 'ভাটীয়ালী'ৰ সুৰৰ বহুখিনি মিল আছে। বৰগীতৰ লগতে কীৰ্তনীয়া দিহা নামৰ সুৰৰ বৈশিষ্ট্যও জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ সুৰত আধুনিক ৰূপ লোৱা দেখা যায়। 'নিমাতী কইনা' নাটকৰ 'মোৰ ৰাগ কৰবীৰে...' গীতটোতো নামঘোষাৰ ছন্দৰ সুৰৰ কম্পন অনুভূত হয়।

**ঙ) কাহিনী-গীতৰ সুৰ :** জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'লভিতা' (১৯৪৮) এখনি অগতানুগতিক নাটক। নাটকখনিৰ প্ৰথম অংশৰ আৰম্ভণিতেই 'লুইতেদি যাৰ ক'ৰে নাৱৰীয়া ! তই ক'ৰে নাৱৰীয়া ঔ' গীতটিয়ে বিখ্যাত কাহিনী-গীত 'তেজীমলা'লৈ মনত পেলাই দিয়ে। তেখেতৰ আৰু এখন নাটক 'নিমাতী কইনা' (১৯৬৮) সম্পূৰ্ণৰূপে লোককথা নাইবা কিংবদন্তিৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছে। 'নিমাতী কইনা' নাটকৰ 'নিমাতী কইনা, নাহাঁহি মইনা, ক'ত থৈ আহিলা চেনেহৰ মইনা মাত...' গীতটোত এফালে নিচুকনি গীতৰ সুৰৰ ঝংকাৰ আৰু আনফালে টোকাৰী গীতৰ সুৰৰ কম্পনো অনুভূত হয়।

**চ) বিহুগীতৰ সুৰ :** আগৰৱালাদেৱৰ গীতত বিহুগীতৰ সুৰৰ কথা আহিলেই 'নিমাতী কইনা' নাটকৰ 'জোনাকী কাৰেঙত কোনে বীণ বায়...' গীতটোৰ সুৰে আমাৰ মনৰ মাজত ক্ৰিয়া কৰে।

**ছ) যোৰানামৰ সুৰ :** 'লভিতা' নাটকৰ প্ৰথম অংকৰ প্ৰথম দৰ্শনত থকা এটি গীতত যোৰানাম বা খিচাগীতৰ সুৰৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়—

"বাইদেউ বাইদেউ ৰজাৰ জী আইদেউ, দোলাখন আনি যে যাওঁ,

বাইদেউৰ দৰাটো ফেৰেকাঠেঙীয়া ধিনিক ধিন্দাও দাও..."

**জ) নাগাৰা নামৰ সুৰ :** জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন এটি জনপ্ৰিয় গীত 'বিশ্ব বিজয়ী ন জোৱান...' গীতটি বিপ্লৱী ভাবাপন্ন আধুনিক সুৰত বন্ধা হ'লেও গীতটোৰ সুৰত নাগাৰা নামৰ হিল্লোল ধ্বনিও শুনিবলৈ পোৱা যায়। বহু সময়ত আমাৰ চুবুৰীয়া

নগাসকলৰ যুদ্ধ গীতৰ (War song) সুৰৰ হেন্দোলনি এটাও অনুভূত হয়।

**১.খ. নৃত্য :** অসমীয়া সুৰৰ লগতে 'শোণিত কুঁৱৰী' নাটৰ নৃত্যৰ যোগেদিও ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে অসমীয়া থলুৱা বিহুনাচ আৰু কামৰূপী নাচ অসমীয়া মঞ্চত তুলি ধৰিবলৈ চেষ্টা কৰা দেখা যায়। 'শোণিত কুঁৱৰী' নাটখনৰ প্ৰধান বৈশিষ্ট্যই হৈছে থলুৱা গীত আৰু নৃত্যসমূহ। যিটো সময়ত অসমীয়া শিক্ষিত সমাজে বিহুনাচ, ভাওনা, কামৰূপী নৃত্যৰ প্ৰতি এটা আওকণীয়া মনোভাব লৈছিল আৰু এই অৱহেলা বা আওকণীয়া মনোভাবে সংস্কৃতি বিপন্ন কৰিছিল, ঠিক সেই সময়তে নাট্যকাৰে 'শোণিত কুঁৱৰী' নাটৰ জৰিয়তে 'পদুম কলি' নাচত ভাওনা, বিহুনাচৰ ভংগীৰ সমাবেশ ঘটাইছিল।

**১.গ. বাদ্য :** জ্যোতিপ্ৰসাদৰ অমৰ সৃষ্টি 'ৰূপালীম' নাটৰ ষষ্ঠ অংকত অসমীয়া থলুৱা বাদ্যযন্ত্ৰৰ চিত্ৰ এখনি আমি দেখিবলৈ পাওঁ—

"...শয্যাৰ একাষে দহজনীমান ছোৱালীয়ে হাতত বীণা, কৰতাল আৰু বাঁহী লৈ ঐক্যতানত বাজনা বজাব লাগিছে।..."

ওপৰত উল্লিখিত বীণা, কৰতাল, বাঁহী এই সকলোবোৰ আমাৰ অসমীয়া সমাজৰ থলুৱা সম্পদ।

**১.ঘ. কাহিনী :** জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকৰ কাহিনী বৈচিত্ৰ্যময়। উৎকৃষ্ট নাট্যগুণৰ বাবে এইখন নাটকক অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীত এক বিশিষ্ট স্থান দিয়া হৈছে। নাটকখনৰ বিষয়বস্তুতো মধ্যযুগীয় অসমীয়া আঢ্যৱন্ত সমাজৰ চিত্ৰ এখন দেখিবলৈ পোৱা যায়। নাটকখনৰ পৰিৱেশ ৰচনা আৰু সংলাপৰ ভাষা বৈশিষ্ট্যৰ ক্ষেত্ৰতো লক্ষ্মীনাথ বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী'ৰ ছাঁ পৰাটো স্থানীয় ৰহণৰ অন্তৰ্ভুক্ত কৰিব পাৰি। বিশ্বৰ সাৰ্থক নাট্যকাৰসকলৰ আৰ্হিৰ উপৰি অসমীয়া নাট্যশিল্পৰ ৰোমাণ্টিকতাক আদৰি লৈ 'কাৰেঙৰ লিগিৰী'ৰ কাহিনীৰ বিষয়বস্তু থলুৱা সামন্তযুগীয় চিত্ৰ-কল্পনাৰে নাট্যকাৰে সাৰ্থক ৰূপত চিত্ৰিত কৰি তুলিলে। ইয়াৰ ৰজাঘৰীয়া পৰিবেশ আমাৰ অসমৰ ৰাজপৰিয়ালৰ পৰিৱেশ। ব্যক্তিচেতনা, সংঘাত দ্বন্দ্বৰে ভৰা 'কাৰেঙৰ লিগিৰী'ক নাট্যকাৰে এখন সমস্যাবহুল নাটক হিচাপে অৱতাৰণা কৰিছে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ আন এখন নাটক 'লভিতা' কিন্তু বাস্তৱৰ পটভূমিত ৰচনা কৰা হৈছে। নাটকখনত সম্পূৰ্ণ অসমীয়া গাঁৱলীয়া সমাজ জীৱনৰ ছবি এখন ফুটাই তুলিবলৈ যত্ন কৰা হৈছে। নাটকখনৰ জৰিয়তে অসমীয়া সাধাৰণ ডেকা-ডেকেৰীৰ চৰিত্ৰত যি সবলতা, দুৰ্বলতা আছে তাকো দেখুৱাবলৈ আৰু ভৱিষ্যতে যুঁজিবলৈ নাট্যকাৰে আৰ্হি দাঙি ধৰিছে। এইখিনিতে ক'ব পাৰি যে, ইলাহী বক্চৰ চৰিত্ৰ নিৰ্মাণত লক্ষীধৰ শৰ্মাৰ 'চিৰাজ' চৰিত্ৰটোৰ কিছু প্ৰভাৱ লক্ষ্য কৰা যায়।

**১.ঙ. সংলাপ :** 'শোণিত কুঁৱৰী' নাটৰ সংলাপৰ যোগেৰে পৌৰাণিক কাহিনীত ঘৰুৱা পৰিবেশ সৃষ্টি কৰিবলৈ নাট্যকাৰে যত্ন কৰা দেখা যায়। নাটকখনৰ সংলাপ আমাৰ ঘৰুৱা অসমীয়া আৰু সৰল। 'শোণিত কুঁৱৰী'ৰ কুঁজী (বুঢ়ী), গণক, নাপিত আদি এইবোৰ চৰিত্ৰৰ মুখেদি ঘৰুৱা কথ্য ভাষাৰ উপৰি সেই সময়ৰ এক বিশেষ অঞ্চলৰ ভাষিক বৈশিষ্ট্যও দেখিবলৈ পোৱা যায়।

'ৰূপালীম' নাটৰ সংলাপতো জনজাতীয় সৰলতাখিনি প্ৰকাশ পাইছে। এই নাটৰ পঞ্চম অংকত অসমীয়া সমাজত প্ৰচলিত পাপিনী, শাখিনী, যখিনী আদি শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

শেষত ক'ব পাৰি, জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকসমূহ বিশ্লেষণ কৰিলে এটা কথা দৃষ্টিগোচৰ হয় যে, তেওঁ সদায় নতুন ধাৰণা প্ৰয়োগ কৰিবলৈ বিচাৰিছিল। সেইবাবে তেওঁ থলুৱা অথবা পাশ্চাত্য এই দুয়োটাৰে এটাকো খামোচ মাৰি থকা নাই। বৰং এই দুয়োবিধৰেই এক যথাৰ্থ আৰু সুসংহত সংমিশ্ৰণ ঘটাই তেওঁৰ নাটসমূহত ভিন্ন মাত্ৰা এটা আনি দিছে। সেইবাবে তেওঁ এগৰাকী যুগজয়ী নাট্যকাৰ আৰু তেওঁৰ নাটসমূহো যুগমীয়া সৃষ্টি। আনে গচকি বন মাৰি যোৱা পথেদি সুন্দৰৰ সন্ধানত তেওঁ আগ বাঢ়ি নগৈছিল, স্বকীয়ভাৱে সকলো বস্তু চাবলৈ আৰু ৰূপ দিবলৈ তেওঁৰ প্ৰতিভা নিয়োজিত কৰিছিল। ❖

# The Art of Photography





Photography is the art of capturing light with a camera, usually via a digital sensor or film, to create an image. It's a visual communication method. Visual communication has a different appeal to influence people. That's why photographs have a special place in our lives. Photography is a universal means of communication and an important tool in many fields. A photograph can record not only what human beings see, but also many other subjects, which are beyond our range of vision. Photography is a scientific invention. However, it is not only science, but most importantly it is also a major art form. From the first monochromatic image to the present-day images of different objects of the universe, photography has come a long way. With the modern high-tech cameras and editing software now-a-days photography has become a bit easier than before. However, it is still a fact that it is not the camera, but the person behind the camera who creates magical moments and keeps the moments alive forever. A person with a beautiful mind along with a good sense of visualization and a little bit of technical knowledge can always make a good photograph, irrespective of the photography gear he has.

**Binoy Bikash Gogoi**
Teacher, Dept of English

## বাখৰ

### শিক্ষাৰ্থীৰ কেমেৰাত থমকি ৰোৱা সময়...



**পূজা দেৱী,** পঞ্চম শ্ৰেণী



**অপেক্ষা গোস্বামী,** পঞ্চম শ্ৰেণী



**জিলমিল জোনাক,** সপ্তম শ্ৰেণী



**উৎকলিকা ডেকা,** অষ্টম শ্ৰেণী



**উৎকলিকা ডেকা,** অষ্টম শ্ৰেণী




**প্ৰকাশ নাথ,** নৱম শ্ৰেণী



**ধৃতিমান শৰ্মা,** দশম শ্ৰেণী



**দিব্যাস্মিতা কলিতা,** দশম শ্ৰেণী



**নিমিষা কলিতা,** নৱম শ্ৰেণী



**কৃষাণি কলিতা,** দশম শ্ৰেণী






**নৱনীল কলিতা,** নৱম শ্ৰেণী

# Typography

## পেন্সিলেৰে নান্দনিক সৃষ্টি...




**নিতুপন ডেকা,** দশম শ্ৰেণী





**দীপ্যমান কলিতা,** অষ্টম শ্ৰেণী



**হৃষীকেশ কলিতা,** দশম শ্ৰেণী





**ডঁৰিয়লি ডেকা,** ষষ্ঠ শ্ৰেণী




**ধীমান জ্যোতি বৰুৱা,** অষ্টম শ্ৰেণী




**নয়না ৰয়,** দশম শ্ৰেণী




**কৌশিক কলিতা,** নৱম শ্ৰেণী




**কৌশিক কলিতা,** নৱম শ্ৰেণী




**হৃষীকেশ কলিতা,** দশম শ্ৰেণী



**হিমাদ্ৰী লস্কৰ,** শিক্ষক, সহ-পাঠ্যক্ৰম বিভাগ




**প্ৰণৱ দাস,** শিক্ষক, সহ-পাঠ্যক্ৰম বিভাগ



**ঋপজ্যোতি কলিতা,** একাদশ শ্ৰেণী, বিজ্ঞান শাখা



অংকুৰ শ্ৰেণী, ক শাখা




অংকুৰ শ্ৰেণী, খ শাখা





অংকুৰ শ্ৰেণী, গ শাখা





প্ৰাক্ প্ৰাথমিক শ্ৰেণী, ক শাখা






প্ৰাক্ প্ৰাথমিক শ্ৰেণী, খ শাখা





প্ৰাক্ প্ৰাথমিক শ্ৰেণী, গ শাখা





প্ৰথম শ্ৰেণী, ক শাখা





প্ৰথম শ্ৰেণী, খ শাখা





প্ৰথম শ্ৰেণী, গ শাখা





প্ৰথম শ্ৰেণী, ঘ শাখা



প্ৰথম শ্ৰেণী, ঙ শাখা



দ্বিতীয় শ্ৰেণী, ক শাখা



দ্বিতীয় শ্রেণী, খ শাখা



দ্বিতীয় শ্রেণী, গ শাখা





দ্বিতীয় শ্রেণী, ঘ শাখা






তৃতীয় শ্রেণী, ক শাখা




তৃতীয় শ্রেণী, খ শাখা




তৃতীয় শ্রেণী, গ শাখা






তৃতীয় শ্রেণী, ঘ শাখা






চতুর্থ শ্রেণী, ক শাখা




চতুৰ্থ শ্ৰেণী, খ শাখা





চতুৰ্থ শ্ৰেণী, গ শাখা



চতুৰ্থ শ্ৰেণী, ঘ শাখা




পঞ্চম শ্ৰেণী, ক শাখা






পঞ্চম শ্রেণী, খ শাখা





পঞ্চম শ্রেণী, গ শাখা





পঞ্চম শ্ৰেণী, ঘ শাখা





ষষ্ঠ শ্ৰেণী, ক শাখা



ষষ্ঠ শ্ৰেণী, খ শাখা



ষষ্ঠ শ্ৰেণী, গ শাখা





সপ্তম শ্ৰেণী, ক শাখা





সপ্তম শ্ৰেণী, খ শাখা





সপ্তম শ্ৰেণী, গ শাখা






সপ্তম শ্ৰেণী, ঘ শাখা





অষ্টম শ্ৰেণী, ক শাখা






অষ্টম শ্ৰেণী, খ শাখা





অষ্টম শ্ৰেণী, গ  শাখা





অষ্টম শ্ৰেণী, ঘ শাখা





নৱম শ্ৰেণী, ক শাখা





নৱম শ্ৰেণী, খ শাখা



নৱম শ্ৰেণী, গ  শাখা



নৱম শ্ৰেণী, ঘ  শাখা



দশম শ্ৰেণী, ক শাখা



দশম শ্ৰেণী, খ শাখা



দশম শ্ৰেণী, গ  শাখা



দশম শ্ৰেণী, ঘ শাখা





একাদশ শ্ৰেণী, কলা শাখা





একাদশ শ্ৰেণী, বিজ্ঞান শাখা



দ্বাদশ শ্ৰেণী, বিজ্ঞান শাখা



দ্বাদশ শ্ৰেণী, কলা শাখা

# প্ৰতিভাৰ জিলিঙনি



২০২০ চনত নলবাৰীত অনুষ্ঠিত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহত প্ৰকল্প উপস্থাপন কৰাৰ বাবে ৰাজ্যিক পৰ্য্যায়লৈ নিৰ্বাচিত আমাৰ বিদ্যালয়ৰ শিক্ষাৰ্থীৰ দল: নৱম শ্ৰেণীৰ তন্ময় কাশ্যপ আৰু প্ৰজ্ঞাঞ্জু জগদীশ।

Karate Association of India-ৰ অধীনত All India Dhammika Kai Karate Federation-এ আয়োজন কৰা Karate Championship-ত আমাৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ কংকন শৰ্মাই ৰূপৰ পদক লাভ কৰে।






ISCA-এ আয়োজন কৰা Indian Film Festival Cincinnati -ত 'মণ্টুৰ মনটো' চিনেমাখনত অভিনয় কৰা আমাৰ বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ অগ্নিমিত্ৰ কাশ্যপ শ্ৰেষ্ঠ শিশু অভিনেতা হিচাপে বিবেচিত হয়।


Surajit Academy & National Council of Teacher Scientist, Assam-এ আয়োজন কৰা Late Ramesh Chandra Sharma Memorial National Level Painting Competition-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ গীতাৰ্থ শৰ্মাই দ্বিতীয় পুৰস্কাৰ লাভ কৰে।






Ministry of Youth Affair & Sports, Govt. of India -ৰ অধীনত Chhattisgarh Roll Ball Association-এ আয়োজন কৰা 1st East Zone Senior Roll Ball National Championship 2021-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী জচ্স্মিতা মহন্তই দ্বিতীয় স্থান লাভ কৰে।

# বিদ্যালয়ৰ ৰেক্টৰ আৰু শৈক্ষিক বিষয়া



ৰঞ্জিত নাৰায়ণ ডেকা, ৰেক্টৰ



নৰেন্দ্ৰ মোহন গোস্বামী, শৈক্ষিক বিষয়া

# ২০২০-২১ শিক্ষাবৰ্ষৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



ঘনশ্যাম মেধি, অধ্যক্ষ



ৰবীন্দ্ৰ বৰ্মন, উপাধ্যক্ষ



অপৰাজিতা বৰা, উপাধ্যক্ষা

## উচ্চতৰ মাধ্যমিক শাখাৰ অতিথি শিক্ষকদ্বয়



**ড° উমাচৰণ শৰ্মা**
ৰসায়ন বিজ্ঞান বিভাগ
মুৰব্বী, উচ্চতৰ মাধ্যমিক বিজ্ঞান বিভাগ



**ত্ৰিদিব কুমাৰ চৌধুৰী**
পদাৰ্থ বিজ্ঞান বিভাগ

## গণিত বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) : নৰজ্যোতি তালুকদাৰ, ৰবীন্দ্ৰ বৰ্মন (উপাধ্যক্ষ), ঘনশ্যাম মেধি (অধ্যক্ষ), যুথিকা পাটোৱাৰী, গীতাঞ্জলী দেৱী (বিভাগীয় মুৰব্বী), বাঁওফালৰ পৰা ক্ৰমে (থিয় হৈ) : নৰজিৎ ডেকা, বিকাশ তালুকদাৰ, হিৰণ্য কলিতা, নিবেদিতা তালুকদাৰ, কল্যাণী পাটগিৰি, বনালী বৰুৱা কাশ্যপ।

## বিজ্ঞান বিভাগৰ শিক্ষক- শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) : অমৰজ্যোতি কলিতা (বিভাগীয় মুৰব্বী), পংকজ দত্ত, উদয়া ফুকন, দিগন্ত তালুকদাৰ, বাঁওফালৰ পৰা ক্ৰমে (থিয় হৈ) : মিঠুন ডেকা, সুজিৎ কুমাৰ নেওগ, শাশ্বতী দেৱী, বনানী ডেকা, তুলিকা দত্ত, চেহনাজ আখতাৰ আহমেদ, ছায়াস্মিতা বৈশ্য, অনুপস্থিত: ৰাণু বুজৰবৰুৱা, নাজৰিণ য়াচমিন।

## অসমীয়া বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) : পল্লৱী গোস্বামী, কবিতা পাটগিৰি, অপৰাজিতা বৰা (উপাধ্যক্ষা), কান্তাশ্ৰী গোস্বামী (বিভাগীয় মুৰব্বী), ডº লিপিমণি দত্ত, বাঁওফালৰ পৰা ক্ৰমে (থিয় হৈ) : পলাশ কুমাৰ নাথ, ভাস্কৰজ্যোতি হাগৈ, জিতেন গোস্বামী, ববীস্মিতা শইকীয়া, গায়ত্ৰী শইকীয়া, সুদীপ্তা চৌধুৰী, দীপক কোচ, দোলন বৰা, অনুপস্থিত: হিমাদ্ৰী বৰা।

## ইংৰাজী বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) : গোপেন বৰ্মন, নিশা দেৱী, বিনয় বিকাশ গগৈ (বিভাগীয় মুৰব্বী), অপৰাজিতা দত্ত, ডলী চৌধুৰী, জয়ন্ত ডেকা, বাঁওফালৰ পৰা ক্ৰমে (থিয় হৈ) : প্ৰীতিলতা পাটগিৰি, পল্লৱী দত্ত, জ্যোতিৰেখা কলিতা, জিতা গগৈ, নৰস্মিতা দাস, প্ৰিয়ম শইকীয়া, ভক্তিমালা শইকীয়া, জ্যোতিৰেখা দাস, ডিম্পল তালুকদাৰ।

## সমাজ বিজ্ঞান বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) : চন্দনা মেধি চৌধুৰী, সোণালী গগৈ, অপৰ্ণা দেৱী, নিজৰা গোহাঁই, ধ্ৰুৱ শৰ্মা, কুশল গোস্বামী (বিভাগীয় মুৰব্বী), বাঁওফালৰ পৰা ক্ৰমে (থিয় হৈ) : ধৃতিপৰ্ণা নাথ, ভায়োলিনা বৰ্মন, প্ৰণীতা দেৱী, মানসী বৰুৱা, মৌনিতা ভূএগ্গ, ৰুণিমা শৰ্মা, পৰিণীতা চেতিয়া, দৰ্শনা বৰা, অনুপস্থিত: অসীম কৃষ্ণ বৰুৱা।

## সুকুমাৰ কলা বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল




বাঁওফালৰ পৰা ক্ৰমে (বহি) : পূৰবী ৰাণী বড়া, কুঞ্জৰ দাস (বিভাগীয় মুৰব্বী), কন্দৰ্প শৰ্মা।

## কম্পিউটাৰ বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) :ৰূপজ্যোতি চেতিয়া, নৱনীতা ৰয় (বিভাগীয় মুৰব্বী), জিৰি বৰ্মন, জোনালী দেৱী।

## হিন্দী বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাঁওফালৰ পৰা ক্ৰমে (বহি) : উৎপল ডেকা, ৰঘুনাথ কুমাৰ (বিভাগীয় মুৰব্বী), হিমাশ্ৰী ডেকা, সুনিতা বৰুৱা।

## প্ৰাক্-বিদ্যালয় বিভাগৰ শিক্ষয়িত্ৰীসকল




বাঁওফালৰ পৰা ক্ৰমে (বহি) : নমিতা দেৱী, উৎপলা বৰা, জুলি শইকীয়া (বিভাগীয় মুৰব্বী), জুৰি গোস্বামী, বাঁওফালৰ পৰা ক্ৰমে (থিয় হৈ) : অলকা গোস্বামী, মধুস্মিতা দেৱী, ৰুমী কলিতা, নবনীতা কলিতা।



**জাহ্নবী বৰুৱা**
দৃশ্য-শ্ৰাব্য বিভাগৰ শিক্ষয়িত্ৰী



**কুসুম দিহিঙীয়া**
শাৰীৰিক শিক্ষা বিভাগৰ শিক্ষয়িত্ৰী



**সীমান্ত কলিতা**
গ্ৰন্থাগাৰিক

## বিদ্যালয়ৰ বিভিন্ন বিভাগত কৰ্মৰত বিষয়া-কৰ্মচাৰী

প্ৰাক্-বিদ্যালয়ৰ সহায়িকাসকল



বাঁওফালৰ পৰা ক্ৰমে: পিংকু কলিতা, ববি দাস, চম্পা ডেকা, ৰেণু দাস, চুমিতা দাস, অনুপস্থিত : চম্পা কাকতি।



■ ওপৰৰ শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : পুষ্পাঞ্জলি কোচ (সহকাৰী গ্ৰন্থাগাৰিক), বৰ্ণালী বৰুৱা (জন সম্পৰ্কৰক্ষী সহায়ক), নগেন্দ্ৰ নাথ শৰ্মা (হিচাপৰক্ষী বিষয়া), ধীৰেন বৰ্মন (জ্যেষ্ঠ কাৰ্য্যালয় সহায়ক)। ■ মাজৰ শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : গৌতম কাশ্যপ (কম্পিউটাৰ অ'পাৰেটৰ), ভূপেন বৰ্মন (হিচাপৰক্ষী সহকাৰী), পংকজ ডেকা (কম্পিউটাৰ অ'পাৰেটৰ), শ্যামন্তক ডেকা (কম্পিউটাৰ অ'পাৰেটৰ), দুলাল বনিয়া (কম্পিউটাৰ অ'পাৰেটৰ)। ■ তলৰ শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : দিপেন কলিতা (শিক্ষণ সঁজুলি কোঠাৰ সহায়কাৰী), মহৎ দাস (বিজ্ঞানাগাৰৰ মুখ্য সহায়কাৰী), নৃপেন দাস (বিজ্ঞানাগাৰ সহায়কাৰী), ৰাকেশ কলিতা (বিজ্ঞানাগাৰ সহায়কাৰী), বীৰেন কোচ (বিজ্ঞানাগাৰ সহায়কাৰী), ভূপেন কলিতা (কাৰ্য্যালয় সহায়কাৰী)।

# বিদ্যালয়ৰ সহায়কাৰী বিষয়া-কৰ্মচাৰীসকল



বিদ্যালয়ৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকল



বিদ্যালয় ন্যাসৰ ছপাশাল পৰিচালক আৰু কৰ্মচাৰীসকল



বিদ্যালয়ৰ কেণ্টিন পৰিচালক আৰু সহায়কাৰীসকল



বিদ্যালয়ৰ নিৰাপত্তাৰক্ষীসকল





বিদ্যালয়ৰ দ্বাৰৰক্ষী আৰু গাড়ী চালক



চৌহদ পৰিষ্কাৰ কৰোঁতাসকল


## বিদ্যালয়ৰ সহ-পাঠ্যক্ৰম বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



- প্ৰথম শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : পূৰবী ৰাণী বড়া, হেমাংগিনী মজুমদাৰ, হিমাদ্ৰী লস্কৰ, মণিকা বৰা, শিখামণি ডেকা, প্ৰিয়াক্ষী পূজাৰী।
- দ্বিতীয় শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : ৰীণা চৌধুৰী সেন ডেকা, জ্যোতিৰেখা ঠাকুৰীয়া, পলাশী কলিতা, লিপিকা দেৱী, পদুমী মেধি।
- তৃতীয় শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : শৰৎ বৰুৱা, মৃণাল দাস, আবুল হুছেইন, নয়নমণি কলিতা, জিতুমণি বৈশ্য, অটল ডেকা, মৌচম কুমাৰ ৰাজখোৱা।
- চতুৰ্থ শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : প্ৰদীপ চন্দ্ৰ কলিতা, বদন চন্দ্ৰ দাস, অৰূপজ্যোতি হালৈ, প্ৰণৱ দাস, খগেন কলিতা, বিৰাজ দাস, ৰঞ্জিৎ মিশ্ৰ।
- পঞ্চম শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : সুজিৎ দাস, কুঞ্জৰ দাস, ৰুবুলমণি দাস, ৰূপাংকৰ শৰ্মা, খনিন্দ্ৰ পাঠক, প্ৰদ্যুৎ মিশ্ৰ, কন্দৰ্প শৰ্মা।
- অনুপস্থিত: ৰঞ্জীব গগৈ, আল্পনা ফুকন, ভৱেশ শৰ্মা, দিপেন চন্দ্ৰ ডেকা, মনোজ কুমাৰ শৰ্মা, জয়ন্ত ভৰালী, বৰ্ণালী দেৱী, তুতুল শৰ্মা, বিশ্বেশ্বৰ গোস্বামী, ৰুণু স্বৰ্গীয়াৰী, বনজিৎ ডেকা, প্ৰাঞ্জল কুমাৰ নাথ, শ্বেহনাজ শিখা ৰহমান, জিতেন বৈশ্য।

## এজবেক অনলাইন বক্তৃতামালা, ২০২১




অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ নিয়মীয়া শৈক্ষিক আৰু বৌদ্ধিক কাৰ্য্যসূচীৰ অংশ হিচাপে গুৱাহাটী মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক, বিশিষ্ট নাট্যকাৰ-পৰিচালক শ্ৰীযুত নৰেন পাটগিৰিয়ে ২২ আগষ্ট, ২০২১ তাৰিখে 'অসমীয়াৰ উত্তৰাধিকাৰ' শীৰ্ষক আৰু বিজ্ঞানী, বিশিষ্ট লেখক, অভিধান প্ৰণেতা ডº দীনেশ চন্দ্ৰ গোস্বামীয়ে ১০ অক্টৰৰ, ২০২১ তাৰিখে 'আমাৰ ভাষাটো শুদ্ধকৈ লিখোঁ আৰু কওঁ আহক' শীৰ্ষক বক্তৃতা প্ৰদান কৰে। অনলাইন মাধ্যমত অনুষ্ঠিত এই বক্তৃতামালাত ৰাজ্যখনৰ বিভিন্ন জাতীয় বিদ্যালৰ শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, বিভিন্নজন শিক্ষাব্ৰতী আৰু অসম জাতীয় বিদ্যালৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে।

## আলোকচিত্ৰত বিদ্যালয়ৰ উল্লেখযোগ্য দিন



‘প্ৰতিষ্ঠা দিৱস’ৰ পতাকা উত্তোলন কাৰ্য্যসূচীত উপস্থিত শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শিক্ষাৰ্থী; ১ জানুৱাৰী, ২০২১




বিদ্যালয়ৰ ‘প্ৰতিষ্ঠা দিৱস’ৰ মুখ্য অতিথি আসাম ট্ৰিবিউন কাকতৰ কাৰ্য্যবাহী সম্পাদক-প্ৰশান্তজ্যোতি বৰুৱা; ১ জানুৱাৰী, ২০২১




বিদ্যালয়ৰ ‘প্ৰতিষ্ঠা দিৱস’ৰ মুখ্য অতিথিক সম্বৰ্দ্ধনা জ্ঞাপন, ১ জানুৱাৰী, ২০২১



বিদ্যালয়ৰ বছৰেকীয়া প্ৰকাশ ‘বাখৰ’ উন্মোচন কৰিছে বিশিষ্ট গল্পকাৰ মণিকা দেৱীয়ে; ১ জানুৱাৰী, ২০২১



'প্ৰতিষ্ঠা দিৱস'ত বিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ঘনশ্যাম মেধি; ১ জানুৱাৰী, ২০২১



'বাখৰ'ৰ উন্মোচক বিশিষ্ট গল্পকাৰ মণিকা দেৱী; ১ জানুৱাৰী, ২০২১



'প্ৰতিষ্ঠা দিৱস'ত  বিদ্যালয়ৰ শিক্ষাৰ্থীক শৈক্ষিক বৃত্তি প্ৰদান; ১ জানুৱাৰী, ২০২১



'প্ৰতিষ্ঠা দিৱস'ৰ এটি মুহূৰ্ত; ১ জানুৱাৰী, ২০২১



গণৰাজ্য দিৱসৰ পতাকা উত্তোলনৰ মুহূৰ্ত; ২৬ জানুৱাৰী, ২০২১




'সাহিত্য দিৱস'ৰ মুখ্য অতিথিক সম্বৰ্দ্ধনা জ্ঞাপন; ১২এপ্ৰিল, ২০২১



বিদ্যালয়ৰ 'সাহিত্য দিৱস'ৰ মুখ্য অতিথি বিশিষ্ট গল্পকাৰ তথা কলা সমালোচক ড০ মৌচুমী কন্দলী; ১২এপ্ৰিল, ২০২১



'সাহিত্য দিৱস'ৰ কাৰ্য্যসূচীত উপস্থিত দৰ্শকৰ একাংশ; ১২এপ্ৰিল, ২০২১



'সাহিত্য দিৱস' কাৰ্য্যসূচীত নৃত্যৰ অনুষ্ঠান; ১২এপ্ৰিল, ২০২১



'সাহিত্য দিৱস'ৰ বঁটা প্ৰদান অনুষ্ঠানৰ এটি মুহূৰ্ত; ১২এপ্ৰিল, ২০২১



অনলাইন যোগে হোৱা 'বিষ্ণুৰাভা দিৱস'ৰ কাৰ্য্যসূচীত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থী; ২০জুন, ২০২১



'লাচিত দিৱস' অনুষ্ঠানৰ এটি বিশেষ মুহূৰ্ত; ২৪ নৱেম্বৰ, ২০২১



'লাচিত দিৱস'ত অসমৰ বীৰ ছহিদসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান ; ২৪ নৱেম্বৰ, ২০২১



ঐতিহাসিক অসম আন্দোলনৰ ছহিদ সকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান; ১০ ডিচেম্বৰ, ২০২১



'ছহিদ দিৱস'ৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিদ্যালয়ৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী তথা শিক্ষাৰ্থী; ১০ ডিচেম্বৰ, ২০২১




বিদ্যালয়ৰ হিচাপৰক্ষী বিষয়া নগেন্দ্ৰ নাথ শৰ্মাই কৰ্মক্ষেত্ৰৰ পৰা অবসৰ গ্ৰহণ কৰাৰ সময়ত সম্বৰ্দ্ধনা জ্ঞাপন; ৮ ডিচেম্বৰ, ২০২১

## শিশু দিৱস উপলক্ষে অনলাইন যোগে আয়োজিত ভেশছন প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰথম শ্ৰেণীৰ শিক্ষাৰ্থীসকল



হৃষিতা বৈশ্য



বৰ্ণিল আকাশ বৰা



কৃষ্টি ডেকা



ৰাজদীপ চৌধুৰী



হৰ্ষিত বৰ্মন

## সপ্তবিংশতিতম সংখ্যা বাখৰ, সম্পাদনা সমিতিৰ শিক্ষাৰ্থী সদস্যসকল



প্ৰথম শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : শাব্দী ভৰদ্বাজ, সমাদৃতা শৰ্মা, প্ৰজ্ঞাঞ্জু জগদীশ
দ্বিতীয় শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : প্ৰিয়াংশ্ৰী বৰ্মন, স্তুতিকিংকিনী মজুমদাৰ, বসুধা সঞ্জয়
তৃতীয় শাৰী (বাঁওফালৰ পৰা ক্ৰমে) : অন্‌চিত শৰ্মা, প্ৰাৰ্থনা শৰ্মা, অনুব্ৰত বৰঠাকুৰ; অনুপস্থিত : জোনাকনন্দা শৰ্মা

## সপ্তবিংশতিতম সংখ্যা বাখৰ, সম্পাদনা সমিতিৰ তত্বাৱধায়ক শিক্ষক-শিক্ষয়িত্ৰীসকল




বাঁওফালৰ পৰা ক্ৰমে : গোপেন বৰ্মন, পূৰবী ৰাণী বড়া, প্ৰণীতা দেৱী, অলকা গোস্বামী, যুথিকা পাটোৱাৰী, জিৰি বৰ্মন (আহ্বায়িকা), ড° লিপিমণি দত্ত, উৎপল ডেকা, অনুপস্থিত : ৰাণু বুজৰবৰুৱা।

# দেউতা

■ কবিতা পাটগিৰি
শিক্ষয়িত্ৰী, অসমীয়া বিভাগ

মৃত্যুশীতল চোলাটো পিন্ধি
দেউতা গ'লগৈ
শিলতকৈও কঠিন
বৰফতকৈও চেঁচা
এই সত্য।
নানা সংঘাত-বিপদতো হাউলি
নপৰা এজোপা বৃক্ষৰ দৰে
আছিল দেউতা
আমাৰ সকলো সমস্যাৰে
সমাধানসূত্ৰে দেউতাৰ
মিচিকিয়া হাঁহিটোৰ মাজতে
বিচাৰি পাইছিলোঁ
প্ৰতি মুহূৰ্ততে
আমাক সন্তান হিচাপে
দেউতাই যি সন্মান দিছিল
সেয়া আমাৰ জীৱনৰ পৰম ধন।
জীৱন সুন্দৰ
জীৱনৰ সুন্দৰতাক ধৰি ৰাখি
কেনেকৈ জীৱন জীয়াব লাগে
সেই শিক্ষাও
পালোঁ দেউতাৰ পৰা
আমাৰ বাবে দেউতা কেতিয়াবা
উমাল ৰ'দ
কেতিয়াবা ভাগৰ জুৰোৱা ছাঁ
নেদেখাজনৰ ওচৰত কাতৰ প্ৰাৰ্থনা
প্ৰতিটো জনমতে যেন আমি দেউতাৰ
সন্তান হোৱাৰ সৌভাগ্য লাভ কৰিব পাৰোঁ।



দপদপ্‌কৈ জ্বলি উঠা চিতাৰ জুইকুৰাৰ
মাজত নীৰৱে নিমাতে শুই পৰা
দেউতাই শুনা নাছিল
আমাৰ নিনাদ উচুপনি...
দেউতাৰ আঠ বছৰীয়া নাতি
চাকিজনীয়ে এতিয়াও ভাবি আছে
তাইৰ গিৰিশকা ককা নমুৰ ঘৰৰ পৰা
আহিব হেনো উভতি
দেউতা অ' তোৰ অনুপস্থিতিত
ঘৰখনৰ চুক-কোণ সকলোতে
শূন্যতাই পাতিছে মিতিৰালি
বিষণ্ণতাৰ স'তে...
আমাৰ অবুজন মনক কেনেকৈ যে
বুজাওঁ
দেউতা আৰু নাই
নাই মানে সঁচাকৈয়ে নাই
এবাৰ চুই চাবলৈও নাই
দেউতা অ' তই য'তে আছ
কুশলে থাক। ❖

# ভিণ্টেজ কেমেৰাৰ ৰিলেৰে যোগাসন

■ নৰস্মিতা দাস
শিক্ষয়িত্ৰী, ইংৰাজী বিভাগ

ভাৰতবৰ্ষই পৃথিৱীক আগ বঢ়োৱা এক অন্যতম উপহাৰ হ'ল যোগাসন। পাঁচ হাজাৰ বছৰ আগতেই ভিন্ন ঋষি, মহৰ্ষিয়ে আৱিষ্কাৰ কৰা এই বিশেষ বিদ্যাৰ সূত্ৰ হিচাপে সংস্কৃতত এষাৰ কথা আছে, 'স্থিৰম্ সুখম্ আসনম্', অৰ্থাৎ এনে এক দেহ-ভংগিমা যিবিধ আমাৰ বাবে স্থিৰ আৰু সহজ। গতিকে আমি ক'ব পাৰোঁ যে, এটা নিৰ্দিষ্ট আসনত কিছু দীঘলীয়া সময়ৰ বাবে সহজভাৱে বহি থকাটোৱেই যোগাসনৰ মূল নীতি।

বিজ্ঞজনে যোগাসনক সঠিক জীৱন নিৰ্বাহৰ বিজ্ঞান হিচাপে লিপিবদ্ধ কৰে। ইয়াৰ সহায়ত আমি শাৰীৰিকভাৱে সবল হোৱাৰ উপৰি মানসিক, আবেগিক লগতে আধ্যাত্মিক আদি সকলো দিশতেই বিকশিত হ'ব পাৰোঁ। সেয়ে, যোগাসন মানেই হ'ল এক হোৱা। ইয়াৰ সহায়ত আমি মন, শৰীৰ আৰু আত্মা এক হোৱা কথাষাৰ বহলভাৱে বুজিব পাৰোঁ। এই সংযোগ বা এক হোৱাৰ শৈলী আমি আসন, প্ৰাণায়াম, মুদ্ৰা, সৎকৰ্ম আৰু ধ্যানৰ নিয়মিত অনুশীলনৰ সহায়ত আয়ত্ত কৰিব পাৰোঁ।

যোগাসনৰ উৎপত্তিস্থলৰ কথা আজি প্ৰতিজন মানুহৰ মুখে মুখে। গোটেই পৃথিৱীয়ে আজি সসন্মানে এই বিদ্যাক আঁকোৱালি লৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইজৰাইল, ৰাছিয়াৰ দৰে শ শ ৰাষ্ট্ৰৰ মানুহে একবিংশ শতিকাত এই বিদ্যা শিকাৰ বাবে আমাৰ দেশলৈ আহি ইয়াৰ বিষয়ে প্ৰচুৰ পৰিমাণে জ্ঞান আহৰণ কৰিছে। পিছে ভাৰতীয় নাগৰিক হিচাপে ইয়াৰ বিষয়ে দকৈ জনাটো আমাৰ জানো দায়িত্ব নহয়? ইয়াৰ উৎপত্তিৰ মূলত কোন? কি উদ্দেশ্যে যোগাসনৰ উৎপত্তি হৈছিল? আজি এই প্ৰশ্নবোৰৰ উত্তৰ আমি বিচাৰি উলিয়াওঁ।

আজিৰ পৃথিৱীবিখ্যাত যোগ বা যোগাসন হ'ল তাহানিৰ তন্ত্ৰ-সভ্যতাৰ পৰা বিকশিত হোৱা বিভিন্ন ঠাল-ঠেঙুলিৰ এটা। সিন্ধু উপত্যকাৰ হৰপ্পা আৰু মহেঞ্জোদাৰোত আৱিষ্কাৰ হোৱা বহুতো মূৰ্তিৰ ভিতৰত শিৱ আৰু শক্তিৰো (পাৰ্বতী) কেইবাটাও অৱয়ব পোৱা গৈছিল য'ত দুয়োজন দেৱ-দেৱীক বিভিন্ন আসন কৰি থকা আৰু ধ্যান কৰি থকা অৱস্থাত পোৱা গৈছিল। পৌৰাণিক আখ্যান অনুযায়ী শিৱক যোগাসনৰ উদ্ভাৱক আখ্যা দিয়া হয় আৰু পাৰ্বতী আছিল তেওঁৰ প্ৰথম শিষ্যা।

ভগৱান শিৱক মানৱ চেতনাৰ উচ্চতম প্ৰতিমূৰ্তি বুলি মনা হয় আৰু পাৰ্বতীক আখ্যা দিয়া হয় জ্ঞান, ইচ্ছাশক্তি, কৰ্ম আৰু সৃষ্টিৰ ৰূপান্তৰ স্বৰূপ। ইয়াক 'কুণ্ডলিনী শক্তি' বুলিও কোৱা হয়। যোগাসনৰ বিকাশৰ মূলতেই হ'ল ভাৰতৰ বিভিন্ন ঋষি-মহাঋষিসকল। তেওঁলোকৰ কথা ক'লেই আমি পদ্মাসনত বহি ধ্যান কৰি থকা সাধু এজন কল্পনা কৰি নলওঁ জানো? হয়, এই ঋষিসকলে যোগাসনত জন্তুবোৰৰ দেহৰ ভংগিমাক অনুকৰণ কৰি কেইবাটাও আসন বিচাৰি উলিওৱাৰ পৰা দেৱ-দেৱীৰ লগত জড়িত আসনো সন্নিৱিষ্ট কৰিছিল।

গ্ৰন্থৰ ভিতৰত তন্ত্ৰ-বিদ্যাৰ কিতাপবোৰত পোনপ্ৰথমবাৰৰ বাবে যোগাসনৰ কথা আলোচনা কৰা হৈছিল। পিছলৈ উপনিষদৰ সহায়তহে যোগাসনক বহলভাৱে জনসাধাৰণৰ বোধগম্য হোৱাকৈ ব্যাখ্যা কৰা হয়।

যোগাসনৰ প্ৰভাৱ আমি শৰীৰৰ উপৰি আমাৰ মানসিক বিকাশতো দেখিবলৈ পাওঁ। সেই প্ৰাচীন কালতে আমাৰ দেশত উদ্ভৱ হোৱা এইবিধ বিদ্যাই সমগ্ৰ পৃথিৱীতেই খলকনি তুলিছে। তেনেহ'লে আমিনো কিয় পিছ পৰি থাকোঁ? আহক, এই যাদুকৰী বিদ্যাক আমি অভ্যাসলৈ ৰূপান্তৰ কৰোঁ।

উৎস : স্বামী সত্যানন্দ সৰস্বতীদেৱৰ 'আসন প্ৰাণায়াম মুদ্ৰা বন্ধ'। ❖

# সুগন্ধি পখিলাৰ কবি হীৰেন ভট্টাচাৰ্য্য

■ ডিম্পল তালুকদাৰ
শিক্ষক, ইংৰাজী বিভাগ



অসমীয়া আধুনিক কাব্যজগতত ষাঠিৰ দশকৰ পৰা যিজন কবিয়ে আধুনিক কবিতাক পাঠক আৰু সাহিত্যৰ কাণ্ডাৰীসকলক হৃদয়গ্ৰাহী কৰি তুলিবলৈ সক্ষম হৈছিল তেৱেঁই হ'ল কবি হীৰেন ভট্টাচাৰ্য্য। আকৰ্ষণীয় গুণসমৃদ্ধ তেওঁৰ কবিতাই অসমীয়া আধুনিক কবিতাৰ ধাৰণাকো সলনি কৰা যেন অনুভৱ হয়। এই কবিগৰাকীৰ জন্ম হৈছিল ১৯৩২ চনৰ ২৮ জুলাই তাৰিখে অসমৰ যোৰহাটত। পিতৃৰ নাম আছিল তীৰ্থনাথ ভট্টাচাৰ্য্য আৰু মাতৃৰ নাম আছিল স্নেহলতা দেৱী। ১৯৪৯ চনত হীৰেন ভট্টাচাৰ্য্যই কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ বি বৰুৱা মহাবিদ্যালয়ৰ পৰা আই. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। শিক্ষকতা আৰু প্ৰেছৰ কৰ্মী হিচাপে কৰ্ম জীৱনত ব্ৰতী হ'লেও তেওঁৰ প্ৰথম আৰু প্ৰধান পৰিচয় হ'ল—'কবি হীৰেন ভট্টাচাৰ্য্য' অৰ্থাৎ তেওঁ আছিল হাড়ে-হিমজুৱে এজন কবি, 'সুগন্ধি পখিলা'ৰ জনক 'কবি হীৰেন ভট্টাচাৰ্য্য'।

'সুগন্ধি পখিলা'ৰ কবিগৰাকীয়ে স্বকীয় অমিয়া কাব্যশৈলীৰ স্ফুৰণ ঘটাই আধুনিক অসমীয়া কাব্য-সাহিত্যৰ ক্ষেত্ৰখনক সমৃদ্ধ কৰি তুলিছিল। তেওঁৰ সৰহভাগ কবিতাত প্ৰতিধ্বনিত হৈছে মানৱীয় প্ৰেম আৰু গভীৰ স্বদেশ প্ৰেমৰ অনুভূতি। শীৰ্ণ দেহৰ কবিগৰাকীৰ কাপৰ পৰা নিসৃত হোৱা প্ৰতিটো কবিতাই কবিৰ হৃদয়ৰ ভাবধাৰা অধিক স্পষ্ট আৰু উজ্জ্বলভাৱে ফুটাই তুলিছে। মানুহৰ মনৰ সংবেদনশীলতাৰ লগত কবিয়ে নিজৰ আত্মিক সংযোগ স্থাপন কৰিবলৈ তেওঁ কবিতাসমূহৰ দ্বাৰা প্ৰয়াস কৰিছিল। সেয়েহে তেওঁৰ কবিতাসমূহে প্ৰকৃততে অসম তথা বিশ্বৰ সকলোকে আকৰ্ষিত কৰিছিল। কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতাসমূহে প্ৰেম, স্বদেশ প্ৰেম, বিদ্ৰোহী আৰু মানুহৰ জীৱনৰ নিৰ্জনতাৰ বিষয়ে এক নতুন আৰু গ্ৰহণযোগ্য অৰ্থৰ অৱতাৰণা কৰিছে। সেয়েহে তেওঁৰ কবিতাত পাওঁ—'দেশ বুলিলে আদেশ নালাগে।'...

প্ৰেমৰ বিষয়েও তেওঁৰ কাব্যিক মন্তব্যই প্ৰায় সকলোকে প্ৰভাৱিত কৰিছে—

"প্ৰেম চাগে' এনেকুৱাই
আবৰণ খুলি হৃদয় জুৰায়।"

স্বদেশ প্ৰেমৰ প্ৰতি কবিৰ হৃদয় ইমানেই শ্ৰদ্ধাশীল যে তাৰ বহিঃপ্ৰকাশ তেওঁৰ 'মোৰ দেশ' নামৰ কবিতাত এনেদৰে প্ৰকাশ পাইছে—"এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ। যাৰ বুকুৰ উমে মোক দিছে ভাল পোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য্য, জীৱনৰ নতুন অৰ্থ।"

কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতাৰ আন এক উল্লেখনীয় দিশ হৈছে—সংযত বিদ্ৰোহী চেতনা। ইয়াৰ মূৰ্ত প্ৰকাশ সুন্দৰভাৱে আমি পাওঁ "কমৰেড, বুকুখন বিষাইছে/বন্দুকটো উম দি বুকুত থাকক/আঁতৰাই

নিনিবা/লাগিলে তৰ্জনী আঙুলিটো মোৰ ট্ৰিগাৰত থোৱা : বন্দুকৰ নলেৰে জ্বলক অবিৰাম বিজুলী।"


কবিজনাৰ কাব্যৰীতিৰ আন এক বৈশিষ্ট্য হৈছে তেওঁৰ কবিতাত ব্যৱহৃত শব্দসমূহ। ভট্টাচাৰ্য্যৰ কবিতাত দেখা পোৱা নিৰ্ভেজাল শব্দ-চয়নে আধুনিক অসমীয়া কবিতাৰ মান উন্নত কৰাৰ লগতে তাক ৰসগ্ৰাহীও কৰি তুলিছে। সেয়ে তৰুণ কবিসকলৰ প্ৰতি 'মোৰ এই শব্দবোৰ' নামৰ কবিতাটিত লিখিছে—"মোৰ ভিতৰত এটা খেতিয়ক/মই শব্দবোৰ জিভাত দি চাওঁ/কাৰ কি সোৱাদ/হাতৰ তলুৱাত লৈ চাওঁ কিমান তপত/মই জানো শব্দ মানুহৰ মহৎ সৃষ্টিৰ তেজোদ্দীপ্ত সন্তান।"

কবি হীৰেন ভট্টাচাৰ্য্যদেৱে তেওঁৰ কবি জীৱনৰ ফচল হিচাপে অসমীয়া কাব্য-সাহিত্যলৈ 'ৰৌদ্ৰকামনা' (১৯৬৪)ৰ পৰা আৰম্ভ কৰি 'হীৰেন ভট্টাচাৰ্য্যৰ কবিতা' (২০১১)লৈকে মুঠ ১৬ খন কবিতাৰ সংকলন উপহাৰ দিছে। তেওঁৰ প্ৰতিখন কবিতাপুথিয়ে আধুনিক অসমীয়া কাব্য-সাহিত্যৰ উৎকৃষ্টতাৰ পৰিচায়ক। ইয়াৰ ভিতৰত 'বিভিন্ন দিনৰ কবিতা'পুথিৰ বাবে তেওঁ ১৯৭৬ চনত অসম সাহিত্য সভাৰ 'ৰঘুনাথ চৌধাৰী বঁটা'; 'সুগন্ধি পখিলা' গ্ৰন্থৰ বাবে ১৯৮৫ চনত অসম সাহিত্য সভাৰ 'বিষ্ণু ৰাভা বঁটা'; ভাৰতীয় বিদ্যাভৱনৰ 'ৰাজাজী বঁটা' আৰু ১৯৮৭ চনত 'ছোভিয়েট দেশ নেহৰু বঁটা'; 'শইচৰ পথাৰ মানুহ' গ্ৰন্থৰ বাবে ১৯৯২ চনত 'সাহিত্য অকাডেমী বঁটা'; উত্তৰ প্ৰদেশৰ হিন্দী সন্থাৰ 'সৌহাৰ্দ্য সন্মান'ৰ লগতে ১৯৯৩ চনত একে পুথিৰ বাবে ভাৰতীয় ভাষা পৰিষদৰ 'বজালনী বঁটা' পাবলৈ সক্ষম হয়। ইয়াৰ উপৰি কবিজনাই ২০০১ চনত অসম চৰকাৰৰ 'গণেশ গগৈ বঁটা' আৰু ২০১১ চনত মুম্বাইৰ ৰামনাথ ভট্টাচাৰ্য্য ফাউণ্ডেছনৰ 'পদ্মনাথ বিদ্যাবিনোদ স্মৃতি সাহিত্য পুৰস্কাৰ' পাবলৈ সক্ষম হয়।

কবি হীৰেন ভট্টাচাৰ্য্যৰ কবিতা পুথিসমূহে আৰু তেওঁ কবি হিচাপে অৰ্জন কৰা পুৰস্কাৰ তথা সন্মানসমূহে ইয়াকে প্ৰমাণিত কৰিছে যে তেওঁৰ কবিতাসমূহ কেৱল অসমতে সীমাবদ্ধ হোৱা নাই, ভাৰত তথা বিশ্বৰ সাহিত্যিকসকলকো প্ৰভাৱিত কৰিবলৈ সক্ষম হৈছে। এয়া তেওঁৰ নিৰৱচ্ছিন্ন কাব্য সাধনা আৰু কবিতাৰ প্ৰকৃত স্বৰূপ উপলব্ধিৰ প্ৰমাণ মাত্ৰ।

'মৃত্যুওতো এক শিল্প
জীৱনৰ কঠিন শিলত কটা
নিৰ্লোভ ভাস্কৰ্য্য।'

কবি হীৰেন ভট্টাচাৰ্য্য পাঠক-সমাজৰ মাজত 'হীৰুদা' বুলি অতিকে জনপ্ৰিয়। আজীৱন কাব্য-সাধনাত ব্ৰতী হৈ অসমীয়া কবিতাক উত্তৰণৰ পথত এখোজ আগুৱাই নিবলৈ সক্ষম হোৱা এইগৰাকী কবিয়ে ২০১২ চনৰ জুলাই মাহৰ ৪ তাৰিখে ইহ সংসাৰৰ পৰা বিদায় মাগে। তেওঁৰ মৃত্যু অসমীয়া কাব্য-সাহিত্যৰ বাবে এক অপূৰণীয় ক্ষতি। সাধাৰণ দৃষ্টিত কবি হীৰেন ভট্টাচাৰ্য্য আমাৰ মাজৰ পৰা হেৰাই গৈছে যদিও তেওঁৰ কবিতাৰাজিয়ে কবিজনাৰ স্মৃতি আমাৰ মানসপটত চিৰদিন সজীৱ কৰি ৰাখিছে। ❖



**দৰ্শিতা দাস,** অংকুৰ শ্ৰেণী



**দেবাংশ স্পন্দন বৰুৱা,** প্ৰাক্-প্ৰাথমিক শ্ৰেণী

# কৃষ্ণ গহ্বৰ

■ নাজৰিণ ইয়াচমিন
শিক্ষয়িত্ৰী, বিজ্ঞান বিভাগ

শ্ৰেণীত প্ৰায়ে অনুভৱ কৰোঁ, ছাত্ৰ-ছাত্ৰীবোৰ ৰহস্যময় বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিছে, ঠিক আমাৰ শৈশৱৰ দৰেই। সুযোগ পালেই তেওঁলোকে জোন-বেলিৰ দেশৰ নানানটা কথা সোধে। জনাবোৰ বুজাই দিবলৈ চেষ্টা কৰোঁ, নিজে নজনাবোৰ জানি লৈ বুজাই দিওঁ তেওঁলোকক। তেওঁলোকৰ দৰেই মোৰো খুবেই প্ৰিয় বিশ্বাস কৰিবলৈও টান লগা সঁচা কাহিনীবোৰ। যেতিয়াই সেইখন কল্পনাৰ ৰাজ্যত বিচৰণ কৰোঁ, আমি প্ৰত্যেকেই হেৰুৱাই পেলাওঁ নিজক। সঁচাই অনন্য এই জগতখন। বিশাল বিশ্বব্ৰহ্মাণ্ডৰ তুলনাত আমি কিমান তুচ্ছ, সেয়াও এক আমোদজনক সত্য।

হাজাৰ হাজাৰ বছৰ আগতে মানুহে বিশ্বাস কৰিছিল, পৃথিৱী বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰ আৰু সকলো গ্ৰহ-নক্ষত্ৰ পৃথিৱীক কেন্দ্ৰ কৰি পৰিভ্ৰমণ কৰে। কিন্তু কালক্ৰমত ভাৰতীয় গণিতজ্ঞ, জ্যোতিৰ্বিজ্ঞানী আৰ্য্যভট্ট আৰু গ্ৰীক দাৰ্শনিক এৰিষ্টাৰকাছে সূৰ্য্যক কেন্দ্ৰ কৰি পৰিভ্ৰমণ কৰা বিশ্বব্ৰহ্মাণ্ডৰ কথা উল্লেখ কৰিছিল। নিক'লাছ ক'পাৰনিকাছে প্ৰথমে সূৰ্য্যক কেন্দ্ৰ কৰি ঘূৰা গ্ৰহৰ গাণিতিক ব্যাখ্যা আগ বঢ়াইছিল। পিছলৈ, সোতৰশ শতাব্দীৰ 'গেলিলিঅ' গেলিলি', 'জহান্স কেপলাৰ', 'ছাৰ আইজাক নিউটন'ৰ দিনত পদাৰ্থবিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে সূৰ্য্যক কেন্দ্ৰ কৰি ঘূৰা আমাৰ সৌৰজগতৰ কথা প্ৰমাণ কৰাৰ পিছত তাক গ্ৰহণো কৰা হয়।



আজিৰ পৰা প্ৰায় ৪.৬ বিলিয়ন বছৰৰ পূৰ্বে এক বৃহৎ আণৱিক ডাৱৰৰ খুন্দাৰ ফলত সৃষ্টি হৈছিল আমাৰ সৌৰজগত। সূৰ্য্য আৰু তাক কেন্দ্ৰ কৰি ঘূৰা ৮টা গ্ৰহ, আৰু সিহঁতৰ উপগ্ৰহবোৰ, গ্ৰহবোৰৰ মাজত অৱস্থান কৰি থকা অসংখ্য গ্ৰহাণু, আন্তঃগ্ৰহীয় ধূলি, ধূমকেতু আৰু সূৰ্য্যৰ অতি শক্তিশালী আকৰ্ষণী বলেৰে বান্ধ খাই থকা সকলো মহাজাগতিক পদাৰ্থক একেলগে নাম দিয়া হৈছিল সৌৰজগত। আমাৰ সৌৰজগতৰ দৰেই অসংখ্য সৌৰজগত লগ হৈ সৃষ্টি হয় এখন তাৰকাৰাজ্য। আমি বাস কৰা তাৰকাৰাজ্যখনৰ নাম হৈছে হাতীপটি তাৰকাৰাজ্য। ই ইমানেই বিশাল যে, এটা মূৰৰ পৰা আনটো মূৰলৈ যাবলৈ সময় লাগিব ১ লাখ আলোকবৰ্ষ (১ আঃ বৰ্ষ = পোহৰে এবছৰত অতিক্ৰম কৰা দূৰত্ব = ৩ × ১০$^{৪}$ × ৩৬৫ × ২৪ × ৬০ × ৬০ = ৯.৪৬১ ট্ৰিলিয়ন কিমি.)। আমাৰ সৌৰজগত এই তাৰকাৰাজ্যৰ এক ক্ষুদ্ৰ অংশহে মাথোঁ আৰু ই হাতীপটিৰ কেন্দ্ৰৰ পৰা ২৭০০ আ.ব. দূৰত অৱস্থিত। কিন্তু ইমান বিশাল তাৰকাৰাজ্যখনো সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ তুলনাত কেৱল এক সৰু অংশহে মাত্ৰ। এনেকুৱা আৰু অসংখ্য তাৰকাৰাজ্য আমাৰ বিশ্বব্ৰহ্মাণ্ডত আছে। এতিয়া প্ৰশ্ন হয় যে, যিদৰে আমাৰ সৌৰজগতৰ কেন্দ্ৰত সূৰ্য্য আছে, তেনেদৰে তাৰকাৰাজ্যসমূহৰ কেন্দ্ৰত কি থাকে?

তাৰকাৰাজ্য এখনত অসংখ্য নক্ষত্ৰ, গ্ৰহ, উপগ্ৰহসমূহেও তাৰ এক কেন্দ্ৰস্থানক প্ৰদক্ষিণ কৰি থাকে। সেই কেন্দ্ৰতেই থাকে মহাকাশ বিজ্ঞানৰ আটাইতকৈ ৰহস্যময় বুলি গণ্য কৰা 'কৃষ্ণ গহ্বৰ' (Black Hole)। কৃষ্ণ

গহ্বৰৰ আকৰ্ষণী বল বা মহাকৰ্ষণীয় বল ইমানেই বেছি যে তাৰ কাষলৈ যোৱা যিকোনো পদাৰ্থকেই ই সম্পূৰ্ণৰূপে গিলি পেলাব পাৰে। আনহে নালাগে পোহৰৰ ৰশ্মিও তাৰ পৰা ওলাই আহিব নোৱাৰে। আমি জানো যে ক'লা পদাৰ্থ এটাই কোনো ধৰণে পোহৰৰ ৰশ্মি প্ৰতিফলিত নকৰে, সকলো শোষণ কৰি থয় বাবে তাৰ নাম দিয়া হয় কৃষ্ণ গহ্বৰ। যদি তৰা এটা কৃষ্ণ গহ্বৰৰ কাযেদি যায়, তেন্তে কৃষ্ণ গহ্বৰৰ অতি শক্তিশালী আকৰ্ষণী বলে তাক কাষলৈ টানি নিয়ে আৰু জোৱাৰ-ভাটাৰ প্ৰভাৱৰ দৰে নক্ষত্ৰটোৰ ভিতৰভাগ বিশৃংখল কৰি তোলে। তাৰ পিছত সেই উপাদানসমূহ কৃষ্ণ গহ্বৰৰ ফালে গতি কৰে।

কৃষ্ণ গহ্বৰৰ সৃষ্টি কেনেকৈ হয় বুজিবলৈ আমি সহায় ল'ব লাগিব মহান বিজ্ঞানী 'আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্ব'ৰ। এই তত্ত্বৰ এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত অনুসৰি, পদাৰ্থৰ উপস্থিতিয়ে স্থান-কাল ওখোৰা-মোখোৰা কৰি তোলে। কল্পনা কৰিবলৈ সুবিধা হোৱাকৈ, আমি যদি এখন জাল লৈ তাক আনুভূমিকভাৱে বান্ধি লৈ বল এটা বাগৰি যাবলৈ দিলে যেনেকুৱা বিক্ষেপণ বা ভাঁজৰ সৃষ্টি কৰি যায়, তেনেকুৱা। এটা গধুৰ বস্তুৰ মহাকৰ্ষণিক ক্ষেত্ৰতো পোহৰে পোনভাৱে গতি নকৰে, ই বস্তুটোৰ ফালে কিছু হেলনীয়া হৈ যায়। যিমানেই ভৰ বেছি হয়, বিক্ষেপণৰ মানো সিমানেই বেছি হয়। তেনে এক খুব ভৰযুক্ত বস্তুৱেই স্থান-কালক এনেভাৱে বক্ৰ কৰি তোলে যে তাত এক গহ্বৰ সৃষ্টি হয়। ই এনে এক বিশেষ অংশ য'ৰ পৰা আনকি পদাৰ্থ কণা নতুবা বিদ্যুৎ চুম্বকীয় তৰংগ যেন পোহৰো ওলাই আহিব নোৱাৰে।

কৃষ্ণ গহ্বৰবোৰৰ জন্ম হয় একো একোটা মৃত তৰাৰ পৰা। যেতিয়া এটা বিশাল তৰাৰ নিজৰ শক্তি শেষ হৈ আহে, তেতিয়া ই প্ৰথমতে সংকুচিত হ'বলৈ আৰম্ভ কৰে। কাৰণ ইয়াৰ নিজৰ ইন্ধন শেষ হৈ এনেকুৱা এটা অৱস্থা পায়গৈ যে ই নিজৰেই ওজন সহিব নোৱৰা হৈ পৰে। আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বৰ সহায় লৈ ১৯১৫ চনত 'কাৰ্ল ছোৱাৰ্জচ হিল্ডে' গণনা কৰি উলিয়াইছিল 'কৃষ্ণ গহ্বৰ'ৰ সৃষ্টিৰ আঁৰৰ সত্য। সূৰ্য্যৰ দৰেই আন আন তৰাসমূহে 'নিউক্লীয় সংযোজন বিক্ৰিয়া'ৰ সহায়ত পোহৰ আৰু তাপৰ সৃষ্টি কৰে। এই বিক্ৰিয়াত অতি শক্তিশালী আকৰ্ষণী বল, প্ৰচণ্ড বায়ুমণ্ডলীয় চাপ আৰু মহাজাগতিক কণাসমূহৰ সংকোচনৰ ফলত উৎপন্ন হোৱা তাপৰ সামূহিক ক্ৰিয়াৰ ফলত সূৰ্য্যৰ দৰে আন আন নক্ষত্ৰসমূহৰ কেন্দ্ৰত হাইড্ৰ'জেন পৰমাণুসমূহ লগ হৈ হিলিয়ামলৈ ৰূপান্তৰিত হয়। আৰম্ভণিৰ সময়ত বিকিৰণ আৰু মহাকৰ্ষণ শক্তিৰ মাজত এক সমতা বজাই তৰাসমূহ বৰ্তি থাকে। কিন্তু লাহে লাহে হাইড্ৰ'জেন ৰূপান্তৰিত হোৱাৰ বাবে শেষ হ'বলৈ ধৰে আৰু ৰূপান্তৰিত হোৱা হিলিয়াম কণাসমূহো এক প্ৰক্ৰিয়াৰ অন্তত 'লো' হিচাপে তৰা বা নক্ষত্ৰবোৰৰ কেন্দ্ৰত জমা হয়। ইন্ধন (হাইড্ৰ'জেন) শেষ হোৱাৰ ফলত বহিঃমুখী বিকিৰণ আৰু অন্তঃমুখী মহাকৰ্ষণৰ সমতাও নোহোৱা হ'বলৈ ধৰে আৰু আকৰ্ষণী বলৰ মাত্ৰা তীব্ৰ হাৰত বৃদ্ধি পায়। তদুপৰি আমি জানো যে লোৰ ভৰ যথেষ্ট বেছি, সেয়েহে শেষ অৱস্থাত আটাইবোৰ ইন্ধন 'লো'লৈ ৰূপান্তৰিত হোৱাৰ ফলত তৰাটোৱে এনেকুৱা এটা অৱস্থা পায়গৈ যে ই নিজৰেই ওজন আৰু মহাকৰ্ষণ শক্তি সহিব নোৱৰা হৈ পৰে আৰু তাৰ সমস্ত ভৰ কেন্দ্ৰস্থানৰ ভিতৰত সংকুচিত হৈ পৰে। তেতিয়াই তৰাটোৰ মৃত্যু হয় আৰু হঠাতেই এক প্ৰচণ্ড বিস্ফোৰণ হয়। ইয়াক 'ছুপাৰন'ভা' বুলি কোৱা হয়। এই বিস্ফোৰণৰ ফলত যি পোহৰ বিকিৰণ হ'ব সেই পোহৰে লাখ লাখ আলোকবৰ্ষ গতি কৰাৰ পিছতহে দূৰৰ কোনো গ্ৰহ, যেনে—আমাৰ পৃথিৱীত তাৰ অৱস্থিতি ধৰা পেলাব পৰা যাব; যিটো আমাৰ জীৱনকালত সম্ভৱ নহয়। এইদৰেই একো একোটা তৰাৰ মৃত্যুৰ ফলত সৃষ্টি হয় শক্তিশালী মহাকৰ্ষণযুক্ত 'কৃষ্ণ গহ্বৰ'ৰ। ই কোটি কোটি কিল'গ্ৰাম ওজনৰ বস্তু এটাকো বিন্দুসম অৱস্থালৈ ৰূপান্তৰিত কৰিব পাৰে।

'কৃষ্ণ গহ্বৰ'ৰ পৰিধি হিচাপে এক আলোকীয় বৃত্ত থাকে, ইয়াক ইভেণ্ট হৰাইজ'ন বোলা হয়। 'কৃষ্ণ গহ্বৰ'ৰ আন এটা আমোদজনক কথা হ'ল যে, ই আমাৰ স্বাভাৱিক জীৱনত ঘটি থকা বিজ্ঞানৰ নীতি-

নিয়মসমূহ মানি নচলে। ইয়াত সোমোৱাৰ পিছত সময় ইমানেই ধীৰ গতিত চলে যে ই প্ৰায় স্থিৰ হোৱাৰ দৰেই লাগে। কথাটো সহজকৈ বুজিবলৈ, আমি যদি কল্পনা কৰোঁ যে দুজন মহাকাশচাৰী কিবা প্ৰকাৰে কৃষ্ণ গহ্বৰৰ গৱেষণা কৰিবলৈ যোৱাৰ পথত এজন পাকচক্ৰত কৃষ্ণ গহ্বৰৰ 'ইভেণ্ট হৰাইজ'ন'ত উপস্থিত হ'লগৈ আৰু আনজন বাহিৰতেই থাকিল। ইভেণ্ট হৰাইজ'নত পৰাৰ লগে লগেই কৃষ্ণ গহ্বৰৰ শক্তিশালী মহাকৰ্ষণ শক্তিয়ে মহাকাশচাৰীজনক ভিতৰলৈ নি গিলি পেলাব আৰু তাত যদি তেওঁ কেনেবাকৈ ঘড়ী এটা চাবলৈ সুবিধা পায় তেতিয়া এনে লাগিব যেন সময় একেবাৰে ধীৰ গতিত গতি কৰি আছে। কিন্তু বাহিৰত থকাজনৰ বাবে সময় একেই থাকিব।

কৃষ্ণ গহ্বৰৰ বিষয়ে এনেবোৰ তথ্য দকৈ ভাবি থাকিলে আমাৰ মনত নিশ্চয় এটি শংকা আহিব যে, যদি কিবা কাৰণত আমাৰ পৃথিৱীখন মহাকাশত আগ বাঢ়ি গৈ থাকোঁতে কৃষ্ণ গহ্বৰৰ ভিতৰত সোমাই পৰে তেতিয়াচোন আমাৰ পৃথিৱীৰ অস্তিত্বই নাথাকিব। কিন্তু আচলতে তেনে নহয়, আমাৰ আটাইতকৈ ওচৰত থকা 'কৃষ্ণ গহ্বৰ'টো 'ইউনিকৰ্ণ' আমাৰ পৰা ১৫০০ আলোকবৰ্ষ দূৰত অৱস্থিত, যাক অতিক্ৰম কৰা আমাৰ জীৱনকালত মুঠেই সম্ভৱ নহয়। আমাৰ তাৰকাৰাজ্য 'হাতীপটি'ৰ কেন্দ্ৰত থকা কৃষ্ণ গহ্বৰটো হৈছে ছেজিটেৰিআছ এ* আৰু ই আমাৰ পৃথিৱীৰ পৰা প্ৰায় ২৫,৬৪০ আলোকবৰ্ষ দূৰত অৱস্থিত। ই আমাৰ সূৰ্য্যতকৈ ৪০ লাখ গুণ বেছি ওজনৰ আৰু তাৰ ব্যাস প্ৰায় ৪.৪ কোটি কিমি.। এই ব্যাস আমাৰ সূৰ্য্যৰ তুলনাত ৩১ গুণ বেছি।

কৃষ্ণ গহ্বৰৰ তথ্যসমূহ ইমানেই জটিল যে প্ৰথমতে তাক বুজিবলৈ মানুহে যথেষ্ট অসুবিধা পাইছিল, আনকি তাৰ অস্তিত্বৰ ওপৰতো সন্দেহ প্ৰকাশ কৰিছিল আৰু সন্দেহ হ'বৰে কথা, কিয়নো যিহেতু ই কোনো ধৰণৰ পোহৰ বিকিৰিত নকৰে গতিকে তাক দেখা পোৱাটোও সম্ভৱ নাছিল আৰু নেদেখা-নজনা বস্তু এটাক মানুহে মানি ল'বলৈ টান পাইছিল। কিন্তু ১৯৭৪ চনত মহান বিজ্ঞানী 'ষ্টিফেন হকিঙে' বহুতো পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা এক আচৰিত তথ্য প্ৰমাণ কৰি দেখুৱালে। তেওঁ পালে যে, 'কৃষ্ণ গহ্বৰ' সম্পূৰ্ণ ক'লা নহয়, কণিকা আৰু বিকিৰণ কৃষ্ণ গহ্বৰ এটাৰ উপৰিভাগৰ পৰা নিগৰি ওলাই আহিব পাৰে। যিদৰে এটা উত্তপ্ত বস্তুৱে তাৰ বিকিৰণ কৰে, ঠিক তেনেদৰেই কৃষ্ণ গহ্বৰৰ উপৰিভাগৰ পৰা তাপ আৰু পোহৰ ওলাই অহাৰ দৰে লাগে। পিছলৈ এই বিকিৰণকেই বিজ্ঞানীসকলে তেওঁৰ সন্মানাৰ্থে 'হকিং বিকিৰণ' হিচাপে নামকৰণ কৰে।

২০১৯ চনৰ ১০ এপ্ৰিলৰ আগলৈকে কোনেও কৃষ্ণ গহ্বৰৰ স্থিৰ চিত্ৰ ল'বলৈ সক্ষম হোৱা নাছিল। বিভিন্ন সময়ত ৰেডিঅ' টেলিস্ক'পৰ সহায়ত তথ্য সংগ্ৰহ কৰা হৈছিল যদি তাক ফট' আকাৰে উলিয়াব পৰা নাছিল। কিন্তু মানুহৰ উৎসুকতাই আমাক নতুন নতুন সৃষ্টিৰ প্ৰতি উৎসাহ যোগায়। তাৰে ফলশ্ৰুতিত পৃথিৱীৰ বিভিন্ন স্থানত, তাৰে এটা গ্ৰীনলেণ্ডত, কেইটামান উত্তৰ আৰু কেন্দ্ৰীয় আমেৰিকাত, কেইটামান দক্ষিণ আমেৰিকাৰ হাৱাইত আৰু এটা পৃথিৱীৰ দক্ষিণ মেৰুত এক বিশেষ টেলিস্ক'প, ইভেণ্ট হৰাইজ'ন টেলিস্ক'প স্থাপন কৰি আটাইবোৰকে সংযোগ কৰা হয়। এই আটাইবোৰ টেলিস্ক'পৰেই তথ্যসমূহ একগোট কৰি ২০১৯ চনৰ ১০ এপ্ৰিল তাৰিখে বিজ্ঞানীসকলে মুকলি কৰে প্ৰথমখন 'কৃষ্ণ গহ্বৰ'ৰ আলোকচিত্ৰ। এই আলোকচিত্ৰখন অতিকায় কৃষ্ণ গহ্বৰ এটাৰ সমান আছিল যিটো 'মেছিয়াৰ ৪৭' নামৰ তাৰকাৰাজ্যৰ কেন্দ্ৰত অৱস্থিত। ই দেখিবলৈ আঙঠি এটাৰ দৰেই আছিল আৰু মাজৰ অংশ আন্ধাৰ আছিল। পিছলৈ অৰ্থাৎ ২০২১ চনৰ মাৰ্চ মাহত বিজ্ঞানীসকলে তাৰেই এখন আগতকৈও স্পষ্ট আলোকচিত্ৰ প্ৰকাশ কৰে। আশা কৰোঁ ভৱিষ্যতে বিজ্ঞানৰ আৰু বেছি উত্তৰণ হ'ব আৰু আমি যেন মহাকাশ সম্বন্ধিত আৰু ভাল লগা নতুন নতুন তথ্য পাবলৈ সক্ষম হওঁ। ❖

**উৎস** : https://science.nasa.gov/astrophysics/focus-areas/black-holes; https://solarsystem.nasa.gov/solar-system/our-solar-systemk/overview/; https://en.m.wikipedia.org/wiki/m\Milky_Way

# পুৰাৰ সমাবেশ : আজিৰ চিন্তা, আজিৰ বিষয়বস্তু

(বিদ্যালয়ৰ পুৰাৰ সমাৱেশত আজিৰ চিন্তা আৰু আজিৰ বিষয়বস্তু শীৰ্ষক কিছু কথা শিক্ষাৰ্থীসকলে আগতীয়াকৈ প্ৰস্তুত কৰি সমাবেশত পৰিবেশন কৰে। প্ৰকাশিত লেখাটি বিদ্যালয়ৰ পুৰাৰ সমাৱেশত পঠিত 'আজিৰ বিষয়বস্তু'ৰ পৰা নিৰ্বাচিত।—বা. স. সমিতি)

নমস্কাৰ, আজি অসমীয়া ১৯৪২ শকৰ চ'ত মাহৰ ২৬ তাৰিখে আৰু ইংৰাজী ২০২১ বৰ্ষৰ ৯ এপ্ৰিল শুকুৰবাৰে মই, একাদশ শ্ৰেণীৰ কলা শাখাৰ ছাত্ৰ মানস প্ৰতিম চৌধুৰীয়ে আজিৰ সমাৱেশত উপস্থিত থকা সকলোকে সুপ্ৰভাত জনালোঁ।

**আজিৰ চিন্তা** : নজনাটো লাজৰ কথা নহয়, শিকিবলৈ যত্ন নকৰাটোহে লাজৰ কথা।—বেঞ্জামিন ফ্ৰেংকলিন।

**আজিৰ বিষয়** : ন'বেল বঁটা কি?

ছুইডেনৰ ন'বেল ফাউণ্ডেছনে প্ৰতি বছৰে ১০ ডিচেম্বৰত প্ৰদান কৰি অহা পৃথিৱীৰ সবাতোকৈ সন্মানীয় এক ঐতিহাসিক পুৰস্কাৰ ন'বেল বঁটা। ছুইডেনৰ বিজ্ঞানী, অভিযন্তা আৰু পাছলৈ এজন উদ্যোগপতিৰূপে পৰিচয় লাভ কৰা আলফ্ৰেড বাৰ্নহাৰ্ড ন'বেলৰ উইল বা ইচ্ছাপত্ৰ অনুসৰি এই বঁটাৰ বাবে এটা ন্যাস গঠন কৰা হয়। তেওঁৰ মৃত্যুৰ আগৰ বছৰ অৰ্থাৎ ১৮৯৫ চনৰ ২৭ নৱেম্বৰত পেৰিছত থাকোঁতে আলফ্ৰেড ন'বেলে এই প্ৰখ্যাত উইলখন সম্পাদন কৰে। ডিনামাইট আৰু অন্যান্য কেইবাবিধো বিস্ফোৰক আৱিষ্কাৰ কৰি তাৰ 'পেটেণ্ট' আৰু বিস্ফোৰকসমূহৰ উৎপাদনৰ বাবে স্থাপন কৰা উদ্যোগৰ পৰা জীৱিত কালতে আলফ্ৰেড ন'বেল অগাধ ধন-সম্পত্তিৰ গৰাকী হ'বলৈ সক্ষম হৈছিল। বিজ্ঞান আৰু মানুহৰ উন্নয়ন তথা কল্যাণৰ হকে সততে চিন্তা কৰা আলফ্ৰেডে মৃত্যুৰ আগে আগে তেওঁৰ সমস্ত অস্থাবৰ ধন-সম্পত্তি এটা ন্যাস গঠনৰ অৰ্থে দান কৰি যায়। তেওঁৰ ইচ্ছানুযায়ী ২০,০০,০০০ ডলাৰ বেংকত জমা কৰি এটা পুঁজি গঠন কৰিছিল। বেংকত সঞ্চিত উক্ত পৰিমাণৰ প্ৰকৃত মূলধনৰ পৰা আৰ্জিত সুতখিনি পাঁচটা সমান ভাগত ভগাই দাতা বিজ্ঞানীজনৰ সন্মানত তেওঁৰ নামেৰেই 'ন'বেল বঁটা' প্ৰবৰ্তনৰ ব্যৱস্থা কৰা হয়। পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, চিকিৎসাবিজ্ঞান, সাহিত্য আৰু বিশ্ব শান্তি এই পাঁচটা বিষয়ত মানৰ সমাজৰ বাবে 'সৰ্বোৎকৃষ্ট সেৱা' আগ বঢ়োৱাসকলক একোটিকৈ পুৰস্কাৰ দিবলৈ তেওঁ লিখি থৈ যায়। ইয়াৰ ভিত্তিতে ১৯০১ চনৰ ১০ ডিছেম্বৰৰ পৰা উল্লিখিত বিষয়ত ঐতিহাসিক আৰু আন্তঃৰাষ্ট্ৰীয় ন'বেল বঁটা প্ৰবৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ হয়। উল্লেখযোগ্য যে, আলফ্ৰেড ন'বেলৰ মৃত্যু তিথিৰ (১০ ডিচেম্বৰ) দিনাই প্ৰত্যেক বছৰে ষ্টকহ'ম আৰু অছল'ত আয়োজিত জাকজমকীয়া অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হয়। ১৯৬৮ চনৰ পৰা অৰ্থনীতিবিজ্ঞান বিষয়তো একে তাৰিখতে এটা বঁটা প্ৰদানৰ সিদ্ধান্ত লোৱা হয়। ফলত আমি ষষ্ঠটো ন'বেল বঁটাও ঘোষিত হৈ অহা দেখিবলৈ পাইছোঁ।

ওপৰৰ কথাখিনি 'ন'বেল বঁটাৰ কথা' নামৰ কিতাপখনৰ পৰা সংগ্ৰহ কৰা হৈছে আৰু সংগ্ৰহ কৰি উলিয়ালে নৱম শ্ৰেণীৰ গ শাখাৰ তন্ময় কাশ্যপে। ❖

**কিতাপৰ নাম : সোণটিৰ পৃথিৱীত**

লেখকৰ নাম : বন্দিতা ফুকন

প্ৰকাশক : অসম শিশু সাহিত্য ন্যাস

মূল্য : ৫০.০০ টকা




এই কিতাপখন এখন শিশুৰ বাবে ৰচিত শিক্ষামূলক উপন্যাস। ইয়াত সোণ নামৰ এজন ল'ৰাৰ বিষয়ে উল্লেখ কৰা হৈছে। সোণ আছিল বৰ প্ৰকৃতিপ্ৰেমী। ইয়াৰ উপৰি সোণ আছিল বৰ শান্ত, সাহসী আৰু দয়ালু ল'ৰা। লগতে সোণটি বিভিন্ন কথা জানিবলৈ ইচ্ছুক আছিল। সোণক মৰমতে পৰিয়ালত 'সোণটি' বুলি মাতিছিল। সোণটিয়ে নিজৰ পৰিয়ালৰ পৰা কিছু আৰ্থিক অসুবিধাও পাইছিল। সুখ-দুখৰ মাজেৰে সোণটি শৈশৱৰ পৰা কিশোৰত সোমাইছিল। বহুতো সপোন লগত লৈ থকা সোণটিৰ ককাকৰ কিছু বছৰ পিছতে মৃত্যু হয়। ককাক নথকা সত্ত্বেও সোণটিয়ে অতি কষ্টেৰে পঢ়া-শুনা কৰি নিজৰ গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনে। গতিকে লগত লৈ থকা সপোন কেতিয়াও ভাগি যাবলৈ দিব নালাগে। তদুপৰি দৃঢ়বিশ্বাস ৰাখিলেহে সফলতা অৰ্জন কৰিব পাৰি। সোণটিৰ মনত ককাক আৰু পৰিয়ালৰ প্ৰতি দুখ অনুভৱ কৰা সত্ত্বেও সি কেতিয়াও স্তব্ধ নোহোৱা নদীখনলৈ চাই নিজৰ মনটো জুৰ পেলাইছিল। এই কিতাপখনৰ পৰা এটা কথা বুজিব পাৰি যে দুখৰ ছাঁত ভুগি থকা মানুহে সুখৰ ছাঁ লাভ কৰিবই। তদুপৰি চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰিহে মানুহ এজনৰ পৰিচয় পোৱা যায়।

**■ ৰিয়ম কুমাৰ ডেকা**
সপ্তম শ্ৰেণী

**কিতাপৰ নাম : মোৰো এটা সপোন আছে**

লেখকৰ নাম : ড° ৰুবুল মাউত

প্ৰকাশক : পূৰ্বায়ণ প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১

প্ৰকাশ : অক্টোবৰ, ২০১৭ চন

মূল্য : ১৮০.০০ টকা




এই কিতাপখন এখন আত্মজীৱনীমূলক কিতাপ। এটা অতি দৰিদ্ৰ পৰিয়ালৰ ব্যক্তিয়ে কেনে ধৰণে সংগ্ৰাম কৰি আমেৰিকাৰ মাছাচুছেট্‌ছ বিশ্ববিদ্যালয়লৈ যাবলৈ সক্ষম হৈছিল সেই কথা এই পুথিখনত লিখা হৈছে আৰু সেই ব্যক্তিজনেই হৈছে ড° ৰুবুল মাউত। বৰ্তমান তেওঁ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ স্কুল অৱ মেডিচিনত গৱেষণা কৰা গৱেষক তথা বিজ্ঞানীৰ লগতে ইন'ভেষ্টন ফেল'। মাছাচুছেট্‌ছ বিশ্ববিদ্যালয়ৰ পৰা আধুনিক জীৱবিজ্ঞানৰ এক আৱিষ্কাৰ 'জিন এডিটিঙ'ৰ বাবে তেওঁক ডক্টৰেট ডিগ্ৰী দিয়া হয়। তেওঁৰ এই সফলতাৰ আঁৰত তেওঁৰ লগতে তেওঁৰ পৰিয়ালৰ সকলো সদস্যৰ অৱদান আছে। তেওঁ শৈশৱৰ পৰাই বহুতো সংগ্ৰাম কৰি আজিৰ এই স্থান পাবলৈ সক্ষম হৈছে। তেওঁ ন-দহ বছৰতে খেতি কৰি, শাক-পাচলি বেচি পৰিয়ালটো পোহপাল দিব লাগিছিল। যি ঠাইত মানুহে কেতিয়াও বিজুলীৰ মুখ দেখা নাছিল, যি ঠাইত চৰকাৰী চাকৰি কৰা ব্যক্তি নাছিল, যাতায়াতৰ কোনো সুবিধা নাছিল, মানুহে কেৱল খেতি কৰিয়েই জীৱিকা নিৰ্বাহ কৰিছিল, যি ঠাইত কিছুমানে দুবেলা দুমুঠি খাবলৈ পোৱা নাছিল তেনে ঠাইত থাকি তেওঁ বিভিন্ন ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ আমেৰিকাত গৱেষণা কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ জীৱন কাহিনীয়ে আমাক সকলোকে জীৱনত আগ বাঢ়ি যোৱাৰ প্ৰেৰণা যোগাইছে।

**■ কাকলি দেৱী**
সপ্তম শ্ৰেণী

**কিতাপৰ নাম : মোৰ শৈশৱ, মোৰ কৈশোৰ**
লেখকৰ নাম : ড° ভবেন্দ্ৰ নাথ শইকীয়া
প্ৰকাশক : ষ্টুডেণ্টচ ষ্ট'ৰচ, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী ৭৮১০০১
প্ৰকাশ : ২০০২ চন
মূল্য : ৬০.০০ টকা




এই পৃথিৱীত জন্ম লাভ কৰা একাংশ ব্যক্তি চিৰদিন আমাৰ মাজত অমৰ হৈ থাকিব। সেইসকল নমস্য ব্যক্তিয়ে আমাক দি যায় সাহস আৰু প্ৰেৰণা। তেওঁলোকৰ শৈশৱ, কৈশোৰ, শিক্ষা, সাহিত্য আমাৰ বাবে প্ৰেৰণাৰ উৎস। তেওঁলোকে দেখুৱাই দিয়া পথেৰে আমি আগ বাঢ়িলে জীৱনত সফল হ'ব পাৰিম। তেনে এজন বৰেণ্য ব্যক্তি হ'ল ড° ভবেন্দ্ৰ নাথ শইকীয়া। ড° ভবেন্দ্ৰ নাথ শইকীয়াই অসমীয়া সাহিত্যলৈ অমূল্য বৰঙণি আগ বঢ়াইছে। শিশু-কিশোৰৰ বাবে লিখা তেওঁৰ ৰচনাবোৰে আমাক বহু কথাই শিকায়। বিশিষ্ট সাহিত্যিক, চলচ্চিত্ৰ পৰিচালক, শিক্ষাবিদ, নাট্যকাৰ, সম্পাদক ড° ভবেন্দ্ৰ নাথ শইকীয়াই লিখা তেনে এখন গ্ৰন্থ হ'ল—'মোৰ শৈশৱ, মোৰ কৈশোৰ'।

এই আত্মজীৱনীমূলক গ্ৰন্থখনৰ প্ৰতি মই খুবেই আকৃষ্ট হৈছোঁ। গ্ৰন্থখনত ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ শৈশৱৰ কথা অতি সুন্দৰভাৱে উল্লেখ কৰা হৈছে। তেওঁৰ পঢ়াশালিৰ দিনবোৰ, হাইস্কুলৰ কথা, ফুটবল খেলা, সংগীত আদি কথাবোৰ 'মোৰ শৈশৱ, মোৰ কৈশোৰ' কিতাপখন পঢ়িলে গম পোৱা যায়। কিতাপখনৰ আটাইবোৰ লেখাই মনোগ্ৰাহী। উদাহৰণস্বৰূপে, 'মোৰ শৈশৱ, মোৰ কৈশোৰ' গ্ৰন্থখনত অন্তৰ্ভুক্ত 'হাইস্কুল পালোঁগৈ' শীৰ্ষক লেখাটোত তেওঁ লিখিছে—"এদিন আগবেলা ওচৰৰ চুবুৰিটোৰ নুৰুল হকৰ লগত খোজ কাঢ়ি গৈ গৈ নগাঁও গৱৰ্নমেণ্ট হাইস্কুলৰ ওচৰ পালোঁগৈ। দূৰৰ পৰা দেখিলোঁ—স্কুলখনৰ বাকৰিত আমাৰ বয়সীয়া বহুত ল'ৰা গোট খাই আছে। কিনো হৈছে? দুয়ো স্কুলৰ গেটেদি সোমাই গ'লোঁ। গম পালোঁ—ক্লাছ থ্ৰিত এডমিছনৰ কাৰণে পৰীক্ষা লোৱা হ'ব। কেতিয়া? এই এতিয়াই, অলপ পাছতে পৰীক্ষা আৰম্ভ হ'বই। আক-তাক খুজি আমি দুয়ো একোখিলা কাগজ আৰু একোডাল পেন্সিল যোগাৰ কৰিলোঁ, আৰু পৰীক্ষা লোৱাসকলৰ ওচৰলৈ গৈ, নাম লিখাই, পৰীক্ষা দিবলৈ বহিলোঁ। দুপৰীয়া ঘৰলৈ উভতি আহোঁতে পিতাইহঁতে ইমানপৰ ক'লৈ গৈছিলি বুলি আগভেটা দি ধৰোঁতে সগৰ্বে উত্তৰ দিছিলোঁ—গৱৰ্নমেণ্ট হাইস্কুলত এডমিছনৰ পৰীক্ষা দি আছিলোঁ।"

"সেইদিনা নুৰুল হকৰ লগত সেইফালে ফুৰিবলৈ নোযোৱা হ'লে সেইখন স্কুলত পঢ়িবলৈ পালোঁহেঁতেন নে নাপালোঁহেঁতেন, মই নিশ্চয়কৈ ক'ব নোৱাৰোঁ।"—এনে ধৰণৰ লেখাবোৰে আমাক আকৃষ্ট কৰে। ড° ভবেন্দ্ৰ নাথ শইকীয়াই কয় যে পঢ়া আৰু জনাৰ প্ৰতি তেওঁ অনবৰত এটা 'ভোক' অনুভৱ কৰিছিল। সেইকাৰণে তেওঁৰ পাঠ্যপুথিৰ মাজত 'বাহিৰা' কিতাপৰ ভিৰ লাহে লাহে বেছি হৈছিল। এনে ধৰণৰ কথাৰ বাবেই মোৰ গ্ৰন্থখন ভাল লাগে। 'মোৰ শৈশৱ, মোৰ কৈশোৰ' কিতাপখন পঢ়ি প্ৰতি সকলোৱে পঢ়ি ভাল পাব। আমাৰ বয়সৰ সকলোৱে গ্ৰন্থখন পঢ়া উচিত। কাৰণ গ্ৰন্থখন পঢ়াৰ পিছতে ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ শৈশৱ আৰু কৈশোৰ কালৰ চিন্তাৰ সৈতে আমি একাত্ম হ'ব পাৰোঁ। এই কথাটোৱে জীৱনত আমাক সহায় কৰিব পাৰে। কিজানি আমাৰো পঢ়া আৰু জনাৰ প্ৰতি 'ভোক' এটা বাঢ়িয়ে যায় !

■ **বিৰিখ ক্ষত্ৰিয়**
সপ্তম শ্ৰেণী

# Advanced Farming Techniques for Sustainable Living

**Pragyanzu Jagadish**
**Tonmoy Kashap**
Class IX

Last year I and my classmate Tonmoy Kashyap participated in the National Children's Science Congress, 2020. The theme of the last year's NCSC was Science for Sustainable Living. We decided to work on the sub topic of 'Eco System for Sustainable Living.' The name of our project was 'Advanced Farming Techniques for Sustainable Living.' Actually I had been doing this project before we participated in the NCSC. We selected our guide as Tulika Dutta Ma'am. We also took help from Ajanta Neog Ma'am and Pankaj Dutta Sir.

We did surveys and studies about the impact of so called advanced farming technique. We selected Amranga as our research area. We interacted with the normal and organic farmers. We collected a huge amount of numerical data and went to study the conventional rice cultivation also. After this we analysed all the information we had collected. I am going to discuss briefly here the findings. We proved that the usage of chemical fertilizers, insect repellents and others such chemicals pollutes the soil and water and it decreases the organic matter in the soil. We had also shown the impact of this chemicals on the water table and climate etc of the selected area.

So then we created a farming pattern which will replenish the soil with Nutrients and it will completely rejuvenate the soil within 4 to 5 years. In this pattern the farmers have to set up an agroforestry site in 2 adjacent sides of their farmland. They have to set up a water reservoir beside the agroforestry site to reserve water and start the ecosystem of bacteria. They have to make their own vermicompost from their own daily wastage. They can also earn from vermicompost by selling them. They have to grow natural insect repellents to protect their crops like Citronella, neem etc and setup a biogas plant at home which can be a source of income. They are advised to grow nitrogen fixing crops once in a year to boost the level of nitrogen in the soil. The nitrogen fixing crops are groundnut, soybeans etc. After 7 to 8 years, the soil will be full of nutrients by the ecosystem. It takes 7 to 8 years to mature the trees. The investment of the farmers is fairly less. We are working hard to specialize this pattern for tea gardens, home gardens and othe plantations etc. We were selected at the district level and I went to present our project at the state level of NCSC in Nalbari. It was very good to see the child scientists from the whole state but we did not get selected for the National level NCSC. I am grateful for Mr. Manab Deka for helping us throughout the project. We'll continue to work to implement this pattern everywhere else and to do more research works. ❖

# শিশু দিৱস উপলক্ষে ১৪ নৱেম্বৰ তাৰিখে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ আয়োজন কৰা ভেশছন, ছবি অঁকা আৰু ৰচনা প্ৰতিযোগিতাসমূহৰ ফলাফল

## ভেশছন প্ৰতিযোগিতা

**প্ৰথম শ্ৰেণী (ক শাখা)**

প্ৰথম : ৰাজদীপ চৌধুৰী
দ্বিতীয় : দীক্ষিতা গোস্বামী
তৃতীয় : অনুধৃতি বৰঠাকুৰ

**প্ৰথম শ্ৰেণী (খ শাখা)**

প্ৰথম : হৰ্ষিতা বৈশ্য
দ্বিতীয় : জানকী শৰ্মা, ঐশ্বৰিক কাশ্যপ
তৃতীয় : মূৰ্চ্ছনা শৰ্মা

**প্ৰথম শ্ৰেণী (গ শাখা)**

প্ৰথম : বৰ্ণিল আকাশ বৰা
দ্বিতীয় : নন্দিতা কলিতা
তৃতীয় : অহিৰ বৰুৱা
উদগনিমূলক : যুৱৰাজ দাস

**প্ৰথম শ্ৰেণী (ঘ শাখা)**

প্ৰথম : কৃষ্টি ডেকা
দ্বিতীয় : নিয়ৰ তালুকদাৰ
তৃতীয় : সমৃদ্ধ ৰাগ শইকীয়া, দৰ্শন ডেকা

**প্ৰথম শ্ৰেণী (ঙ শাখা)**

প্ৰথম : হৰ্ষিত বৰ্মন
দ্বিতীয় : প্ৰাচী শৰ্মা, নিহাৰ বৰদলৈ
তৃতীয় : মৈয়েত্ৰী মূৰ্চ্ছনা দাস
উদগনিমূলক : ডঁৰিয়লি তালুকদাৰ

## ছবি অঁকা প্ৰতিযোগিতা

**দ্বিতীয় শ্ৰেণী (ক শাখা)**

প্ৰথম : গৌৰৱ বৈশ্য (ক)
দ্বিতীয় : লিয়ন দাস (ক)
তৃতীয় : ধান্যাতা তামুলী (গ)

**তৃতীয় শ্ৰেণী**

প্ৰথম : ৰাজশ্ৰী ভট্ট (গ)
দ্বিতীয় : মধুৰ মনীষ বৰপূজাৰী (গ)
শ্ৰুতাঞ্জয় ভূঞা (গ)
তৃতীয় : কুনাল কিশোৰ শৰ্মা (ঘ)
তৃণসেউজ দাস (খ)

**চতুৰ্থ শ্ৰেণী**

প্ৰথম : বাস্তৱ দাস (খ)
দ্বিতীয় : অপেক্ষা দেৱৰ্ষি (গ)
ৰক্তিম তহবিলদাৰ (খ)
তৃতীয় : পৰিস্মিতা দেৱী (খ)
নিচান প্ৰতীম ভৰদ্বাজ (ক)

**পঞ্চম শ্ৰেণী**

প্ৰথম : প্ৰণামী মেধি (ক)
দ্বিতীয় : কৌশিক কলিতা (ক)
তৃতীয় : প্ৰাচুৰ্য্য বৰা (ঘ)

**ষষ্ঠ আৰু সপ্তম শ্ৰেণী**

প্ৰথম : ঋতুমল্লিকা গোস্বামী (সপ্তম গ)
দ্বিতীয় : ধৃতিমান ঠাকুৰীয়া (ষষ্ঠ গ)
তৃতীয় : ময়ংক পাঠক (সপ্তম খ)

**অষ্টম শ্ৰেণী**

প্ৰথম : শ্যামলীমা পাঠক (ক)
দ্বিতীয় : বেদান্ত শৰ্মা (ঘ)
তৃতীয় : বিবেচিত নহ'ল। ❖

# বিদ্যালয়ৰ বাহিৰৰ বিভিন্ন প্ৰতিযোগিতাত শিক্ষাৰ্থীৰ অংশগ্ৰহণৰ সফলতাৰ খতিয়ান

All Assam Taekwondo Association-ৰ Barpeta District Taekwondo Association-এ আয়োজন কৰা 4th Open Invitation Inter-District Taekwondo Championship-2021-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী স্তুতি-কিংকিনী মজুমদাৰে সোণৰ পদক লাভ কৰে।

Sanskriti Sangam, 2020-21-এ আয়োজন কৰা 3rd International & 7th National Instrumental, Yoga, Music & Dance Competition-ত আমাৰ বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী সুপ্ৰিয়া গোস্বামীয়ে সত্ৰীয়া নৃত্যত প্ৰথম স্থান লাভ কৰে। উক্ত অনুষ্ঠানত অষ্টম শ্ৰেণীৰ ছাত্ৰী বৰষা ৰাণী কলিতাই ধ্ৰুপদী নৃত্যত আৰু অষ্টম শ্ৰেণীৰ অভিলাষা বৰ্মনে নৃত্যত শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰে।

Karate Association of India-ৰ অধীনত All India Dhammika Kai Karate Federation-এ আয়োজন কৰা Karate Championship-ত আমাৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ কংকন শৰ্মাই ৰূপৰ পদক লাভ কৰে।

My Gov. Assam-এ আয়োজন কৰা 'তুলিকাত ভূপেন মামা' শীৰ্ষক অনলাইন চিত্ৰাংকণ প্ৰতিযোগিতাত আমাৰ বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ বাস্তৱ দাসে প্ৰথম পুৰস্কাৰ লাভ কৰে।

Japan Karate–Do Kenyu Ryu India আৰু Assam State Karate Association under Assam Olympic Association-ৰ অধীনত আয়োজন কৰা 8th Inter DOJO Karate–Do Championship 2021-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী সমাদৃতা শৰ্মাই তৃতীয় পুৰস্কাৰ লাভ কৰে।

ৰাজ্যিক সম্পদ কেন্দ্ৰ, অসমৰ উদ্যোগত আৰু ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰৰ সহযোগত স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে আইন সাক্ষৰতা সপ্তাহৰ লগত সংগতি ৰাখি আয়োজন কৰা 'ক' শাখাৰ ৰচনা প্ৰতিযোগিতাত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী কৃপালিনী চাংমাই দ্বিতীয় পুৰস্কাৰ, দশম শ্ৰেণীৰ ছাত্ৰ মাধুৰ্য্য জয়ন্ত কলিতাই প্ৰথম স্থান লাভ কৰে আৰু 'খ' শাখাৰ ৰচনা প্ৰতিযোগিতাত একাদশ শ্ৰেণীৰ ছাত্ৰী অৰ্পিতা শৰ্মাই তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

Guwahati Sports Association-এ আয়োজন কৰা Kanak Chandra Baruah & Dipti Baruah Memorial Inter Club & Inter Educational Institute Athletics Meet 2021-22-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী স্নেহা হাজৰিকাই 'Shot put'ত সোণৰ পদক, দশম শ্ৰেণীৰ ছাত্ৰী হিমাক্ষী কলিতাই 'Shot put'-ত সোণৰ পদক, Discus Throw-ত সোণৰ পদক লাভ কৰে। একাদশ শ্ৰেণীৰ ছাত্ৰী পংখী ভৰদ্বাজে 'Discuss Throw'-ত ৰূপৰ পদক, একাদশ শ্ৰেণীৰ ছাত্ৰী অৰ্ণৱী দত্তই 'Shot put'-ত ৰূপ পদক আৰু Discuss Throw-ত সোণৰ পদক, একাদশ শ্ৰেণীৰ ছাত্ৰী অৰ্পিতা শৰ্মাই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

Ministry of Youth Affair & Sports, Govt. of India-ৰ অধীনত Chhattisgarh Roll Ball Association-এ আয়োজন কৰা 1st East Zone Senior Roll Ball National Championship 2021-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী জচ্‌মিতা মহন্তই দ্বিতীয় স্থান লাভ কৰে।

অ আ ক খৰ উদ্যোগত আৰু 'কনক চন্দ্ৰ পাঠক মেম'ৰিয়েল ট্ৰাষ্ট'ৰ সহযোগত আয়োজন কৰা সদৌ অসম ভিত্তিত স্কুল কুইজ প্ৰতিযোগিতাত আমাৰ

বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰ ধীমানজ্যোতি কলিতাই প্ৰথম স্থান আৰু ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ জ্যোতিষ্মান দাসে দ্বিতীয় পুৰস্কাৰ লাভ কৰে।

SIP Abacus India-ই আয়োজন কৰা Eastern India's Online Drawing Contest-2020-ত আমাৰ বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ দেৱৰ্ষি কাশ্যপে ৰাজ্যিক শাখাত (অসম) দ্বিতীয় স্থান লাভ কৰে।

ISCA-এ আয়োজন কৰা Indian Film Festival Cincinnati-ত 'মণ্টুৰ মনটো' চিনেমাখনত অভিনয় কৰা আমাৰ বিদ্যালয়ৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ অগ্নিমিত্ৰ কাশ্যপ শ্ৰেষ্ঠ শিশু অভিনেতা হিচাপে বিবেচিত হয়।

Surajit Academy & National Council of Teacher Scientist, Assam-এ আয়োজন কৰা Late Ramesh Chandra Sharma Memorial National Level Painting Competition-ত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ গীতাৰ্থ শৰ্মাই দ্বিতীয় পুৰস্কাৰ লাভ কৰে।

Indian Oil Corporation Limited, Guwahati Refinery-এ "Vigilance Awareness Week 2021" উপলক্ষে আয়োজন কৰা কুইজ প্ৰতিযোগিতাত একাদশ শ্ৰেণীৰ ছাত্ৰ সুদীপ্ত কলিতাই তৃতীয় পুৰস্কাৰ লাভ কৰে।

Assam Olympic Association-ৰ অধীনত Assam State Karate Association-ৰ দ্বাৰা Karate Association of Guwahati-য়ে আয়োজন কৰা Guwahati District Karate Championship 2021-ত আমাৰ বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ সপ্তাৰ্ষ বৰদলৈয়ে ৰূপৰ পদক লাভ কৰে।

মাহেকীয়া শিশু আলোচনী 'সঁফুৰা'ই আয়োজন কৰা সঁফুৰা বৃত্তি পৰীক্ষা, ২০২১-ত আমাৰ বিদ্যালয়ৰ সৃজন বৰুৱাই মাধ্যমিক শাখাত দ্বিতীয় স্থান লাভ কৰি অম্বিকাপদ দেৱচৌধুৰী সোঁৱৰণী বৃত্তি লাভ কৰে।

পল্লৱী বৰুৱা ফাউণ্ডেছনে আয়োজন কৰা ৰাজ্যিক ভিত্তিত গল্প লিখা প্ৰতিযোগিতাত আমাৰ বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰী সাক্ষী প্ৰিয়ম্বদাই প্ৰথম স্থান লাভ কৰে। ছাত্ৰীগৰাকীয়ে 'পোহৰৰ আলিবাট' নামৰ নাটক এখন ৰচনা কৰি আকাশবাণী গুৱাহাটীৰ সৰ্বকনিষ্ঠ নাট্যকাৰৰ খিতাপ লাভ কৰে। ❖

## ২০২১ বৰ্ষৰ 'সাহিত্য দিৱস' উপলক্ষে আয়োজিত আন্তঃবিদ্যালয় প্ৰবন্ধ প্ৰতিযোগিতাৰ ফলাফল

**'ক' শাখা : (ষষ্ঠ-সপ্তম শ্ৰেণী)**

**বিষয় : পৰ্যটন আৰু অসম**

প্ৰথম : ৰূপশিখা বৰ্মন (ষষ্ঠ)
নীলাচল জাতীয় বিদ্যালয়, গুৱাহাটী

দ্বিতীয় : ডঁৰিয়লি ডেকা (ষষ্ঠ)
অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী

তৃতীয় : ৰাগিণী সংস্কৃতি বৰ্মন (সপ্তম)
অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী

**'খ' শাখা : (অষ্টম-নৱম শ্ৰেণী)**

**বিষয় : অসমৰ থলুৱা খাদ্যৰ বিপণন : সাম্প্ৰতিক অৱস্থা আৰু সম্ভাৱনীয়তা**

প্ৰথম : সাক্ষী প্ৰিয়ম্বদা (অষ্টম)
অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী

দ্বিতীয় : আশাপ্ৰিয়া কলিতা (অষ্টম)
জোনাকী জাতীয় বিদ্যালয়, মাজুলী

তৃতীয় : খ্যাতিতৃষ্ণা দেৱী (অষ্টম)
অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী

**'গ' শাখা : (দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী)**

**বিষয় : বিজ্ঞাপন—সমাজ জীৱনত ইয়াৰ প্ৰভাৱ**

প্ৰথম : ভাৱনা তালুকদাৰ (দ্বাদশ)
অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী

দ্বিতীয় : হিয়া শৰ্মা (একাদশ)
মাৰিয়াজ পাব্লিক স্কুল, গুৱাহাটী ❖

# বিদ্যালয়ৰ উল্লেখযোগ্য দিন : ২০২১ বৰ্ষ

| | | |
|---|---|---|
| ১ জানুৱাৰী | : | বিদ্যালয়ৰ অষ্টাবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন। বিদ্যালয়ৰ ২০১৯-২০ বৰ্ষৰ 'বাখৰ' উন্মোচন কৰা হয়। উন্মোচন কৰে বিশিষ্ট গল্পকাৰ মণিকা দেৱীয়ে। মুখ্য অতিথিৰূপে উপস্থিত থাকে দি আসাম ট্ৰিবিউন কাকতৰ কাৰ্য্যবাহী সম্পাদক প্ৰশান্তজ্যোতি বৰুৱা। |
| ২৬ জানুৱাৰী | : | গণৰাজ্য দিৱস। ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়ত অনুষ্টুপীয়াকৈ গণৰাজ্য দিৱস পালন কৰা হয়। বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। |
| ১২ এপ্ৰিল | : | 'সাহিত্য দিৱস' উদ্‌যাপন। আন্তঃবিদ্যালয় সাহিত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ। বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে অধ্যক্ষ ঘনশ্যাম মেধিয়ে। সাহিত্য দিৱসৰ অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট গল্পকাৰ তথা কলা সমালোচক ড° মৌচুমী কন্দলী। |
| ২০ জুন | : | অনলাইনযোগে বিষ্ণু ৰাভা দিৱস উদ্‌যাপন। বিদ্যালয়ত বিষ্ণু ৰাভা দেৱৰ প্ৰতিকৃতিত বন্তি প্ৰজ্জ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিভিন্ন শ্ৰেণীৰ শিক্ষাৰ্থীয়ে গুগল মীট এপৰ জৰিয়তে বিভিন্ন ধৰণৰ গীত, নৃত্য, বক্তৃতা, কবিতা আবৃত্তি আদি অনুষ্ঠান পৰিবেশন কৰে। |
| ২৩-২৯ জুন | : | এজবেকৰ দ্বাৰা আয়োজিত অনলাইন শিক্ষক-প্ৰশিক্ষণ কাৰ্য্যসূচী। ২৩ জুন তাৰিখে প্ৰাক্-বিদ্যালয়, ২৩, ২৪ জুন তাৰিখে ইংৰাজী বিষয়ৰ, ২৫, ২৬ জুন তাৰিখে অসমীয়া আৰু গণিত বিষয়ৰ, ২৮, ২৯ জুন তাৰিখে বিজ্ঞান আৰু সমাজবিজ্ঞান বিষয়ৰ, ২৯ জুন তাৰিখে সুকুমাৰ কলা বিষয়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। |
| ১৫ আগষ্ট | : | স্বাধীনতা দিৱস। সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়ত অনুষ্টুপীয়াকৈ স্বাধীনতা দিৱস পালন কৰা হয়। বিদ্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। |
| ৫ ছেপ্টেম্বৰ | : | শিক্ষক দিৱস। বিদ্যালয় চৌহদত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱৰ প্ৰতিকৃতিত বন্তি প্ৰজ্জ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। |
| ৫ নৱেম্বৰ | : | ভূপেন হাজৰিকা দিৱস। বিদ্যালয়ত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে ভূপেন্দ্ৰ সংগীত, ভূপেন্দ্ৰ সংগীতত নৃত্য, বক্তৃতা আদি বিভিন্ন অনুষ্ঠানৰ এটি ভিডিঅ' প্ৰস্তুত কৰে। ভিডিঅ'টি বিভিন্ন শ্ৰেণীৰ সকলো শাখালৈ হোৱাট্‌ছএপৰ জৰিয়তে প্ৰেৰণ কৰা হয়। |

১৪ নৱেম্বৰ : শিশু দিৱস। অনলাইনযোগে অংকুৰ, প্ৰাক্-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ ভেশছন, দ্বিতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ ছবি অঁকা প্ৰতিযোগিতা আৰু ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে বিভিন্ন গীত, নৃত্য, বক্তৃতাৰ অনুষ্ঠানৰ ভিডিঅ' প্ৰস্তুত কৰি উলিয়ায়।

২৪ নৱেম্বৰ : লাচিত দিৱস। অসমৰ সকলো জাতীয় বীৰ-বীৰাংগনাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিদ্যালয়ৰ নিয়মীয়া শ্ৰেণী অনুষ্ঠিত হোৱাৰ পিছত ২:৪০ বজাৰ পৰা ৩:৪০ বজালৈ নিজ নিজ শ্ৰেণীকোঠাতেই লাচিত দিৱস উদ্‌যাপন কৰা হয়। শিক্ষাৰ্থীসকলে বিভিন্ন দেশভক্তিমূলক গীত, নৃত্য, বক্তৃতা, কবিতা আবৃত্তি আদি পৰিৱেশন কৰে।

১০ ডিচেম্বৰ : শ্বহীদ দিৱস। ঐতিহাসিক অসম আন্দোলনৰ শ্বহীদসকলৰ স্মৃতিত পুৱা ৮ বজাত শ্বহীদ বেদীৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, শিক্ষাৰ্থী আৰু একাংশ অভিভাৱক উপস্থিত থাকে।


**বি. দ্ৰ :** ক'ভিড পৰিস্থিতিৰ বাবে এই বৰ্ষত বিদ্যালয়ত পালন কৰিবলগীয়া কিছুমান দিৱস আৰু অনুষ্ঠান বাতিল কৰা হৈছিল। ❖

# The Realization




TONMOY KASHYAP
Class : IX

## এই সংখ্যা বাখৰৰ বাবে সংগৃহীত বেটুপাতৰ একাংশ



**অন্‌চিত শৰ্মা**, নৱম শ্ৰেণী



**কৌস্তভ তালুকদাৰ**, একাদশ (বিজ্ঞান শাখা)



**ৰক্তিম কমল ভৰদ্বাজ**, দশম শ্ৰেণী